অসম সামাজিক-শিক্ষাবিভাগৰ মুখপত্ৰ।

জন শিক্ষা

১৪শ বছৰ { ১৮৭৫ শক বহাগ-জেঠ; ইং ১৯৫৩ } ১ম সংখ্যা।

কংগ্ৰেছৰ মুখ্য লক্ষ্য হৈছে দেশত পঞ্চায়ত ৰাজ্য স্থাপন কৰা। আনাৰ দেশত এতিয়ালৈকে
৯৩ খন পঞ্চায়ত গঠিত হৈছে। পঞ্চায়ত আইনৰ প্ৰধান উদ্দেশ্য হৈছে ৰাইজক স্বাৱলম্বী প্ৰচেষ্টা সমূহলৈ
মনোযোগী কৰা। গাৱঁৰ দুখ দুৰ্দ্দশা, অভাব অভিযোগ আদিৰ মূল কাৰণ নিৰ্দ্ধাৰণ কৰি সেইবিলাক
আঁতৰ কৰিবলৈ সংঘবদ্ধ ভাৱে পূৰ্ণ সহযোগেৰে স্বাৱলম্বী হৈ কাম কৰাই হ'ল পঞ্চায়তৰ লক্ষ্য। সেই
প্ৰচেষ্টাবোৰ কৃতকাৰ্য্য কৰিবৰ বাবে চৰকাৰে প্ৰত্যেকখন পঞ্চায়তক পাঁচ বছৰলৈ ৫৫ হাজাৰ টকা
আৰ্থিক সাহায্য দিছে। ইয়াৰ বাহিৰেও পঞ্চায়ত এলেকাত স্থানীয়কৰ, পাৰঘাটৰ আৰু খোৱাড়ৰ খাজনা,
তিনি হেজাৰকৈ কম দামত বিক্ৰী হোৱা হাটৰ খাজনা, গাড়ীৰ টেক্স আদিৰপৰা হোৱা আইখিনিও
পঞ্চায়তৰ হাতত অৰ্পণ কৰা হৈছে। ইয়াৰ উপৰিও জনহিতকৰ নতুন নতুন কাম হাতত লোৱাৰ
অৰ্থে বৰঙণি তোলাৰ ক্ষমতা পঞ্চায়তক দিয়া হৈছে।

—শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী।

সম্পাদক—শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা।

—পোৱাৰ ঠাই—
সামাজিক শিক্ষা অ'ফিচ, গুৱাহাটী।

"অন্ধকাৰৰপৰা পোহৰলৈ নিয়া
অজ্ঞানৰপৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰপৰা নি অমৰত্ব দান কৰা"
— উপনিষৎ।

সূচী-পত্ৰ

১। সামাজিক শিক্ষা আৰু নাগৰিক দায়িত্ব বোধ . অধ্যাপক আশ্ৰফ আলী
২। বিলুৱা ৰামায়ণ ... . শ্ৰীকমলেশ্বৰ চলিহা
৩ ডাক্তৰ লবাকে আমাক কি শিকালে ? .. শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত, বি-এল
৪। ইয়েহুদি মেনুহিন ... ... সম্পাদক
৫। উত্তৰ কাছাৰ মহকুমা আৰু তাৰ অন্তৰ্গত হাফলং পাহাড়... শ্ৰীমাণিকচন্দ্ৰ শৰ্ম্মা
৬। সিপাহৰ ৰাণা .. .. শ্ৰীহৰকান্ত দাস
৭। কলেৰা ৰোগৰপৰা আত্মৰক্ষা কৰিবৰ উপায়
কবিৰাজ, শ্ৰীনবীনচন্দ্ৰ ভাগৱতী, আয়ুৰ্ব্বেদ ভূষণ
৮। পৰাজয় কাৰ ? ... শ্ৰীমহেন্দ্ৰ মোহন শৰ্ম্মা
৯। জানিবলগীয়া কথা ... . শ্ৰীৰমেশচন্দ্ৰ শৰ্ম্মা
১০। এয়েই তাৰ জীৱন .. .. শ্ৰীজীৱেশ্বৰ শৰ্ম্মা
১১। গল্প নহয়- সঁচা কথা .. . শ্ৰীমোহিনী কাকতী
১২। যুগৰ বতৰা .. .. . "সৌমাৰ"
১৩ শব্দ ব্যৱহাৰত আউল · ... শ্ৰীবেণুধৰ শৰ্ম্মা
১৪ জয়া সাহিত্য মন্দিৰ
১৫। আমোদ প্ৰমোদ ... সম্পাদক
১৬ আমাৰ আলোচনা

JUL. 1953 LIBRARY



১৪শ বছৰ { ১৮৭৫ শক, বহাগ-জেঠ, ইং ১৯৫৩ } ১ম সংখ্যা

সামাজিক শিক্ষা আৰু নাগৰিক দায়িত্ব বোধ

অধ্যাপক আশ্ৰফ আলী

দুশ বছৰতো অধিক কাল পৰাধীনতাৰ বন্ধনত থাকি ভাৰতৰ জনসাধাৰণে আৰু স্বাধীন ভাৰতৰ জাতীয় চৰকাৰে জনশিক্ষা পৰিকল্পনা কাৰ্য্যকৰী কৰি তোলাত কিছু অসুবিধা পাব লগা হৈছে। ভাৰতে যেতিয়াই নিজকে এখনি স্বাধীন গণতান্ত্ৰিক ৰাষ্ট্ৰ বুলি ঘোষণা কৰিলে, তেতিয়াৰপৰাই ভাৰত চৰকাৰে জনসাধাৰণক কেনেকৈ সমাজ সচেতন কৰিব পাৰে তাৰে চিন্তা বৰকৈ কৰিব লগীয়াত পৰিল; কাৰণ গণতান্ত্ৰিক চৰকাৰৰ যি কোনো ৰাষ্ট্ৰীয় পৰিকল্পনা কাৰ্য্যকৰী কৰিবলৈ জনসাধাৰণৰ সহযোগ একান্ত দৰকাৰ—কিন্তু জনসাধাৰণ সমাজ সচেতন নহ'লে, এনে সহযোগ স্বতঃ প্ৰণোদিত হব নোৱাৰে। ইয়াৰ মূলতে হৈছে জনসাধাৰণৰ শিক্ষা। ভাৰতৰ অগণন নিৰক্ষৰ জনসাধাৰণক শিক্ষিত নাগৰিক ৰূপে গঠন কৰাৰ প্ৰয়োজনীয়তা বিদেশী শাসকসকলে কেতিয়াও ভবা নাছিল। বৰঞ্চ ভাৰতৰ জনসাধাৰণৰ মাজত যাতে কোনো প্ৰকাৰ গণ চেতনা জাগৰিত হ'ব নোৱাৰে তাৰ প্ৰতি যথেষ্ট লক্ষ্য ৰাখিছিল আমাৰ মাজত এনে ধৰণৰ শিক্ষা পদ্ধতি বিস্তাৰ কৰিছিল, যি শিক্ষাই আমাক কেৱল প্ৰভু ভক্ত হবলৈ শিকায়। প্ৰকৃত মানুহ কি দৰে হব পাৰি তাৰ শিক্ষা অকণো দিয়া নাছিল। ফলত কুৰি শতিকাৰ শেষ ভাগতো, ভাৰতৰ জনসাধাৰণৰ ভিতৰত শিক্ষিতৰ সংখ্যা হল মাত্ৰ শতকৰা ১২ জন। অৰ্থাৎ সৰহ সংখ্যক মানুহৰ মন হল কুসংস্কাৰ আৰু অজ্ঞানতাৰে পৰিপূৰ্ণ।

আজি ভাৰত স্বাধীন। ভাৰতৰ শাসন পদ্ধতি আজি জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা ৰচিত শাসনতন্ত্ৰৰ পৰিচালনাধীনত। কিন্তু ভাৰতত প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰ গঠন কৰিবলৈ হলে, বয়সপ্ৰাপ্ত প্ৰত্যেক নৰ-নাৰীৰে ভিতৰত নাগৰিক কৰ্ত্তব্য বোধ, বা সামাজিক দায়িত্ব বোধৰ সঞ্চাৰ কৰিব লাগিব। কাৰণ সমাজ আৰু ৰাষ্ট্ৰ সম্বন্ধে জন সাধাৰণ সচেতন নহ'লে গণতন্ত্ৰ সফল হব নোৱাৰে। দেশৰ সকলো নাগৰিকৰ ভিতৰত যদি নাগৰিক কৰ্ত্তব্য বুদ্ধিৰ অভাৱ ঘটে, তেনেহলে সমাজ আৰু ৰাষ্ট্ৰ জীৱন কেতিয়াও উন্নততৰ হব নোৱাৰে। নাগৰিকতা-বোধৰ মূলতে হৈছে জন শিক্ষাৰ মান। সেই কাৰণে ভাৰত চৰকাৰে ব্যাপক

দয়া

এওঁৰ নাম মৰম, দয়া গছ, মৰম তাৰ লতা।

বিহুৱা [হাঁহি হাঁহি]

বিহুৰে বিৰিণা পাতে অ' মইনা
বিহুৰে বিৰিণা পাত,
দয়া থাকে মানে মৰমো থাকিব
দয়া গলে মাতিবা কাক ?

[দয়া, মৰম আৰু চেনেহ উঠি দূৰলৈ যায়]

বিহুৱা

এই হাবিখনত বিহুৱাহে থাকিব পাৰে। আন মানুহ থাকিবলৈ আহিলে বাঘে খাই মাৰিব। তাতকৈয়ো ডাঙৰ ৰাইকহ হয়াত আছে। এওঁবিলাক বাৰু সাহেৰে আহিছে হয়।

নেৰে পাৰতে নাৰায়ণ শিমলু
তাতে লগে কুকুৰাই বাঁহ
এইনো অৰণ্যৰ হিংসা কপটতাক
দয়াই কৰিব জাহ।

[দূৰৈত চিঞঁৰ শুনি বিহুৱাই লৰ দি যায়, হিংসাই মৰমক চোচোৰাই লৈ যোৱা দেখে]

হিংসা

মৰমক মই পাটৰাণী কৰিম। মোৰ ৰাজ্য সাগৰৰ সিপাৰে। তাত কাৰেং আছে। মৰম তুমি যাবই লাগিব।

মৰম

তুমি হিংসা। তুমি চৰগৰ দেৱতাবোৰকো বন্দী কৰি থেছা। তোমাক ভাল নোবোলো। তুমি মোক এৰি দিয়া।

হিংসা

দেৱতাবোৰৰ বৰ বুদ্ধি। সিহঁতে অকলৈ অমৃত খালে। সিহঁতে লেখা-পঢ়া জানে। আমি নেজানো। এইবাৰ সিহঁতক মজা দিম।

মৰম

অলপ ৰবা। মোৰ পূজা এভাগ আছে। পূজা ভাগ শেষ কৰি তোমাৰ লগত যাম। বিহুৱা মোক অলপ জুই দিয়া।

[বিহুৱাই খৰি এডালত জুই লগাই আনি মৰমক দিয়ে আৰু মৰমে জুই ধুমুৰাই খৰি ডালেৰে মাটিত লেখে—মোক হিংসাই নিজৰ ৰাজ্যলৈ ধৰি নিছে। মৰম। হিংসাই মৰমক ধৰি নিয়ে।]

বিবেক

ৰে হিংসা ৰৰ। তই লোকৰ ছোৱালীজনী কেলেই ধৰি নিছ? তোৰ লাজ লগা নাইনে? ধৰ্ম্মলৈ তোৰ অলপো ভয় নাইনে? ছোৱালীজনী তই ভালে ভালে এৰি দে।

হিংসা

তই কোন অ'? মোক তই চিনি পোৱা নাই? ৰ তোক এতিয়াই টেটু চেপা দি মাৰো।

[বিবেকক বধ কৰে।

[বিহুৱাই মাটিত বহি গায]

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো,
দয়াৰে মৰমক হিংসাই নিলেগৈ
নেমাতি কেনেকৈ থাকো।

[মমতা বেগাই লৰি আহে]

মমতা

দয়া ক'ত আছে কব পাৰা নে?

বিহুৱা

তুমি নো কোন? ক'ৰ পৰা আহিছা?

মমতা

মোৰ নাম মমতা। মই দয়াৰ ভায়েক। তেওঁক ৰাজ্য ওলোটাই দিবলৈ আহিছোঁ।

বিহুৱা

ৰাজ্য লোৱাতকৈ দয়াৰ মৰমেই হেবাল। সৌ কি দেখি থৈছে চোৱাঁ।

[মমতাই পঢ়ে আৰু দয়া, চেনেহ আহে আৰু ছায়ো পঢ়ে]

দয়া

মমতা তুমি আহিলা ভাল হল। ব'লা আমি হিংসাৰ লগত ৰণ দিওঁ। আমি মৰমক উদ্ধাৰ কৰিবই লাগিব।

মমতা

"তাই চেনেহ, মনুহৰ হিয়াত যদি দয়া চেনেহ মৰম নেথাকে সেই হিয়া মৰাৰ নিচিনা। তোমা-লোক গুচি আহিলত আমাৰ পিতা আৰু জীয়াই থকা নাই।

[দয়া আৰু চেনেহে চকুলো টোকে]

মমতা

আমি এলেহুৱা হৈ থাকিব নোৱাৰোঁ। ব'লা হিংসাৰ ৰাজ্যলৈ যাওঁ। মোৰ বাটলু গুটিবেই তাক থম। মৰমৰ চাগে কিমান দুখ হৈছে।

দয়া

ব'লা আমি তিনিও গৈ হিংসাক আক্ৰমণ কৰোঁগৈ। [দূৰৈত বিহুৱাই আখৰ লেখি থাকে] বলাচোন বিহুৱাক বুধি সোধোগৈ। আমাৰ বিহুৱা বুদ্ধিৰ ভঁৰাল।

[তিনিও বিহুৱাৰ ওচৰলৈ যায়]

এই চাৰিপাট অস্ত্ৰ লোৱা। এপাটৰ নাম জ্ঞান, এপাটৰ নাম বিদ্যা, এপাটৰ নাম শিক্ষা, আৰু এপাটৰ নাম পবিত্ৰতা। এই কেইপাট অস্ত্ৰেৰেই তোমালোকে হিংসাক বধ কৰিব পৰিবা।

[অস্ত্ৰ দিয়ে]

দয়া [অস্ত্ৰ হাতপাতি লয়]

বিজ্ঞৰা কাইৰ অশীৰ্ব্বাদতে আমি হিংসাক জয় কৰি মৰমক আকৌ আমাৰ মাজলৈ আনিব পাৰিম। ভাই মমতা, তুমি আমাৰ ৰজাক যোৱাগৈ তোমাক নেদেখিলে আমাৰ প্ৰজাসাৰে বৰ বেয়া পাব।

মমতা

তেনেহলে আপোনাৰ পাগুৰিটোকে মোক দিয়ক মই সিংহাসনত তাকে সাক্ষী পৈ ৰাজ্য শাসন কৰিম। [দয়াই মূৰৰ পাগুৰি সোলোকাই দিয় আৰু মমতা যায়]

দয়া

চেনেহ চোৱাচোন, গছত সৌ টো কি বগাই ফুৰিছে।

চেনেহ

সেইটো এটা বান্দৰ। এই বান্দৰ এইফালে আহে।

অনুমান

মোক বান্দৰ বুলিছ কিয় ? মোৰ নাম অনুমান। মই উমানতে সকলো কথা ধৰিব পাৰোঁ। তুমি দয়াৰ ভায়েক নহয় জানো ?

দয়া

অনুমান তুমি বৰ ভাল। তুমি মোক সহায় কৰিবানে ?

অনুমান

কৰকচোন কি কৰিব লাগে। আপোনাৰ মৰমক বিচাৰি দিব লাগে নহয়নে ?

দয়া

হয়, পাৰিবানে ? তুমি সঁচাকৈয়ে অনুমান হয়।

অনুমান

বাৰু মোক আপোনাৰ অস্ত্ৰ এপাট দিয়কচোন।

দয়া

হোৱা [পৱিত্ৰতা অস্ত্ৰ দয়াই দিয়ে আৰু অনুমানে অস্ত্ৰপাট হাতত লৈ জপিয়াই জপিয়াই দূৰলৈ যায় আৰু তাৰপৰা বৰ জাপ মাৰি হিংসাৰ দেশ পায়গৈ। মৰমক এখন হাবিত খং, লোভ, ভয় আৰু খিয়ালে বেৰি থাকে। অনুমানে সিহঁতক দূৰৰপৰা চাই থাকে।]

খং

ধেৎ, কেলেই মনে মনে বহি আছ ? উঠ ইয়াৰপৰা।

লোভ

তোৰ সোণৰ কৰিয়া জোৰ মোক দেচোন মই পিন্ধো।

ভয়

ঐ আই সৌ সাপটোৱে খায় ঐ !

খিয়াল

মই তোক চিকুটি দিম ৰ। কেনে পাইছ ? গম পাইছনে ?

[অনুমানে হঠাৎ আটাইবোৰকে কোবাই খেদি দিয় আৰু পৱিত্ৰতাৰ অস্ত্ৰপাট মৰমক দিয়ে।]

অনুমান

দয়াই এইপাট তোমালৈ দি পঠাইছে। মই আহিলোঁ। [মৰমে অস্ত্ৰপাট লৈ দূৰলৈ যায়।

দয়া আৰু চেনেহক অনুমানে জাপমাৰি গৈ লগ ধৰেগৈ। আৰু অনুমান দয়াক কাণে কাণে ফুচ-ফুচাই কথা কয়]

দয়া

ব'লা তেনে আমি যাওঁ

[বিদাৰ অস্ত্ৰ হাতত লৈ আগে আগে যাৰ। এনেতে হিংসাৰ ভায়েক ভেম আহে। ভেমৰ পিচে পিচে কুচ্‌ট আৰু কপট এখোজ দোখোজকৈ আহে]

ভেম

তহঁত ইয়ালৈ কেলেই আহিছ ? ৰবি একে ঠেক-চাই তহঁতৰ প্ৰাণ-বায়ু উলিয়াম।

কুচ্‌ট

মোৰ হাতৰ এই জেং ডালেৰে খোচমাৰি তহঁত এটাই কেউটাৰে পেট ফুটাম।

কপট

ৰ তহঁতক ভুকুৱাই ভুকুৱাই মাৰিম।



[কপটে ভুকুৱাবলৈ আৰু কুচ্‌টে খুচিবলৈ যায় এনেতে অনুমান আৰু চেনেহে সিহঁতক হেঁচামাৰি ধৰি ঠেলি খেদি দিয়ে আৰু কুচ্‌টৰ জোংডাল চেনেহে দূৰলৈ দলি মাৰি দিয়ে]

ভেম

মোৰ নাম ভেম তহঁতে নেজাননে ? কুচ্‌ট কপটক খেদিব পাৰিলেও মোক খেদিব পাৰিবি বুলি ভাবিছনে ? মোৰ ককাই হিংসা অহংকাৰ লঙ্কাৰ ৰজা। তহঁতক আজি এসেকা দিম।

[চেনেহৰ কঁকালত গৰা মাৰি ধৰিব খোজোঁতেই চেনেহে আঁঠুৰে পেটত খুন্দামাৰি দিয়ে আৰু ভেম লুটি খাই পৰে।

অনুমান

[ভেমৰ বুকুত হাত দি] ই মৰিল।

[দয়া আৰু অনুমান যায়।

হিংসা

ৰ মই গৈছোঁ। এই গছ জোপাৰে মৰিয়াই তোক এতিয়াই বধ কৰিম। ক'ত সাৰিবি ?

[ভাঙৰ গছ এজোপাৰে চেনেহক মাৰে। চেনেহ পৰি যায়। ভেমক দাং-দোলাকৈ হিংসা যায়। দয়া আৰু অনুমান আহে।

দয়া

চেনেহৰ কি হ'ল ? মৰি পৰি আছে দেখোন।

অনুমান

হিংসাই মাৰিলে। বাক নাক অস্ত্ৰ প্ৰপাত দিয়কচোন। মই ঔষধ বিচাৰি যাওঁ।

দয়া

তাই। [জ্ঞানৰ অস্ত্ৰ দিয়ে আৰু অনুমানে অস্ত্ৰপাট লৈ ইজোপা গছত লগায়, সিজোপা গছত লগায় অলপ পিচতে এজোপা গছ উঘালি আনি তাৰ পাত মোহাৰি চনেহৰ নাকৰ আগত ধৰিলত চেনেহ উঠি বহে।

চেনেহ

ধৰ হিংসাক ধৰ। সি কেনি গ'ল?

দয়া

অমি এতিয়াই হিংসাক বিচাৰি যাম। উঠা

[দয়া চনেহ আৰু অনুমানে গৈ কিছুমান বান্দৰ লগ পায় আৰু সাগৰত দলং দি পাৰ হয়। বাধা ভেদক লগ পায়। দূৰৈত হিংসা বহি থাকে দয়াৰ ধনুৰ গুণত শিক্ষাৰ অস্ত্ৰ জুৰি লয়

সাহ

[জপিয়াই জপিয়াই]

বাহ বাহ বাহ

মোৰ সমান বাক কাৰ আছে সাহ?
লাফ মাৰি ধৰো মই বনৰীয়া হাঁহ।

বল

দেখিছানে মোৰ বাহু
ধৰিব পাৰো বৌ বাহু
মন গলে টানি আনিম
গগণৰ ৰাহু।

বুদ্ধি

অ' মোৰ টেঙৰ অনুমান ভাই
তুমি ভাবিছা ডাঙৰ তোমাতকৈ নাই।
মই ছুলে নাগৰত ওপঙিব শিল।
পাকৈত বাটে মই বুদ্ধিৰ উকিল।

দক্ষতা

পৰ্ব্বতৰ টিং আৰু সাগৰৰ সোঁত
মোৰ আগত আজি হব লোটসোট।
দয়া চনেহক মই জনাওঁ গলগ
মৰমক অলপতে পামগৈ লগ।

বধাভেদ

আপোনালোকে হিংসাক বধ কৰিবেল আৰু বাধ নাই। এইডাল তাৰি গদা। মই মনে মনে লৈ আহিছো আপোনালোকে ভাঙি পেলাওক।

অনুমান

চাওঁ মোক দিয়া।

[আঠুত লগাই গদাডাল দুডোখৰকৈ ভাঙি পেলায়।

হিংসা

ৰবা মোক অলপ সময় দিয়া। মই গদাডাল লৈ আহোগৈ।

অনুমান

তোমাৰ গদা কেতিয়াবাই ভাগিল তাৰে কেনেকৈ যুজ কৰিবা ? যোৱাঁ এতিয়াই মৰমক লৈ আহাগৈ। হিংসাৰ মাজত মৰম থাকিব নোৱাৰে।

[সাহ বল বুদ্ধি দক্ষতা, বাধাভেদ, অনুমান আৰু চেনেহে হিংসাক বেৰি ধৰে।]

দয়া

এইবাৰ তুমি মৰিলা।



[অস্ত্ৰ মাৰি দিয়ে, হিংসাৰ গাত লাগে আৰু হিংসা পৰি যায়   ইয়াৰ পিচত দীঘল ডটীয়া বিহুৱাই পবিত্ৰতাৰ অস্ত্ৰ দি সুৰ ধৰি গায়।

চাইনো চাই বুলিবি বাট মোৰ লাহৰী
চাইনো চাই বুলিবি বাট,
দেহাৰে ভিতৰত আছে দয়া মৰম
চাইনো চাই বেহাৰা হাট।



ডাক্তৰ লবাকে আমাক কি শিকালে ?

শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত বি এল ।

৮ ও মাৰ্চৰ ৯ তাৰিখ ১৩৫২ চন আবেলি চাৰি বাজিছে । কাঁহিকুছি [illegible] আঠকুৰি বছৰীয়া এজন আমেৰিকাৰ পাদ্ৰী চাহাব নাৰ্মান [illegible] ডাঃ উপোন। ভালেমান । লগত আছিল তেওঁৰ লবাক আৰু চিত্ৰকৰ ফিলিপ [illegible] চাহাবৰ লগত চাৰিজন কৰ্ম্মচাৰী [illegible] আৰু [illegible] সহকৰ্ম্মী সকলৰ উদ্দেশ্য [illegible] পৃথিৱীৰ পৰা অজ্ঞানতাৰ এন্ধাৰ দূৰ কৰা । [illegible] পৃথিৱীক নিৰক্ষৰতাৰ অভিশাপৰ পৰা মুক্ত [illegible] আহিছে । অসমত ডাক্তৰ লবাকৰ [illegible] পদাৰ্পণ ।

অসম চৰকাৰৰ তৰফৰ পৰা শিক্ষা [illegible] সহকাৰী ডাইৰেক্টৰ ডাক্তৰ অশ্বিনী বৰকাকতী দাৰ [illegible] এই [illegible] আগত [illegible]

ডাক্তৰ লবাক আৰু [illegible] ব্ৰহ্মপুত্ৰৰ পাৰত [illegible] এই আমাৰ [illegible] আৰু [illegible] বন্দবস্ত কৰি দি [illegible]

[illegible] গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ [illegible] ডাক্তৰ [illegible] কৰা নাৰ্মান আমৰ স্কুল সমূহৰ [illegible] শ্ৰী[illegible] আৰু শ্ৰীৰমেশ চন্দ্ৰ [illegible] সকলে [illegible] শিক্ষা [illegible] বিষয়ে আলোচনা [illegible]

লবাক্ পদ্ধতি

এই পদ্ধতি অনুসাৰে খনচেৰেক চাৰ্ট, এখন প্ৰথম ভাগ আৰু চাৰিখন দ্বিতীয় ভাগ লিখাৰ বন্দবস্ত কৰা হৈছে । চাৰ্টকেইখনত স্বৰ আৰু ব্যঞ্জন বৰ্ণৰ আখৰ বিলাকৰ আকৃতি অনুসাৰে চিৰ পৰিচিত বস্তু আৰু জীৱ-জন্তুৰ ধুনীয়া ধুনীয়া ছবিৰ সহায়ত প্ৰথমতে শব্দ আৰু তাৰ পিছত আখৰৰ লগত পৰিচয় কৰি দিবলৈ চেষ্টা কৰা হৈছে ।

আখৰৰ গঢ়ৰ লগত ছবিৰ সামঞ্জস্য থকাৰ কাৰণে বিদ্যাৰ্থী সকলে শব্দ, ছবি আৰু আখৰৰ মাজত সহজে যোগা-যোগ স্থাপন কৰিবলৈ সুবিধা পায় প্ৰত্যেক খন ছবিত চিত্ৰকৰৰ কলা কৌশল বিশেষভাৱে মন কৰিব লগীয়া ।

শিকোৱা নিয়ম

শিক্ষকে বিদ্যাৰ্থীসকলক আখৰৰ লগত চিনাকি কৰি দিওঁতে লগত লিখা ধৰণে শিকালে কৃতকাৰ্য্য হ'ব । লবাকৰ শিক্ষা পদ্ধতিৰ প্ৰমাণ চাবলৈ আমি কেইবাদিনো নিৰক্ষৰ হিন্দুস্থানী আৰু অসমীয়া বস্তুৱা ভাই জন চেৰেকক কমিটীৰ কোঠালৈ আনিছিলোঁ । আমি নিজেই আৰু জনচেৰেক সভ্যই সিবিলাকক লৈ বিশ্ববিদ্যালয়ৰ শিক্ষাবিদ সকলৰ আগত অভিপাঠ দি এই পদ্ধতিৰ সফলতাৰ প্ৰত্যক্ষ প্ৰমাণ পাইছোঁ ।

১ ২ ৩ ৪

শিক্ষকে কব- এইটো আম ; কোৱা 'আম'; (শিক্ষকে চাৰ্টখনৰ প্ৰথম ঘৰত থকা ছবিখন এডাল স্কেলেৰে দেখুৱাই কব ; তাকে শুনি বিদ্যাৰ্থী সকলে কব 'আম') এই ডাল আমৰ ঠাৰি, এইটো পাত। তাৰ পিছত শিক্ষকে দ্বিতীয় ঘৰত থকা আমৰ ছবিৰ ওপৰত লিখা 'আ' আখৰটো দেখুৱাই কব—"এইটো 'আ' আমৰ চিনা দেখি ; কোৱা—'আ'।"

শিক্ষকে তৃতীয় ঘৰত 'আম' শব্দটোৰ তলেদি লাহে লাহে স্কেলডাল ঘূৰাই নি কব -'আম' (তাকে শুনি বিদ্যাৰ্থী সকলে কব -'আম')। ইয়াৰ পিছত 'আম' শব্দটোৰ 'ম' আখৰটো কাগজ এখনেৰে ঢাকি আনটো আখৰ নিৰ্দ্দেশ মাতি কব 'আম (তাকে শুনি বিদ্যাৰ্থী সকলে কব আ')

তৃতীয় ঘৰৰ তলৰ শাৰীৰ 'আ' আখৰ আৰু ওপৰৰ শাৰীৰ 'আম' শব্দ—এই দুটা বস্তুৰ পাৰ্থক্য বুজাবলৈ ইটোৰ পিছত সিটোকৈ একেবাৰে ২।৩ বাৰ দেখুৱাব। তৃতীয় ঘৰৰ তলৰ ফালে থকা 'আ' আৰু া টোলৈ দেখুৱাই বিদ্যাৰ্থী সকলক নিজে কবলৈ কব। (আ আৰু া যদিও আকৃতিত বেলেগ তথাপি দুয়োটা যে একে বস্তু আৰু উচ্চাৰণতো একে সেই কথা বিদ্যাৰ্থী সকলৰ বুজিবলৈ আৰু বাকী নাথাকিব।)

ইয়াৰ পিছত শিক্ষকে চতুৰ্থ ঘৰত ওপৰৰ ফালে থকা 'আ' দুটা, এটাৰ পিছত আনটো দেখুৱাই বিদ্যাৰ্থী সকলক নিজে কবলৈ কব। ওপৰৰ শাৰীৰ পিছত চতুৰ্থ ঘৰৰ তলৰ শাৰীৰ আখৰ এটাৰ পিছত এটাকৈ দেখুৱাই ক্ৰমে বাওঁহাতলৈ আহি তৃতীয় ঘৰ পাব। তৃতীয় ঘৰৰ 'আ' আখৰটো যে আমটোৰ চিনা দেখি সেই কথা পুনৰাই সোঁৱৰাই দিব। তেতিয়া বিদ্যাৰ্থীৰ মনত 'আ' আখৰ আৰু আমাৰ নিৰ্দ্দিষ্ট ছবিৰ গঢ়টোৰ লগত এটা ঘনিষ্ঠ যোগসূত্ৰ স্থাপন হ'ব।

এইদৰে ছবিৰ সহায়ত সদায় ব্যৱহাৰ হোৱা আন আন শব্দ আৰু তাৰ লগে লগে বৰ্ণমালাৰ আখৰৰ লগত আতি সহজে পৰিচয় কৰি দিব পাৰি।

শিক্ষকে মনত ৰাখিব লগীয়া

১। শিক্ষকে বিদ্যাৰ্থীক শিকাওঁতে তেওঁলোকৰ লগত সম্পূৰ্ণ বন্ধুভাৱে আচৰণ কৰিব লাগে।

২। শিক্ষকে নিজক বিদ্যাৰ্থীসকলৰ নিচিনা এজন সাধাৰণ মানুহ বুলি ভাবি বিদ্যাৰ্থীসকলৰ সম্পূৰ্ণ সহযোগ লাভ কৰিবলৈ যথাসাধ্য চেষ্টা কৰিব।

৩। প্ৰশ্নৰ দ্বাৰা কাকো লাজত পেলোৱা, আৰু নোৱাৰিলে তিৰস্কাৰ কৰা অথবা টান কথা কোৱা উচিত নহয়।

৪। পাঠ শিকাৰ সময়ত বিদ্যাৰ্থীসকলক যথেষ্ট পৰিমাণে উৎসাহ-উদ্গনি দিবলৈ পাহৰিব নেলাগে।

৫। পঢ়াশালাৰ ভিতৰত বিদ্যাৰ্থীসকলৰ সন্মান যাতে সম্পূৰ্ণভাৱে অটুট থাকে, তালৈ লক্ষ্য ৰাখিব।

৬। বিদ্যাৰ্থীসকলৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ সুখ সম্পদ বৃদ্ধি আৰু দুখ দৈন্য, অভাৱ-অনাটন নিবাৰণৰ উপায় উদ্ভাৱনৰ বিষয়ে আলোচনা কৰিব।

৭। শিক্ষকে বিদ্যাৰ্থীসকলৰ প্ৰতি দয়ালু আৰু সহানুভূতিশীল হ'ব আৰু পঢ়াশালাৰ শাসন সৰ্ব্বতোভাৱে পৰিত্যাগ কৰিব।

লবাকৰ পাঠ্য পুথিৰ বৈশিষ্ট্য

নিৰক্ষৰ প্ৰাপ্তবয়স্ক ভাই-ভনীসকলক অলপ দিনৰ ভিতৰতে সাক্ষৰ কৰাৰ উপৰিও সামাজিক জীৱনৰ মান উন্নত কৰিবলৈ হলে, কিছুমান বৈজ্ঞানিক পদ্ধতিৰে লিখা পাঠ্য পুথিৰ বিশেষ প্ৰয়োজন। এই প্ৰয়োজনীয়তা উপলব্ধি কৰি ডাক্তৰ লবাকে তেখেতৰ নতুন পদ্ধতিৰ ওপৰত ভিত্তি কৰি পাঁচখন পুথি লিখাৰ আৰ্হি আৰু বিষয়-বস্তু আমাক দি যায়। অৱশ্যে বিষয়-বস্তু আৰু পাঠবিলাক আমি আমাৰ অসমীয়া সমাজ জীৱনৰ লগত খাপ খুৱাবলৈ যাওঁতে কোনো কোনো ঠাইত সাল-সলনি আৰু লৰচৰ কৰিব লগীয়া হৈছে।

প্ৰথম ভাগ খনত দিয়া পাঠ কেইটাত চাৰ্টত দেখুৱা ছবি অৱলম্বন কৰি লিখা চুটি বাক্যৰ সহায়ত ভাব প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰতিটো পাঠত প্ৰত্যেক শব্দ

কামেও পাঁচ বাৰ পুনৰুক্ত কৰা হৈছে। ভিন ভিন শব্দৰ সাদৃশ্যৰ সহায়ত বিদ্যাৰ্থী সকলৰ পঠন কাম সহজ সাধ্য হয়। আন হাতে গতানুগতিক শিক্ষা পদ্ধতি অনুসাৰে বৰ্ণ মালা মুখস্থ কৰিবলৈ দিয়া হয়, লাগ-বান্ধ নোহোৱা শব্দ বোৰ জোটাই জোটাই মাতিবলৈ দিয়া হয় আৰু এই দৰে শিক্ষা লাভ কৰোঁতে বিদ্যাৰ্থীসকলৰ ওপৰত জোৰ-জুলুম চলোৱা হয় অবাঞ্ছনীয় ভাবে।

নতুন পদ্ধতি অনুসাৰি 'জ্ঞানী মাধৱ" নাম দি দ্বিতীয় ভাগ পুথি চাৰিখন লিখা হৈছে। প্ৰত্যেক খনতে দহটাকৈ পাঠ আছে। প্ৰতিটো পাঠত অন্ততঃ দহটাকৈ নতুন শব্দ শিকাৰ সুবিধা দিয়া হৈছে। সমাজ জীৱনত সদায় ব্যৱহাৰ হোৱা আৰু প্ৰয়োজনীয় শব্দবোৰ গ্ৰহণ কৰি পাঠৰ নিচিনাকৈ পাঁচটো পাঠ বিদ্যা কলৰ ক্ৰমত লাভ ধৰিবলৈ যত্ন কৰা হৈছে। প্ৰত্যেক পাঠত পাঁচটো নতুন শব্দ অন্ততঃ পাঁচ বাৰকৈ ব্যৱহাৰ কৰা হৈছে। ডাঃ লবাক চাহাবৰ মতে এনেকৈ পাঁচবাৰকৈ শব্দৰ পুনৰুক্তি হলেহে নতুন শিক্ষাৰ্থীৰ মনত শব্দৰ ৰূপটোৰ সাঁচ দৃঢ়কৈ বহে আৰু স্থায়ী হয়। এই গল্পবিলাকৰ যোগেদি কৃষি আৰু জন স্বাস্থ্যৰ উন্নতি সাধন ৰোগ বাধি নিবাৰণ, পৰ্য্যাপ্ত পুষ্টিকৰ খাদ্য সংগ্ৰহ প্ৰণালীৰ বিষয়ে জনসাধাৰণৰ মাজত জনস্বাস্থ্য আৰু নাগৰিকত্ব বোধ জগাই তোলাৰ মহৎ উদ্দেশ্য সফল হ'ব তাত সন্দেহ নাই। মাধৱ এজন সাধাৰণ গাঁৱলীয়া খেতিয়ক। এটাইকেইটা পাঠতে তেওঁক সমাজৰ এজন ভাল আৰু আদৰ্শ লোক হিচাপে দাঙি ধৰা হৈছে। মাধৱ আৰু তেওঁৰ পতিব্ৰতা পত্নী মালতীৰ কথোপকথনৰ মাজেদি কেনেকৈ মাধৱৰ পৰিয়াল আৰু গোটেই গাঁওখনৰ সৰ্বাঙ্গীন উন্নতি সাধন হ'ল তাকেই দেখুৱাবলৈ চেষ্টা কৰা হৈছে।

এই কেইখন পুথি সাধাৰণ জ্ঞানৰ নানাবিধ জানিবলগীয়া কথাৰে ভৰপূৰ। ইয়াৰ সহায়ত জনসাধাৰণৰ মাজৰপৰা নিৰক্ষৰতা দূৰ হোৱাৰ উপৰিও এটা সুস্থ সমাজ জীৱনৰ ভেটি ৰচনা কৰা হ'ব আৰু তাৰ লগে লগে পাঁচবছৰীয়া পৰিকল্পনাৰ বিবিধ উন্নয়ণ মূলক আঁচনি ফলৱতী হোৱাৰ পথ সুগম হ'ব বুলি আমি আশা কৰোঁ।

ডাঃ লবাকৰ সাধনা

ডাঃ লবাকে পৃথিবীৰ ৬৪ চৌষষ্টি খন দেশৰ চৰকাৰৰ আহ্বানত ২৩৯ দুশ উনচল্লিশটা বিভিন্ন ভাষাত নিৰক্ষৰ প্ৰাপ্তবয়স্কসকলৰ কাৰণে পাঠ প্ৰস্তুত কৰি সুখ্যাতি লাভ কৰিছে। যেতিয়াৰ ছাত্ৰ-ছাত্ৰী গোটেই পৃথিৱীতে সিচৰতি হৈ আছে, সিবিলাকৰ সংখ্যা প্ৰায় ৫ পাঁচ কৌটি হ'ব যোৱা একুৰি চাৰি বছৰৰ পৰা এইজন সাধকে পৃথিৱীৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি পৃথিৱীৰ মুখৰ পৰা নিৰক্ষৰতা তথা অজ্ঞানতাৰ ক'লা ছাই ধুই মচি পেলোৱা কামত নিজৰ দেহ মন প্ৰাণ সঁপি দিছে।

পৃথিৱীৰ জনসংখ্যা দিনে দিনে বাঢ়ি গৈছে—বিশেষকৈ যিবিলাক ঠাই জ্ঞানৰ পোহৰৰ পৰা বঞ্চিত হৈ আছে, সেই বিলাক ঠাইত গাণিতিক হাৰে হাৰে উঠি অহা নতুন নিৰক্ষৰ লোকৰ সংখ্যা ইমান খৰকৈ বাঢ়ি গৈছে যে পুৰণি প্ৰাপ্তবয়স্ক লোক সকলক তাতোকৈ বেগাই সাক্ষৰ কৰি তুলিব পাৰিলেহে আমি আমাৰ দেশ তথা গোটেই পৃথিৱীৰপৰা সম্পূৰ্ণ ভাবে নিৰক্ষৰতা দূৰ কৰিবলৈ সক্ষম হব পাৰিম। ডাঃ লবাক এই বিষয়ে সম্পূৰ্ণ আশাবাদী। ১৯২৯ চনত এইজন সাধকে ফিলিপাইন দ্বীপপুঞ্জৰ কোটি কোটি নিৰক্ষৰ নৰ নাৰীক অজ্ঞানতাৰ অন্ধকূপৰ পৰা মুক্ত কৰিবলৈ আত্ম নিয়োগ কৰোঁতে শিক্ষিত সমাজৰ চকুত পোনে পোনে হাঁহিয়াতৰ পাত্ৰ হ'ব লগীয়াত পৰিছিল। জনসাধাৰণৰ মাজত যি কথাটো এসময়ত অসম্ভৱ আৰু অবাস্তৱ বুলি ভবা হৈছিল, সি আজি বাস্তৱত ৰূপায়িত হৈ উঠিছে। সেয়েহে সম্মিলিত জাতিসঙ্ঘয়ো পৃথিৱীৰপৰা অজ্ঞানতা দূৰীকৰণৰ কাৰণে ডাঃ লবাকৰ পৰামৰ্শ গ্ৰহণ কৰিছে।

ডাঃ লবাক মানুহ জন

ওপা মূৰীয়া শকত আবত মানুহ জন। দয়া মৰমেৰে ভৰপূৰ তেওঁৰ সৰল অন্তৰ খন। ভাব উদাৰ, মাত কথাত গহীন অথচ মিঠা মুখীয়া; মুখৰ মিচিকিয়া হাঁহি-টিৰেই মানুহক সাদৰ সম্ভাষণ জনায়। সকলো সময়তে সকলো বিষয়তে পৰিপাটি। অসীম ধৈৰ্য্য তেওঁৰ; দিনে

ৰাতিয়ে এই বয়সতো লিখা পঢ়াতে ব্যস্ত থাকে । জীৱনৰ বেছি ভাগ দিন তেওঁ দেশে দেশে চৰাইৰ নিচিনা উৰি উৰি জ্ঞানৰ অমৃত বিলাই ফুৰি ফুৰে । নিচেই কম দিন হে বেণ্টন চহৰত থকা তেওঁৰ ঘৰটোত থাকিবলৈ পায় ।

তেওঁ এজন লেখত লবলগীয়া ভ্ৰমণকাৰী । লগত এটা ডাঙৰ হাত-বেগ থাকে । তাৰ ভিতৰত এটা সৰু টাইপ ৰাইটাৰ আৰু ভাগে ভাগে নানা বিধ কাগজ পত্ৰ থয় । যেতিয়াই যি কাগজ দৰ্কাৰ হয় বেগত হাত দিলেই পোৱা যায় । তেওঁৰ চেক্ৰেটৰীয়ে তেওঁৰ কামত সহায় কৰে ।

মিছেচ লবাক এজনা আদৰ্শ মাইকী । পকামুৰীয়া শকত, ডাঙৰ দীঘল মানুহজনী । অন্তৰখন নিচেই সৰল । ডাঃ লবাকৰ বাহিৰেও লগৰ আন আন কৰ্ম্মচাৰী সকলৰ সুখ সুবিধাৰ ফালে তেওঁ সদায় চকু ৰাখে । স্বামীৰ খোৱা বোৱা, পিন্ধা উৰাৰ সকলো দিহা তেৱেঁই কৰে, খৰচ পাতিৰ হিচাব আদিও তেৱেঁই ৰাখে । স্বামীৰ লগত দেশে বিদেশে ঘূৰি ফুৰোঁতে তেওঁ ওচৰে কাষৰে থকা মনোৰম ঠাইবিলাকৰ দৃশ্য দুই এদিনৰ বাবে উপভোগ কৰি আহে

অভিজ্ঞতা আৰু স্মৃতি

প্ৰাপ্তবয়স্কৰ পাঠ্য পুথি প্ৰস্তুত কৰাৰ কাৰণে কমিটীৰ বৈঠক বহিছিল দীঘলী পুখুৰীৰ পূব পাৰত থকা বিশ্ববিদ্যালয়ৰ ঘৰত ৰাতি পুৱা ৮ বজাৰ পৰা গধূলি ৫ বজালৈ । অৱশ্যে মাজতে খোৱা-লোৱাৰ কাৰণে দু ঘণ্টা সময় পাইছিলোঁ । মই দুয়ো বেলা লবাক চাহাবক আগ বঢ়াই আনিবলৈ চাৰ্কিট হাউচলৈ গৈছিলোঁ । মই তেওঁৰ হাত বেগটো হাতত তুলি লৈ সহায় কৰোঁ বুলি ইচ্ছা প্ৰকাশ কৰাত তেওঁ মোক ধন্য বাদ দি কলে "আমি বস্তু খিনি দুভাগ কৰি লওঁহক,,— এই বুলি মোক বেগৰ পৰা টাইপ ৰাইটাৰটোকে উলিয়াই দিলে ; বাকী কাগজ পত্ৰৰে সৈতে বেগটো তেওঁ নিজেই হাতত ললে ।

পুথি লিখা কামত যদিও তেওঁ যাইকৈ আমাক সহায় কৰিছিল, তথাপি নগা পাহাৰৰ পৰা অহা শিক্ষাৰ্থীৰ দল-টোৰ মাজত এবেলি কোঠালীতে বহি মাজে মাজে এই কামত সহায় কৰিবলৈ সময় উলিয়াই লৈছিল ।

চাৰ্কিট হাউচৰ কাষেদি বৈ যোৱা বুঢ়া লুইতৰ বুকুত উমানন্দ আৰু উৰ্ব্বশীক লৈ চাৰিও ফালে পৰ্ব্বত পাহাৰে আকোৱালি ধৰি থকা অসমী আইৰ মনমোহা ৰূপ দেখি আনন্দত অধীৰ হৈ ডাঃ লবাকে মোৰ আগত কৈছিল—

'আপোনাৰ অসম দেশ কেৱল প্ৰাকৃতিক সৌন্দৰ্য্য আৰু সম্পদ ৰাশিৰ কাৰণেই ধন্য নহয়, ইয়াত বাসকৰা মানুহ বিলাকৰ সৰলতা আৰু আন্তৰিকতাৰ বাবেও এই দেশ নিশ্চয় শ্ৰেষ্ঠ হ'ব । এই দেশত নিৰক্ষৰতা দূৰী-কৰণৰ ক্ষেত্ৰ প্ৰশস্ত ।" মই তেওঁক ধন্যবাদ জনাই আমাৰ সামাজিক শিক্ষাৰ আঁচনি খন আৰু 'জনশিক্ষা' আলোচনী খনৰ এটা সংখ্যা * তেওঁৰ ওচৰত দাঙি ধৰিলোঁ । তেওঁ তাক সাদৰে গ্ৰহণ কৰি মোৰ অনুৰোধক্ৰমে আমাৰ অসম-বাসী ৰাইজলৈ কেইশাৰীমান শুভাশীষ লিখি থৈ যায় । অসমবাসী ভাই ভনী সকল চিৰকাল এইজন সাধকৰ প্ৰতি কৃতজ্ঞতা পাশত আবদ্ধ হৈ থাকিব ।

---

* জনশিক্ষা ১১ শ বছৰ ৩য় সংখ্যা আৰু ১২ শ বছৰ ৪ৰ্থ সংখ্যাত ডাঃ লওবাকৰ বিষয়ে কিছু কথা দিয়া হৈছিল ।

—সম্পাদক—

ইয়েহুদি মেনুহিন।

(পৃথিৱীৰ বিখ্যাত বেহেলাবাদক)

মানুহ মাত্ৰেই গান শুনি ভাল পায়। কিন্তু এটা ভাষাৰ গান আন এটা ভাষা কোৱা মানুহে ভাল নুশুনিবও পাৰে। যেনে, আমাৰ বহুতে ইংৰাজী গান শুনি ভাল নেপায়। সেইদৰে ইংৰাজসকলেও হয়তো আমাৰ সকলোবিলাক গান শুনি ভাল নেপাব পাৰে। কিন্তু বাদ্যযন্ত্ৰবিলাকৰ

ইয়েহুদি মেনুহিন

মাত শুনি সকলো দেশৰ সকলো জাতিয়েই ভাল পায়। কাৰণ বাদ্যযন্ত্ৰবিলাকৰ নিজৰ বেলেগ ভাষা নাই। বাদ্যযন্ত্ৰবিলাকে যিটো ভাষা কয় সেইটো পৃথিৱীৰ সকলো দেশৰ সকলো জাতিয়েই বুজি পায়। এই বাদ্যযন্ত্ৰবিলাকৰ ভিতৰত আকৌ বেহেলাক ৰাণী বুলি ক'ব পাৰি। বেহেলাই মানুহৰ অন্তৰ যেনে ভাৱে স্পৰ্শ কৰিব পাৰে খুব কম বাদ্য যন্ত্ৰইহে তেনে ভাৱে পাৰে। আমি এজন পৃথিৱী বিখ্যাত বেহেলা-বাদকৰ জীৱনৰ বিষয়ে অলপ কওঁ।

মানুহজনৰ নাম হৈছে ইয়েহুদি মেনুহিন। তেখেতে আজি এবছৰমান আগেয়ে ভাৰতবৰ্ষলৈকো আহিছিল। তেখেতৰ নাম গোটেই পৃথিৱীতে জনাজাত।

১৯১৬ খৃষ্টাব্দৰ ২২ এপ্ৰিল তাৰিখে নিউ-ইয়ৰ্কৰ এজন সাধাৰণ মানুহৰ ঘৰত ইয়েহুদি মেনুহিনৰ জন্ম হয়। মেনুহিনৰ সৰুৰেপৰাই সংগীতত ৰাপ আছিল। তিনি বছৰ বয়সত তেওঁক দেউতাকে এখন বেহেলা উপহাৰ দিয়ে। অলপ ডাঙৰ হোৱাৰপৰাই তেওঁ দুজন ওস্তাদৰ ওচৰত বেহেলা শিকিবলৈ লয়। আঠ বছৰ বয়সত তেওঁ প্ৰথম ৰাজহুৱা ভাৱে পাৰিচত বেহেলা বজায়। তাৰ দুবছৰৰ পিচত তেওঁৰ যেতিয়া বয়স দহ বছৰ তেতিয়া এদিন তেওঁ নিউইয়ৰ্কৰ কাৰ্ণেগী হলত বেহেলা বজাব'ল আহে। 'সৰু ল'ৰা এটাই আকৌ কি বজাব?' এই বুলি তেওঁক উপলুঙা কৰিবলৈ অহাসকলে তেওঁৰ বেহেলা বজোৱা শুনি আচৰিত হ'ল। মেনুহিনৰ বেহেলাৰ ধ্বনিয়ে নিউইয়ৰ্কবাসীক মোহিত কৰিলে। সেইদিনা তাত অলিন ডাউন্স নামে এজন পৃথিৱী বিখ্যাত

সঙ্গীত সমালোচক আছিল। তেখেতে মেন্নুহিনক এজন অতি প্ৰতিভাশালী বেহেলাবাদক বুলি কৈছিল।

আৰু এবাৰ এঘাৰ বছৰ বয়সত মেন্নুহিনে বিথোভেনৰ 'কনচাৰ্টো' এটা বজোৱাৰ পাচত এজন জপৰা চুলিৰ মানুহে ৰঙ্গমঞ্চলৈ আগবাঢ়ি আহি তেওঁক মৰম কৰি কলে 'মেন্নুহিন, তুমিয়েই আজি মোৰ এচৰত আকৌ প্ৰমাণ কৰি দিছা যে স্বৰ্গত ভগৱান আছে।" সেই মানুহজন হৈছে এলবাৰ্ট আইনষ্টাইন। মেন্নুহিনৰ ভনী দুগ-ৰাকীয়েও ভাল পিয়ানো বজাব পাৰে।

যোৱা দ্বিতীয় মহাসমৰৰ আৰম্ভণিৰ পৰাই মেন্নুহিনে বেহেলা বজাই শুনাই সৈন্য বাহিনীৰ মনোৰঞ্জন কৰিছিল। আইচেন হাওৱাৰৰ বিশেষ অনুৰোধ মতে যুদ্ধৰ সময়ত মেন্নুহিনে এণ্টোৱাৰ্প, ৰটাৰডেম আৰু আন আন নগৰ বিলাকত বেহেলা বজাইছিল। সেই সময়ত দূৰৰ পৰা কামানৰ গৰ্জ্জন শুনা গৈছিল।

মেন্নুহিনে বিশেষ যত্নেৰে গৱেষণা কৰি বহুতো লুপ্ত হৈ যোৱা যন্ত্ৰ সংগীতৰ কথা পুনউদ্ঘাটন কৰে। মেন্নুহিনে ১৮৫ ৰো বেছি ৰেকৰ্ডত যন্ত্ৰ সংগীত দিছে।

মেন্নুহিনে জীৱনত বহুতো প্ৰশংসা পাইছিল কিন্তু সেই সকলোবিলাকৰ ভিতৰত তেওঁৰ এটা কথা বিশেষকৈ মনত আছে। বিখ্যাত টাচকণিয়ে বহুত দিনলৈকে মেন্নুহিনৰ বেহেলা বজোৱা শুনিবলৈ যোৱা নাছিল। তেওঁ কৈছিল "লৰা এটাই অলপ ভাল জানেই মানুহে বৰ ভাল বজোৱা বুলি কয়, মই এনে ঘটনা বহুত দেখিছোঁ। মেন্নুহিনৰ বিষয়েও সেই একে কথাই হব। মই শুনিবলৈ নেযাওঁ।" পিচে এবাৰ বন্ধু এজনৰ বিশেষ অনুৰোধত তেওঁ মেন্নুহিনে বেহেলা বজোৱা শুনিবলৈ গ'ল। বজোৱা শেষ হোৱাত বিখ্যাত সঙ্গীত পৰিচালক জনে ডাঙৰকৈ চিঞৰি উঠিলে 'মেন্নুহিন, তুমি স্বৰ্গৰ পৰা আহিছা। তোমাৰ নিচিনা আন কোনো হব নোৱাৰে।"

মেন্নুহিনৰ শৰীৰৰ গঠন মজবুত, দেখিবলৈ ধুনীয়া, ব্যৱহাৰ মাৰ্জ্জিত। তেওঁ ছটা ভাষা কব আৰু লেখিব পাৰে। তেওঁ কলা, সাহিত্য আৰু ৰাজনীতিৰ বিষয়ে বিচক্ষনতাৰে সৈতে আলোচনা কৰে কিন্তু তেওঁ কাচিতহে সংগীতৰ বিষয়ে কথা কয়। তেওঁ ধীৰ আৰু নম্ৰ স্বভাৱৰ মানুহ। দৰ্শকৰ প্ৰশংসাধ্বনিত নিজক পাহৰি নেপেলায়।

মেন্নুহিনৰ পত্নীৰ নাম ডায়েনা গ'ল্ড। ঘৰ ইংলণ্ডত। তেওঁলোকৰ তিনিটা সন্তান। ছোৱালী জনীৰ নাম জামিৰা। লৰা দুটাৰ নাম ক্ৰেড আৰু জেৰাৰ্ড।

—সম্পাদক—

উত্তৰ কাছাৰ মহকুমা আৰু তাৰ অন্তৰ্গত হাফলং পাহাড়

শ্ৰীমাণিক চন্দ্ৰ শৰ্ম্মা

চাৰিউ ফালে ওখ ওখ পাহাড়। আমি থকা পাহাড়টোৰ নাম 'হাফলং পাহাড়'। ই বৰ্ত্তমান সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাড় জিলাৰ অন্তৰ্গত অৱস্থিত। ইয়াক ইংৰাজীত 'নৰ্থ কাছাৰ হিলচ' বুলিও কয়। বৰ্ত্তমান ইয়াৰ জিলাধিপতি জনৰ নাম মিঃ চি, এচ, বৰ্থ। মই চৰকাৰী চাকৰি পাই ইয়ালৈ আহিলোঁ। যোৰহাটৰপৰা প্ৰথমে আহোঁতে মোৰ এৰ ভয় লাগিছিল। তিনিচুকীয়াৰপৰা পাণ্ডু ঘাটলৈ চলা ৰেলগাড়ীত লামডিং জংছনত নামি 'লামডিং বদৰপুৰ শাখা ৰেল গাড়ীত উঠিলো। পুৱা ৭। বজাত ৰেল এৰিলে। ৰেলখন ক্ৰমান্বয়ে পাহাড়লৈ উঠিবলৈ ধৰিলে। মাজে মাজে অসংখ্য সুৰঙ্গৰ মাজেদি ৰেলখন পাৰ হৈ আহে। একোটা সুৰঙ্গ পাৰ হওঁতে ৰেলখনৰ প্ৰায় ৪।৫ মিনিট সময়ো লাগে। ডাঙৰ সুৰঙ্গৰ ভিতৰত বিজুলী চাকি জ্বলোৱা থাকে। সুৰঙ্গত সোমোৱাৰ লগে লগে এবিধ গেচ নাকত সোমায়, বৰ গৰম গৰম লাগে। চকুৰে অন্ধকাৰ দেখি। পেটে পেটে বৰ ভয়ো লাগে তুৱাৰ খিড়কী এবাৰ ভাল দৰে বন্ধ কৰি লবলৈ ৰেলৰ গাৰ্ড জনে আগতে সতৰ্ক কৰি দিয়ে। ৰেলৰ যাত্ৰীৰ ভিতৰত অসমীয়া মানুহৰ সংখ্যা নিচেই কম—নাই বুলিলেও হয়। প্ৰায়বোৰেই শিলচৰ কৰিমগঞ্জ বদৰপুৰ আদিলৈ যোৱা বঙালী, চিলেটি, কুমালী, ইত্যাদি মানুহ। ডুপৰীয়া বাৰ বজাত পালোঁহি লবাৰ হাফলং 'ষ্টেচন'। ইয়াত ৰেলখন বহুত সময় ৰয় বহুত দূৰৰপৰা অহা যাত্ৰীয়ে মুখ হাত ধুই আহাৰ পানী খাবলৈ যথেষ্ট সময় পায়। ৰেলৰ ইঞ্জিনেও ইয়াতে পানী লয়। মই অহা ঠাইলৈ ইয়াতে নামিব পাৰি। পিছে তিনি মাইল মান বৰ ওখ পাহাড় বগাই যাব লাগে বুলি ওচৰত বহা যাত্ৰী এজনে কোৱাত পুনৰ বহি পৰিলোঁ। তাৰ পাচৰ ষ্টেছন টোৱেই 'হিল হাফলং। ই বৰ ওখ পাহাড়ৰ মাজত অৱস্থিত। প্লেটফৰ্মত নামিয়েই এখন চাইন বোৰ্ড চকুত পৰিল—'Haflang Hill 2991' অৰ্থাৎ ই নামনিৰ পৰা প্ৰায় ২৯৯১ ফুট ওখ পাহাড়ত অৱস্থিত'। ষ্টেছনৰ পৰা এমাইল মান পাহাড় বগাই আহি মোৰ ভনী কুসুম গোস্বামী থকাঘৰ পালোহি। তাইৰ স্বামীয়ে ইয়াত চৰকাৰী চাকৰি কৰে। আজি পদূলিবিলাক ভাল। লৰি মটৰ চলিব পৰা হৈছে। বৰ্ত্তমান পি, ডব্লিউ,ডিয়ে এই বিলাকৰ উন্নতিৰ পথত যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিছে। ইয়াৰ জোৰাই হাফলং শিলচৰ ৰ'দ, আৰু হাফলঙৰ পৰা চিলঙলৈ যোৱা পথ আদি নিৰ্ম্মাণ কৰিছে। আৰু এই বিলাকেদি জিপগাড়ী সুন্দৰ ৰকমে যাব পৰা হৈছে! শিলচৰলৈ প্ৰায় ষাঠি মাইল আৰু চিলঙলৈ এশ পয়সত্তৰ মাইল মান হব। এই হাফলং পাহাড় উত্তৰ কাছাৰ মহকুমাৰ অন্তৰ্গত। এই মহকুমাৰ বিষয়েই চমুকৈ কবলৈ ওলাইছোঁ।

উত্তৰ কাছাৰ মহকুমাটো পৰ্ব্বত ময়! ইয়াৰ ভিতৰত বৰাইল পাহাড়েই শ্ৰেষ্ঠ। ই বন হাবিৰে পৰি-পূৰ্ণ। ইয়াৰ পৰা কেইখন মান নদী উৎপন্ন হৈ শিলচৰ মহকুমাৰ উত্তৰাংশ ধৌত কৰি বৰাকৰ উপনদীত পৰিণত হৈছে। উক্ত নদী সমূহৰ ভিতৰত জাটিঙ্গাই বিশেষ প্ৰসিদ্ধ। দৈয়ং আৰু মাহুৰ এই দুটি পাৰ্ব্বত্য নদী উত্তৰ কাছাৰত প্ৰসিদ্ধ। এই নদীৰ কাষেদি 'অসম বেঙ্গল ৰেল' পথে কাছাৰ জিলাৰ ওখ পৰ্ব্বত অতিক্ৰম কৰিছে। এই ৰেলপথটি মাজে মাজে পাহাড় কাটি আৰু পাহাড়ৰ গাত সুৰঙ্গ কাৰ প্ৰস্তুত কৰা হৈছে। এই সুৰঙ্গ বিলাকক 'টানেল' বোলে। এই মহকুমাৰ "টানেল'ৰ সংখ্যা মুঠ ৩৪।৩৫ টা মান হব। ৰেলই লাইনেদি ৰেল 'যেতিয়া

পাহাড়ৰ গাত ঘূৰি ঘূৰি ওপৰলৈ উঠে আৰু নামে তেতিয়া বৰ সুন্দৰ দেখায়। এই মহকুমাৰ প্ৰধান ঠায়েই হৈছে হাফলং! ইয়াত মহকুমাৰ প্ৰধান শাসনকৰ্ত্তা 'চাবডিভিজনেল অফিচাৰ বাস কৰে। বৰ্ত্তমান তেখেত এজন অসমীয়া লোক। তেওঁৰ অফিচ আদিও বৰ্ত্তমান ইয়াতে। ইয়াত এখন গবৰ্ণমেণ্ট হাইস্কুল আৰু এখন বঙালী নিম্ন প্ৰাইমাৰী স্কুলৰ উপৰিও, মিচন প্ৰাইমাৰী আৰু মিচন মধ্য ইংৰাজী স্কুল এখন আছে। ইয়াত পুলিচ থানা, আদালত, ডাকঘৰ, হাচপতাল, চাৰ্কেট হাউচ, ডাক বঙলা আদি আছে। প্ৰতি শুক্ৰবাৰে ইয়াত ডাঙৰকৈ হাট বহে। বহুত দূৰৰ মানুহে এসপ্তাহ দুসপ্তাহ বা মাহেকলৈকো বজাৰৰ বস্তু কিনি লৈ যায়। হাফলং এখন জনবহুল নগৰতেই পৰিণত হৈছেহি। ই এখন স্বাস্থ্যকৰ ঠাই। ইয়াক বৰ্ত্তমান মানুহে চিলঙৰ সহকাৰী নগৰ বুলিও আখ্যা দিয়ে। ইয়াত নগৰৰ মানুহৰ ঘৰলৈ পানী বিতৰণ কৰা প্ৰণালী বৰ সুন্দৰ। বৰ ওখ পাহাড়ৰ ফট্‌ফটীয়া ঝৰণাৰ পানী যন্ত্ৰৰ সহায়েৰে ধৰি বৰ ডাঙৰ টেঙ্কিত পূৰ্ণ কৰে। টেঙ্কিত সোমোৱাৰ আগতে পানী খিনি ফিলটাৰৰ সহায়ত পৰিষ্কাৰ আৰু বীজাণুহীন হৈ আছে। তাৰ পাচত পুনৰ এবাৰ আৰু আবেলি এবাৰ তাৰ পথ মুকলি কৰি কেন্দ্ৰ ঠাই বিলাকৰ সৰু সৰু টেঙ্ক বিলাকলৈ পানী বিতৰণ কৰে। এই সৰু টেঙ্কৰ পৰা কৰ্ম্মচাৰীসকলৰ ঘৰলৈ পানীৰ যোগাযোগ পথেদি আৱশ্যক অনুযায়ী পানী লৈ কামত খটায়। আমাৰ ওচৰত ছয়ৰ মানুহৰ কাৰণে ১৫৮ গেলন পানী টেঙ্কিলৈ আহে। ইয়াৰ বাহিৰে অন্যান্য অধিবাসী সকলে পাহাড়ৰ ঝৰণাৰ পৰা পানী আনি ব্যৱহাৰ কৰে। বৰ ওখ নমা ঠাইৰ পৰা পানী কঢ়িয়াই অনাটো সিবিলাকৰ কাৰণে কষ্টকৰ হলেও ই অভ্যাসত পৰিণত হৈ পৰিছে। পানী বৰ চেঁচা। হাফলঙৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম। ইয়াত চৰকাৰে পাহাড়ীক কাপোৰ বোৱা শিকিবলৈ একোটা 'ট্ৰেইনিং চেণ্টাৰ'ৰ সুবিধা কৰাৰ উপৰিও ঘৰতে শিকিব পৰাকৈ তাঁত শালৰ যোগান দিয়াৰো ব্যৱস্থা দেখা গৈছে।

হাফলঙৰ পৰা মাইবঙলৈ প্ৰায় ৩৫ মাইল হব। ই একালত কছাৰী ৰজাৰ ৰাজধানী আছিল। ই এটা প্ৰসিদ্ধ ৰেল ষ্টেছন। ইয়াত এখন হাচপতাল আছে। সম্প্ৰতি এখন স্কুলো পতা হৈছে। ইয়াত হাট বজাৰৰ পৰা প্ৰচুৰ পৰিমাণে কপাহ বিদেশলৈ ৰপ্তানি হয়। চৰকাৰী কৰ্ম্মচাৰী সকলৰ কাৰণে ইয়াত এটা ডাক-বঙলা আছে।

তাৰ পিচত লাংটিং বজাৰ'—এখন প্ৰধান ঠাই। ইয়াত কেইজন মান ৰেলৰ কৰ্ম্মচাৰীয়ে বাস কৰে। গভৰ্ণমেণ্টৰ সহায়ত ইয়াত কছাৰী লৰা ছোৱালীৰ কাৰণে এখন প্ৰাইমাৰী স্কুল পতা হৈছে। ইয়াৰ বজাৰতো প্ৰচুৰ পৰিমাণে কপাহ আমদানী হয়। এই বিলাক ৰেল-গাড়ীৰ যোগেদি বিদেশলৈ চালান দিয়া হয়। ইয়াত এখন ফৰেষ্ট অফিচ আছে। তাৰ পৰা 'হাৰাঙ্গাজাও'—এটা মালভূমিত অৱস্থিত। ইয়ো এটা প্ৰসিদ্ধ ৰেল ষ্টেছন। কছাৰী লৰা-ছোৱালীৰ কাৰণে ইয়াতো এখন চৰকাৰী নিম্ন প্ৰাইমাৰী স্কুল আছে। তাৰ পাচত 'ক্ষেম্‌ক্ৰ' এটা বৰ ডাঙৰ পুঞ্জি। ইয়াত প্ৰায় ডেৰশ ঘৰ কছাৰীয়ে বাস কৰে। ইয়াত এটা 'লোণ পানীৰ কূপ' আছে। মহকুমাৰ প্ৰধান ঠাই হৈছে 'গুন্‌জুং'। পূৰ্ব্বে গুনজুং নামে ঠাইত উত্তৰ কাছাৰ মহকুমাৰ চাব্‌-ডিভিজনেল অফিচাৰে বাস কৰিছিল। কিন্তু কথিত আছে শম্ভুধন নামৰ এজন কছাৰীয়ে চহৰখন জুই লগাই দিয়ে। তেতিয়াই হাফলঙত নতুন চহৰ নিৰ্ম্মাণ হয়। উত্তৰ কাছাৰৰ ভিতৰত "আটিঙ্গা-বস্তা" নামৰ এখন জনপূৰ্ণ গাঁও- বেচ উন্নত। ইয়াত সুমথিৰা, শাক-পাচলি আদি প্ৰচুৰ পৰিমাণে হয়। উত্তৰ কাছাৰৰ বহুত বনজাত দ্ৰব্য নানা দেশলৈ ৰপ্তানি হয়। ইয়াত তুলাও প্ৰচুৰ পৰিমাণে উৎপন্ন হৈ থাকে, আৰু দিউ বিশেষ সস্তা। এই ঠাই ডোথৰ হাফ-লঙৰ নিচেই সান্নিধ্যতে প্ৰায় ৪।৫ মাইল হে দূৰ হব। উত্তৰ কাছাৰৰ পাহাৰত বাঘ-ভালুক, হাতী, ম'হ ইত্যাদি বন্য জন্তু দেখা যায়। এই মহকুমাৰ লোকসংখ্যা বৰ্ত্তমানে ৩৬ হাজাৰৰ ওপৰ হব। আদিম কছাৰী সকলৰ উপৰিও পশ্চিম দেশীয় অনেক মানুহ— যেনে, খাচীয়া, লুচাই' কুকী, নগা, মিকিৰ, টিপুৰা, আৰু পঞ্জাবী আদি লোক

আহি এই পাহাৰত বসবাস আৰু কৃষি কাৰ্য্য কৰিছেহি। এই পাহাড়ৰ পৰা প্ৰচুৰ পৰিমাণে বাইডাং কাটি সুন্দৰ বেত সাজি বিদেশলৈ নিয়া দেখা যায়। তেজপাত সঘনে পোৱা যায়।

এতিয়া হাফলং আৰু তাৰ আশে পাশে থকা অধিবাসী সকলৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদিৰ বিষয়ে কেইআষাৰ মান কওঁ।

সৰুতে কবিতা এটা পঢ়ি বৰ ভাল পাইছিলোঁ—"দূৰৰ পাহাড় তুমি গহীন নিজম, ভাল পাওঁ নিলগৰ পৰা, নাচাপোঁ তোমাৰ কাষ ভাগিব সপোন, তুমি মোৰ মনে পতা দৰা।' আৰু গদাপাণি-ডালিমীৰ কাহিনী পঢ়ি মই বৰ উৎসুক হৈ আছিলোঁ—পাহাড়ত কেনেকুৱা মানুহবোৰ থাকে, সিহঁতৰ মনৰ ভাব-ধাৰা, চাল-চলন, খোৱা-বোৱা, আচাৰ-ব্যৱহাৰবোৰ কেনেকুৱা—এই বিলাক জানিবলৈ আৰু চকুৰে চাই তৃপ্তি পাবলৈ। কিন্তু আহি দেখিলোঁ—'এতিয়াৰ পাহাড়' আৰু তাহানিৰ 'গদাপাণি-ডালিমীৰ পাহাড়ৰ' লগত বহুত পাৰ্থক্য। এতিয়াৰ পাহাড়ত আমি ভৰা দৰে-সাপ, বাঘ, ঘোং আদি বনৰীয়া জন্তুৱে অনবৰতে ভিৰিঘল খিলাই ফুৰেনে। সিহঁত হয়তো কৰবাৰ অটব্য হাবিৰ মাজত লুকাই আছেগৈ। অৱশ্যে হৰিণা পহুৰ মাত মাজনিশা শুনা যায় আৰু সাজলগাত আমাৰ ঘৈয়ামৰ দীঘ ৰাতি চিঞৰা শিয়ালৰ আৱাজ কম নহয়। মই লাহে লাহে খাকে যত্তে পালোঁ পৰিচয় হৈ কথা-বতৰা পাতিবলৈ ধৰিলোঁ। কাৰণ এই বিলাকেই আধা ভঙা হিন্দী ভাষা বহে মনৰ ভাব প্ৰকাশ কৰা দেখা পাব। মইয়ো আধা ভঙা হিন্দী ভাষাত বেচ ওস্তাদ্। সেই কাৰণেই সিহঁতৰ লগত খুব-সহজেই মিলি পৰিবলৈ বেচি পৰ নেলাগিল।

বৰ্ত্তমান 'পি ড ব্লু ডি'য়' নিৰ্মাণ কৰা আলি বিলাকৰ পৰা সৰু সৰু কিছুমান পোৱালি বাট (ইংৰাজীত 'ফুটপাথ্') আছে; হাফলং নগৰ খনত হাট-বজাৰ, টকীজ, স্কুল-আদালত, ডাক-ঘৰ, হাচপতাল আদি ওচৰা-ওচৰি। ইয়াৰ পৰা অলপ আঁতৰি ডাঙৰ আলিৰ পৰা চকু ফুৰালেই—এনেকে লাগে, যেন ইয়াৰ আশে পাশে আৰু মানুহৰ ঘৰ নাই। মই অকস্মাতে চিনাকি হোৱা 'পালাল' নামৰ এজন কমবয়সীয়া লৰাৰ লগত খুব সহজেই মিলি পৰিছিলোঁ। তেওঁৰ সাজ-পোছাক আজি কালি যুগৰ লগত খাপ-খোৱা। মই তেওঁৰ লগত হিন্দীৰে কথা পাতোঁ। তেওঁৰ ঘৰ চাবলৈ আৰু ঘৰৰ মানুহবোৰৰ লগত পৰিচয় হবলৈ বৰ ইচ্ছা হৈছিল। এদিন তেওঁ ৰৰকৈ অনুৰোধ কৰাত তেওঁৰ ঘৰ পালোঁগৈ। সৰু বাট এটাইদি কিছুদূৰ নামি নামি গৈ আকৌ এটা টিলাত উঠি দেখিলোঁ সেইখন এখন গাঁও—নামহেনো কালীবাৰী বস্তী'—নগৰৰ গাতে লগা, প্ৰায় ২০।২৫ ঘৰ মানুহ আছে। গ্ৰামোফনৰ ৰেকৰ্ডৰ গান এটা আহি কাণত পৰিলহি। পালালে হাঁহি কলে "আহক এই চোৱেই আমাৰ ঘৰ!" সোমাই গৈ দেখিলোঁ বেচ চকী-মেজ সজোৱা, পৰিপাটি বিছনা পত্ৰ—কেইখন মান ফটো আঁৰি থোৱা সুন্দৰ কোঠা। এনেতে মাক ওলাই আহি পালালৰ লগত কি কথা পাতিলে—বুজিব নোৱাৰিলোঁ। পালালে হাঁহি হাঁহি কলে যে মই তালৈ আহিম বুলি সিহঁতে হেনো সপোনতো ভৰা নাছিল; কাৰণ ইয়াত থকা ভদ্ৰ মানুহ বিলাক সিহঁতৰ নিচিনা মানুহৰ ঘৰলৈ নাযায় হেনো। ভয়ে সংকোচে গাভৰু ছোৱালী এজনী ওলাই আহিল। ভাইৰ গঢ়-গতি অসমীয়া ছোৱালীৰ নিচিনা—হিন্দী জানে। মোৰ পৰিচয় সুধি ওচৰৰ মূঢ়া এটাত বহি ললে। ময়ো তাইৰ পৰিচয় ললোঁ। তাই হেনো ইংৰাজী ষষ্ঠ মানলৈকে পঢ়িছিল, কিন্তু টকাৰ অভাৱত আৰু নপঢ়িলে। মই কেইটামান বাক্য সিহঁতৰ ভাষাত তৰ্জ্জমা কৰিবলৈ দিলোঁ; যেনে;—"আমি অসম দেশক বৰ ভাল পাওঁ":—(কেইনি হিন আসাম, জিলাহি, কি ইন্ দিত জেল্)। আমাৰ অসমীয়া ভাষা শিকিবলৈ বৰ ইচ্ছা আছে:—(আচামি চচং হি ইৰ্চ্ছ্বং, কিন্ মিলুং আতি)। কিন্তু হাফলংত আমাৰ অসমীয়া ভাষা শিকিবলৈ বৰ্ত্তমান সুবিধা নাই:—(হাফলঙা হিন্ আচামি-স্কুল অম্মাকা আস্তাক জেল)। মই তোমাক বৰ ভাল পাওঁ:—(কে ইন্ নাং কিন্ দিত জেল্)। আমাৰ খোৱা-বোৱা আচাৰ ব্যৱহাৰ অসমীয়াৰ

লগত প্ৰায় মিলে:—(কেইনি ৰাখোল আচামি লে কিন্ ফা, ন্বিয়েক মুন্খাত আনি।)। কোৱাৰ লগে লগে তাই খেক্ খেক্ কৰে হাঁহিবলৈ ধৰিলে। মই তাইক ৰাক্য কিটা হিন্দি ভাষাৰে দিছিলোঁ। তাই কলে,—

যে সিহঁতৰ ককাকহঁত হেনো ত্ৰিপুৰা জিলাৰ। দেউতাক-মাকৰ, ইয়াতে ৪০ বছৰ মান হল কাৰণে হাফলঙৰ অধিবাসী হৈ পৰিল। সিহঁতক 'ৰাখোল' বুলিও কয়। কিন্তু সিহঁতে নিজৰ ভাষা প্ৰায়ে পাহৰি গল। কাৰণ মোৰ ৰাক্য কিটা অনুবাদ কৰোঁতে মাকৰ সম্পূৰ্ণ সহায় লোৱা দেখা গৈছিল। তাই অলপ পৰ ভাবি আকৌ কয়, যে সিহঁতে হেনো অসমীয়া মানুহৰ লগত বিয়াবাক সোমাই অসমীয়া আৰু সিহঁতৰ মাজত অটুট ভাবে সম্প্ৰীতি স্থাপন কৰিবলৈ বৰ ইচ্ছা কৰে। সেইদিনা গধূলি হোৱাত গুচি আহিলোঁ। এইদৰেই মই সিহঁতৰ লগত সহজেই আপোন হৈ পৰিলোঁ, আৰু পালালৰ যোগেদি আশে পাশে থকা পাহাড়ী গাওঁ বিলাকলৈ দৈনন্দিন আজৰি পৰত গৈ সিহঁতৰ ভাব ভাষা জানিবলৈ চেষ্টা কৰাটো মোৰ এটা স্বভাৱত পৰিণত হৈ পৰিল। এই গাঁও বিলাকৰ ভিতৰত কিছুমান নগা, লুচাই, কুকী, গুৰ্খালী, ৰাখোল আদি মানুহেই বেছি! সিহঁতৰ জীৱনবিলাক প্ৰকৃত স্বাৱলম্বী। নিজে খেতি কৰি, পানী আনি, ভাত ৰান্ধি খাই—আৰু বেচি শস্য হলে বেচি কিনি জীৱন অতিবাহিত কৰে। সিহঁতৰ কিছুমানে খাৰ বেচে, কিছুমানে কিছু শিক্ষা লাভ কৰি চৰকাৰী কাম কাজো কৰে। সিহঁতে জুমত কৰা খেতিৰ ভিতৰত জাতিলাও, ৰঙা-লাও, কোমাচ, সুমথিৰা, কুঁহিয়াৰ, গোমধান আৰু ধানেই প্ৰধান। ফাগুন চ'ত মহীয়া সিহঁতে জুমত জুই দিয়ে। অন্ধকাৰ ৰাতি চাৰিউফালে চকু ফুৰালে বৰ বিতোপন দৃশ্য চকুত পৰে। চাৰিউফালে ওখ পাহাড়ৰ জুম বিলাকত জুইলাগি ওপৰলৈ উঠা জুইৰ ৰঙা ৰঙা শিখাবোৰ বহুত দূৰৰ পৰা চাই বৰ ভাল লগে। বাৰিষা মানুহৰ কষ্ট কিছু বেচি অনুভৱ কৰা দেখা যায়। বছৰৰ কেউমাহেই জাৰ, বাৰিষা জাৰ বেচিকৈ হয়! চকুৰ আগতে মেঘে ছাটি ধৰেহি। ছেতিয়া তিনি চাৰি হাত আঁতৰত থকা লগৰ মানুহকেই ভালদৰে মনিব নোৱাৰি। বতাহ অনবৰতে বলে। বৰষুণৰ মাজত বৰ ডাঙৰ ডাঙৰ শিলো পৰে। তৈয়ামত কেতিয়াবা হোৱা শিলাবৃষ্টি উল্লেখ-যোগ্য, কিন্তু পাহাড়ত শিল পৰাটো ভাতৰ লগত পানী খোৱাৰ নিচিনা কথা।

—এদিন পালালৰ লগত কুকি মানুহ এঘৰলৈ গলোঁ। ঘৰ সোমোৱাৰ লগে লগে বৰ গোন্ধ এটা নাকত সোমাবাত পালালে কয় "সিহঁতে যি, কোনো বন্য জন্তু মাৰি বেৰত আৰি থয়—আৰু এই দৰে শুকুৱাই খাই বৰ ভাল পায়। সিহঁতে হিন্দীও নেজানে! পালালে সৰু লৰা এটাক কুকি ভাষা'ৰ সোধে, "বেইৰাইল্ থুম্তে?" (অৰ্থাৎ ৰঙালাও আছেনে?)। লৰাটোৱে কয় "ওম লে" (অৰ্থাৎ নাই)। পালালে সিহঁতৰ ভাষাৰে মোৰ চমু পৰিচয় দিয়ে। সিহঁতে কাপোৰ কানি আমাৰ দৰেই পিন্ধে। বহিবলৈ কব লাগে বুলি সিহঁতে নেজানে। অলপ সময় বৈ গুচি আহিলোঁ। বাটত সিহঁতৰ ঘৰৰ ছোৱালী এজনী লগ পালোঁ—স্কুলৰ পৰা আহিছে। তাই হেনো হিন্দী জানে। মই তাইক সুধিলোঁ, "তুমি অসমীয়া শিকিবানে?" তাই হাঁহি কলে 'আমি অসমত আছোঁ—কিন্তু অসমীয়া শিকিবলৈ সুবিধা পোৱা নাই। ইচ্ছা হলে খুব আছে।" তাই বৰকৈ অনুৰোধ ক'ৰিছিল পুনৰ উভতি যাবলৈ। কিন্তু বৰ ভোক লগাত গুচি আহিলোঁ। বিমলা নামৰ ছোৱালী এজনাৰ অনুৰোধ ক্ৰমে এদিন ৰবিবাৰে সিহঁতৰ ঘৰ পালোঁগৈ। পিছে তাই নাছিল—গীৰ্জ্জালৈ প্ৰাৰ্থনা কৰিবলৈ গৈছিল হেনো। পালালে কলে, "এইদৰে পাহাড়ৰ বহুত মানুহকে পূৰ্ব্বতে পাদ্ৰী সকলে খৃষ্টান ধৰ্ম্মত দীক্ষিত কৰিছিল।" মুঢ়া এটাত বহি অলপ সময় বিশ্ৰাম লোৱাৰ পাচত তাই আহিল। মোক দেখিয়েই হাঁহি দিলে। লৰিগৈ বটা এটাত তামোল-পাণ আৰু মছলা কেইটামান দিলেহি। বৰ আথে বেথে তাই হিন্দীৰে কলে, "চাহ-পানী খান জানো?" পালালে—মোৰ মুখলৈ চাইছিল। মই কলোঁ, "তুমি যদি সৰল বিশ্বাসেৰে দিয়া, মইয়ো সেই মতেই ঘৃণা নকৰি খাম।" তাই বৰ আনন্দ পালে। ভিতৰৰ পৰা গিলাচ এটাত চাহ দিলেহি। বৰ আগ্ৰহেৰে খোৱাত তায়ো

বৰ আগ্ৰহেৰে মোৰ মুখলৈ চাই ওচৰতে বহি আছিল। তাই হেনো তাহানিখন অলপ অচৰপ অসমীয়া পঢ়িছিল—এতিয়া পাহৰি গ'ল। পুনৰ শিকিবলৈ বৰ হেঁপাহ আছে। কিন্তু সুবিধা পোৱা নাই। তাইৰ ভনীয়েকে উইভিং স্কুলত কাপোৰ বোৱা কাম শিকিছে। বৰ ভাল লাগিল। সিহঁত হেনো জাতত নগা। ঘৰটো চাং ঘৰ। সেই দিনাই মই গুৰ্খালী মানুহ এটাৰ ঘৰ সোমালোঁ। তাৰো ভনীয়েক এজনী আছে, নাম সুশীলা আৰু ভায়েক এটা নাম লাড্ডু। লাড্ডুৱে মোক দেখি হাঁহি দিলে—কাৰণ সি এদিন এবোজা খৰি নগৰলৈ কঢ়িয়াই নিওঁতে মই তাক এনেয়ে তাৰ নামটো সুধিছিলোঁ। সুশীলাই বহিবলৈ দিলে। সিহঁতে হেনো অসমীয়া নামদি বৰ ভাল পায়। কিন্তু লাড্ডুক একো নাম দিয়া হোৱা নাই। মই তাক 'লৰ' বুলি মাতিবলৈ কলোঁ। সি বৰ ভাল পালে। থিয় হৈয়ে দু-আষাৰমান কথা পাতি ঘৰলৈ উভতি আহিলোঁ:— লাহে লাহে আন্ধাৰো হৈছিল। বাটত পালালে কলে, "ইয়াত ছোৱালীৰ সংখ্যা বেছি। কিন্তু চিলঙৰ দৰে চৰিত্ৰহীন হোৱা নাই। ইয়াত নগৰৰ মানুহে হলে ছোৱালী বিলাকৰ চৰিত্ৰ বেয়া, লেতেৰা বুলি অনাহকত ঘৃণা কৰাত সিহঁতে বৰ বেজাৰ পায়। কিন্তু আপুনি দেখিছেনে—সিহঁত কিমান সহজ সৰল, আচাৰ ব্যৱহাৰ কেনে সুন্দৰ। সিহঁতৰ অন্তৰত কিমান শুভ আকাঙ্ক্ষা থুপ খাই আছে। কেৱল সুবিধা আৰু সুযোগ পালেই সিহঁতে জগতত কিমান উন্নতি সাধিব—ভাবি চাওক।" মই টলকা মাৰি শুনি আহিছিলোঁ। পালালে আকৌ কলে, আপুনি আজি আমাৰ ঘৰতে ভাত খাবনে? ঘৰত নকব। আকৌ ঘৰত অলপমান খাই—খাবৰ মন নাই বুলি কব। কাৰণ আমাৰ ঘৰত খালে আপোনালোকৰ জাত যাব নহয়—খুব থ কৰিব মই জানো!" মই হঠাৎ বৈ গলো। পালালে বৰ আগ্ৰহেৰে উত্তৰলৈ বাট চাই ৰ'ল। কেই খোজমান আহি মই কলোঁ, "পালাল, সংসাৰত মই কাকো ঘৃণা নকৰোঁ। গান্ধীজিৰ ধৰ্ম্মই মোৰ ধৰ্ম্ম মানুহটো উপজি আহোঁতেই জাত একোটা লৈ নাহে, সকলো একে পৰমেশ্বৰৰ সন্তান। আমিহে ভাগ ভাগ কৰি লৈছোঁ। মই খোৱা-বোৱা আচাৰ ব্যৱহাৰ আদি ঘনিষ্ঠতাৰ যোগেদিয়েই পৰ্ব্বত ভৈয়াম সম্প্ৰীতি স্থাপনৰ সুবিমল পথ মুকলি কৰিম এক মহান আদৰ্শ ৰূপে,—সভা-সমিতি, প্ৰদৰ্শনী আদি পাতি নহয়।" বাহিৰে বাহিৰে আমি সিহঁতৰ ঘৰ পালোঁগৈ। পালালৰ ভনীয়েকৰ নাম আছিল—আহলি,—মই 'মিনা' বুলি মাতো। মই ভাত খাম বুলি কোৱাত সিহঁতে যেন সৰগহে ঢুকি পালে। হাঁহ-কণী আৰু ফুলকবি ৰান্ধিছিল—আমাৰ দৰেই মাহ-মচলা দি। সিহঁতে হেনো খাবো খায়। মীনাই বৰ সুন্দৰ হিন্দী গান এটা গাই শুনোৱাত মই বৰ আচৰিত হৈ পৰিলোঁ। টকীৰ গান শুনি শুনিয়েই হেনো অভ্যাস কৰিছে। নাচিবও জানে হেনো। পালালে কথা প্ৰসঙ্গত কলে—মই হেনো আজৰি পৰত সিহঁতক অসমীয়া শিকাব লাগে। সিহঁতৰ উচ্চ মন, নিৰ্ভীকতা আৰু সৎ সাহস দেখি ধন্যবাদ নিদি নোৱাৰিলো। পালাল আৰু মীনা হেনো মোৰ লগত যোৰহাটলৈ গৈ ভৈয়ামৰ মানুহ আদি চাবগৈ। মই আমাৰ ঘৰত থাকিবলৈ দিম জানো বুলি সোধাত কলোঁ, "তোমালোকে মোক যেনেকৈ মৰম কৰিছা, মোৰ সহায় হৈছা, আৰু মোৰ অন্তৰখন জয় কৰিছা, ময়ো সেইদৰে তোমালোকৰ সকলো জয় কৰিছোঁ। এতিয়াও তোমালোকৰ গুণ শিকিবলৈ আৰু তোমালোকৰ সজ আদৰ্শ লবলৈ ভৈয়ামৰ লুকু, টুকু, মায়া শীলা, জোছনা বন্তা আদি গাভৰুৰ বহুত বাকী আছে। মই নিঃসন্দেহে থাকিবলৈ দিম। সিহঁতে খুব হাঁহে। পালালে কয় "আপোনাক পাহাৰৰ সকলো মানুহে খুব ভাল পাইছে; আপুনি হাফলঙত অসমীয়া স্কুল এখন পাতিবলৈ যত্ন কৰক—আমাৰ সকলোৱেই ভাল পাব দৰ্কাৰ হলে সহায়ো কৰিব।" মই কলোঁ, "কিয় নহব, গনতান্ত্ৰিক যুগত জনমতলৈহে স্বাধীন চৰকাৰে স্বাধীন দেশৰ উন্নতি সাধন কৰে। মাত্ৰ তোমালোকৰ ঐক্য আৰু সঙ্ঘবদ্ধতাৰ ওপৰতে সকলো নিৰ্ভৰ কৰে। মই মাত্ৰ তোমালোকক বাটহে দেখুৱাই যাব পাৰিম।" মীনাই মোৰ কথাবোৰ একাণপতীয়াকৈ সজল হৰিণাৰ দৰে মোৰ মুখলৈ চাই শুনি আছিল। অলপ বৈ পালালে পুনৰ

ব্যস্ততাৰ মাজেদি সোধে—"এটা কথা, আপুনি ইয়াত চৰকাৰী চাকৰি কৰিছে, আছে চৰকাৰী ঘৰত, আপোনাৰ চাকৰি যদি সোনকালে স্থানান্তৰিত হৈ যায় আৰু আপুনি যদি হঠাত দুৰ্বলৈ গুচি যায়গৈ তেতিয়া কি হব ?" মই কথাটোৰ গুৰুত্ব উপলব্ধি কৰি অলপ ভাবিবলগীয়া হল। অলপ পৰ টলকা মাৰি হাঁহি কওঁ, "এৰা, কথাটো সচা, বাৰু তেতিয়া তোমালোকে মোক মাটি-বাৰী দিবা জানো থাকিবলৈ ?" সিহঁত আনন্দত উত্রাৱল হৈ পৰে। পাছলে কয়, "আপুনি আমাৰ লগত থাকিব, আমি খুৱাম, আপুনি যদি পাৰে মাহে ২০২৫ টকা মানৰ এটা চাকৰি সংগ্ৰহ ক'ৰব।" মধুৰ সপোন এটা মনতে আঁকি লৈ মই মোৰ থকা ঠাই পালোঁহি। ৰাতি টোপনি নধৰিলে। পুৱা খাই বই মোৰ কামলৈ ওলাই গলো। মনচন বৰ ভাল নহয়, কামত সমূলি মন নবহা হল। কেৱল সেই পাহাড়ী লৰা ছোৱালীবোৰৰ উন্নতি আৰু পৰ্ব্বত ভৈয়াম সম্প্ৰীতি স্থাপনৰ সোণালী সপোন এটা চকুৰ আগত অনবৰতে তাহি থাকি খেলিমেলি ভাবে মোৰ দৈনন্দিন কৰ্ত্তব্যৰ দিন কেইটা এদিন দুদিনকৈ অতিবাহিত হৈ গৈ আছে, কব নোৱাৰো---ইয়াৰ শেষ সিদ্ধান্ত আৰু কেতিয়া হবগৈ।

– – – –

সিপাৰৰ বাণী

কবিতা]		শ্ৰীহৰকান্ত দাস।

সিপাৰৰ পৰা কয়, শুনো ৰিণি ৰিণি,
নাকান্দা জনক মোৰ সাদৰী জননী।
পৰম সন্তোষে মই আছোঁ ইঠাইত,
দেৱভোগ্য মধু পান কৰোঁ নিতে নিত।

দিছিলা যতেক সুখ পুত্ৰজ্ঞানে মোক,
তাৰ বিনিময়ে পাবা দিব্য স্বৰ্গলোক।
কৰিছিলা যত মানে আদৰ সাদৰ,
তাৰ বিনিময়ে পাবা আনন্দ অপাৰ।

মায়া আবৰণ ছেদি চোৱা হৃদয়ত,
চিদানন্দৰূপে মই বিৰাজিছোঁ তাত।
জোন বেলি তৰা আৰু নক্ষত্ৰ সবত,
জ্যোতিৰূপে বিৰাজিছোঁ মহা আনন্দত।

মানবী শৰীৰ ত্যজি অব্যক্ত ৰূপত,
বিৰাজিছোঁ ৰঙ্গমনে বিচিত্ৰ লোকত।
এতেকে ত্যজিও তাপ হুয়া মহাজ্ঞানী,
ই যে বিধাতাৰ নীতি জানা মহামানী।

– – – –

(বাৰাণসীৰ গঙ্গাত পুত্ৰৰ আকস্মিক অকাল মৃত্যু উপলক্ষে লিখা)

কলেৰা ৰোগৰ পৰা আত্মৰক্ষা কৰিবৰ উপায়।

(কবিৰাজ—শ্ৰীনবীন চন্দ্ৰ ভাগৱতী আয়ুৰ্ব্বেদভূষণ)

কলেৰা অতি মাৰাত্মক বেমাৰ। এই বেমাৰ হ'লৈ আৰম্ভ কৰোতেই যদি ভালকৈ চিকিৎসা কৰা নহয় তেন্তে সততাই ভাল কৰা টান। কোন সময়ত এই ৰোগে আক্ৰমণ কৰিব কোনেও কব নোৱাৰে। মানুহৰ অজানিত অৱস্থাতেই অকস্মাতে কলেৰাৰ বীজাণুৱে আক্ৰমণ কৰিব পাৰে। গতিকে চিকিৎসক সকলৰ বাহিৰে সৰ্ব্ব-সাধাৰণ লোকেও এই ৰোগৰ ঔষধ আৰু ইয়াক নিবাৰণ কৰিবৰ উপায় জনা উচিত। তেতিয়া হলে কাৰোবাৰ এই বেমাৰ হলে; ওচৰত ডাক্তৰ, কবিৰাজ নাথাকিলেও সকলোৱে নিজে নিজে ঔষধ পথ্য যোগাৰ কৰি খাই ৰোগৰ পৰা হাত সাৰি থাকিব পাৰিব।

কলেৰা ৰোগ হোৱাৰ কাৰণঃ-

সাধাৰণতে অজীৰ্ণ ৰোগৰ পৰাই এই বেমাৰৰ উৎপত্তি হয়। ই অতি সংক্ৰামক ব্যাধি। গতিকে গাঁৱত এজনৰ হলেও বীজাণু বিয়পি গোটেই গাঁৱতে হব পাৰে। অতি গৰম হলে, ৰ'দত ঘূৰি মাটি ভেকিলে, অতিপাত পৰিশ্ৰম কৰিলে, খোৱাৰ অনিয়ম হলে, ভয়, শোক আদি মনোকষ্ট হলে, বেচি টোপনি খতি কৰিলে, নাইবা খোৱা পানী, বায়ু শাক পাচলিৰ লগতে এই ৰোগৰ বীজাণু পেটলৈ গলে কলেৰা হোৱাৰ সম্ভাৱনা থাকে।

লক্ষণঃ—

কলেৰা ৰোগৰ সাধাৰণ লক্ষণ শৌচ আৰু বমি। প্ৰথমতে এবাৰ দুবাৰ অজীৰ্ণ শৌচ হৈ ক্ৰমে চাউল ধোৱা পানীৰ নিচিনা বা গেলা কোমোৰাৰ নিচিনা দুৰ্গন্ধময় শৌচ হয় আৰু পানীৰ নিচিনা বমি হয়। পেটত যন্ত্ৰণা হয়। মূত বন্ধ হয়। ক্ৰমে ৰোগ বেচি হৈ আহিলে চকু সোমাই যায়, নাক ওপৰলৈ উঠে, গাল সোমাই যায়, হাত ভৰি চেঁচা আৰু ঠেৰেঙা হয়, সিৰা-মূৰি ধৰে, পিয়াহ, ভ্ৰম, দাহ জ্বৰ, অনিদ্ৰা, হামি-হেকটি, মূৰ কামোৰণি আদি উপসৰ্গ বিলাকে দেখা দিয়ে। নাড়ী ক্ষীণ চেঁচা আৰু বৰ খৰ হৈ ক্ৰমে নাড়ীৰ স্পন্দন নাইকিয়া হৈ যায়। এনে বিলাক লক্ষণে দেখা দিলে ৰোগীৰ আৰোগ্য লাভৰ আশা অতি কম হয়। যদি ভেদ বমি কমি যায়, হালধীয়া বৰণৰ শৌচ হয়, শৰীৰৰ তাপ বৃদ্ধি হয়, পেটৰ বিষ কমি যায়, পিয়াহ গুচে, প্ৰস্ৰাব আৰু নিদ্ৰা হয় তেন্তে ৰোগ ভাল হব বুলি বুজিব লাগিব।

লবলগীয়া সাৱধানতাঃ—

কলেৰা বেমাৰৰ সময়ত অপৰিষ্কাৰ দুৰ্গন্ধ ঠাইত বাস, অপৰিমিত ভোজন, বেচি পৰিশ্ৰম কৰা, বেয়া পানী খোৱা, গেলা মাছ মাংস খোৱা একেবাৰে বেয়া। যি বিলাক বস্তু সহজে জীৰ্ণ

নাৰায় তেনে বস্তু নাখাব। ঘৰত ধুনা, গন্ধক আদি জ্বলাব। কর্পূৰ আৰু হিঙ্গৰ গোন্ধ লব। পানী গৰম কৰি খাব। কাফুৰ মিহলোৱা পানী খোৱা ভাল। কিয়নো কর্পূৰ কলেৰা ৰোগ ধ্বংসকাৰক। বেমাৰীৰ ভেদ বমি বিলাকত আলকেতেৰা বা চুণ দি মাটিত পুতি থব। ৰোগীৰ বিছনা পত্রবিলাক সঘনে ৰ'দত দিব। ঘৰৰ ভিতৰত বেচি মানুহ নাথাকিব। শুদা পেটেৰে ৰোগী শুশ্রূষা নকৰিব। এই ৰোগ হোৱা ঠাইৰপৰা শাক পাচলি আদি আনিলে গৰম পানীৰে ধুই ব্যৱহাৰ কৰিব। গৰম পানীহে খোৱা লোৱাত ব্যৱহাৰ কৰিব। মাখি নিবাৰণৰ কাৰণে চেষ্টা কৰিব। মাখি পৰা আহাৰ নাখাব। এই বিলাক নিয়ম পালন কৰিলে বেমাৰ বিয়পিব নোৱাৰে।

প্ৰতিষেধক উপায়ঃ—

তামে কলেৰা বীজাণু ধ্বংস কৰিব পাৰে। গতিকে তামৰ কোনো বস্তু (তাবিজ, পয়চা আদি) গাত বান্ধি থব লাগে। কর্পূৰৰ গোন্ধ লব লাগে। এই দুটা বস্তু ব্যৱহাৰ কৰিলে কলেৰা বেমাৰৰ আশঙ্কা নাথাকে।

চিকিৎসা ঃ—

এই ৰোগ উপস্থিত হোৱা মাত্রকে চিকিৎসা কৰা কর্ত্তব্য। কিন্তু প্ৰথমেই বৰ বেচি বলবান ধাৰক ঔষধ ব্যৱহাৰ কৰিব নালাগে। কিয়নো তেনে কৰিলে অনিষ্ট হোৱাৰ সম্ভৱ। গতিকে ৰোগৰ অৱস্থা বুজি ঔষধ ব্যৱহাৰ কৰিব লাগে।

১। আফিং ১ ৰতি, আৰু কর্পূৰ ॥০ অৰ্দ্ধ-ৰতি একেলগে বাটি ঠাণ্ডা পানীৰে প্ৰত্যেক শৌচৰ পাচত খুৱালে কলেৰা ৰোগ ভাল হয়।

২। কর্পূৰ, হিং আৰু পিপলি সাঁটি ঠাণ্ডা পানীৰে এক ঘণ্টাৰ অন্তৰে খালে এই ৰোগ ভাল হয়।

৩। অপামার্গৰ (বনলট) শিপা এতোলা, জালুক আদমহাৰে বাটি ঠাণ্ডা পানীৰে খালে ৰোগৰ উপসম হয়।

৪। শুকান আদা, পিপলি, জালুক, শোধন কৰা হিং (ঘিউত ভাজিলে হিং শোধন হয়) জীৰা, বৰ ইলাচি, লং, নাহৰ ফুলৰ কেশৰ মুথা, শ্বেত চন্দন, কর্পূৰ প্ৰত্যেকৰে সমান গুৰি ব্যাধি উপসম নোহোৱালৈকে এমহা পৰিমাণে ঔষধ ঠাণ্ডা পানীৰে খাব।

৫। হেঙ্গুল, আফিং, মুথা, ইন্দ্ৰযৱ, জায়ফল আৰু কর্পূৰ এই সকলোৰে সমানে লৈ পানীৰ লগত বাটি ২ ৰতি সমানে বৰি কৰি ঠাণ্ডা পানীৰে খাব।

ওপৰত লিখা ঔষধ বিলাক ব্যৱহাৰ কৰিলে নিশ্চয় কলেৰা ৰোগ ভাল হব। এই বিলাক ঔষধ অতি সহজে সকলোৱে তৈয়াৰ কৰি লব পাৰে।

প্ৰাথমিক প্ৰতি বিধান ঃ—

সিৰামুৰি নধৰিবৰ কাৰণে গাত সৰিয়হ তেল গৰম কৰি ঘঁহিব। বটলত পানী ভৰাই বা বালি গৰম কৰি গা চেচা পৰিলে সেক দিব। বেচিকৈ ঘামিলে ফাকু মলিব। মূৰৰ কামোৰ গুচাবৰ কাৰণে ঠাণ্ডা পানীৰ পটি দিব। কর্পূৰ, গন্ধক আদিৰ গোন্ধ লব।

পথ্যা পথ্য ঃ—

ৰোগী অৱস্থাত কোনো বস্তু নোখোৱাই ভাল। বেমাৰ কমিলে এৰাৰুট, চাগু, শালি আৰৈ চাউলৰ ভাতৰ মণ্ড, আদি খাবলৈ দিব। বেমাৰ সম্পূৰ্ণ ভাল হলে পুৰণি চাউলৰ ভাত, মচুৰ ডাইলৰ ঝোল, মাগুৰ কাৱৈ মাছৰ ঝোল, পুৱা কল, ডিমৰু, ভেদাই লতা আদিৰ আঞ্জা খাব। গুৰুপাকী বস্তু, ভজা পোৰা বস্তু, ঘৃতপক্ক বস্তু, আদি খোৱা; পৰিশ্রম, মেথুন, স্নান আদি কাম কৰা নিষেধ।

পৰাজয় কাৰ ?

শ্ৰীমহেন্দ্ৰ মোহন শৰ্ম্মা

"নেলাগে আমাৰ স্কুললৈ যাব
হাকিম হবলৈ আৰু,
বুঢ়া শালিকাই কোনোবা কাহানি
মাতিছেনে মাত বাৰু ?"

"মনে মনে থাক বুঢ়ী ঘুগুলী
নেযাওঁ হাকিম হব,
নিজৰ কাৰণে পঢ়িব খুজিছোঁ
চকুহে মুকলি হব।

আখৰ কেইটা নিচিনো কাৰণে
তুবাবো খাজনা নিয়ে ;
মাটি লিলামত দিয়া বুলি আৰু
মিছাতে ধমকি দিয়ে।

একুৰি টকাতে দুইশ লিখিলে
টিপচহীৰ বল পাই
আহুতলী মোৰ নিলে তিনি বিঘা
হৰিধন কন্দ্ পৰাই।

মৰি মুজিও আখৰ কেইটা
চিনিহে এৰিম মই,
মোতকৈও কত বুঢ়াই পৰিছে—
পথালি নিদিবি তই।"

"কিনো দিন হল"—বুঢ়ীয়ে ভাবিছে
কলিৰ পৰিছে শেষ,
বুঢ়াবোৰে আজি স্কুলত পঢ়িছে
'ধৰিছে লৰাৰ বেশ।

* * * *

তেনেহলে বাৰু নপঢ়ি ঘুগুনি
এনেই ৰমনে মই ?
তোৰ মুখেৰেই মইও শিকি লম
আহগৈ ঘুৰি তই।"

———

জানিবলগীয়া কথা

শ্ৰীৰমেশ চন্দ্ৰ শৰ্ম্মা

১। গোটেই পৃথিবীত দৈনিক প্ৰচাৰ হোৱা বাতৰি কাকত প্ৰায় ২১৯০০০,০০০ খন

২। পৃথিবীত প্ৰতি ৭ জনৰ ভিতৰত ১জন ভাৰতীয়।

৩। জাম্বেজী নদীৰ ওপৰত থকা ১২,০৬৫ ফুট দীঘল দলংখনেই পৃথিবীৰ ভিতৰত আটাইতকৈ দীঘল। ওপৰেদি ৰেলো চলে।

৪। ফাউণ্টেনপেনৰ উদ্ভাবক হৈছে ওৱাটাৰমেন, আমেৰিকা, ১৮৮৪ চন।

৫। ১০২টা তলা থকা নিউইয়ৰ্কৰ এম্পায়াৰ ষ্টেট বিল্ডিংটো ১২৫০ ফুট ওখ।

৬। উত্তৰ চীনৰপৰা মঙ্গোলিয়ালৈ ১৪০০ মাইল দীঘল প্ৰাচীৰটো চীন সম্ৰাটে খৃঃ ৩য় শতাব্দীত নিৰ্ম্মাণ কৰে।

৭। ভাৰত গভৰ্ণমেণ্টে বৰ্ত্তমানলৈ ১৭৭ লাখ টকা খৰচ কৰি ৮৯০ জনক বিদেশলৈ শিক্ষাৰ্থে পঠাইছে।

৮। এক আউন্স এৰিষ্টিনিয়াম ধাতুৰ মূল্য ২ লাখ পাউণ্ড। ইয়েই পৃথিবীৰ ভিতৰত আটাইতকৈ মূল্যবান ধাতু।

৯। নোবেল প্ৰাইজৰ জন্মদাতা চুইডেনৰ বৈজ্ঞানিক আলফ্ৰেড্ নাৰ্ণাড।

১০। ১৯০৫ চনৰ ১লা জুলাইত ভাৰতীয় ষ্টেণ্ডাৰ্ড টাইম নিৰ্দ্ধাৰিত কৰা হয়।

"বোলছবিয়ে সৰ্ব্বসাধাৰণৰ মনত বিস্তাৰ কৰা প্ৰভাৱ অতি শক্তিশালী। নিজক নায়ক-নায়িকাৰ লগত তুলনা কৰিবলৈ আমাৰ এটা ইচ্ছা হয়। বয়সিয়াল লোকতকৈ যুবক-যুৱতী বোলছবিৰ দ্বাৰা সহজে প্ৰভাৱান্বিত হয়। আকৌ পুৰুষতকৈ নাৰী বোলছবিৰ দ্বাৰা বেছি মুগ্ধ হয়। পিটাৰছন আৰু পাৰষ্টনে জনসাধাৰণৰ মনত বোলছবিয়ে কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাক অধ্যয়ন কৰি তেওঁলোকে এই সিদ্ধান্তত উপনীত হৈছিল যে বোলছবিয়ে আমাৰ মতামত আৰু কোনো কথাৰ মূল্য নিৰূপণত দীৰ্ঘ কালস্থায়ী প্ৰভাৱ বিস্তাৰ কৰে। মই নিজেও এই কথা বিচাৰ কৰি চাই জানিবলৈ পাই আচৰিত হৈছো যে আমাৰ মানুহক গান্ধীজী আৰু ৰবি ঠাকুৰে যিমান প্ৰভাৱ বিস্তাৰ কৰিব পাৰে বোলছবি বা বোলছবিৰ নায়ক-নায়িকাসকলে তাতোকৈ বেছি পৰিমাণে প্ৰভাৱান্বিত কৰিব পাৰে। মই এনে স্কুলীয়া লৰা-ছোৱালী বহুতো পাইছো যাৰ খোজকঢ়া, কাপোৰ পিন্ধা, কথাকোৱা, আৰু ইহাৰ ধৰণ--ৰাজকাপুৰ, সুৰাইয়া, অশোক কুমাৰৰ নিৰূপণ কৰে।"

—ডাঃ এছ ব্ৰহ্মচাৰী, পি-এইচ-ডি।

এয়েই তাৰ জীৱন

গল্প]

শ্ৰীজীৱেশ্বৰ শৰ্ম্মা

কাতিমহীয়া দিন। তেতিয়া ৰাতি পুৱা প্ৰায় সাত মান বাজিছে। বিৰহুৱে হঠাতে টোপনিৰপৰা সাৰ পাই ঘৈণীয়েকক কবলৈ ধৰিলে, হেৰ! উঠ! উঠ! বেলি একেবাৰেই আহি নাৰিকলৰ ওপৰ পাইছে। মোক এটোপা চাহ-পানী কৰি দে; নহলে আজি জটা বামুণে হাল বোৱাৰ আশীৰ্ব্বাদ ভাল দৰে জাউৰি পাতি দিব। হেৰ! কেতেকীৰ মাক! মোৰ মুৰ একেবাৰেই গৰম হৈ গৈছে। হে ভগবান! আজিহে তোমাৰ কৃপা।

ঘৈণীয়েক জেতুকীয়ে জাপ মাৰি বিছনাৰ পৰা নামিল। তাই অনৰ্গল কবলৈ ধৰিলে—"মই যে কি দুৰ্ভাগিনী! ৰাতি পুৱা কাউৰী-শগুণ মাটীত নপৰোঁতেই আমাৰ হুতাশনক লাগে চাহৰ বাটিটো; এফেৰি শুৱও নোৱাৰো। খালি ৰাতি-পুৱাৰে পৰা কেৱল খোৱাৰে চিন্তা।" এনেতে কেতেকীয়ে লাহেকৈ মাত দিলে—'পিতা গাখীৰ একেবাৰেই নাই; আপুনি গাইজনী খীৰাই আনক'। বিৰহুৱে হাতত কৰিয়াটো লৈ গোহালি ঘৰলৈ গৈ ক'লী গাই জনীৰ ওচৰ পালেগৈ। পীৰাখন পাৰি বহোঁতেই গাই জনীয়ে জোৰেৰে লাথি মাৰি দিলে। সি দুখ পাই ঘুৰি শুচি আহিল। "আই কেতেকী, গাখীৰ নালাগে দে; মই ৰঙা চাহকে খাম; এইদৰেতো আৰু মানুহ মৰিব নোৱাৰি।"

জেতুকীয়ে ভিতৰৰ পৰা মাত দিলে—"ৰঙা চাহনো কিহেৰে হব? ঘৰত এডাল শুকান খৰিও নাই। তেতিয়াৰ পৰা ফুৱাই ফুৱাই চকু দুটাও কণা কৰিলো। কেতেকীয়ে দুডাল শুকান খৰি বিচাৰি আনিলে। পানীখিনি কোনোমতে উতলিল। কেতেকীয়ে লাহেকৈ মাকক সুধিলে—' মা! চাহপাত ক'ত?" মাকে টপকৰে উত্তৰ দিলে 'চাহপাত বৰগোলাত' বিৰহুৱে দুখৰ সুৰত কলে—"হেৰ আই! দুটা ডালিমৰ পাতকে ছিঙি আন; গুড় অকণেৰে সৈতে তাকেই মোক দে"। হে ভগৱান! আজি জটা বামুণে মোৰ গোটেই বংশাৱলী গাব।" ঘৈণীয়েক আৰু ভিতৰৰ পৰা নোলাল। কেতেকীয়ে বাপেকক গুড় অকণেৰে ডালিমৰ পাতৰ চাহ এটুপি দিলে। সেই চাহ টুপিয়েই আছিল তাৰ কাৰণে দিনটোৰ এবেলাৰ সমল। সি সেই চাহখিনি খাই কেহকুছি গাঁৱৰ জটাবামুণৰ ঘৰ বুলি খোজ ল'লে।

সিদিনা আছিল জটাবামুনৰ হালৰ পালি। বামুণে সিদিনা আন দিনতকৈ দুঘণ্টা আগতে উঠি ইফালে সিফালে ঘূৰি পকি আছে। যিমানেই ৰদ চোকা হৈ আহে সিমানেই বামুণৰ মূৰৰ অগ্নিকুণ্ডৰ জুই বেছিকৈ জ্বলি উঠে। বামুণে ৰাতিয়েই ভাবি চিন্তি সেইদিনা হালখন বৰ পথাৰলৈ নিয়াৰ আঁচনি কৰি থৈছিল। বিৰহু গৈ বামুণৰ পদুলি মূৰত উপস্থিত হ'ল। বিৰহুক দেখিয়েই জটাই মাত লগালে "হেৰ নৰকী! এইদৰে মোৰ মঙহ খাব কিয়? এদিন মোৰ গৰুৰে হাল বাই লৈছ, মোকতো তই এনেয়ে বাই দিয়া নাই। এতিয়া বেলি আহি মূৰৰ ওপৰ পাওঁ পাওঁ হৈছে; তই আহিছ জটা বামুণৰ হাল বাবলৈ এতিয়াহে। যি কৰিলি কৰিলি, কিন্তু মনত ৰাখিবি আজি বেলি ভাটী দিয়ালৈকে হাল বাব লাগিব।" বেছেৰা বিৰহুৱে মনৰ দুখত এটা হুমুনিয়াহ কাঢ়ি উত্তৰ দিলে 'বাৰু দেউ'! সি মনতে ভাবিলে "পৰৰ তলত খাটিছো যেতিয়া গৰাকীৰ হুকুম মানি চলিবই লাগিব।" লৰালৰিকৈ সি কান্ধত নাঙলখন লৈ গৰু হাল আগে আগে খেদি পথাৰলৈ ৰাওনা হ'ল।

কিছু পাছত সকলোৱে হাল এৰি দিলে। বিৰহু মনৰ দুখত অথিৰ। ইয়াৰ মাজতে বামুণে গাত এছাটি পানী ছটিয়াই কেইটামান পঁইতা ভাত খাই আহিছে। মাজে মাজে বামুণে বিৰহুলৈ কেঁৰাকৈ চাবলৈ ধৰিলে। কিছু সময় পিচত গৰুহালৰ মৰমতে জটাধৰে টান সুৰত ক'লে "বিৰহু! গৰুহাল আজি তই মাৰিব খুজিছ নেকি? তই মৰ মোৰ তাত আপত্তি নাই কিন্তু মোৰ গৰু হাল নেমাৰিবি। হাল এৰি দে — মই ভালে ভালে কৈছোঁ।" বেছেৰাই হাল এৰি দিলে। সি বৰ হোজা প্ৰাণী। বেলি ভাটী দিয়ালৈকে হাল বাবলৈ দিয়া কাৰণেহে সি তেতিয়ালৈকে হাল বাই আছে; ইয়াত তাৰ দোষ কি?

বিৰহু এতিয়া ঘৰৰ পিনে উভতিল। পেটত তাৰ ভোক, অন্তৰত নানা চিন্তা ভাৱনা। আজি সি তাৰ জীৱনক তুচ্ছ জ্ঞান কৰিছে। ইপিনে ঘৰৰ পিনেও আকৌ অশান্তিৰ পাতনি মেলিছে। ঘৈণীয়েকে পেটৰ কামোৰ বুলি শোহ পাতি শুই আছে। কেতেকীক তাইৰ মোমায়েকৰ ঘৰলৈ পঠাই দিছে। বিৰহুৱে ভাবি গৈছিল যে কোনোমতে কেইটামান খাব পাৰিলেই তাৰ প্ৰাণত কিছু শান্তি আহিব।

"হেৰ কেতেকীৰ মাক! কেতেকীৰ মাক!! অ' কেতেকীৰ মাক!!! বোলোঁ শুনিছানে, ভাত দে, মোৰ বৰ ভোক লাগিছে"। বিৰহুৱে চোতালত থিয় হৈ কবলৈ ধৰিলে। কিন্তু হায়! বিধতাই আজি তাৰ কপালত সুখ লিখা নাই। চোতালত বিৰহুৰ মাত শুনিয়েই ঘৈণী-

য়েকে কেঁকাবলৈ ধৰিলে। কেঁকনি, গেথনি শুনি তাৰ মনত দুখ আৰু দুগুণে চৰিল। তাৰ মুৰত সৰগ ভাগি পৰা যেন পালে। মনৰ দুখত পিৰালিত মুৰে কপালে হাত দি বহি পৰিল। সি আকাশ পাতাল ভাবিবলৈ ধৰিলে। নিজৰ জীৱনৰ ওপৰত তাৰ ধিক্কাৰ আহিল। সি ভাবিলে বহুত ভাবিলে তাৰ অবস্থা, অতীত আৰু বৰ্ত্ত-মানৰ মাজেৰে। ভবিষ্যতলৈও সি কোনো আশা কৰিব নোৱাৰে। সেই দিনা আৰু তাৰ এমুঠি ভাত, এটুপি পানীও পেটত নপৰিল। সি কব নোৱাৰাকৈ দুধাৰি উপত চকুলো গাল দুখনৰ ওপৰেদি বাগৰি পৰিল। এয়েই হল তাৰ জীৱন।

— — — —

গল্প নহয়—সঁচা কথা

শ্ৰীমোহিনী কাকতী

সেইদিনা বুধবাৰ। ইংৰাজী ৮ এপ্ৰিল—১৯৫৩ চন। পঁচিশ চ'ত। বতৰটো ডাৱৰীয়া আছিল। তেতিয়া ছটামান বাজি গৈছিল। ডাৱৰৰ মাজে মাজে সূৰ্য্য দেৱতাই ৰঙমনে লুকা-ভাকু খেলিছিল। সৌন্দৰ্য্য বিলাসিনী প্ৰকৃতি দেৱীয়ে আনন্দত উতলা হৈ পৰিছিল। ডিব্ৰুগড় টাউন ষ্টেছনৰ নিচেই কাষতে ৰেলওৱে অফিচটো। কোবাদে একান্ত মনেৰে কাম কৰি থাকে। তাৰ ঘৰ বাইহাটা অঞ্চলত। গাঁওখনৰ নাম—বৰলেচা কোণা। বৰ্ত্তমান সি আৰু মই একেটা অফিচতে কাম কৰোঁ। আমি কাম কৰা ৰেলৱে অফিচ-টোত কেইবাজনো কামৰূপীয়া ডেকা লৰা আছোঁ। কোবাদ কিন্তু খোৰা। আমি উভয়ে ৰঙ্গিয়া হাই স্কুলত পঢ়িছিলোঁ। ১৯৪৯ চনত ৰেলৱে চাকৰিত সোমাওঁ। মই মোৰ টাইপ ৰাইটাৰটো এৰি থৈ কোবাদৰ ওচৰলৈ আহোঁ। সি কিবা এটা কৰি আছিল। তেনেতে তাৰ ফালে চাই সুধিলোঁ 'হেৰা আব্দুদ, চাহ খাবলৈ নোযোৱা নে কি?' 'চাহ-খাম।' এই বুলি কৈ সি মূৰ দুপিয়ালে। দুয়ো বাহিৰলৈ ওলাই আহিলোঁ। সুধিলোঁ—আজি বাৰু কেইটা মান কবিতা লিখিলা? সি গম্ভীৰভাৱে কলে—'এটাও নাই—,-'মানে?, মোৰ মুখৰ পৰা ওলাই আহে। 'সঁচা—বিশ্বাস কৰিবিচোন নহলে বহীটো চাই লব পাৰা।' দুয়ো গৈ থাকোঁ। 'বোলো অন্য দিনা ৪।৫ টা কবিতা লিখিব পাৰা আজিনো—।, বাক্যটো শেষ হবলৈ নৌ পাওঁতেই কলে—'চৌ নাহিলে জোৰকৈ কবিতা লিখা অসম্ভৱ—বুজিলি—, এইদৰে দুয়ো কথা-বতৰা পাতি আহি আছোঁ। সেইতেৰা কানি-কাপোৰ পিন্ধা ভিক্ষাৰী এটাই চালাম দি হাত খন আগবঢ়াই দিলে। মোৰ জেপত ১০৮৶০ অনা আছিল যদিও তাক নাই বুলিয়েই কলোঁ। কোবাদে ভিক্ষাৰী টোৰ শুকান মুখ খনিলৈ চাই পঠিয়ালে আৰু জেপৰ পৰা দুৱানি এটা উলিয়াই তাক দি দিলে। ভিক্ষাৰী টোৱে আনন্দত আত্মহাৰা হৈ আকৌ হাত খন ওপৰলৈ তুলি কলে—চালাম বাবু—চালাম। তাৰ পোহৰ হোৱা মুখ খনে যেন খন্তেকৰ কাৰণে হলেও কোবাদৰ মুখ খনো আলো-কিত কৰি তুলিছিল। অলপ পাচত দুয়ো ষ্টেছন পালোগৈ। মই কিমান লাজ পাইছিলোঁ। তাক কোৱাই নিষ্প্ৰয়োজন। চাহ খাই উভতি আহোঁতে তাক সুধিলোঁ—তোমাৰ হাতত আৰু কিমান পইচা আছে?, সি কলে—'নাই—, বুজিলোঁ তাৰ হাতত মাথোন চাৰি অনা পইচা আছিল। দু অনা দান—দু অনা চাহ।

CURZON HALL LIBRARY
GAUHATI—ASSAM

যুগৰ বতৰা

"সোমাৰ"

আমি কি কৰা উচিত ? আমাৰ কৰ্ত্তব্য কি ? ইয়াৰ উত্তৰত কবলৈ হলে, প্ৰথমতে আমি প্ৰত্যেকেই নিজৰ আৰু পৰিয়ালৰ ভৰণ পোষণৰ কাৰণে ধন আৰ্জ্জিব লাগিব । এই কাৰণে এইটোৱেই আমাৰ প্ৰথম কৰ্ত্তব্য । কাৰণ, প্ৰথমতে চাউল কঠা তাৰ পিচতহে হৰি কথা। কিন্তু ইয়াৰ লগে লগে আমাৰ এটা ডাঙৰ কৰ্ত্তব্য আছে ; সেইটো হৈছে পৰোপকাৰ । কবলৈ গ'লে এই প্ৰবৃত্তিয়েই মানুহক পশুৰপৰা বেলেগ কৰে । পশু সততেই নিজৰ খোৱাৰ চিন্তাত ব্যস্ত । কিন্তু মানুহ তেনে হোৱা উচিত নহয় । যি মানুহে পৰৰ কাৰণে ভাবিব নোৱাৰে তাক পশু বুলিব পাৰি । স্বাৰ্থ পৰ মানুহৰ নিচিনা ঘৃণনীয় কোনো নাই । যিজন মানুহ পৰৰ দুখত দুখী আৰু পৰৰ সুখত সুখী তেওঁ মহাপুৰুষ ।

আজি কালিৰ দিনত সংসাৰত খুব কম সংখ্যক মানুহেহে আনে জনা নজনালৈ ভ্ৰূক্ষেপ কৰি পৰোপকাৰ কৰে । কিন্তু খুব কম সংখ্যক হলেও সংসাৰত কিছুমান সাত্বিক স্বভাৱৰ মানুহ আছে— তেওঁলোকে নিষ্কাম ভাৱে পৰোপকাৰ কৰে । আনে জনা নজনালৈ অপেক্ষা নেৰাখে । নিজৰ দানৰ কথা নিজে প্ৰচাৰ নকৰে । জনসমাজৰ চকুৰ অগোচৰ হৈ থকা এনে বিধৰ অজ্ঞাতনামা পৰোপকাৰীসকলৰ ভিতৰত ঘৰৰ চুকে কোণে সোমাই থকা বহুতো অবলা তিৰুতা আছে । এওঁলোকে নিজৰ সুখ স্বাচ্ছন্দ্যলৈ অকণো লক্ষ্য নেৰাখি স্বামী পুত্ৰৰ কাৰণে জীৱন নিপাত কৰে । পৰোপকাৰ মানে নিজৰ আত্মীয় স্বজনক বাদ দিয়াটো নহয় । যাৰ নিজৰ লৰাছোৱালীলৈ মৰম আছে সি আনৰ লৰাছোৱালীকো মৰম কৰিব । যি আপোনজনৰ প্ৰতি কঠোৰ সি সমাজৰ আন মানুহৰ প্ৰতিও কঠোৰ হ'ব ।

আজি কালি হৈছে আত্মপ্ৰচাৰৰ যুগ । য'ত আনে জনা স্থল নেথাকে ত'ত মানুহে দান নকৰে । কিছুদিন আগতে আমি বাটৰ মগনীয়া এটা বুটলি নি বজাৰ আয়মেৰে ৰখা এমেৰিকান একজনৰ কথা বাতৰি-কাকতত পঢ়িছিলোঁ। তেখেতে কৈছিল "মই থকা হোটেল খনলৈ বহুত মানুহ খাবলৈ আহে । সেইঁলোকে খোৱাত তিনি টকা আঠ অনা বা চাৰিটকা খৰচ কৰাটো একো কথাৰ কথাই বুলি নধৰে । কিন্তু দুখীয়া মগনীয়া এটাক তেওঁলোকে এক অনা দিবলৈকো টান পায় ।' কথা.টা সঁচা । আমাৰ বহুতো সমৰ্থৱান মানুহে য'ত স্বাৰ্থসিদ্ধিৰ স্থল থাকে বা সমাজে তেওঁ-লোকক দানী বা পৰোপকাৰী মানুহ বুলি ভাবিব পাৰে তেনেকুৱা ক্ষেত্ৰত তেওঁলোকক বহুত টকা খৰচ কৰা দেখা যায় কিন্তু আনফালে তেওঁলোকে স্বতঃ প্ৰণোদিত হৈ অভাৱগ্ৰস্তক কেতিয়াও ধনিষ্ঠা-মানো সহায় নকৰে । সংসাৰত অভাৱগ্ৰস্ত মানুহৰ সংখ্যা অলেখ । এনে প্ৰত্যেকজন মানুহক সহায় কৰা কাৰো পক্ষে সম্ভৱপৰ নহয় । কিন্তু মানুহে সদায় পাৰেমানে আনক সহায় কৰিবলৈ তৎপৰ

হৈ থাকিব লাগে ; আৰু যি উদ্দেশ্যেয়েই হওক মানুহে এনেয়ে বহি থকাতকৈ বা পৰৰ অপকাৰ কৰাতকৈ আনৰ উপকাৰ কৰা ভাল। পৰৰ উপকাৰ কৰোতে কৰোতে ই এটা অভ্যাসত পৰিণত হয় আৰু লগতে মানুহজনৰো চিত্ত শুদ্ধি হৈ যায়। এই প্ৰসঙ্গত আমি গল্প এটা কওঁ।

এটা বৰ দুৰ্দান্ত প্ৰকৃতিৰ মানুহে দেখিলে যে জনসাধাৰণে সন্যাসীবিলাকক বৰ শ্ৰদ্ধা কৰে। শ শ মানুহে তেওঁলোকৰ ওচৰত মূৰ দোঁৱায়। তাকে দেখি দুৰ্দান্ত মানুহটোৰ লোকখ্যাতি অৰ্জনৰ প্ৰবৃত্তি জন্মিল। সিও লোটা কমণ্ডল লৈ, কৌপীন পিন্ধি আৰু গাত ছাই সানি বাটৰ কাষৰ গছ এজোপাৰ তলত বহিলে। বাটৰ মানুহে তাক দেখি ভক্তি ভাৱেৰে মূৰ দোঁৱাই সেৱা কৰি গুচি যায়। সি একো নেমাতে। কিজানিবা তাৰ 'পাণ্ডিত্য' ওলাই পৰে। সি কেতিয়াও কথা নকয় দেখি লাহে লাহে সি 'মৌনী বাবা' * বুলি জনাজাত হবলৈ ধৰিলে। বহুত দূৰৈৰ মানুহো গৈ তাৰ কাষত ভিৰ কৰিবলৈ ধৰিলে। মানুহটোৱে মনে মনে হাঁহে। কিন্তু কিছু দিনৰ পিচত দৰ্শন কৰিবলৈ অহা মানুহবিলাকৰ সৰল বিশ্বাস দেখি তাৰ কঠোৰ হিয়াও গ'লিবলৈ আৰম্ভ কৰিলে। সি মনতে এইদৰে আক্ষেপ কৰিলে "গোটেই জীৱনটো মই পাপ কাম কৰি কটালোঁ। কিন্তু মই এজন প্ৰকৃত সাধু হোৱা হ'লে জীৱনত কিমান শান্তি পালোঁহেতেন আৰু আনৰো কিমান উপকাৰ কৰিব পাৰিলোঁহেতেন।" তাৰ এটা ডাঙৰ পৰিবৰ্ত্তন হ'ল। সি ব্যক্তৱিকতে এজন প্ৰকৃত সাধু হৈ সকলোকে এৰি অৰণ্যলৈ ঈশ্বৰ উপাসনাত কাল কটাবলৈ গুচি গ'ল।

এই গল্পটোৰ উপমা দিয়াৰ অৰ্থ হৈছে যে যি উদ্দেশ্যেৰে নকৰক পৰোপকাৰে মানুহৰ চিত্ত শুদ্ধি আনে। বৰ্ত্তমান যুগৰ এটা শুভলক্ষণ হৈছে যে পৰোপকাৰ সম্বন্ধে মানুহ সমাজ সচেতন হ'বলৈ ধৰিছে। দেশত সমাজ হিতকৰ নানা অনুষ্ঠান হ'বলৈ ধৰিছে। এখন দেশত বিপদ হ'লে পৃথিৱীৰ সিমূৰৰ আন এখন দেশেও সহায় কৰে। মানুহে সকলো প্ৰকাৰ সমাজ হিতকৰ অনুষ্ঠানত যোগ দিয়া উচিত।

এশ্ৰেণী মানুহ আছে যিসকলে সদায় আনক পৰোপকাৰৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰে। তেওঁলোকৰ যুক্তি –"এজন মানুহক উপকাৰ কৰাৰ পৰা কি হ'ব ? এজন মানুহক মাটি দিয়াৰ পৰা কি হ'ব ? এজন মানুহক শুশ্ৰূষা কৰাৰ পৰা কি হ'ব ? ইয়াৰ দ্বাৰা জানো জগতৰ বা দেশৰ সমস্যাৰ ওৰ পৰিব ?'

কথাটো সঁচা। দেশৰ দুখ দাৰিদ্ৰ্য অভাৱ অনাটন গাইগুটীয়া ভাৱে গুচোৱা অসম্ভৱ। ইয়াৰ কাৰণে সামূহিক শক্তিৰ প্ৰয়োগ আৱশ্যক। কিন্তু এইবুলিয়ে মানুহে ব্যক্তিগত ভাৱে আনৰ উপকাৰ কৰিব নেলাগেনে ? কেতিয়াও নহয় ; আমি প্ৰত্যেকেই আমাৰ ক্ষুদ্ৰ শক্তিৰে সুবিধা পালেই পৰৰ উপকাৰ কৰা উচিত। পৃথিৱীৰ দুখৰ বোজা কমোৱাত কোনোৱে ধনিষ্টামানো সহায় কৰিলে

* 'মৌনী বাবা" নামে প্ৰকৃততে এজন অলৌকিক শক্তি-সম্পন্ন সাধক আছিল। আমি ইয়াত তেওঁৰ কথা কোৱা নাই।

তেওঁ শৃগাগৰ পাত্র। সংকামৰ বৰঙনিৰ কম বেচি নাই। কোনোৱে স্বতঃ প্রনোদিত হৈ এজন অভাৱ গ্রস্তক কোনেও নজনাকৈ এক অনা পয়চা দি সহায় কৰাটো বাতৰি কাকতত নাম কিনিবৰ কাৰণে হাজাৰ টকা দানৰ সমান। দেশৰ দুখ, দাৰিদ্র্য, অভাৱ, অনাটনৰ স্থায়ী সমাধান এটাৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিবই লাগিব। কিন্তু সেই বুলিয়ে ব্যক্তিগত ভাৱে পৰোপকাৰ কৰাৰ পৰা আমি বিৰত থকা উচিত নহয়।

আমি প্রত্যেকেই নিজকে নিজে প্রশ্ন কৰা উচিত—আজিৰ দিনটোত মই লোকৰ কি উপকাৰ কৰিছোঁ ?

আৰু এই পৰৰ উপকাৰ আমি কি উপায়েৰে কৰিব পাৰোঁ ? কেৱল যে টকা পয়চা দিয়েই পৰৰ উপকাৰ কৰিব পাৰি এনে নহয়। যাৰ যি আছে তাৰেই পৰৰ সেৱা কৰিব পাৰে। আপোনাৰ বিদ্যা থাকিলে আপুনি মানুহক অজ্ঞান আন্ধাৰৰ পৰা মুক্ত কাৰবহৈ চেষ্টা কৰিব অর্থ থাকিলে অর্থৰ দ্বাৰা আৰু শক্তি থাকিলে শক্তিৰ দ্বাৰা দুর্ব্বলক সবলৰ হাতৰ পৰা ৰক্ষা কৰিব, আৰু ক্ষমতা থাকিলে দুষ্টক দমন আৰু শান্তক পালন কৰিব। যদি আপোনাৰ এই সকলোবিলাকৰ একোটোৱেই নাই কেৱল এটা সুস্বাস্থ্যহে আছে তেন্তে কায়িক পৰিশ্রমৰদ্বাৰা পৰৰ উপকাৰ কৰিব। যদি আপুনি সংসাৰৰ সকলো বিভূতি ঐশ্বর্য্যৰ পৰা বঞ্চিত হোৱাৰ লগে লগে এটা সুস্বাস্থ্যৰ পৰাও বঞ্চিত তেন্তে আপুনি মনে প্রাণে সদায় ঈশ্বৰৰ ওচৰত প্রার্থনা কৰিব--সকলোৰে যেন শান্তি হওক।

যি সকলে কর্ম্মফল, পৰজন্ম আদি বিশ্বাস কৰে তেওঁলোকে বুজিব যে পৰৰ উপকাৰ কৰোতে কৰোতে মানুহৰ নিজৰ পাপৰ বোজাও লাঘৱ হয়। কিন্তু পৰৰ উপকাৰ কৰোঁতে মানুহে পাত্রাপাত্র বিচাৰ কৰা উচিত। অন্যায়কাৰীক প্রশ্রয় দিলে মানুহ নিজেও সেই অন্যায় কর্ম্মৰ অংশীদাৰ হয়।

দিনে নিশাই কেৱল এটা চিন্তাতে মগ্ন হৈ থকা উচিত। কেনেকৈ পৰৰ ধনিষ্টমানো, উপকাৰ সাধন কৰিব পাৰি ? আপুনি যদি পৃথিৱীত জন্ম গ্রহণ কৰি গোটেই জীৱন পৰৰ সেৱাতে কটাই দিব পাৰে তেন্তে আপোনাৰ জীৱন সার্থক।

———

ৰাজস্থানৰ বিয়াল্লিশ হেজাৰ পুলিচ কনিষ্টবলৰ শতকৰা নব্বৈজন নিৰক্ষৰ। ৬ মাহৰ ভিতৰত নির্দ্দিষ্ট পাঠ্যপুথিৰ শিক্ষালৈ সম্পূর্ণ কৰিব পাৰিলে তেওঁলোকৰ দৰমহা ৫ টকা বঢাই দিব বুলি চৰকাৰে প্রতিশ্রুতি দিছে। চৰকাৰে অহা দুবছৰৰ ভিতৰতে গোটেই পুলিচ বাহিনীক সাক্ষৰ কৰিবলৈ ঠিক কৰিছে। ৱর্দ্ধা ৰাষ্ট্রভাষা প্রচাৰ সমিতিয়ে এই কামত সকলো সাহায্যৰ প্রতিশ্রুতি দিছে।

শব্দ ব্যৱহাৰত আউল

শ্ৰীবেণুধৰ শৰ্ম্মা।

আমাৰ ভাষাত ব্যৱহাৰ হোৱা কিছুমান শব্দৰ আটৈ কুৰি বছৰৰ আগতে ৺সত্যনাথ বেজ বৰুৱা আৰু ৺পদ্মনাথ গোহাঞি বৰুৱাই ভাঙি থৈ গেছে। তথাপি নতুন যুগত আকৌ সেই আউলেই ন কৈ খেলি-মেলি লগোৱা দেখিবলৈ পোৱা গৈছে। এনে গোটাদিয়েক শব্দ আছে। যি কেইটা লেখি বলৈ হাতত কাপ তুলি ললেই মোৰ হেকৰাব লগাত পৰে। তাৰে দুটামানৰ অৰ্থ চমুকৈ ফঁহিয়াই দিয়া হল।"

১। লেখা, লিখা, লেখক,
লিখক, লিখাৰু, লেখাৰু,

এই আটাই কেইটা শব্দ মূল ধাতু লিখ্ শব্দৰপৰাই ওলাইছে। তথাপি সুকীয়া অৰ্থ বুজা বলৈ সুকীয়া ৰূপত শব্দ কেইটা লিখিলে ভাষাৰ সম্পদ হে বাঢে।

লিখ :—নকল কৰা। লেখ্ :—লিখা, গণনা কৰা, ভাবি-চিন্তি লিখোঁতা।

"যথা দৃষ্টং তথা লিখিতং

(১) লিখকে (নকল কাৰক) নাস্তি দূষণং"

(২) (ক) তামোল গাত লেখাঁ (লিখাঁ নহয়)

(খ) সৰ্গদেৱে বিৰিণা কটকীক সকলো কথা লেখি থবলৈ ক'লে। ৰবৰুৱাই কৈ গল, কটকীয়ে লিখি থলে।

(৩) আজি-কালি ভাল লিখক আছে; ভাল লেখক কিন্তু অতি বিৰল। লিখাৰু—নকলকাৰক। লেখাৰু— নিজেই লেখক।

২। দি বে
মাজেদি মাজেৰে

আমি বজাৰৰ "মাজে" যাওঁ, "মাজেৰে" নাযাওঁ। "পথাৰৰ "মাজে-মাজে আলি দিব লাগে" বুলিলে শুদ্ধ; 'মাজেৰে" বুলিলে অশুদ্ধ। 'নগৰৰ মাজে দি আলিটো গৈছে" শুদ্ধ; ইংৰাজী Through শব্দৰ অসমীয়া অশুদ্ধ। 'দি" পিনে ইত্যাদি। withৰ অসমীয়া "ৰে"। আমি হাতেৰে ভাত খাওঁ, মুখেদি পেটলৈ যায়"—হাতেদি ভাত খাওঁ, মুখেৰে পেটলৈ পঠাওঁ" লিখিলে জতুৱা হব নোৱাৰে।

৩। টো :—

জন্তু নাইবা, গোটা বা নভগা-নিছিগা বস্তু বুজাবৰ নিমিত্তে সংজ্ঞা শব্দৰ পাচত ব্যৱহাৰ কৰা অব্যয়। যেনে :—গৰুটো, চৰাইটো, মানুহটো, পাচিটো, খৰাহিটো, খালৈটো. মূঢাটো, ঘৰটো. খুটাটো, নাঙলটো, চোলাটো (চোলাখন নহয়) ইত্যাদি।

কোনো কোনো বস্তু নামৰ পাছত "খন" অব্যয়টো ভুলকৈ ব্যৱহাৰ কৰা দেখা যায়। যেনে :—বুলিব লাগে নাঙলটো, বোলা হয় নাঙলখন। নাঙলটো বুলিয়েই গাৱে-ভুঞে খেতিয়কবিলাকৰ মাজত কোৱা শুনা যায়। পুৰণি পুথি "খোৱা খুবুনী"ত পাৰ্ব্বতীয়ে শিৱক বলোভদ্ৰৰ পৰা "নাঙল টো" হে খুজি আনিবলৈ কৈছিল বুলি লিখা আছে। তাতো "খন" বুলি লিখা

নাই,। গোটা কাঠ এডোখৰ বা এডোখৰ বাঁহ ; তাকে চাঁচি-চুকৰ্কি মুখত ফাল এচটা লগাই লোৱা হয় আৰু হাতৰ মুঠিৰে ধৰা পোনে কুটি ধৰা হয়। সেয়ে নাঙ্গল। কুটিৰপৰা ফাললৈকে গোটেইটো বস্তু বাহ বা কাঠৰ গোটা বস্তু এটা। সেই কাৰণে ইয়াক নিৰ্দ্দিষ্টকৈ বুজাবলৈ হলে টো বা টা ব্যৱহাৰ কৰা উচিত। গতিকে নাঙ্গল টো হে ; খন নহয়। সেইদৰে সংখ্যা বুজাব খুজিলে, এটা নাঙ্গল, দুটা নাঙ্গল লিখিব লাগিব, এখন নাঙ্গল, দুখন নাঙ্গল নহয়।

হালবোৱা সঁজুলি গোটেইখিনি লগ লগাই হে হাল এখন বুলি কোৱা হয়, নাঙ্গলখন বুলি কোৱা নহয়। এই হালখন বুলিলে তাত নাঙ্গলটো, ফাল চটা, যুঁৱলিখন, ডিলামাৰি ডাল, জোঁট-জৰী, শলমাৰি, আউট জৰী, নাকনিশলা— এই আটাইবোৰ থাকে। এঘৰে এঘৰক হাল হে এখন খোজে, নাঙ্গল এখন নোখোজে। নাঙ্গল হল হালখনৰ এটা অংশ মাত্ৰ—হাল হল মাটি চহোৱা সম্পূৰ্ণ সঁজুলিটো—গৰুৰে সৈতে। গতিকে, হালবোৱা সঁজুলিৰ এটা বস্তু নাঙ্গলৰ পিছত টো আৰু আটাইবোৰ সঁজুলি লৈ মাটি চহোৱা যতনৰ পিছত "হালখন" লেখাই উচিত। ব্যৱহাৰিক বস্তুৰ প্ৰত্যেকৰে একোটা-একোটা সুকীয়া সুকীয়া অৰ্থ থকা শব্দ থাকিলে ভাষাটোক চহকী বুজায়।

৯। হাত-ধৰ

হাত-ধৰা শব্দটোৰ অৰ্থ হাতত ধৰা কৰি বহুতেই তলত দিয়া আচল অৰ্থ কেইটা ভুল বুলি ধৰে :—

হাত ধৰ :—

নিয়মীয়া হ ; খৰচ কৰাত নিয়মীয়াকৈ বা নিয়মিত ৰূপে চল। যেনেঃ—ষাঠী টকা দৰ্ম্মহাৰে চলাই টান। তথাপি, হাত-ধৰি চলিলে সেয়ে জোৰে।

হাত-ধৰ ঃ—

হাতত বিষ অনুভৱ কৰ। যেনেঃ— (১) গামোচাত ফুল বাছোঁতে ফুলতীৰো হাত-ধৰে। (২) বাখৰ পতা কাৰ্য্যই হাত-ধৰে।

১০। হেতেন ঃ— ভুএগ ঃ— জানো ঃ—

হেতেনৰ মূল শব্দ হল "হন্তে" ; হন্তেৰ পৰা "হেঁতে"। অনুনাসিক বৰ্ণ ন টো থকা বাবে হৰ ওপৰত চন্দ্ৰ বিন্দু নিদিলেও হয়। সেইৰূপে, ঙ ঞ, ণ, ন, ম — অনুনাসিক বৰ্ণ, তাৰ ওপৰত চন্দ্ৰ বিন্দু দি দুগুণে নাকা-সুৰীয়া কৰাৰ আৱশ্যক নাই। হেঁতেন, ভুঞঁা, জানোঁ লেখা ভুল।

১১। কওঁক, কওক

অনুজ্ঞা অৰ্থত 'ক' ক্ৰিয়াৰ ৰূপান্তৰ "কোৱা" হয়। সেই বুলি আপুনি কওক বোলোতে ওৰ ওপৰত চন্দ্ৰ বিন্দু দিব লাগে বুলি ব্যকৰণে নকয়।

১২। বছেৰেকীয়া বছৰেকীয়া

"বছৰ" বোলোতে ৰটো স্বৰান্ত বৰ্ণ নহয়। সেই কাৰণে, বাৎসৰিক বুজাবলৈ কথাৰ পাছত ছ টোৰ আগতো ে কাৰ ডাল বহে।

বছেৰেকীয়া :—

বছৰ একোটাৰ মূৰে-মূৰে হোৱা ; বাৰমাহ চলি তাৰ পিচত নাইকিয়া হোৱা ইত্যাদি।

বকৰানীৰ লবাছোৱালী কেইটি বছৰেকীয়া আগদৰ বুলিলে "বছেৰেকীয়া" শব্দটোৰ সুকীয়া ব্যবহাৰ টো বুজিব পাৰি।

১২। দুদিনীয়া ' দুদিনীয়াকৈ

একে লেথাৰিয়ে তুদিন হলেই "তুদিনীয়া" আৰু তুদিনে-তুদিনে এদিন হৈ চলি থাকিলে "তুদিনীয়াকৈ" বুজায়। "সদৌ পাৰিজাত কাননৰ তুদিনীয়া অধিবেশন আজিৰ পৰা আৰম্ভ হব।" এই বাক্যষাৰৰ, অধিবেশনটো একে লেথাৰিয়ে তুদিন বহিব, সেই কথা স্পষ্টভাৱে প্ৰকাশ হৈছে। কিন্তু, কোনো জনে যদি তাকে এনেকৈ লিখে, "সদৌ পাৰিজাত কানন আজিৰ পৰা তুদিনীয়াকৈ আৰম্ভ" তেন্তে তাৰ অৰ্থ এইটো হে হব যে 'পাৰিজাত কানন খন' তুদিন তুদিনকৈ চলিয়েই থাকিব কিমান দিনলৈ চলিব কব নোৱাৰি। এইদৰে সাধাৰণ শব্দ এটা ব্যৱহাৰ কৰি ব্যাকৰণৰ মূৰ খোৱাৰ লগে লগে, অকণ-অকণ লৰা ছোৱালীৰ মূৰতো ভ্ৰম সুমুৱাই দিয়া হয়।

১৩। সিদিনা সেইদিনা

সিদিনা = "সিদিনা" বুলিলে দিনটোৰ একো ঠিক নোহোৱা বুজায় — যেই-সেই এটা দিন হব পাৰে। কিন্তু,

"সিদিনা" বুলিলে এটা নিৰ্দ্দিষ্ট দিনক বুজায়।

সিদিনা—the other day

সেইদিনা—that day.

সেইদিনা আছিল দেওবাৰ" বুলি লেখাতকৈ, "সেইদিনা আছিল দেওবাৰ" লেখা শুদ্ধ- যদি তলৰ ঘটনাটোৱে নিৰ্দ্দিষ্টকৈ দিনটো দেখুৱাই দিয়ে। "সিদিনা" (অনিৰ্দ্দিষ্ট) মাথোন চিলঙত তেওঁক দেখি আহিছোঁ—মূৰ কামোৰণি এটাই নাই। আজি শুনিলোঁ বোলে মৰিলেই। সেই-দিনাই যদি তেওঁ মৰিব বুলি জানিলোঁহেতেন।"

১৪। লগ, লগ-পোৱা, লগ-ধৰা, লগ-কৰা, লগ-দিয়া, লগ-লোৱা, লগ-লগা, লগ-হ।

লগ :—সঙ্গ। Companion. যেনে :— লগ নোহোৱাকৈ হাবিলৈ যোৱা অনুচিত।

লগ ধৰ :—পাচত গৈ একত্ৰ হোৱা। যেনে :— ঘৰৰপৰা তেওঁ আগতে ওলাই গল, পাচত গৈ মই বাটত হে লগ ধৰিছোঁগৈ।

লগ পোৱা'—সাক্ষাত হোৱা to meet. বহুতে লগ পোৱাৰ সলনি লগ কৰা লেখে—এইটো ভুল।

লগ কৰা—এইটো অসমীয়া শব্দ নহয়। গোটে-পাতে বঙলাৰ নকল

লগ দিয়া :—তাক সমাজে লগ দিলে; এৰি থোৱা এজনক পুনৰ গ্ৰহণ কৰা অৰ্থত ব্যৱহৃত হয়।

লগ লগা :—গোট খুউৱা, একত্ৰ কৰ—to unite.

লগ হ :- সঙ্গী হ। যেনে—সমানে সমানৰ লগ হয়।

লগ লোৱা :—যেনে—খেল চাবলৈ তাক লগ লৈছে—লগ-ল = to keep Company with.

১৫। সকল, বোৰ, বিলাক, গাল, খিনি।

বহুবচন বুজোৱা অব্যয় শব্দ ব্যৱহাৰ কৰাত আমাৰ বৰ খেলিমেলি লাগে। অৱস্থা ভেদে সমাজৰ যেনেকৈ তল-ওপৰ আছে, বহুবচনত ব্যৱহৃত হোৱা অব্যয়বোৰতো তেনেকৈ তল ওপৰ আছে। শিক্ষকসকল আৰু ছাত্ৰসকল তুয়োটাতে 'সকল' ব্যৱহাৰ নকৰি মান্যাৰ্থে শিক্ষকৰ পাছত 'সকল' আৰু ছাত্ৰৰ পাছত 'বিলাক' লেখা হে উচিত।

'ধূলিবিলাক বতাহবিলাকে উৰুৱাই নিছে'—(যোৰহটীয়া ছাত্ৰই লেখিছে)—এই ফাঁকি কথাত বহু বচনৰ ভুল ব্যৱহাৰ হৈছে। শিক্ষক সকলে বহুবচন ব্যৱহাৰৰ নিয়মটো ছাত্ৰক খৰচি মাৰি নিশিকালে আগলৈকে আউল লাগিয়েই থাকিব।

লৈ কাৰণ

আজিকালি প্ৰয়োজন বা উদ্দেশ্য অৰ্থ বুজোৱা "নিমিত্তে", "হেতুকে," "গুণে," "বাবে" 'দেখি" আৰু "লৈ" ইত্যাদি অব্যয় শব্দ লোপ পাইছে বুলিব লাগে। এইবোৰৰ সলনি "কাৰণে" ব্যৱহাৰ কৰিলে অৱশ্যে ভুল নহয়।

কিন্তু, বঙলা কিতাপ পঢ়ি আমাৰ এনেকুৱা এটা অভ্যাস হৈ গৈছে যে কথায়—কথায় "কাৰণে বা কাৰণ" শব্দটো ব্যৱহাৰ নকৰিলে আমাৰ মনত আৰু হাতত সুত নেলাগে। যেনেঃ—

"আলহীলৈ চাহ এটোপা আনা" বুলি আমি কব নোৱাৰোঁ; কওঁ—আলহীৰ কাৰণে চাহ এটোপা আনা. সেইদৰে, "মোক কলমটো দিয়াচোন" —কিহৰ কাৰণে? চিঠি লিখিবৰ কাৰণে? তেনেই ভুল।

এনেকৈ "কাৰণে" টো যতে পায় ততে ব্যৱহাৰ কৰা দেখি কেতিয়াবা ভবা যায়—হয় আমাৰ কওঁতা বিলাকৰ মুখত 'লৈ'টো নুফুটে, নহয় বঙালী বিহু-মেটেকাই ছাটি আমাৰ ভাষাৰ কালিবাফেৰা গুচাই পেলাইছে।

খন চেপেটা পাতল বস্তু বুজোৱা অব্যয় সংজ্ঞা। গোটা বস্তুৰ যেনেকৈ টা বা টো চেপেটা বস্তু তেনেকৈ খন বা খিলা ব্যৱহাৰ কৰা হয়। যেনে—চুৰিয়াখন, কাপোৰখন, তুলাপাত বা কাগজ খিলা পাণ খিলা, (মেজখন-চকীখন) ইত্যাদি। তামোল পানৰ খনি সুকীয়া অৰ্থ বুজায় ইয়াত খন লগোৱা হয় যদিও কটা তামোল, চূণ-পাণ আটাইখিনিকে এখন বোলা হয়।

ডাল—গোটা আৰু দীঘল বস্তু বুজাবলৈ সংজ্ঞা বা বিশেষণ শব্দৰ পাচত দিয়া মাত। যেনে—ডাৰ ডাল, ডাঁৰি ডাল, লৰু বা এছাৰি ডাল, পেন্সিল ডাল, (সেই বুলি কলম ডাল নহয়, কলম বা কাপটো হব।) পাগুৰী ডাল, (পাগুৰী গছও বোলে) লেজুডাল ইত্যাদি।

ডাল (নিন্দাৰ্থত):—টো লগাব লগীয়া শব্দৰ লগত টোৰ সলনি ডাল সংজ্ঞাটো লগাই দিলে সেই শব্দৰ অৰ্থগত বস্তুটোক তুচ্ছ বা নিন্দা কৰা বুজায়। যেনে মানুহডালৰ গেলাগপটো নেদেখিছা। মহেশ্বৰে বৰ কথাডাল কৈছে, যেন বুজিব হে! ধনেশ্বৰে টকাডালকে বৰ দেখিলে! ইত্যাদি।

খিলা—খিলাৰ ব্যৱহাৰ খনৰ দৰেই। পাণ এখিলাহে এখন নহয়। পাত এখিলা বা এখনহে এটা নহয়। বহী বান্ধিবলৈ কাগজ এখিলা বা দুখিলা লাগে' বুলিলে শুদ্ধ হব; এটা বা দুটা কাগজ বুলি অশুদ্ধ হয়। কিয়নো এখিলা দুখিলা কাগজ গোটাই একেলগে বান্ধিলোৱা গোটেইখিনি কাগজৰ ঠাকটোক হে বহী এটা বা কিতাপ এটা বুলি 'টা' টো লগাই দিয়া হয়।

———

জয়া সাহিত্য মন্দিৰ

শিৱসাগৰ জিলাৰ অন্তৰ্গত বেতবাৰী মৌজাৰ চেঙেলিবাৰী এটি একেবাৰে পাচপৰা অঞ্চল। প্ৰায় ১১খন মান গাঁৱৰ সমষ্টিৰে এই অঞ্চলটিৰ শতকৰা ৯০জন লোক একেবাৰে নিৰক্ষৰ। চলাচলৰ অসুবিধা, খোৱা পানীৰ অভাৱ, উপযুক্ত শিক্ষানুষ্ঠান আদিৰ অভাৱত ই অৱনতিৰ চৰমসীমাত উপনীত। বছৰি দুৰ্ভিক্ষ, মাৰি-মৰক আদি এশ-এটা উপচক্ৰেই ইয়াক জুৰুলা কৰিবই লাগিছে। কবলৈ বেয়া লাগে, শতকৰা ৫০ ভাগ মানুহ উপযুক্ত চিকিৎসাৰ অভাৱত অকালতে মৰিব লাগিছে,—ইয়াৰ ভিতৰত ৪০ ভাগ প্ৰসূতি ৰোগত মৰা তিৰুতা। নিৰক্ষৰতাৰ সুযোগ লৈ এই অঞ্চলৰ ওপৰত কৰা চৰকাৰী কৰ্ম্মচাৰীৰ অত্যাচাৰো লেখত লবলগীয়া।

এই নিৰক্ষৰ জন-সাধাৰণক শিক্ষাৰ পোহৰ দিয়াৰ অভিপ্ৰায়েই ১৯৪৯ চনৰ দুৰ্গাপূজাত স্থানীয় কেইজনমান ছাত্ৰই নানা ঠাইত মুষ্টি-ভিক্ষা কৰি 'জয়া সাহিত্য মন্দিৰ" নাম দি এটি পুথিভঁৰাল প্ৰতিষ্ঠা কৰে। মন্দিৰটিৰ নামৰ বিশেষত্ব এই য ই এহাতে পুথিভঁৰালৰূপে নিৰক্ষৰতাৰ বীজ নাশিব আৰু আনহাতে জগতৰ আদৰ্শ অসম তীয়াৰী মহাসতী জয়মতীৰ স্মৃতিৰ পূজা কৰিব। য কি নহওক অতি অলপ কালৰ ভিতৰতে ই জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলো ৰাইজৰে দৃষ্টি আকৰ্ষণ কৰিলে। প্ৰায় তিনিশখন বাচকবনীয়া কিতাপ সংগৃহীত হয়। এই সংগ্ৰহ কাৰ্য্যত শিৱসাগৰ বেজবৰুৱা স্কুলৰ ১৯৫২ চনৰ মেট্ৰিক পৰীক্ষাৰ্থী সকলৰ সহায় লেখত লবলগীয়া। যাবতীয় সাজ সৰঞ্জামেৰে মন্দিৰটি পৰিপূৰ্ণ কৰি তোলা হয়।

জয়া সাহিত্য-মন্দিৰ নামত পুথিভঁৰাল হলেও কামত ই এটা চেঙেলিবাৰী অঞ্চলৰ সামাজিক উন্নতিমূলক কামৰ বহুমুখী-অনুষ্ঠান; নিজৰ অঞ্চলৰ সকলো ৰকমৰ উন্নতিৰ বিধান কৰা এই মন্দিৰৰ উদ্দেশ্যাৱলীৰ অন্তভূৰ্ক্ত। তলত উল্লেখ কৰা কাৰ্য্যৰ বিবৰণীয়ে ইয়াৰ সত্যতাৰ প্ৰমাণ দিব।

পুথিভঁৰাল হিচাবে জয়া সাহিত্য মন্দিৰত বৰ্ত্তমান চাৰিশখন বিভিন্ন ধৰণৰ পুথি আছে। এই পুথিবোৰ আকাৰ ভেদে এটি সামান্য নিৰ্দ্দিষ্ট মাচুল লৈ নিৰ্দ্দিষ্ট সময়ৰ বাবে পঢ়ুৱৈ সকলক দিয়া হয়। এটকাকৈ বৰঙনি দি সভ্য ভৰ্ত্তি হোৱা সকলে মন্দিৰৰ পঢ়া কোঠাতে ইচ্ছামতে পঢ়িব পাৰে। তেওঁলোকে কোনো মাচুল দিব নেলাগে। স্থানীয় ছাত্ৰ ছাত্ৰীসকলক মন্দিৰৰপৰা আৱশ্যকীয় পাঠ্য পুথিও নিৰ্দ্দিষ্ট কম হাৰত যোগান দিয়া হয়। এইদৰে সংগ্ৰহ হোৱা সকলো টকা পুথিভঁৰাল চলাওঁতাজনক পাৰিশ্ৰমিক হিচাবে দিয়া হয়। কোৱা বাহুল্য যে চেঙেলিবাৰী বজাৰৰ প্ৰাঙ্গনতে পুথিভঁৰালটি হোৱাৰ বাবে ইয়াৰ আয় যথেষ্ট হয়। 'মন্দিৰ'ৰ পৰা 'চানেকী' নামৰ এখনি হাতে লিখা আলোচনী প্ৰতি তিনিমাহৰ আঁতৰে আঁতৰে ওলায়। প্ৰত্যেক শনিবাৰে গধূলি স্থানীয়

ছাত্ৰসকলৰ মাজত এখনি তৰ্ক-সভা বহে। প্ৰতিযোগীৰ বাহিৰেও বহুতো দৰ্শকৰ উপস্থিতিয়ে সভাখন সাফল্যমণ্ডিত কৰি তোলে। তদুপৰি অহা যে মাহৰপৰা প্ৰত্যেক শুকুৰবাৰে দিনত এখনি ধৰ্ম্ম আলোচনী সভা বহুৱাবৰ সিদ্ধান্ত কৰা হৈছে।

জয়া সাহিত্য মন্দিৰে এখনি নৈশ বিদ্যালয়ো পৰিচালনা কৰিছে। ইয়াত বয়স্ক নিৰক্ষৰ সকলক শিক্ষা দিয়াৰ উপৰিও ইচ্ছা কৰা স্থানীয় ছাত্ৰ ছাত্ৰী সকলেও নিৰ্ধাৰিত মাছুল দি শিক্ষা লাভ কৰিছে। তিনিজন স্কুল এৰা ছাত্ৰক প্ৰায় ছবছৰৰ পাচত স্কুলত পঢ়িবৰ উপযোগী কৰি স্কুলত নাম লগাই দিয়া হৈছে। তদুপৰি মন্দিৰৰ সম্পাদকে নিজে নাম মাত্ৰ পাৰিশ্ৰমিক লৈয়েই স্থানীয় মধ্য ইংৰাজী স্কুল এখনিৰ প্ৰধান শিক্ষকৰ বাব লৈ মৰামুৰা অৱস্থাৰ পৰা টনকিয়াল কৰি তোলা হৈছে।

জয়া সাহিত্য মন্দিৰৰ লেখত লবলগীয়া আন এটা কাম হল স্থানীয় স্কুল কেই খনৰ কন্ কণ লৰা ছোৱালীহঁতক লৈ "সেৱাগ্ৰাম মইনামেল" গঠন কৰা। এই মেলৰ যোগেদি লৰা ছোৱালীহঁতৰ মানসিক শাৰীৰিক অৱস্থা বহুতো উন্নত কৰা হৈছে। স্কুল কেইখনৰ প্ৰথম হৈ প্ৰমোচন পোৱা ছাত্ৰ ছাত্ৰী সকলক পুৰস্কাৰ দিও জয়াসাহিত্য মন্দিৰে ছাত্ৰ ছাত্ৰীসকলক বিশেষ উৎসাহিত কৰিছে। লৰাছোৱালীক সকলো প্ৰকাৰ মাদক দ্ৰব্যৰ পৰা বিৰত কৰিব পৰাটো মন্দিৰৰ এটি গৌৰৱৰ কথা।

গান্ধী জয়ন্তী, জয়মতী উৎসৱ সৰস্বতী পূজা শঙ্কৰদেৱৰ তিথি, জন্মাষ্টমী আদি উৎসৱবিলাক সমাৰোহেৰে পালন কৰি জয়া সাহিত্য মন্দিৰে অশিক্ষিত সমাজক বিশেষ অনুপ্ৰেৰণা যোগাইছে। যোৱা ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ নিৰ্দ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকি শিৱসাগৰ কলেজৰ উপাধ্যক্ষ শ্ৰীপৰাগ ধৰ চলিহাদেৱে মন্দিৰৰ উদ্দেশ্যৰ শলাগ লয় আৰু এটি আৰ্থিক সাহায্যও আগবঢ়ায়। উল্লেখযোগ্য যে উপৰোক্ত প্ৰায় সকলো উৎসৱতে স্থানীয় মুছলমান সকলে সহায়-সহযোগ কৰি আহিছে।

জয়া সাহিত্য মন্দিৰে এতিয়ালৈকে জন-শিক্ষা বিভাগ নাইবা তেনে কোনো বিভাগৰপৰা কোনো-ৰকমৰ সহায় সমৰ্থন পোৱা নাই। তথাপি ই স্থানীয় ৰাইজৰ সহায়েৰে সকলো ক্ষেত্ৰতে আগুৱাই যাব ধৰিছে। জনশিক্ষা বিভাগে লগতে হাত উজান দি ইয়াৰ উন্নতিও সহযোগ কৰিব বুলি আশা কৰোঁ।*

জয়া সাহিত্য মন্দিৰ ১৯৫১ চনতে সদৌ অসম লাইব্ৰেৰী সংঘৰ অন্তৰ্ভুক্তি লাভ কৰে - ইয়াৰ অন্তৰ্ভুক্তি নম্বৰ ১৬৯৯।

সংবাদ প্ৰেৰক – শ্ৰীচন্দ্ৰকান্ত বৰপাত্ৰ গোঁহাই

---

* হাতত পুঁজি থাকিলে সামাজিক শিক্ষা বিভাগে পুথিভঁৰালবিলাকক বছৰে ২৫৲ টকাকৈ দি সহায় কৰে আৰু 'জন-শিক্ষা' আলোচনী খন আৰু এই বিভাগৰ দ্বাৰা প্ৰকাশিত পুথিবিলাক বিনামূল্যে দিয়ে। ইয়াৰ কাৰণে প্ৰথমতে স্থানীয় স্কুল সমূহৰ ডি-আই মহোদয়ৰ সংস্পৰ্শলৈ অহা আৱশ্যক। —সম্পাদক।

আমোদ-প্ৰমোদ

কেইটামান সকলোৱে কৰিব পৰা মেজিক।

(সংগ্ৰহ)

১। ফুলৰ ৰং পৰিৱৰ্ত্তন কৰা।

এটা ৰঙা জবাফুল লওক। অলপমান জুই জ্বলাই তাত বিছু গন্ধকৰ গুড় পেলাই দিয়ক। তেতিয়া জুইখিনিৰ পৰা বগা ৰঙৰ ধোঁৱা এটা ওলাই আহিব। ধোঁৱাত ৰঙা ৰঙৰ জবাফুলটো ধৰা মাত্ৰকে বগা হৈ পৰিব। এই বগা জবা-ফুলটো কিছুসময় বৰফৰ পানীৰ মাজত তিয়াই থলে আকৌ ৰঙা হৈ পৰিব।

২। কণীৰ নাচ।

এটা কণীৰ এফালে খুব সৰু এটা বিন্ধা কৰি তাৰ ভিতৰৰ গোটেইবিলাক ৰঙা আৰু বগ অংশ বাহিৰ কৰি লক। তাৰ পিচত সেই খালি কণী-টোৰ বিন্ধাইদি অলপ পাৰদ সুমাই দিয়ক আৰু সেই বিন্ধাটো চূণ নাইবা মৌ-সিটাৰে বন্ধ কৰি দিয়ক। সেই কণীটো অলপমান জুইৰ তাপত ধৰিলে আপোনা আপুনি নাচিবলৈ ধৰিব আৰু মানুহক অবাক কৰিব।

৩। ঘড়ীৰ খেলা।

দৰ্শক সকলৰ পৰা এটা ঘড়ী খুজি লওক। আপুনি সকলোকে কব যে ইচ্ছা কৰিলেই ঘড়ীটো বন্ধ কৰি দিব পাৰিব আৰু ইচ্ছা কৰিলেই আকৌ চলাই দিব পাৰিব। আপুনি "বন্ধ হ" বুলিলেই ঘড়ীটো বন্ধ হৈ যাব আৰু "চল" বুলিলেই ঘড়ীটো আকৌ চলিবলৈ আৰম্ভ কৰিব। সকলোৱে ঘটনাটোত একেবাৰে আচৰিত হৈ যাব। এতিয়া এই মেজিকটো কেনেকৈ কৰে শুনক।

আপুনি পিন্ধি থকা কোটটোৰ হাতৰ তলত এটুকুৰা শক্তিশালী চুম্বক বান্ধি থব। ঘড়ীটোৰ ওচৰলৈ হাতখন নি যোৱা মাত্ৰকে ঘড়ীটো বন্ধ হৈ যাব। হাতখন আঁতৰাই ঘড়ীটো অলপ জোকাৰি দিলেই আকৌ চলিবলৈ আৰম্ভ কৰিব।

৪। কণী বটলত সুমুৱা

এটা কণী ৩০।৪০ ঘণ্টা খুব ডাঠ ভিনিগাৰ বা এচেটিক এচিডত তিয়াই ৰাখক। এইদৰে ৰাখিলে কণীটো বৰ কোমল হৈ যাব। খেলাটো দেখুৱাবৰ কেইমিনিটমান আগলৈকে কণীটো যেন এইদৰে তিওৱা থাকে।

এতিয়া দৰ্শকসকলক কিছুমান ভাল কণী আনি পৰীক্ষা কৰিবলৈ দিয়ক। তেওঁলোকে কণীবিলাক পৰীক্ষা কৰি চাই কব যে সেইবিলাক বাস্তৱিকতেই আচল কণী। এতিয়া সেইবিলাকৰ ভিতৰত এটা কণী কায়দা কৰি তিয়াই থোৱা কণীটোৰ লগত সলাই পেলাওক। এই তিয়াই থোৱা কণীটো সহজে বটলৰ ভিতৰত সুমাই দিব পাৰিব।

কণীটো সুমোৱা হলে বটলৰ ভিতৰত অলপমান ঠাণ্ডা (বৰফৰ) পানী ভৰাই দিয়ক আৰু

লগে লগে কণীটো আগবদৰে টান হৈ পৰিব। মুখীয়া বটলৰ ভিতৰত হাঁহৰ কণী এটা কেনেকৈ সোমাল কথাটো ভাবি দৰ্শকসকল অবাক হৈ পৰিব।

৫। পানীৰ ৰং পৰিবৰ্ত্তন কৰা

কিছুমান ৰঙচুৱা আৰু বুঢ়া চানেকীয়া বন্ধা কৰিব পাত আধা ঘণ্টামান পানীত সিজাওক। পানী খিনি ঠাণ্ডা হলে ৰঙচুৱা ৰঙৰ হৈ পৰিব। এতিয়া তিনিটা আয়নাৰ গিলাচ লওক। প্ৰথম টোত একো বস্তু নেথাকে, দ্বিতীয়টোত কেই ফোটামান 'এমনিয়া', তৃতীয়টোত কেইফোটামান 'চাল্‌ফিউৰিক এচিড' থাকিব। ঔষধবিলাকৰ মাত্ৰা ইমান কমকৈ দিব যে বাহিৰৰপৰা কোনেও গিলাচ বিলাকত ঔষধ থকা বুলি নুবুজে।

প্ৰথম গিলাচটোত বন্ধা কৰিব পাত সিজোৱা ৰঙচুৱা পানী খিনি লওক। এই পানীখিনি দ্বিতীয় গিলাচটোত ঢলা মাত্ৰকে ইয়াৰ ৰঙ সেউজীয়া হৈ পৰিব আৰু তৃতীয়টোত ঢলা মাত্ৰকে সেউজীয়া পানী খিনি বৰ ৰঙা বৰণৰ হৈ পৰিব। সাৱধান হ'ব যাতে এই পানীবিলাক কোনেও নেখায়।

৬। আচৰিত বালি

কিছুমান নৈৰ পাৰৰ ভাল বালি আনি গৰম পানীৰে খুব ভালকৈ ধোৱক। সেই বালিখিনি ৰ'দত শুকাই এটা চাফা কেৰাহীত ঘিঁউৰে খুব ভালকৈ ভাজক! এনেকুৱা ঘিঁউৰে ভজা বালিত কেতিয়াও পানী নেলাগে অথচ আন মানুহে চকুৰে দেখি বালিখিনি ঘিঁউৰে ভজা বুলি ধৰিবও নোৱাৰিব।

এতিয়া এটা পাত্ৰৰ তলত ঘিঁউৰে ভজা বালি আৰু সাধাৰণ বালি ওচৰা-ওচৰিকৈ থওক। তাৰ পিচত পাত্ৰটোত পানী ঢালি দিয়ক এতিয়া প্ৰথমতে পানীৰ তলৰপৰা সাধাৰণ বালিখিনি তুলি আনিলে দেখা যাব যে বালিখিনি তিতা তাৰ পিচত ঘিঁউৰে ভজা বালিখিনি পানীৰ তলৰপৰা তুলি আনিলে সকলোৰে দেখিব যে বালিখিনি শুকান।

৭। কটি খোৱা হাঁহ

এটা পানীত ওপঙা হাঁহৰ পুতলা কিনি আনক। পুতলাটোৰ মুখখনতে এটা লোহাৰ আলপিন সুমুৱাই দিয়ক। এটা পাওকটিৰ ভিতৰত এডাল শক্তিশালী চুম্বক লুকুৱাই ৰাখক। হাঁহটো পানীত ওপঙাই দিয়ক। হাঁহটোৰ মুখৰ আগত কটিটো দাঙি ধৰিলে হাঁহটোৱে কটিটোৰ ফালে চোচা লব আৰু কটিটো যি পিনেই নিয়া যায় হাঁহটোৱে সেইপিনেই খেদি খেদি যাব। এই ঘটনাটো দেখি দৰ্শকসকল আচৰিত হব। —সম্পাদক—

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষকসকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলম লৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

(১)

যোৱা সংখ্যা 'জনশিক্ষা'ত আলোচনী খন নতুন বছৰৰ পৰা পৰিবৰ্দ্ধিত আকাৰত ওলাব বুলি ঘোষণা কৰা হৈছিল। কিন্তু নানা কাৰণত বৰ্ত্তমান সেই সঙ্কল্প স্থগিত ৰাখিব লগীয়া হ'ল। আমি এই প্ৰসঙ্গতে কওঁ যে আলোচনী খন ছপাওঁতে প্ৰতিটো সংখ্যাতে আঠ অনাতকৈ কিছু বেচি খৰচ পৰে। কিন্তু অসম চৰকাৰৰ শিক্ষা বিভাগে ৰাইজৰ মাজত সামাজিক শিক্ষা বিস্তাৰৰ অৰ্থে আলোচনী খন আধা মূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিছে। ৰাইজেও এই সুযোগৰ সুবিধা লৈ বাৰ্ছৰেকীয়া ধৰণি ডেৰ টকা পঠিয়াই কাকত খনৰ গ্ৰাহক হোৱা উচিত। অসম চৰকাৰৰ শিক্ষা বিভাগে জনশিক্ষাৰ গ্ৰাহকৰ সংখ্যা বেচি হোৱাটো বাঞ্ছা কৰে।

(২)

সাহিত্যৰ প্ৰচাৰৰ ওপৰতে ভবিষ্যত অসমৰ উন্নতি ভালে খিনি নিৰ্ভৰ কৰিছে। গতিকে যি সকলে দেশৰ উন্নতি বাঞ্ছা কৰে সেই সকলে এই সামান্য টকা খিনি পঠিয়াই কাকত খনৰ গ্ৰাহক হোৱা উচিত। কথাতে কয় "ৰাইজে নল জোকাৰিলে নৈ বয়" প্ৰত্যেকজন শিক্ষিত মানুহে যদি বছৰেকত এই সামান্য ধন খিনি খৰচ কৰি কাকত খনৰ গ্ৰাহক হয় তেন্তে ৰাইজ আৰু চৰকাৰৰ সহযোগত কাকত খনৰ আৰু উন্নতি হব বুলি আশা কৰিব পাৰি। নতুন ৰূপত যোৱা তিনি বছৰে আলোচনী খনে জন সাধাৰণৰ সেৱাত কিমান দূৰ কৃতকাৰ্য্য হৈছে তাৰ বিচাৰৰ ভাৰ ৰাইজৰ ওপৰতেই। এতিয়া আমি অসমৰ প্ৰত্যেকজন শিক্ষিত মানুহ, প্ৰত্যেকখন স্কুল আৰু পুথিভঁৰালক জনশিক্ষাৰ গ্ৰাহক হ'বলৈ টানি অনুৰোধ কৰিলোঁ।

(৩)

এটা বিশেষ ঘোষণা আছে। যোৱা মে মাহৰ পৰা বুকপোষ্টৰ নিম্নতম মাচুল এক অনা কৰা হৈছে জনশিক্ষালৈ প্ৰবন্ধ পঠিয়াওঁতা সকলে যেন এইটো কথা মনত ৰাখে। বৰ্ত্তমানে ধাৰ্য্য কৰা এক অনাৰ সলনি যদি তেওঁলোকে তিনি পয়চাৰ টিকট লগাই প্ৰবন্ধ পঠিয়ায় তেনেহলে বিয়াৰিং হৈ আহিব গতিকে প্ৰবন্ধ পঠিয়ালে সদায় এক অনাৰ টিকট লগাইহে পঠিয়াব। ওজন বেচি হ'লে সেই অনুসাৰে বেচি মুল্যৰ টিকট দিব লাগে।

(৪)

প্ৰবন্ধ পঠিয়াওতা সকলে আৰু এটা কথা যেন বিশেষকৈ মনত ৰাখে। প্ৰবন্ধ বুকপোষ্ট কৰি পঠিয়ালে তাৰ ভিতৰত চিঠি দিয়া নিয়ম নহয়। তেনে কৰিলে বিয়াৰিং হয়। কিবা লেখিব লগীয়া থাকিলে বেলেগে লেখি পঠিয়াব। বহুত প্ৰবন্ধ আমালৈ বিয়াৰিং হৈ আহে। সেইবিলাক ঘুৰাই পঠিয়ালে প্ৰবন্ধ পঠিয়াওঁতা সকলে বিয়াৰিং চাৰ্জ ভৰিব লাগে।

[৫]

গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত যিসকলে প্ৰবন্ধাদি পাঠ কৰে সেই সকলে প্ৰবন্ধৰ নকল আমালৈ পঠিয়াব পাৰে। উপযুক্ত হ'লে আমি 'জনশিক্ষা'ত প্ৰকাশ কৰিম। এই বিষয়ে অনাতাঁৰ কেন্দ্ৰৰ কৰ্ত্তৃপক্ষৰপৰা আমাৰ অনুমতি লোৱা আছে। প্ৰবন্ধ কোন দিনা কোন সময়ত পাঠ কৰা হৈছিল সেইবিষয়ে উল্লেখ থাকিব লাগে।

অসম সামাজিক-শিক্ষাবিভাগৰ মুখপত্ৰ।

জনশিক্ষা



১৪শ বছৰ ১৮৭৫ শক আহাৰ শাওণ ইং ১৯৫৩ ২য় সংখ্যা

ভগৱানক উপলব্ধি কৰাই মানৱৰ চৰম উদ্দেশ্য আৰু মানৱৰ সামাজিক, ৰাজনৈতিক আৰু ধৰ্ম্ম সম্বন্ধীয় আদি কৰি সকলো প্ৰকাৰ উদ্যোগেই এই উদ্দেশ্যৰ অভিমুখী কৰি পৰিচালিত কৰা উচিত। বৰ্ত্তমানত মানৱ মাত্ৰৰেই সেৱা এই প্ৰচেষ্টাৰ এটা বৰণীয় অংশ, কাৰণ ভগৱানৰ সৃষ্টিৰ মাজতেহে আৰু ইয়াৰ লগত এক হৈহে তেওঁক দেখা পোৱাৰ একমাত্ৰ উপায় আৰু সকলোৰে সেৱাৰ দ্বাৰাহে এইটো কৰিব পাৰি।

—মহাত্মা গান্ধী।

সম্পাদক—শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা।

পোৱাৰ ঠাই—
সামাজিক শিক্ষা অফিচ, গুৱাহাটী।

"অন্ধকাৰৰপৰা পোহৰলৈ নিয়া
অজ্ঞানৰপৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰপৰা নি অমৰত্ব দান কৰা"
— উপনিষৎ।

সুচী-পত্ৰ ঃ

১। বিত্তমন্ত্ৰী শ্ৰীমতিৰাম বৰা ডাঙৰীয়াৰ বাণী।
২। জাপানী পদ্ধতিৰে ধান খেতি · মুখ্যমন্ত্ৰীৰ তাষাৰপৰা এছোৱা।
৩। শ্ৰীলক্ষ্মণগোপালৰ অভিজ্ঞতা ··· শ্ৰীচাৰুচন্দ্ৰ গোস্বামী বি-এ, ডিপ আৰ এচ।
৪। জন-শিক্ষাৰ প্ৰয়োজনত অসম ·· শ্ৰীচন্দ্ৰকান্ত বৰপাত্ৰ গোঁহাই।
৫। কাৰ্কি পৰিকল্পনা ··· ·· শ্ৰীভোগেশ্বৰ বৰা।
৬। শক্তি আশ্ৰম ··· · শ্ৰীৰমিনীকুমাৰ বৰুৱা।
৭। ভাৰতৰ সৈতে চীনৰ অতীত সম্বন্ধ · শ্ৰীৰমণীকান্ত ডেকা।
৮। স্ত্ৰী শিক্ষা ··· ··· ··· শ্ৰীমতী দমিলালতা বড়া।
৯। কম খৰচতে তৃপ্তিকৰ আঞ্জা ··· শ্ৰীদেৱযানী দেৱী।
১০। যাদু-মন্ত্ৰ ··· ··· ·· শ্ৰীপ্ৰিয়নাথ পূজাৰী।
১১। জাগীচকীত ঢুৱাত্তি ··· ··· শ্ৰীভবেশচন্দ্ৰ শৰ্ম্মা।
১২। ফকৰা যোজনা ··· ·· চৈয়দ কুতুবুদ্দিন আহমদ।
১৩। স্বাধীনতা পোৱাৰ পিচত আমাৰ মনোবৃত্তি কেনে হোৱা উচিত?
১৪। স্বাধীনতা দিনৰ সঙ্কল্প ·· ··· শ্ৰীহৰিভক্ত ছেত্ৰী।
১৫। সমদল সঙ্গীত ·· ·· শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত।
১৬। পানী-মেটেকাৰ সাৰ ··· ··· শ্ৰীপদ্মকান্ত হাজৰিকা।
১৭। সিওতো মানুহ ··· ··· শ্ৰীসিদ্ধেশ্বৰ বড়া।
১৮। লুকুৱাই থোৱা ধন ··· ·· শ্ৰীকুসুম কুমাৰী গোস্বামী।
১৯। অসমীয়া বিয়াৰ জোৰানাম ·· ··· শ্ৰীসৰ্বেশ্বৰ ভালভাবা ফুকন।
২০। নিৰক্ষৰতা দূৰীকৰণত বোম্বাইৰ সামাজিক শিক্ষা কমিটীৰ প্ৰচেষ্টা।
২১। ৰামণ মহৰ্ষি।
২২। খেতিয়ক ভাইসকললৈ · মঃ ছৈয়দোৰ ৰহমান।
২৩। গেলিলিও আৰু আৰ্কিমিডিচ ·· লক্ষেশ্বৰী ডেকা।
২৪। পোৱা পুথিৰ পৰিচয়।
২৫। আমাৰ আলোচনা।

— — — —

[অসমৰ জনজাতীয় লোকসকলৰ মাজত প্ৰধান মন্ত্ৰী শ্ৰীজৱাহৰলাল নেহৰু ।]

[এখন সম্বৰ্দ্ধনা সভাত ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদ

CURZON HALL LIBRARY
GAUHATI, ASSAM.

[শিক্ষামন্ত্ৰী শ্ৰীঅমিয়কুমাৰ দাস ।]

"এখন ৰাষ্ট্ৰৰ বাবে প্ৰাকৃতিক সম্পদ কিম্বা জনবলেই যথেষ্ট নহয়। উন্নত ৰাষ্ট্ৰ গঠনৰ বাবে সাহ, কৰ্ত্তব্যৰ সন্মুখীন হোৱাত বিশ্বাস আৰু আগবঢ়াৰ অনুভূতিৰ আৱশ্যক।"

আৰু প্ৰদেশ পঞ্চায়তৰ প্ৰতিনিধিৰে দেশ পঞ্চায়ত গঠন কৰিব লাগে। তেতিয়াহে প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা প্ৰবৰ্ত্তিত হব পাৰে।

বিশ্বপিতা, মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শত অনুধাবিত ভাৰত, তথা কংগ্ৰেছ চৰকাৰেও এনে স্বাধীনতাহে কামনা কৰে—কিন্তু কি হ'ব, শতকৰা নব্বৈজন অশিক্ষিত থকা সমাজ এখন লৈ পঞ্চায়তেই বা গঠন কৰে কেনেকৈ? বহুতো ঠাইত পঞ্চায়ত পাতিছে; পঞ্চায়তৰ জ্ঞান লাভ কৰিবৰ বাবে সমবায় সমিতিবোৰ স্থাপন কৰিছে—কিন্তু অশিক্ষিত সমাজৰ দোষত সকলো উদ্দেশ্য মূলতে ধ্বংস হৈ গৈছে। আনহাতে এই অশিক্ষিত সমাজৰ অজ্ঞতাৰ সুযোগ লৈ এদল স্বাৰ্থান্ধ শিক্ষিতেও নিতান্ত নিৰ্ব্বোধৰ দৰে ঠগ প্ৰবঞ্চনাত প্ৰবৃত্ত হৈছে—সমাজক সমজুৱা কামৰ প্ৰতি বিতৃষ্ণ কৰি তুলিছে। এনেকৈয়ে শিক্ষাৰ অভাবে প্ৰকৃত গণতন্ত্ৰ—মহাত্মাৰ কল্পিত 'ৰামৰাজ্য' প্ৰতিষ্ঠা কৰাত অন্তৰায় হৈ পৰিছে।

আনহাতে কেৱল স্কুলত পঢ়িলেই যে মানুহ প্ৰকৃত শিক্ষিত হব পাৰে, সেইটোও নহয়; আধাডুখৰীয়া স্কুলীয়া শিক্ষাই বহুতকে অনিষ্ট কৰাহে দেখা যায়. অথচ পূৰ্ণ শিক্ষা লাভ কৰাৰ সামৰ্থ্যও আমাৰ বহুতৰে ভাগ্যত নঘটে। গতিকে কেৱল স্কুলৰ শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰি থাকিলে নহব,—প্ৰকৃত সমাজ গঢ়িবলৈ হলে ঘৰুৱা সজ শিক্ষাৰ একান্ত প্ৰয়োজন। ঘৰুৱা শিক্ষাৰে লৰা ছোৱালীৰ স্বাস্থ্য আৰু চৰিত্ৰ গঢ়ি দিলে উন্নতি অনিবাৰ্য্য। এই ঘৰুৱা শিক্ষাৰ প্ৰধান শিক্ষক হল তিৰোতা; সেই কাৰণে সুস্থ-সবল সমাজ এখন গঢ়ি, দেশৰ উন্নতি সাধিবলৈ হলে, প্ৰত্যেক তিৰোতাই শিক্ষিত হোৱা দৰকাৰ। আজি সেই বাবেই উন্নত দেশবোৰে স্ত্ৰীশিক্ষাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে।

মুঠতে, যেতিয়ালৈকে এখন দেশৰ প্ৰত্যেক মুনিহ তিৰোতাই শিক্ষিত হৈ নুঠে—সেই দেশত প্ৰকৃত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰবৰ্ত্তন কৰা সম্ভৱ নহয়। আমাৰ অসমত বিশেষকৈ গাঁও-বোৰত শতকৰা ৮০ জন পুৰুষ আৰু শতকৰা ৯৯ গৰাকী তিৰোতাই সামান্য লিখা পঢ়াও নাজানে। এনে অৱস্থাত গান্ধীজিৰ কল্পিত পঞ্চায়ত ৰাজ অৰ্থাৎ ৰামৰাজ এতিয়াই বিচৰাটো ভুল। গতিকে আমি যদি গান্ধীজিক বিশ্বাস কৰোঁ, তেখেতৰ সাধনাৰ ধন ৰামৰাজ্যৰ সুখ বাঞ্ছা কৰোঁ, তেন্তে আমি সকলোৱে ভেদাভেদ পাহৰি, ক্ষুদ্ৰ স্বাৰ্থ হিংসা দ্বেষ দূৰ কৰি, একতাৰ বান্ধোনেৰে বান্ধ খাই, উন্নতিৰ অপৰিহাৰ্য্য আহিলা শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত হব লাগিব—দেশৰ বিভিন্ন ধৰণৰ শিক্ষা অনুষ্ঠানবোৰ গঢ়ি তুলিব লাগিব—তেতিয়াহে অতীতৰ সোণৰ অসম পৰাধীনতাৰ আৱৰণত ধৰা মামৰৰ পৰা মুকলি হৈ উজ্জ্বলতৰ হৈ উঠিব।

———

কাকি পৰিকল্পনা

শ্ৰীভোগেশ্বৰ বৰা

যোৱা কেন্দ্ৰৱাৰী মাহৰ তিনি তাৰিখে অসমৰ মুখ্য মন্ত্ৰী শ্ৰীযুত মেধি ডাঙৰীয়াই কাকি পৰিকল্পনাৰ আবাদীকৰণৰ দুৱাৰ মুকলি কৰে। এই উদ্বোধনী উৎসৱত খাদ্য মন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী প্ৰমুখ্যে চৰকাৰী বেচৰকাৰী লোক সকলেও

প্ৰচাৰ মন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী

যোগ দি পৰিকল্পনাৰ কৃতকাৰ্য্যতা কামনা কৰিছিল। উৎসৱত যোগ দিব নোৱাৰি অসমৰ ৰাজ্যপাল আৰু কেন্দ্ৰীয় চৰকাৰৰ কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে একোটি বাণী পঠাই পৰিকল্পনাৰ সফলতা কামনা কৰিছিল। তলত উক্ত পৰিকল্পনা সম্পৰ্কে এটি চমু বিবৰণ দিয়া হ'ল।

অসমৰ বানপানী পীড়িত অঞ্চলৰ বাইজ আৰু স্থানীয় ভূমিহীন লোকক দিবৰ কাৰণে নগাঁও জিলাৰ লঙ্কা মৌজাত থকা বন বিভাগৰ কাকি বিজাৰ্ভৰ পৰা ৪০,০০ হেজাৰ বিঘা মাটি ১৯৪৯।৫০ চনত চৰকাৰে দি বিজাৰ্ভড্ কৰি লৈছিল। ইয়ালৈ নগাঁও নগৰৰ পৰা ৪০ মাইল আৰু ই নগাঁও লঙ্কা আলিৰ পূব প্ৰান্তত অৱস্থিত। কেইবা শ মান বছৰৰ পূৰ্ব্বেও ইয়াত জন বসতি আছিল বুলি ঠাৱৰ কৰা হৈছে কাৰণ এতিয়াও ইয়াত সিঁচৰতি ভাৱে থকা বহু পুখুৰী পোৱা হৈছে। বৰ্ত্তমান ই ভাঠ হাবি আৰু খেৰনিৰে ভৰি পৰিছে আৰু ইয়াত মাজে মাজে টিলাৰ সৃষ্টি হৈছে। কাকিৰ মাটি সাধাৰণতে বাম আলতীয়া আৰু বৰষুণৰ পানী অপ্ৰচুৰ। ইয়াৰ জল বায়ুও সিমান সুবিধাজনক নহয়। খিং খিং, খেইচু, আৰু ভিমৌ নামৰ তিনিটি পানীৰ সুঁতি কাকিৰ মাজেদি বৈ গৈছে।

১৯৪৯।৫০ চনত বন বিভাগৰ হাতৰ পৰা মাটি লৈয়ে চৰকাৰে জিলাৰ নানা ঠাইৰ ১৮০০শ পৰিয়ালক বিঘাই প্ৰতি ২ টকা প্ৰিমিয়াম হাৰে প্ৰত্যেক পৰিয়ালক ২০ বিঘাকৈ মাটি পটন দিছিল। কিন্তু নানা অসুবিধাত মাটিৰ আবাদীকৰণ কাম আশানুৰূপ ভাৱে আগ বাঢ়িব নোৱাৰাত বৰ্ত্তমান চৰকাৰে যন্ত্ৰৰ সহায়েৰে আবাদ কৰি দিবলৈ হাতত লৈছে আৰু এই কামত এতিয়ালৈকে বহুদূৰ আগ বাঢ়িছে। আৰু এই কাৰ্য্য সম্পাদনৰ বাবে চৰকাৰে নব পৰা সকলো বিলাক ব্যৱস্থাকেই হাতত লৈছে।

চৰকাৰৰ বৰ্ত্তমানৰ পৰিকল্পনা মতে প্ৰত্যেক পৰিয়ালকে ২৪ বিঘাকৈ মাটি দিব আৰু তাৰ ভিতৰৰ ৪ বিঘা মাটিত বাৰী পাতিব লাগিব। ৭৫টা পৰিয়ালৰে একোখন গাওঁ স্থাপন হব; আৰু এইদৰে ১৫০০শ পৰিয়ালৰ ২০ খন গাঁও প্ৰতিস্থাপিত হব। মাটিৰ আবাদ চৰকাৰে কৰি দিয়াৰ বাবদ প্ৰতি বিঘাই ২৫৲ টকাকৈ আৰু মানুহৰ লাগতিয়াল প্ৰাথমিক সুবিধা- যেনে শিক্ষা, চিকিৎসা আদি, পুখুৰী আদি কৰি দিয়াৰ বাবদ উন্নয়ন চাৰ্জ্জ প্ৰতি বিঘাই ৫৲ টকা মুঠ ত্ৰিশ টকাকৈ প্ৰতি পৰিয়ালে কিস্তি হিচাবে দিয়াৰ ব্যৱস্থা দিছে। প্ৰত্যেক মাটি পাওঁতা গৃহস্থই যাতে আদৰ্শ মূলক ভাৱে ঘৰ দুৱাৰ সাজি লয় তাৰ বাবেও চৰকাৰে দৃষ্টি ৰাখিব। প্ৰত্যেক গৃহস্থই ৰাজহুৱা অনুষ্ঠান যেনে ধৰ্ম্ম মূলক ঘৰ, স্কুল ঘৰ, আদি পদূলি আদিৰ নিৰ্ম্মাণ কাৰ্য্য কৰিব লাগিব আৰু ৰাজহুৱা ভাৱে গাঁৱে প্ৰতি একোটা ভাল ষাঁড় গৰু প্ৰতি পালন কৰিব। বহুমুখী সমবায় স্থাপন, কুটিৰ শিল্প প্ৰচলন আৰু সম্প্ৰসাৰণ এড়ি, মুগা, পাঠ পলু পোঁহা আদিৰ বিষয়েও চৰকাৰে মনোযোগ দিব। গাঁৱৰ ৰাজহুৱা অনুষ্ঠান বিলাক পৰিচালনা কৰিবলৈ বাইজে গাঁৱে প্ৰতি একোটা ৰাজহুৱা ভৰাঁল স্থাপন কৰিব। চৰকাৰে বাইজৰ প্ৰাথমিক অৱস্থাত সহায়ৰ বাবে কম সুদত আৰু দীৰ্ঘ মিয়াদত টকা ধাৰে দিয়াৰ ব্যৱস্থা কৰিবলৈকো আগ বাঢ়িছে বুলি জনা গৈছে।

ইয়াৰ উপৰিও বাইজৰ সামূহিক সুবিধাৰ বাবে ৰাজহুৱা উদ্যান; মৰিশালি, আৰু খৰি খেৰ আদিৰ কাৰণেও ৪০০০ বিঘা মাটি আচুতীয়াকৈ ৰাখিছে।

মাটি পট্টন দিয়া আৰু কাৰ্কি পৰিকল্পনাৰ মহৎ উদ্দেশ্য সমূহক বাস্তব ৰূপ দিয়াত সহায় কৰিবলৈ চৰকাৰে চৰকাৰী আৰু বেচৰকাৰী মুঠ ১৪জন সদস্য লৈ এখনি উপদেষ্টা সমিতি গঠন কৰি দিছে। নগাওঁ জিলাৰ উপায়ুক্তয়েই এই কমিটিৰ সভাপতি আৰু কাৰ্কিত থকা কৃষিবিভাগৰ সহকাৰী ইঞ্জিনিয়াৰ ডাঙৰীয়া ইয়াৰ সম্পাদক।

অসম চৰকাৰে কাৰ্কি পৰিকল্পনাৰ কাম বিজ্ঞান সম্মত সুদৃঢ় অৰ্থনৈতিক আৰু সমাজ ব্যৱস্থাৰ ভিত্তিত হাতত লৈছে। মাটি পাওঁতা সকলে ইয়াৰ মহৎ উদ্দেশ্য উপলব্ধি কৰি আন্তৰিক ভাৱে সহযোগ কৰি আৰু আমাৰ ছোৱালী ছোৱালি হৈ থকা সমাজ খন পূৰ্ণ গঠন কৰা কাৰ্য্যৰ পথ প্ৰদৰ্শন কৰিব বুলি আমি আশা কৰিলোঁ।

শক্তি আশ্ৰম

শ্ৰীযামিনীকুমাৰ বৰুৱা

শিক্ষা সম্পৰ্কে গান্ধীজিৰ অভিমত আছিল, শিক্ষালয়বোৰ এনে ধৰণৰ হব লাগিব য'ত শিক্ষাৰ্থীসকলে নিজৰ খৰচ নিজে উলিয়াই অধ্যয়ন কৰাৰ বন্দবস্ত থাকিব। মুঠ কথা, শিক্ষাৰ্থী আৰু শিক্ষালয় দুয়ো আত্মনিৰ্ভৰশীল হব লাগিব। গান্ধীজিৰ সেই পৰিকল্পনাক ৰূপ দিবলৈ আজিৰ জাতীয় চৰকাৰে বুনিয়াদী শিক্ষা কেন্দ্ৰবিলাক পাতিছে। কিন্তু এতিয়াও সম্পূৰ্ণৰূপে সাফল্য লাভ কৰিব পৰা নাই। কিন্তু অসমত এনে এটি বেচৰকাৰী প্ৰতিষ্ঠান আছে যি গান্ধীজিৰ সেই পৰিকল্পনাক আংশিক ৰূপ দিব পাৰিছে। সেই প্ৰতিষ্ঠান হ'ল শক্তি আশ্ৰম। ইয়াৰ প্ৰতিষ্ঠাতা হ'ল স্বামী যোগানন্দ গিৰি। এওঁৱেই শক্তি আশ্ৰমৰ প্ৰাণ।

শক্তি আশ্ৰমত বৰ্ত্তমানে 'ক' মানৰ পৰা দশম শ্ৰেণী (মেট্ৰিক) লৈকে আছে। লগতে সূতা কটা; কাপোৰ বোৱা, মিস্ত্ৰিৰ কাম দৰ্জ্জিৰ কাম, মৌ-পোহা আৰু কৃষি কাম আছে। ইয়াত ওচৰৰ গাঁওবোৰৰ পৰাও লৰা-ছোৱালী বিলাকে পঢ়িবলৈ আহে আৰু আশ্ৰমতে কিছুমান লৰা থাকি পঢ়ে। বৰ্ত্তমানে আশ্ৰমবাসী শিক্ষাৰ্থীৰ সংখ্যা ৪৩ জন। তেওঁলোকৰ খোৱা খৰচ, পিন্ধা-উৰা কাপোৰ কানি, লিখা-পঢ়াৰ কাকত-কিতাপ, কেৰাচিন তেল, কাপোৰ ধোৱা চাবোন বা ছোডা আদি যাবতীয় খৰচ আশ্ৰমৰপৰা দিয়া হয়। কিন্তু এইবোৰ লৰা দুখীয়া বুলি যে আশ্ৰমৰ পৰা তেওঁলোকক সাহায্য কৰা হয় তেনে নহয়। এই লৰাবোৰে নিজৰ ভৰণ পোষণ আৰু শিক্ষাৰ খৰচ নিজে পৰিশ্ৰম কৰি উলিয়াব লাগে।

স্কুলত থকা সময়ৰ বাহিৰে তেওঁলোকে কাপোৰ বোৱা, মিস্ত্ৰিৰ কাম নাইবা ওপৰত উল্লেখ কৰা যি কোনো এটা কাম কৰিব লাগে। হাল বোৱাৰ বাহিৰে আন আন খেতিৰ কামবোৰ যেনে, কঠীয়া তোলা, ৰোৱা ৰোৱা, ধান কটা, মৰণা মৰা বা মৰাপাট ধোৱা আদি কামবোৰ কৰিব লাগে। হালবোৱাৰ কাৰণে বেলেগ কৰ্ম্মী ৰখা হয়। ধান খেতিৰ উপযোগী প্ৰায় ৫০ বিঘামান মাটি আছে। এইবোৰ মাটিত আহু আৰু শালি দুয়োবিধ খেতিয়েই কৰা হয়। ইয়াৰ বাহিৰেও, নিত্য প্ৰয়োজনীয় শাক পাচলিৰ খেতি ছাত্ৰ বিলাকেই কৰে। কৃষি কামৰ লগতে গো-পালন বিভাগ এটি ৰখা হৈছে। গাখীৰ খীৰোৱা, গোহালী পৰিষ্কাৰ কৰা আদি কামবোৰ ছাত্ৰ বিলাকেই কৰে। এই গাখীৰো তেওঁলোকেই খায়। ইয়াৰ বাহিৰেও, উইভিং বিভাগ (কাপোৰ বোৱা) আৰু কাৰ্পেণ্টি বিভাগত (মিস্ত্ৰিৰ কাম) কাম কৰি তেওঁলোকে যথেষ্ট উপাৰ্জ্জন কৰিব পাৰে। এইদৰে আজিৰি সময়ত কৃষি আৰু টেকনিকেল বিভাগত কাম কৰি তেওঁলোকে নিজৰ খৰচ নিজে উলিয়ায়।

প্ৰত্যেক কামৰে সময় বিভাগ আছে। কোন সময়ত কোন লৰাই কি কাম কৰিব আশ্ৰমৰ অধ্যক্ষই (স্বামী যোগানন্দ গিৰি) ঠিক কৰি দিয়ে। আশ্ৰমৰ দৈনন্দিন কৰ্ম্মসূচী তলত দিয়া ধৰণৰ :—

পুৱা ৪½ টা	শয্যা ত্যাগ
৪-৩০ ৰ পৰা ৪-৪০ মিঃ	প্ৰাৰ্থনা
৪-৪০ ৰ " ৫-০	প্ৰাতঃকৃত্য সমাপন
৫-০ ৰ " ৭-০	অধ্যয়ন
৭-০ ৰ " ৭-২০ "	মাৰভাত খোৱাৰ সময়
৭-২০ ৰ " ১০-০	অন্যান্য কাম (কৃষি, টেকনিকেল ইত্যাদি)
১০-০ ৰ " ১১-০	গা ধোৱা, খোৱা, স্কুললৈ যোৱা
১১-০ ৰ " ৪-০	স্কুলত পঢ়া সময়
৪-০ ৰ " ৫-০	অন্যান্য কাম, জিৰণি, প্ৰাৰ্থনা
৫-০ ৰ " ৬-০	খোৱাৰ সময়
৬-০ ৰ " ১০-০	অধ্যয়ন।

আশ্ৰমবাসী ছাত্ৰসকলৰ ২৪ ঘণ্টাৰ এই কটিনখন দেখি আপোনালোকে বুজিবই পাৰিছে যে ইয়াত থকা ছাত্ৰ সকল প্ৰাচীন ভাৰতৰ গুৰু গৃহত থকাৰ দৰে থাকিব লাগে। আশ্ৰমখন এইদৰে আজি ২১ বছৰ চলিল। ১৯৩১ চনৰ ২৭ এপ্ৰিল তাৰিখত শক্তি আশ্ৰম স্থাপিতহৈছিল।

গোৱালপাৰা জিলাৰ ফকিৰাগ্ৰাম ৰেলৱে জংছনৰপৰা উত্তৰ ফাললৈ যোৱা এটি পি, ডব্লিউ, ডিৰ আলিবাট আছে। সেই আলিবাটৰ কাষত ৰেলৱে জংচনৰ পৰা ৩½ মাইল উত্তৰ ফালে ভিতৰুৱা গাৱঁলীয়া অঞ্চলত শক্তি আশ্ৰমখন অৱস্থিত। আশ্ৰমৰ দুই ফালং মান পশ্চিম ফালে চকাপৰা নামেৰে এখন গাওঁ আছে। সেই গাৱঁৰে শ্ৰীযুক্ত ৰমণী মোহন সিংহ নামেৰে এজন এম্ ভি পাছ কৰা ডেকাই মহাত্মা গান্ধীৰ আহ্বান শুনি ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰে। আন্দোলন যেতিয়া শান্ত হ'ল তেতিয়া তেওঁ গোটেই ভাৰত ভ্ৰমণ কৰিবলৈ ওলাল। এইদৰে ভ্ৰমণ কৰি তেওঁ মহাত্মা গান্ধীৰ সবৰ-মতী আশ্ৰম পায় গৈ। সবৰমতী আশ্ৰমত এমাহ থাকি তেওঁ বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তি নিকেতন আৰু শ্ৰীনিকেতনত কিছুদিন থাকে। তাৰ পিচত তেওঁ ৰাম-কৃষ্ণ বেদান্ত আশ্ৰমত (কলিকতাত) কিছুদিন থাকি আকৌ গান্ধীজিৰ ওচৰলৈ যায়। গান্ধীজিয়ে তেওঁক নিজৰ জন্মভূমিলৈ উভতি আহি গাৱঁলীয়া অঞ্চলত গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ উপদেশ দিয়ে। মহামানৱৰ উপদেশ মতে, তেওঁৰ আশীৰ্ব্বাদ লৈ শ্ৰীযুক্ত সিংহ নিজৰ গাৱঁলৈ উভতি আহি ১৯৩১ চনৰ ২৭ এপ্ৰিলত শক্তি আশ্ৰমৰ প্ৰতিষ্ঠা কৰে।

তিনিটা গৰুৰ, এখন ভগা ক্লাই চাউল্ লুম আৰু তিনিজন ছাত্ৰ লৈ তেওঁ আশ্ৰম পাতিলে। হাতত এটা টকাও নাই, এইবোৰ কাম বলিয়ালিৰ বাহিৰে আন একো নহয়, এইদৰে ভাবি কোনেও সাহায্য কৰিবও নোখোজে। আশ্ৰমৰ চাৰিও ফালে ডাঠ হাবি। মাঘ-ফাগুন মাহত গৰখীয়া লৰাবোৰে গৰু চৰাবলৈ আহি সেই হাবিত জুই লগাই দিয়ে। এনেকৈ এই হাবিৰ জুয়ে ১৯৫৫ চনত আশ্ৰমখন পুৰি ছাই কৰিলে। তেতিয়া আশ্ৰমবাসী ছাত্ৰৰ সংখ্যা ৭ জন। এই ৭ জন লৰাৰে সৈতে স্বামীজিয়ে ৰাতিটো এডাল গছৰ তলতেই কটাই দিলে—তথাপি কাৰো ঘৰত আশ্ৰয় নললেগৈ। অ' এটা কথা কবলৈ পাহৰিছো। আশ্ৰম প্ৰতিষ্ঠা কৰাৰ পিচত শ্ৰীযুক্ত সিংহ হৰিদ্বাৰলৈ গৈ সন্ন্যাস গ্ৰহণ কৰে। তেতিয়াৰপৰা তেওঁৰ নাম হল স্বামী যোগানন্দ গিৰি। আশ্ৰমৰ শিক্ষক, শিক্ষাৰ্থী আৰু আন আন মানুহবোৰে মাত্ৰে স্বামীজি বুলি। তেওঁ চিৰকুমাৰ।

প্ৰাণপণ চেষ্টাৰ ফলত আকৌ আশ্ৰমৰ ঘৰ-দুৱাৰ, নাজ সৰঞ্জামবোৰ তৈয়াৰ হল—আগতকৈ ভালহে হল। চাৰিও ফালৰ জঙ্গলবোৰৰ পৰা আকৌ অনিষ্ট হব পাৰে বুলি স্বামীজিয়ে সেই জঙ্গলবোৰ ভাঙিবলৈ ধৰিলে। হাবি ভাঙি উলিওৱা সেইবোৰ মাটিয়েই এতিয়া আশ্ৰমৰ চিৰস্থায়ী সম্পত্তি। আশ্ৰমৰ ডাঙৰ ডাঙৰ টিনৰ ঘৰবোৰ খেতি-পথাৰ, আম্মোল-কল-বেমু টেঙাৰ বাগিচা, হাইস্কুল আৰু টেক্নিকেল স্কুল বোৰে এতিয়া যি কোনো এজন সাধাৰণ মানুহ বা নেতাৰ চকুত চমক লগাব পাৰে।

———

ভাৰতৰ সৈতে চীনৰ অতীত সম্বন্ধ

শ্ৰীৰমণীকান্ত ডেকা

চীন এখন প্ৰাচীন আৰু অতীত গৌৰৱপূৰ্ণ সভ্যতাৰ লীলাভূমি। যিহেতু দেশখন সুসভ্য, এতেকে ইয়াৰ জাতিটোও নিশ্চয় সু-সভ্য হব লাগিব—ই ধ্ৰুৱ। কেতবোৰ পণ্ডিতে প্ৰাচীন মহাচীনৰ সভ্যতাই পৃথিৱীৰ সকলো সভ্যতাতকৈয়ে প্ৰাচীনতম সভ্যতা বুলি ঠাৱৰ কৰে। কাৰোবাৰ কাৰো মতে ভাৰতৰ আৰু কাৰো মতে মিছৰ দেশৰ সভ্যতাই প্ৰাচীনতম্। সি যিকি নহওক মানৱ সভ্যতাৰ প্ৰাচীন স্থিতি পৃথিৱীৰ যি কোনো এটি অংশত হবই লাগিব—এইটো পণ্ডিতসকলৰ গৱেষণাৰ বিষয়-বস্তু কৰি আমাৰ বিষয়-বস্তুলৈ ঘূৰি অহা যাওক।

প্ৰাচীন মহাচীনে অতি পুৰণি কালৰেপৰা এচিয়াৰ দেশ-লোকৰ মাজত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। চীন দেশখন বহুস্তৰে ভৰা। এই দেশখন অতি বিশাল আছিল কাৰণে ইয়াক সাম্ৰাজ্য বোলা হৈছিল আৰু এচিয়াৰ বহুতো দুৰ্ব্বল দেশেই এই সাম্ৰাজ্যৰ ডোকাৰ আঁৰত শান্তিৰে আছিল। চীন দেশত আমাৰ ভাৰতবৰ্ষৰ দৰে বেলেগ বেলেগ বংশৰ ৰজাই সম্ৰাট উপাধি লৈ ৰাজত্ব কৰিছিল। তাৰ ভিতৰত টাং বংশৰ ৰজাসকলেই সু-বিখ্যাত আছিল। প্ৰাচীন মহা-চীনতেই পোনতে ছপা-কল ওলাইছিল। অষ্টম শতিকাৰ কিছুমান পুৰণি কিতাপ চীনত আৱিষ্কাৰ হৈছে। এইবোৰৰ সৰহ ভাগেই সংস্কৃত ভাষাত লিখা। ইয়াতে এটা প্ৰশ্ন উঠিব পাৰে যে অষ্টম শতিকাত আকৌ কেনেকৈ সংস্কৃত কিতাপ ওলাইছিল। ইয়াৰপৰা বুজিব লাগিব যে প্ৰাচীন কালত নিশ্চয় ভাৰতৰ লগত চীনৰ সম্বন্ধ ঘটিছিল।

পণ্ডিতসকলে কয় যে বুদ্ধদেৱৰ পিচতেই বৌদ্ধধৰ্ম্ম যেতিয়া মহাৰাজ অশোকৰ সময়ত গোটেই পৃথিৱীত প্ৰচাৰ হয়, তেতিয়া চীনাসকলেও (সৰহ ভাগেই) এই ধৰ্ম্ম গ্ৰহণ কৰে আৰু ভাৰতৰ লগত কৃষ্টি-সভ্যতা বিষয়ত ওচৰ সম্বন্ধ পাতিবলৈ সুযোগ আৰু সুবিধা পায়। এই সুবিধা আৰু অইন ৰকমেও অহিছিল—সেয়ে হৈছে দুই দেশৰ পৰাক্ৰমী সম্ৰাটসকলৰ মাজত ঘটা যুদ্ধ আৰু পৰস্পৰৰ মাজত দূত বিনিময় হোৱাৰ যোগেদি। বুৰঞ্জী পঢ়িলে আমি পাওঁ যে মহাৰাজ কনিষ্কই চীন সম্ৰাটক যুদ্ধত পৰাস্ত কৰিছিল আৰু বহুতো চীন কোঁৱৰক জামিন হিচাবে নিজ ৰাজ্যত আটক কৰি ৰাখিছিল। মহম্মদ্ বিন্ টোগলকেও চীন সম্ৰাটৰ বিখ্যাত মুছলমান পৰিব্ৰাজক ইবন্ বটুটাক দূত কৰি চীন সম্ৰাটৰ ওচৰলৈ পঠাইছিল।

চীন দেশত বৌদ্ধ ধৰ্ম্মই প্ৰসাৰ লাভ কৰাৰ পিচতেই প্ৰায় হাজাৰ বছৰ ধৰি দুই দেশৰ মাজত বৌদ্ধ সন্ন্যাসী আৰু পণ্ডিতসকলৰ মাজত আহ্-যাহ্ ঘটিছিল। তেওঁ-লোকৰ যাত্ৰা পথ বৰ দুৰূহ আছিল। স্থল পথেদি যাব লাগিলে গোবি মৰুভূমি আৰু মধ্য এচিয়াৰ পৰ্ব্বত আৰু সমতল পাৰ হৈ হিমালয়ৰ বিপদে ভৰা গিৰিপথেদি অহাযোৱা কৰিব লাগিছিল। এই স্থল পথৰ যাত্ৰাত বহুতো ভ্ৰমণকাৰীয়ে অকালতে প্ৰাণ হেৰুৱাইছিল। সমুদ্ৰ পথৰ যাত্ৰা অলপ ভাল আছিল। সাগৰ—যাত্ৰী সকলে ইণ্ডোচীন্, যাভা, সুমাত্ৰা, মালয় আৰু নিকোবৰ দ্বীপ্ পুঞ্জইদি ভাৰতলৈ আহিছিল। সেই সময়ত ইণ্ডো-নেছীয়া ভাৰতৰ উপনিবেশ আছিল আৰু তাৰ মানুহে বৌদ্ধ ধৰ্ম্ম গ্ৰহণ কৰিছিল। তেতিয়া অৱশ্যে হজৰত মহম্মদৰ জন্ম হোৱা নাছিল। চীনভ্ৰমণকাৰীসকলে সাধাৰণতে সমুদ্ৰ পথেদি ভাৰতলৈ আহিলে ইণ্ডোনেছীয়াত মাহদিয়েক বা বছৰ দিয়েক থাকি সংস্কৃত ভাষা শিকি লৈছিল।

প্ৰথম ভাৰতীয় ভ্ৰমণকাৰী পণ্ডিত মাটেংগা (Matanga) চীনদেশলৈ খৃষ্টীয় ৬৭ অব্দত গৈছিল। তেতিয়া চীন সম্ৰাট আছিল মিংটি। ইয়াৰ পিচৰ সকলৰ ভিতৰত জীৱন, ভদ্ৰ, কুমাৰজীৱ, বুদ্ধভদ্ৰ আদিয়েই প্ৰধান।

তেওঁলোকে প্ৰত্যেকেই লগত বহুতো শিষ্য আৰু সন্ন্যাসী লগত লৈ গৈছিল। ৬০ খৃষ্টাব্দত চীনৰ লোং ইয়াং প্ৰদেশত ৩০০০ ভাৰতীয় বৌদ্ধ সন্ন্যাসী আৰু ১০,০০০ ভাৰতীয় পৰিয়াল বাস কৰিছিল।

ভাৰতীয় পণ্ডিতসকলে চীনদেশলৈ লগত বহুতো আপুৰুগীয়া সংস্কৃত পুথি নিছিল আৰু সেইবিলাক চীনা ভাষালৈ অনুবাদো কৰিছিল। এওঁলোকে চীনা ভাষালৈ বহুতো অৱদান আগ-বঢ়াইছিল। প্ৰসিদ্ধ ভাৰতীয় পণ্ডিত আৰু চীনদেশ ভ্ৰমণকাৰী কুমাৰীজীৱে ভাৰতীয় পণ্ডিত নাগাৰ্জ্জুনৰ জীৱনী চীনা ভাষালৈ অনুবাদ কৰিছিল।

অনেক চীনা পণ্ডিত আৰু ভ্ৰমণকাৰীও ভাৰতলৈ আহিছিল। তেওঁলোকৰ ভিতৰত ফাহিয়ান, হিউৱেন চাং ইয়াং প্ৰধান। এওঁলোক আটায়ে পঞ্চদশ শতিকাত ভাৰতলৈ আহিছিল।

যেতিয়া চীনত প্ৰসিদ্ধ টাং বংশৰ ৰজাই চীনৰ সিংহাসনৰ জেউতি চৰাইছিল, তেতিয়াই হিউৱেনচাঙে ভাৰতীয় জীৱন ধাৰাৰ বিষয়ে আৰু বৌদ্ধধৰ্ম্মৰ বিষয়ে অধ্যয়ন কৰিবলৈ ভাৰতলৈ আহিছিল। তেতিয়া উত্তৰ-ভাৰতত আছিল সম্ৰাট হৰ্ষবৰ্দ্ধন। হিউৱেনচাঙে সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল আৰু সকলোতে বিপুল সম্বৰ্দ্ধনা পাইছিল। তেওঁ প্ৰসিদ্ধ নলন্দা বিশ্ববিদ্যালয়ত কেইবাবছৰো ধৰি শিক্ষা লাভ কৰিছিল। তেওঁ সেই প্ৰসিদ্ধ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যক্ষৰ পদতো নিযুক্ত হৈছিল। হিৱেনচাং ঘূৰি যাওঁতে লগত অনেক বহুমূলীয়া সংস্কৃত পুথি উটৰ পিঠিত বোজা বান্ধি লৈ গৈছিল। হিৱেনচাঙৰ ভাৰত-ভ্ৰমণে দুই দেশৰ মাজত ৰাজনৈতিক আৰু সামাজিক সম্বন্ধ ঘটাইছিল। আন কি হৰ্ষবৰ্দ্ধন আৰু চীন সম্ৰাটৰ মাজত দূত বিনিময়ো হৈছিল।

হৰ্ষবৰ্দ্ধনৰ মৃত্যুৰ পিছত আই-চিং (I-Tsing) নামে এজন চীনা ভ্ৰমণকাৰীয়ে ৬৭১ খৃঃত ভাৰতলৈ আহে। তেওঁ নলন্দা বিশ্ববিদ্যালয়ত বহুদিন অধ্যয়ন কৰিছিল। উভটি যাওঁতে তেওঁ বহুতো ভাৰতীয় মূল্যবান পুথি চীনদেশলৈ লৈ যায়। তেওঁৰ বিৱৰণীৰপৰা জনা যায় যে সেই সময়ৰ ভাৰতবৰ্ষক আৰ্য্যদেশ বোলা হৈছিল। আই-চাং নিজেই এজন সংস্কৃত পণ্ডিত আছিল। কেইজনমান চীনা পণ্ডিতে সংস্কৃত শব্দ চীনা ভাষাতো সুমুৱাই লৈছিল।

কিন্তু ভাৰতত বৌদ্ধধৰ্ম্মৰ পতনৰ লগে লগেই চীন আৰু ভাৰতৰ ৰাজনীয় আৰু ধৰ্ম্মমূলক সম্বন্ধ টুটি আহিল। ১১ শতিকাত ভাৰতত হোৱা বিপ্লৱৰ সময়ত বহুতো ভাৰত নিবাসী চীনা পণ্ডিতে লগত বহুতো ভাৰতীয় পুথি-পাঁজি লৈ তিব্বত ওলাল গৈ।

আফগান আৰু মোগল যুগতো ভাৰত আৰু চীনৰ মাজত মাজে মাজে সম্বন্ধ নৰটাকৈ থকা নাছিল। ১৪ শতিকাৰ মাজভাগত চীন সম্ৰাটে দুজন দূত বঙ্গ-সুলতানৰ ৰাজসভালৈ পঠাইছিল।

বৌদ্ধযুগত হোৱা ভাৰত আৰু চীনৰ বাণিজ্য সম্বন্ধ আফগান আৰু মোগল যুগলৈকো আছিল আৰু বস্তুৰ সালসলনি দুই দেশৰ মাজত হৈছিল।

বৃটিছ গৱৰ্ণমেণ্টৰ প্ৰভাৱত পৰি চীন আৰু ভাৰতৰ যুগমীয়া সম্বন্ধ নাইকিয়া হ'ল কিন্তু, বুৰঞ্জীয়ে পুনৰ ভিনয় কৰয় (History repeats itself)। ভাৰত আৰু চীনৰ লোপপোৱা সম্বন্ধৰ পুনঃ প্ৰতিষ্ঠা হ'ব ধৰিছে।

— — — —

স্ত্ৰী শিক্ষা।

শ্ৰীমতী দমিলালতা বড়া।

তিৰোতা হৈছে মাতৃজাতি আৰু ঘৰখনৰ আচল গৰাকী। তিৰোতা পুৰুষৰ জীৱনৰ বাটৰ প্ৰধান সহায়িকা। ইমান বিলাক দায়িত্ব থকা কাম সুকলমে পৰিচালনা কৰিবলৈ যি খিনি জ্ঞান বিদ্যাৰ আৱশ্যক সেই খিনিয়েই তিৰোতাই আৰ্জ্জন কৰিব লগীয়া শিক্ষা।

সংসাৰৰ প্ৰত্যেক মানুহেই যে জন্ম লয়তে মাকৰ শিক্ষা লব লগীয়াত পৰে তাক কোনেও দুই কৰিব নোৱাৰে। আমি অলপ দকৈ ভাবি চালেই গম ধৰিব পাৰোঁ যে যি সকলে আজি সংসাৰত ডাঙৰ মানুহ বুলি আগ-শাৰীত ঠাই পাইছে সেই সকলৰ প্ৰায় সকলোৰেই মাতৃ সকল উচ্চ শিক্ষিতা নাৰী; সেই সকলৰ সন্তান সন্ততি যে ডাঙৰ মানুহ নহব তাৰ কোনো মানে নাই। মাতৃ জাতিক শিক্ষিতা কৰি গঢ়ি তুলিবলৈ পুৰুষতকৈ তিৰোতাৰ বেচি হাত আছে। কাৰণ ল'ৰা বিলাকতকৈ ছোৱালী বিলাকে সাধাৰণতে মাকৰ লগত বেচি ঘনিষ্ঠ ভাৱে থাকিবলৈ পায়। ডাকে কৈছে—"টিক বলধা ওলাই মাতি, মাক ভালেহে জীয়েক জাতি।" আকৌ এজন মনীষীয়ে কৈছে—"এজনী ছোৱালী বিয়া কৰাবলৈ ছোৱালীজনী চোৱাৰ আগত মাকক চোৱাহে উচিত।" ইয়াৰ কাৰণ মাক যদি শিক্ষিতা জ্ঞানী, আৰু সৎ স্বভাৱৰ হয় জীয়েকৰ গাতো সেইবিলাক গুণ যে থাকিব ই ধ্ৰুব নিশ্চিত। এইদৰে কেই পুৰুষমানৰ পিচত এগৰাকী আদৰ্শ মাতৃৰপৰা কিমান আদৰ্শ মাতৃৰ সংখ্যা বাঢ়িব তাক কোৱা বাহুল্য মাথোন। ইয়াৰপৰাই বুজিব পাৰি যে স্ত্ৰী শিক্ষা কিমান লাগতিয়াল।

শিক্ষা বুলিলে অকল লিখা পঢ়া শিকাকে নুবুজায়। এগৰাকী শিক্ষিতা তিৰোতাৰ গাত লিখা-পঢ়া জনাৰ বাহিৰেও ঘৰ চলোৱা, সন্তান পালন কৰা, বোৱা-কটা, ৰন্ধা-বঢ়া, ধোৱা-তোলা, ঘৰ খনৰ জমা খৰচৰ হিচাপ ৰখা, পশু পালন কৰা আদি গুণবিলাকো থাকিব লাগিব।

পুৰুষ সকল সদায় ঘৰত নাথাকে। পুৰুষে সাধাৰণতে ঘৰখনৰ বাহিৰা জঞ্জালবোৰ মাৰি এনি তেনি ফুৰি ফুৰোঁতেই যায়। পুৰুষৰ অনুপস্থিতিত তিৰোতাই ঘৰখন সুচাৰু ৰূপে চলাব লাগিব। ঘৰৰ চাকৰ-নাকৰ আৰু ল'ৰা ছোৱালীক কাক কেনেকুৱা ব্যৱহাৰ কৰিব লাগে তিৰোতাই তাৰ নিয়ম কাৰণ নাজানিলে ঘৰখনৰ উন্নতি কেতিয়াও হোৱাৰ আশা নাই। এইটো তিৰোতাই ভালকৈ জানিব লাগিব যে যি সকল মানুহৰ পৰিশ্ৰমৰ ফলত ঘৰখন চলিছে সেই মানুহ সকলক সদায় আদৰ কৰি সন্তুষ্ট ৰাখিব লাগিব। সৰু সৰু লৰা ছোৱালীৰ আউল মৰা এটা বৰ টান কাম কিন্তু তিৰোতাই এই কামটো সহজে সমাধান কৰিব পাৰিব লাগিব।

মানুহৰ খোৱা আহাৰৰ ওপৰতে স্বাস্থ্য নিৰ্ভৰ কৰে। বহুতে ভাল বস্তুও ৰান্ধিব নজনাৰ ফলতেই বেয়া কৰি পেলায়। ভাল ৰান্ধনীয়ে বেয়া

বস্তুও, ভালকৈ বাদ্ধি গোটেই ঘৰোৱাহকে তৃপ্তিৰে হেপাহ পলুৱাই খুৱাব পাৰে। মানুহে আহাৰ খাওঁতে তৃপ্তিৰে খালে তাৰ পৰা বল শক্তি আদি হয়। সেই কাৰণে তিৰোতাই ৰন্ধা-বঢ়া কামো ভালকৈ জানিব লাগে।

তিৰোতাৰ প্ৰধান সম্পত্তি সতিত্ব গুণ যি গৰাকী তিৰোতা সতী তেওঁৰ ঘৰত সদায় সুখ শান্তি থুপুচে। স্বামীয়েই তিৰোতাৰ এক মাত্ৰ গুৰু। যি তিৰোতাই স্বামীকেই একমাত্ৰ গুৰু বুলি সদায় স্বামী সেৱা কৰে, তেওঁ আৰু অন্য দেৱ দেৱতাৰ পূজা সেৱা কৰিবৰ দৰকাৰ নকৰে।

সতী তিৰোতালৈ সকলোৱে ভয় কৰে। কাৰণ সতী তিৰোতাই যি কয় সেয়ে ফলিয়ায়। যি সকলে পঢ়িছে; সেই সকলে নিশ্চয় সতী জয়মতী, বেউলা, সাবিত্ৰী, আদিৰ বিষয়ে জানিছে। যি তিৰোতাই স্বামীক নিজ প্ৰাণতকৈয়ো অধিক মূল্যৱান বুলি ভাবে সেই তিৰোতাক স্বামীয়েও নথৈ ভাল পায়। এই দৰে যি ঘৰত স্বামী আৰু তিৰোতাৰ মাজত অগাধ ভাল পোৱা আছে সেই সংসাৰ খন যে কেনে মধুৰ তাক কল্পনাও কৰিব নোৱাৰি।

আমাৰ পূৰ্ব্ব পুৰুষ সকলৰ দিনত তিৰোতা সকল উচ্চ শিক্ষিতা আছিল বুলি আমি শাস্ত্ৰ আৰু বুৰঞ্জীত পঢ়িবলৈ পাওঁ। তেখেত সকল জ্যোতিষ, বিজ্ঞান, সাহিত্য, গণিত কলা, আদি বিদ্যাত বৰ পাৰ্গত আছিল। তেখেত সকলৰ ভিতৰত, গাৰ্গী মৈত্ৰেয়ী, আত্ৰেয়ী লীলাৱতী আদিয়েই প্ৰধান।

তেখেতসকলে লিখা বহুত পুথিও আছে। সেই পুথিবিলাকৰ ভিতৰত নাগানন্দ, প্ৰিয়দৰ্শিকা আদিয়েই প্ৰধান।

আজি কালি আমাৰ দেশৰ তিৰোতা বিলাক শিক্ষাত অতি পিচ পৰা। তাৰ কাৰণে যে আমাৰ দেশৰ কিমান অপকাৰ হৈছে তাক হাজাৰ মুখে কৈও ওৰ পেলাব নোৱাৰি। আজি কালি নগৰত কিছু স্ত্ৰী শিক্ষাৰ বিস্তাৰ হৈছে যদিও গাঁও বিলাকত ইয়াৰ একেবাৰেই অভাব। বহুত গাঁৱলীয়া মানুহে তিৰোতা জাতিক শিক্ষা দিয়ালে বেয়া হয় বুলিহে ভাবে। এই কু-অভ্যাসটো যেতিয়া-লৈকে থাকিব তেতিয়াকৈ আমাৰ মানুহে সংসাৰত কেতিয়াও উন্নতি কৰিব নোৱাৰে। আকৌ কিছুমান মানুহে ছোৱালী বিলাক লোকৰ ঘৰলৈ ওলাই যাব বুলিও শিক্ষা নিদিয়ে। এই বিলাক সঁচা-কৈয়ে বৰ দুখ লগা কথা।

আজি শিক্ষাৰ বলতেই বহুত তিৰোতাই আকাশী যান চলাব পৰিছে। অকল সেয়ে নহয়, বহুত তিৰোতাই এখন দেশৰ গৰাকী হৈ কাম চলাইছে। ইয়াৰ পৰাও বুজিব পাৰি স্ত্ৰী শিক্ষা কিমান লাগতিয়াল।

মুঠতে এখন দেশৰ উন্নতি কৰিবলৈ হলে স্ত্ৰী সকল শিক্ষিতা হলেহে দেশ খনৰ উন্নতি কৰিব পাৰিব। শিক্ষাই হৈছে দেশৰ উন্নতিৰ মূল।

———

কম খৰচতে তৃপ্তিকৰ আঞ্জা

শ্ৰীদেবযানী দেৱী

বহুতে আলুৰ বাকলিবোৰ এনেয়ে পেলাই দিয়ে। কিন্তু ইয়াৰ পৰা সুন্দৰ বৰ আৰু কচিকৰ আঞ্জা তৈয়াৰ কৰিব পাৰি।

(১) আলুৰ বাকলিৰ বৰ :—আলুৰ বাকলিবোৰ পানীৰে পৰিষ্কাৰকৈ ধুই পটাত মিহলিকৈ হালধি নিমখ পিয়াজ মিহলাই এটা কেৰাহীত কিছু তেল তপত কৰি বৰ ভাজিব পাৰি।

(২) আলুৰ বাকলিৰ আঞ্জা :—আলুৰ বাকলি-বোৰ ভালকৈ ধুই পিয়াজ জলকীয়াৰ সৈতে পটাত মিহিকৈ বটি পানীত গুলি কেৰাহীত সম্ভাৰ দিব লাগে। উতল অহাৰ পিচত নিমখ মছলা আদি দি নমাই থব লাগে। অলপ চাঁউল বটা দিয়া ভাল। তেতিয়া আঞ্জাখিনি পনীয়া নহয়। এনে-কৈয়ে আলুৰ বাকলিৰ আঞ্জা ৰন্ধা হয়।

(৩) কুমলীয়া ৰঙা লাও আৰু জাতি লাওৰ বাকলিবোৰো বহুতে এনেয়ে পেলায়। ইয়াৰো সুন্দৰ ভাজি কৰিব পাৰি।

নিয়ম :—বাকলিবোৰ মিহিকৈ কাটি তাৰ লগত কিছু পিয়াঁজ দি তেলত ভাজিব লাগে। ৰঙা-লাওৰ গুটিবোৰো ভালকৈ ধুই তেলত ভাজি খাব পাৰি।

(৪) পুৰঠ উৰহি গুটিৰ দালি :—পুৰঠ উৰহিৰ বাকলিৰ পৰা গুটিবোৰ একেৰাই ৰদত শুকুৱাব লাগে। কেইদিনমান পিচত শুকান গুটিবোৰ পানীত কিছু-সময় তিয়াই ওপৰৰ বাকলিবোৰ একেৰাই দালিৰ নিচিনাকৈ ৰান্ধিব লাগে। পটাত মিহিকৈ বটি আলুৰ বাকলিৰ দৰে বৰ ভাজিবও পাৰি।

(৫) তিলৰ বৰ আৰু আঞ্জা :—তিল কিছুসময় পানীত তিয়াই থোৱাৰ পিচত পটাত মিহিকৈ বটি বৰ ভাজিব পৰা যায়। মিহিকৈ বটা তিলেৰে আঞ্জাও ৰান্ধিব পাৰি। কিন্তু আঞ্জাত মাছ বা কণী মিহলি কৰিলেহে বেচি তৃপ্তিদায়ক হয়। বটা তিল এখন কল পাতত মেৰিয়াই নিমখ তেল সানি জুইত পুৰিও খাব পাৰি।

(৬) পুৰণি কোমোৰাৰ গুটিৰ আঞ্জা :—পুৰণি কোমোৰাৰ গুটি ৰদত ভালকৈ শুকুৱাই ঢেকীত ভালদৰে গুড়ি কৰিব লাগে। সেই গুড়িবোৰ পানীত মিহলাই এখন পৰিষ্কাৰ কাপোৰেৰে চেকি কেৰাহীত তেল তপত কৰি তাত সেই গুড়ি মিহলি পানীখিনি পেলাই দিব লাগে। এটা উতল অহাৰ পিচত মছলা নিমখ আদি দি কিছুসময় উতলিবলৈ দিব লাগে। ছুটামান উতল আহিলে নমাই থব লাগে। কোমোৰাৰ গুটিৰ আঞ্জাৰ লগত মাছ বা কণী দিব পাৰিলে বেচি তৃপ্তিকৰ হয়।

কলা কচুৰ আঞ্জা :—কলাকচু কেইডাল মান আনি ২ ইঞ্চিমান দীঘল কৈ কাটি পৰিষ্কাৰ কৈ ধুই কিছু সময় গৰম পানীত সিজাব লাগে। তাৰ পিচত অলপ বুট ভাজি লৈ তাত সিজোৱা কচু-বোৰ পেলাই দিব লাগে। কিছু সময় জুৱোৰিধকে সিজোৱাৰ পিচত নিমখ মছলা আদি দিব লাগে

মিহলা, নিমখ দিয়াৰ পিচত কিছু সময় সিজাই নমাই থলে খাবৰ উপযোগী হয়। বহুতে ধৰিব বুলি কলা কচুৰ আঞ্জা নেখায়। কিন্তু সেই ধাৰণাটো ভুল। খাৰৰ জেলেদি কলাকচু ৰান্ধিলে অতি তৃপ্তিদায়ক হয়।

মানকচুৰ আঞ্জা আৰু বৰ:—মানকচু উভালি অনাৰ পিচত ৰদত কিছুসময় শুকুৱাই লৈ ওপৰৰ বাকলিবোৰ এৰুৱাই টুকুৰা-টুকুৰিকৈ কাটি কেই-দিন মান (অন্ততঃ ২০ দিন মান) ৰদত শুকুৱাই ঢেকীত গুড়ি কৰিব লাগে। এই গুড়িবোৰৰ পৰা বৰ আৰু আঞ্জা ৰান্ধিব পাৰি।

কলা কচুৰ পাত পাতত দিয়া:—কুমলীয়া কলা কচুৰ পাত কল পাতত মেৰুৱাই জুইত পুৰিব দিব লাগে। পোৰা কচুৰ পাতৰ লগত নিমখ, তেল, টেঙা মিহলাই খাব লাগে।

যাদু-মন্ত্ৰ।

GAUHATI ... LIBRARY. GAUHATI—ASSAM.

শ্ৰীপ্ৰিয়নাথ পূজাৰী

(এই প্ৰবন্ধত বৰ্ণোৱা ঘটনাবিলাকৰ বিষয়ে আমি একো মতামত নিদিওঁ। কিন্তু পৃথিবীৰ বহুত ঠাইতে এই একে ধৰণৰ কথা কিছুমান প্ৰচলিত আছে। এনে ধৰণৰ ঘটনা নিজ চকুৰে দেখা মানুহো আমি দুই এজন পাইছোঁ। সেই সকলৰ ভিতৰত এই প্ৰবন্ধৰ লেখকো এজন। পঢ়িকে এইবিলাকক মানুহৰ উদ্ভট কল্পনা বুলি একেবাৰে উকৱাই দিয়াতকৈ নিজে অনুসন্ধান কৰি এইবিলাকৰ সত্যতা অসত্যতা নিৰ্ণয় কৰা ভাল—সম্পাদক।)

কামৰূপ অতীজৰেপৰা যাদুৰ দেশ বুলি জনা-জাত। এতিয়াও ভাৰতবৰ্ষৰ আন ঠাইৰ ওজা বা বেজসকলে জৰাফুকাত 'কামৰূপ কামাখ্যা'ৰ নাম লয়। মই দক্ষিণ কামৰূপৰ মানুহ। আমাৰ এই অঞ্চলৰ বিশেষকৈ জনজাতীয় ওজাসকলে মন্ত্ৰৰ সহায়ত এনে আচৰিত কাণ্ড কিছুমান কৰিব পাৰে যে সেইবিলাক দেখিলে মানুহ আচৰিত নোহোৱাকৈ নোৱাৰে।

মোৰ চকুৰ আগত হোৱা এটি ঘটনা

এদিন সন্ধিয়া এখন গাঁৱত অতিথি হ'লোঁ। এজন মণ্ডলৰে সৈতে। মণ্ডলজন মোৰ যজমান। গাওঁখন ভেওঁৰেই লাটৰ। তেওঁৰ বাহৰ গাওঁবুঢ়াৰ ঘৰত। আমাক দেখি গাওঁবুঢ়াই গহীনাই ক'লে "তই আৰু দিবিকে আহিলি কিয়? এই শুধুলা আমি আৰু ক'ত কি পামৰে?" মণ্ডলে নিজৰ ত্ৰুটি স্বীকাৰ কৰিলে। বহা ঘৰৰ ভিতৰ সোমাই মণ্ডলে মোক ক'লে "বাপু, তুমি ভাত কেইটা ৰন্ধাৰ দিহা কৰা।" মই ভৰি-হাত ধুই ঘৰ সোমাই মাত্ৰ চক এটাৰ বাহিৰে একো নেদেখিলোঁ। ওচৰতে খৰি কেইচটামান পৰি থকা দেখি বুটলি আনি তিনি খুটিৰ মাজত জুই জলালোঁ। বাহিৰত মণ্ডল, গাওঁবুঢ়া আৰু গাঁৱৰে আন কেইজনমান

মানুহ। নানা কথা বতৰা চলিছে। মই বাকী বস্তুৰ বাবে বাট চাই ঢকত পানীখিনি উতলাই আছোঁ। হঠাৎ মণ্ডলে ক'লে—"বাপু! বস্তু পৈছে।" চাকিৰ পোহৰত দুৱাৰ মুখলৈ চাই পঠিয়ালোঁ মানুহ অহা বুলি। পিচে মানুহ নহয়। দেখিলোঁ এটি বাঁহৰ খৰাহি আপোনা আপুনি মাটিৰে চুচৰি চুচৰি আহিছে। মোৰ বৰ ভয় লাগিল। খৰাহি মোৰ ওচৰতে ৰ'লহি। ভয়ত কঁপি কুঁপি শেহাই শেহাই মণ্ডলক সুধিলোঁ।—"ককাই কি কৰিম?" মণ্ডলে ক'লে "ভাত যি আছে তাৰেই ভাত আঞ্জা ৰান্ধা।"

খৰাহিত দেখিলোঁ দুজনৰ জোখাৰে ভাল মিহি চাউল। কেতুৰি পাতৰ টোপোলাত আধাপোৱামান মচুৰ দালি, অলপ নিমখ, দুটা জলকীয়া, চিচা এটাত তেল অলপ, অলপ হালধি গুড়া আৰু বাকলি গুচোৱা চাৰি ডোখৰ গাৰো কচু। এই বস্তুখিনিৰে মনতে সন্দেহ কৰি ভাত সিজাই দুয়ো খাই উঠিলোঁ।

ৰাতি বিচনাত পৰি মণ্ডলৰ লগত এই বিষয়ে বহুত আলোচনা হ'ল। তেওঁ আৰু বহুত ৰকমৰ যাদুৰ কথা ক'লে। সেইবিলাক শুনিলেই গাৰ নোম শিঁয়ৰি উঠে। যদি কোনোবাই সেই ঠাইৰ কোনো মানুহক মাৰপিট বা অপমান কৰে তেন্তে একে দলৰ আন মানুহে যাদুৰ দ্বাৰা তাৰ প্ৰতিশোধ লয়। যাদুৰে এনে এটা বেমাৰ জাপি দিব যিটো ভাল কৰা দুঃসাধ্য। বেমাৰৰ সময় বন্ধাও থাকে। যিমান দিনৰ সময় দিয়া থাকিব ঠিক সিমান দিনৰ মূৰত মানুহ মৰি যাব। স্বাভাৱিক বেমাৰেই হৈছে নে নাই মানুহে মন্ত্ৰ কৰিছে সেইটো কথা ধৰা পেলোৱাৰ পাচত ভাল বেজ জানো লগাই চিকিৎসা কৰাব লাগিব। এনে বেমাৰত ডাক্তৰে একো কৰিব নোৱাৰে। এইবিলাকৰ ভিতৰত মোনা দিয়া নামে এবিধ মাৰাত্মক যাদু আছে। খোৱা বস্তুৰ লগত কুমন্ত্ৰৰে বস্তু দিয়ে। মানুহজনে যি বস্তু খায় সেই বস্তুবিলাকে মন্ত্ৰৰ বলত পেটৰ ভিতৰত সজীৱ মূৰ্ত্তি ধৰে আৰু সংখ্যা বেচি হ'বলৈ ধৰে। পেটত সদায় নানা ৰকমৰ শব্দ হয়, খাবলৈ মন নেযায়, টোপনি নাহে আৰু সদায় অসুখ ভাব। খাব নোৱাৰি মানুহ খীণাই যায় আৰু ক্ৰমাৎ দুৰ্ব্বল হৈ হৈ নিৰ্দ্দিষ্ট সময়ত মৃত্যু হয়। মৰাৰ পিচত যদি পেট ফালি চোৱা হয় তেন্তে সেই সকলোবোৰ বস্তু ওলাই পৰিব।

কিছুমানে মন্ত্ৰৰ বলত নানা ৰূপ ধৰি মানুহৰ অনিষ্ট সাধন কৰি ফুৰে। কিছুমানে বাঘ হ'ব পাৰে। বাঘ হৈ মানুহ, গৰু আদি খাই ফুৰে। কিন্তু পাচত মন্ত্ৰৰ বলত পুনৰ মানুহ হয়। এনে এনে ধৰণৰ বহুত যাদু আছে। কিছুমানে ঢেকী খোৱাক শ'ল মাছ, শ'ওৰা গছৰ পাতক কাৰৈ, খলিহনা মাছ, আৰু মদাৰৰ ফুলক জলকীয়া কৰিব পাৰে। ভাত, দালি নিসিজা, পিঠা পুৰিব নোৱাৰা আৰু তাঁতশালত কাপোৰ ব'ব নোৱাৰা আদি বহুত বিধৰ যাদু আছে।

ইয়াৰ উপৰিও বিয়াৰ দৰা কইনা বা দুয়োদলৰ সম্বন্ধীয় লোকক অজ্ঞান কৰি থোৱা। যাদুৰ বলত বাঘ ভালুকৰ হাতৰ পৰা সাৰিব পৰা ইত্যাদি বহুত মন্ত্ৰ আছে। কিছুমান ঠাইত বাইজে বাঘক বেঢ়ি ধৰি মাৰে। ওজাই মন্ত্ৰেৰে বাঘক অচেতন কৰি পেলায়। বাইজে জালেৰে বেঢ়ি অলপ অলপকৈ চেপি আনি শেষত বাঘক বধ কৰে। বাঘ বেঢ়িলেও বহুত ওজাই জেদ পুৰাবলৈ যাদুৰ দ্বাৰাই বাঘক এৰি দিয়ে।

বেমাৰবো সেই একে কথা। কিছুমানে বেমাৰ জাগে আৰু কিছুমানে ভাল কৰে। সাপে খোৱাবো বহুত প্ৰমাণী ঔষধ আছে।

অকল দক্ষিণ কামৰূপতে নহয় গোটেই অসমতে কম বেচি পৰিমাণে এনে ধৰণৰ যাদু প্ৰচলিত আছে। নগাওঁ জিলাৰ মায়ং এসময়ত যাদুৰ কাৰণে প্ৰখ্যাত আছিল। আজি কালি এই যাদুবিদ্যাক লোপ পাবলৈ ধৰিছে। অৱশ্যে বেয়া মন্ত্ৰবিদ্যাক লোপ পোৱা আমাৰ মঙ্গল। কিন্তু তাৰ লগে লগে ভালো বহুত লোপ পাবলৈ ধৰিছে। কিছুমান ওজাই এনে ধৰণৰ যাদু জানিলেও জানো বুলি স্বীকাৰ নকৰে।

— — — —

জাগীচকীত দুৰাতি

ভ্ৰমণ কাহিনী]　　শ্ৰীভবেশচন্দ্ৰ শৰ্ম্মা

এবাৰ কিবা এটা কামত নগাঁও জিলাৰ জাগী চকীলৈ যাবলগীয়া হল। আমি কেবাজনেও গোট খাই দিনৰ দুই বজাত গুৱাহাটীৰপৰা জীপগাড়ীৰে চিলং ৰোডেৰে জাগীচকীলৈ যাত্ৰা কৰিলোঁ। চিলং ৰোডেৰে ১০ মাইল যোৱাৰ পিচত যোৰাবাটেৰে ঘূৰি নগাঁৱলৈ যোৱা বাটেৰে ১৪ মাইল গৈ সোণাপুৰ পালোঁ। সোণাপুৰ সুমধিৰা টেঙাৰ কাৰণে বিখ্যাত। প্ৰত্যেক শনিবাৰে ইয়াত এখন ডাঙৰ হাট বহে। সোণাপুৰৰ পৰা ১৫ মাইল গৈ নখোলা পালোঁ। নখোলাৰ পৰা নগাঁৱলৈ যোৱা বাট এৰি কেঁচা বাটেৰে যাব লাগে। নখোলাৰপৰা প্ৰায় ১ কাল'মান কেচা বাটেৰে গৈ জাগীৰোড ষ্টেচন পোৱা যায়। ইয়াতো প্ৰত্যেক দেওবাৰে এখন হাট বহে। কেঁচা বাটেকে অলপ দূৰ গৈ দেখিলোঁ বানপানীয়ে ৰাস্তাটো ভাঙি নিছে। সেই ৰাস্তাৰ ওপৰেদি মটৰ গাড়ী যোৱা অসম্ভৱ। আমাৰ ড্ৰাইভাৰজনে মৰসাহ দি সেই ভঙা ৰাস্তাৰ ওপৰেদি মটৰ চলাবলৈ ধৰিলে কিন্তু অলপ দূৰ গৈয়ে মটৰ নোযোৱা হল। আমি নিৰুপায় হৈ পৰিলোঁ। ওচৰতে শিলগুটি আছিল। কমাণত বাহ্নি আমি প্ৰত্যেকেই অলপ অলপকৈ শিলগুটি আনি ৰাস্তাত পাৰি দিলোঁ। হঠাতে সেই ঠাইত দুজন বাটৰুৱা আহি পালে। তেওঁলোকেও আমাক সহায় কৰিলে। সকলোৰে চেষ্টাত মটৰ গাড়ীখন নিৰ্বিঘ্নে সেই বেয়া ঠাইডোখৰ পাৰ হৈ গল। নখোলাৰ পৰা ৪ মাইল গৈয়ে ভকত গাঁও পালোঁ। ভকতগাঁৱৰ মাজেৰে কপিলী নৈ বৈ গৈছে। আমি নাৱেৰে নৈখন পাৰ হলোঁ। নৈৰ দুয়োপাৰে দুটা প্ৰকাণ্ড খুটা পুতি খুটাৰ মূৰত এডাল লোৰ শিকলি ইমূৰৰপৰা সিমূৰলৈ বান্ধি দিছে আৰু আন এডাল সৰু শিকলিৰ এটা মূৰ নাওখনত আৰু আনটো মূৰত এটা চকা দি ওপৰত দিয়া শিকলি ডালত বান্ধি দিছে। নৈৰ সোঁতে নাওখন পাৰ কৰি নিয়ে, ইয়াত নাওঁ বোৱাৰ কোনো আৱশ্যক নাই।

কপিলী নগাঁও জিলাৰ ভিতৰতে ডাঙৰ নৈ। বাৰিষা কপিলীৰ বানে মানুহৰ ঘৰবাৰী, ৰাস্তা-

ঘাট খেতি পথাৰ আদিৰ বহুতো অন্যায় কৰে। ওপৰত উল্লেখ কৰা ৰাস্তাটোও এই নৈৰ বানে ভাঙিছে

তকত গাঁৱৰপৰা গাঁৱলীয়া ৰাস্তাৰ মাজেৰে জাগীচকীলৈ ছুমাইল যাব লাগে। বহুত দিনৰ মূৰত গাঁৱৰ দৃশ্য দেখি মনত বৰ আনন্দ লাগিল। ছুমাইল এনেদৰে যোৱাৰ পিচত জাগীচকী পালোঁ। তাত মানুহ কিছুমান আমালৈ বৈ আছিল। আমি মটৰৰপৰা নমাৰ লগে লগে তেওঁলোক আহি আমাক আগ বঢ়াই এখন স্কুললৈ লৈ গল। তাতেই আমাৰ খোৱা থকাৰ বন্দবস্ত কৰি দিলে।

এইখিনিতে কোৱা প্ৰয়োজন যে আমি এখন সভা উপলক্ষে জাগীচকীলৈ গৈছিলোঁ। সেই স্কুল ঘৰত আমাৰ উপৰিও দূৰ ঠাইৰপৰা অহা প্ৰতি-নিধিসকলৰ খোৱা থকাৰ ব্যৱস্থা কৰি দিছিল।

পিচদিনা দিনৰ ২ বজাৰ পৰা সভা আৰম্ভ হল। সভাত বহুতো ধৰ্ম্মমূলক কথাৰ আলোচনা হল। সেইবোৰ শুনি মই তেনেকুৱা এখন পৱিত্ৰ অনুষ্ঠানত যোগ দিয়া বাবে নিজে বৰ গৌৰব অনু-ভৱ কৰিলোঁ। সভাত বহুত মানুহে যোগ দিছিল। গধূলি সাত বজাত সভাৰ কাম শেষ হয়। তাৰ পিচত আমি স্কুল ঘৰলৈ আহোঁ। গাঁৱৰ মানুহ বিলাকে আমাক যথেষ্ট আদৰ সাদৰ কৰিছিল। তেওঁলোক বৰ সৰল আৰু ধৰ্ম্মানুৰাগী। সেই স্কুলৰ প্ৰধান শিক্ষকজন বেচি ভাগ সময়েই আমাৰ লগত আছিল। তেখেতে জাগীচকী নাম কেনেকৈ হল সেইবিষয়ে বহুতো বুৰঞ্জীমূলক আখ্যান আমাৰ আগত কয়—"আৰিমত্ত ৰজা আৰু আহোমৰজা-সকলৰ নাম এই ঠাইৰ লগত জড়িত। জাগী-চকীৰ মানুহবিলাক নগাঁও জিলাৰ আন আন ঠাইৰ মানুহৰ দৰে উজনি অসমৰপৰা অহা।"

গাঁওখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য মনোৰম। কলং আৰু কপিলী নৈ এই জাগীচকীতে গোট খাইছে। নৈৰ এপাৰে মানুহৰ বসতি আৰু আনপাৰে মুকলি পথাৰ। বাৰিষা ইয়াৰ দৃশ্য অতি মনো-ৰম হয়। ই এখন বৰ ডাঙৰ গাঁও। ইয়াত ছুটা ডাঙৰ নামঘৰ, এখন প্ৰাইমেৰী স্কুল আৰু এখন ছাত্ৰবৃত্তি স্কুল আছে। গাঁৱৰ মানুহৰ পৰা জানিব পাৰিলোঁ আগেয়ে হেনো ইয়াত এখন হাইস্কুল আৰু এখন থানাও আছিল। হাইস্কুল-খন এতিয়া ভকত গাঁৱলৈ নিছে।

এই গাঁৱত এজন ৯৬ বছৰ বয়সৰ বুঢ়া লগ পালোঁ। তেখেতে ছুপৰীয়া ৰদত প্ৰায় আধা মাইল খোজ কাঢ়ি আমাক চাবলৈ আহিছিল। বুঢ়াজনে এতিয়াও তামোল চোবাই খায়। চকুত চচমা নোলোৱাকৈ কিতাপ পঢ়ে আৰু চিঠি লেখে। তেওঁৰ আখৰবোৰো বৰ ধুনীয়া। তেওঁৰ শ্ৰৱণ শক্তিও অলপো কমা নাই। মানুহজন প্ৰকৃত বৈষ্ণৱ। সদায় নিয়মিত ভাৱে নাম কীৰ্ত্তন কৰে। ডেকাকালত তেওঁ মৌজাদাৰৰ কাম কৰিছিল। এতিয়া বুঢ়া হোৱাত তেওঁৰ পুতেকক মৌজাৰ কাম দিছে। তেওঁ কিছুদিন চৰকাৰী চাকৰিও কৰিছিল! আজি প্ৰায় ২৭ বছৰ হল তেওঁ পেন্সন পাইছে। তেওঁৰ ভাৰ্য্যাও জীয়াই আছে। আমাৰ লগত মানুহজনে বহুত সময় গাঁৱৰ বিষয়ে আলোচনা কৰে। ঘৰ দেখুৱাবলৈ আমাক তেওঁৰ ঘৰলৈ লৈ যায়। তাত আমাৰ আগত ধূপ-ধূনা লগাই দিয়ে। নিজে ভাৰ আনি আমাক খাবলৈ যতনাই দিয়ে। তেওঁৰ ঘৰ দুৱাৰবোৰো যেচ পৰিষ্কাৰ পৰিচ্ছন্ন। ঘৰৰ সমুখত দুখন সুন্দৰ ফুলৰ বাগিচা আছে; বাৰীত নানাবিধ ফল

মূল লগাইছে। সঁচাকৈয়ে বুঢ়া জনৰ ভক্তি আৰু আদর্শ দেখি আচৰিত হলোঁ। বুঢ়া জনৰ কথা এতিয়াও মোৰ মাজে মাজে মনত পৰে।

বৰ আনন্দৰ মাজেৰে ছুৰাতি কটাই তৃতীয় দিনাখন ঘৰলৈ আহিবলৈ ওলালোঁ। কিন্তু কপিলী নৈৰ পানী বেচি হোৱাত নাৱেৰে নৈ পাৰ হব নোৱাৰি মৰিগাঁও ধৰমতুলৰ মাজেৰে আহি নগাঁও ৰাস্তাত উঠি গুৱাহাটী ওলালোঁ।

ফকৰা যোজনা

(সংগ্ৰহ)

চৈয়দ কুতুবুদ্দিন আহমদ

১। সাঁতোৰ জানিহে নদীত জাপ দিবা।

২। নাওৰ বাৰা কাটা
পুৰুষৰ কাণ কাটা
তিৰোতাৰ সৰু মুৰা
ঘুমটিৰ চপ পুৰা

৩। ভাগ্যে ভাৰি ভাগ্যে নাৰী
ভাগ্যে তামোল পাণৰ বাৰী।

৪। গছত উঠি চাবি
বাইজ যি পিনে যায় সিপিনে যাবি।

৫। ভাত দি ভাত দি মেলত যাও
খাই উঠি বোলে যাও কি নাযাও।

৬। টকাই কৰে কাম মৰদৰ হয় নাম।

৭। এক দিনৰ ৰাজাই ৰাজা নহয়
এক দিনৰ খাজাই খাজা নহয়।

৮। ৰাজাৰ বেটা ভোলা
উল্টে পিন্ধে চোলা।

৯। কিনো বেটিৰ হিয়া
গছৰ আগত ছলি থৈ
মাটিত দিয়ে ঠিয়া।

১০। জাথৈ মাৰে খাৰৈৰ নাম

১১। এনে জাগাত বহিবি
কায়ো নকয় উঠ
এনে কথা কবি
কায়ো নকয় জুঠ।

১২। চিৰি বান্ধিছা থোৰা
মানুহ মাতিছা গাঁৱৰ ওৰা।

১৩। মায়ে বাখনায় জী
গোৱালে বাখনায় ঘি
পাত্তৰ পৰচি যদি বাখনাই
তেহে বাপেৰ জী

১৪। শিকে বুজে ঘাটক যাও
ঘূৰি আহি হাড়িত খাও।

১৫। উধান হৈ জুইলৈ ভয় কৰিলে কি হব ?

১৬। হেন হেন পাকত
ঢেকী থোৱা সোমাল নাকত।

১৭। পৰৰ পৰ বাটত পৰি মৰ।

১৮। ধাৰত পৰিলে শিলো উটে
সপোন দেখিলে বুঢ়ায়ো মুতে।

১৯। যদি আহা বিত্ত নিত্ত
চকু কৰে পিত্ত পিত্ত
ভোজন নকৰা কদাচিত্ত।

২০। দুৰৈ হওক দুৰ্গতি নহওক
তেওঁ নাভাঙিবি ঢাবি (জেং)
আঠু সমান ঠিয়া কৰাবি
তেওঁ নানিবি বাঁৰী।

২১। নষ্ট হয় খেতি খন মধ্যে হয় বাট
নষ্ট হয় নাৰীগণ যদি ওলায় বাট।

২২। দর্প কৰে মা ধাৰী (পৃথিবী)
ভূমিকম্পত লৰে
দর্প কৰে চন্দ্র সুৰুয
মেঘে ঘিৰি ধৰে।

২৩। আগত থাকি পিছেই ভাল
যদি যাতে যাই
ভৰাত থাকি খালি ভাল
যদি ভৰাইতে যায়।

২৪। ৰাখাল নোহোৱা গৰু
ঢাকোন নোহোৱা চৰু।

২৫। সৰু লোকে বৰ কথা কয়
টেৰা কৰি পাগুৰি মাৰি
ছায়াঁৰ ফালে চায়।

২৬। আগলতীক দেখি খাগলতি হাহে
ব, ব, খাগলতী তোলৈকেও আহে।

২৭। নাক কাটিছে চোৰে
আন্ধাৰে আন্ধাৰে ফুৰে।

২৮। অতি চালাকীৰ গলে জৰী।

* এই ফকৰা যোজনা বিলাক গোৱালপৰা জিলাত প্ৰচলিত।— সম্পাদক।

স্বাধীনতা পোৱাৰ পিচত আমাৰ মনোবৃত্তি কেনে হোৱা উচিত?

এটা গছপুলিৰ চাৰিওফালে ডাঙৰ ডাঙৰ গছ গছনিয়ে আগুৰি থাকিলে ই মুমূৰ্ষা পৰে। ই বাঢ়িবলৈ হলে সূৰ্য্যৰ পোহৰ আৰু মুকলি বতাহৰ প্ৰয়োজন। আমাৰ ভাৰত ৰাষ্ট্ৰৰ অৱস্থাও এসময়ত ঠিক গছ পুলিটিৰ দৰে আছিল। পৰৰ অধীন হৈ থাকিলে মানুহৰ সদ্‌গুণবিলাক বিকশিত নহয়। এতিয়া ভাৰতৰ জনসাধাৰণে আত্মনিয়ন্ত্ৰণৰ সুবিধা পাইছে। বৰ্ত্তমান পৰিস্থিতি এটা উন্নতভৰ জাতীয় চৰিত্ৰ গঠনৰ কাৰণে অনুকূল। কিন্তু ইয়াৰ কাৰণে লগতে উপযুক্ত শিক্ষাৰো আৱশ্যক। আমি আকৌ গছপুলিৰে উপমাটি দিওঁ।

গছপুলিটো আগুৰি থকা ডাঙৰ ডাঙৰ গছ গছনি বিলাক কাটি পেলালে ই ব'দ আৰু বতাহ পাব। কিন্তু তাৰ উপৰি পুলিটো যদি মূল্যবান হয় তেন্তে তাৰ গুৰিত পানী আৰু উপযুক্ত সাৰ দি আলকুলটৈক তুলি তাকি ডাঙৰ কৰিব লাগিব। গছপুলিটোত কি কি সাৰ দিব লাগে আৰু কেনেকৈ আপডাল কৰিব লাগে সেই বিষয়েও মালীয়ে জনা উচিত।

জাতীয় চৰিত্ৰও এটা এটা মূল্যবান সম্পদ। স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হবলৈ কি কি সদগুণৰ আৱশ্যক

সেইবিষয়ে জনসাধাৰণক সচেতন কৰাটো সামাজিক শিক্ষাৰ কৰ্ত্তব্য। কি কি সদগুণে উপযুক্ত নাগৰিক আৰু এটা উৎকৃষ্ট জাতীয় চৰিত্ৰ গঠনত সহায় কৰে সেই বিষয়ে আমি ইয়াত অলপ আলোচনা কৰোঁ।

জগতৰ আটাইতকৈ শ্ৰেষ্ঠ জাতিসমূহৰ জাতীয় চৰিত্ৰ বিশ্লেষণ কৰিলে আমি দেখিবলৈ পাওঁ যে তেওঁলোকৰ জাতীয় চৰিত্ৰত কিছুমান সদগুণ আছে। নিয়মানুবৰ্ত্তিতাও এনেকুৱা এটা সদগুণ। বৃটিছ আৰু জাপানী জাতিৰ মাজত এই গুণটো বিশেষভাৱে দেখা যায়। আমাৰ ভিতৰত ৰবকৈ চিন্তা নকৰা কিছুমানে স্বাধীনতাক সকলো প্ৰকাৰ বাধাহীন উশৃঙ্খলতা বুলিয়েই ভুল কৰে। কোনো অনুষ্ঠান উপলক্ষে ৰেলত বিনা টিকটে সংঘবদ্ধভাৱে যোৱা লোকৰ মুখতো ২হত সময়ত এনেকুৱা যুক্তিয়েই শুনা যায়। টিকট বিচাৰিলে তেওঁলোকৰ স্বাধীনতাক যেন অৱমাননাহে কৰা হয়। কিন্তু এই কাৰ্য্যৰ দ্বাৰা তেওঁলোকে দেশৰ যে কি ক্ষতি কৰিছে সেইটো ভাবি নেচায়। ৰাষ্ট্ৰৰ আৰ্থিক সম্পদ জনসাধাৰণৰ সম্পদ। ৰাষ্ট্ৰ দুখীয়া হলে জনসাধাৰণো দুখীয়া হ'ব।

জাতীয় সম্পদ ক্ষতি কৰাৰ আৰু এটা উদাহৰণ দিওঁ। সুখৰ বিষয় আমাৰ অসমত এনেকুৱাবিলাক ঘটনা খুব কমেইহে ঘটে। কিন্তু ভাৰতবৰ্ষৰ আন আন ঠাইত এনেবিলাক ঘটনা ঘটাৰ সম্বাদ আমি বাতৰি কাকতত প্ৰায়েই পঢ়িবলৈ পাওঁ। সেইবিলাক ঠাইত ট্ৰাম, বাচ, ৰেলগাড়ী অফিচ আদিত জুই লগাই বিক্ষোভ প্ৰদৰ্শন কৰা নিত্য নৈমিত্তিক ঘটনা। এইবিলাক নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা কাৰ্য্য। জনসাধাৰণে যদি ভাবে তেওঁলোকৰ প্ৰতি কিবা অবিচাৰ কৰা হৈছে, তেতিয়া হলে তেওঁলোকৰ গঠনমূলক ভাৱে সমালোচনা কৰাৰ আৰু সভা সমিতি পাতি বৈধ ভাৱে বিক্ষোভ প্ৰদৰ্শন কৰাৰ অধিকাৰ আছে, কিন্তু জাতীয় সম্পত্তিবিলাক ধ্বংস কৰি বিক্ষোভ প্ৰদৰ্শন কৰিলে নিজৰেই অনিষ্ট কৰা হয়।

ভাৰত এখন গণৰাজ্য আৰু ইয়াৰ শাসন প্ৰণালী গণতান্ত্ৰিক। আজি ৰাইজেই ৰজা। ৰাইজে ভোটাধিকাৰৰ দ্বাৰা নিজে যাক উপযুক্ত বুলি ভাবে তেওঁকে দেশৰ শাসনকৰ্ত্তা হিচাবে বাছি লব পাৰে। বৈধ আৰু অহিংস ভাৱে পৰিবৰ্ত্তন সাধন কৰাটোৱেই ভাৰতৰ আদৰ্শ। এই বিষয়ে আমি বৃটেনৰ অনুসৰণ কৰা উচিত। পৃথিবীৰ আন দেশত বিবিলাক পৰিবৰ্ত্তন, অজস্ৰ ৰক্তপাতৰ দ্বাৰাহে সম্ভৱপৰ হৈছে ভাত সেইবিলাক বিনা ৰক্তপাতে অহিংস ভাৱেই সংঘটিত হৈছে। কিন্তু গণতন্ত্ৰ সম্ভৱপৰ হবলৈ হলে লেখা পঢ়া জনাৰ বাহিৰেও নাগৰিক সকলৰ কিছুমান সদগুণ থকা উচিত। নিয়মানুবৰ্ত্তিতা, সত্যপ্ৰিয়তা, কৰ্ত্তব্যনিষ্ঠা ধৰ্ম্মভাৱ, স্বদেশপ্ৰেম আদিয়েই ইয়াৰ ভিতৰত প্ৰধান।

স্বাধীনতাৰ পিচত আন্তৰ্জ্জাতিক ক্ষেত্ৰত ভাৰতৰ সন্মান বহুত ওপৰলৈ উঠিছে। আগেয়ে 'পৰৰ গোলাম' বুলি আন আন জাতিবিলাকে ভাৰতক হেয় চকুৰে চাইছিল। কিন্তু স্বাধীন দেশ হিচাবে এতিয়া ভাৰতৰ স্থান পৃথিবীৰ আন কোনো দেশতকৈ তলত নহয়। আগেয়ে আমাৰ দেশত দুটা সম্প্ৰদায় আছিল। এটা শাসক আৰু আনটো শাসিত। শাসক সম্প্ৰদায়টো বিদেশী আৰু শাসিতসকল আছিল আমাৰ দেশৰেই মানুহ। তেতিয়া স্বাভাৱিকতে শাসক আৰু শাসিতৰ মাজত সম্পূৰ্ণ সমতাৰ ভাব কেতিয়াও আহিব নোৱাৰিছিল। কিন্তু আজি ৰাইজেই ৰজা। আজি আমাৰ মাজৰ কৃত্ৰিম ব্যৱধান বিলাক গুচাব লাগিব। অশিক্ষিত দুখীয়া আৰু ক্ষমতা নথকা সকলৰ প্ৰতি থকা অৱজ্ঞাৰ ভাব গুচাব লাগিব। নিজৰ বাউসিৰ বলেৰে দুবেলা দুমুঠি খাই সাধাৰণ ভাৱে জীৱন যাপন কৰা মজদুৰ জনবহান মানসিক পৰিশ্ৰমেৰে জীৱিকা আৰ্জ্জন কৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক জনৰ সৈতে সমান। শাৰীৰিক পৰিশ্ৰমেৰে জীৱিকা অৰ্জ্জা কাম মানসিক পৰিশ্ৰমেৰে জীৱিকা অৰ্জ্জা কামতকৈ তলখাপৰ নহয়। বিদ্যা, অৰ্থ, ধন আৰু ক্ষমতাৰ তাৰতম্যৰ কাৰণে মানুহৰ সমাজত স্থানৰ তাৰতম্য হোৱাটো উচিত নহয়। আমি মানুহৰ আত্মমৰ্য্যাদাৰ মান বহুত ওপৰলৈ তুলিব লাগিব। বৃটেইন, আমেৰিকা আদি সভ্য দেশবিলাকত আমাৰ ইয়াৰ দৰে মানুহক উচ্চ, নীচ কৰি বেলেগ বেলেগ শ্ৰেণীত ভাগ কৰা নহয়। গণতন্ত্ৰৰ

লগত আভিজাত্যিক মনোভাৱে খাপ নেখায় আৰু এই আভিজাত্যিক মনোভাৱ অকল যে ধনৰেই হব পাৰে এনে নহয়। ই বিদ্যা, ক্ষমতা, ধৰ্ম্ম, জাতি আদিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ বাবেও হ'ব পাৰে।

অতি তলখাপৰ মানুহকো অভদ্ৰ ব্যৱহাৰ কৰা উচিত নহয়। উৰ্দ্ধতন কৰ্ম্মচাৰী আৰু তলৰ কৰ্ম্মচাৰীৰ মাজত প্ৰভু ভৃত্যৰ সম্বন্ধ নহৈ সহকৰ্ম্মীৰ সম্বন্ধহে হোৱা উচিত। প্ৰত্যেকেই নিজক ৰাইজৰ সেৱক বুলি গণ্য কৰা উচিত। আনপোনে আমি দুখেৰে কবলৈ বাধ্য হৈছোঁ যে আজি-কালি বহুত মানুহৰ মনত ঔদ্ধত্য ভাবটো বেছি হৈছে। গুৰুজনক বা সন্মানীয়ক সন্মান দেখুউৱাৰ লাগে সেইটো কথা পাহৰি গৈছে। শিক্ষিত মানুহেও নিজৰ বাপেকক আনৰ আগত 'বুঢ়া" বুলি উল্লেখ কৰাটো মানুহৰ গুৰুজনৰ প্ৰতি শ্ৰদ্ধা কমি যোৱাটোৰ এটা উদাহৰণ।

কৰ্ত্তব্যজ্ঞান সম্বন্ধে আজিকালি সকলোৰেই বেছিকৈ সচেতন হোৱাৰ সময় হৈ পৰিছে। স্বদেশপ্ৰেমিক মানুহক কৰ্ত্তব্যজ্ঞান শিকোৱাৰ আৱশ্যক নকৰে। আজিকালি কিছু-মানে উৰ্দ্ধতন কৰ্ম্মচাৰীৰ আদেশ অৱজ্ঞা কৰি আত্মপ্ৰসাদ অনুভৱ কৰে। এনে মনোবৃত্তিৰ মানুহ স্বাধীন দেশ এখ-নৰ নাগৰিক হোৱাৰ অনুপযুক্ত। 'মোৰ যিটো কৰ্ত্তব্য সেইটো আচলতে দেশৰ প্ৰতি কৰ্ত্তব্য। কোনো মানুহৰ প্ৰতি ব্যক্তিগত কৰ্ত্তব্য নহয়" এনে মনোভাৱ লৈ সক-লোৱে কাম কৰা উচিত। প্ৰত্যেকেই যথাস্থানত থাকি নিজৰ নিজৰ কৰ্ত্তব্য অতি নিষ্ঠাৰে সৈতে পালন কৰি যোৱা উচিত। অতি উৰ্দ্ধতন কৰ্ম্মচাৰীৰ পৰা ছাপ্ৰাছী এজনলৈকে প্ৰত্যেকেই কৰ্ত্তব্য পৰায়ণ হলেহে দেশে উন্নতি কৰিব পাৰিব। একোটা যন্ত্ৰ ইমান জটিল যে ইয়াৰ সাধাৰণ 'স্ক্ৰু' এটাত অলপ আউল লাগিলেই যন্ত্ৰটো বিকল হৈ পৰে। সেইদৰে সাধাৰণ কাম কৰা কৰ্ম্মচাৰী এজনৰ অসহযোগে গোটেই শাসনকাৰ্য্যত নানা বিশৃঙ্খলতা আনিব পাৰে।

আজি আমি সাগৰ দেখিবলৈ পাইছোঁহক। আগেয়ে ভাৰতবৰ্ষ বহুত সৰু সৰু ৰাজ্যত বিভক্ত আছিল। এতিয়া হিমাচলৰ পৰা কুমাৰিকা আৰু পাঞ্জাবৰ পৰা কামৰূপলৈকে এই বিৰাট দেশখনেই আমাৰ দেশ। বেলেগ বেলেগ ৰাজ্যবিলাকৰ ভিতৰত নানা বিষয়ে অমিল থাকিলেও আমি সকলোৱেই ভাৰতীয় আৰু একে মহা-জাতি। কিন্তু দুখৰ বিষয় এই যুগতো কিছুমান অতি উচ্চশিক্ষিত মানুহে আমাৰ এই সৰু প্ৰদেশখনৰ ভিতৰতে কিছুমান সংকীৰ্ণ দৃষ্টিভঙ্গীৰ বশৱৰ্ত্তী হৈ কাম কৰা দেখা যায়। মই মোৰ নিজৰ অঞ্চলৰ উন্নতিৰ কাৰণেহে কাম কৰিম, মই মোৰ নিজৰ জাতিৰ উন্নতিৰ কাৰণেহে কাম কৰিম এনেবিলাক সংকীৰ্ণ মনোভাৱে জাতিৰ সংহতি নষ্ট কৰে।

ভাৰতৰ সংস্কৃতি আৰু সভ্যতা অতি পুৰণি। ইয়াৰ জনসাধাৰণ এটা ডাঙৰ ঐতিহ্যৰ অধিকাৰী। তেওঁলোক অশিক্ষিত হলেও অজ্ঞান নহয়। ভাৰতৰ জ্ঞানগৰ্ভ পুথি-বিলাকে এতিয়াও জগতৰ সকলো ঠাইৰ মানুহক অনু-প্ৰেৰণা দিয়ে। অতীজৰে পৰা এতিয়ালৈকে ভাৰতবৰ্ষত নানা মহাপুৰুষৰ জন্ম হৈছে। এই সকলো সম্পদৰ অধি-কাৰী হৈ ইয়াৰ লোকসকলে এখন আদৰ্শ দেশ আৰু এটা উন্নততৰ জাতীয় চৰিত্ৰ গঢ়ি তুলিব নোৱাৰিবনে?

—সম্পাদক

— — — —

স্বাধীনতা দিনৰ সঙ্কল্প

কবিতা]

শ্ৰীহৰিভক্ত ছেত্ৰী ।

দেশৰ কাৰণে আমি
যুজিম মৰিম ;
স্বদেশৰ হকে আমি
প্ৰাণ উছৰ্গিম ।
অসম আমাৰ দেশ
নেৰো কেতিয়াও ;
লাগিলে মৰিম আমি
নেৰো তেতিয়াও ।
জীৱনৰ আগ ছোৱা
পঢ়াত কটাম ;
সকলোৱে মিলি আমি
দেশ উজলাম ।
সকলো নিশ্চয় আমি
এদিন মৰিম

দেশৰ কাৰণে আমি
মৃত্যুক বৰিম ।
সকলো বুৰকে আমি
জয়গান গাম ;
দেশৰ কাৰণে আমি
আগবাঢ়ি যাম ।
দেশক নিদিওঁ আমি
পৰাধীন হব ;
অসম দেশৰ নাম
তেতিয়াহে ৰব ।
দেশৰ কাৰণে আমি
নিকাৰো ভুগিম ;
স্বদেশ প্ৰেমৰ ভাব
সদায় ৰাখিম ।-

ছাত্ৰ ৰচনা ।

— — — —

সমদল সঙ্গীত

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত।

উঠা উঠা ডেকাদল   শুই থকাৰ নাই কাল
উঠা যত আৰ্য্য সন্তান ;
জ্ঞানৰ প্ৰদীপ জ্বালি,   যুগৰ কালিমা নাশি
হোৱা সবে হোৱা আগুৱান।

* * *

জাতিৰ জনকে কয়   'সত্য-প্ৰেমৰ জয়,'
ৰাম-ৰাজ্য হ'ব নিৰমাণ ;
সেই পথ অনুসৰি   খোজে খোজে খোজ কাঢ়ি
আমি হ'ম চিৰ গৰীয়ান।

* * *

সৌ যে উঠিছে বেলি   মলিনতা মেঘ ঠেলি
উৰে আজি স্বৰাজ নিচান ;
ভুলি ভেদাভেদ জ্ঞান   একতাৰে বলীয়ান
সমাজক কৰা নিৰমাণ।

————

পানী-মেটেকাৰ সাৰ

শ্ৰীপদ্মকান্ত হাজৰিকা

পানী-মেটেকা নামটো শুনিলেই ৰাইজৰ নিশ্চয় গাৰ নোম শিয়ঁৰি উঠিব। উঠিবৰ কথাই; এই পানী-মেটেকাই খেতিয়কৰ খেতি বাতিত যি মাৰাত্মক অসুবিধাৰ সৃষ্টি কৰিছে, দ মাগুৰি, ৰাও-ভলী মাটি গক পেলোৱা টিকা কৰিছে, খাল বিলত মাছ থাকিব নোৱাৰা কৰিছে, ধনৰ পানীত উটি ভাঁহি আহি বোৱা, বাও, আৰু আহু ধান মাৰি খাস্তাং কৰিছে। আৰু সমূহলৈ আনিছে মেলেৰিয়া বেমাৰৰ বীজাণু। চৰকাৰৰ "সৰহ শস্য উৎপাদন" আন্দোলনৰ বিপক্ষতা কৰিছে—এই পানী-মেটেকাই। এনে মৰকুচীয়া, আপদীয়া লেকেটীয়া জলোদ্ভিদ এই বিধ যে কৰপৰা, অসম দেশ সোমাল হি "মান মোগলৰ" আক্ৰমণতকৈয়ো ই ভীষণ হৈ উঠিছে। মোগলৰ আক্ৰমণত

অসমীয়াই 'আগীয়াঠুটি' আৰু 'শৰাই ঘাট'ত দেশৰ স্বাধীনতা অক্ষুণ্ণ ৰাখিছিল। মৰি হাজিও মানৰ বিপক্ষে যুঁজ কৰিছিল কিন্তু আজি প্ৰাণ মাৰিবলৈ অগা এই পানী-মেটেকাৰ বিপক্ষে অসমীয়াই যুঁজ কৰিবলৈ অপাৰগ হৈ সেও মানিছে। পানী মেটেকাক অবাধে এৰি দিছে—ৰাজ্য জয় কৰিবলৈ। এই বিধৰ মৰণো নাই অমৰ। হালোৱা ৰোৱণীয়ে ৰোৱাভূমীত কিমান খুৰিব। পানী-মেটেকা খুৰি খুৰি মাটি কৰ লগীয়া হোৱাত হালোৱা ৰোৱণীৰ আমঠু ক'লা পৰিল। ৰোৱণীয়ে খঙতে ভগৱানকো দুষাৰ টান কথা নোকোৱাকৈ থকা নাই কণা গোসাঁয়ে নো এই আপদীয়া বিলাক নো কিয় সৰজন কৰিলে।" পানীমেটেকাৰ যিহে ধুনীয়া ধুনীয়া ফুলৰ থোপা, ফুল আকলুৱা গাভৰু হঁতেও তুলতো এথোপা নিছিঙে। কোনোবাই হাত মেলিলেও লগৰ জনীয়ে—"এই বিলাক ফুল লৈ গুজিলে মৰিবি মেলেৰিয়া হৈ" বুলি বাধা দিয়ে। সঁচাই এনে আপচু, গোঁসাই গুৰুতো নেলাগেই আৰু মানুহৰ অপকাৰ হে কৰে।

মই অৱশ্যে উদ্ভিদতত্ত্ববিৎ বা বৈজ্ঞানিকো নহওঁ কিন্তু এই আপদীয়া পানী-মেটেকাবোৰ মোৰ চকুত পৰিলেই মনত এটা প্ৰশ্ন সদায় জাগে—এই পানী-মেটেকা সঁচাকৈয়ে মানুহৰ মহাশত্ৰু হৈয়ে আছিল নে? পানী-মেটেকাৰ চনকা কোমল বুকুত উপকাৰিতাৰ ৰসপম এক ধনিষ্ঠা মানো নাই নে চাগে ইত্যাদি বহুত কিবা খেলি মেলি ভাব কিছুমানৰ সৃষ্টি হয়। কেতিয়াবা পানী-মেটেকাৰ ফুলৰ থোপা ছিঙি ভয়ে ভয়ে শুঙিও চাওঁ। ফুলৰ গোন্ধ হে নাই কিন্তু বৰ ৰূপহী। ফুলৰ পাহিবোৰ ইমান কোমল যে আলফুলকৈ হাতত ললেও যেন কুমলীয়া ধুনীয়া পাহিবোৰ ছিঙি ভাগি যাব, পাহিৰ ধুনীয়া ৰং খিনি যেন খহি পৰিব। কেতিয়াবা গছ এজোপা উঠাই আনি ফালিছিৰি চাওঁ, কুমলীয়া চনকা ঠাৰি বিলাক ছিগি ভাগি যায়—পেলাই দিওঁ। অৱশ্যে এইবোৰ যে অকল ধেমালিতে কৰো তেনে নহয়—কিজানি পানী-মেটেকাৰ বুকুত কিবা অনুসন্ধানৰ স্থল পাওঁৱেই এই আশাত। পানী-মেটেকাৰ প্ৰতি মোৰ মনটো ইমান আকৃষ্ট কিয় হল কব নোৱাৰোঁ। এদিন পানী-মেটেকাৰ ফুলৰ থোপা কিছুমান ৰৰমতে ছিঙি আনি টেবুলৰ ওপৰৰ ফুল-দানীত থৈ ৰূপ সৌন্দৰ্য্য চৰ্চ্চা কৰোঁতে ঘৰৰ মানুহৰ কেটেৰা জেঙেৰাও খাব লগীয়া হল। তথাপিও মই পানী-মেটেকাৰ প্ৰতি আসক্ত। অৱশ্যে এই আসক্তিয়েই এদিন হঠাতে বাস্তৱ পৰিণতিলৈ ৰূপান্তৰ হল আৰু মনতে কিবা এটা যেন পালো এনে এটা নিশ্চিত ধাৰণা মোৰ জন্মিল। ভাবিলোঁ। পানী-মেটেকাৰ নিশ্চয় মূল্য আছে। মনতে ৰং লাগিল। মনতে ভাবিলোঁ। পানী-মেটেকা অপকাৰীয়েই নহয় উপকাৰকো আছিৰ। পানী-মেটেকাৰ ভিতৰত লুকাই থকা "মৌ কোঁহ"টোৰ বিষয়ে বাইজৰ আগত কবলৈ ইমান খিনি কথাৰ মৰণা মাৰিলোঁ। 'পানী মেটেকাৰ' পৰা অদ্ভুত গুণ শক্তিৰ খেতি বাতিৰ উপযোগী সাৰ তৈয়াৰ কৰিব পাৰি—যি সাৰ "চাল-ফেট অৱ্ এমনিয়াৰ" দৰেই উদ্ভিদৰ বাঢ়ন শক্তিত ক্ৰিয়া কৰে। কেনেকৈ ইয়াৰ পৰীক্ষা হল তাকে কোৱাৰ এই প্ৰবন্ধৰ উদ্দেশ্য।

মই ৰেলত চাকৰি কৰো। বঙিয়াত ভালেমান দিন থকাৰ পিচত আমিনগাঁও ষ্টেছনলৈ বদলি হৈ

আছিলো। আমিনগাঁৱত ৰেলৰ থকাঘৰ এটা পালোঁ। চাৰিও ফালে পানী-মেটেকাৰে ভৰি থকা জলাহৰ মাজত। জলাহত নল, খাগৰি তৰা, দল পিট, পুলি আৰু পানী-মেটেকা ভৰি আছে। মই বদলি হৈ আহোঁতে খৰালি দিন কিন্তু বৰ গৰম। মই থকা ঠাই ভোৰৰক ৰেলত কাম কৰা নকৰা সকলো মানুহেই "দলকি কলনী" বুলি কয়। বদলি হৈ আহি থকা ঘৰটো পালো বৰ সৰু। শাক পাচলি কৰ পৰা বাৰী পাতিবলৈ ঠাই নাই। তথাপিও জলকীয়া, বেঙেনাটো লাওটো ঘৰতে কই লৈ খাবলৈ পালে মনত বেচ ভাল লাগে আৰু সেইবিলাকতে লাগি পানী ছুনি দি চিকুণাই দি বাহিৰা সময় খিনিত ব্যস্ত হৈ থাকিবলৈ পালে মোৰ বৰ শান্তি। যদিও বাৰী পাতিবলৈ ঠাই নাই, ভিতৰ চোতালৰ কাষে কাষে দুই এজোপা কল গছ, জলকীয়া, বেঙেনা মৰিচ এজোপা, লাও গছ, ৰঙালাও গছ, ভিণ্ডি দুজোপামান কলো। কিন্তু মাটিবোৰ কল্যাণ্ডটীয়া আৰু এঠাৰ নিচিনা। পানী দিলে এঠা হয়, বদ দিলে শিলগুটি যেন হয়। শাক খাবধি পুলি কলো হয়, মাটিৰ গুণতে পানী ছুনি দিয়োঁ। গছ পুলিৰ চেহেৰা ঘূৰাব পৰা নাই। পয়া লগাৰ দৰে মৰ-চেৰেলা হৈ গল। ভাবিলোঁ কিছু গোবৰৰ সাৰ দিব পৰা হলে কিজানি গছপুলিবিলাক উঠি গা কৰিব পাৰিলে হয়। গোবৰ পোৱাও মস্কিল। উদভীয়া গৰুৰে কৰবাত দুই এচুৰা এৰি থৈ গলেও বঙালী তিৰোতা সকলৰ হাতে কঢ়া আজোৰা। তেওঁলোকে গোবৰৰ পিঠাসাজি শুকুৱাই খৰিৰ সলনি ব্যৱহাৰ কৰে।

এদিন অফিচৰ পৰা কাম কিছু কম থকাত সোমকালে আহি "আমিনগাঁও বস্তী" নামে অসমীয়া মানুহৰ গাঁও খনলৈ গৈ গোবৰৰ গুড়ি কিছু আনিম বুলি ভাবি পিচফালেদি জলাহৰ কাষে কাষে ওলাই গলো। ঘৰৰ পৰা ওলাই ১০ নল মান গৈছো। জলাহৰ পাৰত গোটাই থোৱা ক'লা ক'লা গোবৰৰ দমৰ দৰে বননিৰে ঢাক খাই থকা দেখা পাই গোবৰৰ দম বুলিয়েই ওচৰলৈ গৈ ভালকৈ পিটিকি চাই গোবৰ বুলি মোৰ দৃঢ়বিশ্বাস হল। ভাবিলো হয়তো কোনোবাই বাৰিষা এই টিলা বিলাকত গৰু, মহ বান্ধিছিল আৰু গোবৰ জাবৰ বোৰ দমাই থৈছিল। সেই ভাবিয়েই ঘৰলৈ ঘূৰি আহি কোৰ খন আৰু পাচি এটা লৈ দম এটাৰ ওপৰটো অতাই তাৰে কেই পাচি মান সাৰ আনি মোৰ জলকীয়া, বেঙেনা পুলি বিলাকৰ গুৰিয়ে গুৰিয়ে গুড়ি কৰি দি মাটি দি ঢাকি দিলো। মনতে ভালেই পালো, গাঁৱৰ পৰা ননাকৈয়ে ওচৰতে গোবৰৰ সাৰ খিনি পালো। পিচদিনা আৰু দুপাচি মান আনো বুলি কোৰ খন পাচিটো লৈ গৈ কোৰেৰে চাব দিছোঁহে মাথোন, এনেতে জলাহতে গা ধুই থকা বঙালী ভগনীয়া এজনে কলে বঙালী ভাষাতে "বাবু এইবোৰ নি কি কৰিব?" মই কলো "গছৰ গুৰিত সাৰ দিম। এইবোৰ জানো গোবৰ নহয়?" তেওঁ কলে "বাবু এইবোৰতো গোবৰ নহয় (ওচৰতে থকা পানী মেটেকা দেখুৱাই) এই গছবিলাক ইয়াত মানুহে মাছ মাৰিবৰ সময়ত পানীৰ পৰা উঠাই দম কৰি ৰাখিছিল। সেই বিলাকেই জহি খহি গেলি পচি এই ৰকম হৈছে।" তেওঁৰ কথা শুনি মোৰ মনটো কেনেই ভাগি গল। এনেয়ে গছ পুলিত পয়া লাগিছে, তাতে নি দিলো গৈ এই বিহ-মেটেকাৰ গুড়ি। পিচ মুহূৰ্ত্ততে ভাবিলো নহয় ইয়াকেই দি চাওঁ-

চোন। বহুদিনৰ পৰা পানী-মেটেকাৰ ভাল গুণ বিচাৰি ফুৰিছোঁ, কি জানি শামুকৰ পেটত মাণিক ওলোৱাদি কিবা ভাল বস্তু এটা এই পানী-মেটেকাৰ সাৰ খিনিৰ পৰা পাওঁৱেই। ঔকৰা মৈত উঠাদি মহো গছ পুলিয়েই মৰক ইয়াকে দি তেও পৰীক্ষাকে কৰোঁ বুলি আৰু দুপাচি নি গছ পুলিৰ গুৰিয়ে গুৰিয়ে দিলো আৰু দুই বেলা ক্ষতি ক্ষুণ নোহোৱাকৈ পানী দিবলৈ ধৰিলো। কি আচৰিত সপ্তাহটোৰ পিচতে পৰা লাগি থকা গছ পুলি বিলাকৰ চেহেৰা বদলি হৈ গল। দিনক দিনে লহ পহ কৰে বাঢ়িবলৈ ধৰিলে। এজোপা বিলাহী বেঙেনাৰ গছ ইমান বাঢ়িল যে আগ চৰি গলগৈ। কাৰণ সেই জোপাত আধাসেৰ মান দিছিলোঁ। পিচত গুৰি খানি কিছুমান বাহিৰ কৰি মাটি ভৰাই দিয়াত হে দুই এটা ফুল কলি পেলাইছে। সাৰৰ কোৰত ফুলিবলৈ পাহৰিছিলেই। গছপুলি বিলাকৰ চেহেৰা পানী দেখি মনত শান্তি আহিল আৰু পানী মেটেকাৰ ভাল গুণ বিচাৰি বহুত দিন ধৰি ভাবি অহা কথা এটাৰ খুকুৰি মাৰি এটা স্বস্তিৰ নিশ্বাস পেলালো। দৃঢ় বিশ্বাস হল যে পানী-মেটেকাৰ পৰা "পচন" (কম্পষ্ট) সাৰ তৈয়াৰ কৰিলে কিজানি "চালফেট 'অব্ এমনিয়া" বা আন বৈজ্ঞানিক প্ৰণালীৰে তৈয়াৰ কৰা সাৰৰ দৰে গুণ-সম্পন্ন হব বুলি ভাবোঁ। পানী-মেটেকাৰ সাৰ তৈয়াৰ কৰিবলৈ উজু হব কাৰণ যি ঠাইত পানী-মেটেকা আছে তাৰ কাষে কাষে একোটা দ গাত কৰি পানী-মেটেকা তুলি তুলি আনি গাতত ভৰাই গাত বিলাক ৰাখিব। পুতি ৰাখি থোৱাৰ লগে লগে গাতৰ ওপৰৰ মাটি খিনি অতৰাই সাৰখিনি কোৰেৰে খানি নি ভাৰেৰে খেতিৰ মাটিত বা গছ পুলিৰ গুৰিয়ে গুৰিয়ে দি মাটি ঢাকি দিলে খেতিৰ ফলন শক্তি বাঢ়িব বুলি মই খুব বিশ্বাস কৰিছো। পানী-মেটেকাৰ সাৰৰ ক্ৰিয়া শক্তি আন সাৰতকৈ অতি বেগৱান হব বুলি ভাবিছোঁ। অৱশ্যে ইয়াক ভাল ভাৱে পুঙ্খানুপুঙ্খ ৰূপে পৰীক্ষা কৰি কঁহিয়াই চাবলৈ মোৰ সময়ৰ অভাৱ। আশাকৰোঁ কৃষি বিভাগৰ উদ্ভিদতাত্ত্বিকসকলে পানী-মেটেকাৰ বিষয় পৰীক্ষা চলাব। কৃষক ৰাইজে পানী-মেটেকাৰ পৰা পচন সাৰ তৈয়াৰ কৰি খেতি বাতিত দি পৰীক্ষা কৰি চাব বুলি আশা কৰিলোঁ। কাৰণ খেতিয়ক ৰাইজেই দেশৰ সম্পদ।

বিঃ দ্ৰঃ—পানী মেটেকাক বহুতে কচুৰি-পনা বা বিহ-মেটেকাও বোলে।

— — — —

সিও তো মানুহ

শ্ৰীসিদ্ধেশ্বৰ বড়া

সেইদিনা ৰমেশে বিয়াখন ঠিক কৰি আহিছে। বিয়ালৈ মাত্ৰ দহোটা দিন বাকী। সি কি কৰিব? খাবলৈ নাই তাৰ ভাত। সি কেনেকৈ পাতে তাৰ বিয়াখন! আকৌ সি ভাবে, নাপাতিলেও নহয়। তাৰ ঘৰখনত এজনী মাইকী মানুহ নহলে কোনে ভাত-পানী বান্ধি দিব? বিয়াৰ দিন ঠিক কৰি আহিলেই। সি লৰালৰিকৈ কাপোৰ গামোচা বোৱাই আনিলে আৰু পইচা নাই; যি আছিল সি ভাঙিলেই। ছোৱালীকতো এজোৰ বেনাৰচী কাপোৰ, এজোৰ কাণফুল, এডাল সোণৰ হাৰ, এখন আয়না আদি বস্তু দিব লাগে। সি ভাবি অস্থিৰ হৈ পৰিল। বিয়া পতা মুখৰ কথা নহয়। তাত টকা লাগে! সি স্বৰ্গ, মৰ্ত্ত্য, পাতাল তিনিও লোক ভাবিছে। অৱশেষত মাটি এডোখৰ বন্ধক দি তিনিশ টকা লৈ যেনিয়ে-তেনিয়ে ছুটিয়াবলৈ ধৰিলে। সকলো বস্তু ভালদৰে যোগাৰ কৰি দুখন গাঁও মাতিছে। মিতিৰ কুটুমক মাতিছে। মুঠতে বিয়া হৈছে কাইলৈ। চকুৰ পচাৰতে এই দুটা দিন গ'ল।

আজি বিয়া। বহুত মানুহে জা-জলপান খাই উঠি আহিছে। বহুতে খাবলৈ বৈছে। নঙলা মুখতে এটা দুখীয়া, তথা-কথিত নীচ জাতিৰ বুঢ়া মানুহ প্ৰায় আগৰে পৰা বহি আছেহি। খাইবই সকলো খাব-লগীয়া হ'ল। বাটেদি যাওঁতে ইটোৱে কয় "হেৰ তই সিফালে যা। আমাৰ মানুহে তোক ছুলে গা-ধুব লাগিব। যা যা সিফালে যা!" বুঢ়াই কুচি-মুচি অলপ আঁতৰি কয় "দেউতা, আমি পাম নে?" ইটোৱে কয় "হেৰ ভাল ভাল খোৱাই নেপায় ঘাঁহ, বতুৱা খোৱাই বিচাৰে মাহ।" সকলো মানুহে হাতত দুটা তিনিটাকৈ জাপ পাতি খোৱা বস্তুৰ ভোগ নিছে। বুঢ়াই এবেলি হাতলৈ চায়, এবেলি বাটলৈ চায়। তাৰ দুদিন ভাত নাই। দিনত ঘৰে ঘৰে ধান, চাউল মাগি যি এমুঠি পায় তাকে খায়। সি বিশেষ কামত আগদিনা গাঁও ফুৰিবলৈ যাব নোৱাৰিলে। তাৰ হাতত খুদকণ এটিও নাই। গাঁৱৰে ৰমেশ বোপাৰ বিয়াৰ কথা শুনি সি বিয়াখনলৈ ছুচৰি-বাগৰি আহিছে। হলেই বা সি নীচ জাত। ৰমেশক তো সি পানীকেঁচুৱাৰেপৰাই দেখিছে। এতিয়াও ৰমেশে তাক 'বন্তি কাই' বুলি নামাতেনে? কিন্তু সি এতিয়া বিয়াঘৰলৈ আহি দেখিছে কি? কোনেও তাৰ খবৰকে নলয়। অহা আহিছে, খোৱা গৈছে। কাৰোবাৰ গাত গা লাগিব খুজিলে কৈ উঠে "নুছুবি, নুছুবি" বুঢ়াই

মানুহ মনে ভাবে "সিওতো মানুহ।" আজি অৱস্থা' বেয়া আৰু নীচ জাতৰ বুলিয়েই সকলোৱে ছেই ছেই লেই লেই কৰিব পাৰনে ?

বুঢ়াৰ চকুত পানী বিৰিঙিলে। এটা হুমুনিয়া কাঢ়িলে। সি এখুজি দুখুজিকৈ বিয়াঘৰৰপৰা আহিবলৈ ধৰিলে। সকলোৰে মনত আনন্দ। পেট ভৰাই খাইছে। তাৰ হে খোৱা নহ'ল !

লুকুৱাই থোৱা ধন।

শ্ৰীকুসুম কুমাৰী গোস্বামী।

কোনো এখন গাঁৱত এজন গিয়ানী খেতিয়কে বাস কৰিছিল। তেওঁ ওৰে দিনটো পথাৰত কাম কৰি খেতি বাতিৰ পৰা যি পায় তাৰেই সুখেৰে কাল কটাইছিল। তেওঁৰ লৰা চাৰিটা। কিন্তু সিহঁত মুঠেই বাপেকৰ নিচিনা নাছিল। সিহঁতে ওৰে দিন কথাৰ মহলা মাৰি অলস ভাবে সময় কটায়। খেতিয়কে তেওঁৰ পুতেকহঁতক বহুত বুজাবলৈ চেষ্টা কৰে কিন্তু সিহঁতে বাপেকৰ কথালৈ কৰ্ণপাতকে নকৰে।

লাহে লাহে খেতিয়ক বুঢ়া হৈ আহিল। তেওঁৰ শৰীৰ ভাঙি পৰিল। তেওঁ আৰু খেতিৰ কাম কৰিব নোৱাৰে, অথচ তেওঁৰ পুতেক কেইটাই তেওঁক মুঠেই সহায় নকৰে। সিহঁতে ভাবে সিহঁতৰ বাপেকৰ যি ধন সম্পত্তি আছে সেই ধনৰেই সিহঁতে সুখেৰে দিন কটাব পাৰিব। বাপেকে মিছাকৈয়ে সিহঁতক দুখ দিবলৈ বিচাৰে।

আন হাতে ভগা শৰীৰ লৈ বুঢ়াই সদায় পথাৰলৈ যায়। শেষত এনে অৱস্থা হল যে তেওঁ শোৱা পাটীতে পৰি থাকিব লগীয়া হৈ পৰিল। তেওঁ তেতিয়া পুতেকহঁতক মাতি আনি মনে মনে কলে "মোৰ সকলো ধন সম্পত্তি পথাৰৰ মাজতে পুতি থৈছো। মাটি খান্দিলে তহঁতে সেইবোৰ পাবি।"

বাপেক মৰাৰ পিচত আটাই কেইটা লৰাই মহা আনন্দেৰে পথাৰৰ মাটি কুৰিবলৈ ধৰিলে। সিহঁতৰ মনৰ ভাব যেয়ে যিমান মাটি খান্দিব পাৰে তাৰে সিমান লুকাই থোৱা ধন সোপ পোৱাৰ আশা। ধনৰ লোভত সকলোৱেই দিনে নিশাই মাটি কুৰিবলৈ লাগিল। কিন্তু বহুত খনাৰ মূৰতো কোনো লুকুৱাই থোৱা ধনৰ সন্ধান নেপালে। পিচত সিহঁতে ঠিৰাং কৰিলে যে বাপেকে নিশ্চয় মৰিবৰ সময়ত সেই বিলাক ভুল বকিলে। ইকালে ঘৰত যি ধান চাউল সাঁচি থোৱা আছিল, সিও ক্ৰমে টুকাই আহিল। তেতিয়া সিহঁতে পথাৰত ধান সিচি দিলে। মাটিও খুব ভালকৈ চাহ কৰা আছিল হেতুকে সেই বছৰ খুব ভাল ধান হ'ল। যৌতি ভাল দৰে হোৱাত সিহঁতৰ অৱস্থাও ভাললৈ আহিল। কিন্তু লুকুৱাই থোৱা ধনৰ কাৰণে সিহঁতৰ মন এতিয়াও খুহুৱাই থাকে। সেই কাৰণে খেতি চপোৱাৰ পিচতো

সিহঁতে পথাৰখন প্ৰায়েই কুৰি থাকে। তাৰ পিচৰ বছৰো সিহঁতে বৰ ভাল ধান আৰু মাহ, সৰিয়হ, আলু আদি নানা শইচ পালে। সেই বিলাক বেচি সিহঁতে বহুত টকা পালে।

এদিন সিহঁতে গাঁৱৰ গাওঁবুঢ়াৰ ওচৰলৈ গৈ বাপেকে মৰিবৰ সময়ত কোৱা কথাষাৰ কলে। গাওঁবুঢ়াই এই কথা শুনি কলে "বোপাইহঁত তোমালোকৰ পিতাৰাই তোমালোকক ঠগা নাই। তেওঁ তোমালোকক স'চা কথাকে কৈ গৈছে। খেতিৰ মাটিতেই ধন লুকাই থোৱা আছে। খেতিৰ পৰা পোৱা বস্তুৱেই খেতিয়কৰ আচল ধন। তাত আন একো ধন লুকুৱাই থোৱা নাই। তোমালোক এলেহুৱা কাৰণে তোমালোকৰ পিতা-ৰাই তোমালোকৰ ভালৰ কাৰণে মৰিবৰ সময়ত এইটো দিহা দি গ'ল। তোমালোকে ধনৰ আশাত মাটিখিনি ভালকৈ কোৰা কাৰণে পথাৰত তোমালোকৰ ভাল শইচ হ'ল। খেতি ভাল হোৱা কাৰণে তোমালোকৰ অৱস্থাও ভাল হৈছে।

গাওঁবুঢ়াৰ কথা শুনি সিহঁতে সকলো বুজিলে। সিহঁতৰ আনন্দৰ সীমা নোহোৱা হ'ল। তেতিয়াৰ পৰা সিহঁতে এলাহ কৰিবলৈ এৰি খেতিৰ কামত মন দিলে। সিহঁতে বুজিলে যে সিহঁতে এলেহুৱা হৈ থকা কাৰণেই ইমান দিন সংসাৰত একো উন্নতি কৰিব পৰা নাছিল।

অসমীয়া বিয়াৰ জোৰানাম

—শ্ৰীসৰ্ব্বেশ্বৰ ভাণ্ডাৰি ফুকন।

ভ'ৰালতে চঁাচিয়াই
        নিগনি পোৱালী চ'কি হে।
জোঁথা কটা এন্দুৰলৈ
        নিদিওঁ মই ছোৱালী চ'কি হে॥
মই যদি মিছা কৈছো
        বাইজকে সোধা চ'কি হে।
কলা তলত বহি আছে
        কলে খোৱা বোন্দা চ'কি হে॥
একে নেছি মুগা সূতা
        তাৰো নেপাওঁ আঁতে চ'কি হে।
বতা আগত আঁৰি থৈছে
        দাঁতে চ'কি বোন্দা গাল হে॥

নিৰক্ষৰতা দূৰীকৰণত বোম্বাইৰ সামাজিক শিক্ষা কমিটীৰ প্ৰচেষ্টা

বোম্বাই নগৰ সামাজিক শিক্ষা কমিটীৰ যত্নত বোম্বাইত থকা লাখ লাখ নিৰক্ষৰ মতা তিৰোতা সাক্ষৰ হৈছে। এই কমিটীয়ে কাৰখানা বা হৰিজন বস্তিলৈ গৈ তাত থকা মানুহবিলাকক লেখা পঢ়া শিকোৱাত সহায় কৰে।

প্ৰত্যেক বছৰে ৩০ হেজাৰ মতা তিৰোতাই এই কমিটীৰ পৰা সাক্ষৰ হোৱাৰ চাৰ্টিফিকেট পায়। ১৯৩৯ খৃষ্টাব্দৰ পৰা এই কমিটীয়ে এই কামত হাত দিয়াৰ পৰা আজিলৈকে আঢ়ৈ লাখ মতা তিৰোতাই লেখিবলৈ আৰু পঢ়িবলৈ শিকিছে। এই কমিটীয়ে শিক্ষা দিয়া কাল মাত্ৰ চাৰি মাহ। শিকোৱাৰ সময়ত একেলগে প্ৰায় আঠশ ক্লাছ কৰা হয়। নিৰক্ষৰ সকলক মাৰাঠী, গুজৰাটী, হিন্দি, উৰ্দ্দু, তেলেগু, কানাড়ী আদি যাৰ যি ভাষা সেই ভাষাৰ যোগেদি শিক্ষা দিয়া হয়। ঘাইকৈ লেখিবলৈ, পঢ়িবলৈ আৰু অঙ্ক কৰিবলৈ শিকোৱা হয়। এই বিলাক শিকোৱাৰ পিচত স্বাস্থ্যৰক্ষা, চাফচিকুণ হৈ থকা, বুৰঞ্জী, ভূগোল আৰু প্ৰাথমিক বিজ্ঞান সম্পৰ্কে শিক্ষা দিয়া হয়।

সাধাৰণতে মতা মানুহক ৰাতিৰ স্কুলত শিক্ষা দিয়া হয়। তিৰোতা বিলাকক দিনতহে শিক্ষা দিয়া হয়। নানা ধৰণৰ জঞ্জাল থকা স্বত্বেও এতিয়ালৈকে ৪০ হেজাৰ তিৰোতাই লিখিবলৈ আৰু পঢ়িবলৈ শিকিছে।

শিক্ষক সকলক দৰমহা দিয়া নহয়। ছাত্ৰ সকলৰ পৰাও কোনো প্ৰকাৰ মাচুল লোৱা নহয়। আনহাতে তেওঁলোকক কিতাপ, চিলট, বহী, পেন্সিল ইত্যাদি দাম নোলোৱাকৈ দিয়া হয়। কমিটীয়ে বয়স্ক সকলক শিক্ষা দিবৰ কাৰণে প্ৰায় ৪০ খন কিতাপ প্ৰকাশ কৰিছে। ইয়াৰ বাহিৰেও কমিটীয়ে মাৰাঠী ভাষাত এখন পোষ্কৰ দিনীয়া আলোচনীও প্ৰকাশ কৰিছে। কমিটীয়ে ডাঙৰ ডাঙৰ আখৰেৰে বেলেগ বেলেগ বিষয়ত ৫০ খন পুথি লেখোৱাইছে। আখৰ শিকি উঠাৰ পিচত এই বিলাক কিতাপ পঢ়িবলৈ দিয়া হয়।

নিৰক্ষৰ সকলক শিক্ষা দিবলৈ শিক্ষামূলক কথাছবিৰ সহায়ো লোৱা হয়। প্ৰতি বছৰে প্ৰায় ৯শ কথাছবি দেখুৱা হয়। মাজে মাজে সকলো বিলাক ছাত্ৰই গোট খাই নিজৰ গাওঁখন চাফ-চিকুণ কৰা কামত লাগি যায়।

বোম্বাই নগৰৰ পৰা নিৰক্ষৰতা দূৰ কৰা কামত প্ৰত্যেক বছৰে ৩ লাখতকৈও বেচি টকা খৰচ হয়। ইয়াৰ শতকৰা ৫০ ভাগ চৰকাৰে দিয়ে ১ লাখ টকা বোম্বাই কৰ্পোৰেচনে দিয়ে আৰু বাকী টকা জনসাধাৰণৰ পৰা তোলা হয়। —সম্পাদক।

ৰামণ মহৰ্ষি ।

জীৱনী)

ৰামণ মহৰ্ষি দাক্ষিণাত্যৰ এজন প্ৰকৃত যোগসিদ্ধ আৰু ধৰ্ম্মাত্মা মহাপুৰুষ আছিল । তেখেতে ১৪ এপ্ৰিল শুকুৰাৰে (১৩৫৭) ৭১ বছৰ বয়সত তিৰু ভান্নামালাইৰ শ্ৰীৰামণ আশ্ৰমত দেহ ত্যাগ কৰিছে । লৰাকালৰপৰাই তেখেতৰ সংযম, ত্যাগ, সত্যনিষ্ঠা, ঈশ্বৰত প্ৰেম আৰু ধ্যানশীলতা দেখি মানুহে বিস্ময়ান্বিত হৈছিল । তেখেতে দক্ষিণ ভাৰতৰ মাদুৰা অঞ্চলত এটা সুশিক্ষিত আৰু সম্ভ্ৰান্ত মাদ্ৰাজী ব্ৰাহ্মণ বংশত জন্ম গ্ৰহণ কৰিছিল । তেতিয়া তেখেতৰ নাম আছিল—বেঙ্কট ৰামণ । লৰাকালৰ পৰাই সংসাৰৰ ভোগসুখ আৰু বিষয় ঐশ্বৰ্য্যৰ প্ৰতি তেখেত বিমুখ আৰু বিতৃষ্ণ আছিল । সোতৰ বছৰ বয়সতেই তেখেতে ঘৰ সংসাৰ এৰি এটা পাহাৰৰ নিৰ্জ্জন গুহাত একনিষ্ঠ ভাৱে তপস্যা কৰিছিল । এই কঠোৰ তপস্যাৰ কাহিনী বৰ ৰোমাঞ্চকৰ । বহু বছৰ ব্যাপি টোপনি নহাকৈ কঠোৰ তপস্যাৰ ফলত তেখেতে ভগৱানৰ সাক্ষাৎ লাভ কৰি প্ৰকৃত ব্ৰহ্মবিদ হৈছিল ।

ৰামণ মহৰ্ষিয়ে প্ৰকৃত মহাপুৰুষৰ আদৰ্শ দেখুৱাই গৈছে । তেওঁ আত্ম প্ৰতিষ্ঠা লোকমান্য সম্বন্ধে একেবাৰে অনাসক্ত আৰু উদাসীন আছিল । এই কাৰণে বহুত বছৰ নিজানত অৰুণাচলম পৰ্ব্বতৰ গুহা এটাত মানুহৰ চকুৰ আতৰত নিজক লুকুৱাই ৰাখিছিল । কিন্তু ঘটনাক্ৰমে গণপতি শাস্ত্ৰী নামে প্ৰসিদ্ধ কবি এজনে ৰামণ মহৰ্ষিক আবিষ্কাৰ কৰিলে । ইয়াৰ পিচৰ পৰা তেখেতৰ ওচৰলৈ ধৰ্ম্মপিপাসু নৰনাৰীৰ সোঁত বৰলৈ ধৰিলে । এই ব্ৰহ্মবিদ মহাপুৰুষৰ আধ্যাত্মিক মহত্ব আৰু চাৰিত্ৰিক মহিমা লাহে লাহে গোটেই ভাৰতবৰ্ষ আৰু তাৰ বাহিৰত বিয়পি পৰিছিল । ভাৰতৰ নানা প্ৰদেশৰ পৰা এনেকি ইংলেণ্ড, ফ্ৰান্স, জাৰ্ম্মেনী আৰু আমেৰিকাৰপৰাও বহুত সুশিক্ষিত সম্ভ্ৰান্ত আৰু ধৰ্ম্মান্বেষী মানুহ আহি ৰামণ মহৰ্ষিক দৰ্শন কৰিবলৈ আৰু তেওঁৰ আশীৰ্ব্বাদ লাভ কৰিবলৈ আহিছিল ।

পল ব্ৰণ্টন নামে ফৰাচী জ্ঞানী মানুহ এজনে মহৰ্ষিৰ জীৱনী আৰু বাণী সম্বন্ধে তেখেতৰ 'ইন্ চাৰ্চ অব চিক্ৰেট ইণ্ডিয়া' নামে ইংৰাজী পুথিখনত বিশেষকৈ লেখিছে । আমি তেখেতৰ উপদেশ ভৱিষ্যতে আমাৰ এই আলোচনী খনত প্ৰকাশ কৰিম ।

ধৰ্ম্মৰ নামত ভণ্ডামি কৰা মানুহৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে । এনে সময়ত ৰামণ মহৰ্ষিৰ নিচিনা প্ৰকৃত মহাপুৰুষৰ জীৱনী আৰু উপদেশ যিমানে আলোচনা হয় সিমানে মঙ্গল ।

—সম্পাদক—

—:•••:—

খেতিয়ক ভাইসকললৈ।

মঃ ছৈয়দোৰ ৰহমান।

অসম সামাজিক শিক্ষা বিভাগৰ মুখপত্ৰ 'জনশিক্ষা' কাকতখন বাইজে পঢ়িছে নহয়নে? ই সৰল ভাষাৰে গাঁৱলীয়া মানুহক নানা কথা শিকাই বৰ উপকাৰ সাধিছে নহয়নে বাৰু? আৰু বোধকৰোঁ ইয়াত ওলোৱা প্ৰবন্ধবিলাকৰ বেছি ভাগেই মোৰ নিচিনা গাঁৱলীয়া মানুহেই দিয়া। গতিকে মযো সাহ কৰি ইয়াতেই মোৰ গাঁৱলীয়া ভাইসকললৈ দুটামান কথা কবলৈ আগ বাঢ়িলোঁ।

গাঁৱৰপৰা অহা বেছি ভাগ মানুহেই খেতিয়কৰ লৰা। আমাৰ খেতিৰ ওপৰতেই দেশখন চলি থাকে। গতিকে চৰকাৰে বৰ্ত্তমান খেতিৰ ওপৰত বিশেষ জোৰ দিছে। আমিও খেতিৰ বিষয়ে সকলো কথা জনা লোকৰপৰা শিকি লোৱা উচিত। আমি আনৰ পৰা একো শিকিবলগীয়া নাই আৰু আমি নিজেই সকলো জানো বুলি বহি থাকিলে আমাৰ নিজৰেই লোকচান হ'ব। সি যি হক এতিয়া আমাৰ কৰলগীয়া কথা খিনি কওঁ।

যি কোনো খেতি যেনে শাক-পাচলিৰ খেতি অলপ আগতীয়াকৈ কৰিব পাৰিলে দুপইচা সৰহ দাম পোৱাৰ আশা থাকে। আমাৰ দেশত সাধাৰণতে একে ডোখৰ মাটিতেই একে বিধৰ খেতিকে ওপৰা-উপৰিকৈ সদায় কৰি থাকে। অৰ্থাৎ যোৱা বছৰ যি মাটিত আহুধান কৰিছিল এই বছৰো সেই ডোখৰ মাটিত আহুধানকে কৰিব। একে ডোখৰ মাটিতে বাৰে প্ৰতি একেটা খেতি কৰি থাকিলে মাটি বেয়া হয় আৰু বছৰে বছৰে খেতি দুৰ্ব্বল হৈ আছে। সেই কাৰণে একে ডোখৰ মাটিতে প্ৰতি বাৰে একেটা খেতি নকৰি বেলেগ বেলেগ বিধৰ শস্যৰ খেতি কৰিব লাগে। মাটিডোখৰত এবাৰ চুটি শিপাৰ আৰু পিছৰ বাৰ দীঘলীয়া শিপাৰ শস্যৰ খেতি কৰিব লাগে। দীঘলীয়া শিপাৰ গছে মাটিৰ বেছি তলৰ পৰা আহাৰ খানি খায় আৰু সেই কাৰণে মাটিৰ ওপৰ ভাগৰ সাৰ খিনি জমা হৈ থাকে। পিছত যেতিয়া চুটি শিপাৰ খেতি কৰা যায় তেতিয়া সি সহজে মাটিৰ ওপৰত জমা হৈ থকা আহাৰ খাব পাৰে। গতিকে একেডৰা মাটিত এবাৰ সাৰ দি দুই তিনিটা ফচল সহজে পাব পাৰি। তেনে কৰিলে শস্যও বেছি হয় আৰু সাৰৰ খৰচো কম হয়। ভাল খেতি পাবলৈ হলে সাৰৰ কাৰণে বিশেষ মনোযোগ দিব লাগে। আমি একো খৰচ নকৰাকৈয়ে ঘৰৰে গোবৰ, জাবৰ আদিৰে এবিধ ভাল সাৰ তৈয়াৰ কৰি লব পাৰোঁ। ইয়াক গেৰোৱা সাৰ বোলে। ভালকৈ গাত খানি গোবৰ, জাবৰ, ছাই আদি পুতি ৰাখিলে তিনি চাৰি মাহৰ মূৰত যিটো বস্তু হয় তাকে পচন সাৰ বা গেৰোৱা সাৰ বোলে। এই সাৰ তৈয়াৰ কৰাৰ পৰা দুটা লাভ হয়। সাৰো হয় আৰু লগতে ঘৰখনো পৰিষ্কাৰ থাকে। এই পচন সাৰৰ গাত বিলাক ঘৰৰ ওচৰত বা খেতিৰ মাটিৰ ওচৰত হোৱাটোৱেই আটাইতকৈ সুবিধা। ঘৰৰ ওচৰত হলে লৰাছোৱালীবিলাকেও দৈনিক গোটোৱা জাবৰ গোবৰ বিলাক কঢ়িয়াই নি গাতটো পূৰাব পাৰে। পিছত খেতিৰ সময়ত সহজে গাঁতৰ পৰা সাৰ উলিয়াই নি পথাৰত দিব পৰা যায়।

এইদৰে খেতিয়ক ভাই সকলে অলপ বুধি খটুৱাই খেতি কৰিলে নিশ্চয় ভাল ফল পাব।

গেলিলিও আৰু আৰ্কিমিডিচ।

লক্ষেশ্বৰী ডেকা

১৫৬৪ চনৰ ১৫ ফেব্ৰুৱাৰীত গেলিলিওৰ জন্ম হয়। তেওঁৰ দেউতাক গানবাজনা আৰু অঙ্কত পাকৈত আছিল। কিন্তু এইবিলাকৰ পৰা তেওঁ নিচেই সামান্যহে টকা পাইছিল। তেওঁ গেলিলিওক কাপোৰৰ ব্যৱসায় কৰিবলৈ লগাই দিলে। কিন্তু গেলিলিওৰ মনত আন ভাব আছিল। তেওঁ কাপোৰৰ বেপাৰ দুদিন মান কৰাৰ পিচতেই দেউতাকৰ আদেশ লৈ ইটালীৰে পিচা নামে এখন ঠাইৰ বিশ্ববিদ্যালয়ত দৰ্শন আৰু চিকিৎসা শাস্ত্ৰ পঢ়িবলৈ লাগিল। তাৰ সকলো পঢ়া সাং কৰি তেওঁ সেই বিশ্ববিদ্যালয়তে সপ্তাহত ৫ চিলিং দৰমহা লৈ অধ্যাপক নিযুক্ত হ'ল। কেবা শতাব্দীৰো আগতে এৰিষ্টটলে বিজ্ঞানৰ যিবিলাক তথ্য আৱিষ্কাৰ কৰিছিল জনসাধাৰণে কোনো প্ৰশ্ন নকৰাকৈ সেই বোৰকে ভুলে ভালে মানি আহিছিল। কিন্তু গেলি-লিওৱে সেইবিলাকৰ প্ৰতিবাদ কৰিবলৈ লাগিলে।

এৰিষ্টটলৰ মত আছিল এশ পাউণ্ড ওজনৰ আৰু এক পাউণ্ড ওজনৰ দুটা বস্তু একেসময়তে ওপৰৰ পৰা পেলাই দিলে এক পাউণ্ড ওজনৰ বস্তুটোতকৈ এশ পাউণ্ড ওজনৰ বস্তুটো এশ গুণ আগতে মাটিত পৰিবহি। গেলিলিওৱে মত প্ৰকাশ কৰিলে যে ওজন কম বেচি হলেও দুয়োটা বস্তু একেলগে পৰিব। ১৫৯০ চনত এদিন পিচা চহৰৰ জগত বিখ্যাত সদায় হেলনীয়া হৈ থকা মিনাৰটোৰ ওপৰৰ পৰা শ শ মানুহৰ আগত গেলিলিওৱে এশ পাউণ্ডৰ ওজনৰ আৰু এক পাউণ্ড ওজনৰ দুয়োটা বস্তু মাটিত পেলাই দিলে। বস্তু দুয়োটা একেসময়তে মাটিত পৰা দেখি সকলো মানুহ আচৰিত হ'ল আৰু গেলিলিওৰ কথাই সঁচা বুলি সকলোৱে বুজিলে। কিন্তু পূৰ্বৰ ভুল মতটোকে আঁকোৰ গোজালি দি ধৰি থকা কিছুমান মানুহ গেলিলিওৰ ঘোৰ শত্ৰু হৈ পৰিল। সিহঁতে গেলিলিওক পিচা নগৰৰ পৰা গুচি যাবলৈ বাধ্য কৰিলে। কিন্তু সেই ঠাইৰ পৰা গৈ গেলিলিওৰ ভালহে হ'ল। পাদুৱা নামে ঠাইত তেওঁ অধ্যাপকৰ কাম পালে। তাত ওঠৰ বছৰ অধ্যাপনাৰ ফলত তেওঁৰ যশ চাৰিওপিনে বিয়পি যায়।

১৬০৯ চনত গেলিলিওৱে এবাৰ ভেনিচলৈ গৈ শুনিলে যে লিপাৰেচ নামে এজন চচমা বেচোতাই দূৰৰ সৰু বস্তু ডাঙৰকৈ দেখা এবিধ যন্ত্ৰ আবিষ্কাৰ কৰিছে। গেলিলিওৱে সেই যন্ত্ৰটো চাবলৈ নগৈ নিজেই তেনে এটা যন্ত্ৰ আবিষ্কাৰ কৰাত লাগি গল। ১৬৪৭ চনৰ ৩০ জানুৱাৰী তাৰিখে গেলিলিওৱে নিজে আবিষ্কাৰ কৰা যন্ত্ৰটোৰ দ্বাৰা থিৰ কৰিলে যে সূৰ্য্যৰ চাৰিও-ফালে পৃথিৱী আৰু আন আন গ্ৰহ বোৰ ঘূৰি আছে এই কথা শুনি গেলিলিওৰ শত্ৰু বিলাক একেবাৰে উত্তেজিত হৈ পৰিল। তেওঁলোকে কবলৈ ধৰিলে "গেলিলিওৱে সদায় ওলোটা কথা-বিলাকহে প্ৰমাণ কৰি ফুৰে।" সেই সময়ৰ মানুহো মূৰ্খ। গেলিলিওৰ বিচাৰ হ'ল। বিচা-ৰকে গেলিলিওক তেওঁৰ মত প্ৰচাৰৰ পৰা বিৰত

থাকিবলৈ হুকুম দিলে আৰু সাবধান কৰি দিলে যে এই আদেশ অমান্য কৰিলে তেওঁক ফাটেকত দিয়া হ'ব। গেলিলিওৱে তেতিয়া মান্তি হ'ল যদিও পিচত কথা ৰাখিব নোৱাৰিলে। নানা যুক্তি দেখুৱাই পুৰণি ভুল আঁতৰাই নিজৰ মত প্ৰকাশ কৰি এখন কিতাপ ছপাই উলিয়ালে। আদেশ অমান্য কৰাত তেওঁক ফাটেকত দিয়া হয়। প্ৰায় আশী বছৰীয়া গেলিলিওৰ স্বাস্থ্য একেবাৰে ভাঙি পৰিল। চকুৰে নেদেখা হ'ল। ফাটেকত থকা অৱস্থাত মহা কবি মিল্টনে তেওঁক কৈছিল গৈ "আপোনাৰ কিতাপ ইংলণ্ডবাসীয়ে অতি হেপাহেৰে পঢ়িছে।" আৰু এবাৰ গেলিলিওৱে খেদ কৰি এজন বন্ধুলৈ লেখিছিল "এই পৃথিবী, এই ব্ৰহ্মাণ্ড, যিবিলাকক পুৰণি কালৰ জ্ঞানী সকলৰ ভুল বিশ্বাসৰ পৰা মই মুক্ত কৰি সত্যৰ পোহৰলৈ আনিছিলোঁ সেই বিলাকেই আজি মোৰ চকুৰ পৰা একেবাৰে বিলুপ্ত হৈ গ'ল।" আশী বছৰীয়া দৃষ্টিহীন গেলিলিও তেতিয়াও বৈজ্ঞানিক গৱেষণাতে ব্যস্ত। মৃত্যুৰ আগ মুহূৰ্ত্তত পুতেকক শিকাই গল কেনেকৈ এডাল দোলোকৰ সহায়ত ঘড়ী চলাব হাব কম বেচি কৰিব পাৰি। সেই নতুন ঘড়ী নৌ সজা হওঁতেই ১৬৭২ চনৰ ৮জানুৱাৰীত গেলিলিওৰ ফাটেকত থকা অৱস্থাতে মৃত্যু হয়। সেইসময়ত তেওঁৰ শত্ৰু বিলাকে তেওঁৰ কবৰৰ ওপৰত কোনো সোঁৱৰণি চিন ৰাখিবলৈ দিয়া নাছিল কিন্তু পিচত তাৰ যথোপযুক্ত ব্যৱস্থা কৰা হয়।

এতিয়া আমি আন এজন আবিষ্কাৰকৰ জীৱনীৰ বিষয়ে দু আষাৰ মান ক'ম। খৃঃ পূৰ্ব্ব ৩৩২ চনত মহৰ্ষি এলেকজেণ্ডাৰে এলেকজেণ্ড্ৰিয়া নামে নগৰ এখন প্ৰতিষ্ঠা কৰে। তেওঁৰ মৃত্যুৰ পিচত তাত এটা শিক্ষা কেন্দ্ৰ নিৰ্ম্মাণ কৰা হয়। তাৰ অধ্যাপক সকলৰ ভিতৰত এজন আছিল বিখ্যাত জ্যামিতি বিশাৰদ ইউক্লিড। কিছু দিনৰ পিচত তাতে যোগ দিলেগৈ চিৰকুমাৰ আৰ্কিমিডিচে। এলেকজেণ্ড্ৰিয়াত থকা কালত তেওঁ নানা বৈজ্ঞানিক তথ্য আবিষ্কাৰত মগ্ন আছিল। তেওঁ তাত থকা কালতেই পথাৰত পানী সিচা এটা নতুন উপায় আবিষ্কাৰ কৰে। কিছু বছৰৰ পিচত আৰ্কিমিডিচ নিজ দেশলৈ উভতি আহিল আৰু চিৰাকুজৰ ৰজা হিৰোৱে তেওঁক সামৰিক ইঞ্জিনিয়াৰ পদত নিযুক্ত কৰে। তাত তেওঁ বেচ উন্নতি কৰিলে কিন্তু তেওঁৰ মনটো আছিল সদায় নতুন তথ্য উদঘাটনত। এনে সময়তে হিৰোৱে তেওঁৰ নকৈ সজোৱা মুকুটটো খাটি সোণৰ হয় নে নহয় প্ৰমাণ কৰাৰ ভাৰ আৰ্কিমিডিচৰ ওপৰত দিলে। এদিন পানী ভৰা এটা পাত্ৰৰ ভিতৰত বহি গা ধুই থকা অৱস্থাত ভিজা কাপোৰেৰে হঠাতে পালোঁ পালোঁ বুলি চিঞৰি উঠিল আৰু তেনে অৱস্থাৰে ৰাজ সভালৈ লৰ মাৰিলে। আৰ্কিমিডিচে প্ৰমাণ কৰিলে কোনো বস্তু পানীত ডুবালে বস্তুটোৰ সমান ওজনৰ পানী পাত্ৰৰ পৰা ওলাই যায়। তেওঁ ৰজাৰ মুকুট পানীত ডুবাই প্ৰমাণ কৰি দিলে সেইটো আচল সোণৰ হয় নে নহয়। এই দৰে আৰ্কিমিডিচে বহু সূত্ৰ আবিষ্কাৰ কৰিলে। ইউক্লিডে জ্যামিতিৰ আবিষ্কাৰ কৰা কথাবিলাক কেউপিনে প্ৰচাৰ কৰিলে।

এবাৰ ৰোমান সকলে চিৰাকুজ ৰাজ্য দখল কৰিবলৈ অহাত আৰ্কিমিডিচৰ ওপৰত দেশ ৰক্ষাৰ ভাৰ পৰিল। তেওঁ কেতবোৰ আয়নাৰ সহায়ত সূৰ্য্যৰ প্ৰখৰ তাপ শত্ৰুৰ জাহাজৰ ওপৰত পেলাই

জাহাজ জ্বলাই দিলে। এই দৰে প্ৰথম বাৰৰ কাৰণে শত্ৰুৰ হাতৰ পৰা নিজ ৰাজ্য ৰক্ষা কৰিলে। আৰ্কিমিডিচৰ নন আচৰিত কৌশল দেখি ৰোমান শত্ৰু পক্ষই তবধ মানিছিল। কিন্তু দ্বিতীয় বাৰ শত্ৰু পক্ষই পুনৰ আহি চিৰাকুজ ৰাজ্য দখল কৰিলে। ৰোমান সেনাপতি মাৰ্চেলচে আৰ্কিমিডিচৰ প্ৰতিভাত মোহিত হৈ ৰোমান সৈন্যসকলক শুনাই দিলে যাতে কোনেও আৰ্কিমিডিচৰ একো অপকাৰ নকৰে। পিচে ঘটিবলৈ পালে তাৰ বিপৰীত।

আৰ্কিমিডিচে এডোখৰ নিৰলা ঠাইত নৈৰ বালিৰ ওপৰত এটা জটিল প্ৰশ্নৰ সমাধানৰ কাৰণে এদিন ব্যস্ত আছিল। এনেতে এজন শত্ৰু সৈন্যই আৰ্কিমিডিচক তাতে নিৰ্ম্মম ভাৱে তৰোৱালেৰে হত্যা কৰিলে।

পৃথিবীৰ বিখ্যাত বৈজ্ঞানিক গেলিলিও আৰু আৰ্কিমিডিচে এই দৰেই অতি নিকৰুণ ভাৱে প্ৰাণ ত্যাগ কৰে।

পোৱা-পুথিৰ পৰিচয়।

১। চপনীয়া—

ডাঃ হেমবৰুৱা, বেচ ১।০, প্ৰকাশক—ৰামধেনু প্ৰেছ, চেনিকুঠী, গুৱাহাটী।

১৪৪ পিঠীৰ এখনি গল্পৰ পুথি। প্ৰকৃততে ৰচনা বিলাকৰ প্ৰত্যেকখনেই বাস্তৱ জীৱনৰ একো একোখন প্ৰতিচ্ছবি। গতিকে এইবিলাকক গল্প নুবুলি 'ছবি' নাইবা ইংৰাজী Sketches শব্দৰ আন কোনো প্ৰতিশব্দেৰেহে অভিহিত কৰাটো সমীচীন হব। ৰচনাবিলাকত লিখকৰ স্বভাৱ সুলভ হাস্যৰসবোধ বিশেষ ভাৱে পৰিস্ফুট হৈ উঠিছে। পুথিখন পঢ়িবলৈ অকল সোৱাদ লগাই নহয় মনস্তত্ত্বৰ পিনৰ পৰাও শিক্ষাপ্ৰদ হৈছে। এনে ধৰণৰ ৰচনা লেখক অসমীয়া ভাষাত নিচেই কম। সেইসকলৰ পিচতে বৰুৱাদেৱৰ অসমীয়া সাহিত্যৰ প্ৰতি ই এটা মৌলিক আৰু উল্লেখযোগ্য দান। বৰুৱাদেৱৰ ভাষা নিৰ্ভাঁজ খৰুৱা অসমীয়া। ধাৱমান অশ্বৰদৰে ইয়াৰ গতি ক্ষিপ্ৰ আৰু উন্মুক্ত।

২। কাব্য-কাহিনী—

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, এম-এ, বি-এল, বি-টি। মূল্য সাত অনা, প্ৰকাশক—শ্ৰীবিধুভূষণ চৌধুৰী। অসমীয়া সাহিত্য মন্দিৰ, গুৱাহাটী—চিলং।

সৰু সৰু লৰা-ছোৱালী মাত্ৰেই গল্প পঢ়ি ভাল পায় কিন্তু গল্পবিলাক মনোৰঞ্জক হোৱাৰ উপৰিও শিক্ষাপ্ৰদ হ'লে সেইবিলাকৰ মূল্য দুগুণে বাঢ়ে। কাব্য-কাহিনীত থকা গল্পবিলাক আমাৰ পুৰণি ধৰ্ম্মশাস্ত্ৰৰপৰা উদ্ধৃত। এইবিলাকে তত্ত্বকথা আৰু এটা নৈতিক আদৰ্শ শিকায়। সৰুতে এইবিলাকৰ বীজ লৰাছোৱালীৰ মনত সিচি দিব পাৰিলে তেওঁলোকৰ ভবিষ্যত নৈতিক-জীৱন গঠনত সহায় হব। আজিকালিৰ যুগৰ পক্ষে এইটো বিশেষকৈ আৱশ্যক হৈ পৰিছে। গতিকে পুথিখনৰ প্ৰয়োজনীয়তাৰ বিষয়ে বেচিকৈ ন'কলেও হ'ব। পুথিখন খৰুৱা ঠাচত লিখা। লৰাছোৱালী আৰু বাইজে পঢ়ি ভাল পাব।

৩। **কীৰ্ত্তনৰ সাধু—**

শ্ৰীকমলেশ্বৰ চলিহা. বেচ ।৵৹,

প্ৰকাশক- বি, আৰ, চলিহা এণ্ড কোং,

জোড়পুৰ

পুথিৰ নামেই ইয়াত থকা বিষয় বস্তুৰ পৰিচয় দিছে। কাব্য-কাহিনীৰ বিষয়ে কৰা মন্তব্যবিলাক এই পুথিখনটো খাটে। গতিকে ইয়াত সেইবিলাক দোহাৰি কোৱা একো প্ৰয়োজন নাই। এই পুথি ডুখন লৰাছোৱালীবিলাকে এতিয়াই পঢ়ি থ'লে ভবিষ্যতে তেওঁলোকৰ পক্ষে মূল পুথিবিলাক পঢ়াৰ বাট সুগম হ'ব।

৪। **জোলোঙাৰ সাধু**—

বেচ দুটকা মাত্ৰ, পাটাছাৰকুছি, বিদ্যাপীঠ,

পাটাছাৰকুছি, কামৰূপ।

পাটাছাৰকুছি বিদ্যাপীঠৰ ছাত্ৰসকলৰ দ্বাৰা সংগৃহীত ১৪৪ পিঠিৰ এখনি গাঁৱলীয়া সাধুৰ সংগ্ৰহ। পুথিখন সম্পাদন কাৰ্য্যৰ গুৰিত অসমীয়া সাহিত্যত সুপৰিচিত শ্ৰীসুৰেন্দ্ৰনাথ শৰ্ম্মাদেৱ আৰু সেই বিদ্যাপীঠৰ কেবাজনো শিক্ষক আছে। ছাত্ৰ আৰু শিক্ষকৰ দুটীয়া প্ৰচেষ্টাৰ ই এটা উৎকৃষ্ট নিদৰ্শন। এই পুথিখনৰ প্ৰকাশনৰ দ্বাৰা ছাত্ৰসকলে সাহিত্য চৰ্চ্চাত বিশেষ উদগনি পাব।

পুথিখন প্ৰকাশৰ আৰু এটা বিশেষত্ব আছে। পাঠনিত লিখামতে এই পুথিখন বেচি পোৱা ধন দুখীয়া ছাত্ৰক সহায় কৰা কাৰ্য্যত লগোৱা হ'ব। তেওঁলোকৰ এই শুভ উদ্দেশ্য সফল হওক এয়ে আমাৰ কামনা। পুথিখনৰ সাজ-পাৰ মনোৰম, সুচিত্ৰিত আৰু আখৰবিলাক ফটফটীয়া। এই পুথিখনে অসমীয়া শিশুসাহিত্যৰ ভঁৰাল চহকী কৰিব।

৫। **অকণিৰ গল্প—**

প্ৰফুল্ল তালুকদাৰ, প্ৰকাশক, কামৰূপালয়,

চেনিকুঠি; গুৱাহাটী।

লিখক এজন কোমল বয়সীয়া ছাত্ৰ হ'লেও তেওঁৰ লিখনিত পৈণত সাহিত্যিক এজনৰ বীজ পোৱা যায়। ইয়াৰ প্ৰমাণ আমি আগেয়েই পাইছোঁ। অভিজ্ঞতা আৰু অধ্যয়নৰ দ্বাৰা তেওঁ সময়ত সাহিত্য-ক্ষেত্ৰত এটা স্থান লাভ কৰিব বুলি আমাৰ বিশ্বাস। তেওঁৰ ৰচনাবিলাক সহানুভূতি আৰু উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰেৰিত।

৬। **তৌ যেতিয়া আছে**—দ্বিতীয় প্ৰকাশ

—যতীন গোস্বামী; প্ৰকাশক—লয়াৰ্চ বুক ষ্টল,

গুৱাহাটী।

'জনশিক্ষা' ১১ শ বছৰ ৩য় সংখ্যাত এই পুথিখনিৰ সমালোচনা ওলাইছে। ইয়াৰ ভিতৰতে পুথিখনৰ দ্বিতীয় সংস্কৰণ ওলোৱাটো লিখকৰ পক্ষে উৎসাহজনক। আমি তেওঁৰ ভবিষ্যত সাহিত্য-জীৱনৰ সাফল্য কামনা কৰোঁ আৰু পুথিখন পঢ়ি আমাৰ বোধ হৈছে যে আমি এইবিষয়ে নিৰাশ ন'হম। প্ৰথমবাৰ আঙুলি টোঁৱাই দিয়াৰ মতে দুই চাৰিটা শব্দৰ আসোঁৱাহ ওচোৱা আৱশ্যক।

— ——

টেনজিং নৰ্কে

এভাৰেষ্ট (গৌৰীশঙ্কৰ) বিজয়ী টেনজিং নৰ্কেৰ জন্ম নেপালত কিন্তু তেওঁ ভাৰতৰ দাৰ্জ্জিলিঙত স্থায়ীভাৱে বাস কৰিবলৈ লয়। গতিকে তেওঁকলৈ নেপাল আৰু ভাৰত উভয়ে গৌৰৱ কৰিব পাৰে। যোৱা ২৯ মে তাৰিখে তেওঁ বৃটিছ অভিযাত্ৰী দল এটাৰ লগত হিমালয়ৰ সৰ্ব্বোচ্চ শিখৰ গৌৰীশঙ্কৰ আৰোহণ কৰি বিশ্ববাসীক চমকিত কৰিলে। এতিয়ালৈকে গৌৰীশঙ্কৰ মানৱৰ অগম্য হৈ আছিল। টেনজিঙৰ বহুত দিনৰেপৰা আকাংক্ষা আছিল এটা ভাল ঘৰ কৰা। ষ্টেটছমেন কাকতৰ পঢ়ুৱৈসকলৰ প্ৰচেষ্টাত তেওঁৰ এই আশা পূৰ্ণ হ'ল। অকল সেয়ে নহয় টেনজিঙৰ কাৰণে সংগ্ৰহ কৰা টকাৰ বাকীখিনিৰ লগত আৰু কিছু টকা লগ লগাই সেই বাতৰি কাকতখনে শ্বেৰপা জাতিটোৰ কল্যাণৰ কাৰণেও এটা পুঁজি গঠন কৰিলে। টেনজিং নেপালৰ শ্বেৰপা জাতিৰ মানুহ। টেনজিং এজন দুখীয়া মানুহ আছিল কিন্তু আজি তেওঁ এজন জগৎবিখ্যাত মানুহ। নিজৰ পুৰুষাৰ্থবলত তেওঁৰ ভাগ্য পৰিবৰ্ত্তন কৰিলে। এই অভিযাত্ৰী দলৰ ভিতৰত দলপতি কৰ্ণেল চাণ্ট আৰু আনজন গৌৰীশঙ্কৰ বিজয়ী মি হিলাৰীৰ নাম উল্লেখযোগ্য। কিন্তু মোট দোৱা শ্বেৰপাসকলৰ সহযোগ নোপোৱা হলে তেওঁলোকৰ এই বিজয় অভিযান সফল নহ'লহেঁতেন। গতিকে গৌৰীশঙ্কৰ আৰোহণ প্ৰকৃতপক্ষে এটা যৌথপ্ৰচেষ্টা আৰু ইয়াৰ সাফল্যত অংশগ্ৰহণকাৰী শ্বেৰপাসকলৰো সমান কৃতিত্ব আছে।

— — — —

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষক-সকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলমলৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

১৫ আগষ্টৰ দিনা গোটেই ভাৰতবৰ্ষতে ষষ্ঠ বাৰ্ষিক স্বাধীনতা দিৱস অনুষ্ঠিত হৈছে। এই উপলক্ষে হিমাচলৰ পৰা কুমাৰিকা আৰু পঞ্চনদৰ পৰা কামৰূপলৈকে এই কোটি কোটি অগণন জনতাৰ উদাত্ত সুৰৰ 'জয়হিন্দ' ধ্বনিয়ে দশোদিশ কঁপাই প্ৰতিধ্বনি তুলিছে। আমিও এই সুৰতে সুৰ মিলাই কৈ উঠিলোঁ "জয়-হিন্দ"।

(২)

সামাজিক শিক্ষা বিভাগৰ দ্বাৰা সাহায্য পোৱা পুথি ভঁৰালবিলাকৰ বাহিৰেও আমি বহুতলৈকে ইমান দিন 'জন শিক্ষা'খন বিনামূল্যে পঠিয়াই আছোঁ। কিন্তু সদায়েই এনেদৰে দিয়াটো আমাৰ পক্ষে সম্ভৱপৰ নহব। কাৰণ আমি যোৱা সংখ্যাতেই কৈ আহিছোঁ যে শিক্ষা বিভাগৰ গুৰিয়াল সকলে আমাক কাগজখনৰ গ্ৰাহকৰ সংখ্যা বৃদ্ধি কৰিবলৈ নিৰ্দ্দেশ দিছে আৰু লগতে আমি এইটোও কৈছোঁ যে জনসাধাৰণৰ সুবিধাৰ অৰ্থে কাগজখন আধামূলীয়াকৈ দিয়া হৈছে। আজি অসমীয়া জাতিক নানা সমস্যাই আগুৰি ধৰিছে। এই সমস্যাবিলাক সমাধান কৰিবলৈ অনুপ্ৰেৰণা যোগোৱাত সাহিত্য এপাট ডাঙৰ অস্ত্ৰ। গতিকে অসম আৰু অসমীয়াৰ উন্নতি বাঞ্ছা কৰোঁতাসকলে 'জনশিক্ষা'ৰ বছেৰেকীয়া বৰঙণি এই সামান্য ডেৰ টকা কৰি পঠিয়াই নতুন বছৰৰ প্ৰথম সংখ্যাৰ পৰা গ্ৰাহক হৈ দেশৰ মঙ্গল সাধনাত বৰঙণি যোগাব বুলি আমি ইয়াকে খাটিলোঁ। এই কাৰ্য্যৰ দ্বাৰা তেওঁলোক কম লাভৱান নহ'ব। কাৰণ, তেওঁসকলে আধা দামতে ঘৰৰ সৰু-বুঢ়া, ডেকা-গাভৰু সকলোৱে পঢ়িব পৰা এখন সচিত্ৰ আলোচনী পাব।

(৩)

আজি যি সমস্যাবিলাকৰ কথা ইয়াত উল্লেখ কৰিছোঁ তাৰেই এটাৰ বিষয়ে অলপ আলোচনা কৰিম। এইটো হৈছে কিছুমান নগাৰ মাজত স্বাধীনতাৰ আন্দোলন। নগা-পাহাৰ অতীজৰে পৰা অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংশ হিচাপে পৰিগণিত হৈ আছিল। তেওঁলোকৰ এটা খেলে আনটো খেলৰ লগত কথা বাৰ্ত্তা হওঁতে এতিয়াও অসমীয়া ভাষাৰে যোগাযোগ কৰে। কিন্তু কালৰ কি পৰিবৰ্ত্তন! আজি সেই নগাসকলেই আনৰ প্ৰৰোচনাত পৰি অসমীয়াৰ পৰা সম্পূৰ্ণ বেলেগ হ'বলৈ ওলাইছে। ইয়াৰ বিষময় প্ৰতিক্ৰিয়া গোটেই পৰ্ব্বতীয়া জাতিবিলাকৰ ভিতৰতে হ'ব। এনে পৰিস্থিতিত জনসাধাৰণে কি কৰিব পাৰে?

(৪)

বহুতো অসমীয়া ডেকাই চৰকাৰী কাৰ্য্যোপলক্ষে পৰ্ব্বতীয়া জিলাবিলাকত আছে। তেওঁলোকে নিজৰ নিজৰ কামৰ

উপৰিও উৎসৱ অনুষ্ঠান আৰু সভা, সমিতিৰ যোগেদি পৰ্ব্বত ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপন কৰিব পাৰে আৰু নৈশ-বিদ্যালয়, প্ৰাথমিক বিদ্যালয় আদি পাতি পৰ্ব্বতীয়া জাতিসকলৰ মাজৰপৰা নিৰক্ষৰতা দূৰীকৰণত সহায় কৰিব পাৰে। যোৱা সংখ্যা 'জনশিক্ষা'ত উত্তৰ কাছাৰ মহকুমা আৰু তাৰ অন্তৰ্গত হাফলং পাহাড়' নামে প্ৰবন্ধ এটা প্ৰকাশ হৈছে। লিখকে গড়কাপ্তানী বিভাগত এটা অসমীয়া দৰমহাৰ কাম কৰে। তেখেতে নিজৰ কৰ্ত্তব্য কামৰ উপৰিও পৰ্ব্বতীয়া লোকসকলক ভৈয়ামৰ মানুহৰ লগত একতাৰ ডোলত বান্ধ খুৱাবলৈ নানা চেষ্টা কৰি আছিছে। আনেও এই আদৰ্শত চলিলে পৰ্ব্বত-ভৈয়ামৰ মাজত ব্যৱধান কমি আহি এটা শক্তিশালী অঙ্গ হৈ পৰিব। সদৌ ভাৰতৰে নিৰাপত্তাৰ কাৰণে এই সীমান্ত প্ৰদেশখনত মানুহবিলাকৰ মাজত একতা থকা উচিত। পৰস্পৰৰ মাজত খিয়লাখিয়লি আৰু অবিশ্বাসৰ ভাব থাকিলে বাহিৰা শত্ৰুৱে সহজেই আমাৰ দেশ অধিকাৰ কৰিবলৈ সুবিধা পাব।

(৫)

যোৱা বছৰ আমাৰ পক্ষে ভালে বেয়াই মিহলি বছৰ। অসমত খাদ্যৰ উৎপাদন ইমান আশাতীতৰূপে হৈছিল যে খাদ্য মন্ত্ৰীয়ে অসমৰপৰা চাউল আন ৰাষ্ট্ৰলৈকো পঠিয়াব পৰা যাব বুলি ঘোষণা কৰিছিল। কিন্তু অইন অইন খোৱা বস্তুৰ দাম সেই অনুপাতে কমা নাই। প্ৰাকৃতিক দুৰ্য্যোগে আজি কেইবছৰমানৰ পৰা অসমক ধৰিছে পীড়িছে। এইবিলাক সম্পূৰ্ণভাৱে নিবাৰণ কৰা সহজ কথা নহয়। এইখিনিতে আমি অসমবাসীৰ আগত জাপানীসকলৰ আদৰ্শ দাঙ্গি ধৰোঁ। জাপানত প্ৰায়েই সাগৰৰ ধল, ধুমুহা, আগ্নেয়-গিৰিৰ উদ্গীৰণ আৰু ভূঁইকপে বিস্তৰ ক্ষতি কৰে। কিন্তু জাপানীবাসীসকলৰ চৰিত্ৰত এনে এটা দৃঢ়তা আছে যে তেওঁলোকে অকণো ধৈৰ্য্য নেহেৰুৱাকৈ ধীৰ ভাৱে ভঙা কাৰ্য্য পুনৰ গঢ়িবলৈ আৰম্ভ কৰে। প্ৰাকৃতিক দুৰ্য্যোগৰ বিৰুদ্ধে আমি বৈজ্ঞানিক উপায়েৰে যুঁজিবই লাগিব। কিন্তু অসমৰ যি কোনো অঞ্চলতে বিপদ হলে সদৌ অসমবাসীয়েই সংঘবদ্ধ হৈ সহায় কৰিবলৈ আগবাঢ়ি যোৱা উচিত। সকলো প্ৰকাৰ বিপদ আপদতে আমি ধৈৰ্য্য হেৰুৱাই সুস্থিৰ ভাৱে ভঙা আবৰ্জনাৰ স্তূপৰ পৰা নতুন অসম এখন গঢ়ি তুলিব লাগিব। জাপানী চৰিত্ৰৰ দৃঢ়তা পাবলৈ আমি জাপানী খেতিয়ৰেই প্ৰথম কাম আৰম্ভ কৰোঁচোন!

(৬)

সামাজিক শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত পুথি বিচাৰি আমালৈ নানা ঠাইৰপৰা চিঠি আহে। সামাজিক শিক্ষা বিভাগৰ বিশেষ বিষয়াৰ নিৰ্দ্দেশমতে আমি জনাওঁ যে প্ৰত্যেক-খন পুথিভঁৰালৈকে গাইগুটীয়া ভাৱে পুথি পঠোৱা আমাৰ পক্ষে সম্ভৱপৰ নহয়। গতিকে পুথিভঁৰাল পৰিচালকসকলে সামাজিক শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত পুথিবিলাক বিনামূল্যে পাব খুজিলে স্থানীয় স্কুল বিভাগৰ ডি, আই মহোদয়ৰ লগ ধৰে যেন। কোৱা বাহুল্য সামাজিক শিক্ষা বিভাগৰ দ্বাৰা সাহায্য পোৱা পুথিভঁৰালবিলাকেহে 'জনশিক্ষা' আলোচনীখন আৰু পুথিবিলাক বিনামূল্যে দিয়া হয়।

বিঃ দ্ৰঃ - আমাৰ অনবধানতাত যোৱা সংখ্যা 'জনশিক্ষা'ত কেইটিমান ছপা ভুল হৈ যোৱাত সঁচাকৈয়ে আমি দুঃখিত। সেই ভুলত সম্পাদক ডাঙৰীয়াৰ কোনো ত্ৰুটি হোৱা নাছিল। —মেনেজাৰ, অসমী আৰ্ট প্ৰেছ।

জনশিক্ষা

[illegible]

আজি [illegible] জনসাধাৰণৰ [illegible] অস্বাস্থ্য [illegible] দূৰ কৰিব লাগিব আমি [illegible] সাংস্কৃতিক উন্নয়নৰ [illegible] লাগিব। আমাৰ [illegible] সামাজিক উন্নয়ন প্ৰচেষ্টাক [illegible] দিব লাগিব [illegible] এই কাৰণেই আমি [illegible] ছাত্ৰসকলে সমাজ সেৱাৰ কামত [illegible] কথা ভাবিছোঁ।

আজি আমি সামাজিক শিক্ষা দিৱস পালন কৰিছোঁ। [illegible] জন-সাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা। [illegible] উচিত।

১৯৫৩ [illegible] নৱেম্বৰৰ দিনা অনুষ্ঠিত [illegible] সামাজিক শিক্ষা দিৱস [illegible] শ্ৰীঅমিয় [illegible]।

সম্পাদক— শ্ৰীনৰ্ম্মদেশ্বৰ শৰ্ম্মা।

4 ANNAS

[illegible]

"অন্ধকাৰৰ পৰা পোহৰলৈ নিয়া
অজ্ঞানৰপৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰপৰা নি অমৰত্ব দান কৰা"
– উপনিষৎ।

সূচী-পত্ৰ।

১। অসমৰ মুখ্য-মন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধিৰ বাণী।

২। অসমৰ বনমন্ত্ৰী শ্ৰীৰামনাথ দাসৰ বাণী।

৩। পুথি ভঁৰালৰ উপযোগিতা .. শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা এম. এ, (বি. এইচ্ ইউ), ডিপ এড্ (লণ্ডন) ডিপ এডল্ট এডুকেচন (নটিংহাম)

৪ চৌৰাংগৰ .. শ্ৰীবেণুধৰ শৰ্ম্মা

৫। পঞ্চবাৰ্ষিকী পৰিকল্পনা আৰু কৃষি ... অধ্যাপক আশ্ৰফ আলি।

৬। শ্ৰীকৃষ্ণৰ ভোক ... অধ্যাপক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা এম, এ, বি, এল, বি, টি

৭ এজন ব্যৱসায়ীৰ সাধু-সঙ্কল্প ... শ্ৰীকমলেশ্বৰ চলিহা

৮। আমাৰ গাঁও ... শ্ৰীফণীন্দ্ৰ নাথ কলিতা

৯ ভাবিচিন্তি চাইহে কাম কৰিব লাগে ... শ্ৰীঅনন্তদেৱ কাব্যতীৰ্থ সাহিত্য ব্যাকৰণ শাস্ত্ৰী

১০। কবি-খেতি ... শ্ৰীলক্ষীৰাম বৰা

১১। কুটিৰ শিল্প ... মহম্মদ হাজাৰ আলি

১২। কলিকতীয়া ফাকি .. শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস

১৩। শিশুৰ প্ৰতি মাতৃৰ স্নেহ . শ্ৰীডালিমী নাথ

১৪। একন মিছলীয়া গৰখীয়া ল'ৰা ... শ্ৰীনন্দেশ্বৰ গগৈ

১৫। শিকৰাপাৰ গাঁও যুবক লাইব্ৰেৰীৰ ইতিবৃত্ত .. শ্ৰীকনকচন্দ্ৰ বৰা

১৬। চান্দমাৰী নৈশ স্কুল .. শ্ৰীতৰুণ কুমাৰ শৰ্ম্মা

১৭। নাগানন্দ অধ্যাপক শ্ৰীৰজনী কান্ত শৰ্ম্মা এম, এ

১৮। খাদ্যপ্ৰাণ আৰু তাৰ গুণাগুণ .. মছফীকা আহমেদ

১৯। আমাৰ আলোচনা

— ০:০: —

[মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধি]

সামাজিক শিক্ষাই সমাজৰ সৰ্ব্বাঙ্গীন উন্নতি সাধন কৰিবলৈ বিচাৰে ; ই এখন সুস্থ, উন্নতিশীল আৰু ফলদায়ক গণতন্ত্ৰৰ পক্ষে প্ৰধান লাগতিয়াল আহিলা আৰু এই ধৰণে আমাৰ দেশখন গঢ়ি তোলাত স্বাধীন ভাৰতৰ নাগৰিক হিচাপে আমাৰ প্ৰত্যেকৰেই এটা দায়িত্ব আছে। এখন গণতান্ত্ৰিক শাসন পদ্ধতিৰ মূলভেটি স্বৰূপে সামাজিক শিক্ষাৰ কৃতকাৰ্য্যতা ৰাইজ আৰু চৰকাৰৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে। অতীতত সামাজিক শিক্ষাই আমাৰ ৰাষ্ট্ৰত ক্ৰমোন্নতি লাভ কৰিলেও আৰু ৰাইজে ইয়াৰ প্ৰতি সহানুভূতি আৰু সহযোগিতা দেখুৱালেও এই বিষয়ে এতিয়াও আমাৰ বহুত কাম আছে। ইয়াৰ কাৰণে সংশ্লিষ্ট সকলোৰপৰা অধিকতৰ সহানুভূতি আৰু সহযোগিতাৰ প্ৰয়োজন।

সদৌ ভাৰত সামাজিক শিক্ষা দিৱস পালন কৰাৰ উদ্দেশ্য হৈছে—এটা মহত্তৰ উদ্দেশ্য লৈ গোটেই দেশতে অতি শীঘ্ৰেই সামাজিক শিক্ষাৰ আঁচনিখন সম্পূৰ্ণ ভাৱে কাৰ্য্যকৰী কৰাৰ অৰ্থে সকলোৰে বিশেষ মনোযোগ আকৰ্ষণ কৰা আৰু এই বিষয়ে তেওঁলোকক উদ্যোগী কৰা। আজি এই শুভদিনত ৰাইজ আৰু কৰ্ম্মচাৰীসকলৰ সহায় সহানুভূতিৰ কাৰণে মই কৃতজ্ঞ হোৱাৰ লগে লগে তেওঁলোকক চৰকাৰে দাঙি ধৰা এই আঁচনি খন সম্পূৰ্ণ ভাৱে কৃতকাৰ্য্য কৰিবলৈ চেষ্টাৰ কোনো প্ৰকাৰ ত্ৰুটি নকৰিবলৈ আৰু দুগুণে যত্ন কৰিবলৈ আকৌ অনুৰোধ জনাও। জয় হিন্দ।

[১৯৫৩ খৃষ্টাব্দৰ ১ নবেম্বৰৰ দিনা অনুষ্ঠিত হোৱা সদৌ ভাৰত সামাজিক শিক্ষা দিৱস উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধিৰ বাণী।]



"সদৌ ভাৰত সামাজিক শিক্ষা দিবস উপলক্ষে গুৱাহাটীত ছাত্ৰী সকলৰ এখন শোভাযাত্ৰা।"



১৪শ বছৰ { ১৮৭৫ শক, ভাদ্ৰ-আহিন, ইং ১৯৫৩ } ৩য় সংখ্যা

[শ্ৰীৰামনাথ দাস]

মই শুনি সুখী হৈছোঁ যে আমাৰ ৰাষ্ট্ৰই আগৰ জনশিক্ষা অভিযানৰ পৰিবৰ্ত্তে সামাজিক শিক্ষাৰ নতুন আঁচনিখন হাতত লৈছে। এই আঁচনিখনত এজন মানুহক অকল সাক্ষৰেই নহয় প্ৰকৃত শিক্ষিত কৰি তুলিবলৈ যিমানবিলাক বিষয় লাগে সেই সকলোবিলাকেই আছে। প্ৰকৃত শিক্ষাই অকল লেখা-পঢ়া জনাটোকে নুবুজায়। ই ভাল আচাৰ ব্যৱহাৰ, অভ্যাস, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্য-নীতি পালন কৰিবলৈ শিকাও বুজায়। সৱশেষত কিন্তু সেই বুলি আটাইতকৈ কম আৱশ্যকীয় কথা বুলি বুজিলে ভুল হ'ব, ই মানুহক আত্মনিৰ্ভৰশীল আৰু পৰৰ মুখলৈ বাট চাব নলগীয়া কৰি তোলে। এনে ধৰণৰ শিক্ষাৰ দ্বাৰা মানুহক স্বাধীন দেশ এখনৰ নাগৰিকৰ পক্ষে লাগতিয়াল কৰ্ত্তব্য আৰু দায়িত্ববিলাক শিকাব পাৰি আৰু ইয়াৰ দ্বাৰা তেওঁলোকে গণতান্ত্ৰিক উপায়েৰে জীৱন যাপন কৰিব আৰু চলিব পৰা হয়। এই গুণবিলাকৰ অভাৱ গণতন্ত্ৰৰ বাটত ডাঙৰ প্ৰতিবন্ধক হৈ পৰে।

মই' আমাৰ জাতীয় জীৱনৰ পক্ষে বিশেষ গুৰুত্বপূৰ্ণ এই নতুন আঁচনিখনৰ জয়-যাত্ৰা কামনা কৰোঁ। জনসাধাৰণৰ মাজৰপৰা নিৰক্ষৰতা দূৰীকৰণ ঘৰুৱা জীৱন আৰু স্বাস্থ্যৰ সম্বন্ধে জ্ঞান দিয়া হাতৰ কাম আৰু গৃহশিল্প শিকোৱা, সুস্থ সংস্কৃতিমূলক বিষয়বিলাকৰ চৰ্চ্চা আৰু সেই বিলাকৰ প্ৰতি মানুহৰ আগ্ৰহ জন্মোৱা, পৌৰজ্ঞান আৰু সামাজিক উদ্যোগৰ বিষয়ে মানুহক সচেতন কৰা এই চাৰিবিধ আদৰ্শকেই সামাজিক শিক্ষাৰ আঁচনিখনে দেশবাসীৰ আগত দাঙি ধৰিছে

পুথিভঁড়ালৰ উপযোগিতা

(অল ইণ্ডিয়া ৰেডিয়ৰ সৌজন্যত)

শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্ম্মা এম্ এ

অসমৰ চুকে-কোণে পুথিভঁড়াল স্থাপনৰ কাৰণে এটি আন্দোলন আৰম্ভ হৈছে। ই অতি শুভ লক্ষণ। গাৱঁলীয়া পুথিভঁড়াল স্থাপনত সাধাৰণতে ছাত্ৰ-সমাজে আগ ভাগ লয়। তাৰ কাৰণ, পুথিভঁড়ালৰ উপযোগিতা গাৱঁৰ অইন মানুহতকৈ ছাত্ৰ সকলে বেচি ভালকৈ বুজে। স্কুল-কলেজত পুথিভঁড়ালৰ পৰা তেওঁলোকে যিমান উপকাৰ পায়, যিখিনি শিক্ষা লাভ কৰে—গাৱঁলৈ আহি পুথিভঁড়ালৰ অভাৱত তেওঁলোক তাৰপৰা বঞ্চিত হয় আৰু তাৰ অভাৱ বৰকৈ অনুভৱ কৰে। যি সকলে গাৱঁলীয়া পুথিভঁড়াল আন্দোলনৰ প্ৰতি মনোযোগ দি আহিছে তেখেতসকলে নিশ্চয় মন কৰিছে যে স্কুল-কলেজ বিলাকৰ যেতিয়া দীঘলীয়াকৈ বন্ধ হয়, তেতিয়াহে পুথিভঁড়ালৰ বাৰ্ষিক অধিবেশন, পুথিভঁড়ালৰ দুৱাৰ মুকলি আদি ৰাজহুৱা অনুষ্ঠানৰ ভিৰ হয় বেচি। স্কুল-কলেজ খুলিলেই গাৱঁলীয়া পুথিভঁড়ালৰ দুৱাৰ আকৌ বন্ধ হয়। পুথিভঁড়াল আন্দোলনৰ আগৰণুৱা হোৱা বাবে ছাত্ৰসকল যেনেকৈ আমাৰ প্ৰশংসাৰ পাত্ৰ, তেওঁলোকৰ অভাৱত পুথিভঁড়াল বোৰৰ কাৰ্য্যকলাপ বন্ধ হোৱা বাবে আমি গাৱঁলীয়া ৰাইজ তেনেকৈয়ে দোষী।

আজিও গাৱঁৰ বহুত মানুহৰ মনত ধাৰণা যে পঢ়াশালিৰ শিক্ষা সাং কৰিলে লিখা-পঢ়াৰ কাম শেষ হৈ যায়। গতিকে যি সকল লিখা-পঢ়া জনা মানুহ তেওঁলোকৰ কাৰণে পুথিভঁড়ালৰ উপযোগিতা কম। আৰু যিসকল লিখা-পঢ়া নজনা মানুহ তেওঁলোকৰ বাবেতো ইয়াৰ কোনো আৱশ্যকতাই নাই। গতিকে ছাত্ৰ আৰু শিক্ষক সম্প্ৰদায়ৰ বাহিৰে আন মানুহে পুথিভঁড়ালৰ কথা ভাবি মূৰ ঘমাব লাগিছে কেলেই? ইয়াতকৈ বেচি মাৰাত্মক ভ্ৰম বোধকৰোঁ দ্বিতীয়টি হব নোৱাৰে বৰঞ্চ কথাটি ওলোটাহে। যি দেশ শিক্ষা বিষয়ত যিমানে পিচপৰা তাত ৰাজহুৱা পুথিভঁড়ালৰ আৱশ্যকতা সিমানে বেচি; শিক্ষা-দীক্ষাত আগবঢ়া দেশৰ প্ৰত্যেক মানুহেই শিক্ষাৰ মোল বুজে আৰু নিজৰ ঘৰতে পুথিভঁড়াল একোটি গঢ়ি তোলে; কিন্তু শিক্ষাত পিচপৰা দেশত ঘৰে ঘৰে পুথিভঁড়াল হোৱাটো অস্বাভাৱিক আৰু সেই বাবেই তাত ৰাজহুৱা পুথিভঁড়াল স্থাপন কৰা অতি দৰ্কাৰী।

পুথিভঁড়ালেনো কেনেকৈ আমাৰ গাৱঁলীয়া ৰাইজৰ উপকাৰ সাধিব পাৰে, এই প্ৰশ্ন কোনো কোনোৱে সুধিব পাৰে। শিকিবৰ আগ্ৰহ থাকিলে গাৱঁলীয়া সমাজে কেবা-প্ৰকাৰেও পুথিভঁড়ালৰ পৰা উপকৃত হব পাৰে। আমি সকলোৱে জানো যে বিভিন্ন ধৰ্ম্মৰ ভেটিত আধুনিক সমাজ আৰু আধুনিক দেশ এখন সুস্থ আৰু সবল ভাৱে গঢ়ি উঠিব নোৱাৰে। প্ৰগতিশীল দেশ এখন গঠিত হব পাৰে উদাৰ জাতীয়তাৰ ভেটিতহে। নিজৰ

জাতি, বা সম্প্ৰদায়ৰ তো কথাই নাই, অকল নিজৰ দেশখনৰে কথা ভবা মানুহো আজিৰ যুগত নিন্দাৰ পাত্ৰ'। তেনে অৱস্থাত নিজ নিজ সম্প্ৰদায়ৰ গোঁসাইঘৰ বা গীৰ্জ্জাৰ যোগেদি উদাৰনৈতিক সমাজ এখন আমি গঢ়ি তুলিব নোৱাৰোঁ। তাৰ বাবে আমাক এনে এখন ঠাইৰ প্ৰয়োজন, য'ত জাতি-সম্প্ৰদায় নিৰ্ব্বিশেষে গাঁৱৰ সকলো মানুহ গোট খাব পাৰে আৰু জ্ঞানৰ চৰ্চ্চা আৰু দেশ-বিদেশৰ কথা আলোচনা কৰিব পাৰে। পুথি-ভঁড়ালৰ বাহিৰে এনে উপযোগী ঠাই অইন ক'ৰবাত হ'ব পাৰেনে ?

অভ্যাস নেথাকিলে সকলো কথাই ক্ৰমান্বয়ে পাহৰি পেলোৱা যায়। অতি হাত-পাকৈত শিপিনী এগৰাকীয়েও যেনেকৈ দীৰ্ঘকালৰ অনভ্যাসত বোৱা-কটা কাম পাহৰি যাব পাৰে, লিখা-পঢ়াৰ অভ্যাস নেথাকিলে, শিক্ষিত মানুহেও লাহে লাহে সাধাৰণ কথাও পাহৰি যায়। সেই বাবে শিক্ষিত লোকেও সদায় পুথিভঁড়ালৰ সংস্পৰ্শত থকা উচিত। বিজ্ঞানৰ যুগত দিনটোতে নতুনকৈ জানিবলগীয়া নগণ্য কথা বাঢ়িব হয়। নিতে নতুন কথা পঢ়ি নেথাকিলে বিদ্বান মানুহকো "জকাইচুকীয়া পণ্ডিত" বুলি মানুহে নেহাঁহিবনে ? আমাৰ দেশত, লিখা-পঢ়া নজনা মানুহ এজনেও শিক্ষক সকলক দোষা-ৰোপ কৰে—আৰু তেওঁলোক কৰ্ত্তব্যপৰায়ণ নহয় বুলি বাটে ঘাটে কৈ ফুৰে; পিচে তেওঁলোকে ভাবি নেচায় যে আগৰ দিনতকৈ আজিকালি শিক্ষকতা কৰা কিমান টান কাম। সদায় লিখা-পঢ়া কৰি নেথাকিলে সুপণ্ডিত এজনো শিক্ষকতাৰ বাবে অনুপযুক্ত হয়। পিয়াহ লাগিলে আপুনি জিৰ্ জিৰ্ কৈ বৈ থকা নিজৰাৰ নিৰ্ম্মল পানী খাব নে শেলুৱৈৰে ভৰি থকা ডোবাৰ ঘোলা পানী খাব ? লিখা-পঢ়াৰ অভ্যাস থকা মানুহকহে পুথি-ভঁড়াল নিজৰাৰ লগত তুলনা দিব পাৰি। পিচে গাঁৱলীয়া ঠাইৰ শিক্ষকসকলক জ্ঞান চৰ্চ্চাৰ সুযোগ দিবলৈ আমি কিবা চেষ্টা কৰিছোঁনে ? গাঁৱৰ শিক্ষা-নুষ্ঠানবিলাকৰ উন্নতি কৰিবলৈ হলেও উপযুক্ত পুথি-ভঁড়ালৰ প্ৰয়োজন। নিজে ভালকৈ নেজানিলে মানুহে অইনক ভালকৈ শিকাব নোৱাৰে।

লিখা-পঢ়া নজনা মানুহৰ কাৰণে পুথি ভঁড়ালৰ আৱশ্যকতা আৰু সৰহতোকৈ বেচি। আজিকালি চৰকাৰে সামাজিক শিক্ষাবিভাগৰ জৰিয়তে ঠায়ে ঠায়ে বয়সিয়াল লোককো শিকাবলৈ স্কুল পাতি দিছে। এনেকৈ ঠাইত বাহিৰৰ সংযোগতাৰ অভাৱত এনেবোৰ বিদ্যালয়ৰপৰা আশানুৰূপ ফল হোৱা নাই। শিকাৰুৰ যদি শিকিবলৈ মন নেথাকে, অইন মানুহে বা চৰকাৰে জোৰ কৰি কাৰোবাক শিকিবলৈ বাধ্য কৰাব পাৰেনে ? গাঁৱে গাঁৱে পুথি-ভঁড়াল একোটি নিয়মিতভাৱে চলাই ৰাখিব পাৰিলে চৰকাৰৰ সহায় নোহোৱাকৈয়ো নিৰক্ষৰ মানুহ সাক্ষৰ হ'ব পাৰে। গাঁৱত উৎসাহী শিক্ষিত লোকৰ অভাৱ আজিকালি প্ৰায় নাই। গাঁৱত সংগঠিত সমাজ যদি থাকে তেন্তে উৎসাহী শিক্ষিত ডেকা দলৰ সহায়ত আৰু পুথি-ভঁড়ালৰ যোগেদি নিৰক্ষৰতা দূৰ কৰিব পাৰি।

গাঁৱৰ পুথি-ভঁড়ালটি গোটেইখন সমাজৰে কেন্দ্ৰ-স্থান হোৱা উচিত। ই গাঁৱলীয়া ৰাইজৰ বাবে একেধাৰে বিদ্যালয়, ক্লাব-ঘৰ আৰু জিৰণিৰ ঠাই হ'ব পাৰে। গাঁৱৰ সভা-সমিতি অনায়াসে পুথি-ভঁড়ালৰ সমুখত বহিব পাৰে। গাওঁ-উন্নয়নৰ নানা আলোচনা পুথি-ভঁড়ালতে চোন হ'ব পাৰে। দেশ-বিদেশৰ বাতৰি পুথি-ভঁড়ালত থকা কাকতৰপৰা পাব পাৰি। ধৰম-

কৰমৰ কথাও কিতাপ-পুথি মেলি তাতে চাব পাৰি। গাঁৱৰ মাজ-ভাগতে, মুকলি ঠাইত, সম্ভৱত স্কুলনি-খনেৰে সৈতে যদি পুথি-ভড়ালটি স্থাপন কৰা যায় আৰু তাক চাফ্‌ চিকুণকৈ ৰখা হয়, গাঁৱৰ বুঢ়া-ডেকাই সদায় তাত এপাক মাৰিবগৈ বুলি ভাটি কৰ পাৰে। পুথি-ভড়ালত গাঁৱলীয়া ৰাইজে এটি ৰেডিও কিনি আনি ৰাখিব পাৰিলে সমূহ ৰাইজে তাৰপৰা গান-বাজনা শুনি আনন্দ পাব পাৰে আৰু দেশ-বিদেশৰ বাতৰি পাব পাৰে। গাঁৱলীয়া ৰাইজৰ কাৰণে প্ৰত্যেক দেশৰ ৰেডিও কেন্দ্ৰই বিশেষভাৱে যুগুত কৰি ভালেমান আৱশ্যকীয় আৰু জানিবলগীয়া কথা প্ৰচাৰ কৰে। পুথি-ভড়ালত থকা ৰেডিওৰ যোগেদি গাঁৱৰ সকলো মানুহেই এইবোৰ কথা সহজে জানিব পাৰে। নানা কালৰপৰা চালি-জাৰি চালে দেখা যায় যে সুদক্ষভাৱে পৰিচালিত পুথি-ভড়াল এটি জ্ঞানৰ বন্তিস্বৰূপ।

প্ৰতিখন গাঁৱতে এটি উপযুক্ত পুথি-ভড়াল সাজি-লোৱা সহজ কথা নহয়। পুথি-ভড়ালৰ বাবে ভাল মাটি এডোখৰ যেনিবা কোনোবা সদাশয়লোকে দান হিচাবে দিলেই, কিন্তু তাত ভাল ঘৰ এটি সাজি-বলৈ ধন দিওঁতা মানুহ সহজে ওলাব জানো? ৰাইজে টকা তুলি ঘৰ-দুৱাৰ বান্ধি দিলেও ভাল ভাল কিতাপ, আলোচনী আৰু খবৰ-কাগজৰ অভাৱত পুথি-ভড়াল ভালকৈ নচলিব। সেইবাবে কেবাখনো গাওঁ লগলাগিহে একোটা ভাল পুথি-ভড়াল সজা সম্ভৱপৰ। আনহাতে প্ৰত্যেক গাঁৱতে সৰু পুথি-ভড়াল একোটি থাকিব লাগে। ডাঙৰ পুথি-ভড়ালৰ পৰা তাহঁতকে তিনি চাৰি মাহৰ কাৰণে কিতাপ ধাৰলৈ আনিব লাগে। গাঁৱৰ মানুহে পঢ়ি অন্তলে সেইখিনি ওলোটাই দি আন কেইখনমান আনিব পাৰি। এইদৰে এটি ডাঙৰ পুথি-ভড়ালৰপৰাই ওচৰৰ কেবাখনো গাওঁ উপকৃত হব পাৰে। ভাল ভাল পুথি-ভড়ালবোৰক আজিকালি চৰকাৰী সাহায্য দিয়া হয়। পুথি-ভড়াল চলোৱাত পৰামৰ্শ-পাতি দিবলৈ সামাজিক শিক্ষা-বিভাগ সদায় সাজু থাকে। সদৌ অসম জুৰি আন্দোলন কৰা এটি বেচৰকাৰী অনুষ্ঠানেও আজি কিছুদিনৰপৰা অসমত পুথি-ভড়াল স্থাপন আন্দোলনত সহায় কৰিছে। চৰকাৰ আৰু ৰাইজৰ সহযোগিতাত আৰু শিক্ষিত সমাজৰ নেতৃত্বত অসমৰ পুথি-ভড়ালসমূহে গা-টঙাই উঠিব বুলি আশা কৰা যায়। *

* শিলং-গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰপৰা প্ৰচাৰিত।

গৌৰী সাগৰ

শ্ৰীবেণুধৰ শৰ্ম্মা।

শিৱসাগৰলৈ যাম-যাম বুলি বহুত দিনৰেপৰা আলচি আছিলোঁ। এনেতে পূজাৰ বন্ধ আহিল। যাবলৈ আজৰি পালোঁ। দক্ষিণ পাৰৰ সদৰ আলিয়েদি উজনিমুৱা হৈ গৈ আছোঁ, গৈ আছোঁ এনেতে ২১৬ মাইলৰ খুটি পালোঁহি গৈ। সেই-খিনিৰপৰাই আলিটোৰ সোঁহাতে এটি প্ৰকাণ্ড পুখুৰী দেখিলোঁ। মানুহক সুধি-পুছি জানিব পাৰিলোঁ—সেই পুখুৰীটোৰ নাম হেনো গৌৰী-সাগৰ আৰু তাৰ পাৰত থকা দৌলকিটাৰ নাম গৌৰীসাগৰৰ দৌল। পুখুৰী পাৰৰ চাৰিওপিনে একোটা-একোটা খাৱৈ বা যমুনা। পুৰণি ৰংপুৰলৈ গৌৰীসাগৰেদি হে সোমাব পাৰি। কাৰণ, ইয়াৰ পৰা ৩॥০ মাইলমান গলেই অসমৰ পুৰণি ৰাজধানী ৰংপুৰ নগৰ পায় গৈ আৰু তাৰপৰা ২॥০ মাইল-মান গলেই আজিকালিৰ শিৱসাগৰ নগৰ ওলাবগৈ পাৰি। গতিকেই যিডোখৰ ঠাইত গৌৰীসাগৰৰ পুখুৰী দৌল আছে, সেই ডোখৰ ঠাই এসময়ত বৰ সান্ধিৰ ঠাই আছিল।

পুখুৰীটো খনাৰ আগেয়ে ইয়াৰ নাম আছিল আলি-কৈকুৰী। ইয়াত চাৰিফালৰপৰা চাৰিটা আলি লগ লাগিছেহি। পুবৰপৰা বৰ আলি, পছিমৰপৰা গজপুৰৰ আলি, উত্তৰে হাবমতী গড়, দক্ষিণে মাছখোৱা গড় ইয়াতে মিলিছেহি। বৰ আলিৰ দাঁতিয়ে দাঁতিয়ে দিখৌ নৈয়ো বৈ গৈছে; ৰংপুৰলৈ যাবলৈ হলে, ইয়াৰপৰা নাঁৱে-তৰে যাব পাৰি। গৌৰীসাগৰৰ পুখুৰী পাৰতে তাহানি-খন মোৱামৰীয়া যুদ্ধ হৈছিল। মানক খেদিবলৈ আহি ইংৰাজ সেনাযো ইয়াতে কোঁঠ মাৰিছিল। মণিপুৰীয়া ৰজাৰ জীয়েক কুৰঙ্গনয়নীয়েও ইয়াতে বাস কৰিছিল। তেওঁৰ নামে খনা মগলু জীয়েকৰ পুখুৰীটো এতিয়াও ইয়াৰ ওচৰতে আছে।

পুখুৰীটো শিৱসিংহ ৰজাৰ দিনত খনোৱা। সেই বুলি ৰজাই খনোৱা নহয়। তেওঁৰ ঘৈণীয়েক বৰ কুঁৱৰীয়েহে খনোৱা। এই গৰাকী বৰ কুঁৱৰীৰ বিষয়ে বুৰঞ্জীত ভালেমান কথা আছে। এওঁৰে নাম ফুলেশ্বৰী বা প্ৰমথেশ্বৰী। ফুলেশ্বৰী নো কেনেকৈ বৰ কুঁৱৰী হল আৰু কেনেকৈয়ে বা তেওঁ মাইকী হৈয়ো গৌৰীসাগৰৰ দৌল পুখুৰী কৰালে, তাক সঁচাকৈয়ে শুনিব লগীয়া।

১৭১৪ চনত, শিৱসিংহ স্বৰ্গদেৱে ৰাজপাটত বহি ৰাজ্যভোগ কৰি আছে। এনেতে এদিন তেওঁ দিখৌ-মুখৰ ফালে মৃগয়া কৰিবলৈ যাওক। লগত বৰবৰুৱাও। তেওঁবিলাক সমদলে গৈ চিনাতলী পাইছেগৈ। তাতে এঘৰ মানুহৰ গোহালিত দুজনী ছোৱালীয়ে গোবৰ পেলাই আছিল। ছোৱালী দুজনীলৈ ৰজাৰ চকু পৰিল। বৰবৰুৱাক ঠাৰে-ঢিঙ্গাৰে তাহাঁতক নগৰলৈ লৈ আহিবলৈ কলে। ৰজাৰ কথামতে বৰবৰুৱাই ছোৱালী আনি ৰংপুৰ পোৱালেহি আৰু তৎক্ষণাৎ জয়সাগৰৰ দৌলৰ গোসাঁইৰ আগত নাচ-বাগ কৰিবলৈ গায়নৰ গাঁৱত থোৱাই দিয়ালে। ছোৱালী দুজনীৰ বায়েকৰ নাম ফুল আৰু ভনীয়েকৰ নাম দময়ন্তী।

ক্ৰমণস্তে ফুলৰ গাত যৌৱন শ্ৰীয়ে দেখা দিলে। ফুল সঁচাসঁচি ফুলেই হৈ পৰিল। তাইৰ ৰূপ-গুণত সকলো মোহ যাবলৈ ধৰিলে। ৰজাই ভাল পাই তাইক বিয়াকৈ থলে। কাৰেঙত শিৱসিংহ স্বৰ্গদেৱৰ লাগী-এলাগী কুঁৱৰী ভালেমানেই আছিল। তথাপি ফুলৰ নিচিনা সুৱাগী আৰু লাগী কুঁৱৰী এগৰাকীয়েই নাছিল। ঘঁৰত থাকোঁতে মাকহঁতে মৰমতে ফুলক ফুলমতী বুলি মাতিছিল। এতিয়া কাৰেঙত কুঁৱৰী হলত, তেওঁৰ নাম ফুলেশ্বৰী হ'ল। কপালত ৰাজ-ৰাজেশ্বৰী হবলৈ যেন লিখা আছিল, চিনাতলীয়া গাঁৱলীয়া ছোৱালী এজনী গৈ ৰজাৰ পাটমাদৈ হ'লগৈ।

শিৱসিংহ ৰজাই ৰাজপাট খাব নোৱাৰে বুলি ক'লত, তেওঁৰ লাগী কুঁৱৰী ফুলমতীয়েই "বৰ ৰজা" হ'ল। সিংহাসনত বহিয়েই তেওঁ প্ৰমথেশ্বৰী বুলি মোহৰো মৰালে। তাৰ অলপ দিনৰ পাচতে। সেই আলি কেকুঁৰীতে, ইং ১৭২৪ চনত ১১৩ পুৰা মাটি জোৰাই এই পুখুৰীটো খনালে আজি-কালি ১১৩ পুৰা প্ৰায় ৮৬ একৰ হব। পাৰকেইটাৰ সৈতে ধৰিলে পুখুৰীটোৰ মুঠ মাটি ২৯৩ একৰ। খৰালি ফাগুনমহীয়া পুখুৰীটো খনাবলৈ আৰম্ভ কৰে আৰু চাৰিমাহৰ মূৰত আহাৰ মাহত খনা কাম শেষ হয়। সেই মাহতে দেৱতালৈ উছৰ্গি পুখুৰীৰ নাম দিলে গৌৰীসাগৰ। ৰজাৰ ছত্ৰভঙ্গ যোগৰ প্ৰতিকাৰৰ অৰ্থে তাৰ পাৰতে আকৌ তিনিটা দৌলো কৰালে।

উত্তৰফালৰ পাৰটোতে শাৰী পাতি সেই তিনিটা দৌল আছে। পূবৰটোৱেই প্ৰথম আৰু সেইটোকে বৰদৌল বোলে। ইয়াত গোঁসানী পূজা হৈছিল। ই ওখই ১২০ হাত; তললৰপৰা ক্ৰমান্বয়ে ওপৰলৈ কলডিলটোৰ দৰে চিক্ৰা। তলৰ ভেটিটোত মেৰ ৬৪ হাত, পটিয়েদি ওপৰলৈ ১৫ হাত, বাহু ১৬ হাত। ভিতৰৰ গহবৰ ১৫ হাত। খুৰাপাটৰপৰা ওপৰলৈ ২০ হাত। ওপৰত আগেয়ে সোণৰ কলচী আছিল। মানৰ আক্ৰমণত মানহঁতে সেইবো একৰাই লৈ গল।

মাজৰটো তাভকৈ চাপৰ। তাত বৈষ্ণৱসকল নিমিত্তে বিষ্ণুৰ মূৰ্ত্তি আছিল আৰু মূধৰটোত শৈৱ সকলৰ নিমিত্তে সদাশিৱৰ পূজা-ব্যৱস্থা আছিল

দৌলকিটাৰ গাত অসংখ্য শিলত কটা মূৰ্ত্তি লগোৱা আছিল। সেইবোৰ এতিয়া নায়েই বুলি লাগে। দ'লৰ গাতে যত সেই মূৰ্ত্তি খুৰাই থৈছিল সেই গাতটোহঁত এতিয়াও খালি হৈ আছে। যিব মূৰ্ত্তি আছে সেইবোৰবো ভালেমান খহি বা এবা গৈছে। তাত লগাই থোৱা মূৰ্ত্তিবোৰ আমা শিলকটীয়ায়েই কাটিছিল। দ'লৰ ইটাবোৰো আমা মানুহেই কৰিছিল। সেই ইটা কৰা নিয়ম আ তাক গাঁথোতে লগোৱা কঁৰাল (চূণ চুৰ্কি) তৈয়া কৰোতে অশেষ যত্ন কৰিব লগীয়া হৈছিল। ইটা গুড়িৰ লগত মাটিমাহ জোকৰ মুখৰ তেজ, হাঁহকণী বিজুল, বৰালী মাছৰ বিজুল, ঔটেঙাৰ বিজ মিহলাই কৰাল কৰা হৈছিল। দ'ল দেৱাল কাৰেংঘ সাজিবলৈ যি ইটা লাগিছিল সেই ইটাৰ ভোট জোকতলী নামে এডোখৰ ঠাইত পাকলোৱা হৈছিল এইদৰে কৰা কৰালৰ এঠা ইমান কটকটীয়া তাৰ আজি ২২৮ বছৰেও তাৰ গাথনি লৰক-ফৰ হোৱা বা ফাট মেলা নাই। দ'লৰ গাত বছা ফুল জালিবোৰ দেখিলে এনেহে লাগে যেন সেইবো কোনোবাই কলতহে কাটি দি গৈছে। আৰু নিপু শিল্পী নহলে সেইবোৰ সতকাই খাজিবও নোৱাৰি গৌৰীসাগৰ দৌলৰ সম্পৰ্কত অসম বুৰঞ্জীত উত্থান পতনৰ এটি ডাঙৰ ঘটনা হয়। সেইটিয়েই হৈ মোৱামৰীয়া বিদ্ৰোহ। সি যিয়েই হওক ফুলমতী নিচিনা গাঁৱলীয়া ছোৱালী এজনীৰ বুদ্ধি প্ৰতিভা যে ইমান মহৎ কীৰ্ত্তি ৰাখি থৈ যাব পাৰিলে, ভাবিলে সঁচাকৈয়ে আচৰিত হব লাগে।

— — —

পঞ্চবাৰ্ষিকী পৰিকল্পনা আৰু কৃষি

অধ্যাপক আশ্ৰফ আলী

ভাৰতৰ প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাখনত কৃষিৰ উন্নতিৰ কাৰণে বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। পৰিকল্পনা আয়োগৰ মতে মুঠ ২০৬৯ কোটি টকাৰ ভিতৰত শিল্প ক্ষেত্ৰত মাত্ৰ মুঠ খৰচৰ শতকৰা ৮ ˙ ৪ ভাগ বা ১৭৩ কোটি ৪ লক্ষ টকা খৰচ কৰা হব। আনপিনে কৃষি আৰু সমাজ উন্নয়ন ক্ষেত্ৰত ৩৬০ কোটি ৪৩ লক্ষ টকা, জলসিঞ্চন আৰু বৈদ্যুতিক শক্তি উৎপাদন ক্ষেত্ৰত খৰচ ধৰা হৈছে ৫৬১ কোটি ৪১ লক্ষ টকা। অৰ্থাৎ যথাক্ৰমে পৰিকল্পনাৰ মুঠ খৰচৰ ১৭ ˙ ৪ ভাগ আৰু ২৭ ˙ ২ ভাগ। যেহেতু জলসিঞ্চন ব্যৱস্থা কৃষিৰ উন্নতিৰ প্ৰধান সহায়ক, কাৰণ জল সৰবৰাহ নিয়মিত ভাবে পালে ফচল বাঢ়ে, সেই কাৰণে এই শিতানত ধৰা খৰচো, কৃষি শিতানতো সামৰিব পাৰি। সমাজ উন্নয়ন পৰিকল্পনাত যি ৯০ কোটি টকা ধৰা হৈছে, তাকো কৃষি উন্নতিৰ সহায়ক হব বুলি কলে ভুল কৰা নহব। কাৰণ সমাজ উন্নয়ন পৰিকল্পনাখন ভাৰতৰ গাঁৱলীয়া ৰাইজৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনৰ উদ্দেশ্যে ৰচিত। যেহেতু গাঁৱলীয়া ৰাইজৰ ৯০ জনেই কৃষিৰ ওপৰত নিজৰ জীৱিকা নিৰ্ব্বাহ কৰে, তেনেস্থত গাঁওবোৰৰ সৰ্ব্বাঙ্গীন উন্নতিৰ লগত কৃষিৰ উন্নতি স্বভাৱতেই জৰিত হয়।

পঞ্চবাৰ্ষিকী পৰিকল্পনাত কৃষিৰ ওপৰত আয়োগে ইমান গুৰুত্ব দিয়াৰ কি কাৰণ, এই প্ৰশ্ন সাধাৰণ মানুহৰ মনত জগা স্বাভাৱিক। এই কথাষাৰো নজনা নহয় যে ভাৰতৰ লোক সংখ্যা যি হাৰত বছৰে বছৰে বাঢ়িব ধৰিছে, সেই হাৰত জাতীয় আয় বাঢ়িব নোৱাৰাত, দেশত নিবনুৱা সমস্যাই ভীষণ মূৰ্ত্তি ধাৰণ কৰি, জনসাধাৰণক মৃত্যুৰ মুখলৈ নিতৌ টানি নিব ধৰিছে। অৰ্থনৈতিক বিপৰ্য্যয়ৰ মুখত পৰি ভাৰতৰ জনসাধাৰণ আজি জৰ্জ্জৰিত হৈ পৰিছে। এই ভাৱে আৰু কিছুদিন চলিলে দেশত হয় মহাপ্ৰলয় হব, নতুবা বিপ্লৱে দেখা দিব। তাক আজি সকলো দায়িত্বশীল ভাৰত বাসীয়ে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। সেই কাৰণেই ভাৰত চৰকাৰে কৃষিৰ উন্নতিৰ কাৰণে বিশেষ ভাৱে যত্ন লৈছে।

কৃষিৰ ওপৰত ভাৰতৰ শতকৰা ৮০ জন মানুহে প্ৰত্যক্ষ অথবা পৰোক্ষ ভাৱে নিৰ্ভৰ কৰে। আনপিনে কোনো জীৱিকা নিৰ্ব্বাহৰ আয়ৰ বাট বিচাৰি নেপাই যি কোনো উপায়ে কৃষিৰ ওপৰতে হেঁচা দিবলৈ বাধ্য হয়। সিপিনে আকৌ খেতিৰ মাটি জনসংখ্যা অনুপাতে কম হোৱাত অতি শীঘ্ৰে তাৰ উৰ্ব্বৰ শক্তি হেৰাব লগীয়াত পৰিছে। লগতে কৃষি প্ৰণালী কোনো উন্নত বিধান নোহোৱাত মাটিৰ উৎপন্ন শস্যৰ বছৰে বছৰে কমি যাব ধৰিছে। ফলত যোৱা কেইবছৰ দেশত খাদ্য অনাটনে ভয়াবহ ৰূপ ধাৰণ কৰিছে। ভাৰত চৰকাৰে ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈ এই কালছোৱাৰ ভিতৰত বিদেশৰপৰা কমেও ৭৫০ কোটি টকাৰ খাদ্য আমদানী কৰিবলৈ বাধ্য হৈছে। ১৯৫২-৫৩ চনত মুঠ ২২৮ কোটি টকা মূল্যৰ খাদ্য দ্ৰব্য আমদানী কৰিছে। ফলত মূলধনৰ অভাৱত দেশৰ শিল্প সম্প্ৰসাৰণ ব্যাহত হোৱাৰ উপৰিও, এতুতো জনকল্যাণ মূলক আঁচনি কাৰ্য্যকৰী কৰি

তোলাত ঘাটি-ব্যয় নীতিৰ আশ্ৰয় লব লগাত পৰিছে। গতিকে যুদ্ধৰ সময়ত যি মুদ্ৰাস্ফিটিৰ কুফল পোৱা গৈছিল, সি আজিও বিদ্যমান হৈ আছে। চৰকাৰৰ অশেষ চেষ্টাৰ ফলতো অনিবাৰ্য্য কাৰণ বশতঃ এই মুদ্ৰাস্ফিটিৰ কুফলৰপৰা জন-সাধাৰণক ৰক্ষা কৰিবলৈ চৰকাৰ অপাৰগ হৈ পৰিছে।

পঞ্চ বাৰ্ষিকী পৰিকল্পনাত কৃষি, জলসিঞ্চন, সমাজ উন্নয়ন আঁচনি আদিত বিশেষ গুৰুত্ব দিয়াৰ একমাত্ৰ কাৰণ হৈছে, দেশৰ খাদ্য উৎপাদন বৃদ্ধি কৰি দেশক স্বাৱলম্বী কৰি তোলা। লগে লগে খাদ্য আমদানী কৰাত যি বিদেশী মুদ্ৰা ব্যয় কৰা হয়, তাক বচাই, সেই টকাৰে যাৱতীয় যন্ত্ৰপাতি, ৰাসায়নিক দ্ৰব্য, বিদেশী কাৰিকৰী বিদ্যা থকা লোক আমদানী কৰি, দেশৰ শিল্প সম্প্ৰসাৰণ কৰা।

খাদ্য শস্যৰ বাহিৰে বিভক্ত ভাৰতত তুলা আৰু পাটৰ উৎপন্ন অনেক পৰিমাণে কমি যায়। ফলত ভাৰতৰ কাপোৰৰ মিল আৰু পাট মিল বোৰত সঙ্কটে দেখা দিয়ে—ভালেমান মিল বন্ধ কৰিব লগীয়া হোৱাত নিবনুৱাৰ সংখ্যা বৰ্দ্ধিত হবলৈ ধৰিলে—ইয়াৰ উপৰিও ৰপ্তানি বাণিজ্যৰ ব্যাঘাত হোৱাত বিদেশী মুদ্ৰা অৰ্জ্জন কৰা দুষ্কৰ ব্যাপাৰ হৈ পৰিল। ভাৰতৰ জমা ষ্টাৰ্লিং প্ৰায় নাইকিয়া হবলৈ ধৰিলে, আমেৰিকা, আন্তৰ্ৰাষ্ট্ৰীয় বেঙ্ক আদিৰ পৰা ঋণ লবলৈ বাধ্য হল। এনেবোৰ নানা কাৰণত পৰিকল্পনা আয়োগে কৃষি-কেন্দ্ৰিক দেশ হিচাবে, ভাৰতৰ সকলো প্ৰকাৰ কৃষি উৎপন্ন বঢ়াবলৈ বিশেষ ভাৱে ব্যাকুল হৈ পৰিল। সেই উদ্দেশ্যেই আমাৰ প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ মুঠ খৰচৰ দুই তৃতীয়াংশ কৃষি আৰু গাঁৱৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে ধৰা হৈছে। সমাজ উন্নয়ন পৰিকল্পনাত কৃষি ব্যৱস্থাৰ উন্নতিৰ লগে লগে, ভাৰতৰ গাঁওবোৰৰ যাবতীয় সমস্যা যেনে, জলসিঞ্চনৰ ব্যৱস্থা, খেতিৰ উপযোগী সাৰ, পতিত জমী উদ্ধাৰ, উন্নত ধৰণৰ বীজ সৰবৰাহৰ ব্যৱস্থা, উন্নত ধৰণৰ কৃষি প্ৰণালী আৰু যন্ত্ৰপাতি প্ৰবৰ্ত্তন, কৃষি-পণ্য উচিত মূল্যত বিক্ৰীৰ ব্যৱস্থা, কৃষি-ঋণ, কুটিৰ শিল্পৰ উন্নয়ন, উন্নত ধৰণৰ পশু চিকিৎসাৰ ব্যৱস্থা, মৎস্য চাষ, বনসৃজন, গৃহ নিৰ্ম্মাণ আৰু সংস্কাৰ, শিশু আৰু প্ৰসূতিৰ চিকিৎসা, জন স্বাস্থ্যৰ উন্নতি, জন সাধাৰণৰ খাদ্য প্ৰাণ বৃদ্ধি কৰিবলৈ, ভাইটামিন যুক্ত খাদ্য তালিকা প্ৰণয়ন, উন্নত ধৰণৰ যোগাযোগ আৰু পৰিবহন ব্যৱস্থা, শিক্ষাৰ প্ৰসাৰণ, সমাজ-সেৱা প্ৰভৃতিৰ পিনেও আয়োগে যত্নৰ ত্ৰুটি ৰখা নাই। আয়োগৰ মতে কৃষিৰ লগত গাঁৱলীয়া জীৱনৰ উল্লেখিত সমস্যাবোৰ ইমান ওতোঃপ্ৰোত ভাৱে জৰিত যে, ইয়াৰ কোনো এটা বাদ দিলেই কৃষি উন্নতি কাৰ্য্যত ব্যাঘাত জন্মিব।

ভাৰতৰ জাতীয় চৰকাৰে যে ভাৰতত এখন শ্ৰেণীবিহীন প্ৰকৃত জনকল্যাণ ৰাষ্ট্ৰ গঠন কৰাত উঠি পৰি লাগিছে, তাক আজি কোনেও মুই কৰিব নোৱাৰে। অৰ্থৰ অভাৱত হয়তো লক্ষ্যত উপনীত হোৱাত কিছু পলম হব পাৰে; কিন্তু চৰকাৰৰ এনে মহান প্ৰচেষ্টাক কোনেও সন্দেহ কৰিবৰ থল নাই। পৰিকল্পনা খন নিৰ্দ্দিষ্ট সময়ত তাৰ লক্ষ্যত উপনীত কৰিবলৈ হলে, অৰ্থৰ বাহিৰেও জনগণৰ অকুণ্ঠ সহযোগিতা, আত্ম বিশ্বাস, নিস্বাৰ্থ ত্যাগ একান্ত দৰকাৰ। লগে লগে চৰকাৰো সতৰ্ক থকা উচিত—যাতে পৰিচালনা কৰা বিষয়াৰ অপদাৰ্থতাৰ বা দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ, বা অৱহেলাৰ, বা অন্যথা অপব্যয়ৰ ফলত, ৰাইজৰ একাগ্ৰ সহযোগিতাৰ পৰা যেন অকণো বঞ্চিত নহয়। পৰিকল্পনা আয়োগেও এই কথাকে কেইবা ঠাইতো দঢ়াই দঢ়াই কবলৈ বাধ্য হৈছে।

শ্ৰীকৃষ্ণৰ ভোক

অধ্যাপক শ্ৰীযুক্ত অতুলচন্দ্ৰ হাজৰিকা

এদিন লগত দহহেজাৰ শিষ্য লৈ দুৰ্ব্বাসা মুনি হস্তিনাৰ কাষেঙত উপস্থিত হল। এইজন মুনি বৰ তীখৰ। ঋষি মুনি সকলৰ ভিতৰত দুৰ্ব্বাসা মুনি আৰু বিশ্বামিত্ৰ মুনি অতিশয় খঙাল বুলি জনাজাত। বিশ্বামিত্ৰতকৈও দুৰ্ব্বাসা মুনি খঙৰ ভমক একাচি চৰাহে তেওঁৰ দুই কুৰে অনবৰত জুইৰ ফিৰিঙতি ওলাই থাকে। কাক কেতিয়া অভিশাপ দি পুৰি মাৰে তাৰ একো ঠিকনা নাই। সেই কাৰণে মানুহে অগ্নি ঋষি দুৰ্ব্বাসা বুলিহে তেওঁৰ কথা কয়। সেই হেন খঙাল মুনিক হঠাতে হস্তিনাৰ কাষেঙত দেখা পাই দুৰ্য্যোধন আদি কৌৰৱসকলৰ ভয়ত অণ্ঠ-কণ্ঠ শুকাই গ'ল। কিবা কথাত অলপ ইফাল সিফাল হলেই একা-চেকা মুনিয়ে তেওঁ-লোক কাকো শুদাই নেৰে। ভয়ে ভয়ে দুৰ্য্যোধন ৰজাই আগবাঢ়ি গৈ মুনি আৰু শিষ্যসকলক ভকি-হাত ধুৱাই যথাযোগ্য ভাৱে আদৰি কাষেঙৰ ভিতৰলৈ নিলে।

দুৰ্ব্বাসা মুনিয়ে কলে—"বোপা দুৰ্য্যোধন! আজি আমি তোমাৰ কাষেঙত এসাজ পেট ভৰাই খাবলৈ আহিছোঁ। তুমি সোনকালে আমাৰ খোৱা-বোৱাৰ দিহা কৰা।" দুৰ্য্যোধনে মুনিসকলক এখন্তেক ৰবলৈ কৈ তেওঁলোকৰ ভোজনৰ আয়োজন কৰিলে। ৰজাঘৰীয়া কথা লাগ বুলিলে একেলগে হাজাৰ হাজাৰ হাতে কাম কৰে। দুৰ্য্যোধন ৰজাৰ আদেশ পোৱাৰ অলপ পিচতে চাংমাই শালত ঋষি সকলৰ বাবে পৰ্ব্বত আকাৰ ৰাজভোগ তৈয়াৰ হ'ল। দুৰ্ব্বাসা ঋষিয়ে আৰু তেওঁৰ শিষ্যসকলে নোপোৱাই পোৱা দি সেই সুমিষ্ট ৰাজভোগ পিঠা-পৰমান্ন অন্ন-ব্যঞ্জন মাছ-মঙহ দকচি খালে। ভিজিৰ গুৰিলৈকে খাই কোনোমতে তেওঁলোকে দোপ দি খোৱা পাতৰ পৰা উঠিল। এইদৰে টেটুৰ গুৰিলৈকে হেপাহ পলুৱাই খাবলৈ পাই দুৰ্ব্বাসা ঋষিয়ে বৰ আনন্দ পালে। দুৰ্য্যোধনৰ প্ৰতি তেওঁ বৰ সন্তুষ্ট হল। তেওঁ দীঘল ডাঢ়িকোছাৰ মাজেদি হাঁহি এটা মাৰি কলে—"বোপা দুৰ্য্যোধন! এতিয়া তোমাক কি বৰ লাগে কোৱা।" দুৰ্ব্বাসা ঋষিয়ে মানুহক অভিশাপ দিহে ফুৰে। আজি তেওঁ বৰ দিবলৈ বিচৰাত দুৰ্য্যোধনৰ আনন্দ চাই কোনে। তেওঁ তৎক্ষণিকে শকুনি মোমায়েকৰ কাষ চাপি কি বৰ খুজিব সুধিলে। যতকুটৰ ঘাট এই শকুনি মোমায়ে দিবা মন্ত্ৰ দিলে। দুঃশাসন ইত্যাদি দুষ্ট বুদ্ধিৰ কৌৰৱ কোঁৱৰ সকলেও সেই কথাতেই হয়ভৰ দিলে। সেইমতে দুৰ্য্যোধনে কলে,—"মুনিৰাজ! আপুনি যদি মোৰ প্ৰতি সন্তুষ্ট হৈছে তেন্তে এই শিষ্যসকলক লগত লৈ পাণ্ডৱসকলৰ পঁজালৈকো গৈ তাতো এসাজ খাব লাগে। বৰ্ত্তমানে পাণ্ডৱ সকলে বনবাস খাটি হাবিৰ মাজত পঁজাঘৰ সাজি আছে। আপুনি যেন দ্ৰৌপদীয়ে খাই উঠাৰ পিচতেই তাত গৈ উপস্থিত হয়।" দুৰ্ব্বাসাই দুৰ্য্যোধনৰ সেই অনুৰোধ ৰাখিবলৈ সন্মত হল। তেওঁ শিষ্য সকলৰ লগত পাণ্ডৱৰ পঁজালৈ যাত্ৰা কৰিলে।

দুৰ্য্যোধনে কিয় তেনে কৰিলে জানানে? নেজানা যদি শুনা: পাণ্ডৱ সকল বনবাস খাটিবলৈ যাবলৈ ওলোৱাত ভগৱান আদিত্য দেৱ অৰ্থাৎ সূৰ্য্য দেৱতাই দয়া কৰি এটা অক্ষয় পাত্ৰ দান দিছিল। তেওঁ কৈছিল বোলে দ্ৰৌপদীয়ে সেই পাত্ৰটো হাতত লৈ তাৰে পৰাই তেওঁলোকক আৰু আনকো বনবাসৰ বাৰ বছৰ কাল তৃপ্তিৰে সৈতে পেট ভৰাই খুৱাব পাৰিব। কিন্তু প্ৰত্যেক দিনাই দ্ৰৌপদীয়ে খাই উঠাৰ পিচত সেই দিনাৰ বাবে পাত্ৰটোৰ গুণ নাইকিয়া হব। কৌৰৱসকলে এইকথা জানিব পাৰি ভাবিছিল বোলে যদি দ্ৰৌপদীয়ে খাই উঠাৰ পিচত দুৰ্ব্বাসা ঋষি গৈ অতিথি হৈ ওলায় তেন্তে পাণ্ডৱ সকলৰ তেতিয়াই লাগৰপালি হব। কিয়নো খাবলৈ নেপালে তীখক মুনিয়ে নিশ্চয় তেওঁলোকক চকুৰ জুইৰে পুৰি মাৰিব। এইদৰে পাণ্ডৱক নিবাশ কৰি তেওঁলোকেই গোটেই পৃথিৱী লব পাৰিব। এইদৰে ভাবি কূট বুদ্ধীয়া দুৰ্য্যোধনে দুৰ্ব্বাসাৰ পৰা নিজৰ বাবে একো বৰ নলৈ পাণ্ডৱৰ অহিত চিন্তা কৰিলে। হাতৰ মুঠিতে পোৱা সোণালী সুযোগ এটা দুষ্ট বুদ্ধিৰ কাৰণে অনাহকতে হেৰুৱালে। পৃথিৱীৰ সকলো কুচ্চটীয়া মানুহৰ স্বভাৱেই হৈছে এনেকুৱা। লোকৰ অহিত চিন্তাতে নিজৰ খিনিও হেৰুৱাব লগীয়া হয়।

সূৰ্য্য দেৱতাই দিয়া চৰুটো হাতত লৈ দ্ৰৌপদী দেৱীয়ে প্ৰত্যেক দিনেই অৰণ্যত থকা তপস্বী-সকলক আৰু আন আলহী-অতিথি সকলোকে খাবলৈ দিয়ে। তাৰ পিচত এজন এজনকৈ পাণ্ডৱ-সকল খাবলৈ বহে। সকলোকে খুৱাই বুৱাই ধৰ্ম্মৰাজ যুধিষ্ঠিৰে নিজে আহাৰ কৰে। তেওঁবো খোৱা শেষ হলে যেতিয়া সেই অৰণ্যত কোনো কোনিও নোখোৱাকৈ বাকী নেথাকে তেতিয়াহে সকলোৰে শেষত দ্ৰৌপদী খাবলৈ বহে। সেই দিনাও তেনে ভাৱে সকলোকে খুৱাই বুৱাই উঠি দ্ৰৌপদীয়ে নিজেও আহাৰৰ পাতৰ পৰা আতি মুহুদিব গামোলখন মুখত সুমাইছে মাথোন, এনেতে অগ্নি ঋষি দুৰ্ব্বাসা দুৱাৰত উপস্থিত। লগত তেওঁৰ সেই দহ হাজাৰ শকুনল শিষ্য! পাণ্ডৱসকলে তেওঁ-লোকক ভক্তি হাত ধৰাই পাদ্য অৰ্ঘ্যৰে পূজা দিলে। দুৰ্ব্বাসাই কলে,—"ধৰ্ম্ম পুত্ৰ! মই এতিয়া শিষ্য-সকলৰ সৈতে তোমালোকৰ পঁজাত অতিথি। আমাক এসাজ ভালকৈ খুৱাবলৈ সোনকালে দিহা কৰা। আমি এতিয়া নৈত গা ধুবলৈ যাওঁ। চাবা, গা ধুই আহিয়েই যাতে ভাতৰ পাতত বহিব পাৰোঁ। অলপো ৰব লগীয়া নহয়।" এই বুলি কৈ ঋষিসকল গা ধুবলৈ গলেত। যুধিষ্ঠিৰৰ উত্তৰলৈ বাটকে নেচালে।

সিফালে ৰান্ধনি ঘৰৰ ভিতৰত দ্ৰৌপদী দেৱীৰ ধাৰাসাৰে চকুলো বৈ গৈছে। তেওঁ ভাবিছে আজি আৰু পাণ্ডৱৰ নিস্তাৰ নাই। আৰু অলপ আগতে মই নোখাওঁতেই ঋষিসকল অহা হলে একো চিন্তাৰ কথা নাছিল। এজন নেলাগে হাজাৰ হাজাৰ দুৰ্ব্বাসাকো সূৰ্য্য-দেৱতাৰ কৃপাত হেলাৰঙে সুধিব পাৰিলোহেঁতেন। কিন্তু এতিয়া যে আৰু একো উপায় নাই। এই জুইলাগীয়ে পেটত ভাত গাল ভৰায়েই লেঠা লগালে।" এইদৰে ভাবি ভাবি আন আৰু একো উপায় নেদেখি তেওঁ একান্ত মনেৰে ভগৱান শ্ৰীকৃষ্ণক চিন্তা কৰিবলৈ ধৰিলে। এদিন কৌৰৱৰ ৰাজচৰাত অজস্ৰ কাপোৰ দি তেওঁ তেওঁৰ লাজ নিবাৰণ কৰিছিল। এতিয়াও সেই শ্ৰীকৃষ্ণৰ ওপৰতেই তেওঁৰ একান্ত ভাৰসা।

অন্তৰ্য্যামী ভগৱান যদুপতি শ্ৰীকৃষ্ণ খন্তেক সময়ৰ ভিতৰতে দ্ৰৌপদীৰ ৰান্ধনি ঘৰৰ ভিতৰতে ঘপহ্ কৰি কৰবাৰপৰা ওলালহি। একোকে নজনাৰ ভাও ধৰি তেওঁ কলে—

শ্ৰীকৃষ্ণৰ ভোক

“কৃষ্ণা! কি আছে বেগতে খাবলৈ দিয়া। ভোকতে মোৰ পেটৰ নাড়ী শুকাইছে।” দ্ৰৌপদীয়ে কান্দি কান্দি কলে—“কি আছে, কি দিম প্ৰভু! অক্ষয় পাত্ৰ মোৰ এতিয়া শূন্য। দহ হজাৰ শিষ্যৰে দুৰ্ব্বাসা মুনিয়ে খাওঁ খাওঁ মূৰ্ত্তি ধৰি পাইহিহে লাগে। তেওঁলোককনো কি খুৱাম তাকেই মই ভাবি পোৱা নাই। তাতেই আকৌ তুমিও ওলালাহি খাবলৈ। আজি আমাৰ কি মন্দ ভাগ্য।”

শ্ৰীকৃষ্ণই কলে—‘পিচতো দুৰ্ব্বাসাৰ খোৱাৰ দিহা কৰিবা। আগেয়ে মোৰ বাবে কি আছে সেইনো আনা।’’ দ্ৰৌপদীয়ে চৰুৰ তলীত খুদকণ এটাও নাই বুলি কোৱাত শ্ৰীকৃষ্ণই কলে—“এহো মই তোমাৰ কথা নেমানো। তুমি তোমাৰ ভাতৰ চৰুটোকে মোৰ আগলৈ নমাই আনা। তাত কি আছে মই নিজ চকুৰে দেখিলেহে বিশ্বাস কৰিম।” দ্ৰৌপদীয়ে বৰ দুখ মনেৰে শুদা ভাতৰ চৰুটো উলিয়াই লৈ আহিল। শ্ৰীকৃষ্ণই কেৰাহিকৈ চাই কলে—“সৌৱা ভগীত এটা শাকপাত লাগি থকা যেন দেখিছোঁ। তাকেই দিয়া। সেয়ে মোক আতিব।” দ্ৰৌপদীৰ বৰ লাজ লাগিল। তেওঁ ভাবিলে—‘হায় হায়। মই এই চৰুটো ভালকৈ ধুবলৈ নহল। সেইবাবেহে এই শাকপাত লাগি থাকিবলৈ পালে। এতিয়া সকলোৰে অৱশিষ্ট এই শাক মাত্ৰ মই গোঁসাইৰ হাতত তুলি দিওঁ কেনেকৈ?” শ্ৰীকৃষ্ণই তেওঁৰ মনৰ ভাব বুজিব পাৰি নিজেই সেই শাকপাত আনি চকুৰ পচাৰতে গিলি পেলাই কলে—“এই শাকপাত খায়েই সমগ্ৰ জগতৰ আত্মা শ্ৰীহৰিৰ পৰিতুষ্টি হওক।’ তাৰ পিচত তেওঁ উগাৰ এটা মাৰি কলে—“কৃষ্ণা! আৰু একো ভয় নকৰিবা। তোমাৰ শাকপাত খায়েই মোৰ পেটৰ ভোক গুচিল। মুনিসকলক খুওৱাৰ ভাৰ মই ললোঁ।” ভীমক মাতি আনি তেওঁ কলে—“সৰু দাদা! তুমি এতিয়াই নৈৰ পাৰলৈ যোৱা। দুৰ্ব্বাসা মুনিক সোনকালে আহিবৰ হৈছে বুলি কৈ, পাৰিলে লগতে লৈ আহিবা।”

সিফালে নৈৰ পাৰত কি হ’ল জানা? শ্ৰীকৃষ্ণৰ পেটত শাক-পাত পৰা’ৰ লগে লগেই মুনিসকলৰ পেটবোৰ এফান্দি ঢোল যেন হল। কোনোবাই পেটত কিবা এসোপা সুমুৱাই দি তেওঁলোকক ডিঙিৰ গুৰিলৈকে পুতি পেলালে। সেই গাধৰি বাপুসকলে দুৰ্ব্বাসা মুনিক কলে—“গুৰুদেউ। আমাৰ পেটত আৰু লেশমানো ভোক নাই। পাণ্ডৱৰ ঘৰত ভোজ খাবলৈ যোৱাটো আমা’ৰ পক্ষে অসম্ভৱ।’ দুৰ্ব্বাসা মুনিয়ে কলে—“মোৰো

তোমালোকৰ নিচিনা শত্ৰুহাই। পাণ্ডৱসকলৰ তালৈ গে থাব নোৱাৰিলে লাজতে পাব লাগিব। তদুপৰি অনাহকত ইমানবোৰ খোৱা বস্তু পেলনি কৰোৱাৰ বাবে আমিহে দোষৰ ভাগী হম। পাণ্ডৱসকল ধৰ্ম্মাত্মা। ইচ্ছা কৰিলে তেওঁলোকে শাপ দি আমাৰহে সৰ্ব্বনাশ কৰিব পাৰিব। এতেকে ইয়াৰপৰা আমি পলাওঁহক বলা।” এইদৰে যি দুৰ্ব্বাসা ঋষিয়ে মানুহক শাপ দি ফুৰে, সেই দুৰ্ব্বাসা ঋষিয়ে পাণ্ডৱসকলৰ শাপৰ ভয়ত তৰা নৰা ছিঙি পলাবলৈ ধৰে নেপালে ভীমে মাতি-বলৈ আহি দেখে যে নৈৰ পাৰত ঋষি মুনি কাৰো একো চিনচাবেই নাই। বহু বিচাৰ খোচাৰ কৰি দুৰ্ব্বাসা মুনক বিচাৰি নেপাই তেওঁ পাণ্ডৱসকলক আৰু শ্ৰীকৃষ্ণক সকলো কথা কলেহি। সেই বতৰা শুনি ভয়ত ধৰ্ম্ম ৰজা যুধিষ্ঠিৰৰ মুখখন শুকাই টেমি যেন হল। তেওঁ ভাবিলে—দুৰ্ব্বাসাই বা কি উদ্দেশ্যে আহিছিল আৰু এতিয়া কলৈ গল কোনে জানে! সেই অগ্নিঋষিয়ে পাণ্ডৱ সকলক বিপদত পেলাবলৈ কিবা নতুন ফন্দিহে পাতিছে। তেওঁৰ সেই ভাব বুজিব পাৰি শ্ৰীকৃষ্ণই সকলো কথা ভাঙিপাতি কলে। দ্ৰৌপদীয়ে কেনেকৈ তেওঁক মাতি আনি বিপদৰ পৰা সকবালে আৰু দুৰ্ব্বাসা কিয় পলাব লগীয়া হল তাকো বুজাই কলে। এইদৰে শ্ৰীকৃষ্ণৰ অনুগ্ৰহত ভীয়া যম দুৰ্ব্বাসাৰ মুখৰপৰা সাৰিব পাৰি পাণ্ডৱ সকল আৰু দ্ৰৌপদীৰ মুখলৈ পানী আহিল। তেওঁলোক আৰু সকলোটিয়ে সেই অগতিৰ গতি বিপদৰ বন্ধু পাণ্ডৱ সখা শ্ৰীকৃষ্ণক বেঢ়িকুৰি লৈ হিয়াতলী উবুৰিয়াই ধন্যবাদ জনালে।

— — — —

“আহমেদাবাদৰ চাৰিশ আঠাৰম্ন জন বয়ন-শিল্পৰ বনুৱাই এতিয়ালৈকে পৰস্পৰৰ সহায়ৰ কাৰণে নতুনকৈ খোলা ‘মিউচুৱেল ডেথ ফাণ্ড’ নামে সঞ্চয় নিধিত যোগদান কৰিছে।

এই সঞ্চয় নিধিৰ উদ্দেশ্য বনুৱাসকলৰ মৃত্যুৰ পিচত যাতে তেওঁলোকৰ পৰিয়ালৰ ভৰণ-পোষণৰ এটা ব্যৱস্থা হ'ব পাৰে। এই নিধিত যোগ দিয়া সকলে মাহিলি এটকাকৈ দিব লাগে। আহমেদাবাদৰ ৭০,০০০ বয়ন শিল্পী সকলৰ প্ৰতিনিধি জনে কয় যে ‘মিউচুৱেল ডেথ ফাণ্ড’ সঞ্চয় নিধিটোৰ আঁচনিতকৈ সুবিধাজনক আৰু সস্তীয়া জীৱনবীমাৰ আঁচনি আৰু একো নাই।”

এজন ব্যৱসায়ীৰ সাধু-সঙ্কল্প

শ্ৰীকমলেশ্বৰ চলিহা

ডবলিউ, জে, লিউটচ্ নামেৰে এজন আমেৰিকান ব্যৱসায়ী মানুহে মগনিয়াৰ লৰা এটা তুলি তালি লোৱাৰ বাতৰিত মানৱ প্ৰেমৰ আভাস পোৱা যায়।

নাজিৰ নামেৰে ৮ বছৰীয়া লৰা এটাই সদায় মাগে। লিউটচ্ এই দৃশ্য দেখি ব্যথিত হয়। তেওঁ বিশেষকৈ সৰু লৰাছোৱালীয়ে মাগি ফুৰাটো সহ্য কৰিব নোৱাৰে। তেওঁ নিজে এসময়ত দুখীয়া আছিল। ঠেলাগাড়ী চলাই পয়চা আৰ্জি তেওঁ পঢ়াশালিলৈ যোৱাৰ খৰচ উলিয়াইছিল। পিছত তেওঁ এখন ফলমূলৰ দোকান দি বায়েকৰ পঢ়াৰ খৰচ যোগাইছিল। তেওঁ আজি ধনী ব্যৱসায়ী। ভগা-ছিগা লো কিনি-কুটি লৈ বেচি ধন উপাৰ্জ্জন কৰে। যুদ্ধৰ পিছত পেলনি যোৱা লোহা-লক্কৰৰ কাৰবাৰত তেওঁ ধনী হৈ আহিল।

কলিকতাৰ গ্ৰেণ্ড হোটেলত তেওঁ থাকে। তাৰপৰা তেওঁ দেখে যে নাজিৰ গছৰ তলত সি দদায়েকৰ সৈতে গছৰ তলতে ৰাতিটো কটায়। এদিন ৰাতিপুৱা সি গছৰ তলত মুখ ধুইছে, এনেতে লিউটচ তাৰ ওচৰলৈ গৈ তাৰ দদায়েকক সুধিলে, লৰাটো স্কুলত দিয়ানে? দদায়েকে হাঁহিলে আৰু মূৰ জোকাৰি জনালে যে নিদিয়ে।

নাজিৰে লিউটচক এদিন পয়চা মাগিলে। তেওঁ খপ্ কৰে সুধিলে, পঢ়িবানে? সি ৰাজি হ'লত তাক গ্ৰেণ্ড হোটেললৈ আনি প্ৰথমতে তাৰ গা ধুই ধুৱালে। পিছত বগা কাপোৰ-কানি পিন্ধিবলৈ দি তাক চাহাব সজাই পেলালে। কেইজোৰ তাৰ গেবাৰডাইন্, কিমানবোৰ চাৰ্ট, কিমান ৰঙৰ কিমান জোতা মোজা। হাতত এটা হাত-ঘড়ীও তাক দিলে পিন্ধিবলৈ। খেলিবলৈ দিলে ফুটবল। সি হোটেলৰ কোঠাত বহি টিলিঙা বজালে 'বয়'বোৰ দৌৰি আহে তাৰ ওচৰলৈ —অথচ এসময়ত সি আছিল খুদ-মগনিয়াৰ।

লিউটচৰ খৰচ হয় সঁচা। তেওঁ ভালেমান মগনিয়াৰক সহায় কৰিছে। সিহঁতক মাগিবলৈ যোৱাটো বন্ধ কৰি দি তেওঁ দিনে একোটাকৈ দি সিহঁতক জব্দ কৰিছে। সিহঁতে মাগিবলৈ গলে কিন্তু টকাটো নেপায়। মগনিয়া বিলাকৰ ফুটবল খেলা দল এটাও পাতি দিলে তেওঁ। হাত নাইকিয়া লেভেলাৰ হৈছে 'আম্পায়াৰ'। তেওঁ মগনিয়াৰ সমস্যা সমাধান কৰিবলৈ বিচাৰিছে। তেওঁ এজন ব্যৱসায়ীহে, কিন্তু অন্তৰখন তেওঁৰ ব্যৱসায়ীৰ নহয়, সি সহৃদয়তাৰে ভৰা। তেওঁ কয়, মানুহে চাৰিটকা আঠ অনা দি নিজৰ কিনি খায়, অথচ চাৰিঅনা পয়চা এটা মগনিয়াৰক দিবলৈ কুণ্ঠিত হয়। তেওঁ এইটো মানে যে বহুত মগনিয়াৰ ভাও জোৰা মগনিয়াৰ, এইটো সঁচা; কিন্তু তাৰ ভিতৰত বহুতো আছে যি সঁচাকৈয়ে আতুৰ। এনেকুৱা মানুহক সাহায্য কৰিব লগা কাৰণেই তেওঁ উপায় বিচাৰিছে। ভিক্ষুক সমস্যা জনাই বহুতে বহুত চিঠি পত্ৰ লিখিছে, কিন্তু কাৰ্য্যকৰী পন্থা এটা কোনেও দিব পৰা নাই। আমাৰ দেশতো কিজানিবা কোনোবাই এইদৰে ভাবিছে। তেওঁ যদি কিবা উপায় দিব পাৰে মিঃ লিউটচলৈ লিখিলে ভাল হয়। লিউটচৰ পৰিয়াল আমেৰিকাত আছে। লিউটচে কয় যে তেওঁৰো তেওঁৰ দৰেই 'বয়' আৰু এনেকুৱাই স্বভাৱ-সম্পন্ন।

আমাৰ গাঁও

কবিতা]

শ্ৰীফণীন্দ্ৰ নাথ কলিতা

(১)

আমাৰ গাঁৱৰ দৃশ্য মনোৰম
ফুল ফুলে হাঁহি জালি ,
ধুনীয়া বিহগে গান গাই ফুৰে
বসন্তত আহে কুলি ।

(২)

নদীৰ তীৰত কঁহুৱা ; কেতেকী
আৰু দেখিছো খেৰনি ;
গাঁৱৰ গাভৰু ঘাটলৈ যায়
পথাৰত শোভে ধাননি ।

(৩)

হাবিৰ মাজত শাল তাল, খৈৰা
নাগেশ্বৰ আদি হয় ,
আম, জাম, লেচু সবাৰে ঘৰে ঘৰে
পোনাইঁতে খুব ভাল পায় ।

(৪)

ঘৰে ঘৰে আছে লাও, কোমোৰা, পুঁৰৈ
আৰু লাই, লফা শাক ;
নদী, বিল, খাল অতিকৈ ধুনীয়া
মাছে ভৰা ; জাকে জাক ।

(৫)

বাৰীৰ শুৱনি তামোল, নাৰিকল
তাকেকৈ শুৱনি পাণ ;
সুখৰ জিলিকনি বিৰিঙি উঠে
দেখিলে পথাৰৰ ধান ।

(৬)

নিৰক্ষৰতা আঁতৰাম প্ৰত্যেক জনৰে
"জনশিক্ষা অভিযান" লৈ ;
পুথি ভঁৰালৰ আদৰ্শ দেখুৱাম
মানুহ যাতে জ্ঞানী হয় ।

(৭)

সমবায় খুতি কৰিম সবেই
দেশ যাতে চহকী হয় ;
এক গোট হৈ সবে কাম কৰোঁ
নকৰিম দ্বন্দ-হাই ।

(৮)

নিজে চিকুণ হৈ আনকো শিকাম
গাঁৱকো চাফ্ কৰি ৰাখিম ;
বিপদে আপদে নিজে গৈ আমি
সবাতে সহায় কৰিম ।

ভাবিচিন্তি চাইহে কাম কৰিব লাগে।

(গল্প)

শ্ৰীঅনন্তদেৱ কাব্যতীৰ্থ সাহিত্য ব্যাকৰণ শাস্ত্ৰী।

খৃষ্টীয় ৭ ম শতিকাত মহাকবি ভাৰবীৰ জন্ম হয় বুলি বহুত পণ্ডিতে স্থিৰ কৰিছে। তেওঁ লিখা 'কিৰাতাৰ্জ্জুনীয়ম' ভাৰতৰে এটা আপুৰুগীয়া সম্পত্তি। এদিন তেওঁ বৰ ধনৰ অভাৱত পৰি এটা সংস্কৃত কবিতা লিখি বজাৰলৈ বেচিবলৈ গ'ল। সেইদিনা তেওঁৰ ৰাতিৰ ভাতমুঠিয়েই নাছিল। সংসাৰত কি যে আচৰিত কথাবিলাক হয়! যি ভাৰবীৰ নাম গোটেই পৃথিৱীতে ফুটিফাটি গৈছে সেই তেওঁ আজি পথৰ ভিকহুৰ দৰে বজাৰত কবিতা এটা বেচি পেটৰ ভাত মোকলাবলৈ গৈছে! লক্ষ্মী আৰু সৰস্বতী যে বহুত সময়ত একেলগে নথাকে ভাৰবীয়েই তাক প্ৰমাণ কৰি দেখুৱালে।

কবিয়ে কবিতাটো বেচিবলৈ বজাৰত বহি আছে। কিন্তু দুৰ্ভাগ্য বশতঃ গোটেই দিনটো তেওঁৰ ওচৰলৈ এজনো গ্ৰাহক নাহিল। কবিৰ মুখ শুকাল। ৰাতিলৈ কি খাব? লৰাছোৱালীবোৰৰ বা অৱস্থা কি হব; কবি বৰ চিন্তিত হৈ পৰিল। বেলিৰ চকা ডুবো ডুবো। এনেতে এজন চফল ধুনীয়া ডেকাই তেওঁৰ ওচৰলৈ গৈ তেওঁক প্ৰণাম কৰি কবিতাটোৰ দাম কি সুধিলে। কবিয়ে কবিতাটোৰ দাম দুহেজাৰ টকা বুলি কলে। কবিৰ ভাগ্য ভাল আছিল। ডেকাজনেও মুখেৰে একো নকৈ সেই দামকে দি কবিতাটো লৈ গ'ল। ঘৰলৈ গৈ ডেকাজনে কবিতাটো মূৰৰ শিতানত আঁৰি থৈ দিলে।

এজন সদাগৰে ঘৰত গৰ্ভৱতী ঘৈণীয়েকক এৰি বহুত দূৰ দেশত বেপাৰ কৰিবলৈ গ'ল। মাহৰ পিচত মাহ, বছৰৰ পিচত বছৰ গৈ সদাগৰৰ বিদেশতে যোল্ল বছৰ হ'ল। অৱশেষত এদিন তেওঁ ঘৰলৈ আহিবলৈ ওলাল। কেবামাহৰ মূৰত সদাগৰৰ নাও এদিন ৰাতি এপৰত তেওঁৰ নিজৰ গাঁৱৰ নৈৰ ঘাটত লাগিল। বহুদিনৰ মূৰত নিজৰ জন্মভূমি সেই পুৰণি গাঁওখন পাই তেওঁৰ মন-টো আনন্দত আবেগত উপচি পৰিল। আগৰ কথাবিলাক তেওঁৰ মনত পৰিবলৈ ধৰিলে। পুৰণি মধুৰ স্মৃতিবিলাক তেওঁৰ চকুৰ আগত ভাহি উঠিল। তেওঁ এইদৰে ভাবিলে "মই বেপাৰলৈ যোৱা আজি যোল্ল বছৰতো অধিক হৈ গ'ল কিন্তু মই যাৰ স্নেহত বন্দী হৈ এই অসীম সাগৰ পাৰ হৈ দেশ দেশান্তৰে ঘূৰি অশেষ কষ্ট কৰি ধন ৰত্ন গোটাই আনিছো মোৰ সেই প্ৰিয়তমা ঘৈণীজনীনো কি অৱস্থাত আছে? মোৰ অনুপস্থিতিত তেওঁ দিন বিলাক কেনেকৈ কটাইছে? তেওঁ সতী হৈয়ে আছেনে নাই ব্যভিচাৰিণী হৈছে।"

এইদৰে নানা ভাব তেওঁৰ মনলৈ আহি তেওঁক অস্থিৰ কৰি তুলিবলৈ ধৰিলে। ঘৈণীয়েকৰ প্ৰতি সন্দেহৰ ভাবে তেওঁৰ মনত দকৈ শিপাবলৈ ধৰিলে। তেওঁ অধৈৰ্য্য হৈ পৰিল। তেওঁ ভাবি চিন্তি স্থিৰ কৰিলে যে সেই ৰাতিয়েই তেওঁ কাকো নোকোৱাকৈ আৰু কোনেও নজনাকৈ ঘৈণীয়েকক নিজে পৰীক্ষা কৰি আহিব। ইয়াকে ঠিক কৰি মাজনিশা তেওঁ মনে মনে ঘৈণীয়েকৰ ওচৰলৈ গ'ল।

মাজনিশা। মনে মনে তৰোৱাল খুলি তেওঁ ঘৈণীয়েকৰ শোৱা কোঠাত সোমাল। দেখে যে ঘৈণীয়েকক লালকাল [illegible] আছে [illegible] পৰি [illegible] বাহত সহজে [illegible] লি পাব পাতিছিল সেইটো ঠিক। তেওঁ আচৰিত হৈ দেখে যে সেইজন ঘৈণীয়েকৰ বুকুত এটা ধুনীয়া ডেকা সাবটি শুই আছে। সদাগৰৰ মূৰত বজ্ৰ পৰিল খঙ আৰু ঘৃণাত তেওঁ ঠৰ ঠৰ কৈ কঁপিবলৈ ধৰিলে। চকুৰে তেওঁ ধোঁৱা কোঁৱা দেখিবলৈ ধৰিলে খঙত দাঁত কামুৰি তেওঁ নিজে নিজে এইদৰে কবলৈ ধৰিলে "ধিক নাৰীজাতি। তিৰোতা আৰু সাপক কোনোমতে বিশ্বাস কৰিব নোৱাৰি। যাৰ কাৰণে মই এই সুদীৰ্ঘ ষোল্লবছৰো বেচি কাল মহা কষ্ট কৰি বিদেশত গাৰ তেজ পানী কৰি ধন ঘটি আনিছোঁ সিয়েই আজি মই নথকাত পৰপুৰুষৰ লগত গুপ্ত প্ৰণয়ত মত্ত হৈছে।" খঙত সদাগৰ জ্বলি উঠিল আৰু দিগবিদিগ জ্ঞান শূন্য হৈ খাপৰ পৰা তৰোৱালখন উলিয়াই লৈ দুয়োকে ঘাপ মাৰিব খোজোঁতেই ঘৈণীয়েকৰ মূৰ শিতানত আঁৰি থোৱা কাগজ খনত ডাঙৰ ডাঙৰ আখৰেৰে লেখা এটা সংস্কৃত শ্লোক চকুত পৰিল। শ্লোকটোৰ অৰ্থ হৈছে— হঠাৎ বিবেচনা নকৰাকৈ একো কাম কৰিব নপায়, কাৰণ অবিবেকেই হৈছে বিপদৰ মূল কাৰণ। যি সকলে ভাবিচিন্তি চাইহে কাম কৰে গুণলুভীয়া সম্পদে আপুনি আহি সেই জনক আকোৱালি ধৰে।

সদাগৰে শ্লোকটো মনে মনে ভাবিবলৈ ধৰিলে "কথাটো সঁচা। মই ইহঁতক কটা আগতে ইহঁতক জগাই ঘটনাটো কি বুজি লোৱাহে উচিত হ'ব। নেভাবি নিচিন্তি কাম কৰাটো উচিত নহব। ইহঁত মোৰ হাততেই আছে। পিচতনো ক'ত সাৰিব?"

তেওঁ খঙত চিঞৰ বাখৰ কৰি ঘৈণীয়েকক জগাই তুলিলে। ঘৈণীয়েকে সাৰ পাই উঠি চকু মোহাৰি সমুখত বহুত দিনৰ মূৰত বিদেশৰ পৰা ঘূৰি অহা স্বামীক দেখা পাই আনন্দত উদ্বাউল হল আৰু পালেংখনৰ পৰা নামি স্বামীৰ ভৰি চুই আনন্দতে সেৱা এটা কৰিলে। সদাগৰে খঙত দাঁত কামুৰি কথাবাৰ্ত্তা নোকোৱাকৈ বৈ চাই আছে তাৰ পাচত তেওঁৰ ঘৈণীয়েকে ডেকাজনক হেঁচুকি হেঁচুকি জগাই তুলি ক'বলৈ ধৰিলে "বাছা, চাহি এইয়া কোন আহিছে। তোৰ পিতা এই-জনেই। আজি তই ষোল্ল বছৰীয়া হৈয়ো পিতা কোন বস্তু তাক তই দেখা নাছিলি। এৱেঁই তোৰ পিতৃদেৱতা। তই ভৰিত ধৰি সেৱা কৰ।" ডেকাজনে "পিতা, পিতা," বুলি সদাগৰৰ ভৰিত লুটি খাই কান্দি পেলালে।

কাণ্ড দেখি সদাগৰ অবাক হৈ পৰিল। তেওঁৰ চাট কৰি মনত পৰিল যে তেওঁ বিদেশলৈ যোৱাৰ সময়ত তেওঁ ঘৈণীয়েকক গৰ্ভৱতী অৱস্থাত এৰি থৈ গৈছিল। উস তেওঁ কি কৰিব খুজিছিল! পিতা হৈ নিজৰ পুত্ৰক আৰু প্ৰিয়তমা ভাৰ্য্যাক হত্যা কৰিবলৈ ওলাইছিল। ঘৈণীয়েকেও স্বামীৰ খঙ আৰু সংশয়ৰ ভাব দেখি তেখেত যোৱাৰ পিচত কেনেকৈ লৰাটো হৈ ইমান ডাঙৰ হ'লহি সকলো কথা বিবৰি ক'লে।

সদাগৰে কান্দি কান্দি পুতেক আৰু ঘৈণীয়েকক সাৱট মাৰি ধৰি তেওঁৰ মতিভ্ৰমৰ কথা কৈ ক্ষমা খুজিলে। তেওঁ সেই শ্লোকটোৰ অৰ্থ মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিলে আৰু বুজিলে যে যেতিয়া যি কাম

কৰা যায় তাক ভাবি চিন্তিহে কৰিব লাগে। থিতাতে আজি কি কাণ্ড হলহেঁতেন—কথাটো ভাবি তেওঁৰ গা শিয়ঁৰি উঠিল।

পিচদিনা পুৱা সদাগৰে পুতেকৰপৰা জানিব পাৰিলে যে তেওঁ মহাকবি ভাৰবীৰ পৰা সেই শ্লোকটো দুহেজাৰ টকা দি কিনি আনিছিল। তেতিয়া তেওঁ সেই কবিজনক নিজৰ ঘৰলৈ মাতি বৰ সম্মানেৰে আৰু চাৰি হেজাৰ টকা পুৰস্কাৰ দি কলে "প্ৰভু! আপোনাৰ সেই শ্লোকটোৱেই মোৰ স্ত্ৰী পুত্ৰৰ প্ৰাণ ৰক্ষা কৰিলে।"

সদাগৰে কবিক আগদিনাৰ ৰাতিৰ সকলো ঘটনাকে বিৱৰি কৈ খুৱাই ধুৱাই ৰংমনে বিদায় দিলে।

আমি এতিয়া বুজিলোঁ যে ভালকৈ ভাবি চিন্তি কাম নকৰিলে কি বিপদ আছে। গতিকে আমি মনত ৰখা উচিত—

যি কাম কৰিম বুলি ভাবিবা মনত
আগতেই গমিপটি চাবা,
কৰাৰ আগতে হেৰা ফল চিন্তা কৰা
তেহে হাত সুফল লভিবা।
পৰিণাম চিন্তা কৰি কাম কৰে যিযে
নাই তাৰ কতো আহুকাল;
বিপদ অশান্তি ভয় দুখ দীনতাতো
ঠিক থাকে সি যে চিৰকাল।
কামৰ আগত গিয়ে বিভ্ৰমত পৰি
পৰিণাম নেভাবে মনত
অমৃতৰ গছো যদি ৰোৱে সিটো জনে
বিষফল ধৰে মাথো তাত।
শোক দুখ পায় সিটো সংসাৰ ক্ষেত্ৰত
জায়া জুই সদা ভোগ কৰে;
ৰজাৰ পৰাও হয় অষ্টম দুখীয়া
অন্তমত হাহাকাৰ কৰি মৰে।

" নেচনেল জিয়গ্ৰাফিকে। ছোচাইটিৰ মতে ভাৰত, লঙ্কা, চীনদেশ*, ইণ্ডোনেচিয়া, পাকিস্থান আৰু ফিলিপাইনে নিজৰ খাবৰ জোখাৰে আহাৰ উৎপাদন কৰিব পৰা নাই। ইউনাইটেদ ষ্টেট্চ অব আমেৰিকা, কানাডা, উৰুগুৱে, পেৰুগৱে আৰু আৰ্জেণ্টিনাৰ তিনি ভাগৰ দুই অংশত প্ৰচুৰ পৰিমাণে খাদ্য উৎপাদন কৰে পশ্চিম ইউৰোপৰ পৰ্টুগাল, স্পেইন, ইটালী আৰু পুব জাৰ্ম্মেনীয়ে নিজৰ জোখাৰে লাগতিয়াল আহাৰখিনি উৎপাদন কৰিব পৰা নাই। চোভিয়েট ৰুচিয়া, গ্ৰীচ, তুৰস্ক, কাশ্মীৰ, নেপাল তিব্বত, আইলেণ্ড, কেম্বডিয়া, ফৰমোচা, চোমালিলেণ্ড অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডে যথেষ্ট খাদ্য দ্ৰব্য উৎপাদন কৰে।"—ৰয়টাৰ

[* চীন দেশে এতিয়া নিজৰ জোখাৰে আহাৰ উৎপাদন কৰিবলৈ সমৰ্থ হৈছে বুলিহে জনা যায়—সম্পাদক।]

কবি-খেতি

শ্ৰীলক্ষীৰাম বৰা।

আমাৰ অসম খেতি প্ৰধান দেশ। ইয়াত সকলো ৰকমৰ খেতি হয়। আন দেশৰ দৰে ইয়াত কঠোৰ পৰিশ্ৰম কৰিব নেলাগে। কম পৰিশ্ৰমতে শস্য উৎপাদন হয়। আমি খেতিয়কসকলে একে বিধৰ খেতি অৰু এডোখৰ মাটিত একেটাকে মাথোন খেতি নকৰি ভিন ভিন খেতি কৰি উৎপাদন বঢ়াবলৈ চেষ্টা কৰা উচিত।

কবি খেতি অসমত এটা ডাঙৰ খেতি হৈ উঠিছে। ই এটা জনপ্ৰিয় খেতি। বিলাতী সাৰ ব্যৱহাৰ নকৰাকৈয়ে আমি কবি খেতি কৰিব পাৰোঁ। গতিকে এই ব্যৱসায়ত নামিব খোজা সকলৰ পক্ষে ইয়াৰ বিষয়ে জনাটো লাগতিয়াল। এই ক্ষুদ্ৰ প্ৰবন্ধটিৰ সহায়ত অৰ্থাৎ তলত দিয়া প্ৰণালীৰ সহায়ত সহজে কবি-খেতি কৰিব পৰা যাব।

— লিখক

আমাৰ অসমত প্ৰায় সকলোৱেই কবি দেখিছে, খাইছে আৰু অনেক খেতিয়কে ইয়াৰ খেতিও কৰিছে।

বোধ হয় প্ৰথমতে কবি এবিধ বনৰীয়া শস্য আছিল। বহু কালৰ পিছতহে মানুহে ইয়াৰ মোল বুজে। এতিয়া অসমতো ই এটা প্ৰসিদ্ধ খেতি হৈ পৰিছে। ভাৰতবৰ্ষৰ বহুতো ঠাইত (প্ৰধানকৈ কলিকতা, বিহাৰ, উত্তৰপ্ৰদেশ, পঞ্জাৱ, পুনা আদি ঠাইত) শস্যৰ কঠীয়া বেচোতা সকলৰ কোম্পানী গঠিত হৈছে। সেই ব্যৱসায়ত তেওঁলোক লাভৱান হৈছে।

আজিকালি কবি-খেতি এটা ডাঙৰ খেতি হৈ উঠিছে। আমাৰ অসমৰ মানুহেও এই খেতি ভাটী দেশৰ পৰাহে শিকিছিল। এতিয়া প্ৰায় ভাগ খেতিয়কে কবি খেতি কৰিবলৈ লৈছে। কিন্তু খেতিটো সবলকৈ উঠা নাই। নগৰৰ মানুহেও বাৰীৰ চুকত, বাৰান্দাৰ কাষত দুই-চাৰ জোপা কবি কৰা দেখা যায়।

কবি এবিধ পুষ্টিকৰ খাদ্য। ইয়াত খাদ্য-প্ৰাণ (ভিটামিন) আছে।

এই কবি চাৰি বিধ।

(১) বন্ধাকবি

(১) ফুলকবি

(৩) চীনাকবি

(৪) ওলকবি

এই চাৰিও বিধ শস্যৰ কঠীয়া চেহেৰাত একেই। খেতি কৰা মাটিও একে, চাহো একে, সাৰো একে। সময়ো একে, খেতি কৰা প্ৰণালী একে; অৱশ্যে ওজন, স্বাদ, আকৃতি, গঠন, বেলেগ।

কবি-খেতি কৰা সময়।

আমাৰ অসমত ধানখেতি (শালিখেতি) কৰি আটায়েই আহিন মাহৰ পৰা কবি খেতিত লাগি যায়। এই নিয়ম ভৈয়ামতহে; পৰ্ব্বতীয়া ঠাই আৰু স্বাস্থ্যকৰ ঠাইত কৰা সময় বেলেগ। পুহ-

মাঘ মাহত এই খেতি চপায় [অর্থাৎ বেচি শেষ কৰে]। কবিৰ ভিতৰত ওলকবি ২ মাহত, চৌনাকবি ২½ মাহত, ফুলকবি আৰু বন্ধাকবি প্ৰায় ৩,৩½, ৩¾ ৪ মাহত তৈয়াৰ হয়গৈ।

খেতিৰ উপযুক্ত মাটি।

কবি খেতি কৰিবলৈ বৰ সাৰুৱা মাটি হব লাগে। এই খেতি কৰিবলৈ পৰ্ব্বত ভৈয়াম দুয়ো ঠাইৰ মাটি উপযুক্ত। বান পানীয়ে পোৱা মাটিয়ে আৰু ভাল। মাটি সমান হব লাগে। দুবলিও হব লাগে। ওচৰত হাবি-বন গছ আদি থাকিলে ভাল নহয়। [থাকিলেও মাটিৰ উত্তৰ ফালে থাকিলে ভাল] কোনো জান জুৰি, নৈ, বিল, পুখুৰী, কুঁৱাৰপৰা ওচৰত মাটি হব লাগে।

সাৰ

আধাবিঘা মাটিত প্ৰায় ৫০/ মোণ গোবৰৰ সাৰ দিব। ২ মোণ ছাই সাৰ আৰু খলিহৈ, পচন সাৰ দিব পাৰিলে বেচি ভাল। বিলাতী সাৰ ব্যৱহাৰ কৰিব পাৰিলে যে আৰু ভাল।

মাটি চাহ কৰা

প্ৰথমবাৰ চাহ কৰোঁতে কোৰেৰে চহাব পাৰিলে ভাল। মাটি দকৈ চহাব। মাটি ৭ বাৰ চাহ কৰিব লাগে। মাটিত অতি ক্ষুদ্ৰ ক্ষুদ্ৰ ডাবৰো থাকিবলৈ দিব নেলাগে।

কঠীয়া তলী

[অৰ্থাৎ গুটি সিচাৰ ভেটি]

কবি গুটি সিঁচিবলৈ একোটা ভেটি কৰাৰ আৱশ্যক। ইয়াক কেনেকৈ তৈয়াৰ কৰা হয় তালৈ বৰ ভালকৈ লক্ষ্য ৰাখিব লাগে। এই কাম সাৱধানে কৰা উচিত। ইয়াকে নেজানি অনেক খেতিয়কে মূল খায় ধন আৰু কঠীয়াৰ অনাহকত হানি হয়।

এই ভেটি ওখ ঠাইত সাজিব লাগে। ভেটিটো ৯ হাত দীঘল আৰু ৩ হাত বহল হব লাগে। তাতকৈ বেচি হলে পানী দিয়া আৰু নিকৰাত অসুবিধা হব। এই মাটি শুকান হব লাগে। মাটি বেচিকৈ তিতিলে গুটি সিঁচিব নেলাগে। গুটি সিঁচাৰ ১৫।২০ দিনৰ আগেয়ে মাটিত খলিহৈ দি মাটি উত্তমৰূপে চাহ কৰিব লাগে। প্ৰত্যেক ৯×৩ হাত মাটিত /২॥ আঢৈ সেৰ খলিহৈ সাৰ দিব লাগে। দুটা ভেটিৰ মাজত যথেষ্ট ঠাই (ফুটমান) ৰাখিব লাগে যাতে পুনি নিৰাবলৈ আৰু উঘালিবলৈ সুবিধা হয়। ১০০ এশ বৰ্গফুট মাটিত ½ আধামোণ পচা গোবৰ দিব। এই সাৰ মাটিৰ লগত মিহলি কৰি ৫" ইঞ্চি ডাঠ কৰি দিব লাগে। ভেটিৰ সোঁমাজ ঠাইডোখৰ সবাতোকৈ ওখ হব লাগে যাতে পানী বৰ নোৱাৰে। ভেটিত বন গজিলে নিকাই দিবও লাগে।

গুটি সিঁচা

প্ৰথমে এটা পাত্ৰত গুটি আৰু আন এটা পাত্ৰত অলপ পানী সূৰ্য্যৰ তাপত গৰম কৰি লব। ১০ মিনিটৰ পিছত গুটিখিনি চেঁচা ঠাইত ৰাখিব। গুটি চেঁচা হলে সেই গৰম পানীত গুটিখিনি দি দিব। গুটি ফাটিবলৈ আৰম্ভ হলেই সোনকালে পানীৰপৰা টুকি লব। তাৰ পিচত সেই তিতা গুটি শুকালে ভেটিত সিঁচি দিবলৈ।

বন্ধাকবি— ৬ হাত দীঘল ৩ হাত বহল ভেটিত—

½ আধাতোলা

ফুলকবি—৬ " " ৩ " " " ¼ সিকি "

ওলকবি—৬ " " ৩ " " " ¾ পোনে "

সিঁচাৰ আগতে গুটিত বতাহ লাগিবলৈ নিদিব। অনেক সময়ত পৰুৱাৰ উপদ্ৰৱ হয়। গুটি সিঁচা মাত্ৰেই পৰুৱাই লৈ গুচি যায়। সেই কাৰণে এবাল্টি পানীত এপিয়লা কেৰাচিন তেল মিহলাই ছটিয়াই দিব। পিচত হাতেৰে ভেটি এনেদৰে টিপিব যেন প্ৰত্যেকটো গুটিয়েই সমানে এফাল মাটিত পোত খাই যায় আৰু এফাল ওলাই থাকে। এই কাৰ্য্য শেষ হলে ফিচ্কাৰীৰ সহায়েৰে জল-সিঞ্চনৰ ব্যৱস্থা কৰিব। বেছিকৈ পানী দিয়াৰপৰাও অপকাৰ।

যেতিয়ালৈকে গুটি নগজে তেতিয়ালৈকে ভেটি কল-পাতেৰে ঢাকি থব। গুটি গজি আটালেই এই ঢাকোন গুচাই দিব। নহলে পুলি লেঙ্লেঙীয়া হবগৈ। তেতিয়া ভবিষ্যতলৈ ফল সৰু হয়। প্ৰতি-দিনে পুৱা গধুলি অলপ পানী ছটিয়াব। বতৰৰ গতি বুজি নিশা ঠাণ্ডা (চেঁচা) লগোৱাবও পাৰিব। যেতিয়ালৈকে পুলিৰ গুৰিত ভালকৈ মাটি ছটিয়াব পৰা নহয় তেতিয়ালৈকে পুলিয়ে ৰ'দ আৰু বৃষ্টি পোৱা অনাৱশ্যক।

ভেটিৰ ওপৰত চালি দিয়া

ভেটি নিৰ্ম্মাণ কৰাৰ লগে লগেই এই কাৰ্য্য কৰিব লাগে। ভেটিৰ চাৰি চুকে চাৰিটা (বা তাতকৈ বেছি) খুটা পুতি প্ৰায় ২½ ফুটমান ওখকৈ এই চালি দিব লাগে। এই চালিয়ে গুটি আৰু পুলিক ৰদ আৰু বৰষুণৰ পৰা [প্ৰধানকৈ বৰষুণৰ পৰাহে] ৰক্ষা পোৱাত সহায় কৰে। এই চালি নহলে বৰষুণৰ টোপালে পুলিৰ শিপা খান্দি পেলায়। যেতিয়াৰ পৰা পুলিয়ে ৰ'দ আৰু বৰষুণ সহ্য কৰিব পৰা হয় তেতিয়াই ইয়াক গুচাব লাগে।

পুলি কৰবলৈ কৰা খলি

পুলি উঘলাৰ আগতে খলিবিলাক তৈয়াৰ কৰি থব লাগে। খলিবিলাক উত্তৰা-দক্ষিণাকৈ প্ৰায় ২½´ আঢৈ ইঞ্চি মান দকৈ কোৰেৰে কাটিব লাগে।

ওলকবিৰ খল ৬´´ ইঞ্চি অন্তৰে অন্তৰে কাটিব লাগে।
ফুল " " ২ ফুট " " " "।
বন্ধা " " ২ " " " " "।
চিনা " " ১ " " " কাটিলেই হব।

পুলি উঘলা কাৰ্য্য।

পুলি উঘলাৰ অলপ আগতে ফিচ্কাৰী দ্বাৰা পুলিত আৰু শিপাত পানী দিব লাগে। ভেটিৰ পৰা পুলিবিলাক উঘালি নিওঁতে সাৱধান হব লাগে যাতে পুলিৰ সূক্ষ্ম শিপাবিলাক ছিগি নেযায়। পুলিৰ যাতে সকলো বিলাক শিপা আহে তাৰ বাবে খন্টিৰ দ্বাৰা পুলি উঘলা কাৰ্য্য কৰিলে ভাল। পুলিয়ে যাতে দুখ নেপায় তাৰ বাবে সাৱধান হব লাগে। পুলি উঘালি বেছি সময় থৈ দিব নেলাগে। ৩ ইঞ্চি দীঘল হলেই পুলি উঘালিব লাগে। উঘলা পুলি বেছি সময় থলে ভবিষ্যতলৈ ফলৰ গঠন, ওজন, আয়তন আৰু আকৃতি কম হয়গৈ।

পুলি উঘালিয়েই এটা বাম আৰু মেলাহি পাত্ৰত থৈ যাব লাগে। সৰহকৈ একেবাৰতে পুলি উঘালি কৰবলৈ থব নেলাগে। তাকৰ তাকৰকৈ উঘালি কই যাব লাগে।

পুলি ৰোৱা

বেছি দীঘল পুলি ৰুলে কণি সৰু হয়গৈ। সেই বাবে পুলি ৫।৬" ইঞ্চি দীঘল হবলৈ দিব নেলাগে।

ওলকবি ৬"ইঞ্চি অন্তৰে অন্তৰে ৰুব লাগে
চিনাকবি ১ ফুট " " "
ফুলকবি ২ " " " "
বন্ধা কবি ২ " " " "

পুলিৰ সকলো বিলাক শিপা যাতে পোত খায় তাৰ বাবে খন্তিৰে দ গাঁত কৰি পুলি ৰুই য়। পিচত পুলিৰ গুৰি টিপি থৈ যাব। পুলিক ৰদ বৰষুণৰ পৰা ৰক্ষা কৰিবৰ উদ্দেশ্যে কলপটুৰা প্ৰায় ১ বেগেত মানকৈ কাটি পুলিক ঢাকিব লাগে

পুলি খোচৰা

পুলি যেতিয়া ১বেগেত মান ওখ হবগৈ তেতিয়া তাৰ ওচৰৰ মাটি খুচৰি দিব। তেতিয়া তাৰ গুৰিৰ মাটি কেবল হব। পুলিৰ শিপা বিস্তাৰ হবলৈ সুবিধা পাব।

বোৱাপুলিত সাৰ

বোৱা পুলিলৈ সাৰ দিব পৰা যায়। সাৰ দিওঁতে সাৱধান হব যাতে সাৰ পুলিটোৰ গাত নেলাগে। তাৰ পিচতো আকৌ খোচৰা কাম কৰিব পাৰে।

কোৰ মৰা

কবি তলা মাটিত বন গজিবলৈ দিব নেলাগে। প্ৰথমে দুবাৰ কোৰ মাৰিব লাগে। কবিৰ পাত বোৰ বিস্তাৰ হোৱাৰে পৰা কবি হোৱালৈকে চাফ্ চিকুণকৈ ৰাখিব, কবি জোপাৰ গুৰিত কোৰেৰে মাটি চপাই দিব।

— —

বয়স্ক শিক্ষক হিচাবে ছাত্ৰসকল।

ভাৰতৰ প্ৰায়বিলাক ৰাষ্ট্ৰতে ছাত্ৰসকলে বয়স্ক সকলৰ সামাজিক শিক্ষা কেন্দ্ৰ চলোৱা কাৰ্য্যত আগভাগ লৈছে। আজিকালি প্ৰায়েই সামাজিক শিক্ষা প্ৰচাৰৰ কাৰণে ছাত্ৰ সকলে বছৰি কিছুদিন গাঁৱত কটায়। এনে কৰাৰ উদ্দেশ্য যাতে গাঁৱৰ মানুহৰ লগতে ছাত্ৰসকলে সংস্পৰ্শলৈ আহে আৰু জনসাধাৰণৰ লগত শিক্ষিত শ্ৰেণীৰ ব্যৱধান কমে। কেতিয়াবা কেতিয়াবা এনেকুৱা বিলাক কেন্দ্ৰত লেখা-পঢ়া শিকোৱা নহয়। লেখা-পঢ়া শিকোৱাটো প্ৰত্যেক সামাজিক শিক্ষা কেন্দ্ৰৰে এটা আৱশ্যকীয় কাম আৰু কেন্দ্ৰৰ আন আন কাম বিলাকৰ ভিতৰত এইটো থাকিবই লাগিব। সাধাৰণতে ছাত্ৰসকলক একোজন অধ্যাপকৰ তত্ত্বাৱধানত এৰি দিয়া হয়। কেতিয়াবা অধ্যাপকজন বয়স্ক শিক্ষাত অভিজ্ঞ মানুহ হয় আৰু কেতিয়াবা তেখেত বয়স্ক শিক্ষাৰ বিষয়ে একো শিক্ষা নোপোৱা মানুহো হ'ব পাৰে। কিন্তু তেখেতে ছাত্ৰসকলক কামত নমাৰ আগতে সামাজিক শিক্ষাৰ বিষয়ে অলপ প্ৰাথমিক জ্ঞান দিয়াটো এটা আৱশ্যকীয় কথা।

(বয়স্ক সামাজিক শিক্ষা বিষয়ে হোৱা ভাৰতৰ চতুৰ্থ জাতীয় চেমিনাৰৰ ডিৰেক্টৰ শ্ৰী জি হৰিসৰ্ব্বোত্তম ৰাও এম, এ)

কুটিৰ শিল্প।

মহম্মদ হাজাৰ আলি।

আমি ঘৰত যিবিলাক বস্তু নিজহাতে সাজি লৈ আনক বেচোঁ সেই বস্তুবিলাকক কুটিৰ শিল্পত ধৰা হয়। সেইবিলাকৰ ভিতৰত বেতৰ কাম—যেনে চকী মেজ, আদি. কাঠৰ কাম—চকী, মেজ, বেঞ্চ, বাকচ, পীৰা, আলমাৰী ইত্যাদি;



বাঁহৰ কাম— যেনে ডলা, পাচি, খৰাহি ইত্যাদি, সোণ ৰূপৰ কাম–গহনাপাতি. পিতলৰ কাম—টৌ, চৰিয়া, কলহ; কাঁহৰ কাম–কাঁহী, বাটি চৰিয়া, গিলাচ ইত্যাদি. মাটিৰ কাম—কলহ, গিলাচ, চিলিম আদি।

বৰ্ত্তমান যুগ যান্ত্ৰিক যুগ। এই যুগত কম আয়াসতে আৰু কম সময়ৰ ভিতৰতে বেচি কাম কৰিব পৰা বহুত যন্ত্ৰ ওলাইছে। যন্ত্ৰৰ আবিষ্কাৰে কুটিৰ শিল্পৰ ধ্বংস আনিবলৈ ধৰিছে। গোটেই পৃথিৱী জুৰি যন্ত্ৰ আৰু এই কুটিৰ শিল্পৰ মহা যুদ্ধ চলিছে। অৱশ্যে এই যুদ্ধত কুটিৰ শিল্পৰ পৰাজয় অৱশ্যম্ভাবি।

মহামানৱ মহাত্মা গান্ধীয়ে কুটিৰ শিল্পক প্ৰধান স্থান দিছিল আৰু তাতৰ কাপোৰেৰে কলৰ কাপোৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি লঙ্কাচাযৰ আৰু মানচেষ্টাৰৰ কাপোৰৰ ক বিনাশ সাধন কৰি পেলাইছিল।

আগেয়ে অসমীয়া মানুহে যথেষ্ট সুন্দৰ ভাৱে কাপোৰ বৈ লব পাৰিছিল। কিন্তু এই যান্ত্ৰিক যুগৰ আবিৰ্ভাবৰ লগে লগে আমি নিজৰ সেই বৌটিবলীয়া বৃত্তি এৰি পেলাইছো। আজি এনেকুৱা



তিকতাই আন কি সূতা কাটিব নেজানেই এনে কি নিজৰ মেখেলা খন বৈ লব নোৱাৰে।

আগৰ দিনত আমাৰ অসমীয়া মানুহবিলাক সকলো কথাতে স্বাৱলম্বী আছিল—এই কুটিৰ শিল্পৰ গুণেই। বৰ্ত্তমান আমাৰ ঘৰুৱা শিল্পৰ অৱনতী হৈ আহিছে। এনেকুৱাতো কুটিৰ শিল্প বিদেশীয়ে হাত কৰিছে। বৰ্ত্তমান অসমত বিদেশী কাঠ মিস্ত্ৰি, মাটিৰ কাম কৰা মানুহ, লোৰ কাম কৰা মানুহ, বাঁহ আৰু বেতৰ সাজ সৰঞ্জাম কৰা মানুহ দিনক দিনে বাঢ়ি যাবলৈ ধৰিছে আৰু ইয়াৰ লগে লগে এইবিলাক কাম কৰা অসমীয়া মানুহৰ সংখ্যা কমি যাবলৈ ধৰিছে।

গোঁসাই তামুলি, বৰবৰুৱাই এনে এটা নিয়ম কৰিছিল যে প্ৰত্যেকজন মতাই সদায় ৰাতি খাই বে উঠি একোটাকৈ খৰাহি, ডলা বা তোনকুৰা ধৰণৰ বস্তু সাজিব লাগিব আৰু প্ৰত্যেক জনা তিকতাই একোটাকৈ মহুৰা তৈয়াৰ কৰিব লাগিব। কিন্তু আজি অসমত ঘৰুৱা শিল্পৰ বৰ দুৰৱস্থা হৈছে।

তথাপি বৰ্ত্তমানেও অসমৰ কিছুমান ঠাইত কুটিৰ শিল্পৰ কিছু চৰ্চ্চা আছে। কামৰূপৰ শোৱাল-কুচিত বোৱা ধুনীয়া ধুনীয়া কাপোৰ আৰু সৰ্থেবাৰীৰ কঁহৰ বাচন গোটেই অসম বিখ্যাত।

বৰ্ত্তমানেও আমি আমাৰ কুটিৰ শিল্পৰ প্ৰসাৰণৰ কাৰণে চেষ্টা কৰা উচিত। অৱশ্যে সকলো পিনে আগৰ দৰে সেই শিল্পতে মন কাণ দি থাকিলেই

বস্তু সেইবিলাকেৰেই তৈয়াৰ কৰা হয়। কিন্তু জাপানৰ সেই যন্ত্ৰবোৰ নিশ্চয় কুটিৰ শিল্পহে। যি যন্ত্ৰই এজনক ধনী কৰি হাজাৰ বনুৱাক খটুৱায় সেইবোৰ কেতিয়াও কুটিৰ শিল্প নহয়। কিন্তু প্ৰত্যেক ঘৰে ঘৰে ব্যৱহাৰ হোৱা হাজাৰ বিজাৰ সৰু সৰু যন্ত্ৰ—যিবিলাকে আমাৰ প্ৰয়োজনীয় বস্তুবোৰ তৈয়াৰ কৰে সেইবোৰ নিশ্চয় কুটিৰ শিল্প।

নহব। অতীত আৰু বৰ্ত্তমানৰ সংমিশ্ৰণৰ মাজেৰে অতীতৰ কুটিৰ শিল্পক আমি নতুন যুগৰ উপযোগী কৰি সাদৰি ল'ব লাগিব। উদাহৰণ স্বৰূপে জাপানত প্ৰতি ঘৰে ঘৰে নানান ৰকম যন্ত্ৰ পাতি ব্যৱহাৰ আছে আৰু আমি পোৱা বহুত জাপানী

নতুন পুৰণিৰ সংমিশ্ৰণৰ, আৱশ্যক মতে যন্ত্ৰ ব্যৱহাৰ কৰি হলেও আমি কুটিৰ শিল্পক পুনৰ জীয়াই তুলিব লাগিব। তেহে আমাৰ ভাৰতৰ লাখ লাখ মানুহৰ উপকাৰ হ'ব।

* শ্ৰীকৃষ্ণ পুথিভঁড়ালৰ ছমহীয়া হাতেলিখা আলোচনী 'প্ৰেৰণাৰ' পৰা।

কলিকতীয়া ফাকি।

(সঁচা গল্প)

শ্ৰীশ্ৰীৰাম চন্দ্ৰ দাস

(১)

বৰপেটা মহকুমাৰ ভিতৰত সৰ্থেবাৰী এখন ডাঙৰ গাঁও। কোনো সৰ্থীদেৱী নামৰ ৰাজ-কন্যা এগৰাকীৰ নামৰ পৰাই সৰ্থেবাৰী নামটো হয় গোলে। সৰ্থেবাৰী ঠাই ডোখৰ দ, তাত শালি-খেতি নহয়। ওচৰতে আল্লা নদী। ইয়াৰ কঁাহ-পিতলৰ বাচন অসম বিখ্যাত। আৰ কালি শেহ ৰাতি কঁহাৰ সকলে গঢ়-শালিত কঁাহ-পিতলৰ বাচন-বৰ্ত্তনত কোব ধৰা গুম্ গুমনি শব্দ শুনিলে বৰ ভাল লাগে—কোনো ঠাইত যুদ্ধ আৰম্ভ হোৱা যেন ধাৰণা হয়। ইয়াত দাবোথেৰ, আতাথেৰ, কাজীথেৰ, যমোথেৰ, তামুলীথেৰ আৰু যোগীৰবৰি আদি কেবাটাও ডাঙৰ চুবা আছে। বসতি বৰ ঘন। জন-সংখ্যাও বেচি। ৰাইজৰ মাজত একতা আৰু উদ্যম আছে।

সৰ্থেবাৰী আৰু তাৰ আশে-পাশে থকা নাম-শলা, কাৰাকুচি, পল্লা, আমৃ খোৱা, বৈনকুচি আৰু গোমূত্তা আদি গাঁৱত অনেক ধুনীয়া ধুনীয়া খেল নাও আছে। এই নাওবোৰ আমাৰ অসমীয়া শিল্পীৰেই হাতৰ কাম। নাওবোৰ খুব বেগী। এই সকলো নাৱৰে ভিতৰত বাৰিষা সমাৰোহেৰে খেল হয়। নাও-খেলৰ এই মধুৰ দৃশ্য চাবলগীয়া।

(২)

অসমৰ সকলো ঠাইতে বাৰ তিথি মতে নানা ৰকমৰ সভা আৰু সবাহ আদি হয়। যেনে—ৰণাৰ সভা, মানিথেৰ সভা, ব্যাসকুচিৰ সভা, চেঙাৰ সভা, মাখিবাহাৰ সভা আৰু সৰ্থেবাৰীৰ সভা। এই সকলো সভাৰেই বুৰঞ্জী আছে।

সৰ্থেবাৰীৰ সভা বিখ্যাত। এই সভা প্ৰত্যেক বছৰতে মাঘী পূৰ্ণিমাত হয়। পূৰ্ণিমাৰ দিনা হোম আৰু নাম হয়। সৰ্থেবাৰীৰ মানুহৰ মনত ই পুণ্য যজ্ঞ। এই যজ্ঞই সকলো মানুহবে মনত আনন্দ, উৎসাহ আৰু প্ৰেৰণা দিয়ে। প্ৰবাসত থকা কৰ্ম্মীসকলে কিবা কাৰণত আহিব নোৱাৰিলেও সেই দিনা দূৰৰ পৰাই সেৱা জনায়।

(৩)

ই কেইবছৰ মান আগৰ কথা। সভাৰ কাম আৰম্ভ হৈছে। এইবাৰ সভাৰ কাম চলাবৰ কাৰণে ৰাইজে আতাথেৰচুপাৰ শ্ৰীযুত ভীমচন্দ্ৰ ডেকাক সম্পাদক পাতিছে। সৰ্থেবাৰীত ডেকা উপাধিৰ লোক সৰহ। সেই কাৰণে ইয়াক 'ডেকাৰ দেশ' বুলিলে বেয়া হব নে? ডেকা উপাধিটো মিঠা আৰু প্ৰেৰণাদায়ক; কাৰণ বুঢ়া কালতো মানুহে ডেকা লিখে। এই উপাধিটো প্ৰথমতে যি জনে বাহিৰ কৰিছিল, এতিয়াতে তেওঁৰ শলাগ লওঁ।

ভীমচন্দ্ৰ ডেকা মানুহ জন হৃষ্ট পুষ্ট, সাহসী আৰু কৰ্ত্তব্য পৰায়ণ। ডেকাৰ এটা মাত্ৰ দোষ—তেওঁ নিজকে কিছু বেচি জনা বুলি ভাবে। এনে দোষ হয়তো আমাৰ গাতো থাকিব পাৰে।

তাকে যেনিবা আমি ৰহঁন দি ঢাকি থওঁ। মোৰ গাত কি কি দোষ আছে, তেওঁৰ গাত কি কি গুণ আছে—এই বিচাৰ মতে সকলোৱে চলিলে পৃথিৱী শান্তিৰ মন্দিৰ হব।

(৪)

হোমৰ আগ দিনা। ডেকা ঘৰত নাই,—সত্তাৰ কামত আন ঠাইলৈ গৈছে। ঘৰত মাত্র ঘৈণীয়েক গিৰিবালা আৰু এক মাত্র শিশু-পুত্র চন্দন আছে। চন্দনৰ বয়স মাত্র তিনি বছৰ মানহে হব। এই সময়তে এজনী পছিমীয়া অঘৰী তিৰোতাই মুখত মিচিকিয়া হাঁহি মাৰি শ্রীমতী গিৰিবালাৰ আগত উপস্থিত। গিৰিবালাৰ ডিঙিত ৫ পাঁচ তোলাৰ সোণৰ হাৰ। চোতালত পছিমীয়া তিৰোতা জনী দেখি গিৰিবালাই তাইক কি লাগে সুধিলে। অঘৰী তিৰোতা জনীয়ে হাতত এধাৰি বংচঙীয়া হাৰ দেখুৱাই কলে—এইধাৰ সাত তোলাৰ খাটি সোণৰ হাৰ। ইয়াৰ মূল্য হেজাৰতকৈও বেচি। কলিকতাত বিলাতী মিস্ত্রিৰ হতুৱাই ইয়াক তৈয়াৰ কৰা হৈছে। এনে উত্তম হাৰ অসমৰ কোনো তিৰোতাই পিন্ধা নাই। এনে বিশেষণ পূর্ণ কথা শুনি গিৰিবালাৰ মন গলি গল। অঘৰী জনীৰ হাতৰ পৰা সেই হাৰ ধাৰ লৈ তাই নিজৰ ডিঙিৰ হাৰ ধাৰিও দিলে। বংচঙীয়া গহনাৰ মোহে গিৰিবালাক আত্ম-হাৰা কৰি পেলালে। ইয়াৰ ভিতৰতে ছেগ চাই মাইকী জনী সাউৎ কৰি নাইকিয়া হল। অলপ-পৰৰ পিচতেই কুচিত হাহাকাৰ লাগিল ; হাৰ আৰু পায় ক'ত ? সাত শ টকাৰ সোণৰ হাৰৰ পৰিবর্ত্তে গিৰিবালাই আঠ অনাৰ কেমিকেল্ হাৰ এডালহে পালে। আই ছিয়া ভুকুৱাই কান্দিলে। ইয়াকে বোলে—কলিকতীয়া ফাঁকি, বিশৰ পৰা ত্রিশ গল বাকী থাকিল কি ?

সন্ধিয়া ভীমচন্দ্র ডেকাই ঘৰলৈ আহি খবৰ শুনি কপালে মূৰে হাত দি বহিল। কিন্তু কি কৰিব। এতিয়া আৰু একো উপায় নাই। যি হ'বৰ হৈ গ'ল।

———

কলিকতাৰ ৩০ মাইল দক্ষিণে ২৫০০০ একৰ (এক একৰ, ৪৮৪০ বর্গ গজ) সাৰুৱা মাটি পানীত বুৰ গৈ আছে। পছিম বঙ্গৰ চৰকাৰে সেই মাটিৰ পৰা পানী ভূঁতৰাই খেতিৰ উপযোগী কৰিবৰ কাৰণে জাৰ্ম্মানীৰ পৰা চাৰিটা পাম্প কিনিছে। এই কামত ১৪ লাখ টকা খৰচ হ'ব। এনে ধৰণৰ প্ৰচেষ্টা সম্ভৱতঃ এচিয়া মহাদেশৰ ভিতৰতে প্ৰথম হ'ব।

শিশু পালনৰ প্ৰতি মাতৃৰ কৰ্ত্তব্য

ডালিমী নাথ

মাতৃত্বৰ গৌৰৱেই হৈছে সন্তান-সন্ততি বিলাক গঢ়ি তোলা একোখন বিৰাট সংসাৰৰ মাজেদি। কিন্তু দুখৰ বিষয়, আজিও আমাৰ কিছুমান ভাৰতীয় নাৰী সমাজে শিশু পালনৰ সাধাৰণ নিয়ম প্ৰণালীবিলাক নেজানে। তাৰ ফলতেই বহুতো মাতৃয়ে কোমল শিশুবিলাকক হেৰুৱাব লগাত পৰে। গতিকে সাধাৰণ শিশুপালনৰ কৰ্ত্তব্য বিলাক মাতৃ সমাজৰ প্ৰত্যেকেই জনা উচিত। দেশৰ প্ৰতীকস্বৰূপ কোমল শিশুবিলাক নষ্ট হৈ যোৱাটো বৰ পৰিতাপৰ বিষয়। সেই কাৰণে প্ৰত্যেক মাতৃয়েই সজাগ আৰু সচেতন হোৱাটো উচিত।

সাধাৰণতে শিশু বুলিলে আমি বুজো একেবাৰে পানী-কেচুৱা অৱস্থাৰ পৰা ৫ বছৰ বয়সলৈ। এইখিনি বয়সৰ ভিতৰতে সন্তানৰ স্বাস্থ্য আৰু শৰীৰৰ গঠন গঢ়ি তোলা হয়।

সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগেই মাতৃয়ে বহুতো দায়িত্ব গ্ৰহণ কৰিব লগাত পৰে আৰু সেই দায়িত্বৰ মাজেদিয়েই একোটা সন্তানক গঢ়ি তোলা হয়। আজিকালি কিছুমান আধুনিক পৰিয়ালে সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগেই তাৰ দায়িত্বৰ ভাৰ একোজনী ধাই মাকৰ হাতত গতাই দিয়ে। বিষে বৰ পৰিতাপৰ বিষয়—মাতৃ হৈ মাতৃত্বৰ কৰ্ত্তব্য গ্ৰহণ কৰিবলৈ টান পায়! গতিকে প্ৰত্যেক মাতৃয়ে সন্তানৰ দায়িত্বৰ ভাৰ নিজেই গ্ৰহণ কৰা উচিত।

সন্তান ভূমিষ্ঠ হোৱাৰ পিচৰ পৰাই প্ৰত্যেক সন্তানৰ প্ৰতি মাতৃ... ভৰণ পোষণ, পিন্ধন-উৰণ, চলন-ফুৰণ ইত্যাদি বিষয়ত সদায় লক্ষ্য ৰখা উচিত। কিয়নো এইবিলাকৰ অনিয়মতে কেচুৱাৰ বেমাৰ আৰম্ভ হয়।

১ ম মাহৰ পৰা ৬ মাহলৈকে কেচুৱাক মাকৰ গাখীৰৰ বাদে পৰাপক্ষত আইন গাখীৰ নুখুৱাই ভাল। কিন্তু মাকৰ গাখীৰ নেথাকিলে বা আইন কিবা কাৰণত কেচুৱা দুৰ্ব্বল হলে পানীৰ পৰিমাণ সৰহকৈ দি গৰুৰ গাখীৰ খুৱাব পাৰি। দৰকাৰ নহলে গাখীৰৰ বাদে আইন আহাৰ খুৱাব নেলাগে। ৬ মাহ মানৰ পিচৰ পৰা কেচুৱাক নিৰ্ভাঁজ আৰু নিৰ্ম্মল গাখীৰ খুৱাব লাগে। অন্ততঃ কেচুৱাক এবছৰৰ আগতে ভাত খাবলৈ দিব নেলাগে। কিন্তু আমি কিছুমান গাঁৱলীয়া নাৰী সমাজত দেখিবলৈ পাওঁ যে ৬ বা ৭ মাহৰ পৰাই কেচুৱাক ভাত খুৱাবলৈ আৰম্ভ কৰে। ইয়াৰ ফলত হয় কি? পেটুৱা, অজীৰ্ণ আৰু ক্ৰিমি বিকাৰ। পাচলৈ জীৱনৰ আশা নাইকিয়া হয়। তেতিয়া কপাল-বিধাতাক গালি-শপনি দিবলৈ আৰম্ভ কৰে। মাকৰ যদি স্বাস্থ্য সুস্থ থাকে তেতিয়া হলে সন্তানক ১ বছৰলৈ পিয়াহ খাবলৈ দিয়াটো উচিত। কিন্তু মাকৰ গৰ্ভ হলে বা আইন কিবা অসুখ হলে এবছৰৰ আগতেই গাখীৰ এৰুৱাব লাগে।

কেচুৱা অলপ ডাঙৰ হলে অৰ্থাৎ এবছৰ বা ডেৰ বছৰ হলে সিহঁতে খোৱা-লোৱাৰ বিষয়ে বহুতো জনা হয়। কিছুমান লৰা ছোৱালীয়ে বাৰে বাৰে খাবলৈ বিচাৰে। খোৱাৰ অলপ পিচতে কোনোবাই যদি আকৌ খোৱা দেখে সিহঁতে দ্বিতীয় বাৰ খাবলৈ বৰ হেপাহ কৰে। হয়তো কেতিয়াবা কান্দি পেলায়। সেইখিনি সময়ত মাক অতি সাৱধান হোৱা উচিত। মৰম কৰি খাবলৈ দিয়াৰ ফলত শত্ৰুতা আচৰণহে কৰা হয়। ফলত অজীৰ্ণ, বমি, গ্ৰহণী নানা ৰকমৰ বিকাৰ উপস্থিত হয়। হয়তো এনেকুৱা ঘটনা আমি সচাৰচৰ দেখিয়ে থাকোঁ। শেষত প্ৰাণ লৈ টনাটনি হয়। তেতিয়া ইয়াৰ দোষৰ কাৰণ মাকেই নহয় নে?

কেচুৱাক সহজে হজম হোৱা পৰিষ্কাৰ, আৰু টাট্‌কা বস্তু খাবলৈ দিয়া উচিত। কেতিয়াও মাখি পৰা বা বাহী

বস্তু খাবলৈ দিব নেলাগে। সদায় নিয়মিত সময়মতে কেচুৱাক খুৱাব লাগে। যি বিলাক কেচুৱাই মাকৰ গাখীৰ খায় তেওঁলোকেও খোৱা লোৱাত সদায় সাৱধান হোৱা উচিত। লৰা-ছোৱালীৰ অলপ অসুখ হলেই মাকেও বাছি খাব লাগে।

পৰিষ্কাৰ পৰিচ্ছন্নতাৰ ওপৰতো কেচুৱা লৰা-ছোৱালীৰ স্বাস্থ্য নিৰ্ভৰ কৰে। অপৰিষ্কাৰকৈ ৰখাৰ ফলত কেচুৱাৰ নানাৰকমৰ বেমাৰ হয়। কেচুৱাৰ কাপোৰ কানি চাফ চিকুণ হোৱা দৰকাৰ। পিন্ধা চোলা-কাপোৰ আদি সদায় বদলাই দিব লাগে। গা ভালে থাকিলে কেচুৱাক সদায় ভাল চাবোনেৰে আৰু গৰম পানীৰে গা ধুৱাব লাগে। গা ধুউৱাৰ আগতে গোটেই গাটোত ভাল সৰিয়হৰ তেলেৰে খুব মালিচ কৰিব লাগে। গা ধুউৱাৰ পাচত গাটো ভালকৈ মোহাৰি দি ভাল পাউদাৰ গাত সানি কিছু সময় বাহিৰত মুকলি ঠাইত শুৱাই থব লাগে।

কেচুৱাক সদায় কিছুসময় বাহিৰত ৰখা উচিত। কেচুৱাৰ বিছনাপাতি সদায় পৰিষ্কাৰকৈ ৰাখিব লাগে। বিছনাৰ ওপৰত অয়ল ক্লথ পাৰিব লাগে।

কেচুৱাক সদায় ঢিলা পোছাক পিন্ধাব লাগে। আমি কোনোৱাবা দেখিবলৈ পাওঁ যে জাৰৰ দিনত লৰা-ছোৱালীৰ ঠাণ্ডা লাগিবৰ ভয়তে মাকে বেচ টান চোলা, মূৰত টুপী, গাত উলৰ চুৱেটাৰ আদি পিন্ধাই দিয়ে। ইপিনে হাত ভৰি উদং। তাৰ ফলত হয় কি? পানী লগা কাহ ইত্যাদি হবলৈ ধৰে। অন্ততঃ এবছৰলৈ উলৰ কাপোৰ ব্যৱহাৰ কৰিব নেলাগে। জাৰৰ দিনত হাত থকা ঢিলা ফ্লেনেলৰ চোলা আৰু ভৰিত মোজা ব্যৱহাৰ কৰিব লাগে। টান পোছাক কেতিয়াও নিপিন্ধাব। তাৰ ফলত তেজ চলাচল (Blood circulation) কৰাত অসুবিধা হয়।

ৰোগৰ পৰা যাতে কেচুৱা হাত সাৰিব পাৰে তাৰ বাবে মাকে সদায় যত্নবান হোৱা উচিত। ওচৰ-চুবুৰীয়াৰ নাইবা নিজৰ ঘৰত যদি সংক্ৰামক ৰোগে দেখা দিয়ে কেচুৱাক সদায় আঁতৰত ৰাখিব লাগে। ঘৰৰ পৰিয়ালৰ ভিতৰত যদি কোনেকুৱা কোনো অসুখ হৈ থাকে তেন্তে কেচুৱাৰে সৈতে মাকে একেবাৰে পৃথক হৈ থকা উচিত। বেমাৰীৰ ওচৰলৈ কেচুৱাক কেতিয়াও নিনিব।

ওপৰিকে এই সকলোবিলাক কামেই মাকেই নিয়াৰিকৈ কৰা উচিত। কিয়নো সন্তানৰ প্ৰতি মাকৰ যেনেকুৱা অকৃত্ৰিম অপত্য স্নেহ আছে আইনৰ কাৰোৱেই নাই। মাতৃয়েই একমাত্ৰ সন্তানৰ শুভাকাঙ্ক্ষিনী। মাকৰ ওপৰতে সতি সন্ততি বিলাকৰ ভৱিষ্যত নিৰ্ভৰ কৰে। সেয়ে এগৰাকী মাতৃয়ে তেওঁৰ সন্তানৰ প্ৰতি সদায় সজাগ আৰু সচেতন হোৱা দৰকাৰ।

সদৌশেষত ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যাতে নাৰী সমাজৰ প্ৰত্যেকেই মাতৃত্বৰ দায়িত্ব গ্ৰহণ কৰি তেওঁলোকৰ মাতৃত্বৰ গৌৰৱ অটুট ৰাখিব পাৰে। জয়হিন্দ।

মহীশূৰৰ চেণ্ট্ৰেল ফুড টেকনলজিকেল ইনষ্টিটিউটে চীনাবাদামৰ পৰা এবিধ কৃত্ৰিম গাখীৰ উলিয়াইছে। এই গাখীৰত আচল গাখীৰত থকা সকলো বিধ খাদ্যপ্ৰাণেই আছে বুলি জনা গৈছে। তাত থকা বৈজ্ঞানিক সকলে চীনাবাদামৰ পৰা দৈ বাহিৰ কৰাৰো চেষ্টাত আছে।

এজন মিছলীয়া গৰখীয়া ল'ৰা।

(নৈশ স্কুলৰ ছাত্ৰৰ বাবণে)

শ্ৰীনন্দেশ্বৰ গগৈ

এখন গাৱঁত ৰতিৰাম নামেৰে এটা অতি টটা-টিঙা আৰু মিছলীয়া ল'ৰা আছিল। সি নিতৌ এজাক গৰু লৈ গাৱঁৰ ওচৰতে থকা পাহাৰৰ দাঁতিত চৰাইছিল। ৰতিৰামে বাতিপুৱাৰ পৰা গধূলিলৈকে সেই পাহাৰৰ দাঁতিত অকলে অকলে বহি ৰংমনেৰে বনগীত আদি গাই গৰু চৰায়। এদিন সি এই-দৰে গৰু চৰাই থাকোতে মিছাকৈয়ে "মোক বাঘে খালে ঔ" "বাঘে ধৰিলে ঔ" বুলি পাৰেমানে চিঞৰিবলৈ ধৰিলে। ওচৰৰ গাৱঁৰ মানুহবিলাকে হঠাৎ সেই চিঞৰ বাখৰ শুনি ততালিকে তাৰ ওচৰলৈ লৰি-ঢাপৰি গ'ল। তেতিয়া ৰতিৰামে মানুহবিলাকক দেখিয়েই 'মিছাকৈয়ে কলো' বুলি দুহাতে চাপৰি বজাই হাঁহিবলৈ ধৰিলে। গাৱঁৰ মানুহবিলাকে খঙত তাক গালি-শপনি পাৰি সেই দিনা ঘৰলৈ ঘুৰি আহিল। ইয়াৰ কিছুদিনৰ পিচত আকৌ এদিন সি সেই ঠাইতে গৰু চৰাই থাকোতে আগৰ দিনাৰ দৰে "বাঘে খালে ঔ, খালে ঔ" বুলি চিঞৰিবলৈ ধৰিলে। গাৱঁৰ কেইজন মান

মানুহে হঠাৎ তেনে চিঞৰ বাখৰ কৰা শুনি ততালিকে লৰ মাৰি তাৰ ওচৰ পালেগৈ। তেওঁবিলাকে গৈ দেখে যে সেই দিনাও বাঘ নহয়। মিছাকৈয়ে চিঞৰ-বাখৰ লগাইছে। সেই দিনাও ৰতিৰামে মানুহ কেইজনক দেখি মিছা বুলি কৈ হাঁহিবলৈ ধৰিলে। তেওঁবিলাকে তাক খঙতে একো নকৈ তাৰ পৰা ঘৰলৈ ঘূৰি আহিল। কেইদিন মানৰ পাছত এদিন দুপৰীয়া সময়ত ৰতিৰামে পাহাৰৰ দাঁতিত বহি বং মনেৰে গীত গাই গৰু চৰাই আছিল। ঠিক সেই সময়তে পাহাৰৰ পৰা সঁচাকৈয়ে এটা বাঘ ওলাই আহি হঠাৎ তাক পিঠিত কামোৰ মাৰি ধৰিলে। সি উপায় নেপাই "বাঘে খালে ঔ" "ধৰিলে ঔ" "আহ ঔ" বুলি কিমান চিঞৰ-বাখৰ লগালে তথাপিতো সেই দিনা মানুহবিলাকে আগৰ কেইদিনৰ দৰে মিছা কৈছে বুলি ভাবি এজনো তাৰ ওচৰলৈ নগল। শেষত মিছলীয়া ৰতিৰামৰ কাৰোপৰা সহায় নোপোৱাত সেই ঠাইতে মৰণ হল।

তিৰুৱাল গাঁও 'যুবক লাইব্ৰেৰী'ৰ ইতিবৃত্ত

শ্ৰীকনক চন্দ্ৰ বড়া

যোৰহাট মহকুমাৰ নকছাৰি মৌজাৰ তিৰুৱাল গাঁৱত যোৱা ১৯৪৯ চনৰ মাজ ভাগত স্থানীয় ৰাইজৰ অশেষ সহায় সহানুভূতিত উক্ত গাঁৱৰ যুৱক সঙ্ঘৰ যত্নত এখন গাঁৱলীয়া পুথিভৰাঁল 'যুবক লাইব্ৰেৰী" নাম দি প্ৰতিষ্ঠা কৰা হয়।

শিক্ষাই দীক্ষাই পিচপৰা, অনুন্নত সম্প্ৰদায় লোকৰ বসতি থকা এই মৌজাটো। ই অসমৰ পূৱ-দক্ষিণ সীমান্তত নগা পাহাৰৰ লগত লাগি আছে। ইয়াৰ লোকসংখ্যা প্ৰায় ২৩৷২৪ হাজাৰ। ইয়াৰ জন সাধাৰণৰ সামাজিক আৰ্থিক, স্বাস্থ্য আদিৰ বিষয়ে বৰ্ণনা দিবলৈ শোক লগা। নিজৰ আদৰৰ জনম ভূমি যদিও নকৈ নোৱাৰোঁ যে ই আজিও আধুনিক জগতৰ সভ্যতা পোহৰৰ পৰা বহুত আঁতৰত। উচ্চ শিক্ষাৰ অনুষ্ঠান হে নেলাগে প্ৰাইমাৰী শিক্ষাৰ বাবেও স্কুল যথেষ্ট নাই। মৌজাটোৰ ভিতৰত এখন মাত্ৰ গৱৰ্ণমেণ্ট সাহায্যপ্ৰাপ্ত মধ্য ইংৰাজী স্কুল আছে। হাইস্কুল এখন আজিও গঢ়ি উঠিব পৰা নাই। বৰ্ত্তমান সময়ত শিক্ষাই হৈছে আদিমূল, যাৰ অভাৱ হলে আজিৰ যুগত জীয়াই থকাটোৱেই কঠিন হৈ পৰিছে। এনে এখন অৱহেলিত পিচ পৰা ঠাইত ৰাজহুৱা অনুষ্ঠান জীয়াই ৰখাটো বৰ জটিল। জনসাধাৰণৰ উৎসাহ আৰু সহায় সহযোগৰ ওপৰতহে অনুষ্ঠানৰ ক্ৰম বিকাশ ঘটে। যত শতকৰা নিৰানব্বৈ জনেই নিৰক্ষৰ তেনে এটা অঞ্চলত 'পুথিভঁৰাল'ৰ নিচিনা এটা ৰাজহুৱা অনুষ্ঠানৰ আৱশ্যক। কেইজনে উপলব্ধি কৰিব তাক নকলেও হব। ইয়াৰ উদাহৰণ স্বৰূপে আমাৰ মৌজাটোৰ ভিতৰতে দুই তিনিখন গাঁৱৰ মাজত লগ লাগি দুই এখন পুথিভঁৰাল প্ৰতিষ্ঠা কৰা দেখা যায়, কিন্তু আৰম্ভণিতেই শেষ হৈ যায়। সি যি নহওক আজি তিনিবছৰৰ পূৰ্ব্বে আমাৰ পিচপৰা গাঁও খনিত যি এটা গাঁৱলীয়া পুথিভঁৰাল প্ৰতিষ্ঠা কৰা হৈছিল সেই পুথিভঁৰাল আজিও জীয়াই ৰখাটো সচাকৈয়ে গৌৰৱান্বিত হৈছো। ইয়াৰ মূলতে আমি আমাৰ গাঁৱৰ ৰাইজৰ একতা, মনোযোগ, সহায় আৰু সহযোগৰ ফল বুলি কব পাৰোঁ। আমাৰ গাঁৱৰ এই পুথিভঁৰালটো এটা সম্পূৰ্ণ স্বতন্ত্ৰীয়া অনুষ্ঠান। বৰ্ত্তমান দেশৰ ৰাজনীতি সমাজনীতিৰ আৱতাৰাত হোজা গাঁৱলীয়া ৰাইজৰ মাজত বহুতো সময়ত কিছুমান ৰাজনীতিৰ মুখা পিন্ধা লোকে কূটনীতি অৱলম্বন কৰি বহুতো কৰ্ম্মী আৰু ৰাইজৰ মাজত নানা প্ৰকাৰ বিভেদ, বিশৃঙ্খলতা আনিবৰ যত্ন কৰে, নিজৰ প্ৰতিপত্তি লাভৰ কাৰণে, ফলত এনেকুৱা ৰাজহুৱা অনুষ্ঠান ভাঙি যায়। কিন্তু আমাৰ কৰ্ম্মীসকল এই বিষয়ে বিশেষ ৰকমে সজাগ হোৱাত তেনেকুৱা পৰিস্থিতিৰ পৰা হাত সাৰি আছে আৰু আগলৈকো থাকিব বুলি বিশ্বাস। এনে বিশৃঙ্খলতা সৃষ্টি হোৱাৰ কাৰণ হৈছে দলগত ৰাজনীতি। যি লোকে দলগত ৰাজনীতিৰে সমাজ সেৱা কৰিবৰ কাৰণে এনেকুৱা একোটা ৰাজহুৱা অনুষ্ঠান গঢ়ি ৰাইজৰ চকুত চমক লগায় তেনে অনুষ্ঠান ক্ষণস্থায়ী। এই কাৰণেই আমাৰ পুথিভঁৰালৰ কৰ্ম্মীসকলে হোজা ৰাইজ যাতে তেনে প্ৰৰোচনাত নপৰে তাৰ বাবে ৰাইজৰ মাজত একতা বজাই ৰখাত বিশেষ সাৱধান হৈছে।

সমাজ সেৱা অনুষ্ঠানৰ কাম কৰিবলৈ যাওঁতে বহুতো বাধা-বিঘিনি, কষ্ট, স্বাৰ্থত্যাগ আৰু ধৈৰ্য্যৰ আৱশ্যক। আমাৰ কৰ্ম্মীসকলে ৰাধাৰ হাত সাৰিব পৰা নাই, তথাপি অক্লান্ত সদিচ্ছা আৰু মনোবলেৰে সৈতে ৰাইজৰ সেৱা কামত আত্ম নিয়োগ কৰি আহিছে। এই তিনিবছৰৰ ভিতৰত গাঁৱৰ বহুতো পৰিবৰ্ত্তন কৰা হৈছে, ৰাজহুৱা বাট-পথ পুখুৰী নিৰ্ম্মাণ কৰি স্বাস্থ্য আৰু শিক্ষা বিষয়ত। পুথি ভঁৰালৰ যোগে নৈশ-বিদ্যালয় পাতি গাঁৱৰ নিৰক্ষৰ জনসাধাৰণক স্বাক্ষৰ কৰোৱা নানা বিষয়ত জ্ঞান লাভ কৰাত বৰঙণি যোগোৱা হৈছে।

পুথিভঁৰালত স্কুলৰ পাঠ্য পুথিৰ উপৰিও, ৰাজনীতি আৰু ধৰ্ম্মসম্বন্ধীয় কিতাপ আছে। দেশৰ বাতৰি বাহিৰৰ মাজত প্ৰচাৰ কৰিবৰ বাবে সকলোৱে পঢ়িবলৈ সাপ্তাহিক অসমীয়া আৰু নতুন দৈনিক অসমীয়া বাতৰি কাকত ছুথন লোৱা হৈছে। মাহেকীয়া আলোচনী "স্বাস্থ্য প্ৰদীপ" পুঁজিৰপৰা লোৱা হৈছে। অসম জন-শিক্ষা বিভাগৰ মুখপত্ৰ 'জন-শিক্ষা' নামৰ আলোচনীখন উক্ত বিভাগৰপৰা বিনামূল্যে পোৱা হৈছে। ইয়াৰ বাহিৰেও পুথিভঁৰালৰ কাৰণে এটা খেৰী ঘৰ, আলমাৰী, চকী, টেবুল, বেঞ্চ আদি সাজ সৰঞ্জামবিলাক গোটাওতে প্ৰায় পাঁচশবো ওপৰ টকা পুঁজিৰপৰা খৰচ হৈছে। স্থানীয় ৰাইজৰ সাহায্য, বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা পোৱা চৌত্ৰিশ টকীয়া সাহায্য আৰু সভ্যসকলৰ বৰঙণিৰে পুথিভঁৰালৰ কাম কথমপি চলোৱা হৈছে। অৰ্থৰ অভাৱত কতভো আঁচনি আজিও কৃতকাৰ্য্য কৰি তুলিব পৰা নাই। এই বিষয়ে বিভাগীয় কৰ্ত্তৃপক্ষৰ ওচৰত সাহায্যৰ বাবে আবেদন ইয়াৰ যোগেই জনাব খোজোঁ।

—নকছাৰি মৌজাৰ ভিতৰত একমাত্ৰ আমাৰ এই "যুবক লাইব্ৰেৰী"টোৱেহে বিভাগীয় কৰ্ত্তৃপক্ষৰ দৃষ্টি লাভ কৰি ৰেজিষ্টাৰ্ড ভুক্ত হৈছে। এই পুথিভঁৰাল যোৰহাট মহকুমাৰ স্কুল চাব ইনস্পেক্টৰ মহোদয়ে প্ৰাৰম্ভণতে পৰিদৰ্শন কৰি পুথিভঁৰালৰ নিয়ম প্ৰণালীসমূহ দি যায়। ইয়াৰ পাচত যোৱা ২৬।১০।৫২ তাৰিখে জনশিক্ষা বিভাগৰ মাননীয় সহকাৰী প্ৰধান বিষয়াই লগত বিভাগীয় কৰ্ম্মচাৰীসকলৰ সৈতে পুথিভঁৰাল পৰিদৰ্শন কৰি এটি সন্তোষজনক মন্তব্য লিখি যায় আৰু যথাযোগ্য সাহায্যৰ আশ্বাস দিয়ে।

যোৱা ২৫।১১।৫২ তাৰিখে 'যুবক লাইব্ৰেৰী'ৰ চতুৰ্থ বাৰ্ষিক অধিবেশন স্থানীয় মৌজাৰ শিক্ষানুৰাগী, ৰাইজৰ একনিষ্ঠ সেৱক মাননীয় শ্ৰীভুবনচন্দ্ৰ দাহনদেৱৰ সভাপতিত্বত পতা হয়। এই অধিবেশনত উক্ত লাইব্ৰেৰীৰ উন্নতিৰ অৰ্থে এখন নতুন আঁচনি তৈয়াৰ কৰি স্থানীয় ৰাইজ আৰু বিভাগীয় কৰ্ত্তৃপক্ষৰ ওচৰত সহায় আৰু সহানুভূতিৰ কাৰণে গোহাৰি জনাই প্ৰস্তাব লোৱা হৈছে। বৰ্ত্তমান লাইব্ৰেৰী থকা ঠাইডোখৰ গাঁৱৰ কেন্দ্ৰস্থল নোহোৱাৰ বাবে অসুবিধা হোৱাত অহা নতুন বছৰৰ লগে লগে উক্ত 'লাইব্ৰেৰী'ৰ ঘৰটো গাঁৱৰ মধ্যস্থানত সাজিবলৈ সিদ্ধান্ত কৰা হয়। নতুন ঘৰ সজা কামত খৰচ কৰিবৰ বাবে কমেও এহেজাৰ টকাৰ এটা পুঁজি সংগ্ৰহ কৰিবলৈ কৰ্ম্মীসকলৰ ওপৰত ভাৰ দিয়া হয় আৰু বিভাগীয় কৰ্ত্তৃপক্ষৰ ওচৰত ঘৰ সজা সাহায্য বাবদ এটা বিশেষ মঞ্জুৰী পাবলৈ ৰাইজে আবেদন কৰে।

ভাৰতৰ উত্তৰ প্ৰদেশৰ টিৰাইত ১৬৫০০ একৰ ৰাষ্ট্ৰীয় কৃষি-ক্ষেত্ৰৰ কাম প্ৰায়েই শেষ হৈ আহিছে। এচিয়া মহাদেশৰ আটাইতকৈ ডাঙৰ কৃষি-ক্ষেত্ৰ বিলাকৰ ভিতৰত এইখনো এখন হৈ পৰিব। ইয়াত গৰু পাহ, হাঁহ, কুকুৰা, মৌ পোহা, মাছৰ পুখুৰী কৰা আদিৰো ব্যৱস্থা থাকিব কিছু ঠাই ধৰি খৰ আৰু মূল্যবান কাঠৰ কাৰণে জংঘল পাতিবলৈ আছুতীয়াকৈ থোৱা হ'ব। ধান, ঘেঁহু আদি এই মাটিত প্ৰচুৰ পৰিমাণে উৎপাদন কৰা হ'ব।

চান্দমাৰী নৈশ স্কুল

শ্ৰী ভকত কুমাৰ শৰ্ম্মা

গুৱাহাটী নগৰৰ কেইজনমান [illegible] [illegible] আশ্ৰম' নামে সামাজিক অনুষ্ঠান [illegible] আৰম্ভ [illegible]। এই আশ্ৰমৰ জৰিয়তে চান্দমাৰীত [illegible] স্কুল, আয়ুৰ্বেদ [illegible] ঘৰ [illegible] ছাত্ৰাবাস [illegible] এখন পুথিভঁৰাল স্থাপন কৰা হৈছে। [illegible] গাইকৈ বৈদিক আশ্ৰমৰ সম্পাদক [illegible] [illegible] ফল। বৰ্তমান [illegible] চান্দমাৰী [illegible] স্কুলখনৰ বিষয়ে [illegible]।

ৰাতিৰ স্কুল [illegible] পাতিবলৈ স্থিৰ কৰাৰ [illegible] [illegible] বিচাৰিবলৈ আৰম্ভ কৰোঁ। [illegible] আমি [illegible] [illegible] ঘৰ [illegible]। চান্দমাৰী [illegible] আমি ৰাতিৰ স্কুলখন পাতিলোঁ। [illegible] স্কুল চলাওঁতাসকলৰ অনুমান [illegible] [illegible]। বৰ্তমান আমি চান্দমাৰীৰ গাঁওখন [illegible] দুটি [illegible] নামঘৰৰ [illegible] [illegible]। দুখৰ বিষয় [illegible] [illegible] [illegible] স্থায়ীভাবে ৰাতিৰ স্কুল [illegible] [illegible] গাঁৱৰ নামঘৰৰ [illegible] [illegible] উৎসৱ অনুষ্ঠান [illegible] [illegible] গাঁৱৰ কাৰণে [illegible] আৰু [illegible] আমাৰ ইচ্ছা [illegible] [illegible] পঢ়া [illegible] আৰু যাতে স্কুলখনক সামাজিক [illegible] [illegible] সামাজিক শিক্ষা কেন্দ্ৰত পৰিণত কৰিব [illegible] কাৰণে আমি মাজে সময় [illegible] স্কুলখনৰ জৰিয়তে নানা [illegible] কৰিব [illegible] সুবিধা হলে আমাৰ [illegible] [illegible] ইচ্ছা। কিন্তু এই [illegible]

[illegible] পাৰিব।

[illegible] আৰম্ভ [illegible] শিক্ষা [illegible] আমাৰ আদিতেই দ্বিতীয় [illegible] লোকসকলৰ পঢ়াৰ উৎসাহ [illegible] আমি [illegible] [illegible]। আমি [illegible] শিখনিৰ [illegible] স্কুলখন [illegible]। [illegible] সহজে [illegible] [illegible] নৈশ বিদ্যালয় [illegible] [illegible] পাৰিব [illegible]

[illegible] নিয়মৰ [illegible] [illegible]

[illegible] শিক্ষা [illegible] [illegible] [illegible]

[illegible]

[illegible]

[illegible]

নাগানন্দ।

অধ্যাপক শ্রীৰজনী কান্ত শৰ্ম্মা এম, এ

পুৰণি কালত হিমালয় অঞ্চলত একশ্রেণীৰ দেৱতাৰ শাৰীৰ মানুহ বাস কৰিছিল। তেওঁলোকক বিদ্যাধৰ বুলিছিল। জীমূতকেতু আছিল বিদ্যাধৰ সকলৰ ৰজা। বহুদিন ৰাজ্যভোগ কৰি বুঢ়া হৈ পুতেক জীমূতবাহনৰ হাতত ৰাজ্য গতাই দি তেওঁ ৰাণীৰ সৈতে বনবাসী হয়। ৰাজকোঁৱৰ জীমূতবাহন আছিল বৰ শান্তিপ্রিয় স্বভাৱৰ। ৰাজ্য শাসনৰ দৰে জঞ্জাল এটা মূৰত জাপি লবলৈ তেওঁৰ সমূলি মন নাছিল। কিন্তু কি কৰে, পিতাকৰ আদেশ, ৰজা হবই লাগিব।

জীমূতবাহন ৰজা হল; কিন্তু পিতৃ-মাতৃৰ চৰণ সেৱাৰ আকাঙ্ক্ষা তেওঁৰ প্রবল হৈ উঠিল। সেই সেৱাৰ আনন্দৰ আগত ৰাজভোগ যে অতি তুচ্ছ! সেইকাৰণে এদিন কোঁৱৰে তেওঁৰ সমান বয়সৰ চতুৰ প্রধান মন্ত্রীৰ হাতত ৰাজ্যভাৰ অৰ্পণ কৰি বনলৈ যাবলৈ ওলাল। সেই সময়তে মতঙ্গ নামে এজন শত্রুৱে জীমূতবাহনৰ ৰাজ্য কাঢ়ি লবলৈ যো-জা কৰিছে। কোঁৱৰে এই কথাৰ গম পালেও তেওঁ শত্রুৰ বিপক্ষে নুযুঁজে। তেৱেঁই ৰজা হওক বা মতঙ্গই ৰজা হওক প্রজাৰ তাত লাভ লোকচান কি? কিয় ধাক তেওঁ অনাহকতে স্বাৰ্থৰ কাৰণে প্রজাৰ ৰক্তপাত কৰিব?

জীমূতবাহনে বনলৈ গৈ বুঢ়া মাক বাপেকৰ সেৱা শুশ্রূষাত দেহ মন সঁপি দিলে। ৰাজ্যলৈ উলটি আহিবলৈ কোঁৱৰৰ মন-কাণেই নাই। বনেই তেওঁৰ ঘৰ হল। এইদৰেই তেওঁৰ দিন যাবলৈ ধৰিলে। কালক্রমে মলয়াৱতী নামে এগৰাকী ৰাজকন্যাৰ লগত বনতেই তেওঁৰ বিয়া হয়। মলয়াৱতী আছিল বিশ্বাবসু নামে সিদ্ধৰাজৰ কন্যা। স্বামীৰ সুখকে নিজৰ সুখ কৰি কুঁৱৰীয়েও শহুৰ শাহুৱেকৰ সেৱাকে জীৱনৰ ব্রত কৰিলে। কোঁৱৰ জীমূতবাহনৰ আনন্দ চায় কোনে?

এবাৰ মলয়াৱতীৰ ককায়েক মিত্রাবসু ভনীয়েকৰ খবৰ লবলৈ আহে। দুয়ো ৰাজকোঁৱৰে মনৰ কৌতূহলতে এদিন সাগৰৰ পাৰলৈ ফুৰিবলৈ যায়। সাগৰৰ নীলা পানীৰ, পাৰৰ শ্যামল ধাননিৰ, বহল বালিময় তীৰৰ শোভা চাই চাই অপূৰ্ব আনন্দ লভিলে। হঠাতে জীমূতবাহনৰ চকুত পৰিল বৰফে ঢকা পৰ্ব্বতৰ টিং যেন কিবা এটা। মিত্রাবসুৰ পৰা জানিব পাৰিলে সেইবোৰ নাগসকলৰ হাড় মূৰৰ দম।

বিনতাৰ পুতেক পক্ষিৰাজ গৰুড় নাগসকলৰ প্রধান বৈৰী। গৰুড়ৰ উৎপাতত নাগলোক উৎসন্ন হ'বৰ উপক্রম হৈছিল। পিছে যেনিবা লৰালৰিকৈ নাগৰাজ বাসুকিয়ে এটা চুক্তি কৰি এই সৰ্ব্বনাশৰ হাত সাৰিলে। সেই চুক্তিমতে প্রতিদিনে একোএকোজন নাগ এক নিৰ্দ্দিষ্ট ঠাইলৈ গৈ গৰুড়ৰ আহাৰৰ কাৰণে উপস্থিত হ'ব লাগে। এইদৰে মৰা নাগসকলৰ হাড়মূৰ গোটখাই সেই পৰ্ব্বত প্রমাণ থুপ হৈছে।

মিত্রাবসুৰ মুখে গোটেইটো ঘটনা শুনি জীমূতবাহনৰ মনত নাগসকলৰ প্রতি পুতৌ ওপজাৰ লগে লগে বাসুকিলৈও ঘৃণা উপজিল। বাসুকিনো এনে হিয়াহীন নে যে নিজহাতে পুত্রৰ দৰে প্রজাসকলক শত্রুৰ মুখত তুলি দিছে। তাতকৈ নিজকে বলি দি প্রজাক বচাবলৈ চেষ্টা নকৰিলে কিয়?

জীমূতবাহনে এইদৰে গুণাগঁঠা কৰি থাকোঁতে পিতাকৰ ৰাজ্যৰ পৰা এজন দূত আহি কোঁৱৰ মিত্রাবসুক মাতি লৈ গ'ল। অকলশৰীয়া হোৱাত জীমূতবাহনৰ মনত নানা ভাৱৰ উদয় হল। এবাৰ ভাবিলে তেওঁৰ এই ক্ষুদিনীয়া দেহ দি অন্ততঃ এজন নাগৰ প্রাণ ৰক্ষা কৰিব। তেওঁ স্পষ্টকৈ শুনিবলৈ পালে—কোনোবাই কৈছে—'বোপা শঙ্খচূড়, মোৰ চকুৰ আগত তই প্রাণ এৰিবি, কোন মতে মই অভাগিনীয়ে এই দৃশ্য চাই থাকিম?

উধাতু খাই জীমূতবাহন লৰি গল—যি ফালৰপৰা শব্দটো আহিছিল, সেইফালে। অলপ দূৰ গৈ দেখিবলৈ পালে—এজনী বয়সীয়াল নাগিনী হিৰোতাই এজন ডেকা নাগৰ পিছে পিছে কান্দি কান্দি লৰি যাবলৈ ধৰিছে। গৈ গৈ এটা শিলৰ ওচৰ পালত তাতে ডেকাজন থমকি ৰ'ল। সেই ঠাইতে ৰৈ থকা এজন লোকে ডেকাজনক এখন ৰঙা কাপোৰ পিন্ধাই দিলে। জীমূতবাহনে তৎক্ষণাৎ বুজি পালে যে এয়ে সেই গৰুড়ৰ বধ্য নাগ। তেওঁৰ নাম শঙ্খচুড। বুঢ়ীজনী মাক। একমাত্র পুত্ৰেকৰ শোকত বুঢ়ীয়ে চিঞৰি চিঞৰি কান্দিছে। বুঢ়ীৰ দুখত যেন পাষাণো চকুপানী টুকিলে। হায় বিধাতা! দুখুনীৰ একেটি ৰতন। প্ৰজা ৰক্ষক ৰজাই নেৰাখিলে কোনে ৰাখিব ?

"মই ৰাখিম আই।" বুলি জীমূতবাহন আগ বাঢ়ি আহিল। মাক-পুতেক দুয়োৰো ক্ষন্তেকলৈ মাত ওলাব। কোন এই মহাপুৰুষ। পৰৰ কাৰণে অতি চেনেহৰ প্ৰাণটোকে বিসর্জ্জন দিবলৈ ওলাইছে।

জীমূতবাহনে শঙ্খচুডৰ ফালে চাই ক'লে—বধ্যচিহ্ন মোক পিন্ধাই দিয়া যুবক। তোমাৰ সলনি মই মৰিম। "এই কিয় মৰিব লোকা, তুই মোৰ লোৰ দৰে লো" চকুলো মাটিত পেলাই বুঢ়ীয়ে ক'লে। এক মহাত্মাৰ জীৱন নষ্ট কৰি নিজৰ ক্ষুদ্ৰ জীৱনটো ৰখাই—বংশত এই কলঙ্ক ৰাখিবলৈ শঙ্খচুডো প্ৰস্তুত নহয়।

মৰাৰ আগতে এবাৰ প্ৰণাম কৰি আহোঁ বুলি শঙ্খচুড ওচৰতে থকা গোকর্ণদেৱৰ মন্দিৰলৈ গল। মাকো পিছে পিছে গ'ল। সেই ছেগতে জীমূতবাহনে বধ্যশিল দুটাৰ ওপৰত থিয় হ'ল। মাকৰ কোলাত উঠিলে শিশুৰ যেনে ৰং লাগে শিলত উঠি জীমূতবাহনৰো তেনে আনন্দ লাগিল। এনেতে সমস্ত গোৰাত ত্ৰিভুবন কঁপাই গৰুড় আহি ছোঁ মাৰি জীমূতবাহনক বধ্য বুলি ঠোঁটত তুলি মলয় পৰ্ব্বতৰ টিং পালে।

জীমূতবাহনৰ সুঠাম শৰীৰ চিৰাচিৰ হোৱাতো মুখত আনন্দৰ চিন বিৰিঙি ওলোৱা দেখি গৰুড় বিস্মিত হ'ল ইটো আন দিনাৰ বধ্যৰ দৰে নহয়। কোন এই মহাপুৰুষ! সেই মুহূর্ত্ততে লৰি গৈ শঙ্খচুড়ো তাত উপস্থিত হ'ল আৰু চিঞৰি ক'লে—হে পক্ষিৰাজ, আপুনি ই কি কৰিলে, আপোনাৰ বধ্য মই। আপুনি যাক খাইছে তেওঁ যে বিদ্যাধৰ কুমাৰ জীমূতবাহন। গৰুড়ৰ মনলৈ বৰ ধিক্কাৰ আহিল। তেওঁ আত্মহত্যাকে সাৰোগত কৰিলে। এনেতে বুঢ়া ৰজা-ৰাণী আৰু মলয়াৱতীও আহি সেই ঠাইত ওলাল আৰু জীমূতবাহনৰ অৱস্থা দেখি ঠাইতে মূৰ্চ্ছা গ'ল। জীমূতবাহনে গৰুড়ক মৰিবলৈ নিদি সেইদিনাৰ পৰা হিংসা ভাব ত্যাগ কৰিবলৈ ক'লে। গৰুড়ৰ জীৱনৰ নতুন পৰিবৰ্ত্তন আহিল। ভগৱতী গৌৰীয়ে স্বয়ং আবিৰ্ভূতা হৈ জীমূতবাহনক জীৱন দান দিলে। শঙ্খচুড় আৰু গৰুড়ৰ যত্নত সকলোৱে চেতনা পালে। গৰুড়ে স্বৰ্গৰ পৰা অমৃত ছটিয়াই হাড় সকলো নাগকে পুনৰ জীৱন দিলে। জীমূতবাহনৰ দেহ আগতকৈও বেছি জেউতিশালী হ'ল।

খাদ্যপ্ৰাণ আৰু তাৰ গুণাগুণ

মহফীকা আহমেদ

জীৱন ধাৰণৰ কাৰণে খাদ্যৰ যে কিমান আৱশ্যক তাক প্ৰাণী মাত্ৰেই জানে। খাদ্য বুলিলে আমি ইয়াকে বুজোঁ যে যেই সেই বস্তুৰে পেটটো ভৰাই খোৱা। যি খাদ্য খালে শৰীৰৰ ক্ষতি অংশ পূৰণ হয়, বল বৃদ্ধি হয়, কাম কৰিবলৈ ইচ্ছা হয়, ৰোগ হব পৰা শক্তিক বাধা দিব পাৰে আৰু গাৰ উত্তাপ স্বাভাৱিক অৱস্থাত ৰাখিবৰ সক্ষম হয় সেয়েহে আচল খাদ্য। খাদ্যক সাধাৰণতে দুটা ভাগত ভগোৱা যায় যেনে জীৱন সংৰক্ষক আৰু দেহৰ পুষ্টি সাধক। এই দুয়ো বিধৰ ভিতৰতে পৰে ছয়টা উপাদান যেনে—পানী, লোণ, ভিটামিন বা খাদ্য-প্ৰাণ শ্বেতসাৰ প্ৰটিন আৰু চৰ্বি। এই ছয়বিধ উপাদানে মিলি আমাৰ দেহ যন্ত্ৰটিক নিজৰ নিজৰ শক্তিৰ যোগান দি কৰ্ম্মশক্তিক অনুপ্ৰেৰণা দিয়ে আৰু গাৰ স্বাভাৱিক উত্তাপ সংৰক্ষণ কৰি জীয়াই ৰখাত সহায় কৰে। এই উপাদানবিলাকৰ কোনো এটিৰ কম-বেছি হলেই আমাৰ দেহ-যন্ত্ৰটিৰ আউল লাগে, আৰু তাৰ ফলত দেহ-যন্ত্ৰটি ৰোগাক্ৰান্ত হৈ পৰে। যদিও প্ৰায় সকলো খাদ্যতে এই সকলো উপাদানেই কম-বেছি পৰিমাণে থাকে তথাপি আমি যি খাদ্যত যি জাতীয় উপাদান বেছি পৰিমাণে পাওঁ তাক সেই শ্ৰেণীৰ খাদ্য বুলিহে কওঁ।

এতিয়া আমাৰ আলোচ্য বিষয় ভিটামিন বা খাদ্য-প্ৰাণটোনো কি—তাৰ বিষয়ে ব্যাখ্যা কৰিব লাগিলে কব লাগিব যে—ই খাদ্যৰ ভিতৰত থকা এটা সাৰ অংশ—যাৰ অবিহনে খাদ্যৰ কোনো মূল্যই নাই। যেনেকৈ শৰীৰৰ ভিতৰত থকা আত্মাটো কাৰো দৃষ্টিগোচৰ নহয়, তেনেকৈ খাদ্যৰ ভিতৰত থকা খাদ্য-প্ৰাণটোও কোনেও দেখিবলৈ নেপায়। কিন্তু এই অদৃশ্য খাদ্য-প্ৰাণৰ অভাৱ ঘটিলে খাদ্য আনপিনে যিমানেই পুষ্টিকৰ নহওক তাৰ দ্বাৰা স্বাস্থ্য ৰক্ষা কেতিয়াও নহয়। জীৱনৰ প্ৰাণ শক্তি যেনেকুৱা অদৃশ্য অথচ তাৰ অভাৱত জীৱ-দেহ চৈতন্যহীন জড়পিণ্ড মাত্ৰ, ঠিক তেনেকৈয়ে খাদ্যপ্ৰাণ শূন্য খাদ্যও প্ৰাণ-শক্তি শূন্য আৰু অৰ্থহীন। এই খাদ্য-প্ৰাণে আন আন খাদ্যৰ উপাদানক দেহকাৰ্য্য গঠনত সহায় কৰে আৰু ইয়াৰ অভাৱ হলেই শৰীৰ ক্ৰমশঃ দুৰ্ব্বল আৰু ৰোগাক্ৰান্ত হয়। আমাৰ খাদ্যৰ গুণাগুণ হিচাবে খাদ্য-প্ৰাণক ৫ ভাগত ভগাব পাৰি যেনে (ক) (খ) (গ) (ঘ) (ঙ) বা এ, বি, চি, ডি, ই।

এসময়ত চীন আৰু জাপানত বেৰি বেৰি নামৰ এক প্ৰকাৰ ৰোগে দেখা দিয়ে। এই বেমাৰৰ কাৰণে দুয়োখন দেশেই ক্ষতিগ্ৰস্ত হবলৈ ধৰে। বিচাৰ কৰি জানিবপৰা গ'ল যে সেই দুই অঞ্চলৰ মানুহবিলাকে কলত বনা চাউল খায়, কাজেই চাউলৰ ওপৰৰ অপৰিষ্কাৰ ভাগ পেলনি যায়—যি অংশত ভিটামিন বি বা খাদ্য-প্ৰাণ খ থাকে বুলি চিকিৎসকে পৰীক্ষা কৰি পাইছে। এই খাদ্য-প্ৰাণৰ অভাৱত বেৰি বেৰি বেমাৰ হয়।

পশ্চিম অঞ্চলৰ মানুহবিলাক কুকুৰি-কণাৰ নিচিনা—তেওঁলোকৰ খাদ্যত ভিটামিন প্ৰায় নায়েই (?) আৰু কিছুমান ল'ৰা-ছোৱালী ভিটামিনৰ অভাৱত পয়ালগা দেখা যায়। এতিয়া আমি বিচাৰ কৰিব লাগিব এই খাদ্য-প্ৰাণ আমি কেনেকৈ পাব পাৰো আৰু এই খাদ্য-প্ৰাণ আমাৰ খাদ্যৰপৰা কেনেকৈ বৰ্জ্জিত হয়। কোন শ্ৰেণীৰ খাদ্য-প্ৰাণ কোন কোন বস্তুত পোৱা যায় তাক জানিবৰ আগতে আমি এটা কথা মনত কৰিব লাগিব যে খাদ্যৰ যি প্ৰকৃতিদত্ত শক্তি—যি শক্তিয়ে জীৱ আৰু উদ্ভিদ জগতক প্ৰাণ দান আৰু সতেজ কৰি তোলে সেয়েই খাদ্য-প্ৰাণ—কাজেই সকলো প্ৰকাৰৰ টাট্‌কা বস্তুতেই খাদ্য-প্ৰাণ পোৱা যায়। বাহি, পচা, শুকান বস্তুত খাদ্য-প্ৰাণ নেথাকে আৰু বহুত সময় কোনো বস্তু সিজালেও খাদ্য-প্ৰাণ নষ্ট হৈ যায়।

(১) খাদ্য-প্ৰাণ ক—দেহৰ বৃদ্ধি আৰু পুষ্টিসাধনৰ কাৰণে খাদ্য-প্ৰাণ কৰ একান্ত আৱশ্যক। শিশু আৰু যুৱক-যুৱতীৰ খাদ্যত ইয়াৰ অভাৱ ঘটিলে ৰক্তাল্পতা, কুকুৰি কণা, মূত্ৰপাথৰি আৰু হাওঁফাওঁৰ ৰোগ হোৱা দেখা যায়। গাজৰীমাহ, বন্ধাকবি, পালেং-শাক, নাৰিকল, গাখীৰ, কণীৰ কুহুম আদিত এইবিধ খাদ্য-প্ৰাণ যথেষ্ট পৰিমাণে পোৱা যায়। এই সকলো খাদ্য বস্তুৱে সূৰ্য্যৰ কিৰণৰপৰা এই খাদ্য-প্ৰাণ উপাদান লাভ কৰে—কাজেই যি প্ৰসূতি নাৰী গাই বা ছাগলীয়ে ৰ'দ সেৱন কৰে সেই মাতৃৰ স্তনত যথেষ্ট পৰিমাণে এই খাদ্য-প্ৰাণ থাকে।

(২) খাদ্য-প্ৰাণ কৰ নিচিনাকৈয়ে খ খাদ্য-প্ৰাণটোও যুৱক আৰু পূৰ্ণ বয়স্ক ব্যক্তিৰ কাৰণে অতৰ প্ৰয়োজনীয়। ওপৰত উল্লেখ কৰা হৈছে এই খাদ্য-প্ৰাণটিয়ে বেৰিবেৰি ৰোগ প্ৰতিৰোধ কৰে। ভোক আৰু পৰিপাক শক্তি বৃদ্ধি কৰে, স্নায়ু মণ্ডলীক সতেজ কৰি ৰাখে। গাখীৰ মাছ, মাছৰ কণী, ঢেঁকিত বনা চাউল, পালেংশাক, মগু মটৰ আলু, পিয়াজ, বল, নেমুটেঙা, আম আদিত এই খাদ্য-প্ৰাণ পোৱা যায়।

(৩ আন দুবিধৰ নিচিনা কৈয়ে চি বা গ খাদ্য-প্ৰাণ টিয়েও আমাৰ শৰীৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে—এই প্ৰাণৰ অভাৱত অকালতে দাঁত পৰা, বাত আৰু স্কাৰ্ভি নামৰ ৰোগত আক্ৰান্ত হোৱা দেখা যায়। বিলাহি বেঙেনা, নেমুটেঙা, কেচা গাখীৰ, গাজী-মাহ ইত্যাদিত এই জাতীয় খাদ্য-প্ৰাণ বিদ্যমান। ভাইটামিন চি থকা খাদ্য সিজালে একো সাৰ নাথাকে, অগত্যা ইয়াক সিজাই খাবলৈ লগে ভালকৈ ঢাকোন দি সিজাব লাগে, যাতে ভাপৰ লগত ইয়াৰ খাদ্য-প্ৰাণ নষ্ট হৈ নাযায়।

(৪) খাদ্য-প্ৰাণ ঘক সূৰ্য্য ৰশ্মিজাত খাদ্য-প্ৰাণ বোলাও হয়। গাখীৰ, মাখন, কণীৰ কুহুম কড্ আৰু হ্যালিবাট মাছৰ যকৃত। চোকোৰা থকা আটা, গছত পকা ফল আদিত এইবিধ খাদ্য-প্ৰাণ পোৱা যায়। এইবিধ খাদ্য-প্ৰাণে মাংস-পেশী আৰু হাড় মজবুত কৰে, অকালতে দাঁত পৰা আৰু পোকে খোৱা নিবাৰণ কৰে—বাত, যক্ষ্মা, ৰিকেট আদি ৰোগ প্ৰতিৰোধ কৰাত সহায় কৰে। এই কাৰণে পশ্চাদ্গামী শিশুক আৰু যক্ষ্মা ৰোগীক চিকিৎসক সকলে ৰ'দত পকা ফল আৰু ৰদত গৰম হোৱা পানীৰে গা ধুৱাৰ ব্যৱস্থা দিয়ে।

(৫) খাদ্যপ্ৰাণ ঙ ও আমাৰ বিশেষ প্ৰয়োজনীয়। ইয়াৰ দ্বাৰা নাৰীৰ স্তন্য বৃদ্ধি হয়, বন্ধ্যাত্ব দূৰীভূত হয় আৰু মানসিক ও দৈহিক স্ফূৰ্ত্তি বৃদ্ধি হয়। গাখীৰ, কড আৰু হ্যালিবাট মাছৰ তেল, কণীৰ কুহুম, গম, যব অকাৰি চাউল আদিত এই খাদ্য-প্ৰাণ বিদ্যমান।

এই খাদ্য-প্ৰাণৰ অভাৱ হলে নাৰীৰ স্তন্য কমি যায় আৰু প্ৰজনন (গৰ্ভধাৰণ) শক্তি ক্ৰমে হ্ৰাস পায়।

আমাৰ দৈনন্দিন খোৱা আহাৰত যে কেনেকৈ ভাইটামিন নষ্ট হৈ যায় তাৰ প্ৰতি আমি খুব কম পৰিমাণেহে লক্ষ্য ৰাখো। ক খাদ্য-প্ৰাণ যুক্ত খাদ্য বহু সময় সিজালে বা শুকালে তাৰ খাদ্য-প্ৰাণ নষ্ট হৈ যায়। গ খাদ্য-প্ৰাণ যুক্ত খাদ্য বাহি হলে বা অক্সিজেনৰ লগত মিহলি হলে বা ভালকৈ ঢাকোন নিদিয়াকৈ সিজালে খাদ্য-প্ৰাণ নষ্ট হৈ যায়। খোলা পাত্ৰত ৰন্ধা বস্তু, আৰু ভজা বস্তুত খাদ্যপ্ৰাণ মুঠেই নাথাকে। এতেকে ক্ষীৰ, ঘণজ্বালৰ গাখীৰ, মিঠাই আদি খাদ্যপ্ৰাণ বৰ্জ্জিত বস্তু। তৰকাৰীৰ বাকলি ডাঠকৈ পেলালেও খাদ্যপ্ৰাণ নষ্ট হৈ যায় কিয়নো বাকলিৰ তলতে চেলুলজ নামৰ যি এবিধ সাৰ পদাৰ্থ থাকে তাতেই ভাইটামিন থাকে বুলি কয়। ভাতৰ মাৰ পেলাই দিলেও খাদ্য-প্ৰাণ নষ্ট হৈ যায়।

আমি খোৱা কিছুমান খাদ্যত খাদ্যপ্ৰাণ মুঠেই নাথাকে যেনে – সৰিয়হৰ তেল, ভিজিটেবিল ঘি, চাহ, বাৰ্লি, মিচ্ৰি, কফি, ককো, লজেন্স, বিস্কুট, শুকান মাছ আদি।

— •:❋:• —

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষক-সকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আঁও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলমলৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

কোনো কোনো মানুহৰ মনত একো একোটা জাতি ধৰ্ম্ম, অঞ্চল বা সম্প্ৰদায়ৰ বিষয়ে কিছুমান বেয়া ধাৰণা বদ্ধমূল হৈ থাকে। যেনে অমুক জাতটো বৰ দুষ্ট, অমুক ধৰ্ম্মৰ মানুহক কেতিয়াও বিশ্বাস নকৰিবা অমুক অঞ্চলৰ মানুহবিলাক বৰ ধূৰ্ত্ত ইত্যাদি ইত্যাদি। এজন মানুহে ব্যক্তিগত ভাৱে যিয়েই কি ধাৰণা পোষণ নকৰক তাত কোনেও একো ক'বলৈ নেযায় কিন্তু যেতিয়া মানুহজনে সমাজত এনে ধাৰণাবিলাক প্ৰচাৰ কৰি জনসাধাৰণৰ মাজত বিষ সঞ্চাৰ কৰি ফুৰে বা তেওঁৰ কাৰ্য্যবিলাকক এনে ভাববিলাকে প্ৰভাবান্বিত কৰে তেতিয়া তেওঁক এজন সমাজৰ শত্ৰু বুলি ধৰি লব লাগিব। এনে ধৰণৰ ধাৰণাবিলাক দেখাদেখিকৈয়ে ভুল। এটা জাতি, এটা ধৰ্ম্ম বা এটা অঞ্চলৰ কেইজনমান মানুহ বেয়া হ'ল বুলিয়েই সেই জাতি, সেই ধৰ্ম্ম বা সেই অঞ্চলটোৰ সকলোবিলাক মানুহেই বেয়া হব নোৱাৰে।

(২)

মনস্তত্ত্ববিদসকলে বিশ্লেষণ কৰি পায় যে এনেবিলাক ধাৰণাৰ মূলত বহুত সময়তে একোটা ব্যক্তিগত ঘটনা লুকাই থাকে। এজন মানুহে কোনো এটা বিশেষ জাতি ধৰ্ম্ম, সম্প্ৰদায় বা অঞ্চলৰ এজন মানুহৰ হাতত কেতিয়া কিবা কথাত গুৰুতৰ ভাৱে লাঞ্ছিত হ'লে বা আন কোনো প্ৰকাৰে ক্ষতিগ্ৰস্ত হলে তেওঁৰ সেই জাতি, ধৰ্ম্ম, সম্প্ৰদায় বা অঞ্চলৰ গোটেই লোক মানুহৰ ওপৰতে আমৰণ এটা তীব্ৰ বিদ্বেষৰ ভাব থাকি যাব পাৰে আৰু তেওঁৰ কাৰ্য্যবিলাকো সেই ভাবৰ দ্বাৰা প্ৰভাবান্বিত হ'ব পাৰে। গতিকে এনে ধৰণৰ ধাৰণাবিলাক সমাজৰ পক্ষে কেনে সৰ্ব্বনাশীয়া সেইটো চিন্তাশীল লোক মাত্ৰেই বুজিব।

(৩)

ডাঙৰ ডাঙৰ নগৰবিলাকত হোৱা সাম্প্ৰদায়িক গণ্ডগোলৰ ভিতৰত কেতিয়াবা একোটা সাধাৰণ ঘটনা লুকাই থাকে। এটা উদাহৰণ দিওঁ; দুটা লৰাৰ তৰ্কাতৰ্কি লাগিছে, লৰা দুটা বেলেগ বেলেগ সম্প্ৰদায়ৰ। সিহঁতৰ এই সাধাৰণ তৰ্কাতৰ্কিৰপৰা গোটেই নগৰতে ব্যাপক ভাৱে সাম্প্ৰদায়িক কলহৰ দাবানল জ্বলি উঠিব পাৰে।

সুখৰ বিষয় অসম দেশৰ নগৰবিলাক এতিয়ালৈকে এনে ভাবৰ ব্যাপক গণ্ডগোলৰপৰা প্ৰায়েই মুক্ত। কিন্তু মেদ বৃদ্ধি ৰোগৰ দৰে নগৰবিলাক ডাঙৰ হৈ অহাৰ লগে লগে এনেবিলাক ঘটনাৰ সূত্ৰপাত হবলৈ ধৰে। আমি বেচি দূৰলৈ নগৈ আজি কেইমাহ মান আগতে হোৱা

গুৱাহাটী নগৰৰ গণ্ডগোল এটাৰ বিষয়ে উল্লেখ কৰোঁ। নগৰৰ এটা বিশেষ অঞ্চলৰ ছাত্ৰ আৰু কলেজৰ ছাত্ৰাবাসৰ এজন ছাত্ৰৰ মাজত ফুটবল খেলা চাই থাকোঁতে হোৱা তৰ্কাতৰ্কিৰ ফলত নগৰত দুদিন মানলৈ এনে এটা অৱস্থা হৈছিলগৈ যে দোষী নিৰ্দ্দোষী নিৰ্ব্বিশেষে বহুত মানুহেই উভয় পক্ষৰ হাতত লাঞ্ছিত হয় লগীয়াত পৰিছিল। শেষত ঘটনাবিলাকে বেলেগ ৰূপ আৰু সংবহ আকাৰ ধৰাৰ উপক্ৰম হৈছিল। সৌভাগ্যক্ৰমে স্থানীয় কৰ্ত্তৃপক্ষ আৰু বেইজনমান নেতাৰ মধ্যস্থতাত ঘটনাবিলাকে শাম কাটিলে।

(৪)

এনেবিলাক ঘটনাৰ স্বৰূপ উদ্ঘাটন কৰি সমাজৰ দায়িত্বশীল লোকসকলে তৎক্ষণাৎ সভা সমিতি পাতি আৰু প্ৰচাৰৰ দ্বাৰা এনেবিলাক ঘটনাৰ কথা বঠীয়া মাৰিবলৈ চেষ্টা কৰা উচিত। সমাজৰ নেতাসকল নিশ্চেষ্ট হৈ থকাটো আৰু পৰোক্ষভাবে ঘটনাবিলাকৰ সমৰ্থন কৰাটো একে কথা।

(৫)

জাতি, ধৰ্ম্ম, সম্প্ৰদায়, অঞ্চল নিৰ্ব্বিশেষে স্বাধীন ভাৰতৰ সকলো নাগৰিকেই পৰস্পৰৰ লগত মিলি-জুলি থাকিব লাগিব। একতাই শক্তি। সংহতি নষ্ট হলে দুৰ্গ খোৱা বাঁহৰ দৰে সমাজখন ফোঁপোলা হয়। বহুত সময়ত শিক্ষিত লোকে জনসাধাৰণক উচটাই দি বেলেগ বেলেগ শ্ৰেণীৰ মাজত গণ্ডগোলৰ সৃষ্টি কৰি দি নিজে আঁৰ কাপোৰৰ আঁৰত অদৃশ্য হৈ থাকে। দেশৰ উঠি অহা ডেকাসকলৰ এই বিষয়ে দায়িত্ব অসীম আমাক সাহস, বল, বীৰ্য্য, আদি ক্ষাত্ৰোচিত গুণবিলাক নিশ্চয়েই লাগে। কিন্তু আন্ধাৰত গুপ্তঘাতকৰ হাতত কুকুৰ শিয়ালৰ দৰে মৰিবলৈ আমাক এইবিলাক নেলাগে। দেশখনৰপৰা অভাৱ অনাটন নিৰক্ষৰতা, জৰ, বেমাৰ, দুৰ্নীতি আদি দূৰ কৰিবলৈ স্বাধীন ভাৰতত আমাক এতিয়া যথেষ্ট উদ্যম আৰু কৰ্ম্ম শক্তিৰ আৱশ্যক হব। গতিকে সমাজ আৰু দেশখনক ধ্বংস কৰা কামবিলাক কৰি আমাৰ শক্তি অপচয় কৰাতকৈ গঠনমূলক কামবিলাকতহে আমাৰ সমূহ শক্তি নিয়োজিত কৰা উচিত।

(৬)

অসম চৰকাৰে দেশৰপৰা হাকুটী পেলু বেমাৰ গুচাবলৈ এটা বিৰাট অভিযান চলাইছে। কানি মহাবিষৰ দৰে হাকুটী পেলুও দেশবাসীৰ পক্ষে এটা ডাঙৰ শত্ৰু। ই তিল-তিলকৈ মানুহে গম পাবিব নোৱাৰাকৈ গোটেই জাতি-টোকে ধ্বংস কৰে। বিশেষকৈ গাঁওবিলাকত এই বেমাৰৰ প্ৰকোপ বৰ বেচি। এই বেমাৰৰ ভাল চিকিৎসা আছে। হাকুটী পেলু দেশৰপৰা আঁতৰাবলৈ হলে আমাৰ গাঁও বাসীয়ে য'তে ত'তে শৌচ কৰিবলৈ এৰি কেৱলমাত্ৰ গাতৰ পায়খানাতহে শৌচ কৰিব লাগিব। আৱশ্যক বুজি জোতা ব্যৱহাৰ কৰা ভাল। হাকুটী পেলু প্ৰথম অৱস্থাত ৰদত মৰে। সেই কাৰণে গৰৰ বাৰী চোতাল চিকুণাই ৰাখি ৰদ পৰিবলৈ দিব লাগে। গৰুৰ হাকুটী পেলুও মানুহলৈ সোমাব। সেই কাৰণে ৰদ যাই ঠাইতহে গোহালি সাজিব লাগে আৰু সততে গোহালি পৰিষ্কাৰ কৰি ৰাখিব লাগে।

(৭)

জনা লোকসকলে কৈছিল অসমত খাদ্য নষ্টি কাৰণে মাজে সময়ে খেতি-বাতি নষ্ট হয়; কিন্তু অনাবৃষ্টিৰ কাৰণে কেতিয়াও নহয়। আমাৰ প্ৰদেশত একে লেঠাৰিকৈ বেছিদিন বৰষুণ নোহোৱাকৈ নেথাকিছিল আৰু গৰমো বেচি নপাৰিছিল। কিন্তু যোৱা দুবছৰমানৰপৰা, বিশেষকৈ এই বছৰৰ অভিজ্ঞতাৰপৰা কিছুমান মানুহৰ মনত সন্দেহ হৈছে কিজানিবা যোৱা ভূমিকম্পৰ পাচৰপৰাই অসমত এটা নৈসৰ্গিক পৰিবৰ্ত্তন ঘটি ছই। বাস্তৱিকতে যোৱা ভূমিকম্পত অসমৰ উত্তৰ পূব সীমান্ত অঞ্চলৰ বনজ সম্পদৰ যি বিৰাট ক্ষতি হল, সেইটো পৃথিবীৰ ভিতৰতে এটা লেখত লবলগীয়া ঘটনা। আজি তিনিবছৰলৈকে এতিয়াও ব্ৰহ্মপুত্ৰ নদীয়েদি কাঠৰ দ'ম উটি যাবই লাগিছে। অসমৰ পৰা পূৰ্ব্ব পাকিস্থানলৈকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা অগণন মানুহে এই খৰি ভাত ৰন্ধা কামত ব্যৱহাৰ কৰিছে।

গছ-গছনিয়ে যে এখন দেশৰ জলবায়ু পৰিবৰ্ত্তন কৰিব পাৰে সেইটো সত্য পৃথিৱীৰ বহুত দেশতেই প্ৰমাণিত হৈছে।

পৃথিৱীৰ কিছুমান অঞ্চলত ব্যাপক ভাবে গছ-গছনি ধ্বংস কৰাৰ ফলত সেইবিলাক অঞ্চল বৰষুণ নোহোৱা আৰু গৰম হৈ পৰিছে। পিচত আকৌ গছ গছনি ৰুই দিয়াত সেইবিলাক অঞ্চলত আগতকৈ বেচি বৰষুণ হৈ জলবায়ু মৃদু হৈ পৰিছে। গছ গছনি নোহোৱা হৈ যোৱাৰ ফলত কিছুমান ঠাই মৰুভূমি হৈ যোৱাৰো ঘটনা আছে।

আচল বাৰিষা হোৱাৰ আগেয়ে অসমত বছৰি ফাগুন চ'ত আৰু বহাগ মাহত কিছুদিন যথেষ্ট বৰষুণ হয়। অসম ব্যাপি থকা হাবি জঙ্গলবিলাকেই ইয়াৰ কাৰণ। এতিয়া লাহে লাহে অসমৰ এই পৰিস্থিতিৰ সলনি হ'বলৈ ধৰিছে। সীমান্ত অঞ্চলত অদ্ভুতভাবে গছগছনি ধ্বংস হোৱা ঘটনাৰ কথা আমি কৈয়েই আহিছোঁ। এতিয়া তাত গছ গছনিয়ে বৰষুণৰ পানী বাধা দি ৰাখিব নোৱাৰাত হৈ্যামত্ত বেচিকৈ বান পানী হবলৈ ধৰিছে। ইয়াৰ উপৰি হৈয়ামতো জন-সংখ্যা বেচি হৈ যোৱাৰ লগে লগে দিনৌ হাবি জঙ্গল কমি আহিছে।

বনজ সম্পদৰ ভিতৰত আৱশ্যকতা বুজি ভাৰত চৰকাৰে গোটেই দেশতে বৃক্ষৰোপণত বিশেষ গুৰুত্ব দিছে। গাঁৱৰ আলি বাটবিলাকৰ কিছু অন্তৰে অন্তৰে কৃষ্ণচূড়া, পলাশ, কদম নাহৰ আদি ধুনীয়া ধুনীয়া ফুল থকা গছবিলাক ৰুলে প্ৰাকৃতিক দৃশ্য মনোৰম হ'ব আৰু মহানিম, অৰ্জ্জুন, বকুল আদি গছ ৰুলে মানুহৰ দৈনন্দিন কামত আহিব।

— — — —

যোৱা ২১ চেপ্টেম্বৰৰ দিনা ৰাতি ১১॥ বজাৰ পিচত সামাজিক শিক্ষা অফিচত হঠাতে জুই লাগি 'অডিঅ' ভিচুৱেল শাখাৰ বহুতো সাজ-সৰঞ্জাম ধ্বংস হয়। ইয়াৰ লগতে সামাজিক শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত পুথি, প্ৰকাশ কৰিবলৈ দিয়া হাতেলিখা পুথি কেইখনমান, নতুন পুৰণি জনশিক্ষা, ব্লক, প্ৰবন্ধপাতি আদিৰো ভালেখিনি ক্ষতি হল। আমি জন-শিক্ষাত প্ৰকাশ কৰিবলৈ বহুত পুৰুষাৰ্থ কৰি কিছুমান তথ্য সংগ্ৰহ কৰিছিলোঁ। সেইবিলাক হেৰাল। ইয়াৰ উপৰিও আমাৰ আলোচনীৰ কাৰণে আৱশ্যকীয় বাতৰি কাকত আৰু পুথি কিছুমানো বিচাৰি পোৱা নগল। এনেবিলাক বেমেজালিৰ কাৰণে এইবাৰ জনশিক্ষা ওলোৱাত কিছু পলম হ'ল।

শুদ্ধৰণী—যোৱা সংখ্যা 'জনশিক্ষা', লক্ষেশ্বৰী ডেকাৰ 'গেলিলিও আৰু আৰ্কিমিডিচ' নামে প্ৰবন্ধটোৰ ৭৫ পৃষ্ঠাৰ ১১ লাইনত আছে 'আৰ্কিমিডিচে প্ৰমাণ কৰিলে কোনো বস্তু পানীত ডুবালে বস্তুটোৰ সমান ওজনৰ পানী পাত্ৰৰপৰা ওলাই যায়।' এই বাক্যত 'ওজন' শব্দৰ পৰিবৰ্ত্তে 'আয়তন'হে হব।

জন শিক্ষা

১৪শ বছৰ [১৮৭৫ শক কাতি-আঘোন ইং ১৯৫৩] ৪র্থ সংখ্যা





[প্ৰাচীন অসমৰ দুটা কীৰ্ত্তি চিহ্ন]

সম্পাদক—শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা ।

4 ANNAS

—পোৱাৰ ঠাই—
সামাজিক শিক্ষা অ'ফিচ, গুৱাহাটী ।

"অন্ধকাৰৰপৰা পোহৰলৈ নিয়া
অজ্ঞানৰপৰা জ্ঞানৰ পথ দেখুওৱা
মৃত্যুৰপৰা নিত্য অমৰত্ব দান কৰা।"

— উপনিষদ।

সূচী-পত্ৰ

১।	সামাজিক শিক্ষা ...	শ্ৰীপ্ৰমথচন্দ্ৰ দত্ত বি এল।
২।	পানী মেটেকাৰ সাৰ তৈয়াৰ কৰাৰ প্ৰণালী	পদ্ম [illegible] হাজৰিকা।
৩।	আমাৰ দিনৰ গুৰাপাটী ...	শৰৎনাথ গোৱামী
৪।	কি'ৰিপটি এটাৰপৰা থাওৰ দাত	শ্ৰীনাৰায়ণ শৰ্ম্মা।
৫।	পচতীয়া	[illegible] বেজবৰুৱা
৬।	কম খৰচতে পকৰা কাপোৰৰ ধাৰা	চন্দ্ৰপ্ৰভা দাস আৰু পুণ্যপ্ৰভা দাস
৭।	কৰৰা-জোনা	শৰদিন্দু চন্দ্ৰ মেধি
৮	পাচগাৱৰ জনাইতকৰ বাণী ...	শচীন্দ্ৰ গোস্বামী।
৯।	দেশতকৈ মোৰ আমা ডাঙৰ নহয়	[illegible] দেৱী।
১০।	নাৰী সমাজলৈ দু-আষাৰ	ৰত্নেশ্বৰী দেৱী।
১১।	নগৰ ভ্ৰমণ ...	'সোণাৰ'।
১২।	ৰাতিৰ স্কুল	মো. দেৱান আব্দুল কাদেৰ
১৩।	এখন চিঠি	
১৪।	পৰশ্ৰীকাতৰতাৰ সামাজিক ৰূপ	সম্পাদক
১৫।	পূজাৰ কেইদিন .	সম্পাদক
১৬।	আমাৰ আলোচনা	সম্পাদক।



১৪শ বছৰ { ১৮৭৫ শক, কাতি-আঘোন, ইং ১৯৫৩ } ৪ৰ্থ সংখ্যা

সামাজিক শিক্ষা

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত বি. এল

বুঢ়া শালিকায়ো মাত ধৰেনে? এই প্ৰশ্নটো অসমৰ গাওঁ ভূঁইৰ পৰা লাহে লাহে আঁতৰি গ'ল। ১৯৪০ চনতে অসম চৰকাৰৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা জনশিক্ষাৰ অভিযানে ১৯৪৮ চনত সামাজিক (প্ৰাপ্তবয়স্কৰ) শিক্ষাভিযানৰ ৰূপ ধাৰণ কৰি যোৱা তেৰ বছৰে নানা বাধা বিঘিনিৰ মাজেদি অসমৰ নিৰক্ষৰ প্ৰাপ্ত বয়স্কসকলৰ শতকৰা প্ৰায় ১৮ জনক সাক্ষৰ কৰাৰ উপৰিও সি সকলৰ মাজত নাগৰিকত্ব জ্ঞান বোধ জগাই তোলাত ভালেখিনি সহায় কৰিছে। এই প্ৰসঙ্গত মন কৰিব লগীয়া যে আমাৰ অভিযানৰ পূৰ্ব্বে দেশৰ শতকৰা ১০ জন লোকহে সাক্ষৰ আছিল। এই ডোখৰ কালত আমাৰ অভিযানৰ গতিপথ দ্বিতীয় মহাযুদ্ধ; গণবিপ্লৱ, মন্ত্ৰীসভাৰ ভঙাপতা আৰু ৰাজনৈতিক পৰিবৰ্ত্তন, অৰ্থনৈতিক অৱসাদ আৰু বানপানী ভূমিকম্পৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগত নানাভাৱে বাধা-প্ৰাপ্ত হয়।

সম্পূৰ্ণ মানুহ জন

সামাজিক শিক্ষাৰ পৰিধি কেৱল বৰ্ণপৰিচয় লাভতে সীমাবদ্ধহৈ থকা নাই। এই শিক্ষাৰ লগত জনসমাজ জীৱনৰ ঘনিষ্ঠ সম্বন্ধ। এই শিক্ষাই সমাজ কল্যাণকামী সম্পূৰ্ণ মানুহ জনক গঢ়ি তোলাত সহায় কৰে - যিজনে দায়িত্বশীল নাগৰিক হিচাবে জাতি সমাজ আৰু দেশক সৰ্ব্বাঙ্গীণ উন্নতিৰ পথত আগুৱাই নিব। তেওঁ নিজৰ ক্ষুদ্ৰ স্বাৰ্থ বলিদান দি সমূহীয়া স্বাৰ্থ ৰক্ষা কৰি চলিব।

ভাৰতৰ শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে সামাজিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৈছে— সামাজিক শিক্ষা বুলিলে আমি সম্পূৰ্ণ মানুহজনৰ শিক্ষাকে বুজোঁ। সামাজিক শিক্ষাই মানুহক পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত খাপ খুৱাই চলিবলৈ আৰু জীৱন ধাৰণৰ কাৰণে নিৰ্ভৰ কৰা প্ৰাকৃতিক সম্পদৰ আটাইতকৈ ভাল সদ্ব্যৱহাৰ কৰিবলৈ শিকায়।

এই খিনি কথাৰ বাহিৰেও সামাজিক শিক্ষাৰ পৰিসৰনো কিমান বহল, তাক এই শিক্ষাৰ অন্তৰ্ভুক্ত তলত লিখা বিষয় বিলাকেই প্ৰমাণ কৰিব:-

সামাজিক শিক্ষাৰ পৰিসৰ

১। নাগৰিক অধিকাৰ, কৰ্ত্তব্যবোধ আৰু সেৱাপৰায়ণতাৰে সমূহীয়া স্বাৰ্থ ৰক্ষা কৰি সামাজিক জীৱন যাপন।

২। গণতান্ত্রিক শাসনত বিশ্বাস আৰু সহযোগ আৰু তাৰ মূলনীতি সম্বন্ধে সাধাৰণ জ্ঞান।

৩। নিজৰ দেশৰ শাসন ব্যৱস্থা আৰু স্বাধীন ৰাষ্ট্ৰৰ বিবিধ সমস্যা আৰু জগতৰ বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতি সম্বন্ধে সাধাৰণ জ্ঞান।

৪। বুৰঞ্জী, ভূগোল আৰু জাতীয় কৃষ্টি সম্বন্ধীয় পুথি বিলাকৰ পৰা আমাৰ দেশৰ বৈশিষ্ট্য আৰু ঐতিহ্য সম্বন্ধে জ্ঞান আৰু অনুৰাগ।

৫। ব্যক্তিগত আৰু সমাজগত জীৱনত স্বাস্থ্য, শৃঙ্খলা আৰু পৰিচ্ছন্নতা ৰক্ষা কৰি কেনেকৈ সুস্থ সবল জীৱন যাপন কৰিব পাৰি সেই বিষয়ে যথোচিত শিক্ষা।

৬। সমাজত চিৰপ্ৰচলিত নাচ, ভাওনা, গীত, বাদ্য, আবৃত্তি প্ৰভৃতিৰ চৰ্চ্চা যাতে জীৱনটো সকলোকালৰ পৰা ৰসাল, সুখদায়ক আৰু বিকশিত হৈ উঠে।

৭। সাধাৰণ ভাৱে লিখা পঢ়া আৰু দৈনন্দিন জীৱনৰ খৰচ-পাতিৰ হিচাব শিকা।

৮। উন্নত ধৰণৰ হাতৰ কাম আৰু মূল শিল্পজাত বস্তুৰ প্ৰস্তুত আৰু উৎপাদন প্ৰণালী।

প্ৰগতিশীল দেশত।

আমেৰিকাত প্ৰাপ্ত বয়স্ক শিক্ষানুষ্ঠান বহুতো আছে। কাৰ্ণেগী আৰু ৰকফেলাৰ ট্ৰাষ্ট সকলোৰে ভিতৰত নামজ্বলা। প্ৰাপ্ত-বয়স্কলোক সকলে কল কাৰখানাত কাম কৰাৰ উপৰিও এই বিলাক অনুষ্ঠানত ভৰ্ত্তি হৈ নানা প্ৰগতি-শীল বিষয়ে জ্ঞান লাভ কৰে আৰু শেষত গৈ ৰাষ্ট্ৰ আৰু সমাজৰ উচ্চ আসন লাভ কৰে। গ্ৰেটবৃটেইনত বিশ্ব-বিদ্যালয়ৰ অধীনত উপাধিৰ খাপলৈকে প্ৰাপ্ত বয়স্কৰ শিক্ষা ব্যৱস্থা আছে। যি সকল ব্যৱহাৰিক শিক্ষা (Vocational education) লাভৰ কাৰণে ইচ্ছুক, যি সকলৰ শত-কৰা ৫৬ জনে প্ৰাপ্ত বয়স্ক সকলৰ কাৰণে স্থাপিত শিল্প, বাণিজ্য, কৃষি কলেজ আদি শিক্ষা অনুষ্ঠানত ভৰ্ত্তি হয় আগেয়ে কচ দেশত শতকৰা কুৰি জন লোকেহে লিখা-পঢ়া জনা আছিল। ত্ৰিশ বছৰৰ পিছত আজি কচ দেশৰ শতকৰা ৯০ জন লোকেই সাক্ষৰ। বৰ্ত্তমানে এই বিলাক দেশ কৃষি, শিল্প, বাণিজ্য আদিত উচ্চ আসন লাভ কৰাৰ মূলত জন শিক্ষাৰ জন প্ৰিয়তা আৰু বহুল প্ৰসাৰ।

১৯৪৬ চনত জাপানৰ সাক্ষৰ লোকৰ সংখ্যা আছিল শতকৰা ৯৯ জন; তুৰস্কৰ চহৰ অঞ্চলত তেনে লোকৰ সংখ্যা আছিল ৬০ জন; গাওঁ বিলাকত আছিল ৪০ জন, ফিলিপাইন দ্বীপ পুঞ্জত শতকৰা ৫২.৬ জন; লঙ্কা, শ্যাম, ব্ৰহ্মদেশ আৰু চীনৰ সাক্ষৰ লোকৰ সংখ্যাও প্ৰায় অনুৰূপ। মধ্য প্ৰাচ্যৰ লেবানণৰ লেখা-পঢ়া জনা লোকৰ সংখ্যা অধিক বুলি খ্যাতি আছে। সেইেখি নিচিগা যুদ্ধ-বিগ্ৰহ জানত অশেষ দুখ-কষ্টৰ মাজেদি চীনবাসী সকল শতকৰা ৫০ জনেই সাক্ষৰ হৈ উঠা দহ বছৰ মানহে হ'ল মাথোন।

১৯৫১ চনৰ পিয়ল মতে ভাৰতৰ লোক সংখ্যা প্ৰায় ৩৬ কোটি ১৮ লাখ ২০ হাজাৰ মান হব। অসমৰ লোক সংখ্যা ৯০ লাখ ৪৩ হাজাৰৰ ওপৰ। ১২ বছৰ বয়সৰ পৰা ৪০ বছৰ বয়সীয়া নিৰক্ষৰ-প্ৰাপ্ত বয়স্কৰ সংখ্যা শতকৰা ২৫ জন হব। এই অনুপাতে ভাৰতৰ নিৰক্ষৰ প্ৰাপ্ত বয়স্ক লোকৰ সংখ্যা প্ৰায় ১০ কোটি আৰু অসমৰ প্ৰায় ২৪ লাখ হব বুলি অনুমান কৰিব পাৰি।

সামাজিক শিক্ষাৰ অভিযান

১৯৫০ চনৰপৰা অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সাহায্য নোহোৱাকৈ মাথোন ৩ লাখ ২৫ হাজাৰ টকাৰে ৰাজ্যত সামাজিক শিক্ষাৰ কাম চলাই আছে। সম্প্ৰতি ৰাজ্যৰ বিভিন্ন জিলাত মুঠ ৮৪২ টা সামাজিক শিক্ষা কেন্দ্ৰত পৰ্ব্বত-ভৈয়াম বাসী জনসাধাৰণৰ মাজত নিৰক্ষৰ প্ৰাপ্ত বয়স্কসকলক শিক্ষা দিয়া হৈছে। ইয়াৰ বাহিৰেও গোটেই অসমৰ গাওঁবিলাকত জীয়াই থকা প্ৰায় ২,০০০ পুথিভঁৰালৰ ভিতৰত ৪২০ টা পুথিভঁৰালত চৰকাৰী আৰ্থিক সাহায্য দিয়াৰ উপৰিও প্ৰায় বিলাকতে বিভাগীয় পুথি পাজিৰে যোগান ধৰা হয়।

লোকসাধাৰণ আৰু বিশেষকৈ সাক্ষৰ হোৱা প্ৰাপ্ত বয়স্ক লোকসকলৰ পৰৱৰ্ত্তী শিক্ষাৰ উপযোগী কৰি সৰল ভাষাত লিখা এই পুথিবিলাক আৰু যাইকৈ "জনশিক্ষা" নামে চুমহীয়া আলোচনীখন ইতিমধ্যে জনসাধাৰণৰ মাজত জন-প্ৰিয় হৈ উঠিছে।

অসমত যে সামাজিক শিক্ষাই বিস্তাৰ লাভ কৰিছে সেইবিষয়ে এই আলোচনীখনৰ যথেষ্ট বৰঙণি আছে। শান্তি-নিকেতনৰ পৰা আমালৈ অহা চিঠি এখনত স্বীকাৰ কৰা হৈছে যে ভাৰতবৰ্ষৰ এনেবিধৰ আলোচনীবিলাকৰ ভিতৰত অসমৰ 'জনশিক্ষা'ই কিছুমান বিষয়ত বিশেষত্ব লাভ কৰিছে। সমাজৰ শিক্ষিত, অশিক্ষিত, অৰ্দ্ধশিক্ষিত, উচ্চশিক্ষিত আদি সকলো শ্ৰেণীৰ মানুহৰে উপযোগী প্ৰবন্ধৰদ্বাৰা এই আলোচনীখন সঙ্কলন কৰা হয় কিয়নো সামাজিক শিক্ষাৰ প্ৰয়োজন অকল নিৰক্ষৰ গাঁৱলীয়া মানুহৰ কাৰণেই নহয়। এই শিক্ষা সকলোৰে কাৰণে আৱশ্যক। আনহাতে শিক্ষামূলক প্ৰদৰ্শনী আৰু বোল-ছবিয়ে বাইজৰ মাজত সামাজিক চৈতন্যবোধ জগাই তোলাত যথেষ্ট কৃতকাৰ্য্য হৈছে- তাত অলপো সন্দেহ নাই।

নিৰক্ষৰৰ গুৰুত্ব

নিৰক্ষৰতাৰ অভিশাপৰপৰা অসমক অনতিবিলম্বে মুক্ত কৰিবৰ সময় কেতিয়াবাই হ'ল। দেশ আৰু জাতিৰ এই কলঙ্ক মোচনৰ কাৰণে পৰ্ব্বতে-ভৈয়ামে, গাওঁে ভূঞে বাজা হোৱা বিৰাট অভিযানৰ প্ৰয়োজন আজি তেৰ বছৰ আগতে উপলব্ধি কৰা হৈছিল। এই কেইবছৰৰ অভিজ্ঞতাই চৰকাৰী বে-চৰকাৰী অনুষ্ঠানক আৰু সৰ্ব্বোপৰি শিক্ষিত সমাজক অধিকতৰ সংগঠন শক্তি, সহযোগ আৰু ঐকান্তিকতাৰে আমাৰ কামত আগবাঢ়িবলৈ আমাক সোঁৱৰাই দিয়ে।

আজিও এই বিশাল পৃথিবীৰ আধাখিনি লোক নিৰক্ষৰ বুলি সম্মিলিত জাতি সঙ্ঘৰপৰা অলপতে যি তথ্য প্ৰকাশিত হৈছে, তাৰপৰা ভবিষ্যতে পৃথিবীৰ ঘোৰ অশান্তি পৰিলক্ষিত হৈছে—সেইকথা স্পষ্টভাৱে ঘোষণা কৰা হৈছে। গতিকে শিক্ষা আৰু বিশেষকৈ সামাজিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ গুৰুত্ব আজিৰ দিনত দেশৰ জনসাধাৰণে ভালদৰে উপলব্ধি কৰিব বুলি আশা কৰা যায়। বুঢ়া শালিকাই সকলো দেশতে মাত ধৰিছে আৰু ইয়াতো তাক মাত ধৰাব লাগিবই।

———

পানী-মেটেকাৰ সাৰ তৈয়াৰ কৰাৰ প্ৰণালী

শ্ৰীপদ্মকান্ত হাজৰিকা

আমাৰ শাওণৰ সংখ্যা "জন শিক্ষাত" পানী-মেটেকাৰ 'সাৰ' সম্বন্ধে প্ৰকাশ হোৱা প্ৰবন্ধটো পঢ়ি পাঠকসকলৰ মনত নিশ্চয় এটা খেলি মেলি ভাবৰ সৃষ্টি হৈছে। এইবাৰ পানী-মেটেকাৰ সাৰ তৈয়াৰ আৰু ব্যৱহাৰ সম্পৰ্কে ৰাইজক জনাম। কিন্তু তাৰ আগতে অপ্ৰাসঙ্গিক হলেও সেই প্ৰবন্ধটো পঢ়ি ৰাইজৰ মাজত যিটো জোৱাৰভাটা উঠি গাওঁভূঁইত তোলপাৰ লগাইছে তাৰ এটা চিত্ৰ পাঠকসকলৰ আগত দাঙি ধৰিবৰ লোভ সামৰিব নোৱাৰি আগবঢ়ালো। সেই সংখ্যা জনশিক্ষা পঢ়ি ৰাইজৰ মনত গাওঁভূঁই আদিত এটা উথল মাথল আৰু আতংকৰ ধুমুহা বৈছে। কোনোৱে হয়তো লিখকলৈ ঢেঁকী থোৱা জোকাৰিছে। কোনোৱে হয়তো সাৰ তৈয়াৰ কৰিম বুলি ককালত টঙালি বান্ধিছে আৰু হয়তো ঘাটলৈ গৈ পানী-মেটেকা দোখ আঙুলী ঠাৰ দি কৈছে "ৰ এইবাৰ তহঁতৰ জইন মাৰিম।" গাঁৱৰ ডেকা দলে মিটিং কৰি লিখকলৈ ধইন ধইন আগবঢ়াই কামত সমূহিয়া বা যৌথ হিচাপে সাৰ কৰাৰ প্ৰয়াস কৰিছে। গাঁৱৰ মেধি বুঢ়াই হয়তো—গাঁৱৰ গধূলা কীৰ্ত্তন হোৱা ঠাইত কোনোবা চেলেপুৱে কথাটো উলিওৱাত জেকাহি মাৰি "যা যা বৰ পাণ্ডত জন ওলাল! পানী-মেটেকাৰ সাৰ হয় নে অ' কৰবাত? সেই আপদীয়া বিলাকৰ কাষলৈ যোৱাই টান, আকৌ টানি আজুৰি মানুহ মৰিবৰলৈ দিছ বেমাৰ আজাৰ হৈ; যা যা হৰিনামৰ ওচৰত খুটিভাল নবজাবি।" তাতে হয়তো বহি কীৰ্ত্তন শুনি থকা গাঁৱৰ গাওঁবুঢ়াই একাণে জৰি খুৱাই লোৱা চকুজোৰ কিছু ওপৰলৈ উঠাই তামোলৰ পিক্ ধেৰা বেৰৰ কাষতে পেলাই গলটো খেকাৰি, পোন হৈ বহি হয়তো কৈছে "শুনিছা ককাই, নকবা সেই আৰাৰ! কলিকাল; তোমাৰ চকুৰ আগতে দেখিছা কত কি নহল! জুপুৰা হাবিতো বাঘ থাকে। এই যে দাগদৰি ঔষধ পানীবোৰ দেখিছা এইবোৰ নো কৰ? আমাৰ দেশৰে গছ গছনিৰ পৰাই তৈয়াৰ কৰিছে।" মেধি বুঢ়াই হয়তো কথাটো টং কৰি সেমেকা হাঁহি এটা মাৰি লাহেকৈ কৈ থলে—"এৰা হওঁতে হবও পাৰে।" গাঁৱৰ আই সকলে "ঢেঁকীশালত," "গোপিনী সবাহত" কথাটো উলিয়াই হয়তো এটা স্বস্তিৰ নিশ্বাস পেলাইছে আৰু হয়তো কৈছে—"হওক দে আই তেওঁ এই আপদীয়া বিলাকৰ এটা দিহা লাগিব। এইবোৰ সুৰি সুৰি আৰু কিমান মাটি কৰা আই। হাতৰ এমোট গ'ল। ককালটো তেনেই জঠৰ হল। ৰাতি হলে তেনেই লৰচৰ কাটিকুটা কৰিবৰ সাহ নাই। হয় যদি হোক আই উপায়" বুলি তামোল কটাত লাগিল। তাতে এদতীয়া হৈ বহি থকা 'নবোৱাৰী' গৰাকীয়ে হয়তো আগন্তুক বিপদৰ পৰা ৰক্ষা পৰাৰ আশাত-সাউৎ কৰে উঠি গৈ শোৱনি ঘৰৰ বাকচৰ ওপৰত পৰি থকা দাপোণ খনত তেজাল মুখ খন চাই হাঁহি এটা মাৰি বিয়াৰ আগৰে মুখ খন মচি কাষত কলহটো লৈ ঘাটলৈ গল পানী আনিবলৈ" মুহিধৰৰ পুতেক ভমুৱাই গৰু ৰখা ঠাইতে কাৰোবাৰ মুখৰ পৰা কথাটো শুনি গধূলা ঘৰলৈ আহি উধাতু খাই গৈ বাপেকক কওঁতে, বাপেকে যিডাল খেৰেৰকনী মাৰিলে সি সেইদিনেই চেপেটা খাই গৰু কিটা বান্ধি থৈ লাঘোণে তোকে অভিমানে ৰাতিৰৰ চালপাৰা খনত শুই পৰিল গৈ। শিক্ষাবিদ সকলে হয়তো কথাটোত গুৰুত্ব দিছে, উদ্ভিদতাত্ত্বিক সকলে হয়তো এচেৰেঙা দৃষ্টি নিক্ষেপ কৰি সেই দিনেই এৰি দিলে যাহক এইদৰেই এটা ভাবৰ ধুমুহা বৈ যোৱা লিখকে এই আগীয়াঠুটিৰ বুঢ়া পৰ্ব্বতৰ নামনিত বহিয়েই অনুমান কৰিব পাৰিছে"।

প্ৰণালী আৰু ব্যৱহাৰ ঃ—লিখকলৈ বৰপেটা লক্ষীমপুৰ, যোৰহাট, নগাওঁ আৰু হাজো আদি

ঠাইৰ পৰা বহুতো সদাশয় লোকে পানীমেটেকাৰ সাৰৰ বিষয়ে বঁহচ মাৰি বিস্তৃতভাৱে লিখিবলৈ, পাৰিলে ছবি আদি দি পুস্তিকা আকাৰে প্ৰকাশ কৰিবলৈও উদগণি আৰু বহুমূলীয়া উপদেশ আদিৰে চিঠি দিছে। তেখেত সকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাসহ ধন্যবাদ জনালোঁ। লিখি প্ৰকাশ কৰিবলৈ আশা ৰ'ল।

পানী মেটেকাৰ সাৰ তৈয়াৰ কৰা অতি সহজ। কিয়নো টকাপইচাও খৰচ কৰিব নেলাগে আৰু শাৰীৰিক পৰিশ্ৰমো সিমান নহয়। বাৰিষাকালি যিবোৰ খাল বিলত পানীমেটেকা থাকে তাৰ পাৰতে একোটা দ গাঁত কৰি তাত পানীমেটেকা বিলাক পানীৰ পৰা টানি আনি গাঁতত হেঁচি হেঁচি ভৰাই ওপৰত মাটি দি ঢাকি থব। ঘৰৰ ওচৰত হলে সেই গাঁতটো চৰকাৰে দিয়া প্ৰণালী মতে "কম্পষ্ট" সাৰ তৈয়াৰ কৰাৰ দৰে আন আবৰ্জনাবোৰো পেলাই ৰাখিব লাগে। বাৰিষা যোৱাৰ লগে লগে গাঁত বিলাক খান্দি চাব সাৰবিলাক গেলি পচি জহি গৈছে নে নাই। যদি গেলি পচি জহি গৈ গোবৰৰ সাৰৰ দৰে কলা বৰণ ধৰিছে তেন্তে গাঁতৰ পৰা উলিয়াই খেতি কৰিবলৈ ধৰা মাটিত— মাটিৰ পৰিমাণ বুজি ছটিয়াই দি হাল বাই চহ কৰি মাটিৰ লগতে মিলাই তাত শস্যাদি ৰব। খৰালিও পানী মেটেকা সেইদৰে গাঁতত ভৰাই থব পাৰি পিছে কায়িক পৰিশ্ৰম কিছু হব। কিয়নো পানী শুকাই গলে পানী মেটেকা মাটিত লেপেট খাই লাগি ধৰে আৰু পানী নহলে সেইবোৰ শুকাইও যায়। পানী মেটেকাৰ সাৰ গছ পুলিত দিওঁতে কিছু সাৱধানতা লোৱা দৰ্কাৰ কিয়নো গছ পুলিৰ গুৰিত সৰহ পৰিমাণে বা একেবাৰেই গুৰিতে ছপাই দিব নেলাগে। তাৰ পৰা গছ পুলিৰ অপকাৰ হব। হয়তো বঙা পৰি মৰি যাব নহয় অতিৰিক্ত ভাৱে গছ হৈ ফল নধৰিব। গছ পুলিৰ গুৰি খুচৰি সাৰ দিয়াতকৈ আগতে যি ঠাইত গছ পুলি ৰব সেই ঠাইত সাৰ কিছু দি মাটিৰ লগত মিহলাই লৈ গছ পুলিটো ৰুই দিব। তাৰ পিছত কিছু দিন পানী দিব। গছ পুলিটোৱে পা কৰিব নোৱাৰা লৈকে (খৰালি দিন হলে) পানী দি থাকিব। এইদৰে এইবিধ তৈয়াৰ কৰি লব। দ্বিতীয়তে পানী মেটেকাৰ পৰা এবিধ ছাঁই সাৰ তৈয়াৰ কৰিব পাৰি। পানী মেটেকা বিলাক পানীৰ পৰা তুলি আনি পাৰত দম কৰি কৰি ৰাখি ৰদ বতৰত মেলি শুকুৱাই জুই লগাই পুৰি ছাই কৰি লব লাগে। এই ছাই সাৰো খেতিৰ কাৰণে উপযোগী হয় কিন্তু পুৰি লোৱাৰ কাৰণে সাৰৰ আৱশ্যকীয় বহুতো পদাৰ্থ পুৰি যায় আৰু খাৰৰ মাত্ৰা বেচি হয়। অৱশ্যে ছাই সাৰৰ এটা উপকাৰ আছে এই সাৰ দিলে গছ পুলি আদিত পোকে ধৰিব নোৱাৰে। এই সাৰ পুলিৰ একেবাৰেই গুৰিত নিদি গুৰিৰ পৰা দুই ইঞ্চি মান আঁতৰত দিব। আঁতৰত দিলেও গছ পুলিটো সজীৱ হৈ উঠিলে তেতিয়া গছ পুলিৰ শিপাই টানি আনি লব পাৰিব। ডাঙৰ ডাঙৰ গছৰ গুৰিত এই সাৰ তৈয়াৰ কৰি নিদি গোটা পানী মেটেকা সেই ভাৱেই গছৰ গুৰিত ৰাখি পুতি পুতি দিলে বেচি উপকাৰত আহিব। প্ৰথমতে গছৰ আয়তন দীৰ্ঘতা চাই গছডালৰ চাৰিওকাষে—গুৰিৰ পৰা দুহাত বা তিনি হাতমান আঁতৰত একুটমান বহল কৰি ডেৰ ফুট বা দুফুট দ কৰি পানীমেটেকা আনি গাতটো ভৰাই ওপৰত মাটি দি ঢাকি দিব। এইভাৱে দিয়া সাৰৰ উপকাৰ আৰু তাৰ ক্ৰিয়াশক্তি বেচি হয়। এই সাৰক ইংৰাজীত Green Manure আৰু আমাৰ ভাষাত কেচা বা "সেউজীয়া সাৰ" বুলিব পাৰি। "সেউজীয়া সাৰ" বাৰিষা কালতহে ব্যৱহাৰ কৰিব পাৰি। কিয়নো বাৰিষা গেলি পচি সোনকালে কামত লাগে আৰু গছক সোনকালে তাৰ খাদ্য যোগায়। এইবিধ সাৰৰ ব্যৱহাৰ আমাৰ গাৱঁৰ খেতিয়ক ৰাইজসকলে নেজানে। কিন্তু অসমৰ চাহ খেতিয়কসকলে এই "সেউজীয়া সাৰৰ" মৰ্ম্ম আৰু উপকাৰিতা সম্বন্ধে বেচ বুজে আৰু ভাল ভাৱে ব্যৱহাৰ কৰে। বাৰিষাৰ লগে লগে চাহ গছৰ মাজে মাজে মাটি-মাহ, লেছাৰি মাহ আৰু বগা মেদেলুৱাৰ গুটি কোঁৰ মাৰি সিচি দিয়ে আৰু এই মাহ গছৰ পূৰ্ণ অৱস্থা প্ৰাপ্ত অৰ্থাৎ ফুল ধৰিবৰ সময়তে কোৰ মৰাই মাহ গছবিলাক চাহ গছৰ ওচৰত মাটি দি ঢাকি দিয়ে। অৱশ্যে এইদৰে

মাহ গছৰ সাৰ কৰিবলৈ কোৱা নাই। কাৰণ ই ধৰণী আৰু সাধাৰণতে মাচ এসাজ খাবলৈ পাবলৈ নাই আকৌ মাটি মাক লেহাৰি মাহৰ 'সেউজীয়া সাৰ' তৈয়াৰ কৰিবলৈ কলে লিখকক নিশ্চয় প্যাগল বুলি কব। অৱশ্যে বিনাখৰছে ৰাইজে কেনেকৈ এই সাৰ কৰি লব পাৰে তাকে বহলাই পিছত সমালোচনা কৰিম। অসম দেশত নাই কি সকলো আছে কিন্তু অভাৱ গৱেষণা আৰু ব্যৱহাৰৰ।

পানী মেটেকাৰপৰা সাৰ তৈয়াৰ কৰি হওক বা আন যেইকোনো উপায়ে এই পানী মেটেকাক সমূলে নিবংশ কৰিব নোৱাৰিলে ৰাইজ আৰু চৰকাৰ উভয়ৰে শান্তি নহব। আজি ৰাইজ আৰু চৰকাৰে এই পানী মেটেকাৰপৰা যি আহুকাল ভুগিবলগীয়া হৈছে তাক সকলোৱেই চাড়ে ছিমজুৰে বুজি উঠিছে। পানী মেটেকাই দেশৰ ৰাইজৰ জীৱনী শক্তিহৰণ কৰিছে। অসমৰ সোণতলী বোৱতী মাটি শস্য পৰা টিকা কৰিছে। নৈ-বিলত মাছ পুথিৰ সংখ্যা কমি গৈছে। গৰু মহৰ খাদ্যৰ উপযোগী পানীত হোৱা দ'ল এইবোৰ ঘাঁহ-বিলাক নোহোৱা কৰিছে। এইবিলাক লোপ পোৱাৰ মানে মানুহৰ খাদ্যপ্ৰাণ কমি যাব। এই খাদ্য প্ৰাণৰ অভাৱত মানুহ দুৰ্ব্বল হৈ যাব আৰু লগে লগে মেলেৰীয়াই ধৰিব আৰু কুইনাইন খোৱাৰ আগতে "দণ্ডীৰাম"ৰ কাপ লবগৈ।

এই পানী মেটেকাক যেইকোনো উপায়ে ধ্বংশ কৰিবই লাগিব। নহলে ই "সোণৰ অসমক" মৰুৰ অসমত পৰিণত কৰিব বুলি শঙ্কা হৈছে। চৰকাৰ আৰু সমূহ ৰাইজৰ আহা-সুধিয়া শক্তিৰে "পানী মেটেকাৰ" বিপক্ষে জনমত গঢ়ি তুলি ইয়াক ধ্বংশ কৰিবলৈ আগবঢ়া উচিত হব নহলে শস্য শ্যামলা অসমৰ মেট মৰা গুটি ভৰাল উদং হব আৰু অসমীয়া ৰাইজৰ চাওৰ মুকুতা হেৰাব—মনত ৰাখিব যেতিয়াক ৰাইজৰ উন্নতিয়েই দেশৰ আৰু জাতিৰ উন্নতি।

———

"আত্মাক ৰথৰ ওপৰত উঠা মানুহজন বুলি জানিবা, শৰীৰ হৈছে ৰথ, বুদ্ধি হ'ল সাৰথি আৰু মনটো হৈছে লেকাম।"

—কঠোপনিষৎ

"মানুহৰ "কম্পাছ" ডাল (দিক্ নিৰ্ণয় যন্ত্ৰ) যদি ঠিক থাকে অৰ্থাৎ ঈশ্বৰৰ ওপৰত অচল বিশ্বাস থাকে তেন্তে মানুহে সকলো বাধা বিঘিনিৰ মাজেদিয়ে হ'লেও আচল লক্ষ্যত উপস্থিত হয়গৈ।"

—ৰামকৃষ্ণ পৰমহংস

আমাৰ দিনৰ গুৱাহাটী

শ্ৰীৰঘুনাথ চৌধাৰী

প্ৰায় আঠে কুৰি বছৰ আগৰ কথা। ১৯০১-১৯০২ চনত অসমৰ ৰেলৰ বাট খোলা কাম আৰম্ভ হয়। গুৱাহাটী নগৰতে বৰ্ত্তমান ৰেল ষ্টেচন আৰু ৰেলৰ বাটৰ ওচৰে কাষৰে থকা ৰেলৰ অফিছ কৰ্ম্মচাৰী আদি থকা যিবোৰ ঘৰ দুৱাৰ আজি কালি সজা হৈছে, সেই সকলো ঠাইত তেতিয়া, জন বসতিপূৰ্ণ কেইখনো অসমীয়া গাওঁ আছিল। সেই গাওঁবোৰত থকা অসমীয়া মানুহক তুলি দি ৰেল বিভাগে এটা বিস্তৃত অঞ্চল অধিকাৰ কৰি লৈছিল। বৰ্ত্তমান চৰকাৰী বয়ন বিদ্যালয়, যাদুঘৰ ডাক বঙলা, আদি থকা ঠাই ৰেল কৰ্তৃপক্ষই এৰি দিয়ে। কিন্তু যি বিলাকৰ পৰা সেই মাটি লোৱা হৈছিল তেওঁলোকে পুনৰ তাক ঘূৰাই নেপালে।

বয়ন বিদ্যালয়ৰ পৰা দীঘলী পুখুৰীৰ দক্ষিণ পশ্চিম কোণৰ অঞ্চললৈকে অসমৰ শেষ ৰজা কন্দৰ্পেশ্বৰ সিংহ স্বৰ্গদেৱৰ হাউলি আছিল, সেই হাউলি ৰখীয়া হিচাপে মণিপুৰী অসমীয়া আৰু ছিখ মানুহ কিছুমানক তাত ৰখা হৈছিল। বৃটিছ গৱৰ্ণমেণ্টে অসমৰ শাসন ভাৰ লোৱাৰ লগে লগে স্বৰ্গদেৱক মাহে ৫০০৲ টকা পেঞ্চন দি নজৰ বন্দীত ৰাখিছিল আৰু তেওঁৰ এক মাত্ৰ পুত্ৰ সন্তান ১০।১১ বছৰীয়া কুমুদেশ্বৰ সিংহক স্কুলত পঢ়ুৱাওঁ বুলি শিলচৰলৈ নিছিল। আৰু তাতেই তেওঁৰ ৰহস্য জনক ভাৱে মৃত্যু ঘটে। সেই আকস্মিক মৃত্যুৰ বাতৰিয়ে গোটেই অসমতে জা-তাওীয়া বিশেষকৈ আহোম সম্প্ৰদায়ৰ মাজত মহা চাঞ্চল্যৰ সৃষ্টি কৰিছিল। সি যি নহওক স্বৰ্গদেৱৰ হাউলিৰ বিৰাট কামৰাৰীখনৰ চিন স্বৰূপে কেই জোপামান বুঢ়া আম গছ এতিয়াও বয়ন বিদ্যালৰ হাউলিত দেখা পোৱা যায়। স্বৰ্গদেৱৰ কাৰেং ঘৰটো ১৮৯৭ চনৰ বৰ ভুইকঁপত ভাগি পৰে। লৰাটো তেনেকৈয়ে গ'ল। স্বৰ্গদেৱৰ লগত থাকিল অকমাণ জীয়েক জনী। এই অবিবাহিতা ৰাজকুমাৰী গৰাকী স্বৰ্গদেউৰ শেষ কাললৈ লগত আছিল। ৰজাৰ মৃত্যুৰ পাছত চৰকাৰে দিয়া মাহিলী ৫০৲ টকা পেঞ্চন ৰাজ কুঁৱৰীয়ে ভোগ কৰি আছিল।

ৰেল চলাৰ আগতেয়ে অসমৰ পৰা সকলো মাল ডাক আৰু যাত্ৰী আদি জাহাজেৰে অহা যোৱা কৰিছিল। ৰেল বাট খোলাৰ সময়তে গুৱাহাটীৰ জাহাজ ঘাটকে কাচী বজাৰৰ পৰা উজান বজাৰলৈ স্থানান্তৰ কৰা হয়। উজান বজাৰৰ জাহাজ ঘাটৰ পাৰৰ সমতল ভূমি খণ্ডত ছত্ৰকাৰ দেৱালয়ৰ মাটিত থুকুৰলীয়া গাওঁখন আছিল। দেৱালয়ৰ পক্ষৰ পৰা ৰেলৰ বাবে সেই মাটি খণ্ড লোৱা হলত সেই গাওঁখন তাৰ পৰা খাৰঘুলিৰ ওচৰলৈ যায়। কেই বছৰমান পাছত ব্যাপক ভাৱে কলেৰাৰ দ্বাৰা আক্ৰান্ত হোৱাত সেই গাওঁ স্বৰ্গীয় বলোৰাম বৰাৰ মাটি অৰ্থাৎ বৰ্ত্তমান থকা ঠাইলৈ আহে। গুৱাহাটী ষ্টেচনৰ পৰা উজান বজাৰ জাহাজ ঘাটলৈ তেতিয়া যিটো ৰেলৰ আলি গৈছিল, সেই আলি মানিক চন্দ্ৰ বোৰেৰে

চেনিকুঠিৰ মাজেদি নৈৰ পাৰেৰে উজান বজাৰ জাহাজ ঘাট পাইছিল গৈ। ঘন বস্তীৰ মাজেৰে যোৱাৰ কাৰণে ৰেলৰ তলত পৰি ভালেমান মানুহ, গৰু ছাগলী আদি কটা যোৱাত গোটেই নগৰত হুলস্থুল লাগি গ'ল। অৱশেষত নতুন বাট এটা উলিয়াব নোৱাৰালৈকে সেই বাটেদি গাড়ী চলা-চল স্থগিত ৰাখিবলৈ ৰেল কর্ত্তৃপক্ষ বাধ্য হয়। কেই মাহমানৰ পিছত নতুন ইঞ্জিনীয়াৰ আহি ষ্টেছনৰ পৰা জাহাজ ঘাটলৈ আমি বৰ্ত্তমানে দেখা পোৱা ৰেল আলিটো খোলে।

ৰেলৰ আলিটো তিনচুকীয়ালৈকে নিব লগীয়া হোৱাত সেই কাৰ্য্যৰ বাবে বনুৱা কামত খটাব পৰা বিদেশী বনুৱা অতি কমেহে আহিছিল। আৰু সেই বাবেই সেই সকলো কাম অসমীয়া বনুৱাৰ হতুৱাই কৰোৱা হৈছিল। সেই বনুৱাৰ ভিতৰত সৰহ ভাগ কানীয়া মানুহ আছিল। সময় মতে কানীৰ যোগান আৰু বচদ আদি নোপোৱাত তাৰ অভাৱত বহুত বনুৱাৰ জীৱন হানি হল। যি এবাৰ গৈছিল সি ঘূৰি আহি তুনাই ৰেলৰ কামলৈ যাবলৈ ইচ্ছা নকৰাত ৰেল কোম্পানীয়ে বেহাৰৰ পৰা বনুৱা আনি ৰেলৰ আলিৰ কাম সম্পূর্ণ কৰিবলৈ বাধ্য হল। সেইসময়ত গুৱাহাটীত শিক্ষিত মানুহৰ সংখ্যা নিচেই তাকৰ আছিল আৰু ৰাজহুৱা অনুষ্ঠান আদিও নাছিল বুলিলেও হয়। আগৰপৰা চলি অহা জাতীয় উৎসৱ-বিলাকৰ বাহিৰে আধুনিক শিক্ষা, কৃষি মূলক উৎসৱ নাইবা বক্তৃতা আদিও তেতিয়া একো নাছিল। সেই সময়ত হেমচন্দ্ৰ বৰুৱা, বলোৰাম ফুকন, আনন্দৰাম ঢেকীয়াল ফুকন কালিৰাম বৰুৱা আদি অসমৰ শীৰ্ষ-স্থানীয় পুৰুষসকল গুৱাহাটীত আছিল। হেমচন্দ্ৰ বৰুৱাৰ ঘৰ আমাৰ ঘৰৰ ওচৰতে। তেওঁ ৰাতিপুৱা প্ৰায় আমাৰ ঘৰলৈ আহি দাদা গৰ্গৰাম চৌধাৰীৰ লগত কথা বতৰা হৈছিল। আমাক তেওঁ মৰমেৰে মাতিছিল, নানাকথা সুধিছিল আৰু আমিও তেওঁক তামোলপান আদিৰে মান ধৰিছিলো। তেওঁ প্ৰতি দেওবাৰে সৰু লৰাছোৱালীবিলাকক তেওঁৰ ঘৰলৈ মাতি নি খেল ধেমালি কৰিবলৈ দিছিল আৰু তেওঁ-বিলাকৰ মাজত মিঠাই বিতৰণ কৰিছিল। আমিও গৈ সেইবিলাকৰ ভাগ লৈছিলো কিন্তু সেই হেমচন্দ্ৰ বৰুৱা যে হেমকোষ ৰচয়িতা আৰু অসমীয়া ভাষাৰ গুৰি ধৰোতা তেতিয়া আমি সেইকথা জনা নাছিলো। সেইসময়ত তেওঁৰ "আসাম নিউজ" নামেৰে সাদিনীয়া অসমীয়া বাতৰি কাকতখন বন্ধ হোৱাত কালিৰাম বৰুৱাই "আসাম" নামেৰে আন এখন সাদিনীয়া কাকত উলিয়ায়। বৰুৱাদেও আধুনিক প্ৰথম অসমীয়া কাবা প্ৰণেতা ৰমাকান্ত চৌধাৰী আৰু তেওঁৰ ককায়েক দুলালচন্দ্ৰ চৌধাৰীৰ ঘৰলৈ গৈ সাহিত্য আদি নানা বিষয়ৰ গভীৰ আলোচনা কৰিছিল। সেইসময়ত হাট, ঘাট বিল আৰু আবকাৰী মহল আদি স্থানীয় অসমীয়া মানুহৰ হাতত নাছিল। বৰুৱা ডাঙৰীয়া, স্বৰ্গীয় বেণুধৰ বৰুৱা, কমলাকান্ত দাস উকিল আৰু কমলাকান্ত ভুঞা, ৰবিচন্দ্ৰ বৰুৱা আৰু মহেশ্বৰ গোস্বামী আদিৰ লগত পৰামৰ্শ কৰি সেইবোৰৰ প্ৰায় অধিকাংশ গড়কাপ্তানী বিভাগৰ ঠিকাবিলাকো অসমীয়া মানুহে পাইছিল। এইবিলাক কামত আগৰণুৱা হওতা সকলৰ ভিতৰত স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাদেৱৰ নামো বিশেষ উল্লেখযোগ্য। বৰুৱাদেৱে এইবোৰৰ উপৰিও আৰু বহুত দেশহিতকৰ কাৰ্য্যৰ পাতনি মেলে। জিলাৰ মৌজাদাৰসকলৰ টকা আৰু আন ধনী মানুহৰ টকা গোট খুৱাই তেওঁৱেই প্ৰথমতে

'অসম সমবায় বেঙ্ক' স্থাপন কৰে। বৰ্ত্তমানে গুৱাহাটী চেণ্ট্ৰেল এক্চাইজ অফিছ থকা উজান বজাৰৰ টিলা এটাত যি ফটিক কুটিৰ আছে তাতেই তেওঁৰ থকা বঙলা আৰু অফিছ ঘৰ আদি আছিল। বৰ্ত্তমান উজান বজাৰৰ বজাৰখনকে লৈ এক বিস্তীৰ্ণ অংশ তেওঁৰে মাটি আছিল। এতিয়া গুৱাহাটী গড়কাপ্তানী অফিছ যত আছে সেইবিলাক তেওঁৰে মাটি আছিল। তাতে তেওঁ এটা কাঠফলা কল খুলিছিল। পাণবজাৰ অঞ্চলৰ নদীৰ পাৰৰ বালক স্কুল আৰু 'আৰ্য্যনাট্য হল' থকা তেওঁৰ আন এডোখৰ মাটিত তেওঁ এটা বৰফৰ কল বহুৱাইছিল। বৰদুৱাৰ ৰাণী আৰু কুকুৰমাৰা আদি ঠাইৰ শালকাঠৰ হাবিৰ গভৰ্ণমেণ্টৰ পৰা ইজাৰা লৈছিল। ভোলানাথ বৰুৱাক মেনেজাৰ ৰাখি তেওঁ তাৰপৰা এটা বৃটিছ কোম্পানীৰ লগ হৈ জাহাজেৰে ৰেলৰ চ্লিপাৰৰ চালান দিছিল। সেই কাঠ অনা নিয়া কৰিবলৈ হাবিৰপৰা পলাশবাৰী জাহাজ ঘাটলৈ এটা নতুন আলি খুলিছিল। এতিয়া সেই আলিৰ চিন আছে ; মানুহে তাক 'বৰুৱা আলি' বোলে। মুঠতে অসমত বেঙ্ক খোলাত কাঠফলা কল, বৰফৰ কল আদি খোলাত আৰু আন বহু-বিষয়ত মাণিকচন্দ্ৰ বৰুৱাক আগবণুৱা বুলিব পাৰি। ব্যৱসায় বাণিজ্য আদি বিষয়ত আমাৰ অসমত এনেকুৱা এজন দূৰদৃষ্টি সম্পন্নলোক সেইসময়ত নাছিল। বৰ্ত্তমান লতাশিল খেল মাটিত তেতিয়া এটা বৰ ডাঙৰ পুখুৰী আছিল। উজান বজাৰ জাহাজৰ এজেণ্ট চাহাবৰ বঙলাত থকা টিলাটোৰ আধাখিনি কাটি আনি সেই পুখুৰীটো পুতি তাতেই বজাৰ বহুৱা হৈছিল। তাত বাইজৰ অসুবিধা হোৱাৰ বাবে বজাৰখন বৰ্ত্তমান ঠাইলৈ মাণিকচন্দ্ৰ বৰুৱাৰ মাটি লৈ নিয়া হয়। বৰুৱা ডাঙৰীয়াই এই মাটিৰ বাবে একো দাম লোৱা নাছিল। উগ্ৰতাৰা মন্দিৰৰ পুখুৰীও তেতিয়া এটাই আছিল। সেই পুখুৰীৰ মাজেদি এটা চৰ্কাৰী আলি দিয়াত আমি বৰ্ত্তমানে দেখা পোৱা যোৰপুখুৰীত পৰিণত হল। হেপি ভিলাত থকা বলো বৰাৰ মাটিৰপৰা আৰম্ভ কৰি 'জয় দুৱাৰ চকি'লৈকে অথবা চানমাৰি-লৈকে এই গোটেই খণ্ড মাটিত কুহিয়াৰৰ খেতি হৈছিল। সেই কুহিয়াৰৰ পৰা গুৰ উলিয়াই কাৰখানাত চেনি তৈয়াৰ কৰা হৈছিল। সেই চেনিৰ কল বৰ্ত্তমান স্বৰ্গীয় সূৰ্য্যকান্ত বৰুৱা হাকিমৰ হাউলিত পতা হৈছিল। সেইকাৰণে সেই চেনিকুঠি ৰবিঞ্চন নামেৰে চাহাব এজনে খুলিছিল আৰু তেওঁৰ কৰ্ম্মচাৰীবিলাক অসমীয়া আছিল। সেই যুগত আমাৰ মানুহে ঔষধপাতি বা দেৱকাৰ্য্য আদিৰ বাদে আন কোনো খোৱা কামত চেনিৰ ব্যৱহাৰ নকৰিছিল। কিয়নো তেতিয়া অতি কম মানুহৰহে চাহ খোৱা অভ্যাস আছিল। আৰু প্ৰায় ঘৰে ঘৰে নিজা কুহিয়াৰৰ খেতিও আছিল। কাৰখানাই লোকচান ভৰিব লগীয়া হল আৰু অৱশেষত এই কল কাৰখানা আৰু আৰু কুঁহিয়াৰ খেতি উঠি যায়। আৰু বৰ্ত্তমানে সেই অঞ্চলৰ 'চেনিকুঠি' নামটোৰ বাহিৰে সেই ব্যৱসায়ৰ আন চিন চাবো নাইকিয়া হয়।

এতিয়া সেইসময়ৰ গুৱাহাটি মিউনিচিপেলিটি বিষয়ে দুষাৰ কৈ আমাৰ বক্তব্যৰ সামৰণি মাৰিম। ডেপুটি কমিশ্যনাৰেই তেতিয়া মিউনিচিপেলিটিৰ চেয়াৰমেন আছিল। ভাইচ চেয়াৰমেন আছিল বেণুধৰ বৰুৱা। ওভাৰচিয়াৰ ব্ৰজলাল দাস, তেওঁ মোৰ ভিনিহী হয়। তেওঁ স্বৰ্গীয় কমলাকান্ত দাস উকিলৰ ভতিজাক আছিল। একাউণ্টেণ্ট আছিল স্বৰ্গীয় কপেশ্বৰ বুজৰবৰুৱা। বজাৰৰ খাজনা আদায় কৰা

মানুহ গোটেই চহৰখনত দুজন আছিল। এজন উজান বজাৰৰ আৰু আন এজন ফাঁচিবজাৰৰ বাবে। অৱশ্যে পলটন বজাৰ, ফাঁচিবজাৰ আৰু দলং বজাৰ; পাণবজাৰৰ অধিকাংশ মাটি আমাৰ স্থানীয় অসমীয়া মানুহৰে আছিল। তাত তেওঁলোকে কেৱল পাণ তামোলহে বিক্ৰি কৰিছিল। আন বস্তু নেবেচিছিল। সেইবাবেই সেই বজাৰৰ নাম 'পাণবজাৰ' হয়। কালক্ৰমত পাণবজাৰত অসমীয়া মানুহে তামোল পাণৰ বেহাবেপাৰৰ উপৰিও নিজৰ মাটি বাৰীৰপৰাও বঞ্চিত হল। ফাঁচিবজাৰৰ মাটি বিলাকৰ সৰহ ভাগ আছিল লাখটকীয়া, মাছখোৱা আৰু ফৌজদাৰ পৰ্টিৰ স্থানীয় প্ৰতিপত্তিশালী অসমীয়া মুছলমান সকলৰ। স্বৰ্গীয় কেশৱ কান্ত বৰুৱাৰ ফাচীবজাৰ অঞ্চলত বহুতো ভু-সম্পত্তিও আছিল। সেই ঠাইত বজাৰৰ ওচৰত এজোপা ডাঙৰ জৰিগছ আছিল। প্ৰাণদণ্ডত দণ্ডিত হোৱা লোকক প্ৰকাশ্য ভাৱে সেই গছত ওলোমাই ফাচি দিয়া হৈছিল। সেই-দেখি সেই অঞ্চলৰ নাম 'ফাঁচিবজাৰ' হল। ভৰলুমুখৰ ভৰলু দলংখনৰ ওচৰত এখন সৰু বজাৰ বহিছিল। আৰু সেই বজাৰখনকেই দলং বজাৰ বোলা হৈছিল।

আজিকালিৰ দৰে তেতিয়া বজাৰবোৰ ডাক হোৱা নাছিল। টেক্স কলেক্টৰ দুজনেই গধূলিপৰত বজাৰৰ খাজনা আদায় কৰি যি উঠে সকলোখিনি ভাইচ চেয়াৰমেনৰ তাত জমা দিছিল। তাৰ বাবে ৰচিদ পত্ৰ বা আন কোনো হিচাব আদি ৰখাৰ নিয়ম নাছিল। ফেৰি ঘাটৰ পাৰণিখিনিও এইদৰেই আদায় কৰি মিউনিচিপেলিটিত জমা হৈছিল। ভাইচচেয়াৰ মেনৰ ঘৰতেই তেতিয়া মিউনিচিপেল অফিচ আছিল। সেইসময়ৰ মানুহবোৰ বৰ ধৰ্ম্মভীৰু আৰু সৰল প্ৰকৃতিৰ আছিল। সেইবাবে মিউনিচিপেলটিৰ টকা পইচা আদায় কৰা আৰু হিচাব পত্ৰ ৰখাৰ যদিও চোকা ব্যৱস্থা নাছিল তথাপি আদায় হোৱা সকলো ধন মিউনিচিপেলটিত জমা হৈছিল। এতিয়া কামৰূপৰ ডেপুটি কমিশ্যনাৰৰ বঙলা থকা ঠাইত তেতিয়া পানীকলৰ সাতপুখুৰী আছিল আৰু তাৰ ইঞ্জিন আদি বহুৱা হৈছিল শুক্লেশ্বৰৰ নৰ্থ ব্ৰুক্ গেটৰ ওচৰত। এই নৰ্থব্ৰুক গেট সম্বন্ধে মই দুআষাৰ মান কৰলৈ ওলালোঁ...চনত ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড নৰ্থব্ৰুকে অসম পৰিদৰ্শন কৰিবলৈ আহোঁতে তেওঁক সম্বৰ্দ্ধনা জনাবৰ কাৰণে এই গেটখন মিউনিচিপেলিটি আৰু আমাৰ ৰাইজৰ তৰফৰ পৰা সজোৱা হয়।

লৰ্ড নৰ্থব্ৰুকে দুপৰীয়া জাহাজেৰে আহি অশ্ব-ক্লান্ত ঘাট পায়হি। দূৰৰ পৰা নগৰৰ একুৰা জুই জ্বলি উঠা দেখি তেখেতে ওচৰৰ মানুহক সুধি জানিব পাৰিলে যে ফাঁচিবজাৰত গোটেই বজাৰ খন পুৰি গৈছে। এই বাতৰি শুনি বৰলাট চাহাব বৰ বিস্মিত হল আৰু তেওঁ খবৰ পোৱা ঘটনাটো অমঙ্গল সুচক বুলি ভাবি নগৰত পদাৰ্পণ নকৰাকৈয়ে সেই জাহাজেৰে উভতি গুচি গ'ল। সেই সময়ত নগৰত পানী যোগোৱাৰ উত্তম ব্যৱস্থা আছিল। প্ৰতি চাৰি আলিয়ে আলিয়ে একোটা ধামা কল আছিল। গাই গুটিয়া হিচাবে নিজৰ ঘৰলৈকো অৱস্থাপন্ন লোক সকলে সাজে দুটকা ভৰি আঠো-পৰে পানী পোৱাকৈ কল বহুৱাই লৈছিল। চহৰত পাতল জন সংখ্যা হোৱাৰ বাবে সেই খিনি কলৰ পানীয়ে গোটেই নগৰখন আতি জুৰি গৈ অতিৰিক্ত হৈছিল।

গুৱাহাটীৰ চৰকাৰী হাইস্কুল খনৰ বাদে কামৰূপ জিলাত ১৯০৫ চনলৈকে কোনো হাইস্কুল স্থাপন হোৱা নাছিল। তাৰ পিচত ৺সোণাৰাম হাইস্কুল খোলা হয়। তেতিয়া চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক জন ব্ৰাহ্ম মতাৱলম্বী আছিল। ৺ৰাম মোহন ৰায়ৰ স্মৃতি উপলক্ষে মাঘ মাহত হাইস্কুলত ব্ৰহ্মোৎসৱ বা ছাত্ৰোৎসৱ পতা হয়। সেই খনেই নগৰত ডাঙৰ উৎসৱ ধৰ্ম্মানুষ্ঠান আৰু অসমীয়া জাতীয় উৎসৱ। বাদ দি নগৰত কোনো সাৰ্ব্বজনীন সভা সমিতি হোৱা মোৰ মনত নপৰে। তাহানিৰ সেই গুৱাহাটী আজি এই গৌহাটী, কি আচৰিত পৰিবৰ্ত্তন?

ফিৰিঙটি এটাৰ পৰা খাণ্ডৱ দাহ

[মুকলি অনুবাদ] (গল্প) শ্ৰীনাৰায়ণ শৰ্ম্মা

এখন গাঁৱত আইভান ষ্টেটচাৰ বেকফ নামে এজন খেতিয়কে বাস কৰিছিল। ডেকাকালত মানুহজন বৰ পৰিশ্ৰমী আছিল আৰু তেওঁৰ কাণ সমনীয়া পুতেক তিনিজনো আছিল। ডাঙৰ পুতেকজনে বিয়া বাৰু কৰাইছিল, মাজুজনৰ বিয়াৰ কথা বতৰা চলিছিল আৰু সৰু পুতেকজনে পথাৰত ঘোৰা ৰখা আৰু হাল কোৰ মাৰিব পৰা হৈছিল। আইভানৰ ঘৈণীয়েকো পৰিশ্ৰমী তিৰোতা আছিল; ভাগ্যগুণে বৰ কৰ্ম্ম পটু আৰু কাৰো লগত দাঁতে ওঠে নলগা স্বভাৱৰ বোৱাৰীয়েক এজনীও চপাই আনিছিল। তেওঁলোকৰ দিনবোৰ বৰ সুখেৰেই অতিবাহিত হৈছিল। খাস বেমাৰত ভুগি কটি সেকা চোতাৰ ওপৰত পৰি থকা বুঢ়া বাপেকৰ বাহিৰে সেই পৰিয়ালটোত বহি খোৱা মানুহ কোনো নাছিল। গৃহস্থী মানুহৰ যি দৰ্কাৰ সেই সকলোবোৰ আইভানৰ আছিল। তিনিটা ঘোৰা, এটা গাধ, খীৰতী গাই এজনী, পোন্ধৰটা ভেৰা, মুঠতে অভাৱ আইভানৰ একেবাৰে নাছিল। মতা মানুহ কেইজনে পথাৰত খেতি কৰিছিল; আৰু তিৰোতা কেইজনীয়ে পথাৰত তেওঁলোকক সহায় কৰাৰ উপৰিও পৰিয়ালটোৰ কাপোৰ কানি বৈ-কাটি দিছিল। চেৰটোৰ শস্যেৰেই তেওঁলোক চলিব পাৰিছিল—গতিকে পিছৰ বছৰৰ খেতিৰ শস্যলৈ ভাবিবৰ প্ৰয়োজন নাছিল। অৱশ্যে উৎপন্নৰ সৰহ ভাগ যব ধান আদি বেচি খাজনা আৰু আন আন লাগতিয়াল খৰছ পত্ৰ চলাইছিল। গতিকে আইভানহঁতৰ দিন সুখতেই গলহেঁতেন কিন্তু চুবুৰীয়া গেব্ৰিয়েলহঁতৰ লগত কাজিয়া লগাত সি আৰু নহল।

আইভান আৰু গেব্ৰিয়েলক বাপেকহঁতৰ দিনত দুয়োঘৰ খেতিয়কৰ মাজত বেচ মিলাপ্ৰীতিয়েই আছিল। ইঘৰৰ তিৰোতাই যদি সিঘৰলৈ চালনীখন বা বালটিটো বিচাৰি আহে, নাইবা মতা মানুহৰ বস্তাৰ প্ৰয়োজন হয় নাইবা গৰু গাড়ীৰ চকা ভাঙি যায় অথচ তৎক্ষণাৎ ভাল কৰিও লব নোৱাৰি তেতিয়া আন ঘৰে আপোন মানুহৰ দৰেই সহায় কৰিছিল। কেতিয়াবা কাৰোবাৰ দামুৰি পোৱালী খেতিৰ ওপৰত চৰি থাকিলেও ধৰি আনি ঘৰত দি ভৱিষ্যতে যাতে তালৈ নাযায় তাৰ বাবে যত্ন লবলৈ দিহা দিছিল। বাহিৰা ঘৰ বা ধানৰ ভৰালত টলা লগোৱা, বস্তু ইহাত সিহাত কৰা, নাইবা লোকৰ কুৎসা ৰটনা কৰা তেতিয়াৰ দিনৰ মানুহৰ স্বভাৱ নাছিল।

সেইবোৰ আছিল বুঢ়াহঁতৰ দিনৰ কথা—কিন্তু পুতেকহঁত যেতিয়া ঘৰৰ মুৰব্বী হল—কথা বতৰাও বদলি গল—আৰু এদিনাখন সিহঁতৰ মাজত কাজিয়াই লাগিল। আইভানৰ বোৱাৰীয়েকৰ কুকুৰা জনীয়ে যে সেইবেলি আগতিয়াকৈ কণী দিছিল আৰু তেওঁ সেই কণীবোৰ ইষ্টাৰ পৰ্ব্বলৈ সাচি থৈছিল। প্ৰতি দিনে তেওঁ গৰালৰ পৰা কণীটো আনে। সেই দিনা বোধহয় লৰা ছোৱালী কেইটাই খেদি লৈ ফুৰাত কুকুৰাজনীয়ে উৰা মাৰি গৈ কাষৰ মানুহ ঘৰৰ আগত পৰিল আৰু তাতে কণী পাৰি "কোৱাক" 'কোৱাক"

কৈ মাতিবলৈ ধৰিলে। মাত শুনি তেওঁ ভাবিলে যে দেওবাৰৰ বাবে কাপোৰ ধুব লাগে—সময় পালে পিচতো কণীটো আনিব। গধূলি গৰালত বিচাৰিলে কণী নাই—শাহুয়েৰক সুধিলে—তেওঁ হেনো অনাই নাই। দেওৰেক তৰাচে কলে“কুকুৰা জনী কাষৰ মানুহ ঘৰৰ আগত পৰি মাতি আছিল—তাৰ পিচ-ত্বেই তাই তাৰ পৰা উৰি আহিছে। কিজানি তাতেই কণী দিলে।” তিৰোতাজনীয়ে কুকুৰাজনীৰ ওচৰলৈ গল, গৰালৰ আনবোৰ চৰাইৰ লগত তাই তেতিয়া টোপনিৰ জালত চকু মুদি আছিল। তেওঁৰ এনে ইচ্ছা হল যেন কুকুৰাজনীকে কথাটো সুধিব।

ভাবিচিন্তি তেওঁ কাষৰ মানুহ ঘৰৰ দুৱাৰমুখ পালেগৈ। গেব্রিয়েলৰ মাক ওলাই আহি মাত দিলে “হেৰা কি বিচাৰিছা ?” “আই আমাৰ কুকুৰা-জনী ৰাতিপুৱা দেখোন এই ফালে উৰি আহিছিল ; ইয়াতেই কণী পাৰিলে নেকি ?” “আমি হলে দেখা নাই ! ঈশ্বৰৰ ইচ্ছাত আমাৰ মুৰগীবোৰে বহুদিনৰে পৰা কণী দিছে। আমাৰ যি আছে সেয়ে যথেষ্ট, আনবো নালাগে। আৰু আমি কণী বিছাৰি কাৰো দুৱাৰ ঘৰো নগচকো।” তিৰোতাজনীয়ে অপমান বোধ কৰিলে আৰু নকব লগা কথাও বহুত কৈ দিলে। আনজনীয়েও সেইবোৰ সহ্য নকৰি এবাৰ কথাকে দহ আষাৰ কৰি উত্তৰ দিলে। ফলত দুয়োৰো মাজত উত্তৰা উত্তৰি লাগিল। আইভানৰ ঘৈণীয়েকে পানীলৈ গৈছিল—আৰু তেওঁ তাতে যোগ দিলে। গেব্রিয়েলৰ ঘৈণীয়েকে ঘৰৰ পৰা দপ দপাই আহি আইভানৰ বোৱাৰীয়েকক হোৱাই নোহোৱাই গালি সপনি পাৰিবলৈ ধৰিলে। আটাই কেউজনীৰ চিঞৰ বাখৰত হুলস্থুল লাগি পৰিল। “তই অমুক” তই ভমুক” তই বুঢ়া শহুৰেৰক মুখু-ৱাই শুকাই শুকাই মাৰিলি। ‘তই ধোদৰ পচলা।” —ইত্যাদি বিভৎস গালি গালাজৰ আৰম্ভ হল। “আমাৰ চালনীখন নি ফুটালি। হতছিৰি যোৱা কেচাই খাইতী, আমাৰ কাণমাৰিৰে পানী আনি আজিও খাই আছ, দে আমাৰ কাণমাৰি ডাল এতিয়াই দে।” এই বুলিয়েই সিহঁতে কাণমাৰি ডালত ধৰি টনা আজোৰা কৰিবলৈ ধৰিলে। সেইদৰে টনা আজোৰা কৰাত কলহৰ পানী সিচৰতি হৈ পৰিল, আৰু ইজনীয়ে সিজনীৰ গাৰ কাপোৰ কানি টানি আজুৰি কোঢ়াল লগালে। গেব্রিয়েলে পথাৰৰপৰা আহি বাহিৰে বাহিৰে ঘৈণীয়েকৰ পক্ষ ললে আৰু তাকে দেখি আইভানেও পুতেকৰ সৈতে লৰি আহি তাতে যোগ দিলে। আইভান দেখাতো শকত-আৱত আছিল। ই পক্ষৰ গোটেইবোৰকে আচাৰ মাৰি পেলাই দি গেব্রিয়েলৰ লগত জোটা পোটা লগাই তাৰ ডাড়ি* একোচা উভালি পেলালে। সিহঁতৰ চিঞৰ বাখৰত বহুত মানুহ গোট খালেহি আৰু কোনোমতে দুয়োকো একৰাই দিলে।

গেব্রিয়েলে উভলা ডাড়ি কেইডাল কাগজ এখনত বান্ধি লৈ জিলাৰ আদালতত আইভানৰ বিৰুদ্ধে মোকৰ্দ্দমা কৰিলে। “গালত আইফুল থকা আই-ভানে উভালিবলৈ মই ডাড়ি ৰখা নাছিলো” এই বুলি কবলৈ ধৰিলে ; ইফালে ঘৈণীয়েকেও ইঘৰ সিঘৰ ফুৰি কবলৈ ধৰিলে যে তেওঁলোকে আই-ভানক কঠোৰ শাস্তি দি চাইবেৰিয়ালৈ পঠিয়াইহে এৰিব। কাজিয়াখন লাহে লাহে বেচি হৈ হে গল। আইভানৰ বুঢ়া বাপেকে বিছনাৰ পৰাই দুয়ো ঘৰৰ মাজত শান্তি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল—কিন্তু তেওঁৰ কথা কোনে শুনে ? বুঢ়াই সিহঁতক কৈছিল—“বাছাহঁত ! এটা সামান্য কথাৰ কাৰণে

* উচ্চাৰণ অনুসাৰে আমি ‘ডাড়ি’ৰ ঠাইত ‘ডাড়ি ব্যৱহাৰ কৰিছোঁ।—সম্পাদক।

তোমালোকে কাজিয়া কৰিছা। ভাবি চোৱা—সামান্য কণী এটাৰ পৰাইহে কাজিয়া হল। লৰা ছোৱালী বোৰেও সেইটো নিব পাৰে। বাৰু সিহঁতেই নিলে, তাৰপৰাই বা কি হ'ল ? ঈশ্বৰেতো আমাক যথেষ্ট দিছে ! ধৰা কাৰৰ মানুহ ঘৰে তোমালোকক বেয়া কথাই কৈছে—শুধৰাই দিয়া—ভাল কথা কেনেকৈ কব লাগে তোমালোকে দেখুৱাই দিয়া। এদিন লাগিল যেতিয়া সদায় এই কাজিয়া লাগিয়েই থাকিব। আমি সকলোৱে পাপী। সোনকালে কথাটো মিট্‌মাট কৰি লোৱা। নহলে মনত খং পুহিলে তোমালোকৰ নিজৰেই অনিষ্ট হব।" কিন্তু বুঢ়াৰ কথা কোনেও নুশুনিলে—বৰং মৰিবৰ সময়ৰ প্ৰলাপ বুলিহে কলে। আইভানে ওচৰ চুবুৰীয়াৰ আগত নিজকে দোষী বুলি সৈ নাকাঢ়িলে : "মই তাৰ ডাৰি উভলা নাই—সি নিজেই উভালিছে। তাৰ লৰাটোৱে মোৰ কামিজটোহে ফালি চিৰাচিৰ কৰিছে। এইয়া চোৱা বুলি কবলৈ ধৰিলে। আইভান আদালতলৈ গ'ল। তুয়োখন আদালতেই বিচাৰ হ'ল। বিচাৰ চলি থকা অৱস্থাতে এদিন গেব্ৰিয়েলৰ গাড়ীৰ ধুৰাৰ খিলিডাল নোহোৱা হ'ল। ঘৰৰ তিৰুতাবোৰে আইভানৰ লৰাটোৱে নিয়া বুলি কলে—"ৰাতি তাক আমাৰ খিড়িকীৰ কাষেদি গাড়ীখনৰ ফালে যোৱা দেখিছিলো"। আৰু কাষৰ মানুহেও ভাটিখানাত সি মাটিৰ মালিকক খিলিডাল দিয়া দেখিছে বুলি কৈছে। এই কথাত আইভানৰ লৰাটোকো আদালতলৈ লৈ গ'ল। ঘৰত কাজিয়া নোহোৱাকৈ এদিনো নোযোৱা হ'ল। ডাঙৰক দেখি লৰা-ছোৱালী বোৰৰ মাজতো হাই-কাজিয়া হবলৈ ধৰিলে। ছোৱালীবোৰে নদীত কাপোৰ ধুবলৈ গৈ কাপোৰ ধোৱাতকৈ সেই অশ্লীল গালি সপনিৰহে চৰ্চ্চা কৰিছিল।

পোনতে তুয়োঘৰে কেৱল গালি-গালাজতেই ব্যস্ত আছিল। কিন্তু লাহে লাহে ইঘৰৰ সিঘৰৰ বস্তু চুৰকৈ বা দেখা দেখকৈ কাঢ়ি আনিবলৈ আৰম্ভ কৰিলে—লৰা-ছোৱালীবোৰেও সেই পথকে ললে। পাচলৈ তাত থকাই টান হৈ পৰিল। আইভান আৰু গেব্ৰিয়েলে গাঁৱৰ পঞ্চায়তৰপৰা আৰম্ভ কৰি প্ৰধান বিচাৰ পতিলৈ য'তে ত'তে ইজনে সিজনক অভিযুক্ত কৰিবলৈ ধৰিলে। লাহে লাহে সকলো বিচাৰকেই বিৰক্ত হৈ পৰিল। কেতিয়াবা বিচাৰত আইভানৰ জৰিমনা হয়, আকৌ কেতিয়াবা গেব্ৰিয়েলেও জৰিমনা ভৰিব লগাত পৰে। কুকুৰবোৰে কামোৰা-কামুৰি কৰি পিচত উগ্ৰমূৰ্ত্তি ধৰি কাজিয়া কৰাৰ দৰে তেওঁলোকেও ইজনে সিজনক ঠেকত পেলাবলৈ যিমানে চেলু বিচাৰিবলৈ ধৰিলে—সিমানে হিংসা আৰু খং বাঢ়ি গ'ল। পিচফালৰপৰা কুকুৰ এটাক কোব এটা মাৰিলে—সি তৎক্ষণাত লগৰ কুকুৰে কামোৰা বুলি দাঁত মুখ বিকটাই ভেউ ভেউকৈ উঠে, খেতিয়ক তুজনৰো সেয়ে হ'ল। আদালতে জেল জৰিমনা কৰিলেও পৰস্পৰে পৰস্পৰক—বেছিকৈ হিংসা কৰিবলৈহে ধৰিলে। সিহঁতে প্ৰত্যেকেই ভাবে "এইবাৰ তোক ভালকৈয়ে এশিকনি দিম।" এনেকৈয়ে ছবছৰ গ'ল। বুঢ়াই মাত্ৰ বিছনাৰ পৰাই বাৰে বাৰে কৈছিল "বোপাহঁত তোমালোকে কি কৰিছা ? প্ৰতিশোধ লোৱাৰ বাট এৰা। হিংসা এৰি নিজৰ কামত মন দিয়া—তেতিয়া হলে তোমালোকৰ মঙ্গল হব। নহলে যিমানেই হিংসা কৰিবা—তাৰ ফল—সিমানেই বেয়া হব।" কিন্তু বুঢ়াৰ কথা—কাৰো মগজুত নোসোমাল।

সপ্তম বছৰত—এখন বিয়া ঘৰত আইভানৰ বোৱাৰীয়েকে গেব্ৰিয়েলক ঘোৰা চুৰি কৰোতে ধৰা

পধা বুলি লাজ দিলে। গেব্রিয়েলে সেই সময়ত মদৰ নিছাত টং হৈ আছিল—আৰু খঙত একো নাইকিয়া হৈ গৰ্ভৱতী তিৰোতা জনীক এনে ভাবে মাৰিলে যে বেচেৰী সাত দিনমান বিছনাতে পৰি আছিল। আইভানে আনন্দিত হৈ তত্তালিকে আদালতত হাকিমৰ ওচৰত গেব্রিয়েলৰ বিৰুদ্ধে অভিযোগ কৰিলে "এইবাৰ তাৰ পোটক তুলিম; তাক জেললৈ বা চাইবেৰিয়ালৈ নপঠাও মানে নেৰো"। কিন্তু আইভানৰ মনৰ কামনা পূৰণ নহল। হাকিম জনে মোকৰ্দ্দমা বাতিল কৰি দিলে। তিৰোতা জনীক পৰীক্ষা কৰি দেখা গল যে তেওঁ বৰ্ত্তমানে উঠি পৰি ফুৰিবও পৰা হৈছে—আৰু আঘাত আদিৰো চিন নাই। আইভানে তেতিয়া প্ৰধান বিচাৰকৰ ওচৰলৈ গল; তেওঁ জিলা আদালতৰ ওপৰত বিচাৰৰ ভাৰ দিলে। আইভানে জিলা আদালতৰ কেৰাণী আৰু উচ্চ পদস্থ কৰ্ম্মচাৰী বোৰক এক কলহ মদ খুৱাই গেব্রিয়েলক বেত্ৰাঘাতৰ দণ্ডেৰে দণ্ডিত কৰালে। কেৰাণীয়ে গেব্রিয়েলক ৰায় শুনালে "আদালতৰ আদেশ—গেব্রিয়েলক আদালতৰ প্ৰাঙ্গনত কুৰি বেত দিব লাগে।" আইভানে ৰায় শুনি আছিল আৰু গেব্রিয়েলে কি কৰে তাকে চাবলৈ ৰৈ আছিল। লাজে অপমানে গেব্রিয়েল শেতা পৰি মুখ ঘূৰাই এটা সৰু ৰাস্তাৰে সোমাই গল। ঘোঁৰাটো চাই অহাৰ ভাও ধৰি আইভান তাৰ পিছে পিছে গ'ল আৰু গেব্রিয়েলে এই দৰে কোৱা শুনিলে "বাৰু বেত খাই মোৰ পিঠি ফাটিব, অলপ যন্ত্ৰণাহে পাম; কিন্তু তাৰো এনে এটি বস্তু পুৰিব—যিটোৱে তাক অধিক যন্ত্ৰণা দিব।" এই কথা শুনিয়েই আইভান আদালতলৈ লৰি আহিল আৰু কবলৈ ধৰিলে "ধৰ্ম্মাবতাৰ, সি মোৰ ঘৰ পুৰিব বুলি ভয় দেখুৱাইছে। শুনক এওঁলোক সাক্ষী আছে।" গেব্রিয়েলক আকৌ মাতি অনা হল আৰু এই কথা তেওঁ কোৱা হয়নেকি সোধাত তেওঁ উত্তৰ দিলে "মই একো কোৱা নাই। আপোনালোকৰ ক্ষমতা আছে মোক বেত দিয়ক। সত্য পথত চলা অপৰাধতে মই এনে কষ্ট ভোগ কৰিব লগীয়া হৈছে– অথচ অইনে যি ইচ্ছা তাকে কৰি গৈছে।" তেওঁ আৰু কিবা ক'ব খুজিছিল—কিন্তু তেওঁৰ ওঠ কপিবলৈ ধৰাত তেওঁ দেৱালৰ ফালে মু কৰিলে। আদালতৰ কৰ্ম্মচাৰী বোৰেও তেওঁৰ চেহেৰা দেখি ভয় খালে আৰু ভাবিলে "হয়তো সি নিজৰ নহলেও কাৰৰ কাৰোবাৰ অনিষ্ট কৰিবই।" তেতিয়া বুঢ়া বিচাৰকে কলে "হেৰা তোমা লোকে ভাবি চিন্তি কথাটো মিটমাট কৰা। বাৰু গেব্রিয়েল, গৰ্ভৱতী তিৰোতা এগৰাকীক মৰাটো তোমাৰ উচিত হৈছেনে? ভাগ্যে জানিবা একো নহল কিন্তু ভাবি চোৱা কি নহব পাৰিলেহেঁতেন। এইটো জানো ভাল কাম হৈছে? তোমাৰ দোষ স্বীকাৰ কৰি তেওঁৰ ওচৰত ক্ষমা খোজা; তেওঁ তোমাক ক্ষমা কৰিব আৰু আমিও দণ্ডাদেশ ওভোতাই দিম।" কেৰাণী জনে শুনি কলে"১১৭ ধাৰা আইন মতে সেইটো নহয়। দুয়ো পক্ষৰ মাজত আপোষ নোহোৱাত আদালতে যি ৰায় দিছে—তাক পালিবই লাগিব।" কিন্তু বিচাৰক জনে কেৰাণীৰ কথালৈ কাণ নিদি কলে "তুমি মনে মনে থাকা। সকলো আইনৰ ওপৰত আইন হৈছে শান্তিপ্ৰিয় ভগবানৰ আদেশ পালন কৰা।" এই বুলি কৈ তেতিয়া দুজনক আকৌ বুজাবলৈ ধৰিলে—কিন্তু তেওঁলোক একোপধ্যে সন্মত নহল।

গেব্ৰিয়েলেও তেওঁৰ কথা উৰাই দি কলে “অহা বছৰ মোৰ আঠৈকুৰি বছৰ বয়স হব; মোৰ লৰাবো বিয়াবাক হৈছে। জীৱনত কেতিয়াও বেত খোৱা নাই। এতিয়া এই বসন্তৰ দাগে খোৱা আইভানে মোক বেত খাব লগীয়া কৰিছে—আৰু মই তেনে স্থলত তাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিম ? নহয়—মই বহুতো সহিছো—এদিন নহয় এদিন সি কথাটো সুৰ্বিবই।” তাৰ মাত কঁপি উঠিল—আৰু একো কব নোৱাৰা হৈ আন ফালে মুখ কৰি বাহিৰ ওলাই গল।

আদালতৰ পৰা গাঁৱলৈ সাত মাইল দূৰ—গতিকে উভতি আহোতে আইভানৰ ৰাতি হল। তেওঁ ঘোঁৰাৰ জিন লেকাম খুলি ঘোঁৰাটো বান্ধি থৈ ঘৰ সোমাল। ঘৰত তেতিয়া কোনো নাছিল—ছোৱালী বোৰে গৰু আনিবলৈ গৈছিল লৰাহঁতো পথাৰৰ পৰা আহি পোৱা নাছিল আইভানে ভিতৰত বহি ভাবিবলৈ ধৰিলে—তেওঁৰ মনত পৰিল দণ্ডাদেশ শুনি লাজ ভয় অপমানত শেতা পৰা গেব্ৰিয়েলৰ দুখ লগা অৱস্থাটো। যিমানেই কথা-বোৰ ভাবিবলৈ ধৰিলে—সিমানেই তেওঁৰ মনটো বেয়া লাগি আহিল। তেওঁ ভাবিবলৈ ধৰিলে—সেই দণ্ডাদেশ যদি তেওঁৰ হলহেঁতেন—? গেব্ৰিয়েলৰ প্ৰতি তেওঁৰ অন্তৰত সহানুভূতি জাগি উঠিল—এনেতে চোকাৰ ওপৰত বুঢ়া পিতাকে কাহি থকা শুনিলে—বুঢ়াই ভৰি দুখন নমাই খাটৰ ওপৰত পোন হৈ বহিছে। এই খিনিয়েই তেওঁৰ কাৰণে যথেষ্ট পৰিশ্ৰম হল—আৰু অলপ সময় কাহি কাহি ডিঙিটো পৰিষ্কাৰ কৰি ললে। ভগা মেজ খনত আউজি সুধিলে “বিচাৰত তাৰ কি কি শাস্তি হল ?” আইভানে উত্তৰ দিলে “কুৰিটা বেত খাব।” বুঢ়াই মুৰ জোকাৰি কলে “কথাটো মুঠেই ভাল নহল তুমি অন্যায় কৰিলা আইভান। তেওঁতকৈ তোমাৰ হে অনিষ্ট হব·বাৰু তাক বেত দিলে তোমাৰ কি লাভ হব ?” “সি ভৱিষ্যতে আৰু এনে নকৰে—“সি কি নকৰিব ? তোমাতকৈ সি বাৰু কি বেছি বেয়া কাম কৰিছে ?” আইভানে কলে “সি আমাৰ কি কৰিছে ভাবি চাওকচোন। মোৰ ঘৈণী কোনোমতে হে বাচিল আৰু সি এতিয়া আমাৰ ঘৰত জুই লগাব বুলি ভয়ো দেখুৱাইছে; সেই বাবে মই তাক ধন্যবাদ দিম নেকি ?” দীঘল হুমুনিয়াহ এটি পেলাই বুঢ়াই কলে “আইভান, আজি কেই বছৰ মই এই চোকাৰ ওপৰত পৰি আছো আৰু তুমি পৃথিৱীৰ ইফালে সিফালে ঘূৰি ভাবিছা—তুমিহে সকলো দেখা আৰু মই একোকে দেখা নাই। বাচা, তুমি একো দেখা নাই কাৰণ হিংসাই তোমাক অন্ধ কৰি ৰাখিছে। আনৰ দোষ তুমি দেখা কিন্তু নিজৰ বোৰ হলে নেদেখা। “তেওঁ অন্যায় কৰিছে’—ইয়াৰ মানে কি ? যদি তেওঁ অকলে বেয়া কাম কৰিলেহেঁতেন তেনেহলে দেখোন কাজিয়াৰ কথাই নুঠে ? এজন মানুহে জানো কাজিয়া কৰে ? কাজিয়া লাগে দুজন মানুহৰ ভিতৰত। আনৰ দোষ তুমি দেখা কিন্তু নিজৰ দোষ তুমি তো দেখা নাই। সি বাৰু বেয়াই হল—তুমি যদি ভাল হলাহেঁতেন তেনেহলেতো কাজিয়া নহয়।·····বাৰু কোনে তাৰ ভাড়ি উভালিছিল ? কোনে তাৰ খেৰৰ পুঞ্জিটো নষ্ট কৰিছিল ? কোনে তাক আদালতলৈ নিছিল ? অথচ তুমিয়েই তাক বেয়া বুলি—অসৎ বুলি কৈছা ? তুমি নিজেই অসৎ ভাবে জীৱন

যাপন কৰিছা আৰু সেয়েই সকলো অনিষ্টৰ মূল। বাচা, এই ভাবে আমি জীৱন কটোৱা নাছিলো আৰু তোমাকো এই শিক্ষা দিয়া নাছিলো। মই আৰু তাৰ বুঢ়া পিতাকে কেনেকৈ দিন কটাওঁ জানা? ঠিক যিদৰে ওচৰ-চুবুৰীয়া থকা উচিত—সেই দৰেই আমি দিন নিয়াইছিলোঁ: কোনোবা দিনা সিহঁতৰ ময়দা নোহোৱা হলে তিৰোতা এজনী আহি কয় 'খুড়া আমাক অলপ ময়দা লাগিছিল'—মই তেতিয়াই কৈছিলোঁ 'বাচা যি লাগে লৈ যা'--ঘোৰা বোৰ চাৰিবলৈ নিবলৈ মানুহ নাথাকিলে মই তোমাক কৈছিলো -'আইভান সিহঁতৰ ঘোৰা কেইটাও চাবি।' মোৰ কিবা অভাৱ হলেও সিহঁতৰ ঘৰলৈ গৈ খুড়াৰ আগত কৈছিলোঁ 'মোক অমুক বিধ বস্তু লাগে'—আৰু তেওঁলৈ থোৱা' বুলি কৈছিল। কি সুখতেই যে আমাৰ দিনবোৰ নগৈছিল—আৰু এতিয়া ·· সিদিনা থন সৈন্যটোৱে মোৰ আগত প্লেভনাৰ যুদ্ধৰ যি বোৰ ভয় লগা কথা কৈছিল—তোমালোকে তাতকৈও বেচি মৰা মৰি কৰিছা—এয়েই জানো জীৱন? হায়ঁ। কি ভীষণ পাপ কৰিছা! তুমি জনা বুজা মানুহ—তাতেই ঘৰখনৰ মূৰা—গতিকে তুমিয়েই ইয়াৰ জবাব দিব লাগিব। লৰা ছোৱালী আৰু তিৰোতা বোৰক কি শিক্ষা দিছা? ডাঙৰক দাঁত দেখুৱাই মুখ ভেঙুচিয়াবলৈ? তোমাৰ সন্তান তাৰস্কা-কালিৰ লৰা অথচ সি সিদিনা সিহঁতৰ আইৰিনাক গালি পাৰিছিল—আৰু তাৰ মাকে থিয় হৈ শুনি হাঁহি আমোদ কৰিছিল। এইবোৰ উচিত হৈছেনে? তুমিয়েই তাৰ বাবে দায়ী হব লাগিব। এবাৰ তোমাৰ আত্মাৰ কথা ভাবা—এইবোৰ জানো উচিত? তুমি মোক এবাৰ গালি পাৰিলে মই দহ আৰাৰ শুনাও—দুটা চৰ মাৰিলে তোমাৰ দুয়োখন গাল ফালি পেলাও নহয় বাচা ভগৱান যীশুৱে আমাৰ দৰে মূৰ্খ বোৰক বেলেগ শিক্ষা দিছিল—যদি কোনোবাই তোমাক টান কথা কয়—মনে মনে থাকিবা, তাৰ নিজৰ বিবেকে তাক শাস্তি দিব।' এই শিক্ষাই আছিল ভগৱান যীশুৰ। 'এখনত এটা চৰ মাৰিলে আন খন গালোঁ পাতি দি কবা "আৰু এটা মাৰা।"- তেতিয়া তাৰ বিবেকে তাক দংশন কৰিব। সি তেতিয়া শান্ত হৈ তোমাৰ কথা শুনিব; এইবোৰ প্ৰভুৰ শিক্ষা: গৰ্ব্বিত নহবা। নামাতা কিয়?" আইভানে নীৰবে সকলো শুনি আছিল।

বুঢ়াই আকৌ কাহি কাহি গলটো অতি কষ্টেৰে পৰিস্কাৰ কৰি কবলৈ ধৰিলে "যীশুৱে জানো আমাক বেয়া কথা শিকাইছিল? কিন্তু এইবোৰ তোমাৰ নিজৰ ভালৰ বাবেই। এবাৰ তোমাৰ পাৰ্থিব জীৱনৰ কথা ভাবি চোৱা, তোমালোকৰ মাজত এই খৰিয়াল লাগিবৰে পৰা তোমাৰ অৱস্থা ভাল হৈছে নে বেয়া হৈছে? এই মোকৰ্দ্দমা বোৰত আৰু অহা যোৱা কৰোতে তোমাৰ কিমান টকা পইচা খৰছ হল হিচাব কৰি চোৱাছোন! তোমাৰ লৰা ছোৱালী কেইটি কি সুন্দৰ আছিল। তুমিতো সুখতেই দিন নিয়াব পাৰিলাহেঁতেন কিন্তু আজি তোমাৰ আয় কমি গৈছে। কিয়? তোমাৰ মূৰ্খামি আৰু তোমাৰ অহঙ্কাৰৰ বাবে নহয়নে? লৰাবোৰৰ মতে তুমি পথাৰত কামকৰি নিজহাতে শস্য সিচিব লাগে—কিন্তু শনিয়ে তোমাক আদালতলৈ নিলে—উকিলৰ পিছে পিছে ঘূৰি ফুৰিলা। ভৰ খেতিৰ সময়ত তুমি মাটিও নচহালা আৰু গুটিও নিসিচিলা—গতিকে ভাল শস্যও

নহল । এইবাৰ যব ধান নহল কিয় ? ধান কেতিয়া সিচিছিলা ? জিলাৰ পৰা উভতি আহি ? ফল্ত কি পালা ? মাথোন শুদা খেৰৰ বোজাহে কঢ়িয়ালা । বাচা নিজৰ কামত মন পুতি লাগা। লৰাইতৰ লগত ঘৰে পথাৰে কাম কৰা । কোনোবাই তোমাক যদি অপমান কৰে তুমি তাক ক্ষমা কৰা । এয়ে ভগৱানৰ ইচ্ছা । তেতিয়া তোমাৰ দিন ভাল হৈ আহিব তোমাৰ অন্তৰো পাতল হব ।" আইভানে শুনিয়েই আছিল । "আইভান' বাচা. বুঢ়া বাপেৰৰ কথা শুনা, যোৱা ঘোৰাত উঠি কাছাৰীলৈ যোৱা আৰু সকলো নিস্পত্তি কৰি পেলোৱা । ঈশ্বৰ নামত শপত খাই কাইলৈ ৰাতি গেব্রিয়েলৰ সৈতে মিটমাট কৰা আৰু পৰবত খাবলৈ আমাৰ ঘৰলৈ তাক নিমন্ত্রণ কৰি আহা । চাহপানীৰ যোগাৰ কৰা । এবটল মান মদো আনি থোৱা । বাচা এই কুৎসিৎ ঘটনা আৰু যাতে নঘটে তাৰ কাৰণে ঘৰৰ লৰা তিৰোতাক সাৱধান কৰি দিয়া ।'

(অহা সংখ্যাত শেষ ।)

পচতীয়া

(অল ইণ্ডিয়া ৰেডিয়ৰ সৌজন্যত)   বৈকুণ্ঠ বেজবৰুৱা

ৰাইজসকল ! আজি আপোনাসকলৰ আগত আমাৰ সকলোৰে পৰিচিত এই পচতীয়া গছ জুপিৰ বিষয়ে দুআষাৰমান কওঁ বুলি মন মেলিলোঁ । আমাৰ বাৰীৰ চুকে কোণে আৰু ইয়াৰ আশে পাশে এনে বহুতো গছ লতা জন্মে । দেখা দেখিকৈয়ে হওক বা নেদেখাকৈয়ে হওক আমি প্রয়োজনীয় যি কোনো ক্ষেত্ৰতেই সেই বিলাকৰ পৰা সদায় উপকাৰ পাই আহিছোঁহক। আমাৰ বিনা যত্নতে জন্ম হোৱা বহুতো গছ লতাৰ আৱশ্যকতাৰ বিষয়ে ভু-নোপোৱা বা সেই বিলাকৰ গুণা গুণ নজনাৰ ফলত অনেক সময়ত হাবাথুৰি খাব লগা হয় । ৰাইজে এই-বোৰৰ প্রয়োজনীয়তাৰ উমান পালে সময়ত সেই বোৰ ব্যৱহাৰ কৰি নিজেও উপকাৰ পাব আৰু দহৰো হিত সাধন কৰিব পাৰিব ।

আমাৰ ৰাইজে পচতীয়াৰ আৱশ্যকতা সম্বন্ধে নিচেই নজনা নহয় । সকলোৱে গছ জুপি চিনিও পায় । আমাৰ দেশৰ সকলো ঠাইতে এই গছ জুপি হয় । ইয়াক কৰৰ নিমিত্তে একো যত্ন বা কষ্ট কৰিব নালাগে । কৰবাত ডাল বা ঠাৰি পৰি ই এনেয়ে হয় । পচতীয়া গছ জুপি প্রায় ১০।১২ হাতলৈকে ওখ হোৱা দেখা যায় । গাটোও সেই অনুপাতে ভাল তামোলৰ গুৰিটোৰ সমান শকত হয়গৈ । পাতটি এবাৰ চিনি থলেই সাউৎকৰে উলিয়াব পাৰি । একেটা ঠাৰিতে পাঁচোটিকৈ পাত থাকে । কোনো কোনো ঠাইত ৩ বা ৪ টাহে পাত হোৱা দেখা যায় । পাতটোৰ আৰু এটা বিশেষত্ব হ'ল যে ইয়াৰ পিঠি ফালটোৰ বৰণ বগা আৰু সম্মুখৰ ফালটোৰ বৰণ সেউজীয়া হয়। আকৃতিত

পাতটো সাতলাখ বছৰ মাহঁৰ পাতৰ দৰেই। পচতীয়াৰ সৰু সৰু ফুল আৰু গুটিও হয়। ফুলৰ বগা আৰু নীলা বৰণভেদে পচতীয়া দুই প্ৰকাৰৰ বুলি কোৱা হৈছে; পিচে বগা বিধ সততকাই পোৱা টান। নীলা ফুল হোৱা বিধ পচতীয়াহে য'তে ত'তে পোৱা যায়। অ, পচতীয়াৰ পাতটো ছিঙি জিভাত দি চাকি চালে অলপ তিতা আস্বাদ পোৱা যায়।

দেশ আৰু ভাষা ভেদে পচতীয়াৰ বহুতো নাম আছে; বঙালী ভাষাত নিষিন্দা, হিন্দুস্থানীত নিগুৰ্ন্দী আৰু ইংৰাজী ভাষাত Five leaved Chaste tree বোলে। ডাক্তৰী মতে আকৌ Vitex negundo বুলি কয়।

পচতীয়া ঔষধ ৰূপে আৰু ঔষধৰ অনুপান হিচাবে ব্যৱহাৰ কৰিব পাৰি। আমাৰ সৰু সুৱা নানাৰকমৰ ৰোগ ব্যাধিত পচতীয়া ব্যৱহাৰ কৰি আশাতীত ফল পাব পাৰো। আয়ুৰ্ব্বেদীয় চিকিৎসা বিজ্ঞান মতে পচতীয়াৰ গুণ ৰুক্ষতা কাৰক, উষ্ণবীৰ্য্য। স্বাদত কেহা তিতা আৰু জলা এই তিনিও ৰসবে অলপ অচৰপ জ্ঞান জন্মে। স্মৃতি শক্তি বৰ্দ্ধক আৰু চকুৰ হিতকাৰক বুলিও শাস্ত্ৰত উল্লেখ কৰিছে। ইয়াৰ উপৰিও আয়ুৰ্ব্বেদীয় চিকিৎসা মতে পিত্ত-দোষ বাত, সন্ধিবাত (গাঠিত হোৱা বিষ) শোথ অৰ্থাৎ উখহা, আমদোষ বা বদ হজমৰ বাবে হোৱা দোষত ক্ৰিমি দোষ, ব্ৰণ ঘা ফোহোঁৰা আদিত পচতীয়া বৰ উপযোগী। বাইজে নিৰ্ভয়ে প্লীহাবৃদ্ধি মানে খাপৰি বঢ়াত গুল্ম, শূল, অৰুচি জ্বৰ, সদায় পানীলগা হৈ থকা, কাহ শ্বাস' আদি ৰোগত পচতীয়া ব্যৱহাৰ কৰি আশানুৰূপ ফল পাব পাৰে। এনেয়েও সুস্থ অৱস্থাতো যদি মাজে সময়ে পচতীয়াৰ পাত ক্বাথ কৰি বা পাচলি হিচাবে খায় তেন্তে শৰীৰৰ বল শক্তি কান্তি বৃদ্ধি হয়। জীৱাণু বা কীট নাশ কৰাতো পচতীয়াৰ ক্ষমতা আছে।

চিকিৎসা কাৰ্য্যত পচতীয়াৰ পাতহে ব্যৱহাৰ কৰা হয়। পাত জুইত সেকি বা গৰম কৰি গাত সেক দিয়া, ক্বাথ কৰি বা পাতৰ ৰস উলিয়াই খুৱা-য়েই বা ঔষধৰ লগত অনুপান হিচাবে খুউৱা হয়।

কোনোলোকৰ উখহা অৱস্থাত বা বাত বিষৰ ৰোগত এই পচতীয়াৰ কেচা পাত আনি এটা মাটিৰ পাত্ৰত পানী দি সিজাই সিজাই যেতিয়া উতলি ভাপ উঠিবৰ হব তেতিয়া এটা কলপাতৰ টোপোলা কৰি সেই ভাপৰ সেক দিলে পৰম উপকাৰ পোৱা হয়।

আমাৰ গাৱঁৰ বিষ কোপ জবাফুকা কৰা বৈদ্য সকলে এই পচতীয়াৰ পাত ব্যৱহাৰ কৰে। জাবোতে এই পাত ব্যৱহাৰ কৰাৰ কাৰণ হল যে ইয়াত বিষ বেদনা প্ৰশমন কৰাৰ গুণ আছে।

আপুনি যদি শৰীৰৰ কোনো ঠাইত ঘা কোহাঁ হৈ বহুদিন কষ্ট পায় তেন্তে পচতীয়াৰ ক্বাথেৰে কেইদিন মান ধুই দিলে উপকাৰ পাব। গেলি পচি যোৱা এনে ঘা ফোহাঁতো এনে উপায়েৰে পচতীয়া প্ৰয়োগ কৰিলে বিষ কোপো গুচিব আৰু ঘাও শুকাই আহিব। কোনো লোকৰ এনে পুৰণা ঘা থাকিলে পচতীয়াৰ কেচা পাত আনি সিজাব, আৰু সেই সিজোৱা পানীৰে ঘা টুকুৰা ধুই পচতীয়াৰ পাত বাটি অলপ ধুনাৰ গুৰি আৰু মাখন মিহলাই সেই ঘাৰ ওপৰত প্ৰলেপ দি একেৰাহে কেইদিনমান থলে বৰ উপকাৰ পাব। আপোনাসকলৰ পুৰণা কিতাপত বা কাপোৰত পচতীয়া সিজোৱা পানী ছটিয়াই থবচোন—পোকো মৰিব আৰু ভৱিষ্যতলৈও নিৰাপদ হব। কেচা পাত বাটি প্ৰলেপ হিচাবে

মূৰৰ বিষ, শৰীৰৰ কোনো আঘাত লগা ঠাই, থেতেলা 'বা মোচোকা খোৱা, বাতবিষ আদিত ব্যৱহাৰ কৰিলে উত্তম ফল পাব।

শৰীৰৰ ভিতৰৰ ৰোগ ব্যাধিৰ কাৰণেও পচতীয়া উপযোগী ঔষধ। সদায় আভোক লাগি থাকিলে, পেটৰ বিষ, দুৰ্গন্ধ বাষ্প বাহিৰ হলে পচতীয়াৰ ৰস বা কাথ ব্যৱহাৰ কৰি নিশ্চিন্ত হব পাৰিব। বাইজ-সকলৰ কোনোৰ মাজে সময়ে পানীলগা আৰু মূৰৰ বিষ হৈ থাকিলে এই পচতীয়াৰ শুকান পাতৰ ধোৱা ললে ভাল পাব।

আমি আগত কৈ অহা ব্যাধি সমূহত যদি পচতীয়া ব্যৱহাৰ কৰোঁ তেন্তে কম আয়াসতে বেমাৰ ভাল হ'ব আৰু আমি আমাৰ কেউফালৰ ক্ষতিৰ পৰা হাত সাৰিব পাৰোঁ।

চকুৰ আগতে থকা আৰু হাত মেলিলেই পোৱা এনেবোৰ বনৌষধিৰ পৰা আমি কেতিয়াবা দেহটোকো মৃত্যুৰ গৰাহৰপৰা ওলোটাই আনিব পাৰো। ঔষধৰ কাৰণে সকলো সময়তে লাগি থকা এনেবোৰ গছ লতাৰ ব্যৱসায় কৰিও আৰ্থিক উন্নতি সাধিব পাৰোহঁক। ৰাইজে আমাৰ কথাবোৰ গমি চাই পচতীয়াক আদৰ কৰিব বুলিয়েই বিশ্বাস। *

* শিলং গুৱাহাটী অনাতাৰ কেন্দ্ৰৰপৰা ২০।২।৫২ তাৰিখে আবেলি ৫-৩০ বজাত 'গাঁৱলীয়া ৰাইজ'লৈ অনুষ্ঠানৰ পৰা প্ৰচাৰিত।

কেন্দ্ৰীয় চৰকাৰৰ সংবাদ আৰু প্ৰসাৰণ বিভাগৰ মন্ত্ৰী ডাঃ বি. ভি. কেশকাৰে অলপতে লোকসভাত কৈছে যে বুনিয়াদী আৰু সামাজিক শিক্ষা বিভাগৰ কাৰণে এবছৰৰ ভিতৰত ১৮ খন হিন্দী বোলছবি তৈয়াৰ কৰা হ'ব। আন আন প্ৰাদেশিক ভাষাতো বোলছবি তৈয়াৰ কৰাৰ কথা বৰ্তমান বিবেচনাধীন হৈ আছে।

কম খৰচতে ঘৰুৱা ৰুচিকৰ আঞ্জা

চন্দ্ৰ প্ৰভা দাস আৰু পুণ্যস্মৃতি দাস

আমাৰ ঘৰত কিছুমান এনেকুৱা বস্তু আছে যাক আমি বস্তু বুলি গণ্যই নকৰো। কিন্তু খাব জানিলে সেইবোৰেই সুৰুচিকৰ ব্যঞ্জন হৈ পৰে। অথচ খৰচো বহুত কম পৰে। আজিকালি বহুতুৱা আঞ্জা খাই খাই এইবিলাক খে'ৱাত বহুতৰে মুখত ৰুচি নাপায় আৰু বহুতে এনে ধৰণৰ আঞ্জা খোৱা কথা কবলৈ লাজো পায়। এইটো একো লাজৰ কথা নহয় বৰং আমাৰ গাওঁৰ আৰু মধ্যবিত্ত মানুহৰ কাৰণে এই ব্যঞ্জনবোৰ বহুতো আয়ৰ কাৰণ হয়, খাবলৈও বেয়া নহয়। মাজে মাজে এই আঞ্জা খাই আমি বেলেগ বেলেগ সোৱাদো লব পাৰে। যেনে—ৰঙালাউ ফুলৰ বৰ, কঠালৰ বৰ, শেৱালি ফুলৰ ভজা আৰু শেৱালি পাতৰ বৰ, কলৰ পচলা, কোমোৰা আৰু মূলাৰ গুঠিৰ আঞ্জা, কবিৰ পাতৰ গুৰা, তিতাৰ গুৰা, মেঘদৰ কচু পাতত দিয়া, দুধ কচুৰ জলা, পানী লাউৰ বৰ আৰু পচা কোমোৰাৰ বৰ।

(১) ৰঙা লাউৰ ফুলৰ বৰ—ৰঙা লাউৰ ফুলবিলাক প্ৰথমে ভালকৈ ধুব লাগে। পাচত তাৰ জোঙা পাহিবিলাক মোটোকাই ভিতৰ পিনে সুমুৱাই দিব লাগে। অলপ ময়দা বা পিঠাগুৰি বাটিত গুলি লব লাগে। খুব পনীয়াকৈ নহয়, থপ থপীয়াকৈ লব লাগে, তাৰ লগত হালধি মচলা আৰু নিমখো জোখকৈ সানিব পৰা যায়। খুব মিহিকৈ পিয়াজ কাটি দিবও পৰা যায়। কেৰাহীত তেল তপত কৰি লৈ ফুলবিলাক এটা এটাকৈ সেই পিঠাগুৰিত সানি অলপ বেচি সময় ভাজিব লাগে। খাবলৈ সোৱাদ হয়।

(২) কঠালৰ বৰ—আমাৰ গাৱলীয়া ভাই সকলোৰে ঘৰে ঘৰে কঠালৰ গছ আছে। কুমলীয়া অৱস্থাত আমি ইয়াৰ আঞ্জা তৈয়াৰ কৰিব পাৰো। কোমল কঠাল এটি কাটি তাৰ কোহবোৰৰ গুটি একৰাই আৰু তাৰ জাবৰবোৰ অৰ্থাৎ যাক আমি বাদু বোলো সেইবোৰ এটা কেৰাহীত বা অইন পাত্ৰত খুব ভালকৈ সিজাব লাগে। যেতিয়া ভালকৈ সিজিব তেতিয়া নমাই ঠাণ্ডা কৰি কাঠী এখন লৈ অলপ পিঠাগুৰি বা ময়দাৰ লগত সানিব লাগে। লগত মচলা, হালধি, নিমখ আৰু পিয়াজ কাটি মিহিকৈ দিব লাগে, অলপ জলাও দিব পৰা যায়। তাৰ পাচত কেৰাহীত তেল তপত কৰি সৰু সৰুকৈ ভাজিব লাগে। খাবলৈ ভাল লাগে।

(৩) শেৱালি ফুলৰ ভজা আৰু পাতৰ বৰ—শেৱালি ফুলবোৰ ধুই ডালত ভালকৈ শুকাব লাগে। যেতিয়া খুব ভালকৈ শুকাব তাৰে আঞ্জা খাব পাৰি। মাছৰ লগতহে ইয়াক খাবলৈ ভাল। মাছখিনি অলপ ভজা হলে ফুলবিলাক পেলাই দিব লাগে। আৰু অলপ সময় ভাজি সামান্য পানী দিব লাগে। পানী খিনি একেবাৰে শোহাই পেলাব লাগে, খাবলৈ হলে তিতা লাগে, তিতা হলেও ই অপকাৰী নহয়। এদিনীয়াকৈ খাবলৈও

ভাল । ইয়াৰ পাতবো বৰ খাব পাৰি। কুমলীয়া পাত আনি ময়দা বা পিঠাগুড়িৰ লগত সানি তেলত ভাজিব লাগে। ইয়াকো খাবলৈ অলপ তিতা লাগে।

(৪) কলৰ পচলা—গুটি নথকা কল বা আঠীয়া কলৰ গা গছডাল অলপ সকতে কাটি আনি একেবাৰে একেবাৰে ভিতৰৰ কোমল ঠাৰি-ডাল খুব মিহিকৈ কাটিব লাগে। মাছৰ লগত ইয়াক ৰান্ধিব লাগে। তাৰ পাচত তাত হালধি মছলা, নিমখ, জলকীয়া আৰু সৰিয়হ পটাত বটি দিব লাগে, খাবলৈ খুব সোৱাদ হয়। মাছ নোহোৱাকৈও এনেয়ে খাব পাৰি। অলপ খৰছতে এইখন সুন্দৰ আঞ্জা হয়।

(৫) কোমোৰা আৰু মূলাৰ শুঁঠিৰ আঞ্জা—বতৰৰ সময়ত কোমোৰা আৰু মূলা কলে আমাৰ উভৈনদী হয়। তেতিয়া ইয়াক খাবলৈ বিৰক্তি লগা হয়। কিন্তু আমি ইয়াক এক উপায়েৰে অবতৰতো খাবলৈ থব পাৰো। কোমোৰা আৰু মূলাবিলাক চকলা চকলকৈ কাটি ডলা বা চাল-নীত পাতলকৈ মেলি শুকাবলৈ দিব লাগে। কেবাদিনো ৰদত দিব লাগে। যেতিয়া ভালকৈ শুকাব তেতিয়া এটা পাত্ৰত ভালকৈ বন্ধ কৰি ভৰাই থব লাগে। দুয়োবিধ বস্তু বেলেগে থব লাগে। মূলা নোহোৱা বতৰত বা কোমোৰা নোহোৱা বতৰত ইয়াক মাছেৰে সৈতে ৰান্ধি খাবলৈ খুব ভাল হয়। আঞ্জাখনৰ ৰঙো দেখিবলৈ বৰ ধুনীয়া হয়। ভাজিও খাব পাৰি।

(৬) কৰিৰ পাতৰ গুৰা—জাৰকালি কৰি মূলা ইত্যাদি বস্তু ওলায়। তেতিয়া আমি তাৰ বুঢ়া পাতবিলাক পেলাই দিওঁ। কিন্তু ইয়ো আমাৰ ভাল অসমীয়া আঞ্জা হয়। ৰঙা কবি, ফুল কবি, ওল কবি, মূলাৰ পাত আৰু নৰসিংহৰ পাত ৰদত শুকুৱাব লাগে, যেতিয়া খুব শুকাব তাক ঢেকীত খুন্দিব লাগে। গুৰা হলে গুৰা চালনীৰে চালি এটা টেমাত বন্ধ কৰি থব লাগে। মাজে সময়ে মাছৰ লগত থপ-থপীয়াকৈ ইয়াৰ গুৰাৰে আঞ্জা খাব পাৰি।

(৭) তিতাৰ গুৰা—নৰসিংহৰ পাত, দুকম ফুলৰ পাত, কছাৰী মছলা, পচতীয়াৰ পাত, সৰে তিতাৰ পাত আৰু নগৰা তিতাৰ পাত ধুই মেলি শুকাই কৰিৰ পাতৰ গুৰাৰ দৰে ঢেকীত খুন্দি গুৰাবোৰ চালি টেমাত ভৰাই থৈ দিব লাগে। ইয়াক এনেই খাব নোৱাৰি। মাছৰ লগতহে খাব পাৰি। মাছ অলপ ঢিলা হলে ইয়াৰ লগত ৰান্ধি খালে দোষমুক্ত হয়। খাবলৈ হলে সামান্য তিতা লাগে।

(৮) মেঘদৰ কচু পাতত দিয়া—ক'লা কচু দুবিধ। এবিধক মেঘদৰ বোলে এবিধক ক'লা কচু বোলে। ক'লা কচু ডিঙিত খজুৱায়। কিন্তু মেঘদৰ কচু খাবলৈ ভাল। ইয়াৰ গাৰ পৰা যি ডাল কোমল ঠুৰি ওলায় সেইবোৰ পাতত দি খাবলৈ খুব তৃপ্তিকৰ। পোনতে সেই ঠুৰি অলপ বেচিকৈ আনিব লাগে। তাৰ পিচত মিহিকৈ কুটিব লাগে। লগতে দুটামান জলকীয়া, দুটা-মান পিয়াজ, সৰিয়হ বটা, নিমখ, আৰু সৰু মাছ দিব লাগে। এখন কলপাত আনি ধুই তাত আটাইবোৰ বস্তু একেলগে ৰান্ধিব লাগে। তাৰ পাচত জুইত দিব লাগে। যেতিয়া কলপাতখন দেই যায় তেতিয়া মোচাটো আনিব লাগে। তাৰ পাচত কলপাতখন গুচাই ভিতৰত সিদ্ধ

হোৱা বস্তুখিনি তেল নিমখৰে সানিব লাগে। এনেকৈ খাবলৈ খুব সোৱাদ হয়। দুধ কচুৰ ঠুৰিও পাতত দি খাব পাৰি।

(৯) **দুধ কচুৰ জ্বাল**—বহাগ বিহুৰ সাত দিনৰ দিনা কামৰূপৰ তিৰোতাবিলাকে পথাৰত সাতশাক তোলে। সেইদিনা ৰাতি এই জিলাৰ গাঁৱলীয়া অঞ্চলত প্ৰতিঘৰতে দুধকচুৰ জ্বাল খায়। সেইদিনাই নহয় সময়ে সময়ে ইয়াক খাবলৈ ভাল। পোনতে দুধ কচুৰ ঠাৰি কিছুমান আনি তাৰ বাকলি বোৰ গুচাব লাগে। তাৰ পাচত পটাত সেইবোৰ বটিব লাগে খুব মিহিকৈ। নহলে চাউল চলা চালনীৰে তাক চেকিবও পাৰি। চেকিলে বেচি ভাল. তাৰ লগত গনচনাৰ ঠাৰিৰ ৰস; অমিতাৰ শিপাৰ ৰস, ভেদাইলতাৰ ৰস আৰু নৰসিংহৰ পাতৰ ৰসো মিহলাব লাগে। তাৰ পাচত জলকীয়া আৰু পিয়াজ কিছুমান পতাত বটি কচুৰ লগত মিহলাব লাগে। খাচিয়া আলু ডাঙৰকৈ কাটি আগতে ভাজিব লাগে বেচি তেলত। আধাভজা হলে এই বস্তুখিনি কেৰাহীত আলুৰ লগত মিহলাই দিব লাগে। তাৰ পাচত তাত মছলা, হালধি নিমখ জোখাকৈ দিব লাগে। পানী অলপ দিব লাগে। যেতিয়া আলু সিজিব তেতিয়া নমাব লাগে। জলকীয়া বেচি দিলে খাবলৈ ভাল হয়। সেই কাৰণে ইয়াক জাল বোলে। কণী বা মাংস হলে বেছি ভাল।

(১০) **পানী লাউৰ বৰ**— পানী লাউ খুব মিহিকৈ কাটি সিজাব লাগে। সিজিলে নমাই ঠাণ্ডা কৰি, পিঠাগুৰি বা ময়দাৰ লগত সানিব লাগে। লগত পিয়াজ মছলা, হালধি, নিমখ দিব লাগে। তাৰ পাচত ভালকৈ সানি তেলত সৰু সৰুকৈ ভাজিব লাগে। কমখৰচতে ই তৃপ্তিকৰ আঞ্জা হৈ পৰে।

(১১) **পচা কোমোৰাৰ বৰ বা ভজা**— আমাৰ কামৰূপৰ গাওঁ অঞ্চলত পচা কোমোৰা আগৰ তৰপৰ মানুহৰ বৰ তৃপ্তিকৰ আঞ্জা আছিল। আজি কালিও গাওঁ অঞ্চলত ইয়াৰ আঞ্জা খাই মানুহে সোৱাদ লাভ কৰে। প্ৰথমতে পুৰঠ কোমোৰা এটা কাটি পচিবলৈ দিব লাগে। যেতিয়া ভালকৈ পচে তেতিয়া খৰাহি বা চালনীৰে কাহী বা চৰিয়াত চেকিব লাগে। ভালকৈ যাতে গুটি নাথাকে। তাৰ পাচত তাৰ লগত অলপ পিঠাগুৰী মিহলাই তেলত ভাজিব লাগে। লগত পিয়াজ, জলকীয়া, মছলা, হালধি, আদা সৰুকৈ কাটি দিব লাগে। নিমখ জোখকৈ দিব লাগে। সৰিয়হ পটাত বটি দিলেও খাবলৈ ভাল হয়। এই দৰে আমাৰ ঘৰত হোৱা বস্তুৰে অলপ কম খৰচতে নানা ৰকমৰ খাদ্য তৈয়াৰ কৰি খাব পাৰো।

ফকৰা-যোজনা।

শ্ৰীবৰম চন্দ্ৰ মেধি

অসমীয়া ভাষাত অনেক ফকৰা আছে। এই ফকৰাবোৰৰ কিছুমান ধৰ্ম্মমূলক আৰু কিছুমান নীতিমূলক। কিছুমান ফকৰা শুনাত যদিও আপচু যেন লাগে তথাপি তাৰ প্ৰকৃত অৰ্থ আৰু ভাৱবোৰ যে বৰ গধুৰ তাক সকলোৱে স্বীকাৰ কৰিব লাগিব। মুঠতে কবলৈ গলে ফকৰা-যোজনাক জাতীয় সাহিত্যৰ একোটা "উহ" বুলিব পাৰি।

১। তিৰীৰ সৰুমুৰা
ঘুমটিৰ ৰাতিপুৱা,
নাৱৰ বাৰ ফটা
পুৰুষৰ কাণ কটা।

২। বৰ বোক আশা কৰোতে
বৰলাৰ এতিয়া ছমাহ যায়।

৩। কাৰনো ধৰিম আল,
সবাৰো ওফোন্দা গাল।

৪। বেলেগে খাই হয় লগ;
সি খায় ব্ৰহ্ম ঠগ।

৫। বাজী তিৰুতাই—
প্ৰসৱৰ দুখ কি বুজে!

৬। মাঘ গৈ পৰিল ফাগুন।
কি কৰিবি বুঢ়া শগুন॥

৭। জনাৰ ভাত মাছ
নজনাৰ গলগ্ৰহ।

৮। তিৰীয়ে গিৰা
তিৰী নহলে
যায় হতচিৰি।

৯। বুঢ়ীৰ বল নাই—
শাকত চুলি পেলাই বাচে।

পাচগাঁৱৰ জনহিতকৰ কাম

সংবাদ দাতা—শ্ৰীটিকেন্দ্ৰ গোস্বামী

১৯৪২ চনৰ স্বাধীনতা আন্দোলনৰ ফলত যেতিয়া গাঁৱে গাঁৱে পঞ্চায়ত কমিটী গঠন হ'ল। তেতিয়াই আমাৰ পাঁচগাওঁ পঞ্চায়তৰ জন্ম। এই পঞ্চায়তৰ জৰীয়তে গাঁৱৰ সকলো মেল-মোকৰ্দ্দমাৰ মীমাংসা কৰা হয়। গাঁৱৰ উন্নতি মূলক সকলো ধৰণৰ কাম যেনে—আলি পদূলি মেৰামত কৰা, মথাউৰি বান্ধি পথাৰলৈ পানী তোলা আদি কাম কৰা হয়। পঞ্চায়তৰ জন্মৰ আগতে এই ঠাইৰ বহুতো ছোৱালী ওচৰত বালিকা প্ৰাইমাৰী স্কুল নথকাৰ কাৰণে নিৰক্ষৰ হৈ থাকিব লগাত পৰিছিল। গতিকে এই অসুবিধা দূৰ কৰিবৰ কাৰণে পঞ্চায়তৰ যত্নত স্থাপন কৰা হয় "পাচগাওঁ বালিকা স্কুল।" নিৰক্ষৰসকলক সাক্ষৰ কৰিবৰ কাৰণে স্থাপন কৰা হয় "পাচগাওঁ নৈশ বিদ্যালয়" আৰু লগে লগে টনকিয়াল কৰি গঢ়ি তোলা হয় "শ্ৰীশ্ৰীশঙ্কৰদেৱ পুথিভঁড়াল।" দুখীয়া ৰাইজে সস্তাত মাল পাবৰ কাৰণে খোলা হয় "পাচগাওঁ সমবায় ষ্টোৰ।" আৰু কাতিমহীয়া আকালত তৰিবৰ কাৰণে খোলা হয় এটি "লক্ষ্মী ভঁড়াল"। এই সকলোবিলাক অনুষ্ঠান পঞ্চায়তৰ তত্বাৱধানত আজিলৈকে সুচাৰুৰূপে চলি আছে।

অসমৰ কেইবাজনো গণ্যমান্য নেতাই এই কাৰ্য্য-কলাবোৰ দেখি পাচগাওঁ পঞ্চায়তক অশেষ প্ৰশংসা কৰিছে। বৰ্ত্তমানে পাচগাওঁ 'পঞ্চায়তৰ" নাম পৰিবৰ্ত্তন কৰি "পাচগাওঁ কংগ্ৰেছ কমিটী" ৰখা হৈছে।

পাচগাওঁত আৰু দুটা সঙ্ঘ আছে। এটা পাচগাওঁ তৰুণ সঙ্ঘ। আনটো বালক সঙ্ঘ। এই দুয়োটা সঙ্ঘবোৰে গাঁৱৰ আলি পদূলি মেৰামতি কৰা চোৰ ডকাইতৰ কাৰণে পহৰা দিয়া আদি কামবিলাক কৰে। তাৰোপৰি সঙ্ঘৰ পুজি আৰু পুথিভঁড়ালৰ পুজি টনকিয়াল কৰিবৰ কাৰণে মথাউৰি বন্ধা, ঠিকা ধান কটা আদি কাম কৰে।

পুথিভঁড়ালৰ পুজিৰ কাৰণে সকলোৱে উমৈ-হতীয়া চেষ্টাত বিয়া আদিত দান সংগ্ৰহ কৰা হয়। অৱশেষত এই পুথিভঁড়ালৰ কাৰণে যোৱা ১৯৫১ চনৰ মেই মাহত তেজপুৰ জিলা কংগ্ৰেছ কমিটীৰ চেক্ৰেটৰী শ্ৰীযুত মহীকান্ত দাস এম্, এল, এ, ডাঙ্গৰীয়াৰপৰা ২৭৲ সাতাইশ টকা ১৯৫২ চনৰ মাৰ্চ্চ মাহত অসমৰ মুখ্যমন্ত্ৰী মেধি ডাঙ্গৰীয়াৰপৰা ৫০৲ পঞ্চাশ টকা, আৰু তেজপুৰ গাওঁ উন্নয়ন বিভাগৰ পৰা ৫০৲ পঞ্চাশ টকা পোৱা গৈছে।

এই পুথিভঁড়ালত ৬০০ ছশ খনমান নতুন-পুৰণি পুথি আছে। বাতৰি কাকতো তিনিখন স্থায়ীভাৱে পোৱা হৈছে। ১। অসম সেৱক, ২। অসম বাতৰি, ৩। অসমীয়াৰ সাদিনীয়া সংখ্যা। আলোচনীৰ ভিতৰত, কাচিজোন, ভ্ৰমৰ, ৰামধেনু এই তিনিখন এজেন্টৰ পৰা লোৱা হয়।

সম্প্ৰতি সামাজিক শিক্ষা বিভাগৰপৰা জনশিক্ষা আলোচনীখনো বিনামূল্যে পোৱা গৈছে।

পাচগাঁৱৰ সকলো অনুষ্ঠানৰ গুৰি পাচগাওঁ কংগ্ৰেছ কমিটী আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ পুথিভঁড়ালটিৰ উন্নতিৰ কাৰণে ৰাইজ আৰু গৱৰ্ণমেণ্ট উভয়ৰে পৰা সহায় সহানুভূতি পাবলৈ কামনা কৰিলো।

দেশতকৈ মোৰ স্বামী ডাঙৰ নহয়

বা

(বীৰমতীৰ কাহিনী)

নীলিমা দেৱী।

বহুত দিনৰ আগৰ কথা। সেই সময়ত দিল্লীত বাদচাহ আছিল আল্লাউদ্দিন খিলিজি। আল্লাউদ্দিনে গোটেই ভাৰতবৰ্ষ জয় কৰি একচত্ৰী ৰজা হবৰ ইচ্ছা কৰিছিল। তেওঁ বৰ কম সময়ৰ ভিতৰতে গোটেই উত্তৰ ভাৰত জয় কৰিছিল। কিন্তু দক্ষিণ ভাৰত জয় কৰিব নোৱাৰিছিল। দক্ষিণৰ দেৱগিৰি ৰাজ্যৰ ওপৰত তেওঁ কেইবা বাৰো আক্ৰমণ কৰিছিল; কিন্তু প্ৰত্যেক বাৰতে হাৰিব লগা হৈছিল। দেৱগিৰিৰ ৰজা ৰামদেৱ আৰু তেওঁৰ সেনাপতি বৰ বীৰ আছিল। দেশ ৰক্ষা কৰিবৰ কাৰণে তেওঁলোকে মৃত্যুলৈকো ভয় নকৰিছিল।

ৰাম দেৱৰ প্ৰধান বীৰ সেনাপতি জনৰ কন্যাৰ নাম আছিল বীৰমতী। পিতাকে বীৰমতীক বৰ মৰম কৰিছিল। যেতিয়ালৈকে বীৰমতীৰ পিতাক আছিল তেতিয়ালৈকে আল্লাউদ্দিনে দেৱগিৰি জয় কৰিব নোৱাৰিছিল। এজন এজনকৈ সেনাপতি সকল স্বৰ্গী হ'ল। বীৰমতীও অকল শৰীয়া হ'ল। বীৰমতীক অকলশৰে এৰিব নুখুজি ৰজাই ৰাজ কাৰেঙলৈকে লৈ আহিল। বীৰমতীয়ে ৰাজকন্যা গৌৰীদেৱীৰ লগতে থাকিবলৈ ধৰিলে।

কিছু দিনৰ পিছত দুয়ো কন্যাৰ বিয়া হ'ল। বীৰমতীৰ বিয়া কৃষ্ণৰাও নামৰ এজন মাৰাঠা যুৱকৰ লগত হ'ল। কৃষ্ণৰাও এজন বীৰ আৰু সুশ্ৰী বলিষ্ঠ যুৱক আছিল। ৰজা ৰামদেৱে কৃষ্ণৰাওক বৰ মৰম কৰিছিল। বীৰমতীয়েও মনোমত স্বামী পাই বৰ আনন্দ পাইছিল।

উত্তৰ ভাৰতৰ পৰা কিছু বেগাই পাই আল্লাউদ্দিনে দেৱগিৰিৰ ওপৰত আক্ৰমণ চলালে। এতিয়া আৰু বীৰ সেনাপতি নাছিল আৰু এই বাৰৰ আক্ৰমণো বৰ ভয়ঙ্কৰ আছিল। তথাপিও দেৱগিৰি বাসীয়ে খুব জোৰেৰে যুদ্ধ চলাইছিল। বহুত দিনলৈকে যুদ্ধ চলি আছিল। কিন্তু কোনো পক্ষৰে হৰা জিকা নহৈছিল। উপায় নাপাই আল্লাউদ্দিনে এটা বুদ্ধি পাঙিলে। ৰাম দেৱক ফাকি ফুকা দি ঠগ কৰি জিকাৰ বন্দোবস্ত কৰিলে। কৃষ্ণ ৰাওক লোভ দেখুৱাই আল্লাউদ্দিনৰ ভলতীয়া কৰি ললে আৰু দেৱগিৰিৰ পৰা সেনাও অতৰাই নিলে।

দেৱগিৰি বাসীকো মৰম কৰি হাত কৰিবলৈ ধৰিলে। এই বিলাক যে আল্লাউদ্দিনৰ ফাকি ফুকা এই কথা ৰজাই গম পোৱা নাছিল। এনে সময়তে খবৰ আহিল দেৱগিৰি আক্ৰমণৰ কাৰণে মুছলমান সেনা আহিব লাগিছে। ৰজাই বৰ ভয় খালে। তেওঁ আচল খবৰ আনিবৰ কাৰণে চোৰাংচোৱা পঠোৱাটো ঠিক কৰিলে। চোৰাংচোৱা কামটো বৰ বিপদৰ কাম। এই কামৰ কাৰণে কোনো সাজু নহৈছিল। কিন্তু কৃষ্ণৰাও সাজু হ'ল। ৰামদেৱে নাজানিছিল যে কৃষ্ণৰাওক শত্ৰু পক্ষই হাত কৰিছে। কোনেও নাজানিছিল যদিও বীৰ-

মতীয়ে কৃষ্ণৰাওক কথাবতৰাৰ পৰাই কিছু সন্দেহ কৰিছিল। কৃষ্ণৰাও এইবাৰ আনন্দ মনেৰে যাবলৈ সাজু হোৱাত বীৰমতীৰ সন্দেহ পূৰা হ'ল। দেশৰ চিন্তাত বীৰমতী ব্যাকুল হৈ উঠিল। তেওঁৰ মনত বৰ দুখ লাগিল। তেওঁ পুৰুষৰ বেশ লৈ ঘোৰাত উঠি গিৰীয়েকৰ পিছে পিছে যাবলৈ ধৰিলে।

এখন জঙ্ঘলত কৃষ্ণৰাও আৰু আল্লাউদ্দিনৰ সৈন্যই কথা পাতি থকা দেখি বীৰমতীৰ সম্পূৰ্ণ বিশ্বাস হ'ল যে তেওঁ স্বামী শত্ৰু পক্ষৰ লগ লোৱাটো একেবাৰেই সত্য। বীৰমতীয়ে লুকাই তেওঁলোকৰ কথা বতৰা শুনিবলৈ ধৰিলে।

মুছলমান চৰদাৰে কৃষ্ণৰাওক কলে—'যদি আপুনি এনে কৰে তেন্তে বাদচাহে আপোনাক দেৱগিৰিৰ বাদচাহ কৰিব।" কৃষ্ণৰাৱে তেতিয়া উত্তৰ দিলে—"মই সাধ্যমতে চেষ্টা কৰিম।"

এই কথা শুনি বীৰমতীৰ শৰীৰ থৰ থৰকৈ কঁপিবলৈ ধৰিলে। তেওঁ মহা চিন্তাত পৰিল। গিৰীয়েকলৈ চালে দেশ নাথাকে, দেশলৈ চালে গিৰীয়েক নাথাকে। বীৰমতী বীৰ পিতাকৰ বীৰ কন্যা—সেই কাৰণে কোনটো উচিত কোনটো অনুচিত তাক বিচাৰ কৰিবলৈ বেছি সময় নালাগিল।

তৎক্ষণাৎ বীৰমতীয়ে তৰোৱাল উলিয়াই গিৰীয়েকৰ ওপৰত জপিয়াই পৰিল। একে ঘাপতে কৃষ্ণৰাওৰ শৰীৰ তেজেৰে বাঙলী হৈ মাটিত বাগৰি পৰিল। এই কাণ্ড দেখি মুছালমান সৈন্য পলাই সাৰিল।

কৃষ্ণৰাৱে লাহে লাহে কবলৈ ধৰিলে—"প্ৰিয়ে তুমি উপযুক্ত কাম কৰিলা। দেশদ্ৰোহীৰ জীৱনৰ ওৰ পেলালা। মোক পাপৰ পৰা ৰক্ষা কৰিলা।" কিন্তু......আৰু কথা কব নোৱাৰিলে। বীৰমতীয়েও কবলৈ ধৰিলে—"মৰমৰ স্বামী, মই তোমাক কিমান মৰম কৰিছিলোঁ; কিন্তু আজি এই হাতেৰেই তোমাক হত্যা কৰিব লগা হ'ল। এনে কঠোৰ কাম বোধ কৰো কোনো তিৰোতাই কেতিয়াও কৰা নাই। তোমাক দেশদ্ৰোহিতাৰ পাপৰ পৰা বচাবৰ কাৰণেই এনে কঠোৰ কামো কৰিব লগা হ'ল। প্ৰাণ নাথ! তুমিয়েই মোৰ স্বামী, তুমিয়েই মোৰ মৰমৰ, তুমিয়েই সকলো। কিন্তু মোৰ দেশ তোমাতকৈও মৰমৰ। দেশৰ সম্মুখত স্বামী, পুত্ৰ, ভাই-ককাই একো বস্তুৱেই নহয়। মই দেশৰ কাৰণে মোৰ কৰ্ত্তব্য কৰিছোঁ। এতিয়া তিৰোতাৰ ধৰ্ম্মও পালন কৰিম। মই দেশক ৰক্ষা কৰিলোঁ। মোৰ কৰ্ত্তব্য সম্পূৰ্ণ হ'ল।"

এই বুলি কৈয়ে তেজেৰে বাঙলী তৰোৱাল নিজৰ বুকুত বহুৱাই স্বামীৰ লগতে প্ৰাণ এৰিলে।*

* হিন্দীৰ পৰা অনুবাদ

———

ঈশ্বৰে মানুহক দুটা চকু কিন্তু এখন জিভা দিছে। ইয়াৰ কাৰণ—মানুহে যিমান কয় তাৰ দুগুণ চকুৰে দেখা উচিত।

—অজ্ঞাত নামা—

নাৰী সমাজলৈ দু আষাৰ

লক্ষেশ্বৰী ডেকা

মানৱ জাতিৰ তথা দেশৰ ভূষণ প্ৰধানতে শিক্ষা। শক্তিহীন সমাজৰ শ্ৰী থাকিব নোৱাৰে। কাজেই শ্ৰী হীন জাতিৰ অৱনতি অৱশ্যম্ভাবী। শ্ৰী আৰু শৃঙ্খলা ৰাখিব নোৱাৰা শিক্ষা গোন্ধহীন ফুলৰ দৰে। শ্ৰী আৰু শৃঙ্খলা ৰাখিব নোৱাৰা শিক্ষা আমাক নেলাগেও। বিশেষকৈ আমাৰ শিক্ষিতা নাৰী সমাজত শৃঙ্খলাৰ অভাৱ হলে স্ত্ৰী শিক্ষাই জন সাধাৰণৰ মাজত সমাদৰ পাব জানো?

অৱশ্যে আমাক বিলাসিতা নেলাগে। সাধাৰণতে পুৰুষতকৈ তিৰোতাৰ গাত বেচি অৰ্থ ভগন কৰিব লাগে। পুৰুষে চুৰট খোৱা, চিনেমা আৰু থিয়েটাৰ চোৱাত, ঘড়ী, বাইচিকেল আৰু ফাউন্‌টেন্ আদি ব্যৱহাৰ কৰাত যদিও তিৰোতাতকৈ বহু বেচি খৰচ কৰে তথাপি আন পিনে ৰূপসজ্জা কামত তিৰোতাই পুৰুষতকৈ যথেষ্ট বেচি অৰ্থ ভগন কৰে। প্ৰসাধনৰ বস্তুৰ বাবে বিশেষকৈ সোণ ৰূপৰ অলঙ্কাৰৰ বাবে বহুতো পৰিয়ালৰ অৱস্থা একেবাৰে শোচনীয় হোৱা বিৰল নহয়। বাহুল্য বৰ্জ্জিত হৈ অলপ নিৰাভৰণ হোৱা বৰ্ত্তমান সময়ত নিতান্ত ভাল।

আমাৰ তিৰোতা সমাজৰ কাৰণে হোৱা অনুষ্ঠান বোৰ যেনে, স্বাস্থ্য শিল্পাদিৰ উন্নতিৰ অৰ্থে হোৱা অনুষ্ঠানবোৰ তিৰোতাৰ দ্বাৰাই পৰিচালিত হোৱা বাঞ্চনীয়। অৱস্থাহীন আৰু অভিভাবকহীন তিৰোতা-বোৰেও যাতে উদৰান্নৰ অভাৱত কষ্টত পৰিব লগীয়া নহয় সেই বিষয়ে আমি লক্ষ্য ৰাখি সকলোকে অৰ্থকৰী শিল্প শিক্ষা দিয়া উচিত। সূঁতা-কটা, তাতঁ বোৱা আদি ঘৰুৱা কামৰ বাহিৰেও বাহিৰা শিল্পৰ অভ্যাস থাকিলে ভাগ্য বিপৰ্য্যয় হোৱা নাৰী সকলেও কেতিয়াও পৰমুখাপেক্ষী হব নেলাগিব।

বৰ্ত্তমান জাগৰিত হব ধৰা নাৰী সমাজে মাত্ৰ সাময়িক উত্তেজনাত উত্তেজিত নহয় যেন। আমাৰ নাৰী সমাজৰ অনুষ্ঠান বোৰে যাতে কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰি লব পাৰে তাৰ বাবে লাগে আমাক একাগ্ৰ সাধন আৰু আত্মচেষ্টাৰ শক্তি। তেতিয়াহে আমাৰ আত্মসন্মান জাগিব আৰু কোচ খাই থকা ঠেক মন মুকলি হব। তাৰ লগতে আমাৰ হেৰোৱা ন্যায্য শক্তি লাভ কৰিবলৈ সামৰ্থ্য লাভ কৰিম। তেতিয়াহে আমাৰ দুঃখ দৈন্যক্লিষ্টভৰা মনত স্বৰ্গীয় আভাৰ বিকাশ হব আৰু আমাৰ উৎসাহভৰা কৰ্ত্তব্য নিষ্ঠাই শান্তিৰ নিজৰা প্ৰবাহিত কৰিব পাৰিব।......

বৰ্ত্তমান নাৰী জাতি ব্যস্ত আছে জাতি গঠনত। কিন্তু জাতি গঠন কৰিবলৈ যোৱাৰ আগতে আমি আমাৰ অন্তৰত লুকাই থকা আত্মশক্তি জাগৃতিৰ পথলৈ টানি আনিব লাগিব যাতে আমি নিজ আত্মবলেৰে বলীয়ান হৈ আগবাঢ়ি যাব পাৰো। এবাৰ অতীত ভাৰতৰ আৰ্য্যনাৰী সকললৈ ভুমুকি মাৰিলে দেখা যাব যে নিজৰ আত্মশক্তিত অগাধ বিশ্বাস ৰাখিব পৰা বাবেই সীতা, সাবিত্ৰী, দময়ন্তী আৰু মধ্য যুগৰ জয়মতী আদি মহীয়সী সকলে অশেষ দুঃখ কষ্ট নিৰ্য্যাতন সহিও লক্ষ্যৰ পৰা ভ্ৰষ্ট হোৱা নাছিল। সেই গুণৰ বলতেই আজিও যদিও কালৰ গৰ্ভত বহু শতিকাৰ বিলোপসাধন হ'ল তথাপি

তেওঁলোকে এতিয়াও আমাৰ অন্তৰত শ্ৰদ্ধাৰ স্থান অধিকাৰ কৰি প্ৰাতঃস্মৰণীয় হৈ জিলিকি থাকিব পাৰিছে আৰু থাকিবও।

মানৱ সমাজত নাৰীয়েই পূৰ্ণশক্তিময়ীৰূপে বিৰাজমান হৈ আছে। সমাজত নাৰীৰ কামৰ জোখ মাৰি থিৰ কৰাটো বৰ জটিল। মানৱৰ সমষ্টিয়েই হৈছে জাতি আৰু সেই মানৱ জাতিৰ হৈছে নাৰীয়েই শিক্ষাদাত্ৰী জননী। দকৈ গমি চালে দেখা যাব প্ৰকৃত পক্ষে নাৰীয়েই সমাজৰ সৃষ্টি-কৰ্ত্ৰী, পালন কৰ্ত্ৰী আৰু নাৰীয়েই সমাজৰ ধ্বংস কৰ্ত্ৰী। পণ্ডিত জৰ্জ্জ হাৰ্বাটে কোৱাৰ দৰে "এজনী শিক্ষিতা মাতৃয়েই শতজন শিক্ষকৰ সমতুল্য।" কথাটো যথাৰ্থতে নীতি-পূৰ্ণ। আন হাতে জৰ্জ্জ ওৱাচিংটন, নেপোলিয়ন বোনাপাৰ্ট আদিৰ জীৱনীয়েই তাৰ প্ৰমাণ নিদিয়েনে? আজি অকল অসমত তথা ভাৰতত আমাৰ নাৰী সমাজৰ যি নৱজাগৰণৰ সূচনা হৈছে তাত প্ৰধান সম্বল হৈছে আমাৰ উৎসাহ আৰু ব্যক্তিগত আত্মচেষ্টা। অকল প্ৰতিভা বা শিক্ষা প্ৰতিষ্ঠানেই আমাৰ কেতিয়াও উন্নতিৰ সহায় হব নোৱাৰে। ব্যক্তিগত প্ৰচেষ্টা অথবা সাধনাৰ দ্বাৰাহে আমি উন্নতিৰ আশা কৰিব পাৰোঁ। মহিলা সকলৰ এই জাগৰণত সকলোৱে সহায় সহযোগ কৰা নিতান্ত প্ৰয়োজনীয়।

বাই ভনী সকল, আমি নাৰী সমাজে আজি জাতি ভেদ আৰু উচ্চ নীচ, ভাব পাহৰি একতাৰ মন্ত্ৰেৰে দীক্ষিত হৈ আগবাঢ়ি যাওঁ আহক। এতিয়া আৰু আমি নিজক তথা জাতিক পাহৰি থকা সময় নহয়। সকলোৱে আজি আত্মচেতনা জাগৰিত কৰি তোলক।

----

(১)

সকলো মানুহে স্বাধীনতা ভাল পায় কিন্তু ইয়াক ধ্বংস কৰিবলৈ বিচৰাহে দেখা যায়।

—ভলটেয়াৰ—

(২)

শত্ৰুক অন্যায় ভাবে অপকাৰ কৰিলে আপোনাৰ স্থান শত্ৰুতকৈ তলত হ'ব, প্ৰতিহিংসা কৰিলে আপোনাৰ শত্ৰুৰ লগত সমান স্থান হ'ব, শত্ৰুক ক্ষমা কৰিলে আপোনাৰ স্থান শত্ৰুতকৈ ওপৰত হ'ব।

—বি ফ্ৰাঙ্কলিন—

নগৰ-ভ্ৰমণ

'সৌমাৰ'

মনতে ভাবিলোঁ আজি বন্ধৰ দিন। নগৰ খনকে ভ্ৰমণ কৰা যাওক। যেনে কথা তেনে কাম। লগতে কোনো দিনে ডাঙৰ নগৰ নেদেখা গাঁৱৰ মিতিৰ কণৰামো ওলাল। সি আজি দুদিন মান হ'ল ঘৰৰ পৰা আহি মোৰ ইয়াতে আছেহি। তাকো নগৰ খন দেখুউৱাৰ লাগিব।

বাটেদি দুয়ো গৈ আছোঁ। কণৰামে দেখিলোঁ মুখখন মেলি ভেবাৰ দৰে চাই গৈ আছে। তাক অলপ হুঁচিয়াৰ কৰি দিলোঁ। "এইদৰে গ'লে নচলিব। বাটত উজুটি খাই পৰিবি। ক'ৰবাত মটৰে চেপিব। ইত্যাদি।" ফল নধৰিলে। সি কথাটো আওপাকে ললে। ক'লে "ইন্দ্ৰৰ পুৰী। নয়ন ভৰি চাই লওঁ। দুদিনৰ কাৰণেহে আহিছোঁ। যদি বেয়া পাইছা, কৈ দিবা। কাইলৈকে গুচি যাম।"

একো নেমাতিলোঁ। মনতে কলোঁ "ববা, কিজানি সোঁ শৰীৰে ইন্দ্ৰৰ পুৰীলৈকে যোৱাঁ।" যাগওক মোৰ কথা মুশুনাৰ ফল কণৰামে হাতে হাতে পালে। কিছুদূৰ গৈয়েই শুনিলোঁ টিলিং টিলিং কৈ সঘনে বজোৱা চাইকেল ৰিক্সাৰ ঘণ্টা আৰু তাৰু লগে লগে 'খবৰদাৰ' বুলি এফাকি কঠুৱা মাত। দেখিলোঁ, আমাৰ কণৰামৰ ঠিক পাচতে চাইকেল-ৰিক্সা এখন বৈ আছে। তাৰ গাত পৰোঁ পৰোঁ; ৰিক্সাৱালাক মৃদু ভৎসনা এটা কৰি কণৰামক তাৰ পৰা আজোৰ মাৰি টানি আনিলোঁ। সি কঁপা কঁপা মাতেৰে ক'লে "মোৰ আজি গোটেই দিনটো মাটি হ'ল। যাত্ৰাৰ আৰম্ভণীতে তেলীয়াৰ গালি শুনিব লগাত পৰিলোঁ।" "তেলীয়া? তেলীয়া মানে কাক কৈছা? ৰিক্সা চলোৱা মানুহক ৰিক্সাৱালা বোলে। মুখত যি আহে তাকে ন'কবা"—মই কলোঁ। কোনো প্ৰয়োজন উজনী অসমৰ কিছুমান ঠাইত দুখীয়া শ্ৰেণীৰ দেচুৱালী মানুহক তেলীয়া বুলি কয়। বোধকৰো প্ৰথমতে তেওঁলোকে কেৱল তেল পেৰি জীৱিকা নিৰ্ব্বাহ কৰিবলৈকে অসমলৈ আহিছিল।

এইদৰে কণৰামক ঠাই দেখুউৱাৰ উপৰিও শব্দৰ জ্ঞান শিক্ষা দি যাবলৈ ধৰিলোঁ। বাটত ধুনীয়া ধুনীয়া কেইবাটাও পকা ঘৰ দেখি কণৰামে আপোনা আপুনি কৈ উঠিল "নগৰত কেৱল ৰজা মহাৰজাহে থাকে।" মই একো উত্তৰ নিদি কলোঁ "আঁহা তোমাক এজন মহাৰাজৰ ঘৰলৈ লৈ যাওঁ।" এই বুলি কণৰামক লগত লৈ বৰুৱা উকিলৰ ঘৰ সোমালোঁগৈ। বৰুৱাক কলোঁ "এই মানুহজন মোৰ আত্মীয়। নগৰ চাবলৈ আহিছে। এতিয়া আলহী সোধ পোচ কৰক।" বৰুৱাৰ লগত অলপ ঘনিষ্ঠতা থকা কাৰণেহে সেইখিনি ক'বলৈ সাহ পালোঁ। বৰুৱা ভিতৰলৈ গ'ল।

অলপ পিচতে ভিতৰৰ পৰা বৰুৱা বৰুৱানীৰ তৰ্কাতৰ্কি শুনিবলৈ পালোঁ। বৰুৱানীয়ে কৈছে "ঘৰত বস্তু আছে নে নাই সেইবিষয়ে আপোনাৰ খবৰ নাই। কেৱল চাহ আৰু চাহ। সপ্তাহত

তিনি সেৰ চেনি লাগে। এইদৰে হ'লে কেনেকৈ চলিব।"

বাহিৰৰ পৰা মোৰ লগতে কণৰামেও কথাবিলাক শুনি আছিল। সি কলে "এইখিনি চাহ খাই জানো সোৱাদ লাগিব ? আমি উঠাহে ভাল।" মই মুখ ফুলিয়াই তাৰ কথাত সন্মতি দি কলোঁ। "এতিয়া উঠি গ'লে অভদ্ৰতা হ'ব। টান মাতৰ লগতে চাহ খিনিও হজম কৰি যাব লাগিব।" সি যি হক বহুত পৰৰ পিচত ছুই পিয়লা চাহ আছিল। চাহত কিবা এটা গোন্ধ পালোঁ। বোধকৰোঁ নেচোলচ মিল্ক নে আন কিবা মিহলোৱা আছিল। এবাৰ বকৰা ভিতৰলৈ যোৱাত সুবিধা বুজি সাউৎকৰে চাহ খিনি বাহিৰলৈ পেলাই দিলোঁ। কণৰামে কিন্তু একে শোহাই সেই খিনি খাই পেলালে।

বকৰাৰ ঘৰৰ পৰা বিদায় লৈ বাটত কণৰামক কলোঁ "মহাৰাজৰ নমুনা দেখিলা। নগৰৰ বেচি ভাগ মানুহৰে অৱস্থা এনেকুৱা। জলকীয়াৰেপৰা খৰিলৈকে সকলো বস্তু বজাৰৰ পৰা কিনিলেহে হয়। মানুহে তেনে কেনেকৈ ? তোমালোকৰ হাজাৰ হওক গাঁৱত একোখন বাৰী আছে। শাক-পাচলি কেতিয়াও কিনিব নেলাগে।"

দূৰত এজন মানুহ দেখি কণৰাম উচপ খাই উঠিল। মানুহ জন আমাৰ তাৰে ভদৰাম। এতিয়া নাম সলনি কৰিছে। শ্ৰীভদ্ৰেশ্বৰ হাজৰীকা। ডাঙৰ চাকৰি কৰে। কণৰামে মানুহ জন দেখিয়েই লৰ মাৰি গৈ আকোৱালি ধৰিব খুজিছিল। মই তৎক্ষণাৎ বাধা দি কলো "কি কৰা ? কি কৰা। সেইদৰে আগভেটা দি মাতিলে অপমান পাব লাগিব। মোকে নমস্তাকৈ যাব, চাবাচোন। তেওঁলোকৰ সমান শাৰীৰ নহলে আমাৰ দৰে টলৌ টলৌ কৰি ঘুৰি ফুৰা মানুহক বাটত নেমাতে।"

কণৰামে কথাটো বৰ বিশ্বাস নকৰিলে। দূৰৰ পৰা মানুহজনৰ আমাৰ ওপৰত চকু পৰিল। ওচৰ পালত মানুহজনে আমাক যেন দেখা নাই এনে ভাবে ৰাস্তাৰ পোনে পোনে চকুৰে চাই যাবলৈ ধৰিলে। কনৰামে কলে "তুমি আগতে কৈ ভালেই কৰিলা।"

পকা ঘৰবিলাক পাৰ হৈ কিছুদূৰ যোৱাত কিছু-মান বৰ লেতেৰা ভগা ছিঙা জুপুৰি ঘৰ পালোঁগৈ। কণৰামে সুধিলে "এইবিলাকত গাহৰি থাকে নেকি ?" মই ক'লো "গাহৰি নেথাকে। মানুহেই থাকে। যিবিলাক মানুহৰ যহত নগৰখন চাফ-চিকুণ দেখিছা।" কণৰামে চিঞৰি উঠিল "ঐ আই চৰগৰ অমৰাপুৰী আৰু নৰক দুয়োখন ঠায়েই দেখোন নগৰত পোৱা যায়।"

কাষতে এশাৰী নতুনকৈ পকা ঘৰ সজা হৈছে। কণৰামে সুধিলে "এইবিলাকনো কি কাৰণে সজা হৈছে ?" মই উত্তৰ দিলোঁ "এই জুপুৰি বিলাক ভাঙি তাত থকা সকলক ইয়ালৈ স্থানান্তৰিত কৰা হ'ব। নগৰত অন্ততঃ বেয়া ভাল কৰিবলৈ চেষ্টা এটা চলিছে। তোমালোকৰ গাওঁবোৰত একো সাৰ-সুৰ নাই কিয় ?"

—०:०—

ৰাতিৰ স্কুল।

গান]

মৌঃ দেৱান আব্দুল কাদেৰ।

পঢ়িম আমি ৰাতিৰ ইস্কুলত
মুৰ্খ আৰু নেথাকিব
স্বাধীন ভাৰতত।
ডেকা বুঢ়া হালৈ* নিৰক্ষৰ যত
হেপাহে পঢ়িম আমি
ৰাতিৰ ইস্কুলত ॥ ····
কোন দেশত কেইটা পাহাৰ
কেইখন নদী বয়,
ধান মৰাপাট এৰি মুগা
কি কি শস্য হয় ;
নতুন তত্ত্ব শিকিম আৰু
ভূগোলৰ পাতত ॥ ····
আধা ঘণ্টা পঢ়িম শাস্ত্ৰ
বেদ-কোৰাণ পাঠ,
অঙ্ক মৌখিক আধা ঘণ্টা
পঢ়িম স্বাস্থ্য পাঠ;
শিল্প, চিত্ৰ, সাহিত্য কলা
পঢ়িম দুঘণ্টাত।
তিনি মাহতে হম নিপুণ
হাতৰ আখৰ পাঠ পঢ়াত
মুৰ্খ আৰু নেথাকিব
স্বাধীন ভাৰতত ॥

হালৈ—হালোৱা

—•::×::•—

এখনি চিঠি

সম্পাদকলৈ পাঠকসকলৰ পৰা নানা প্ৰশ্ন সুধি চিঠি আহে। সকলো প্ৰশ্নৰে ব্যক্তিগত ভাৱে উত্তৰ দিয়া সম্ভৱপৰ নহয়। এই শিতানত প্ৰশ্নৰ যুক্তিযুক্ততা চাই বাছি বাছি তাৰে দুই এটাৰ উত্তৰ দিয়া হ'ব।

শ্ৰদ্ধাস্পদেষু ;

আপোনাৰ "জনশিক্ষাত" শ্ৰীযুত প্ৰিয়নাথ পূজাৰীয়ে লিখা "যাদু-মন্ত্ৰ" প্ৰবন্ধটি পঢ়ি বৰ সুখী হলো। যাদু-মন্ত্ৰ মই বিশ্বাস কৰো। যিহেতু ইয়াৰ গুণা-গুণ প্ৰত্যক্ষ দেখিছো। অৱশ্যে যাদু মন্ত্ৰৰ নামত কিছুমান না শ্ৰুত না ভূত কথাৰ প্ৰচলনো আছে। কেৱল আমাৰ অসমতেই নহয়, যাদু-মন্ত্ৰ সম্বন্ধে বঙ্গ, বিহাৰ, যুক্তপ্ৰদেশ, পঞ্জাব আদি ভাৰতৰ প্ৰায় সকলো লোকৰ মাজতেই কামৰূপ-কামাখ্যাৰ মন্ত্ৰৰ সম্বন্ধে অদ্ভুত বিশ্বাস আছে।

মন্ত্ৰৰ আলম লৈ কিছুমান অনভিজ্ঞ লোকেও এজাৰ ভাও ধৰি সাধাৰণক ভুৱা দি ফুৰা দেখি। যিহেতুকে আমাৰ ইয়াৰ শতকৰা প্ৰায় ৯০ জন লোকৰেই যাদু-মন্ত্ৰাদিত ইমান বিশ্বাস যে অনভিজ্ঞ প্ৰতাৰক ওজাৰ প্ৰতাৰণাত নপৰি নাথাকে। এনেকৈ কিছুলোকে যাদু-মন্ত্ৰ বিশ্বাস নকৰিবলৈও বাধ্য হৈছে।

ফাঁকি প্ৰতাৰণা কোনো ক্ষেত্ৰতেই নোহোৱাকৈ থকা নাই। শিক্ষিত সম্প্ৰদায়ৰ ডাক্তৰ কবিৰাজ আদিৰ মাজতো অনেক অনভিজ্ঞ চিকিৎসকেও জনাৰ ভাও ধৰি অনেকক প্ৰতাৰিত কৰিয়েই আছে। সাধু-সন্ন্যাসীৰ ভাও ধৰি অনেক ভণ্ড চোৰেও নিজৰ নিজৰ পেট প্ৰবৰ্ত্তাই ফুৰে। এইদৰে ৰাজনৈতিক অৰ্থনৈতিক সামাজিক আদি ক্ষেত্ৰতো অসংখ্য ভণ্ড মানুহে প্ৰতিপত্তি লভি আছে। সেই বুলি খাটিলোকৰ মৰ্য্যদা আৰু আদৰ কেতিয়াও হ্ৰাস পাব নোৱাৰে। বৰং বাস্তৱ সত্যটোৰ উজ্জলতা বেছিকৈহে প্ৰকাশ পায়।

বৰ্ত্তমান মোৰ বিষয়ে কওঁ চমুকৈয়ে। মই মৃত্যুমুখত পতিত। কাৰণ ১৮ বছৰ বয়সতে আকস্মিক ভাৱে সোঁভৰিখনত বিষে আক্ৰমণ কৰি লাহে লাহে বেছি হৈ বুঢ়া মানুহৰ দৰে কুজা কৰি পেলাইছে। প্ৰথম অৱস্থাতেই ডাক্তৰী চিকিৎসা আৰু ক্ৰমান্বয়ে ওজা কবিৰাজ আদিৰ কাষ এৰা নাই। অসমৰ বাজেও অন্য জনাজাত ঠাইতো চিকিৎসা কৰাইছো যদিও ফল নধৰিল। ডিব্ৰুগড় আদিতো কতবাৰ লেখ নাই। ডাক্তৰৰ চকুত মোৰ ৰোগ দুৰাৰোগ্য। এনে অৱস্থাত অনেক ওজাৰো কাষ লৈছো। ওজাৰ মতামত অন্যধৰণৰ। তেওঁলোকে কয়, ওজাৰ দ্বাৰা ভাল ফল হোৱাৰ আশা আছে। বৰ্ত্তমান মোৰ বয়স ৩২ বছৰ। ৰোগী হলেও নিষ্কৰ্মা হৈ বিছনাত আশ্ৰয় লোৱা নাই। সাধাৰণ স্বাস্থ্য ভাল বুলিয়েই কওঁ। ওজাসকল আৰু মোৰ ঘাৰ বছৰীয়া ৰুগীয়া অভিজ্ঞতামতে, এই ৰোগৰ মূলটো বিচাৰ কৰি চিকিৎসা কৰিলেহে ফল হব। ই শত্ৰুলোকৰ কুমন্ত্ৰণা বুলিয়েই বিশ্বাস হয়। কাজেই— ভাল ওজাৰ সহায় নহলে আৰোগ্য অসম্ভৱ।

এই সম্বন্ধে অনুসন্ধান কৰিবলৈ অসমৰ প্ৰখ্যাত "যাদু-মন্ত্ৰৰ" বিশ্বাস স্থল "মায়ঙলৈ" মই নিজে গৈ প্ৰায় ৬ মাহ দিন থাকি আহি সত্য অনুসন্ধান চলাই আহিছো যোৱা বছৰত। আপোনাৰ আলোচনিত "মায়ঙৰ" বিষয়ে এটা প্ৰবন্ধ প্ৰকাশ কৰাৰ আশাও কৰো।

ইমানবোৰ বিষয় লিখি আপোনাৰ বহুমূলীয়া সময় নষ্ট কৰাত অসন্তোষ বোধ নকৰে যেন। আপোনাৰ ওচৰত

মোৰ অনুৰোধ এইয়ে যেন অনুগ্ৰহ কৰি শীঘ্ৰে আপোনাৰ পৰিচিত শ্ৰীযুত প্ৰিয়নাথ পূজাৰী বা অন্যলোকসকলৰ ঠিকনা মোলৈ জনায়। তেখেতসকলৰ ঠিকনা জানিলে মই চিঠিৰে ভাল ওজাৰ অনুসন্ধান তেখেতসকলৰ দ্বাৰা জানিবলৈ সুবিধা পাম। কিন্তু সাৱধান যেন প্ৰতাৰকৰ প্ৰতাৰণাৰপৰা মই বাচিব পাৰো। আপোনাৰ পৰা ঠিকনা জানিলে মই নিজে গৈ এই বিষয়ে অনুসন্ধান চলাম। প্ৰাৰ্থনা কৰো যেন নিস্বাৰ্থভাৱে পৰোপকাৰ জ্ঞানেৰে মোলৈ এইবিষয়ে উপৰোক্ত লোকৰ ঠিকনাসহ জানিবলৈ দিয়ে। বৰ্ত্তমান আৰু নাই। ইতি—

আপোনাৰ বিশ্বাসযোগ্য
শ্ৰীবিশ্বেশ্বৰ চেতিয়া
চাংমাই গাওঁ,
পোঃ হাঁহচৰা,
জিলা—শিৱসাগৰ, অসম

সম্পাদকৰ মন্তব্য

জৰাফুকা, যাদুমন্ত্ৰ আদিৰ দ্বাৰা অকল নিৰক্ষৰ জনসাধাৰণেই নহয় বহুতো শিক্ষিত মানুহ এইবিলাকৰ দ্বাৰা প্ৰভাৱিত হয়। কিন্তু লিখকৰ চিঠিখনিৰ পৰা বুজিব পাৰি যে তেখেত সহজে এইবিলাকৰ দ্বাৰা প্ৰভাৱিত হোৱা লোক নহয়। যাদুমন্ত্ৰ কি এইবিষয়ে তেখেতে ভালকৈ বিশ্লেষণ কৰিছে। তেখেতে যদিও এইটো বঢ়িয়াকৈ জানে যে বহুতো অনভিজ্ঞ মানুহে ওজাৰ ভাও ধৰি জনসাধাৰণক প্ৰতাৰণা কৰি ফুৰে— তথাপি তেখেতে যাদুমন্ত্ৰ মাত্ৰকেই মানুহৰ অলীক কল্পনা বুলি ক'ব নোখোজে। ইয়াৰ কাৰণ—তেখেতে যাদুমন্ত্ৰৰ শক্তিৰ প্ৰত্যক্ষ প্ৰমাণ পাইছে।

যাদুমন্ত্ৰৰ বিষয়ে চিঠি লিখকৰ সৈতে আমাৰ মতামত একে। শতকৰা নিৰানব্বৈ বা তাতোকৈ ওপৰৰ ভগ্নাংশৰ ক্ষেত্ৰত যাদুমন্ত্ৰ বা জৰাফুকাবিলাক বাস্তৱিকতেই নিৰৰ্থক হ'লেও আমি কেতিয়াবা হঠাৎ যাদুমন্ত্ৰ বা জৰাফুকাৰ শক্তিৰ বিষয়ে এনে একোটা অকাট্য প্ৰমাণ পাওঁ যে যাৰপৰা এইবিলাকৰ যে এটা অলৌকিক শক্তি আছে সেইবিষয়ে আমাৰ সন্দেহৰ কোনো প্ৰকাৰ স্থলেই নাথাকে। কিন্তু এনেবিলাক প্ৰামাণিক ঘটনা ইমান বিৰল যে আমি জৰ বেমাৰ আৰোগ্য কৰাত যাদুবিদ্যা বা জৰাফুকাৰ আশ্ৰয় লোৱাটো একেবাৰেই নিৰাপদ নহয়। মানুহৰ জৰ বেমাৰ আৰোগ্য কৰিবলৈ সদায় আধুনিক চিকিৎসাবিজ্ঞানৰ সহায় লোৱা উচিত। আধুনিক চিকিৎসা বিজ্ঞানৰমূলত মানৱ জাতিৰ কেবা শতাব্দীৰো ঐকান্তিক পৰিশ্ৰম আৰু গবেষণা লুকাই আছে। আধুনিক চিকিৎসাবিজ্ঞানে কিছুমান ঐন্দ্ৰজালিক শক্তিৰদৰে কাম কৰা মহৌষধ আৱিষ্কাৰ কৰিছে আৰু আগেয়ে দুৰাৰোগ্য বুলি অভিহিত কৰা বহুত বেমাৰকেই সহজে চিকিৎসা বিজ্ঞানৰ সহায় এৰি যাদুমন্ত্ৰ বা জৰাফুকাৰ সহায় লোৱা মানে দিনৰ পোহৰ এৰি আন্ধাৰত খপজপাই ফুৰা আৰু আধুনিক বিজ্ঞানৰ প্ৰগতিৰ খোজত খোজমিলাই আগবাঢ়িবলৈ এৰি মধ্যযুগৰ আন্ধাৰৰ পিনে খোজ পিছুৱাই নিয়া।

কিন্তু কিছুমান ক্ষেত্ৰত আমি যাদুবিদ্যা বা জৰাফুকাৰ আশ্ৰয় লোৱাত বাধা দিব নোখোজোঁ। যিবিলাক ক্ষেত্ৰত ৰোগীক আধুনিক চিকিৎসা বিজ্ঞানে আৰোগ্য নহয় বুলি ঘোষণা কৰিছে সেই বিলাক ক্ষেত্ৰত জৰাফুকাৰ সহায়েৰে এবাৰ শেষ চেষ্টা কৰিলে একো হানি নহয়। আৰু মানুহৰ সাধাৰণ বেমাৰ আজাৰত যত জৰাফুকাৰ দ্বাৰা একো ক্ষতি হোৱাৰ সম্ভাৱনা নাথাকে তেনে ক্ষেত্ৰতো মানুহে ওজা বা বেজৰ ওচৰ চাপিব পাৰে। কিন্তু সেই বিলাক ক্ষেত্ৰতো কোনো প্ৰকাৰ অনিষ্টকাৰী ঔষধ খোৱা কেতিয়াও উচিত নহয়। যিবিলাক বেমাৰ সুচিকিৎসাৰে অনায়াসে আৰোগ্য কৰিব পাৰি যেয়া ওজাৰ ঔষধে তেনেবিলাক বেমাৰক উৎকট কৰি পেলোৱা উদাহৰণ বহুত পোৱা যায়।

মুঠতে লিখকৰ চিঠিৰ পৰা জানি যে তেখেতক এই বিলাকৰ বিষয়ে নকৈ বুজোৱাৰ একো সকাম নাই। তেখেতে বেলেগ বেলেগ ধৰণৰ বহুত চিকিৎসা কৰিও একো ফল নাপাই এবাৰ যাদু-মন্ত্ৰৰ আশ্ৰয় ল'ব খোজে, কিজানিবা সেই বিলাকৰ অলৌকিক শক্তিৰ দ্বাৰা তেখেতৰ বেমাৰ

ভাল হয়েই। আমি তেখেতৰ বেমাৰৰ বিষয়ে একো নেজানো। অতি আধুনিক বিজ্ঞান-সম্মত চিকিৎসাৰ সকলো সুবিধা অকল অসমতেই নহয় ভাৰতবৰ্ষতেই নাই। আন ঠাইৰ কোনো ডাক্তৰ চিকিৎসকৰ হাতত পৰিলে আৰু সকলো প্ৰকাৰ আহিলা পাতি থকা ভাল চিকিৎসালয় এখন পালে তেখেতৰ বেমাৰ হয়তো ভাল হবও পাৰে। যি কি হওক আমি তেখেতৰ চিঠিখন ইয়াত হুবহু প্ৰকাশ কৰিলো। জনশিক্ষাৰ এই বিষয়ে অভিজ্ঞ পাঠক পাঠিকা সকলে তেখেতক অন্ততঃ ডাকযোগেই সু পৰামৰ্শ দি যাতে সহায় কৰে সেই আশাত আমি লিখকৰ সম্পূৰ্ণ নাম ঠিকনা দি প্ৰকাশ কৰিলো।

পৰশ্ৰীকাতৰতাৰ সামাজিক ৰূপ।

(মনস্তত্ব মূলক আলোচনা)

সংসাৰত মানুহৰ আটাইতকৈ জঘন্য প্ৰবৃত্তিবিলাকৰ ভিতৰত পৰশ্ৰীকাতৰতাও এটা। পৰশ্ৰীকাতৰতা মানে আনৰ ভাল সহ্য কৰিব নোৱাৰা। ই সংসাৰৰ ক্লেদমল আদিতজাত কীটতকৈও মানুহক অধম কৰি তোলে। পৰশ্ৰীকাতৰ মানুহে কৰিব নোৱাৰা হীন কাম একো নাই।

এই প্ৰবৃত্তিটো ব্যক্তিবিশেষতে আবদ্ধ থাকিলে আমাৰ ক'বলগীয়া বিশেষ নেথাকে। ক'বলৈ গ'লে বৰ্ত্তমানৰ দৰে অভাৱ অনাটনৰ দিনত বিবেচনা নকৰা বেছি ভাগ মানুহ পৰশ্ৰীকাতৰ নোহোৱাটোহে অস্বাভাবিক। বৰ্ত্তমান যুগত অৰ্থনৈতিক বৈষম্য বৰ বেছি। কিছুমানে চৰ্ব্ব, চোষ্য, লেহ্য, পেয় নানাবিধ সুখাদ্য ভোজন কৰি আৰু খাব নোৱাৰি বাস্তাৰ ডাষ্টবিনত(আবৰ্জ্জনা পেলোৱা পাত্ৰ) পেলাই দিয়ে। কিছুমানে আকৌ ভোকত তত নেপাই ডাষ্টবিনৰ পৰা সেই ভুক্তাৱশেষ বিলাকতে তুলি আনি কুকুৰ শিয়ালৰ দৰে খায়। কিছুমানে প্ৰাসাদোপম অট্টালিকাত বাস কৰিছে, কিছুমানে ভগা টিন, গছৰ পাত আৰু খৈলাৰে ঢকা পাঁজৰি থকা পজা ঘৰত থাকি বতাহ বৰষুণৰ পৰা আত্মৰক্ষা কৰিছে। কিছুমানে গোটেই দিনটো হাড়ভঙা পৰিশ্ৰম কৰি কোনোমতে পেট প্ৰবৰ্ত্তাইছে, কিছুমানে আকৌ ঠেঙৰ ওপৰত ঠেং তুলি বিনা আয়াসতে সহস্ৰাধিক টকা উপাৰ্জ্জন কৰিছে। আজিকালি বেছি ভাগ মানুহেই অভাৱ অনাটনৰ দ্বাৰা জৰ্জ্জৰিত। নিজৰ লৰা-ছোৱালীক প্ৰতিপালন কৰিব নোৱাৰি মানুহে চকুলো টোকে।

এনে পৰিস্থিতত বেলেগ বেলেগ প্ৰকৃতিৰ মানুহৰ মনত বেলেগ বেলেগ ধৰণৰ প্ৰতিক্ৰিয়া হয়। কিছুমানে সকলোৱেই মানুহৰ কৰ্ম্মফল বুলি নিজৰ অৱস্থাতে সন্তুষ্ট থাকে। কিছুমানে আনৰ লগত নিজৰ অৱস্থাৰ তুলনা কৰি হাহুতাশ কাঢ়ে আৰু কিছুমানে ঐশ্বৰ্য্যবান আৰু সমৃদ্ধিশালী মানুহ মাত্ৰকেই সংগতে ধ্বংস কৰিব লগীয়া চিৰশত্ৰু বুলি ভাবে। এই খিনিতেই পৰশ্ৰীকাতৰতাই সামাজিক ৰূপ গ্ৰহণ কৰে। এনে ধৰণৰ এটা ভুল ধাৰণা আজি ব্যাপক ভাৱে জনসাধাৰণৰ মাজত ঠাই পাইছে। এইটো আতৰোৱা চিন্তাশীল লোক মাত্ৰৰেই কৰ্ত্তব্য।

যাক প্ৰত্যেকজন আঢ্যৱন্ত মানুহেই চোৰ, বদমাছ আৰু প্ৰতিক্ৰিয়াশীলনে ? আঢ্যৱন্ত মানুহ মাত্ৰকেই নিষ্ঠুৰ ভাৱে সংহাৰ কৰা উচিত নে ? কিন্তু বাস্তৱিকতে কিছুমানৰ মনত এনেকুৱা এটা ভাবেই আহি ঠাই পাইছে। ইয়াৰ কাৰণে দায়ী ভুল প্ৰচাৰ।

আমাৰ অৰ্থনৈতিক ব্যৱস্থাত প্ৰত্যেকজন মানুহেই নিজৰ ভৰণ পোষণ আৰু নিৰাপত্তাৰ কাৰণে নিজেই ব্যৱস্থা কৰিব লাগিব। মানুহে নিজৰ পৰিয়ালৰ ভৱিষ্যত সংস্থানৰ কাৰণে মাটি বাৰী কিনে, ঘৰদুৱাৰ সাজে আৰু বেংকত টকা থৈ দিয়ে। এই কাৰ্য্যৰ কাৰণে তেওঁলোকক কেতিয়াও দোষী কৰা উচিত নহয়। ব্যৱসায়ত লাভ কৰি মানুহ সমৃদ্ধিশালী হলে স্বাভাৱিকতে যান-বাহনাদি নানা বিলাসপোকৰণ ল'ব। এই অৰ্থনৈতিক বৈষম্যৰ কাৰণে অৰ্থনৈতিক ব্যৱস্থাহে দায়ী, সমৃদ্ধিশালী মানুহ বিলাক দায়ী নহয়। মোটা দৰমহাৰ বিষয়েও এই একে কথাই খাটে। এটা কামত দৰমহাৰ যিটো হাৰ নিৰ্দ্দিষ্ট থাকে এজন মানুহ সেই কামটোত সোমালে সেই হাৰ মতেহে দৰমহা পাব। এটা কামৰ দৰমহা যদি পাচ শ বা এহেজাৰ টকা হয় তেন্তে সেই কামটোত এজন মানুহ সোমালে তেওঁ পাচ শ বা এহেজাৰ টকাই দৰমহা পাব। সেই মানুহজনক মোটা দৰমহা পোৱা বুলি অযথা ভৎসনা কৰাটো মূৰ্খামিহে হ'ব কাৰণ দেখা দেখিকৈয়ে মোটা দৰমহা পোৱাটোত মানুহজনৰ অকনো দোষ নাই। কিন্তু বেমাৰক দোষ দিবলৈ এৰি বেমাৰীক খণ্ড কৰাৰ দৰে আজি জনসাধাৰণৰ মাজত ব্যাপক ভাৱে আঢ্যৱন্ত আৰু মোটা দৰমহা পোৱা মানুহ মাত্ৰৰেই প্ৰতি এটা তীব্ৰ বিদ্বেষৰ ভাৱে আহি ঠাই পাইছে। সাহিত্যৰ যোগেদি এনেকুৱা বিলাক ভাৱত ইন্ধন যোগাইছে কিছুমান ডিটেকটিভ উপন্যাসে। ধনীক লুট কৰি ধন নিজে ৰখা আৰু কিছু দুখীয়াক বিলাই দিয়া "ৰবীনহুডৰ এই আদৰ্শটোকে প্ৰচাৰিত কৰিব খুজিছে এই পুথিবিলাকে। আমি এই বিষয়ে বেছি নকওঁ। এনেকুৱা বিলাক ভাবধাৰা অকল যে পুথিৰ পাততে আবদ্ধ হৈ থাকে সেইটো নহয়। জনসাধাৰণো এনেকুৱা বিলাক ভাবধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হয় আৰু তাৰ দ্বাৰা বাস্তৱক্ষেত্ৰতো যে নানা অনিষ্টৰ সৃষ্টি হব পাৰে সেইটো কথা কোনেও দুই কৰিব নোৱাৰে। ডকাইতিৰ অপৰাধত অভিযুক্ত এজন ডেকাই উজনি অসমৰ এখন বিচাৰালয়ত প্ৰকাশ্য ভাৱে কৈছিল 'মই এজন ধনী মানুহকহে লুট কৰিছোঁ। সেইটো মই কোনো অপৰাধৰ কথা বুলি নধৰোঁ।" আৰু এটা ঘটনাৰ কথা উল্লেখ কৰোঁ। বোৱা ভূমিকম্পৰ খবৰ পাই এজন উচ্চ শিক্ষিত আৰু নেতৃস্থানীয় লোকে আক্ৰোশৰ সুৰত কৈ উঠিছিল "অমুকৰ তিনিতলীয়া ঘৰটো ভাঙি পৰিল নে নাই।" এনে একোটা উক্তিৰ পৰা এজন মানুহৰ জীৱন-দৰ্শন আৰু মনস্তত্ত্বৰ পৰিচয় পোৱা যায়। আমি অৰ্থনৈতিক বৈষম্য নিশ্চয়েই নিবিচাৰোঁ কিন্তু জনসাধাৰণক ভুল বাটেদি পৰিচালনা কৰা বা তেওঁলোকক নিৰপৰাধী মানুহৰ ওপৰত বিক্ষুব্ধ কৰি দিয়াটোও কেতিয়াও সমৰ্থন নকৰোঁ।

বাতৰি কাকতখন মেলিলেই আমাৰ চকুত পৰে অসমৰ চুক কোণ সকলো ঠাইৰপৰা অহা ডকাইতি আৰু নৰহত্যাৰ কথা। যি অসমত এসময়ত মানুহে দুৱাৰ দাং নমৰাকৈ গাত আঁচোৰ এটা লগাৰ ভয় নকৰাকৈ নিৰ্বিঘ্নে শুই থাকিব পাৰিছিল সেই অসমতে আওঁঠভায়া ঠাইবিলাকৰ অলপমানো টকা থকা মানুহে প্ৰাণৰ ভয়ত লৰাছোৱালীৰে সৈতে সদায় সন্ত্ৰস্ত হৈ থাকিব লাগে। নৰহত্যা আৰু ডকাইতি দৈনিক ইমান ঘটিব লাগিছে যে সেইবিলাক সাধাৰণ ঘটনা বুলি উপেক্ষা কৰা উচিত নহয়।

ইউৰোপৰ দেশবিলাকত জনসাধাৰণ কেতিয়াবা কেতিয়াবা একোটা বিপদৰ সম্মুখীন হ'লে সামাজিক শিক্ষাই তেওঁলোকক সেই বিপদৰপৰা হাত সাৰিবলৈ উপায় দেখুৱাই দিয়ে। উদাহৰণস্বৰূপে উনৈশ শতাব্দীৰ শেষ ভাগত ডেনমাৰ্কৰ খেতিয়কসকলৰ অৱস্থা শোচনীয় হৈ পৰিছিল। সেই বিপদৰ সময়ত বিছপ গ্ৰুণ্টভিগ নামে ধৰ্ম্মযাজক এজনে গাৱেঁ গাৱেঁ পাৰ্বতীয়া শিক্ষাকেন্দ্ৰ খুলি তেওঁলোকক উন্নততৰ উপায়েৰে খেতি-বাতি কৰাবলৈ শিকালে আৰু এই কামত আশাতীতৰূপে সফলো হ'ল। কৃতজ্ঞতাস্বৰূপে ডেনমাৰ্কবাসীয়ে তেওঁলোকৰ দেশৰ প্ৰায়বিলাক বয়স্কশিক্ষাৰ পঢ়াশালিতেই গ্ৰুণ্টভিগৰ মৰ্ম্মৰ মূৰ্ত্তি স্থাপন কৰি তেখেতৰ নাম জগতত চিৰস্মৰণীয় কৰি পেলালে। আজি অসমতো এনে পৰিস্থিতিৰ সময়ত সমাজৰ বা-বতাহ সুস্থতাৰে পৰিচালিত

কৰাত সামাজিক শিক্ষাৰো এটা বিশেষ দায়িত্ব আছে। যুটিছ চৰকাৰৰ প্ৰৱৰ্ত্তিত সমাজ ব্যৱস্থা আঁতৰাই মহাত্মাৰ প্ৰদৰ্শিত অহিংস পথেৰে ধনী দুখীয়াৰ মাজৰ বিৰাট ব্যৱধান গুচাই সকলোকে অভাৱ অনাটনৰপৰা মুক্ত কৰি এখন সমৃদ্ধিশালী ভাৰত গঢ়ি তুলিবলৈ আমাৰ জাতীয় চৰকাৰে স্বাধীনতা লাভৰ দিনৰপৰাই চেষ্টা কৰি আহিছে। আমি সকলোৰে মুঠ বান্ধি এই লক্ষ্যৰ পিনে আগুৱাই গ'লে অচিৰে যে সাফল্য লাভ কৰিব পাৰিম সেইবিষয়ে কোনো সন্দেহ নাই।

এতিয়া আমি পৰশ্ৰীকাতৰতাৰ আন আন ৰূপৰ বিষয়ে আলোচনা কৰিম। যি কোনো বিষয়ে লোকৰ ভাল সহ্য কৰিব নোৱাৰাটো পৰশ্ৰীকাতৰতা। পৰশ্ৰীকাতৰ মানুহৰ আনৰ ধন-সম্পত্তি দেখিলে যেনেকৈ চকু পোৰে সেইদৰে আনৰ সদগুণবিলাক দেখিলেও চকু পোৰে। ধৰক এজনে সাহিত্যক্ষেত্ৰত উন্নতি কৰিছে। আন এজনে সেইটো সহ্য কৰিব নোৱাৰি তেওঁৰ সাহিত্য-প্ৰতিভাক হেয় প্ৰতিপন্ন কৰিবৰ কাৰণে মিছা প্ৰচাৰ কৰিবলৈ ধৰিলে। এজনে পৰীক্ষাত ভাল কৰিম বুলি খুব মনোযোগেৰে পঢ়িছে। আন এজনৰ সেইটো দেখি গা পুৰিবলৈ ধৰিলে আৰু পৰীক্ষাৰ সময়ত সিজনৰ কিতাপবিলাক লুকুৱাই থ'লে। এজনে ভাল কাপোৰ পিন্ধি সকলোৰে প্ৰশংসা লাভ কৰিছে। আন এজনে সেইটো সহ্য কৰিব নোৱাৰি মনে মনে মানুহজনৰ ভাল কাপোৰখনত এটা মচিব নোৱাৰা দাগ লগাই দিলে। এজনে পদোন্নতি কৰিব খোজা দেখি আন এজনে উৰ্দ্ধতন কৰ্ত্তৃপক্ষৰ ওচৰলৈ বেনামী চিঠি দি তেওঁৰ বিপক্ষে কথা লগালে। এজন চিকিৎসকে আন এজন চিকিৎসকৰ আৰু এজন সঙ্গীতজ্ঞই আন এজন সঙ্গীতজ্ঞৰ নিন্দা কৰা সদায়েই দেখা যায়। কিছুমান মানুহে আনৰ গুণগৰিমা শুনিলে সেই ঠাইৰপৰা উঠি গুচি যায়। কিছুমান মানুহে সদায় কেনেকৈ আনক তললৈ নমাই আনিব পাৰে সেইবিষয়ে সততে চিন্তা কৰি থাকে। এইদৰে আমি আমাৰ দৈনন্দিন জীৱনত মানুহে পৰশ্ৰীকাতৰতাৰ বশৱৰ্ত্তী হৈ বহুতো নীচ কাম কৰা সততেই দেখিবলৈ পাওঁ।

বহুত জন্মৰ মূৰতহে মানুহ দেৱতা হয় আৰু কোটি কোটি মানুহৰ ভিতৰতহে এজন দেৱতা হয়। গতিকে আমাৰ সাধাৰণ মানুহৰ পক্ষে পৰশ্ৰীকাতৰতাৰ ভাৱ মনলৈ অহা একো অস্বাভাৱিক কথা নহয়। নিজৰ শোচনীয় অৱস্থাৰ লগত আনৰ স্বচ্ছল অৱস্থা তুলনা কৰি এই ভাৱ আমাৰ মনলৈ অহাটো স্বাভাৱিক। কিন্তু এই ভাৱ মনলৈ আহিলেই আমি নিজক সংযত কৰা উচিত আৰু অন্যায় ভাৱে কেতিয়াও নিৰ্দ্দোষী মানুহৰ অনিষ্ট কৰিবলৈ যোৱা উচিত নহয়।

—সম্পাদক—

বিচাৰক (মাৰ পিটৰ অপৰাধত অভিযুক্ত আচামীৰ প্ৰতি) —এই সাধাৰণ কথাবোৰ তোমালোকে কাছাৰীৰ বাহিৰতেই মীমাংসা কৰিব লাগিছিল।

আচামী—হুজুৰ, আমিতো তাকেই কৰিব খুজিছিলোঁ, পুলিচেহে ধৰি আনিলে।

পূজাৰ কেইদিন

দুৰ্গাপূজা। সকলোৰে মনত উখল মাখল লাগিছে। মইয়ো সেই আনন্দত গা উজান দি অলপ ফুৰি আহোঁ বুলি পাণবজাৰলৈ ওলালোঁ। এঠাইত এটা মানুহক ভৰিৰ বস্তা যা এডোখৰ দেখুৱাই পৰি থকা পালোঁ। কাষেদি অসংখ্য মানুহ আহিছে গৈছে। কোনেও তালৈ কাণ কৰা নাই। হঠাত ৰিক্সাৱালা এটাই ৰিক্সাখন ৰখাই তাৰ কাষত বহিলহি। মুখত তাৰ বেদনাৰ ভাৱ এটা ফুটি উঠিছে। সি অলপ সময় বৈ মগনীয়াটোক পইচা এক অনানে কি দি আকৌ ৰিক্সা চলাই গুচি গ'ল। ঘটনাটো লক্ষ্য কৰিলোঁ। কাষেদি মানুহ আহি আছিল গৈ আছিল, কিন্তু এই সকলোৰে ভিতৰত একমাত্ৰ কিয় এই শুদাগাৰে থকা লেংটি পিন্ধা, দুখীয়া ৰিক্সাৱালাটোৱেহে মগনীয়াটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলে? ই তাৰ জীৱনত এসময়ত নিশ্চয় চৰম দাৰিদ্ৰত উপনীত হৈ অশেষ দুখ কষ্ট ভোগ কৰিছিল। সেয়েহে মগনীয়াটোৰ কাতৰোক্তিয়ে সহজতে তাৰ মনোযোগ আকৰ্ষণ কৰিলে। কথা বিলাক ভাবি বহু পৰ তভক মাৰি থাকিলোঁ। কিন্তু এই মগনীয়াবিলাকৰ বিষয়ে আমাৰ অলপ কবলগীয়াও আছে! সেই বিষয়ে পাচত কম।

গোঁসানী উটুৱাবলৈ গলোঁ। লোকে লোকাৰণ্য। এই দিনাৰ দৰে নগৰৰ কাছাৰীঘাটত বছৰৰ কোনোদিনেই ইমান বিপুল জনসমাগম নহয়। কৃত্ৰিম পোহৰত জলমলাই থকা নাঁৱৰ ওপৰৰ ধুনীয়া ধুনীয়া প্ৰতিমা কেইখন আৰু নানা জাতি নানা সম্প্ৰদায়ৰ সুবেশ মতা তিৰোতাৰ বিৰাট জনতাক দেখি মনলৈ ভাৱ আহিল— পূজাত মানুহৰ মনলৈ শুদ্ধ সাত্ত্বিক বা অন্যায় অধৰ্ম্মৰূপ অসুৰ সংহাৰ কৰা ক্ষাত্ৰোচিত ৰাজসিক ভাৱ নাহিলেও দুৰ্গাপূজা যে হিন্দুসমাজৰ এটা ডাঙৰ সামাজিক অনুষ্ঠান তাত কোনো সন্দেহ নাই।

এইবাৰ এটা কথা বিশেষকৈ অনুভৱ কৰিলোঁ। পূজাৰ দৰে এটা ডাঙৰ সামাজিক অনুষ্ঠানত সমাজৰো কিছুমান কৰ্ত্তব্য আছে। তাৰে ভিতৰত এটাৰ কথা ইয়াত উল্লেখ কৰিম।

সকলোৱে জানে যে পূজাৰ কেইদিনত বিশেষকৈ গোঁসানী উটুৱাৰ দিনা অসংখ্য মানুহৰ সমাগম হোৱাত এটা বিশৃঙ্খলতা উপস্থিত হয়। বিৰাট জনতাৰ সকলোৱেই যে ভক্তিভাৱত গদগদ হৈ গোঁসানী উটুৱা চাবলৈ যায় এনে নহয়। কিছুমান দুৰ্বৃত্তই আকৌ এনেকুৱা বিলাক বিশৃঙ্খলতাত নিজৰ কুপ্ৰবৃত্তিবিলাক চৰিতাৰ্থ কৰিবলৈ সুযোগ বিচাৰি ফুৰে। বছৰেকৰ দিনা ডাঙৰ ডাঙৰ নগৰবিলাকত পূজাতেই আটাইতকৈ বেছি জনসমাগম হয়। প্ৰত্যেক নগৰতেই বহুতো সংঘ, সমিতি আৰু অনুষ্ঠান থাকে। এই বিলাকে পূজাৰ কেইদিন স্বেচ্ছাসেৱক বাহিনী গঠন কৰি শৃঙ্খলা আনিবলৈ চেষ্টা কৰা উচিত।

পূজাৰ সময়ত চোৰাৰ সম্ভাৱনা থকা বিপদ এটাৰ কথা ইয়াত উল্লেখ কৰোঁ। গোটেই পৃথিৱীতে 'হোৱাইট স্লেভ ট্ৰেফিক' বা গণিকাবৃত্তিৰ কাৰণে ছোৱালী সংগ্ৰহৰ ডাঙৰ ব্যৱসায় এটা আছে। আমাৰ ভাৰতবৰ্ষতো এই ব্যৱসায়ৰ 'দত'বিলাকে ছোৱালী সংগ্ৰহ কৰিবলৈ গোটেই দেশতে চুকে কোণে বিয়পি দি ফুৰে। ভাৰতবৰ্ষৰ আন আন প্ৰদেশত নাবালিকা হৰণৰ কথা বাতৰি কাকতত প্ৰায়েই পোৱা যায়। আমাৰ অসমতো এই ব্যৱসায়ী বিলাকে ইতিমধ্যতে যে পাং পতা নাই সেইটো কোনে জানে?

সৰু লৰাও চুৰি হয়। কিন্তু মুখ্যকৈ আন কাৰণে। কিছুমান বছৰ আগেয়ে বোম্বেৰ এটা দলৰ কথা পঢ়িছিলোঁ। এই দলটোৱে জন্মৰ পৰা হোৱা কণা, কুজা, লেঙেৰা, ভেঙুৰ আৰু কুষ্ঠ ৰোগ গ্ৰস্ত মানুহকো সংগ্ৰহ কৰেই তাৰ উপৰি সৰু সৰু লৰা ধৰি নি বিকলাঙ্গ কৰি মগনিয়াৰ বৃত্তি অৱলম্বন কৰিবলৈ বাধ্য কৰায়। এইবিলাকৰ

আৰ্জনৰ পৰা দলৰ ভৰণ পোষণ চলে। নগৰৰ ঠায়ে ঠায়ে এনেকুৱাবিলাক মানুহক বহুবাই দিনটোৰ শেষত কাঠৰ গাৰীবে বা বোকোচাত তুলি কঢ়িয়াই লৈ যোৱা হয়।

লৰা-ছোৱালীৰ বাপেক মাক আৰু অভিভাৱক সকলে সকলো সময়তে বিশেষকৈ পূজা আদিত হোৱা বিশৃঙ্খলতাৰ সময়ত যিমানদূৰ সম্ভৱ সাৱধনতা অৱলম্বন কৰি চলা উচিত।

—সম্পাদক।

[মণিপুৰী ৰাস নৃত্য]

—জয়ন্তীৰ সৌজন্যত।

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষক-সকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলম লৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

এইবাৰৰ এই শিতানত আমি প্ৰথমতেই এই সংখ্যাত ওলোৱা প্ৰবন্ধ বিলাকৰ বিষয়ে আলোচনা কৰিম। শ্ৰীপদ্মকান্ত হাজৰীকাৰ ইয়াৰ আগেয়ে "পানী মেটেকাৰ" বিষয়ে ওলোৱা প্ৰবন্ধটোৱে গোটেই অসমৰ বহুতো শিক্ষিত খেতিয়ক সকলৰ মাজত এটা উছাহ উদীপনাৰ সৃষ্টি কৰিছে; 'অধিক শস্য উৎপাদনৰ' নিচিনা এটা অত্যাৱশ্যকীয় বিষয়ত 'জনশিক্ষা আলোচনী' খনিয়ে ধানখেতিমানো যে বৰ-গুণি যোগাব পাৰিছে সেই কাৰণে আমি লিখকক ওলগ জনোৱাৰ লগে লগে কাকতখনৰ উদ্দেশ্যও সফল হোৱা বুলি মনত ভাবিছোঁ।

বিপ্লৱী কবি শ্ৰীৰঘুনাথ চৌধাৰীৰ 'আমাৰ দিনৰ গুৱাহাটী' প্ৰবন্ধটোৱে আমাৰ চকুৰ আগত বহুত বছৰৰ আগৰ গুৱাহাটী নগৰৰ চিত্ৰ এখন দাঙি ধৰে। কোনো লোকে এই নগৰৰ বুৰঞ্জী লেখিলে এই প্ৰবন্ধৰ পৰা কিছু সমল পাব। তেতিয়াৰ গুৱাহাটীৰ লগত এতিয়াৰ গুৱাহাটীৰ তুলনা কৰি বহুত কথা শিকিব আৰু জানিব পাৰি।

টলষ্টয়ৰ গল্পবিলাক কেতিয়াও পুৰণি নহয়। এইবিলাকৰ সত্য সকলো কালতে আৰু সকলো দেশতে খাটে। এই সাৰ্ব্বজনীনতাৰ কাৰণে টলষ্টয়ক বিশ্বমানৱ আখ্যা দিয়া হয়। সাধাৰণ তুচ্ছ কথা এটালৈ দুজন মানুহৰ ভিতৰত লগা কাজিয়াৰ পৰা কেনেকৈ দুটা পৰিয়ালৰ মাজতো কলহৰ সৃষ্টি হয় আৰু সেই কলহৰ পৰা হোৱা গোচৰ মকৰ্দ্দমাৰ পৰা কেনেকৈ দুয়োটা পৰিয়ালো উৎসন্ন হৈ যাব পাৰে এই কথাটোৰ প্ৰমাণ বিচাৰিবলৈ বেছি দূৰলৈ নগৈও আমাৰ গাওঁ ভূঁইবিলাকতেই পোৱা যাব। "ফিৰিঙতি এটাৰ পৰা খাণ্ডৱ দাহ" নামে গল্পটোৱে এনেকুৱা ঘটনা এটা নিখুঁট ভাবে বৰ্ণাইছে। এই গল্পটো পঢ়ি সকলোৱে বিশেষকৈ আমাৰ গাওঁলীয়া সমাজ লাভৱান হ'ব।

আমাৰ অসমৰ গাওঁবিলাকৰ বাৰীৰ চুকে কোণে বা য'তে ত'তে যথেষ্ট দ্ৰব্যগুণ থকা গছগছনি পাত পোৱা যায়। শ্ৰীবৈকুণ্ঠ বেজবৰুৱাৰ পচলীয়া প্ৰবন্ধটোৱে এই অৱহেলিত বনৌষধি বিলাকৰ প্ৰতি মানুহৰ আগ্ৰহ জন্মোৱাত সহায় কৰিব। আজিৰ এই অৰ্থনৈতিক দুৰ্দ্দিনৰ দিনত কম খৰচতে কচিকৰ আঞ্জা ৰান্ধিবলৈ শিকাটো অকল টকাৰ ফালৰ পৰাই যে লাভজনক সেইটো নহয় স্বাস্থ্যৰ কাৰণেও আমাৰ পুৰণি ধৰণৰ ঘৰুৱা আঞ্জাবিলাক উপকাৰী। তিতা, কেহা, খাৰ, পাতত দিয়া, পিটিকা, খৰিকাত দিয়া, পোৰা বস্তু আৰু কচু, মাটি মাহ, শাক

পাত, ঢেকিত খুন্দা চাউল আদিত স্বাস্থ্যৰ কাৰণে উপকাৰী খনিজ পদাৰ্থ আৰু খাদ্যপ্ৰাণ থাকে। অসমৰ মানুহে এইবিলাকক গাৱঁলীয়া বস্তু বুলি অৱজ্ঞাৰ চকুৰে চাইছিল। কিন্তু এতিয়া গুণাগুণ বুজি জনালোকে এইবিলাকক আদৰ কৰিবলৈ ধৰিছে। গতিকে কম খৰচতে যৰুৱা কচিকৰ আঞ্জা প্ৰবন্ধটো বৰ সময়োপযোগী হৈছে। শাক পাত শুকাই বাঁহৰ চুঙাত ভৰাই আৱশ্যক মতে পিচত আঞ্জা কৰি খোৱা প্ৰথা নেপালী সকলৰ মাজতো দেখা যায়।

ছৰাবোগ্য ৰোগত ভোগা গাঁৱলীয়া ডেকা এজনে উপদেশ বিচাৰি আমালৈ চিঠি এখন লেখিছে। "জন-শিক্ষা'ৰ পাঠক পাঠিকা সকলে তেখেতক সৎ পৰামৰ্শৰ দ্বাৰা বা আন উপায়েৰে সহায় কৰিবলৈ চেষ্টা কৰিব বুলি আশা কৰি আমি চিঠিখন ইয়াত প্ৰকাশ কৰিলোঁ। এজনৰ দুখত দহজনে উবুৰি খাই পৰাৰ কথা আমি 'ৰিডাৰ্চ ডাইজেষ্ট' নামে বিখ্যাত আলোচনীখনত প্ৰায়েই পঢ়িবলৈ পাওঁহঁক। আমাৰ ইয়াতো তেনে ধৰণৰ সমাজ সেৱাৰ মনোবৃত্তি গঢ়ি তুলিব পাৰিলে দেশৰ মঙ্গল।

নতুনকৈ লেখা পঢ়া শিকাসকল বা নিচেই সাধাৰণভাৱে লেখা-পঢ়া জনাসকলৰ বাবে উপযুক্ত প্ৰবন্ধ কিছুমান লাগে বুলি আমি ইয়াৰ আগেয়েও কৈ আহিছোঁ। কিন্তু দুখৰ বিষয় এনে ধৰণৰ প্ৰবন্ধ কদাচিতহে আমাৰ হাতত পৰে। এই প্ৰবন্ধবিলাকৰ বাক্যবিলাক নিচেই চুটি হোৱা উচিত। যুক্তাক্ষৰ নথকা শব্দ আৰু আমি সচৰাচৰ যিবিলাক শব্দ ব্যৱহাৰ কৰোঁ সেইবিলাক শব্দহে এনে ধৰণৰ প্ৰবন্ধত ব্যৱহাৰ কৰা উচিত। কোনো নতুন শব্দ শিক্ষাৰ্থীক শিকাব খুজিলে সেই শব্দ, প্ৰবন্ধত কেবাবাৰো ব্যৱহাৰ কৰিব লাগে যাতে তেওঁৰ মনত দৃঢ়কৈ শব্দটোৰ সাঁচ বহি যায়। উপদেশমূলক সাকৰা গল্পৰ বাহিৰেও জানিব লগীয়া সকলো বিষয়কেই এই প্ৰবন্ধবিলাকৰ যোগেদি শিকাব পাৰি। এই প্ৰবন্ধবিলাক আমি ডাঙৰ ডাঙৰ আখৰত ছপাওঁ। দেশৰ মঙ্গল ইচ্ছা কৰা শিক্ষিত লোক সকলে অলপ কষ্ট কৰি হলেও এনে ধৰণৰ কিছুমান প্ৰবন্ধ লেখিলে জনসাধাৰণৰ প্ৰতি এটা প্ৰকৃত সেৱাৰ কাম হ'ব। অসমলৈ কেইমাহমান আগেয়ে অহা বয়স্ক শিক্ষাৰ গুৰু মিঃ ফ্ৰাঙ্ক লওবাকেও এই কথাৰ ওপৰত বিশেষ গুৰুত্ব দিছে।

সমালোচনাৰ বাবে আমি ভালেখিনি পুথি আৰু আলোচনী পাইছোঁ। অহা সংখ্যাত আমি গোটেইবিলাকৰে একেলগে সমালোচনা প্ৰকাশ কৰিবলৈ যত্ন কৰিম।

ভাৰত চৰকাৰে ভাষাৰ ভেটিত প্ৰদেশবিলাক গঠন কৰিবলৈ সংকল্প কৰিছে। এইটো কাৰ্য্যকৰী কৰিবলৈ হ'লে আমিও আমাৰ অসমত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ কাৰণে যথাসাধ্য চেষ্টা কৰিব লাগিব। অসম চৰকাৰৰ সামাজিক শিক্ষা বিভাগৰ মুখপত্ৰ 'জনশিক্ষা' আলোচনী খনিয়ে জনসাধাৰণক স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰাৰ উপৰিও ক্ষুদ্ৰ শক্তিৰে অসমীয়া ভাষা আৰু সাহিত্যৰ অলপমান সেৱা কৰিবলৈও চেষ্টা কৰি আহিছে। গতিকে অসমীয়া ৰাইজে এইখন কেৱলমাত্ৰ সামাজিক শিক্ষা বিভাগৰ মুখপত্ৰ বুলি নাভাবি প্ৰবন্ধ পাতি পঠিয়াই আৰু গ্ৰাহক হৈ টনকিয়াল কৰিবলৈ যত্ন কৰে যেন। এয়ে আমাৰ গোহাৰি।

জনশিক্ষা



১৪শ বছৰ [১৮৭৫ শক পুহ-মাঘ ইং ১৯৫৪] ৫ম সংখ্যা

[অসম কংগ্ৰেছ-নেতাসকলৰ সৈতে নগা শুভেচ্ছা মিছনৰ সদস্যসকল]

সম্পাদক—শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা

4 ANNAS

—পোৱাৰ ঠাই—
সামাজিক শিক্ষা অ'ফিচ, গুৱাহাটী।

"অন্ধকাৰৰ পৰা পোহৰলৈ নিয়া
অজ্ঞানৰ পৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰ পৰা নি অমৰত্ব দান কৰা"।

—উপনিষৎ।

সূচী...পত্ৰ

১। আমাৰ নিৰক্ষৰ সমস্যা — শ্ৰীডিম্বেশ্বৰ চাংমাই

২। নন্দা - অধ্যাপক শ্ৰীতাৰিচন্দ্ৰ ভট্টাচাৰ্য্য এম এ

৩। জাপানী পদ্ধতিৰে শালিধানৰ খেতি — মৌঃ চৈয়দোৰ ৰহমান

৪ সমাজ সেৱাত পুথি ভঁৰাল — - শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা

৫। সদৌ ভাৰত বুনিয়াদী শিক্ষা সন্মিলনৰ নৱম অধিৱেশন — শ্ৰীপফুল্ল চন্দ্ৰ দত্ত বি, এ

৬। হেলোৱানৰ গাৰ নিৰাকৰণ আৰু ৰাইজৰ কৰ্ত্তব্য - ডঃ মধুৰ চন্দ্ৰ সেন।

৭। ফিৰিঙতি এটাৰ পৰা খাণ্ডৱ দাহ - শ্ৰীনাৰায়ণ শৰ্ম্মা।

৮। ঋণ মুক্ত — শ্ৰীহৰকান্ত দাস। এম এ, বি, এল

৯। নৱজ্যোতি পুথিভঁৰাল — শ্ৰীত্ৰিথেশ্বৰ গগৈ

১০। লোভৰ পৰিণাম - — -শ্ৰীমাণিক চন্দ্ৰ গগৈ

১১। আকস্মিক দুৰ্ঘটনা — — শ্ৰীবসন্ত সেন ডেকা

১২। সংস্থাৰ সাহিত্য ভাণ্ডাৰ —সম্পাদক—

১৩ দুদিনৰ ডায়েৰী - —সম্পাদক -

১৪। অসমৰ জন সংখ্যা ৫০ বছৰত কিমান লাখৰো অধিক বাঢ়িল

১৫। গোৱা পুথিৰ পৰিচয়

১৬। আমাৰ আলোচনা।



১৪শ বছৰ { ১৮৭৫ শক, পুহ-মাঘ, ইং ১৯৫৪ } ৫ম সংখ্যা

আমাৰ নিৰক্ষৰ সমস্যা

শ্ৰীডিম্বেশ্বৰ চাংমাই

ভাৰতৰ জনসাধাৰণ অধিকাংশই যে অশিক্ষিত আৰু ইয়াৰ মাত্ৰা প্ৰবল হোৱাৰ কাৰণেই যে ভাৰতে আজি অন্যান্য উন্নত দেশৰ লগত ফেৰ মাৰিব পৰা নাই তাক আজি কোনো মানুহেই নুবুজাকৈ থকা নাই। শিক্ষাৰ অভাৱতেই অশিক্ষিত লোক সাধাৰণৰ মাজত বিশেষকৈ গাঁৱলীয়া অঞ্চলত স্বাস্থ্য ৰক্ষাৰ দৈনন্দিন নিয়ম-প্ৰণালীবিলাক অবিদিত হৈ আছে। এই নিৰক্ষৰতাই অসম তথা ভাৰতবৰ্ষৰ উন্নতিৰ প্ৰধান অন্তৰায়।

কিন্তু অতি সুখৰ বিষয় যে বৰ্ত্তমান জাতীয় চৰকাৰে নিৰক্ষৰতা দূৰীকৰণাৰ্থে জনশিক্ষা অভিযান কাৰ্য্য হাতত লৈছে আৰু বহু ঠাইত নৈশ বিদ্যালয় স্থাপন কৰি প্ৰাপ্তবয়স্কলোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। সম্ভৱ অদূৰ ভবিষ্যতে সমগ্ৰ দেশতে উক্ত প্ৰচেষ্টা ফলৱতী হব।

গাঁৱলীয়া অঞ্চলৰ জনসাধাৰণৰ মাজৰপৰা নিৰক্ষৰতা দূৰ কৰা সমস্যাটো নগৰীয়া অঞ্চলৰ সমস্যাতকৈ কিছু জটিল। কাৰণ গাঁৱত শিক্ষা দিবৰ কাৰণে উপযুক্ত শিক্ষিতলোকৰ সংখ্যা কম। তদুপৰি গাঁৱলীয়া জনসাধাৰণৰ মাজত বিশ্বাস জন্মাব পৰা সহজসাধ্য নহয়। কাজেই নিৰক্ষৰতাৰ বিৰুদ্ধে অভিযান চলোৱাৰ পূৰ্ব্বে লোকসমূহৰ মাজত বিশ্বাস জন্মাব লাগিব যে "এই শিক্ষা সিবিলাকৰ কাৰণে বিশেষ অপৰিহাৰ্য্য আৰু ই তেওঁলোকৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বহু পৰিমাণে সহায় কৰিব, শিক্ষা লোৱাৰ প্ৰণালী অতি সহজ হোৱাৰ কাৰণে তেওঁলোকে অনায়াসে কম দিনৰ ভিতৰতে কৃতকাৰ্য্য হব পাৰিব ইত্যাদি।" জনশিক্ষাৰ অন্য এটা মুখ্য অন্তৰায় হৈছে গাঁৱৰ লোকসমূহৰ অৰ্থাভাৱ।

কেৱল মাত্ৰ লিখিব আৰু পঢ়িব জনা কৰিব পাৰিলেই অভিযানৰ কৰ্ত্তব্য শেষ নহয়। তাৰ বাহিৰেও মানৱ জীৱনৰ বাস্তৱতা উপলব্ধি কৰিব পৰা শিক্ষাদিয়াৰ ব্যৱস্থা থাকিব লাগিব। সেইকাৰণে প্ৰত্যেক গাওঁ বা দুই তিনিখন গাঁৱৰ মাজত একোখনি উপযুক্ত পুথিভৰাল স্থাপন কৰিব লাগিব।

আমাৰ উঠি অহা শিক্ষিত যুৱক-যুৱতীসকলে চৰকাৰলৈ বাট নাচাই নিৰক্ষৰতা দূৰীকৰণাৰ্থে বিশেষ অংশ গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে সমাজ তথা এখন ৰাষ্ট্ৰক উন্নতিৰ পথত আগুৱাই লৈযাব পাৰে। তাৰেকে লাগে আত্মবল, উদ্যম আৰু একাগ্ৰতা।

কিন্তু এই অভিযান এটি ডাঙৰ কাম। এই কামত চৰকাৰ আৰু ৰাইজৰ সমূহীয়া প্ৰচেষ্টা আৰু সহযোগ লাগিব। আহক! আমি আজিয়েই সঙ্ঘবদ্ধ হৈ ত্যাগ আৰু সেৱাৰ মন্ত্ৰেৰে বলীয়ান হৈ নিঃস্বাৰ্থভাৱে জাতিক জীয়াই ৰাখিবলৈ—দেশ উন্নয়ন সংগ্ৰামত লিপ্ত হবলৈ আৰু নিৰক্ষৰতা দূৰীকৰণ অভিযানত আত্মনিয়োগ কৰিবলৈ সঙ্কল্প গ্ৰহণ কৰোহঁক।

কেন্দ্ৰীয় চৰকাৰে দেশত সামাজিক শিক্ষাৰ প্ৰসাৰৰ কাৰণে এখন আঁচনি হাতত লৈছে। বৰ্ত্তমান এই আঁচনিৰ কাম ডাঙৰ ডাঙৰ চহৰ বিলাকতে সীমাবদ্ধ হৈ থাকিব। মিউনিচিপেলিটিৰ কৰ্ত্তৃপক্ষ, বেচৰকাৰী শিক্ষা বিষয়ক অনুষ্ঠান, স্বাধীন ভাৱে কৰা বাস্তুহৰা অনুষ্ঠান আৰু আন আন চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান বিলাকে এইবিলাক কামৰ দায়িত্ব বহন কৰিব। বৰ্ত্তমান আঁচনি মতে কেন্দ্ৰীয় চৰকাৰে এই কেন্দ্ৰ বিলাকক শিক্ষক সকলৰ দৰমহা আৰু আন আন খৰচৰ বাবদ শতকৰা ৫০\ দিব। ১৯৫৩-৫৪ খৃষ্টাব্দৰ ভিতৰত ৩০০০ কেন্দ্ৰ আৰু ১৯৫৪-৫৫ খৃষ্টাব্দৰ ভিতৰত ৫০০০ কেন্দ্ৰ স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰবিলাকক নিৰ্দ্দেশ দিছে।

নন্দা

অধ্যাপক শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য এম্.এ

ছোৱালীৰ নাম যেন লাগে, কিন্তু ছোৱালী নহয়। পুৰাণৰ সাধু—জীৱ-জন্তুৱেও মানুহৰ ৰূপ লয়; মানুহৰ নাম লয়, মানুহৰ দৰে কাম কৰে; দেৱতায়ো ওভতগোৰে নাচি নাচি কেলিকৰে মানুহেও দেৱতাৰ দৰে শূইনত ডেও দি ডেওপাৰি ফুৰে—পানীত শিল ওপঙে।

তাহানিখনৰ কথা। ভাৰতবৰ্ষত প্ৰভঞ্জন নামেৰে এজন ৰজা আছিল। চিকাৰী ৰজা তেওঁ। চিকাৰলৈ মন মেলি এদিন তেওঁ হাবি পালেগৈ। গৈয়েই কাড় মাৰিলে এজনী হৰিণীলৈ। সেই সময়ত তাই পোৱালিক গাখীৰ খুৱাই আছিল। একেপাট কাড়ৰ আঘাতত তাই মাটিত বাগৰি পৰি ছট্‌ফটাবলৈ ধৰিলে। চিকাৰী কাষলৈ অহাত তাই গুজৰি গুমৰি কৈ উঠিল—"তয়েই সেই নৰপিশাচ নহয়? উঃ! যন্ত্ৰণা!" চিকাৰী নিমাত। 'মানুহহৈ' পশুৰ দৰে আচৰণ কৰিছ তই। শাস্তি তোৰ হবইযে লাগিব—মানুহ গুচি তই পশু হব লাগিব। এনে নিষ্ঠুৰ অমানুষিক কাৰ্য্যৰ বাবে তই নিষ্ঠুৰ জন্তুলৈ পৰিণত হব লাগিব।

ৰজা—নিষ্ঠুৰ জন্তুলৈ পৰিণত হব লাগিব। হায় বিধি!

হৰিণী—এৰা সেয়ে। তই হবি এটা বাঘ।

চিকাৰী ৰজাই কেউপিনে চকুৰে ধোৱা দেখিলে। মুখত মাত নাইকিয়া হল। বহুত বেলিৰ মূৰত থক্ থক্‌কৈ কপিঁ কপিঁ আধাফুটা মাতেৰে লাহেকৈ সুধিলে—

ৰজা—নিস্তাৰৰ কিবা উপায়—!

হৰিণী—নিস্তাৰৰ উপায়! নিস্তাৰৰ উপায়! পাষণ্ড! নৰপিশাচ!

ৰজা—মাতৃ মোৰ! জননী মোৰ! ক্ষমা. ক্ষমা কৰা দেৱী—!

হৰিণী—ক্ষমা! বাক শুন তেন্তে—

এটা নাম মনত ৰাখিব পাৰিবি?

ৰজা—কি নাম?

হৰিণী—'নন্দা'।

ৰজা—তাৰ পাচত?

হৰিণী—বাঘ ৰূপ লৈ হাবিত ঘূৰি ফুৰিবি, ঘুৰি-ফুৰিবি। বহুদিন বহু-দিনৰ পাচত এদিন তোৰ কাণত পৰিব এটি সুৰঙ্গা নাম 'নন্দা'। এই নাম শুনা মাত্ৰকে তই পাপ মুক্ত হব পাৰিবি। ইমানেই।

ৰজা—নন্দা! নন্দা॥ নন্দা! প্ৰভু, মনলৈ আনিবা নন্দা নাম মোৰ।

সামান্য হৰিণী এজনীৰ মুখত এনে অসামান্য বচন শুনি ৰজাই একোকে টলকিব পৰা নাই। চাওঁতে চাওঁতেই সিটো বাঘমূৰ্ত্তিলৈ ৰূপান্তৰিত হল। দুঠেঙীয়া মনিচে চাৰি ঠেঙীয়া পশুৰ ৰূপ ধৰি প্ৰমাদ গণিলে। একৈশখন ব্যঞ্জনেৰে সোণৰ থালত অন্ন ভোজন কৰা ৰজাৰ ভাগ্যত আজি পৰিছে জন্তুৰ ডকৃডকীয়া কেচা মঙহ; ৰূপহী লিগিৰীহঁতৰ শুৱনি হাতেৰে সজোৱা পৰোৱা সুকোমল পালেং খনিৰ বদলি আজি তেওঁ পাইছে

কাঁইটীয়া ঘাঁহনি বননিৰ মেৰ এটা, ওখোৰা মোখোৰা পকা চপৰাৰ দ'ম এটা ।

বাঘৰূপ পালেও তেওঁ কিন্তু আগৰ কথাবোৰ মুঠেই পাহৰা নাই। তাহানিৰ সুখৰ দিনবোৰ সুঁৱৰি সুঁৱৰি আজি তেওঁৰ কটা ঘাত চেঙা তেল পৰিছে মাথোন। নিশাচৰ জন্তু—গোটেই নিশা হাবিত টহল্ দিয়ে আৰু দিনত পঠালিচকুৱাৰ ভয়ত বিশেষকৈ, কৰবাত লাং খাই চকু মুদি পৰি থাকে। এইদৰে প্ৰায় এশ বছৰ গল।

সেই হাবিখনত এজনী গাই-গৰু আছিল। তাই দেখাই-দৰশনে বৰ চকুতলগা। এদিন এজাক গৰখীয়া লৰাৰ গীত-মাত শুনি শুনি তাই ৰ লাগি চাই আছে; এনেতে আগফালে ওলালহি ঢলং পলংকৈ এটা মস্ত বাঘ। দেখা পাই তাইৰ চুৰ্ত্তি হেৰাল। শকত-আৱত এনে এজনী নিপোটল গাই হাতত পাই বাঘৰ জিভাৰ পানী সৰ্ সৰ্ কৰে পৰিবলৈ ধৰিছে। সি এতিয়া তাইক ধৰে। তেতিয়া ভয়ত কঁপি কঁপি তাই থোকা-থুকি মাতেৰে বাঘৰ ওচৰত মিনতি জনালে এই বুলি—'মোক খন্তেক মাথোন এৰি দিয়া প্ৰভু, পোৱালি কণক খুৱাই আহোঁগৈ। পানীকেচুৱা পোৱালি মোৰ। সিদিনা মাথোন জগিছে। অন্তপৰে মোক দেখা নাপাই সি ছাগৈ কতবাৰ হেম্বেলিয়াইছে। মোক পাবলৈ বিয়াকুল হৈ ৰৈ আছে।'

মায়া মমতাহীন নিদাৰুণ জন্তু বাঘ। হাতত তাৰ ভক্ষ্য পায়ো সি সহজাই এৰি দিব কিয়। গদ্ গদ্ মাতেৰে সি কৈ উঠিল—'সেইটো হব নোৱাৰে; তোক মই এৰি দিব নোৱাৰিম। মৃত্যুৰ নিমিত্তে প্ৰস্তুত হ তই—এয়ে শেষ কথা।'

সদ্যপ্ৰসূতা জননী তাই—গোটেই পৃথিবী একালে, আৰু তাইৰ সেই পোৱালিকণ অকলেই একালে এশবাৰ তাই বাঘৰ চৰণ চুই স্তুতি-মিনতি কৰিলে, ঘূৰি আহিম বুলি, এশবাৰ শপত খাই যাবলৈ অনুমতি বিচাৰিলে। মাতৃ-শক্তিৰ অপাৰ মহিমা! বাঘ হেন নিষ্ঠুৰ নিদাৰুণ পশুৰো অন্তৰ কুমলিল। উভতি আহিবলৈ শপত খুৱাই খন্তেক পৰলৈ তাইক যাবলৈ অনুমতি দিবলৈ বাঘ বাধ্য হল।

গাইজনী গৈ পোৱালিৰ ওচৰ পালেগৈ। বহুত পৰৰ মূৰত মাকক পাই পোৱালিয়ে ওহাৰ খুন্দিয়াই খুন্দিয়াই তেপাহ পলুৱাই গাখীৰ খালে। যেতিয়া পেটটি টুলটুলীয়া হল মাকে গা-মূৰ চেলেকি চেলেকি চকুৰ পানী টুকি টুকি পোৱালিক কবলৈ ধৰিলে—

মাক—বাছা, কালিৰ পৰা তই কাৰ গাখীৰ খাবিঐ! এই চিন্তাই মোক দেইপুৰি মাৰিছে।

পোৱালি—ই কি কথা কোঁৱা আজি তুমি আই!

মাক—মই যে যাবলৈ ওলাইছো বাছা।

পোৱালি—কলৈ ?

মাক—নজনা নুশুনা নেদেখা ঠাইলৈ।

পোৱালি—কেতিয়াকৈ ঘূৰিবা ?

এই কথাত তাইৰ চকুৰ পৰা পানীৰ ঢল বাগৰিল। পোৱালি হলেও তাৰ অন্তৰ খনে যেন কিবা এটা অশুভ বতৰাৰ বেঙুনি দেখি ভেডনি পাৰি কৈ উঠিল—"তুমি যলৈকে যোৱা ময়ো তলৈকে যাম আই। তুমি যেনেকৈ থাকা ময়ো তোমাৰ সৈতে তেনেকৈয়ে থাকিম আই; মাতৃ-শুশ্ৰূষা সন্তানৰ যে একান্ত কৰ্ত্তব্য।"

মাক—পেটৰ পোৱালি তই মোৰ। মোৰ তই অবাধ্য নহবি বাছা। মই যি কওঁ তই তাকে যদি শুনি থাকিব পাৰ সেয়ে হব তোৰ মাতৃ-শুশ্ৰূষা।

পোৱালি—তেন্তে কোৱাঁ আই, তোমাৰ কাহানিও অবাধ্য হোৱা নাই।

মাক—তেন্তে কওঁ শুন—তই মোৰ সৈতে যাব নালাগে।

মাকৰ এই কথাষাৰত পোৱালিৰ মূৰত সৰগ পৰা যেন হল। সি তেনেই নিমাত, নিৰুত্তৰ।

মাক—বোলা বাইক এৰিব নাপায়—ই মনীষী সকলৰ কথা। মই বাঘ এটাৰ কাষলৈ যাম বুলি বাইক দি আহিছো। মোলৈ সি বাট চাই ৰৈ আছে। তালৈ মই এতিয়াই যাব লাগে। কৰ্ত্তব্যৰ আহ্বান। প্ৰতিজ্ঞা-পালন মানুহৰ প্ৰধান ধৰ্ম্ম অন্তিম কালৰ মাৰৰ এই বাণী নিতে মনত ৰাখিবি বাছাধন; ভগৱানে তোৰ মঙ্গল কৰক। মই—আহিলো—।

পোৱালি—আই! আই!! আই!!

প্ৰতিজ্ঞা পালনৰ মহান আদৰ্শ দেখুৱাই সামান্য গাইগৰু এজনী আজি বাঘৰ ভক্ষ্য ৰূপে তাৰ সমুখত হৰিষ মনেৰে উপস্থিত। কোলাৰ পানী কেচুৱাক হাৰিত অকলশৰে এৰি থৈ মহৎ আদৰ্শ ৰক্ষাৰ বাবে ক্ষুদ্ৰ স্বাৰ্থ বলি দিছে এই নিমাতী নিমাখিত জন্তু এটাই। ভোকত বাঘৰ পেটত কলমলনি উঠিছে। গাইজনী অহা দেখা পাই তাৰ গাটো অকণ শাঁত পৰিল জানিবা। কিন্তু এটা কথা—তাই তাত উপস্থিত হোৱাৰ লগে লগে এৰি থৈ অহা পোৱালিকণো হঠাতে তাত উপস্থিত। মাতৃ চেনেহৰ নেদেখা জৰিগছিয়ে অজ্ঞানিতে মাক যেনি আহিছে সেইপিনে তাকো টানি আনিছে। অজ্ঞান অবুজ পোৱালি দেহি! মাক এতিয়া দোধোৰ মোৰত পৰিল। তথাপি সত্য ৰক্ষা কৰিবই লাগিব। প্ৰতিজ্ঞা পালন যে হবই লাগিব।

গাইজনীয়ে বাঘক কলে—'প্ৰভু, তোমাৰ ভক্ষণ গ্ৰহণ কৰি মোক উদ্ধাৰ কৰা। কিন্তু এটা কথা, মোক খোৱাৰ ঠিক পাছতেই মোৰ এই কেচুৱাটিকো তুমি খাব লাগিব। প্ৰভু, এয়ে মোৰ শেষ অনুৰোধ। এতিয়া তোমাৰ উদ্দেশ্য পূৰণ কৰা, মোক বন্ধ-মুক্ত কৰা।

মাতৃশক্তিৰ অতুল মহিমা দেখি নিৰ্দ্দয় বাঘৰ পাষাণ হিয়াও কুমলিল। তাইৰ সত্য পৰায়ণতা, কৰ্ত্তব্য-নিষ্ঠা দেখি বাঘৰ নিজৰ জীৱনৰ ওপৰত ধিক্কাৰ আহিল। সি যে নিতে নিষ্ঠুৰ আচৰণ নকৰি থাকিব নোৱাৰে; জন্তু বধ অবিহনে তাৰ যে প্ৰাণ নাবাচে। মহাপাপী সি। গাইজনীক ভনী সম্বোধন কৰি আৰু পোৱালিটোক ভাগিন সম্বোধন কৰি সি তাৰ প্ৰায়শ্চিত্তৰ উপায় কিবা আছেনে সুধিলে মাথোন। তেতিয়া গাইজনীয়ে বিনীত বচনে এই বুলি সমিধান দিলে—হে বনৰ ৰজা, দানৰ সমান ধৰম নাই; তুমি আমাক আজি যি অভয় দান দিছা সেয়ে তোমাৰ সকলো পাপ খণ্ডন কৰিছে। আজিকালি, বিশেষকৈ, কলিকালত দানেহে উৎকৃষ্ট ধৰ্ম্ম, আৰু বিবিধ দানৰ ভিতৰত অভয়—দান আটাইতকৈ শ্ৰেষ্ঠ। অহিংসাই পৰম ধৰ্ম্ম।

বাঘ—তোমাৰ নাম কি আই? তোমাৰ পৰিচয়?

গাই—মোৰ নাম! মোৰ পৰিচয়! সাধাৰণ গাইগৰু এজনী মাথোঁ মই, নাম মোৰ 'নন্দা'।

বাঘ—'নন্দা'! 'নন্দা'! 'নন্দা' তুমি; তোমাৰেই নাম নন্দা!!! আ—হা—হা!! 'নন্দা'! 'নন্দা'!! নিমিষতে বাঘৰ ৰূপ বদলিল। সেই ঠাইত দেখা গল এজন ৰূপহ ডেকা কোঁৱৰ। এই জনেই আমাৰ এশ বছৰৰ আগৰ চিকাৰী ৰজা প্ৰভঞ্জন। পুনাশ্লোকা নন্দাৰ দৰশন পৰশনত ৰজা আজি শাপমুক্ত।

জাপানী পদ্ধতিত শালিধানৰ খেতি।

(সঁচা কথা)

মৌ ছৈয়দোৰ ৰহমান।

জাপানী পদ্ধতিৰে ধান খেতি কৰি বৰ ভাল ফল পোৱা বুলি শুনি কথাটো ৰাইজৰ মাজত গাৱেঁ গাৱেঁ প্ৰচাৰ কৰিবলৈ ধৰিলোঁ। তাৰ লগতে কঠীয়া পৰা প্ৰথাটোও পাৰোমানে বুজাই কবলৈ ধৰিলো। কিন্তু ৰাইজৰ মাজত নানা গুজব উঠিল, ইনো আকৌ কেনে ধৰণৰ নতুন খেতি? দুই চাৰিজন গাৱঁৰ মুখীয়াল মানুহে কবলৈ ধৰিলে "ই আন একো নহয় ঔ, ই আমাৰ ধানৰেই খেতি ই জাপানী ধান নহয়। মাত্ৰ পৰিশ্ৰমহে বেছিকৈ কৰিব লাগে, ইত্যাদি।" আৰু কবলৈ ধৰিলে -"বাৰু খেতি হব আমি বিশ্বাস কৰিলোঁ কিন্তু ইমান পৰিশ্ৰম কৰিব পাৰিম জানো?" এনে ধৰণে বহুতে বহুত ৰকমৰ ঠাট্টাকে কৰিবলৈ ধৰিলে। মই হলে আমাৰ হোজা ৰাইজৰ এইবোৰ অৰ্থহীন ঠাট্টালৈ অলপো কাণ নকৰি গাৱেঁ গাৱেঁ দুই এজন মানুহৰ সহায়লৈ তেওঁলোকৰে কঠীয়া তুলিব কাৰণে অলপ ওখ মাটি বাছিলৈ অলপ অলপকৈ আদৰ্শ স্বৰূপে নাম মাত্ৰ কঠীয়া পাৰি ৰাইজৰ মাজত দেখুৱাবলৈ ধৰিলো। লগতে দুই এখন জাপানী পদ্ধতিৰ ধান খেতিৰ ছবি দেখুৱাই অধিক শস্য কেনেকৈ পাব পাৰি বুজাই কবলৈ ধৰিলো। দুখৰ বিষয় গাৱঁলীয়া ভাইসকলে মোৰ কথাত বিশেষ মনোযোগ নিদি হাঁহি ঠাট্টাকৰা যেনহে অনুভৱ কৰিলো। তথাপি মোৰ উদ্দেশ্যৰ অলপো লৰচৰ নকৰি একেধৰণতেহে কথাটো প্ৰচাৰ কৰি অলপ অলপকৈ কামত আগ বাঢ়ি যাবলৈ ধৰিলো।

আহাৰৰ ৮ তাৰিখে বৰ্জিয়া পাইলট্ প্ৰজেক্টৰ ভিতৰৰ গোগমালাচা গাৱঁৰ মোঃ চামচেৰ আলী মহাজনক অতিকৈ অনুৰোধ কৰি তেওঁৰ নিজৰ একঠা চাৰি লোচা ওখ মাটি বাছিলৈ ভালকৈ কামত লাগিলো। মাটিডোখৰ মহাজন চাহাবৰ হতুৱাই ভালকৈ দহ চাহমান বোৱাই কুঁহিয়াৰ তলীৰ নিচিনাকৈ ২০ হাত দীঘল ৩ হাত বহল আৰু খন্দাবিলাকৰ মাজে মাজে এফুটমান বহলকৈ একোটা খলি কৰি একুৰি এটা খন্দা কৰিলো আৰু খন্দাবিলাকৰ মাটিৰ চপৰাবিলাক ভাঙি গুৰাকৈ কৰিপুলি পচোৱা মাটিৰ নিচিনা কৰিলো। তেতিয়া এই খন্দাবিলাক মাটিৰ পৰা ৪ ইঞ্চমান ওখ হৈছিল।

মহাজন চাহাবে মোৰ কথাত উৎসাহ পাই বৰ আগ্ৰহেৰে নিজহাতে কামত লাগি গ'ল; তেওঁৰ লগত ময়ো সমান ভাবেই কামত লাগিলো। কঠীয়াতলীৰ মাটিখিনি গাৱৰ ৰাইজ চলাচল কৰা এটা প্ৰধান ৰাস্তাৰ ওচৰতে আছিল। গতিকে আমাৰ হোজা ৰাইজে এনে ধৰণৰ কাম দেখি আমাক বৰকৈ হাঁহিছিল। কিন্তু আমি অলপো হতাশ নহৈ একে ধৰণে কামত লাগি থাকিলো। খন্দাবিলাক পৰিপাটিকৈ কৰা শেষ হ'লত তাৰ ওপৰত প্ৰতি খন্দাতে এভাৰ অৰ্থাৎ এমোনকৈ পচাগোবৰৰ সমানে ছটিয়াই দিলো। তাৰ ওপৰত

ছুসেৰমান ছাই, তাৰ ওপৰত এসেৰকৈ এমোনিয়াম্ চালফেট্, তাৰ ওপৰত আকৌ এপাচিমান পচন সাৰ (গঁাগোবৰ) ভালকৈ ছটিয়াই ; তাৰ ওপৰত আকৌ ছাই ছটিয়াই দিলো। এনেকৈ আমাৰ একঠা চাৰি লোচা মাটিৰ কঠিয়া তলীৰ ২১ টা খন্দাৰ কাম চাৰি ঘণ্টামানৰ ভিতৰতে সমাধা কৰিলো। এইখিনি কাম কৰোতে আমি বৰ আনন্দ অনুভৱ কৰিছিলো। তাৰ পাচত মহাজন চাহাবে দহ সেৰ শালি ধানৰ বিধান (কঠীয়া) মই কোৱা মতে আনিলে। পথাৰতে বাল্টি এটি, পাচি এটি, নিমখ ডেৰপোৱামান আৰু পানী একলহ মহাজন চাহাবৰ হতুৱাই অনালো আৰু মই আনিলোঁ হালধিগুড়াৰ নিচিনা আধা ছটাক মান ধানৰ বেমাৰৰ ঔষধ। তাক পেৰানক্স বোলে। (চৰকাৰী কৃষিবিভাগত পায়)। এনেদৰণে বস্তু বিলাক অনা দেখা পাই বহুতো ৰাইজ গোট খাইছিল। মই তেওঁলোকৰ আগতে নিমখ খিনি আধা বাল্টিমান পানীত ভালকৈ গলাই ললোঁ। তাৰ পাচত সেই পানীত মহাজন চাহাবে অনা ধান দহসেৰ ভিজাই ভালকৈ লৰাই পানীৰ তল-পেলাই দিবলৈ ধৰিলো। ফলত বেছিভাগ ধান পানীৰ তললৈ গ'ল আৰু কিছুমান ধান আৰু পতান পানীৰ ওপৰ উঠি আহিল। ভাঁহি উঠা ধান আৰু পতান বিলাক হাতেৰে চেকি লৈ, মহা-জন চাহাবৰ ঘৰত মুৰগীক দিবলৈ দি পঠালো আৰু পানীৰ তলপৰা ধানখিনি উপযুক্ত কঠীয়া ধান বুলি প্ৰমাণ পালো আৰু নিমখ পানীৰ পৰা চেকি ধানখিনি পাচিটোত ললো। তাৰ পাচত মই অনা ঔষধটো (পেৰানক্স্) আকৌ আধা বাল্টিমান পানীত ভিজালো। ইয়াকো ভালকৈ গলাই কঠীয়া ধানখিনি আকৌ সেই দাওৱাই পানীত ভিজাই, এখন মান তামোল খোৱা সময় পানীত ৰাখিলো। পাচত আকৌ পানীৰ পৰা চেকি পাচিটোত থৈ অলপ শুকুৱালো। তাৰ পাচত ডেৰআঙুলি আতৰে আতৰে প্ৰতিটো ধান পৰাকৈ আৰু প্ৰতি খন্দাত আধাসেৰ মান ধান পৰাকৈ মই নিজ হাতে ধানখিনি খন্দায় খন্দায় সিচি দিবলৈ ধৰিলো। একঠা চাৰি লোচা মাটিৰ ২১ টা খন্দাত এনেকৈ ধান বিলাক সিচাৰ পাচত দেখিলো পাচিটোত বহুতো ধান বৈ গল। বৰ ঘন হয় বুলি ভাবি পাচিত থকা ধানখিনি মহাজন চাহাবৰ ঘৰলৈ পঠিয়াই দি শুকুৱাবলৈ কলো আৰু আমি খন্দাবিলাকৰ ওপৰত ধান বিলাক ঢকাকৈ মাটিৰ গুৰা দি কঠীয়া পেলোৱা কাম বৰ আনন্দেৰে সমাধা কৰিলো আৰু মহাজন চাহাবৰ ঘৰলৈ ওভোতাই দিয়া ধানখিনি ওজন কৰি দেখিলো তিনিসেৰৰ অলপ কম ধান আমাৰ দহসেৰ ধানৰ পৰা থাকি গ'ল। ইমান পাতলকৈ কঠীয়া পৰা দেখি আমাৰ ৰাইজৰ মনত বৰ ভাল লগা নাছিল।

ছদিনৰ মূৰত আমাৰ ধানৰ গজালিবিলাক সমান ভাবে ডেৰ আঙুলি আতৰে আতৰে গজি ওলাই আমাৰ মনত বৰ আনন্দ লগালে। দহদিন মানৰ মূৰত ৰাইজৰ দৃষ্টিও আকৰ্ষণ কৰিবলৈ ধৰিলে। আমাৰ নিয়মটো পানী সিচি কঠীয়া পৰা নিয়মতকৈ বহুতো সহজ বুলি আৰু ধান বিলাক সমানে এটি খানো বাদ নপৰাকৈ গজা দেখি ওচৰ চুবুৰীয়া ৰাইজেও অলপ অচৰপ কৰিব বুলি আগ্ৰহ কৰিবলৈ ধৰিলে।

১৫ দিনৰ মূৰত কঠীয়াবিলাক গাত গা লগা যেন হ'ল। আমি বনবাঁয়া ঘাঁহবিলাক বাছি দিলো। দেখাত বৰ শুৱনি হৈ পৰিল। বাটৰ মানুহে বৈ বৈ চাই যাবলৈ ধৰিলে। দুই এজনকৈ পাইলট্ প্ৰজেক্টৰ আফচাৰ মহোদয় সকল আৰু আন আন বহুতো ভদ্ৰলোক ও গাৱঁলীয়া ৰাইজে চাই ভাল পাইছিল। সৌভাগ্য বশতঃ অসমৰ পাৰ্লিয়ামেণ্টৰি-চেক্ৰেটৰী মাননীয় শ্ৰীযুত ৰবীন্দ্ৰ নাথ কাকতী মহোদয়েও চাই বৰ আনন্দ পাই যায়।

মহাজন চাহাবৰ তিনি বিঘা দুকঠা তেৰ লোচা মাটি ৰঙিয়া-তেজপুৰ ৰে'ল লাইনৰ ওচৰতে পাই, তাতে এই কঠীয়াখিনি ৰুবলৈ বুলি আমি দুয়ো মনস্থ কৰিলো। যেনে মন তেনে কাম। চাৰিজন দৈনিক হাজিৰা মানুহ বন্দোবস্ত কৰি বাৰীৰ পৰা জমাহৈ থকা গোবৰ বিলাক নি পথাৰত দিয়ালো। তেওঁলোকৰ হতুৱাই আলিবিলাকো ভালকৈ মৰালো। তাৰ পাচত প্ৰতি বিঘাত ১৮ সেৰ মানকৈ এমোনিয়াম্ চালফেট্ ছটিয়াই দি মাটিখিনি বোকা কৰি সময়মতে ৰোৱাৰ উপযুক্ত কৰিলো। তাৰ পাচত কঠীয়া তুলিবলৈ গলোঁ। ওচৰ চুবুৰীয়া ৰাইজকো কঠীয়া তোলা চাবলৈ মাতিলো। কঠীয়াবিলাক ধৰোতেই উঘালি অহা দেখি সকলোৱে ধৰা মেলা কৰি আধা আধি কঠীয়া কন্তেকতে তুলি পেলালো। তাৰ পাচত আমি কঠীয়াবিলাকে যাতে দুখ নেপায় তেনে ভাৱে সৰু সৰুকৈ আটি বান্ধিলোঁ। কঠীয়াবিলাক তেতিয়া ছয়পতীয়া মাত্ৰ হৈছিল। কিন্তু কঠীয়াৰ গুৰি বিলাক চটা চটি আৰু বৰ সবল দেখা গৈছিল। তথাপি আমি বৰ সাৱধানে তোলা আৰু আটি বন্ধা কাম কৰিছিলোঁ। এনেকৈ কঠীয়াবিলাক নি পথাৰত থলোঁ আৰু মোৰ নিজ হাতে শাৰী শাৰীকৈ ডেৰ বেগেত মান আঁতৰে গোছা দি ৰুবলৈ আৰম্ভ কৰিলো। প্ৰতিগোচত মাত্ৰ দুডাল বা তিনিডাল কঠীয়াৰ খেচি দিয়া নাছিলো। এইদৰে ৰোৱণী সকলেও ৰুবলৈ ধৰিলে। অৱশেষত আমাৰ ৰোৱাতলী মাটি শেষ হোৱাত আমাৰ দুই খন্দা কঠীয়া থাকি গ'ল। অৰ্থাৎ ছয় সেৰ মান ধানৰ কঠীয়াৰে আমি তিনি বিঘা দুই কঠা তেৰলোচা মাটি ভালকৈ ৰুব পাৰিলোঁ। ৰোৱাৰ কেইদিন-মান পাছত দেখি আনন্দিত হলো যে, আমাৰ ওচৰৰ আন ৰোৱাবিলাকৰ নিচিনাকৈ আমাৰ ৰোৱা ৰঙা নপৰি, সেউজীয়া হৈয়েই থাকি পোখা মেলিবলৈ ধৰিলে। এনেকৈ ভাদৰ ৭ তাৰিখ পালেহি। পাইলট্ প্ৰজেক্টৰ কৃষি অফিচাৰ শ্ৰীযুত যমুনা প্ৰসাদ চক্ৰবৰ্ত্তী ডাঙৰীয়াই আমাৰ পথাৰ পাই ৰোৱাৰ চোপাটোত গড়ে ৬১ ডাল ধানৰ গছ পাই বৰ আনন্দ প্ৰকাশ কৰে। যদিও বৰষুণ বা পানীৰ অভাৱত অসুবিধা হৈছে তথাপি এনে কামে ৰাইজৰ মন বৰকৈ আকৰ্ষণ কৰিছে। ইয়াৰ উপৰিও মই ৰাইজৰ ওচৰত সঁচাকৈয়ে আনন্দ প্ৰকাশ কৰোঁ যে এনে ধৰণে দিনে ৰাতি পথাৰে পথাৰে থাকি ৰাইজৰ সেৱা কৰিম বুলি চেষ্টা কৰাত আমাৰ ৰাইজে মোৰ লগত হাতে কামে লাগি আৰু ৬৩টা ঠাইত এনে ধৰণৰ খেতি কৰিছে। তেওঁলোকেও এতিয়ালৈকে ভাল ফল পোৱাৰ আশাত আনন্দ প্ৰকাশ কৰিছে।

তাৰ উপৰি আমাৰ অসমৰ পাৰ্লিয়ামেণ্টৰি চেক্ৰেটৰী মাননীয় শ্ৰীযুত মতিকান্ত দাস ডাঙৰীয়ায়ো এনে ধৰণৰ বহুতোবিলাক ৰোৱাতলীত নিজে সোমাই চাই বৰ আনন্দ পাই যায়। লগতে পাইলট্ প্ৰজেক্টৰ অফিচাৰ সকল আৰু ৰাইজ সকলোৱে এতিয়ালৈকে চাই আনন্দ পাইছে।

আজিলৈ ইমানকে জনাই ৰাইজৰ ওচৰত মোৰ সেৱাহে জনালোঁ।

সমাজ সেৱাত পুথি ভঁৰাল *

শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা

কথাতে কয়, "আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা !" গুৱালকুছি নগৰখন চাবলৈ মোৰ বহুত দিনৰে পৰাই এটা প্ৰবল ইচ্ছা আছিল। এনেতে কস্তুৰবা স্মৃতি পুথিভঁৰালৰ কৰ্ম্মীসকলৰপৰা এই আহ্বান পালোঁ। মোৰ নিজৰ ইচ্ছা পূৰণ হ'ল। কিন্তু আপোনালোকে মোক যিটো কৰ্ত্তব্যৰ ভাৰ দি ইয়ালৈ মাতিছে, সেই বিষয়ে আপোনালোকক কিমান দূৰ সন্তোষ দিব পাৰিম সেইটো মই কব নোৱাৰোঁ ; কেৱল কওঁ যদি ক'ৰবাত কিবা দোষ ত্ৰুটি হয় নিজগুণে যেন মোক মাৰ্জ্জনা কৰে। এয়ে মোৰ আপোনালোকৰ ওচৰত গোহাৰি।

আজি গণৰাজ্য দিবস। স্বাধীন ভাৰতৰ পক্ষে এটা বৰ পুণ্যৰ দিন। আজি আমি ইয়াত যি কামত গোট খাইছোঁ, সেইটোৰ লগত গণৰাজ্য দিবসৰ বিশেষ সম্বন্ধ আছে। কিয়নো স্বাধীনতাৰ পিচৰ পৰাই আমাৰ জাতীয় চৰকাৰে দশবাসীক স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক কৰি গঢ়ি তুলিবলৈ সামাজিক শিক্ষা বিস্তাৰত বিশেষ গুৰুত্ব দিছে। পুথি ভঁৰালৰ লগত সামাজিক শিক্ষাৰ সম্বন্ধ অবিচ্ছেদ্য। গতিকে পুথি ভঁৰালৰ উন্নতি-কল্পে ইয়াত গোট খোৱা সকলোৰে পক্ষেই এই দিনটো বৰ শুভ দিন।

অসমীয়া জাতিৰ ভবিষ্যত সম্পৰ্কে বহুতে বহুত বিষয়ত হতাশ হয়। এই সন্দেহৰ কাৰণ ভালে-খিনি সঁচাও হ'ব পাৰে কিন্তু এটা বিষয়ে অসম দেশে যে উন্নতি কৰিছে সেই বিষয়ে কোনো সন্দেহেই নাই। বাতৰি কাকতখন মেলিলেই অসমৰ চুকে কোণে, গাৱেঁ ভূঞে সকলো ঠাইতেই দিনৌ ন ন পুথি ভঁৰাল পতাৰ বাতৰি পোৱা যায়। এইটো দেশৰ পক্ষে বৰ শুভলক্ষণ। এতিয়া এই পুথি ভঁৰালবিলাকক সংঘবদ্ধ কৰা আৱশ্যক। এই যুগত সংঘশক্তিয়েই আটাইতকৈ ডাঙৰ শক্তি। অসমত 'অল আসাম লাইব্ৰেৰী এছচিয়েচন' বা সদৌ অসম পুথি ভঁৰাল সংঘ নামে এখন পুথি ভঁৰাল সংঘ আছে। গোটেই অসমৰ পুথি ভঁৰাল-বিলাক এই সংঘৰ জৰীয়তে সংঘবদ্ধ হ'লে বৰ শক্তিশালী হ'ব আৰু সহযোগিতাৰে বহুত কাম কৰিব পাৰিব। পৃথিৱীৰ সকলো দেশতেই পুথি-ভঁৰাল সংঘ বা লাইব্ৰেৰী এছচিয়েচন আছে।

পুথিভঁৰালৰ লগত যে সামাজিক শিক্ষা বিভাগৰ অতি ওচৰ সম্বন্ধ সেই বিষয়ে আমি ইতিপূৰ্ব্বেই কৈ আহিছোঁ। ইয়াৰ আগৰ এজন সামাজিক শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াই কৈছিল ' মই সামাজিক শিক্ষা বিভাগৰ আন একো কৰি যাব নোৱাৰিলেও গোটেই অসমতে সুদৃঢ় ভেটিত পুথিভঁৰাল কিছুমান স্থাপন কৰি যাব পৰা হ'লে মোৰ কাম সাৰ্থক হ'ল বুলি ভাবিলোহেঁতেন।"

* গুৱালকুছি কস্তুৰবা-স্মৃতি-পুস্তকালয়ৰ ৫ম বাৰ্ষিক অধিবেশনৰ সভাপতিৰ আসনৰ পৰা দিয়া বক্তৃতা।

এই উক্তিত যথেষ্ট সত্যতা আছে। পুথিভঁৰাল বিলাকক সামাজিক শিক্ষাৰ খুটি বুলিব পাৰি।

সামাজিক বিভাগে পুজিৰ শক্তি অনুসৰি বহুতো পুথিভঁৰালক আৰ্থিক সাহায্য দিছে। ইয়াৰ উপৰিও সেই পুথিভঁৰালবিলাকক এই বিভাগৰ দ্বাৰা প্ৰকাশিত পুথিবিলাক বিনামূল্যে দিয়া হয়। কিন্তু পুথি ভঁৰাল মানে আমি সাধাৰণতে যি বুজোঁ সামাজিক শিক্ষাৰ পুথিভঁৰালৰ সংজ্ঞা তাতকৈ বহুত সহল। সামাজিক শিক্ষা বিভাগে আচলতে এনেবিলাক পুথিভঁৰালকহে সহায় কৰে যিবিলাক অকল পুথিভঁৰালেই নহয় কিন্তু প্ৰকৃততে একোটা 'কমিউনিটি চেষ্টাৰ' বা স্থানীয় সমাজখনৰ সৰ্ব্বাঙ্গীন উন্নতিৰ অৰ্থে গাঁৱৰ ৰাইজ মিলিত হ'ব পৰা একোটা কেন্দ্ৰ।

পুথিভঁৰালৰ জৰীয়তে গাঁৱৰ তৰুণসকলে বহুতো জনহিতকৰ কাম হাতত ল'ব পাৰে। সংস্কৃতিৰ ফালৰপৰা পুথিভঁৰালবিলাকত নানা প্ৰকাৰ সভা সমিতি আৰু প্ৰদৰ্শনী আদি পাতিব পাৰি। আমোদ-প্ৰমোদৰ দ্বাৰা লোকৰ মনোৰঞ্জন কৰিবলৈ ইয়াত ভাওনা, সঙ্গীত আৰু ক্ৰীড়া কৌতুকৰ ব্যৱস্থা কৰিব পাৰি। পুথিভঁৰালৰ ঘৰতে পূজা, সেৱা, প্ৰাৰ্থনা বা নামকীৰ্ত্তনৰ দ্বাৰা ধৰ্ম্ম চৰ্চ্চা কৰিব পৰা যায়। পুথিভঁৰালৰ সদস্য সকলে গাঁৱলীয়া ৰাইজক নানা প্ৰকাৰ গৃহশিল্প, কম্পষ্টসাৰ, জাপানী পদ্ধতিৰে ধান খেতি, স্বাস্থ্য-নীতি আদি বিষয় শিকাই আৰু আলিবাট, পুখুৰী আদিৰ সংস্কাৰ কৰি তেওঁলোকৰ চকুত আগত হাতে কামে উন্নততৰ জীৱন ধাৰণৰ প্ৰণালী এটা দাঙি ধৰিব পাৰে। সৌভাগ্যবশতঃ এনে ধৰণৰ পুথিভঁৰাল অসমত একেবাৰে বিৰল নহয়।

এইবিলাকৰ উপৰিও প্ৰত্যেক পুথিভঁৰালৰ এটা ডাঙৰ কৰ্ত্তব্য আছে। সেইটো হৈছে পুথিভঁৰালখনতে বা আন কোনো সুবিধাজনক ঠাইত বয়স্কসকলৰ কাৰণে এটা নৈশ স্কুল স্থাপন। ৰাতিৰ স্কুল পাতি বয়সিয়াল লোকক অলপ লেখা পঢ়া শিকোৱাটো স্বাধীন ভাৰতৰ পক্ষে এটা বিশেষ আৱশ্যকীয় কথা। আজি কেইমাহমান আগতে অসমলৈ মিঃ ফ্ৰাঙ্ক লওবাক নামে আন্তৰ্জ্জাতিক খ্যাতিসম্পন্ন বয়স্ক-শিক্ষা বিশাৰদ এজন আহিছিল। তেখেতৰ পদ্ধতিৰে অতি কম সময়ৰ ভিতৰতে নিৰক্ষৰ লোকক সাক্ষৰ কৰিব পৰা যায়। সম্প্ৰতি লওবাকে বাহিৰ কৰা নিয়মেৰে লেখা পুথিকেইখনমান সামাজিক শিক্ষা বিভাগৰ দ্বাৰা ছপা হ'বলৈ ধৰিছে। এই পুথি কেইখন ওলালে লেখা-পঢ়া নজনা মানুহক অতি কম সময়ৰ ভিতৰতে লেখা পঢ়া শিকোৱাটো সহজ হৈ পৰিব।

এতিয়া পুথিভঁৰালবিলাকৰ কাৰণে পুথি বাছনিৰ বিষয়ে দু আষাৰমান কওঁ। নিতান্ত একেবাৰে দলিয়াই পেলাবলগীয়া নহলে অসমীয়া পুথি আৰু আলোচনী মাত্ৰেই পুথিভঁৰালবিলাকে কিনিবলৈ যত্ন কৰা উচিত। পুথিভঁৰালবিলাকৰ সহযোগিতা নহলে অসমীয়া ভাষা আৰু সাহিত্যই গা কৰিব নোৱাৰিব। অসমীয়া সাহিত্যৰ উন্নতি ন'হলে অসমীয়া জাতিয়েও উন্নতি কৰিব নোৱাৰিব। কিন্তু জ্ঞান আহৰণ সকলো ভাষাৰপৰাই কৰা উচিত। গতিকে অসমীয়া পুথিৰ বাহিৰে আন ভাষাৰো পুথি ৰখা উচিত। আন আন বিষয়ৰ পুথিৰ ভিতৰত বেদ, উপনিষদ, পুৰাণ, গীতা, কোৰাণ, বাইবেল আদি ধৰ্ম্মশাস্ত্ৰবিলাকৰ ভাঙনি আৰু আধুনিক যুগৰ ৰামকৃষ্ণ, বিবেকানন্দ আদি মহা-

পুৰুষসকলৰ জীৱনী পুথিয়ে এটা বিশিষ্ট স্থান অধিকাৰ কৰা উচিত। নিজৰ দেশৰ সভ্যতা আৰু সংস্কৃতিৰ ওপৰত শ্ৰদ্ধা নেথাকিলে মানুহে নিজৰ দেশক ভাল পাব নোৱাৰে আৰু নিজৰ দেশক ভাল নোপোৱা মানুহে নিজৰ দেশৰ উন্নতিৰ কাৰণে অন্তৰেৰে যত্ন কৰিব নোৱাৰে। গতিকে যিবিলাক পুথিয়ে আমাৰ দেশৰ ঐতিহ্যৰ ওপৰত শ্ৰদ্ধা জন্মায় তেনে পুথি যুৱক সকলক সততে পঢ়িবলৈ সুবিধা দিয়া উচিত। হিটলাৰে তেখেতৰ বিখ্যাত "মেইন্ কেম্ফ" নামে কিতাপখনত কৈছে "মানুহক স্বদেশ প্ৰেমত অনুপ্ৰাণিত কৰিবলৈ হ'লে প্ৰথমতে তেওঁলোকক নিজৰ দেশৰ সভ্যতা আৰু সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা জন্মাবলৈ শিকোৱা উচিত।"

আমাৰ অসমৰ পক্ষে বৰ শুভ লক্ষণ যে দেশৰ তৰুণসকলে পুথিভৰাল পতাত মনোযোগ দিছে। যুৱাশক্তি জাগ্ৰত হলে দেশৰ মঙ্গল অনিবাৰ্য্য। কিন্তু তেওঁলোকে কিছুমান কথালৈ লক্ষ্য ৰাখি সমাজ সেৱাত ব্ৰতী হ'লেহে দেশৰ প্ৰকৃত উপকাৰ হ'ব। তাৰে দুই এটা ইয়াত উল্লেখিয়াই মোৰ ক'বলগীয়া কথাৰ সামৰণি মাৰিম।

সংসাৰত আটাইতকৈ সহজ কথা লোকক উপদেশ দিয়া। সভাসমিতিত বক্তৃতা দি ফুৰা লোকৰ অভাৱ নাই। কিন্তু সেই অনুপাতে কাম কৰা লোকৰ সংখ্যা বৰ কম। আমাৰ শাস্ত্ৰত হাজাৰ হাজাৰ বছৰৰ আগতে কৈ গৈছে যে কলিকালত বহু বক্তা সকলেই নেতা হ'ব। বক্তৃতা দি শস্তা নাম লাভ কৰাৰ প্ৰলোভনৰ পৰা হাত সাৰিব পাৰিলেহে মানুহ প্ৰকৃত সমাজ সেৱক হ'ব পাৰে।

কাগজৰ নোট উলিওৱা সহজ কথা। কিন্তু সেই অনুপাতে যদি কিছুপৰিমাণে ধাতুৰ মুদ্ৰা মজুত নাথাকে তেন্তে দেশৰ অৰ্থনীতিত এটা বিপৰ্য্যয় ঘটিব। মানুহে আনক দিয়া এশটা উপদেশৰ ভিতৰত যদি অন্ততঃ পাঁচটা মানো নিজে পালন নকৰে তেন্তে সেই মানুহৰ কথাত বিশেষ মূল্য নাই।

বৰ্ত্তমান পৰিস্থিতিত দেশৰ মঙ্গল চিন্তা কৰোঁতা প্ৰত্যেকজন মানুহেই বক্তৃতা দিয়া আৰু প্ৰবন্ধ লিখাৰ উপৰিও বাস্তৱজীৱনত কিছু ফলদায়ক কাম কৰা উচিত। অকল বাহিৰত হৈ চৈ কৰি লোকৰ চকুত চমক লগোৱা কামেই ফলদায়ক কাম নহয়। যিমানেই কি সামান্য নহওক দেশৰ সকলো বিধৰ সম্পদ বেছি কৰিবলৈ কৰা যি কোনো কামেই ফলদায়ক কাম। বৰ্ত্তমান মানুহৰ প্ৰধান সমস্যা ভাত আৰু কাপোৰ। গতিকে আজিৰ পৰিস্থিতিত নিজৰ বাৰীত গছপুলি এটা ৰোৱা মানুহজনৰ স্থান বুদ্ধিবৃত্তিক জগতত অতি উচ্চস্থান অধিকাৰ কৰা মানুহজনৰ তলত নহয়। তাৰ উপৰি কায়িক শ্ৰমে চিত্তশুদ্ধি কৰে। টলষ্টয়, ৰোমা ৰোঁলা আৰু মহাত্মা গান্ধীৰ দৰে মহামানৱ সকলেও এই বিষয়ে তীব্ৰ ভাৱে অনুভৱ কৰিছিল। সমাজ সেৱা কামৰ কাৰণে উৎপ্ৰেৰণা পাবলৈ এনেকুৱা কিছুমান আদৰ্শৰ প্ৰয়োজন।

কস্তুৰবা স্মৃতি পুথি ভৰালৰ নামটো যুগান্তকাৰী মহাপুৰুষ এজনৰ সহধৰ্ম্মিণীৰ নামৰ লগত জড়িত। এই নামৰ সম্মান ৰাখিবলৈ হ'লে আপোনালোকে এই পুথিভৰালটোক এটা আদৰ্শ পুথিভৰালত পৰিণত কৰিব লাগিব আৰু আপোনালোকে ইচ্ছা কৰিলে যে এই আদৰ্শ বাস্তৱত পৰিণত কৰিব পাৰিব সেইবিষয়ে কোনো সন্দেহেই নাই। এইখিনি কথাকে আপোনালোকৰ আগত উল্লেখিয়ালোঁ।

শোৱালকুছি নগৰখন অকল অসমৰ ভিতৰতে নহয় গোটেই ভাৰতবৰ্ষৰ ভিতৰতেই কিছুমান বিষয়ত এখন উল্লেখযোগ্য ঠাই। আপোনালোকৰ আন্তৰিকতাৰ দ্বাৰা আকৰ্ষিত হৈ এই নগৰখন চাবলৈ আৰু আপোনালোকৰ লগতে দু আষাৰ আলাপ আলোচনা কৰিবলৈ সুবিধা পালোঁ। আপোনালোকৰ আতিথ্যৰ কাৰণে মই আপোনালোকৰ ওচৰত মোৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ আৰু সমবেত ৰাইজক সেৱা জনাই মোৰ কবলগীয়া কথাৰ সামৰণি মাৰিলোঁ।

সদৌ-ভাৰত বুনিয়াদী শিক্ষা সম্মিলনৰ নৱম অধিবেশন

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত বি এল্।

নবেম্বৰ মাহৰ ১০ তাৰিখ। ৰাতিপুৱা ৪ বাজিছে। টোপনিৰ পৰা উঠিয়েই গা ধুই লৰা-লৰিকৈ টালি টোপোলা বান্ধিলোঁ। ইফালে মিনু আৰু বিজু দুয়ো মাক-জীয়েকে মোৰ লগতে উঠি খৰ-খৰকৈ চাহ-জলপান কৰি অতালে। মই তাকে খাই এখন বিক্সাৰে গুৱাহাটীৰ ৰেল-ষ্টেছন পালোঁহি। টিকট কাটি ৰেলত উঠিলোঁ। সঙ্গী ভাল-মান পালোঁ। পুৰণি সহকৰ্ম্মী প্ৰচাৰ বিভাগৰ বিষয়া শ্ৰীভাৰত চন্দ্ৰ পাঠক ডাঙৰীয়াৰ বাহিৰেও শ্ৰীপুলিন বৰঠাকুৰ প্ৰভৃতি সাংবাদিক সকলক লগ পাই বৰ ভাল লাগিল। আমাৰ অফিচৰ কেৰাণী শ্ৰীজীবেশ্বৰ শৰ্ম্মা প্ৰদৰ্শনীৰ বস্তু-বাহানিৰ টালি-টোপোলাৰে মোৰ লগত আছিল।

গাড়ী এৰি দিলে। আমি তিতাবৰলৈ বাওনা হলোঁ। বন্ধুসকলৰ লগত দেশৰ বিভিন্ন সমস্যাবিলাকৰ বিষয়ে হোৱা আলাপ আলোচনাৰ মাজেদি দীঘলীয়া ১২ ঘণ্টা সময় পাৰ হৈ গ'ল। গধূলি সময়ত তিতাবৰ পালোঁ। গাড়ীৰ পৰাই আমি দেখিলোঁ গোটেইখন তিতাবৰে এখন নতুন চহৰৰ সাজ-পাৰ পিন্ধি ৰমক জমক হৈ উঠিছে।

কেইজনমান স্বেচ্ছাসেৱকে আমাৰ বস্তু-বাহানি কঢ়িওৱাত সহায় কৰিলে যদিও পৰাখিনি বস্তু আমিও হাতে-কান্ধে তুলি সম্মিলনৰ কেন্দ্ৰীয় অফিচ পালোঁ। উক্ত অফিচৰ পৰা আমি আমাৰ থোৱা থকা আৰু কাম কাজৰ বিধি-ব্যৱস্থাৰ সন্ধেদ পালোঁ। বহুমূলীয়া চৰকাৰী বস্তু-বাহানিৰ দায়িত্বৰ কাৰণে আমি প্ৰদৰ্শনীৰ ঘৰতে ৰাতি আছিলোঁ। ৰাতি প্ৰদৰ্শনীৰ বস্তুবিলাক আতৰাই টেবিল জোৰা দি তাৰ ওপৰতে বিছনা পাৰি শুইছিলোঁ। ভালেই পাইছিলোঁ; কাৰণ আঘোণমহীয়া শীতৰ আজলি ভৰা হিমে পুৱা দোক-মোকালিতে জগাই দিয়াৰ ফলত উষা প্ৰাৰ্থনা আৰু চাফাইৰ কাম কৰাৰ সুযোগ পাইছিলোঁ।

উষা প্ৰাৰ্থনা

উষাৰ লগে লগে ঠনঠনকৈ ঘণ্টা বাজি উঠে। সম্মিলন প্ৰাঙ্গনৰ চাৰিওফালে থকা শিবিৰৰ পৰা সেৱক সেৱিকা সকল ওলাই আহে আৰু হাতমুখ ধুই সমবেত প্ৰাৰ্থনাত দলে দলে যোগদান কৰেহি। প্ৰাৰ্থনাৰ মধুৰ সুৰে ওচৰৰ গাৱঁলীয়া ভাইভনী সকলক জগাই দিয়ে দিনটোৰ সম্মিলনৰ নিৰ্দ্দিষ্ট কাৰ্য্যসূচীৰ বিভিন্ন অনুষ্ঠানত যোগদান কৰিবলৈ। গাৱঁলীয়া ভাই-ভনী সকলে সাত বন কাতি কৰি থৈয়ো তাত যোগদান কৰিছিল বিশেষকৈ প্ৰদৰ্শনী আৰু কৃষ্টি সভাত।

চাফাই

চাফাই বুনিয়াদী শিক্ষাৰ অন্যতম প্ৰধান অঙ্গ। পুৱা সম্মিলনৰ মণ্ডপত সমবেত প্ৰাৰ্থনা হোৱাৰ পিচতে আৰম্ভ হয় চাফাইৰ কাম। নিজ নিজ শিবিৰৰ পৰা হাতত বাঢ়নী আৰু পাচি লৈ দলে দলে বাহিৰ হয় সেৱকসকল। আনন্দ-মনেই তেওঁলোকে এই কামত আত্ম-নিয়োগ কৰিছিল আৰু সদায় কৰে। আই বসুমতীৰ বুকুত সিচৰতি হৈ থকা আৱৰ্জ্জনা বিলাক সাৰোঁতে বাঢ়নীৰ প্ৰতিটো আচোঁৰতে যেন প্ৰতিধ্বনিত হয় "সেৱাই পৰম ধৰ্ম্ম" বোলা নীতি বচনটো। বুনিয়াদী তালিমৰ শিক্ষানুষ্ঠানত মল-মূত্ৰ পৰিষ্কাৰ, থোৱা-শোৱা ঠাই আৰু বাচনবৰ্ত্তনৰ পৰিষ্কাৰ দৈনিক কাৰ্য্যক্ৰমৰ অন্তৰ্ভুক্ত।

সূত্ৰ যজ্ঞ

উষা প্ৰাৰ্থনাৰ পিছত হয় সূত্ৰ যজ্ঞ। সকলোৱে নিজ নিজ যঁতৰ আৰু টাকুৰীত সূতা কাটে। শ শ যঁতৰৰ গুণ গুণ সুৰে চৌ দিশ মুখৰিত কৰি তোলে। এই

সুললিত সুৰে দক্ষিণৰ নগা পাহাৰত ঠেকেচা খাই প্ৰতি-ধ্বনিত হৈ কয় যেন—

"গান্ধী নামৰ নাওখনি জহৰ লালৰ বৈঠা;
স্বৰাজ আমি পালোঁ আজি সূতা কাটো উঠা।"

সূতা কটা আমাৰ দেশৰ এটা প্ৰধান কুটীৰ শিল্প। সূতা কটা অভ্যাসে আমাক আজ'ৰ সময়ৰ সদব্যৱহাৰ কৰিবলৈ শিকোৱাৰ বাহিৰেও আত্ম নিৰ্ভৰশীল সমাজ গঠন কৰিবলৈ শিকায়। প্ৰাচীন কালৰ পৰাই অসমীয়া জাতিয়ে এই বিধ কুটীৰ শিল্পত ভাৰতৰ ভিতৰত শ্ৰেষ্ঠ আসন অধিকাৰ কৰি আহিছে। নিজৰ কাপোৰখনৰ সূতা খিনি নিজে উলিয়াই লব পৰাটো কিমান আনন্দৰ বিষয়। সূতা কটা অভ্যাসে আমাৰ মনৰ একাগ্ৰতা বঢ়ায় আৰু আন হাতে শ্ৰমিক আন্দোলন আৰু ৰাজনৈতিক বিপৰ্য্যয়ৰ ফলত হোৱা বয়ন শিল্পৰ অচলাবস্থাৰ নিৰ্ভীক ভাবে সন্মুখীন হ'বলৈ শিকায়।

সাজ-সজ্জা

তিনিটা তোৰণ সজোৱা হৈছিল; তাৰ ভিতৰত প্ৰদৰ্শনীলৈ যোৱা দুৱাৰ মুখৰ তোৰণটো তেজপুৰত থকা প্ৰাচীন অসমৰ ভাস্কৰ্য্যৰ শ্ৰেষ্ঠ নিদৰ্শন স্বৰূপে সজোৱা হৈছিল আৰু সভা-মণ্ডপলৈ যোৱা বাট তোৰণটো অসমীয়া কুটীৰ শিল্পৰ নিদৰ্শন ফুলাম জাপিটোৰে সৈতে দবাচগতে শুৱনি হৈছিল। ৩০।৪০ হাজাৰ মানুহ বহিব পৰাকৈ সজোৱা সভা মণ্ডপৰ দুৱাৰ মুখত ৰংঘৰৰ সন্মুখত এখন সৰু ফুলনি বাগিচা; তাৰ মাজত বাপুজীৰ মৃন্ময় মূৰ্ত্তি আৰু তাৰ দুয়োকাষে জনচেৰেক বিদ্যাৰ্থীয়ে হাতৰ কামৰ জৰীয়তে জাতীয় শিক্ষা লাভ কৰি স্বাৱলম্বী সমাজ গঠনত ব্ৰতী হৈছে। ই শিক্ষা জগতত এটা বৈপ্লবিক পৰিবৰ্ত্তনৰ সূচনাৰ আহি মাথোন।

যি শিক্ষাই শ্ৰমৰ মৰ্য্যদা নিশিকায় আৰু আমাক সমাজ জীৱনত আত্মনিৰ্ভৰশীল নকৰে, তাৰ পৰা লাভ কি? ফুলনিৰ মাজত থকা মাটিৰ মূৰ্ত্তি আৰু সন্মিলনৰ প্ৰতিদিনৰ কাৰ্য্যসূচীয়ে সেই ঠাইত দৰ্শকৰ বাবে গোট-খোৱা ৰাইজক ভালদৰে বুজাই দিলে প্ৰচলিত শিক্ষা-পদ্ধতি আৰু বুনিয়াদী তথা জাতীয় শিক্ষা-পদ্ধতিৰ মাজত কি বিৰাট সমুদ্ৰৰ ব্যৱধান আছে।

প্ৰদৰ্শনী

প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰা হয় ১৪ তাৰিখে। এই কামৰ ভাৰ দিয়া হয় অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীবিষ্ণু ৰাম মেধি ডাঙৰীয়াক। এই প্ৰসঙ্গত কৰা আনুষ্ঠানিক আয়োজন আৰু কাৰ্য্য বৰ আকৰ্ষণীয় হৈছিল। ৰাতিপুৱা ৯ বাজিছে প্ৰদৰ্শনীৰ তোৰণৰ দুয়োকাষে উদ্যোক্তাসকল, কৰ্ম্মীসকল, ছাত্ৰ-ছাত্ৰীসকল, আৰু জনজাতীয় লোক সকলে নিজৰ জাতীয় পোছাক পিন্ধি শাৰী পাতি থিয় হৈ আছে। এখনৰ পিছত এখনকৈ মটৰ গাড়ীৰে ভাৰতৰ শিক্ষাবিদ, অসমৰ ৰাজ্যপাল, মুখ্যমন্ত্ৰী প্ৰভৃতি দেশনেতা সকল আহি উপস্থিত হ'ল; শাৰী হৈ থকা নেতৃবৃন্দক "জয়হিন্দ" ধ্বনিৰে অভিবাদন জনালে। লোকে লোকাৰণ্য হৈ দিন চেৰেকৰ বাবে মহানগৰীত পৰিণত হোৱা তিতাবৰ মুখৰিত হৈ উঠিল।

ফুল, চন্দন ধূপ দীপৰ থাল লৈ অকণ অকণিহঁতে নেতৃবৃন্দক কপাহৰ মালা পিন্ধালে। তেখেতসকল পোনে পোনে নামঘৰলৈ আহিল।

নামঘৰটো বৰ ধুনীয়াকৈ সজোৱা হৈছিল। হিন্দু তথা অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰৰ আহি স্বৰূপ নামঘৰ আমাৰ বৰ পবিত্ৰ অনুষ্ঠান। নামঘৰটো ছয়চুকীয়াকৈ সজোৱা হৈছিল।

মজিয়াখনত সেবিকা সকলে আলপনা আকি ধুনীয়াকৈ সজাইছিল। সোঁ মাজত বেদীৰ ওপৰত থোৱা হৈছিল ফুলেৰে ওপচাই থোৱা পবিত্ৰতা আৰু সন্মানৰ শ্ৰেষ্ঠ নিদৰ্শন স্বৰূপ অসমীয়াৰ বৰ শৰাইখন। তাৰ ওপৰত আৰু কেউফালে ৰখা হৈছিল অসমীয়া জাতিৰ আপুৰুগীয়া সম্পত্তি সাঁচিপতীয়া বৈষ্ণৱ সাহিত্যৰ পুথিপাজি বিলাক য'ত নিহিত হৈ থকা আধ্যাত্মিক তত্ত্ব সমূহে আবহমান কালৰ পৰাই কি সাক্ষৰ কি নিৰক্ষৰ আমাৰ খেতিয়ক

সম্প্ৰাদয়ক জ্ঞানৰ খোৰাকীৰ যোগান ধৰি আহিছে। মামঘৰৰ বেৰৰ চুকত বংচঙীয়াকৈ সজোৱা একোটি মাঙ্গলিক ঘট ; বেৰৰ কাষে কাষে, ডবা, কাঁহ, ঢোল, খোল নাগাৰা, ভোৰতাল, খঞ্জুৰী আদি বাদ্য যন্ত্ৰ আৰু জাতিৰ মেৰুদণ্ড খেতিয়ক ভাইৰ নাঙল, যুঁৱলি মৈ কোৰ আদি খেতিৰ সাজ-সজুলি। প্ৰতিখন বেৰত বাপুজীৰ বহুমূলীয়া বাণী। আমাৰ মুখ্যমন্ত্ৰী দেৱে আনুষ্ঠানিক জ্ঞানসূচক প্ৰদীপটো জ্বলাই দিলে ; জন জাতীয় অকণিহঁতে মাঙ্গলিক গীতৰ ধ্বনি তুলিলে, সুগন্ধি ধূপ-ধুনা জ্বলিল, আৰু তাৰ সুঘ্ৰাণে যেন গোটেইখন ঠাই পবিত্ৰ কৰিলে।

প্ৰদৰ্শনীত যোগদান কৰা ৰাজ্যিক বুনিয়াদী শিক্ষানুষ্ঠানৰ ভিতৰত মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, অন্ধ্ৰ, উৰিষ্যা, বিহাৰ আদিয়ে প্ৰধান। এটাইতকৈ আকৰ্ষণীয় হৈছিল অসমৰ উত্তৰ পূৱ সীমান্ত অঞ্চলৰ জনজাতীয় ভাই ভনী সকলৰ সাজ পাৰ, পোছাক পৰিচ্ছদ, অস্ত্ৰাদিৰে সজাই থোৱা খোটালীটো। আবৰ, মিচিমি আদি জন-জাতীয় ছাত্ৰ সকলৰ লগত কথা-বতৰা পাতি তেওঁলোকৰ স্বভাৱসুলভ সৰলতাৰ পৰিচয় পালোঁ। যদিও অসমীয়া মাত কথা নিয়াৰিকৈ ক'ব নোৱাৰে, তথাপি তেওঁলোকে মোক তেওঁলোকৰে এজন হিতাকাঙ্ক্ষী বুলি ভাবি উদঙাই মোৰ লগত কথা পাতিলে, সামাজিক শিক্ষাৰ পুথি-পাজি বোৰ বৰ আগ্ৰহেৰে চালে ; মই তেওঁলোকক গাইপতি একোখন একোখন পুথি দি প্ৰীতিৰ ডোলেৰে বান্ধিলোঁ। তেওঁলোকে উভতি গৈ মোলৈ চিঠি লিখিব বুলি প্ৰতিশ্ৰুতি দিলে।

সামাজিক শিক্ষা বিভাগৰ খোটালীটোত ডাঙৰ শৰাই বটা এখনৰ ওপৰত থোৱা হৈছিল গুণাৰ বন কৰা উৎকৃষ্ট অসমীয়া পাতৰ এখন চাদৰ আৰু এখন ফুলাম গামোচা ; গামোচাখনত বাপুজীৰ প্ৰিয় ভজনটো—“ৰঘুপতি ৰাঘৱ ৰাজাৰাম⋯এনে ধুনীয়াকৈ ৰঙা সূতাৰে ব'ই দিয়া হৈছিল যে কেৱল সেই বস্তুটোৱে অসমীয়া শিপিনীৰ বয়ন শিল্পৰ নৈপুণ্য ফুটাই তুলিছিল। প্ৰাথমিক স্কুল, বুনিয়াদী স্কুল আৰু ট্ৰেইনিং স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা প্ৰস্তুত কৰা বিবিধ হাতৰ কাম বিলাকো চাবলগীয়া হৈছিল।

কৃষ্টি-সভা

সন্ধ্যাৰ নিশা অসমৰ পাহাৰ-ভৈয়ামৰ বিবিধ গীত নৃত্যাদিৰে এই অনুষ্ঠান সকলোৰে কাৰণে উপভোগ্য হৈছিল। দুৰণিৰটীয়া গাওঁ ভূইৰ পৰা নাচ গান চাবলৈ অহা ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলৰ বিৰাট সমাগমত তিল দি ঠাই পাবলৈ নাছিল। যাবৰ সময়ত লাখুটিত ভৰ দি বুঢ়া-বুঢ়ী সকলে কৈ গৈছিল—“বোপাইহঁত, তিনি পুৰুষেও আমি ইমান ৰাইজ দেখা নাছিলোঁ।” এই সভাত দেখুৱা ভিন ভিন নাচ গানৰ ভিতৰত উল্লেখ লিখা বোৰেই প্ৰধান—অসমীয়া নাম, আয়তীৰ নাম, বৰগীত, বনগীত, বিহুগীত, ওজাপালি, সত্ৰীয়া নাচ, ৰাসলীলা, মণিপুৰী নৃত্য, বড়োনাচ, নগা নাচ, খাচিয়া নাচ ইত্যাদি। কৃষ্টি সভাত দেখুৱা বিবিধ নৃত্যগীতৰ মাজেদি ফুটি উঠিল পাহাৰ আৰু ভৈয়ামৰ সংস্কৃতিৰ প্ৰকৃত ৰূপটো, তাৰ সমন্বয় আৰু চিৰন্তন ঐক্য।

সামূহিক ভোজন

এই দৃশ্যটো একালে যেনেকৈ বিশেষ ভাবে চাবলগীয়া আনকালে তেনেকৈ বৰ শিক্ষণীয়। ৰান্ধনীঘৰত একেলগে তিনিটাকৈ কেৰাহীত একেটা চোকাৰ ওপৰত একেফালেদি জুই দি কম খৰচতে ভাত, দালি, তৰকাৰী ৰন্ধা বন্দবস্তটো দৰাচলতে অনুকৰণীয়। এনে ধৰণৰ কেইবাটাও চোকা সজোৱা হৈছিল। এই ক্ষেত্ৰত মিতব্যয়িতা লক্ষ্য কৰিবলগীয়া বিষয়

আই আৰু ভনী সকলে চাবিও ফালে বেৰি ধৰি একেলগে বহি পাচিয়ে পাচিয়ে শাক-পাচলি কটা, বন্ধা-বঢ়া পাত দিয়া, বিলোৱা, পানী দিয়া কাম দৰাচলতে শলাগিব লগীয়া। এই এটাইখিনি কামৰ মাজেদি সেৱক-সেৱিকা সকলে যি শৃঙ্খলা, নিয়মানুবৰ্ত্তিতা, ঐকান্তিক সহযোগিতা, কৰ্ত্তব্যপৰায়ণতাৰ পৰিচয় দিলে, সি শিক্ষা জগতত আৰু নতুন সমাজৰ অনুকৰণীয় বিষয়।

একাত্মমনে ভগবানৰ নাম লৈহে সকলোৱে ভোজন কৰে। ইয়াত জাতি ভেদ নাই। ভোজনৰ অন্তত সক-

লোৱে নিজৰ নিজৰ খোৱা পাত আৰু উচ্ছিষ্ট সামৰি লৈ দূৰৈত থকা নিৰ্দ্দিষ্ট খালত পেলাই দিয়ে।

প্ৰায় এহেজাৰ মানুহ একেলগে বহি খাব পৰাকৈ ভোজন ঘৰটো সজোৱা হৈছিল। ভোজনৰ সময়ত সদায় দুয়ো বেলা এজন ওখ ঋষি তুল্য পুৰুষ আৰু দুগৰাকী সেৱাপৰায়ণা মহিলাক পৰিবেশণ কাৰ্য্যত বিশেষ ভাবে ব্যস্ত থকা দেখা গৈছিল। তেখেত সকল হৈছে শ্ৰীআৰ্য্যনায়কমৰ্‌জী, শ্ৰীযুতা আশা দেৱী আৰু শ্ৰীযুতা অমল প্ৰভা দাস। প্ৰথমজন বাপুজীৰ শিষ্য। হিন্দুস্থানী তালিমী সঙ্ঘৰ সভাপতি, দ্বিতীয় গৰাকী উক্ত সঙ্ঘৰ চেক্ৰেটৰী আৰু তৃতীয় গৰাকী অসম গান্ধী স্মাৰক নিধিৰ সঞ্চালিকা। ব্যক্তিগত সুখ স্বাচ্ছন্দ্য অকাতৰে বিসৰ্জ্জন দি তেখেতসকলে শিক্ষা সংস্কাৰ আৰু নতুন সমাজ-গঠনত আত্মনিয়োগ কৰিছে।

অসমৰ বুকুত সৰ্ব্বভাৰতীয় অধিবেশন পতাৰ সুযোগ অসমবাসী ৰাইজৰ আগতে এবাৰহে হৈছিল। সেয়ে হৈছে ১৯২৬ চনত পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছৰ ২৬ শ অধিবেশন। এই বিৰাট যজ্ঞৰ আয়োজনৰ গুৰি ধৰিছিল ৺দেশভক্ত তৰুণ ৰাম ফুকন, কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, ৺ৰোহিনী কুমাৰ হাতীবৰুৱা প্ৰভৃতি পৰলোকগত দেশবৰেণ্য লোকসকলে। আনহাতে তিতাবৰৰ সদৌ ভাৰত বুনিয়াদী সন্মিলনৰ অধিবেশন আয়োজনৰ গুৰি ধৰিছিল অসমৰ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীঅমিয়কুমাৰ দাস উপমন্ত্ৰী শ্ৰীপূৰ্ণানন্দ চেতিয়া, শিক্ষাবিভাগৰ ডিৰেক্টৰ শ্ৰীদিবাকৰ গোস্বামী, সহকাৰী ডিৰেক্টৰ ডাঃ অশ্বিনীকুমাৰ বৰকাকতী, বুনিয়াদী শিক্ষাৰ বিশেষ বিষয়া শ্ৰীসুৰেশ্বৰ গোহাঁই, নামনি অসমৰ স্কুল ইন্সপেক্টৰ শ্ৰীদণ্ডেশ্বৰ গগৈ প্ৰভৃতি শিক্ষাবিদ সকলে। স্বাধীনতা লাভৰ পূৰ্ব্বে পাণ্ডুৰ অধিবেশনত আলোচিত হৈছিল খাইকৈ ৰাজনৈতিক সমস্যা; আনহাতে তিতাবৰৰ অধিবেশনত আলোচিত হৈছিল স্বাধীন দেশৰ জাতীয় শিক্ষা ব্যৱস্থাৰ ৰূপ আৰু ধাৰা নিৰ্ণয়ৰ বিষয়ে।

বুনিয়াদী সন্মিলন আহিল আৰু গ'ল। শিৱসাগৰীয়া তথা অসমবাসী ৰাইজৰ মনত আধুনিক তথা জাতীয় শিক্ষাৰ নতুন দৃষ্টিভঙ্গীৰ এটা নতুন সাঁচ বহুৱাই থৈ গ'ল। এই নতুন সাঁচতে গঢ়ি উঠক অসমৰ নতুন সমাজ আৰু বাপুজীৰ ৰামৰাজ্য।

জয় হিন্দ্।

কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীত এখন বিমান সমিতি স্থাপন কৰাটো অনুমোদন কৰিছে। শিক্ষা দিবৰ কাৰণে আৱশ্যকীয় বিমান (এৰোপ্লেন) কেন্দ্ৰীয় চৰকাৰে যোগাব আৰু গুৱাহাটীৰপৰা ১১ মাইল দূৰৈত থকা বৰঝাৰ বিমান কোঠত এই অৰ্থে সকলো সুবিধা যোগাব। ১০০ জন সভ্য হ'লে ভাৰতৰ আন অংশৰ বিমান সমিতি বিলাকক যি হিচাবে সহায় কৰে গুৱাহাটীৰ এই বিমান সমিতিকো সেইদৰে সহায় কৰিব।

ভাৰতৰ বিমান সমিতিবিলাকে কেন্দ্ৰীয় চৰকাৰৰ পৰা বছৰি ৩০ হেজাৰ টকা সহায় পায় ইয়াৰ বাহিৰেও কেন্দ্ৰীয় চৰকাৰে এই সমিতি বিলাকক আন বহুত প্ৰকাৰে সহায় কৰে।

হেন্দোলনি তাৰ নিবাৰণ আৰু ৰাইজৰ কৰ্ত্তব্য

(অল ইণ্ডিয়া ৰেডিঅ'ৰ সৌজন্যত)

ডাঃ মাধৱ চন্দ্ৰ সেন
Officer in charge of
Bovine Contagious Pleuro-Pneumonia scheme



"হেন্দোলনি" শব্দটোৱে কোনো কোনো মানুহৰ মনত এটা নতুন ভাৱৰ উদয় কৰিলেও আজি ব্ৰহ্মপুত্ৰ আৰু তাৰ প্ৰধান প্ৰধান উপনদী যেনে—সোৱনশিৰী, লোহিত আদিৰ নিচেই কাষৰে পাজৰে থকা হোজা নিৰীহ গাৱঁলীয়া ৰাইজৰ মাজত নতুন নহয়। আজি বহুদিনৰ পৰাই অজানা ভাৱেই অজলা মিৰি গাঁৱতো ই বিদ্যমান। অন্ধ বিশ্বাসেই হওক বা ধৰ্ম্মৰ দোহাই দিয়েই হওক এনে মাৰাত্মক বেমাৰ প্ৰকৃতি বা আইৰ কোপদৃষ্টিৰ ফলত নাইবা সেই অজানাজনৰ কোপদৃষ্টিৰ ফলতেই হোৱা বুলি খ্যাতি আছে। দিনৰ পাচত দিন ৰাতিৰ পাচত ৰাতি, মাহৰ পাচত বছৰ ধৰি একাদিক্ৰমে দুখীয়া ৰাইজৰ বাপতি সাহোন স্বৰূপ অন্নসংস্থানৰ একমাত্ৰ সম্বল দমৰা, দামুৰি সময়ৰ সোঁতৰ লগে লগে ধুই নিয়ই লাগিছে। একুৰি দুকুৰিকৈ গোহালিৰ গৰু ক্ৰমে নাইকিয়া হৈ শূন্য হোৱাটো আমাৰ অৱগত নোহোৱা নহয়। কিন্তু আজি অত বছৰে একাদিক্ৰমে চলি অহা নিশ্চিত সংহাৰ মূৰ্ত্তিক ভেটা দিবলৈ তেওঁলোকৰ শক্তিয়ে হাৰ মানিছে আৰু পূৰ্ব্বৰ ৰীতিমতেই কুকুৰা গাহৰি উৎসৰ্গা কৰি ঈপ্সিত দেৱতাৰ তুষ্টি কামনা কৰিয়েই ক্ষান্ত থাকিব লগীয়া হৈছে। আজি তেওঁলোকৰ এনে বিলাই বিপত্তিৰ খবৰ লবলৈ কেও নাই; তেওঁলোক আজি জ্ঞানৰ পোহৰ, সভ্যজগতৰ পোহৰৰ পৰা দূৰত, গতিকে এনে মাৰাত্মক নিশ্চিত মৃত্যু মুখৰ পৰা বাকশক্তিহীন কৃষকৰ সোঁহাত স্বৰূপ গৰু গাইক ৰক্ষা কৰিবলৈ তেওঁলোক অক্ষম।

হেন্দোলনি শব্দটোৱেই ইঙ্গিত দিয়ে বেমাৰৰ প্ৰকৃত স্বৰূপ। অৰ্থাৎ এই বেমাৰৰ প্ৰধান লক্ষণ হৈছে—হেন্দুলিয়াই হেন্দুলিয়াই অতি কষ্টেৰে উশাহ নিশাহ লোৱা। ইংৰাজীত ইয়াক "ব'-ভাইন কন্টেজিয়াছ প্লেঃৰ-নিউমোনীয়া" (Bovine contagious pleuro-pneumonia) বুলি কয়। এই বেমাৰৰ বীজাণু এক ৰকম "ভাইৰাছ" (Virus) জাতীয় বুলি কব পাৰি। ইহঁত ইমান সূক্ষ্ম যে সাধাৰণ অণুবীক্ষণ যন্ত্ৰতো ধৰা নপৰে। এই বেমাৰৰ বীজ বিয়পাৰ একমাত্ৰ কাৰণ হৈছে সংস্পৰ্শ (Through contact) অৰ্থাৎ একেলগে একেগোহালিতে বেমাৰী আৰু সুস্থ গৰু বান্ধিলে বা একে লগতে বেমাৰী গৰু চৰালে বা একে পথাৰতে, যি ঠাইত তেনে ধৰণৰ বেমাৰী গৰু আগেয়ে চৰিছিল,

নতুবা তেনে ঠাইত তেনে বেমাৰী গৰু মৰিছিল, নতুবা এটা বেমাৰী গৰু প্ৰথম অৱস্থাতে বাহিৰৰ পৰা বেমাৰৰ লক্ষণ বিলাক দেখাৰ আগতে আন এখন গাঁৱলৈ বেচা কিনা কৰা ক্ষেত্ৰত এই বেমাৰৰ বীজ এঠাইৰ পৰা আন ঠাইলৈ সিঁচৰতি হৈ পৰে। ইয়াৰ উপৰিও আৰু এক ধৰণে এই বেমাৰৰ বীজ সেঁচৰা দেখা যায়। যেনে কোনো এটা গৰু যদি কোনো কাৰণত সেই বেমাৰত আক্ৰান্ত হৈও পাচত নিজৰ সহ্য গুণৰ ফলত মৃত্যু মুখৰ পৰা সাৰে, সেই ধৰণৰ বেমাৰী গৰুবেই আটাইতকৈ মাৰাত্মক আৰু বহু দিনলৈ সেই বেমাৰৰ বীজ পোষণ কৰি ৰাখি (Carrier) অৰ্থাৎ বাহক জন্তুৰূপে হঠাৎ বেমাৰৰ সূচনা কৰি অসংখ্য গৰু, মহক মৃত্যু মুখলৈ টানি আনে।

এই বেমাৰৰ বীজ আহাৰৰ লগত খুৱাই দিলেও বেমাৰ উৎপত্তি নহয়; কিন্তু উশাহ নিশাহৰ লগত এই বীজ হাওঁ-ফাওঁলৈ গলে তাতেই সি বাহ লয় আৰু ক্ৰমে বৃদ্ধি পায়। এই বেমাৰৰ প্ৰধান আলয় (Seat of occurrence) হৈছে হাওঁফাওঁ। এই হাওঁফাওঁতে ক্ৰমে বৃদ্ধি হৈ প্ৰত্যেক বায়ু নলী আৰু বায়ুকোষ বিলাক আক্ৰমণ কৰি একত্ৰিকৰণ (Consolidation) কৰে আৰু লগে লগেই জুলীয়া পদাৰ্থৰ (Pleural effusion) ৰ দ্বাৰা বায়ুকোষৰ পথ (Inter cellular space) বন্ধ হৈ যায় আৰু সকলোবিলা কাম নাইকীয়া হয়। এই দৰেই সমস্ত হাওঁফাওঁ কিছুমানক ক্ৰমপৰিবৰ্ত্তনৰ ফলত (Grey hepatisation, Red hepatisation and necrosis etc) গোটেই হাওঁফাওঁটো কাঠৰ নিচিনা গোটা, কিন্তু ছুলেই ভাগি যোৱা অৱস্থালৈ পৰিণত হয়। আনহাতে বুকুৰ ভিতৰত (Thoracic cavity)ত ক্ৰমান্বয়ে হালধীয়া শুকান খেৰৰ বৰণৰ পানী (Straw coloured liquid) গোট খায়। এই পানীৰ পৰিমাণ অৱস্থাৰ অনুযায়ী কেইবাসেৰলৈকে হয়। এই হালধীয়া পানীও এই বেমাৰৰ আন এটা লক্ষণ। যিহেতু এই বেমাৰ লাহে লাহে মানুহৰ অলক্ষিতে বৰ্দ্ধিত হৈ থাকে, গতিকে সূক্ষ্ম দৃষ্টিৰে নাচালে এই বেমাৰৰ লক্ষণ বিলাক আন কোনো অসুখৰপৰা হোৱা যেন হে অনুমান হয়।

বাহিৰৰ পৰা দেখা বেমাৰৰ অনুসূচনা বিলাক (Clinical Symptoms) যেনে প্ৰথমে গাত ১০২-১০৩ জ্বৰ থকা তাৰ লগে লগে গাৰ নোম বিলাক সিহঁৰি থকা (Staring coat) চকু মুখত বিমৰ্ষ ভাব (dull looking) মাজে মজে নাকৰ বিন্ধাৰে বগা বীজলুৱা পানী (Nasal discharge) আৰু সময়ে সময়ে উঠা শুকান কাঁহ (Dry coughing) ইত্যাদি। এই কেইটাই প্ৰথম আৰম্ভণি অৱস্থাত প্ৰায় সকলো বিলাক ৰোগীৰ গাত দেখা যায়। এইদৰে যেতিয়া ১ম সপ্তাহ পাৰ হয় তেতিয়া লাহে লাহে উশাহ নিশাহ লোৱাত কঠিনতা দেখা যায় (Respiratory trouble)। ২য় সপ্তাহৰ আৰম্ভণিৰ লগে লগে ৰোগীয়ে লাহে লাহে খোৱা লোৱাৰ কালে আনমনা হয় (Off fed) আৰু আগত দি থলেও মুজুৰা লাগি দিনে দিনে নাখাই নৰৈ খিণায় যাবলৈ আৰম্ভ কৰে। ২য় সপ্তাহৰ শেষ ছোৱাত ৰুগীয়ে আন সুস্থ গৰুৰ জাকৰ লগত পথাৰলৈ যাবলৈ ইচ্ছা নকৰে বা ইচ্ছা থাকিলেও শক্তিৰে নুকুলোৱা যেন অনুমান হয় আৰু পথাৰত আঁতৰীয়াকৈ ছাঁ ঠাইত পৰি থাকে নাইবা গোহালিতে আশ্ৰয়লৈ মৃত্যুৰ দিন গণে। ৩য় সপ্তাহত যেতিয়া ক্ৰমে বুকুৰ ভিতৰত গোট খোৱা পানীৰ পৰিমাণ বেছি হয় তেতিয়া ক্ৰমে উশাহ নিশাহ লোৱাত কষ্ট হয় আৰু ৰোগীয়ে এই কষ্ট দূৰ কৰিবলৈ আগঠেং দুখন বহলকৈ মেলি ৰাখি থিয় হৈ থাকে। প্ৰত্যেক বাৰ উশাহ নিশাহৰ লগত বুকুৰ কামিহাড়ৰ মাজৰ অংশ উঠা নমা কৰি থাকে। যদি যন্ত্ৰৰ দ্বাৰা (Stethoscope) চোৱা যায় তেন্তে সুস্থ হাওঁফাওঁৰ সোঁ সোঁ শব্দ প্ৰায় নাইকিয়া হোৱা দেখা যায়। বিশেষ মন কৰিব লগীয়া যে, এই বেমাৰত সাধাৰণতে সোঁফালৰ হাওঁফাওঁ আক্ৰান্ত হয়। ৩য় সপ্তাহৰ শেষত আৰু ৪ৰ্থ সপ্তাহৰ আগ ভাগত ৰোগী সচৰাচৰ মৃত্যু মুখত পৰে। কিন্তু কোনো কোনো ৰোগী আকৌ দুমাহ তিনি মাহলৈকে জীয়াই থাকে আৰু এই বিলাকেই হয় বেমাৰৰ বীজ পৰিবাহক জন্তু (Carrier) আৰু ইহঁত আটাইতকৈ ভয়াবহ। বাহিৰত পৰিলক্ষিত

হোৱা লক্ষণ বিলাকৰ বাহিৰেও প্ৰত্যেক ৰোগীৰ হুচফুচ আৰু প্লীহা (Spleen)ৰ পাৰিবৰ্ত্তনৰ (Pathological change) আৰু বুকুৰ ভিতৰত গোট খোৱা পানীৰ পৰিমাণ ও তাৰ ৰঙৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। বাহিৰত পৰিলক্ষিত হোৱা পৰিবৰ্ত্তন বিলাক আন আন বহু বেমাৰৰ যেনে নিউমনীয়া, গলফুলা লক্ষণৰ লগত প্ৰায় একে। গতিকে প্ৰত্যেকটো বেমাৰৰ লক্ষণ বিলাক ভালদৰে নাজানিলে বা ধৰিব নোৱাৰিলে ভুল কৰাৰ নিতান্ত সম্ভাৱনা।

বিশেষ মন কৰিব লগীয়া যে এই বেমাৰৰ বীজ পোন প্ৰথমে অসমত আবিষ্কাৰ কৰাৰ আগতে পৃথিবীৰ বহু ঠাইত ইয়াৰ প্ৰাদুৰ্ভাৱ দেখা যায়। কোনো কোনো পণ্ডিতৰ মতে ১৬০০ শতাব্দীৰ শেহছোৱাত আৰু কোনো কোনোৰ মতে ১৭০০ শতাব্দীৰ শেহছোৱাত মধ্য ইউৰোপ মহাদেশৰ চুইজাৰলেণ্ডত, জাৰ্ম্মানীত আৰু ফ্ৰান্সৰ পাহাৰীয়া অঞ্চলত প্ৰথমে দেখা দিয়ে। কিন্তু ১৯০০ শতাব্দীৰ প্ৰথম ভাগত ই বেলজীয়াম আৰু হাঙ্গেৰীৰ গৰুৰ ফাৰ্মত যথেষ্ট ৰকমে ক্ষতি কৰে। এই দৰেই প্ৰায় ১৯০০ শতাব্দীৰ মাজ ভাগত ইউৰোপত, স্পেইনৰ পৰা আৰম্ভ কৰি হাঙ্গেৰী আৰু চোভিয়েট ৰাচিয়ালৈকে গোটেই খণ্ড মধ্য ইউৰোপ এই বেমাৰত আক্ৰান্ত হয়। "ডাটচ" বিলাকে গৰু গাইৰ কিনা বেচা কৰাত এই বেমাৰৰ সংস্ৰৱ ইংলণ্ডলৈ প্ৰথম যায়। ১৮৬০ খৃঃ ইংলণ্ডত প্ৰায় ১৮,৭০০ গৰু এই বেমাৰত মৰে। ইয়াৰ পাছত এই বেমাৰ ক্ৰমান্বয়ে ইংলণ্ডৰ পৰা চুইডেন, উত্তৰ আমেৰীকা আৰু ১৮৫৪ খৃঃ দক্ষিণ আফ্ৰিকা আৰু ১৮৮৫ খৃঃ অষ্ট্ৰেলীয়ালৈ বিয়পে আৰু এই দৰেহে ১৯১০ খৃঃ অষ্ট্ৰেলীয়াৰ পৰাই প্ৰথম ভাৰতলৈ এই বেমাৰ আহে। কোনো কোনো পণ্ডিতৰ মতে ভাৰতৰ পৰাই চীনলৈ আৰু তাৰ পৰাই জাপানলৈ বিয়পে। কিন্তু যেহেতু এই বেমাৰ ইয়াৰ পাছত অসমৰ বাহিৰে আৰু ভাৰতৰ কতো পৰিলক্ষিত হোৱা নাই গতিকেই বহু পণ্ডিতে এই বিষয়ে গৱেষণা কৰি চীনৰ পৰাই এই বেমাৰৰ বীজ হিমালয়ৰ গিৰিপথেদি চীনৰ বেপাৰী বিলাকে ভাৰতৰ তথা অসমৰ আশে পাশে থকা পাহাৰীয়া জনজাতীৰ লগত বেপাৰৰ আদান প্ৰদানৰ যোগেদি অসমলৈ এই বেমাৰ আনে বুলি অনুমান কৰে। সমষ্ট ভাৰতৰ ভিতৰত অকল অসমেই যে এই বেমাৰৰ কবলগ্ৰাসত পৰিল তাৰ তথ্য বিচাৰি ইয়াকে ঠিৰাং হৈছে যে যিহেতু সুবৃহৎ ব্ৰহ্মপুত্ৰ নদী হিমালয়ৰ বুকু ভেদ কৰি চীন ভাৰতৰ বেহা-বেপাৰৰ স্থান সমূহ অতিক্ৰম কৰি আহিছে আৰু যিহেতু এই বেমাৰ একমাত্ৰ দেখা যায় ব্ৰহ্মপুত্ৰ আৰু তাৰ উৎপত্তি স্থানৰ শাখা প্ৰশাখাৰ আশে পাশে থকা গাওঁভূই আৰু চৰ চাপৰিৰ গৰু ম'হৰ খুটি বিলাকতে।

কেইবাজনো এই বেমাৰৰ বিশিষ্ট তথ্য সংগ্ৰাহকে কেন্দ্ৰীয় চৰকাৰৰ তত্ত্বাৱধানত অসমত এই বেমাৰৰ তথ্য সংগ্ৰহ কৰে। মৃত্যুৰ হাৰলৈ লক্ষ্য কৰিলে এই মৰাত্মক ৰোগক ভয়াবহ প্লেগ বেমাৰৰ লগত তুলনা কৰিব পৰি আৰু এই গতিকেই ইয়াৰ আন এটা নাম "লাং প্লেগ" (Lung plague)। আন হাতেদি চুখীয়া বাইজৰ পক্ষে আটাইতকৈ ভয়াবহ গোৰসম্পদৰ পাচতেই ইয়াৰ স্থান দিব পাৰি।*

(অহা সংখ্যাত শেষ)

* ৯ এপ্ৰিল ১৯৫৩ চনত আবেলি ৫-৩০ বজাত গাৰ্ণীয়া বাইজলৈ অনুষ্ঠানৰ যোগেদি শিলং গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত।

ফিৰিঙতি এটাৰ পৰা খাণ্ডৱ দাহ

শ্ৰীনাৰায়ণ শৰ্ম্মা।

(যোৱা সংখ্যাৰ পাচৰ পৰা)

আইভানে দীঘলকৈ হুমুনিয়াহ এটা পেলাই ভাবিলে "কথাবোৰ সঁচাই" ; তেওঁৰ মনটো পাতলিল কিন্তু কামটো কেনেকৈ কৰিলে ভাল হব তাকে উৱাদিহ নাপালে পুতেকৰ মনৰ ভাব বুজিব পাৰি বুঢ়াই আকৌ কবলৈ ধৰিলে "সোৱা বাচা, জুই বেচি নহওঁতেই নুমাই পেলোৱা নহ'লে ই সকলো আগুৰি ধৰিব।" বুঢ়াই হয়তো আৰু কিবা কিবি কলে হেতেন। কিন্তু ঘৰৰ লৰা ছোৱালী বোৰে চৰাইৰ দৰে কোচাল লগালে। গেব্ৰিয়েলে নেত খোৱা আৰু সি সিহঁতৰ ঘৰত জুই দিব খোজা কথাটো সিহঁতে শুনিলে আৰু আনন্দিত হৈ গেব্ৰিয়েলৰ ঘৰৰ লৰা-ছোৱালী বোৰৰ লগত বোলে পথাৰত কাজিয়াই কৰিছে। গেব্ৰিয়েলৰ বোৱাৰীয়েকে হেনো আকৌ কিবা কৰিব বুলি ভয় দেখুৱাইছে। তদন্তকাৰী হাকিমে হেনো গেব্ৰিয়েলৰ পক্ষ লৈছে আৰু তেওঁ হেনো ঘটনাৰ ফলাফল আন ফালে ঢাল খুৱাই দিব ; গাওঁৰ পঢ়াশালিৰ শিক্ষক জনে বোলে 'জাৰ'লৈ (কচিয়াৰ ৰজালৈ) আইভানৰ বিৰুদ্ধে এখন দৰখাস্ত লিখি দিছে ; সেই দৰখাস্তখনত বোলে শাক-পাচলিৰ বাগিচা খনৰে পৰা ধুৰাৰ খিলি চুৰিলৈ সকলো লিখি দিছে। আইভানক বোলে এইবেলি উপযুক্ত শিক্ষা দিব। সকলো আইভানৰ কাণত পৰিল—অন্তৰ জ্বলি উঠিল আৰু গেব্ৰিয়েলৰ লগত আপোচ কৰাৰ ইচ্ছা আৰু নোহোৱা হ'ল।

আইভানৰ বহুতো কাম বাকী আছিল। আইভানে তিৰোতাবোৰৰ কথালৈ কাণ নিদি মৰণা মৰা ঘৰলৈ গ'ল। তাৰ বস্তুবোৰ পৰিপাটি লগাই থওঁতেই চকা পাটত উঠিল আৰু লৰাবোৰো পথাৰৰ পৰা ঘূৰি আহিল। দুটা ঘোৰাৰে সিহঁতে আৰ কালিৰ শস্য কঢ়িয়াই আনিছে। আইভানে সিহঁতক বস্তুবাহানি বোৰ ঠিককৈ থোৱাত সহায় কৰিলে আৰু খেতিৰ সম্বন্ধে লাগতিয়াল কথা দুই এটা সুধিলে। ঘোৰাৰ গাত দিয়া বস্তাটো ফাটি গৈছিল, চিলাই কৰিবলৈ বুলি একাষৰীয়া কৰি থলে। ভৰাল ঘৰৰ ওচৰত কেইটামান গোন্ধ থবলৈ গল কিন্তু সিটমিটীয়া আন্ধাৰ হোৱা কাৰণে তাতেই এৰি আহিল। তেতিয়া তেওঁ গৰুবোৰক খাবলৈ দিলে, আৰু ৰাতিৰ চৰাবলৈ নিয়া ঘোৰা কেইটা উলিয়াই পৈ দৰজাখনত খিলিডাল ভালকৈ দি বন্ধ কৰি থলে। তেওঁ ভাবিলে যে খাই বৈ শুই থাকিব। ঘোৰাৰ সাজটো হাতত লৈ তেওঁ ঘৰ সোমাল। ইতিমধ্যে গেব্ৰিয়েলৰ ঘটনাবোৰ আৰু বুঢ়া পিতাকৰ উপদেশ তেওঁ পাহৰিয়েই গল। কিন্তু ঠিক দুৱাৰখনত ধৰি সোমাব খোজোঁতেই আন ফালৰ পৰা কাষৰ মানুহৰ গালি শুনিবলৈ ধৰিলে। গেব্ৰিয়েলে তীব্ৰ কণ্ঠেৰে কৈছিল "চয়তান টোৱে কি কৰিব? তাক মাৰি পেলালে সি কি কৰিব?" কথাষাৰ শুনা মাত্ৰকে আইভানৰ আগৰ তিক্ততা আহি গল। ঠিয় দি থাকি গেব্ৰিয়েলৰ গালি শপনিবোৰ শুনিলে আৰু শেষ হলত ভিতৰ সোমাই গল।

ঘৰৰ ভিতৰত চাকি এটিৰ পোহৰত বোৱাৰীয়েকে সূতা কাটি আছিল আৰু ঘৈণীয়েকে ৰাতিৰ আহাৰ তৈয়াৰ কৰিছিল। ডাঙৰ পুতেকে ছাগৰ জোতাবোৰৰ কাৰণে ফিটা কৰিছিল আৰু মাজু পুতেকে মেজৰ ওপৰত পুথি লৈছিল আৰু তাৰাছে ঘোৰা চৰাবলৈ নিবলৈ সাজু হৈছিল। ঘৰত সকলোৱে সুখতেই আছিল কিন্তু ওচৰৰ মানুহ ঘৰেহে সকলো নষ্ট কৰিলে। আইভানে গহীন আৰু বিৰক্ত মনে সোমাই বেঞ্চখনৰ পৰা মেকুৰীটো আতৰাই দি মদৰ টেকেলিটো ঠিক ঠাইত নোথোৱা বাবে ছোৱালী বোৰক দাবি দিলে। বৰ হতাশ হোৱাৰ দৰে বহি থং মনে ঘোৰাৰ সাজটো চিলাবলৈ ধৰিলে। গেব্ৰিয়েলৰ কথাবোৰ তেতিয়াও তাৰ কাণত বাজি আছিল ; আদা-

লতত ভয় দেখুউৱা আৰু অলপ আগতে "তাক মাৰি পেলালে কি কৰিব ?" বোলা কথাষাৰ মনত পৰিল। ঘৈণীয়েকে তাৰাচক খাবলৈ দিলে। খাই বৈ উঠি তাৰাচে ভেৰাৰ নোমৰ কোট আৰু আন এটা চোলা গাত সুমুৱাই লৈ ককালত পেটিডাল মাৰিলে। কেইটামান কটি ল'ই ঘোৰাৰ ওচৰলৈ গল। তাক দদায়েকে আগ বঢ়াই থৈছিল, আইভান দুৱাৰ মুখলৈ ওলাই গল। বাহিৰত আকাশখন মেঘে ঢাকি থৈছে আৰু বতাহো বলিছিল। তাৰাচক ঘোৰাত তুলি দি ঘোৰাৰ পোৱালিবোৰক পিছ লগাই দি থিয় হৈ শুনিবলৈ ধৰিলে। ইফালে তাৰাচে গাৱঁৰ আন আন লৰাবোৰৰ লগ লাগিল গৈ। সিহঁতৰ কথা বাৰ্ত্তা শুনা হোৱা লৈকে আইভানে তাতে থিয় হৈ আছিল। সেই দৰে থিয় হৈ থাকোতে তেওঁৰ মনত গেব্ৰিয়েলে কোৱা "চাবা ! ইয়াত কৈ বাতে তোমাৰ অন্য বস্তু বেচি বেয়াকৈ নজলে"—কথাষাৰহে মনত পৰিছিলহি। তেওঁ ভাবিবলৈ ধৰিলে "গেব্ৰিয়েল চয়তান। এতিয়া সকলোবোৰ শুকাই আছে আৰু বতাহো জোৰকৈ বলিছে—সি যদি কেনেবাকৈ কোনোবা এটি ঘৰত জুই দি পলাই যায় তেতিয়া সি শাস্তিও নাপাব আৰু ধৰাও নপৰিব কিন্তু ইপিনে সকলো পুৰি ছাই হব। গতিকে সেই সময়তে কেনেবাকৈ তাক ধৰিব পাৰিলে সি আৰু সাৰিব নোৱাৰিব।" এইবোৰ চিন্তা আইভানৰ মনলৈ এনে ভাৱে আহিবলৈ ধৰিলে যে তেওঁ আৰু ভিতৰলৈ নগল। বাহিৰলৈ গৈ ঘৰৰ চৌহদত ঘূৰিবলৈ ধৰিলে। "মই ঘৰবোৰৰ চাৰিও ফালে ঘূৰি ফুৰিম, কোনে জানে তাৰ মনত কি আছে ?" লাহে লাহে ওলাই আহি বাট পালেহি। বাটৰ চুক পোৱা মাত্ৰেই যেৰৰ এচুকত কোনোবাই কিবা লোকাৰি দিয়া যেন পালে—কোনোবা যেন অদৃশ্য হৈ গল। আইভানে থিয় হৈ মনে মনে সকলো চালে, শুনিবলৈ চেষ্টা কৰিলে। কিন্তু কতো একো নাই, মাত্ৰ বতাহত গছৰ পাতবোৰৰ সোঁ-সোৱনি শব্দ আৰু চালৰ খেৰবোৰৰ শব্দ শুনা গৈছিল। প্ৰথমতে অন্ধকাৰত একোকে দেখা নাছিল—কিন্তু আন্ধাৰত থাকি থাকি দূৰলৈকো দেখা হল। দূৰৰ একোণত নাঙল এখন পৰি থকা দেখিলে। চালৰ কোণাটোত চকু ফুৰাই লগে—বহুত সময় থাকিও কাকো কতো নেদেখিলে। বোধহয় মোৰ ভুলেই হৈছে—তথাপি এবাৰ চাই আহো" বুলি আইভানে যেৰৰ চাৰিও ফালে ঘূৰিবলৈ ধৰিলে। গছৰ ছালৰ জোতা পিন্ধিছিল কাৰণেই আইভানে নিজেও নিজৰ ভৰিৰ শব্দ শুনা নাছিল। দূৰৈৰ এচুকত থিয় দি আইভানে নাঙলখনৰ গুৰিতে কিবা যেন জ্বলি উঠি নুমাই গল—এনেকুৱা দেখিলে। আইভানৰ বুকু কঁপি উঠিল থমকি ৰল। থিয় হোৱা মাত্ৰকে আকৌ সেই ঠাইতে জুইৰ পোহৰ দেখা পালে আৰু দেখা পালে তেওঁৰ ফালে পিঠি দি টুপি পিন্ধা মানুহ এজনে এমুঠি খেৰ জ্বলাই লৈছে। আইভানে যেন চৰাইৰ দৰে উৰি যাব ! গাৰ সকলোখিনি শক্তিৰে তেওঁ দৌৰ মাৰিলে—"এইবাৰ তোৰ আৰু ৰক্ষা নাই তোক হাতে লোতে ধৰিহে এৰিম।" আইভান তেতিয়াও অলপ দূৰত আছিল; এনেতে হঠাৎ তেওঁ এটা উজ্জ্বল পোহৰ দেখিবলৈ পালে। জুইকুৰা আগৰ ঠাইত নহয়—আৰু ডাঙৰো। খেৰৰ জুই বাঢ়ি গৈ চাল পোৱাত আইভানে গেব্ৰিয়েলক থিয় দি থকা দেখিলে। শেনে সক চৰাইলৈ ছোঁ মাৰি যোৱাৰ দৰে আইভানেও গেব্ৰিয়েলৰ পিছে পিছে খেদি গল। গেব্ৰিয়েলে আইভানৰ ভৰিৰ শব্দ শুনি পিছ ফালে চাই—ভৰালৰ কাষেদি পহুৰ দৰে লৰ মাৰিলে। "এইবাৰ তোৰ আৰু ৰক্ষা নাই" বুলি আইভানেও পিছে পিছে খেদা দিলে। তেওঁ গেব্ৰিয়েলক থাপ মাৰি ধৰিব—ঠিক এনে সময়তে গেব্ৰিয়েলে একে জাপে আইভানৰ পদুলি পাৰ হৈ গল। কিন্তু আইভানে তাৰ কামিজত টানিধৰাত কামিজটো ফালি আইভানৰ হাতত আধা ৰল—আৰু আইভান এচাৰ খাই পৰি গল। পৰিয়েই উঠিল আৰু চিঞৰিবলৈ ধৰিলে। "লৰ মাৰি আহা ! ইয়াক ধৰ ! চোৰ !" বুলি কৈ আকৌ তাৰ পিছে পিছে খেদা দিলে ; ইতিমধ্যে গেব্ৰিয়েলে নিজৰ ঘৰ পাইছিল। আইভানে তেনে সময়ত গেব্ৰিয়েলক গৰা

মাৰি ধৰিবলৈ যাওঁতে কোনোবাই তেওঁক প্ৰচণ্ড আঘাত দিলে। তেওঁ ধোঁৱা কোঁৱা দেখি পৰি গল—গেব্ৰিয়েলে দুৱাৰ মুখত পৰি থকা গছৰ গোঁজ এডালেৰে তেওঁৰ মূৰত কোবালে।

সেই আঘাতত আইভানে ধোঁৱা কোৱা দেখিলে—আৰু ঢলি পৰি গল। যেতিয়া তেওঁৰ জ্ঞান চাপিল—গেব্ৰিয়েল তেতিয়া তাত নাই। চাৰিও ফালে দিনৰ দৰে পোহৰ—আৰু তেওঁৰ ঘৰৰ ফালৰ পৰা যেন—চলন্ত ইঞ্জিনৰহে শব্দ! আইভানে ঘূৰি চাই দেখে যে তেওঁৰ পিছ ফালৰ ঘৰৰ চালখনত জুই লাগিছে। কাষৰ চালখনতো জুই—আৰু খেৰৰ ফিৰিঙতি, ধোঁৱাৰ আৰু বতাহৰ লগত তেওঁৰ ঘৰটোৰ ফালে যাবলৈ ধৰিছে। "চালৰ কোণৰ জ্বলা খেৰখিনি টানি ভৰিৰে যদি মোহাৰি নুমালোহেঁতেন!" বুলি চিঞৰিব খুজিলে—কিন্তু তেওঁৰ মাতো নোলোৱা হল দম নাইকিয়াও হৈছিল। তেওঁৰ লৰ মাৰি যাবৰ মন গৈছিল—কিন্তু ভৰি দুখনে আৰু নাটানে। লাহে লাহে যাবলৈ ধৰিলে কিন্তু আকৌ ভাগৰি পৰিল। কিছু সময় থিয় হৈ থাকি উশাহ ললে আৰু যাবলৈ ধৰিলে। পিছৰ চালখনৰ ওচৰ পোৱাই নাই—আৰু এখন চালত জুই লাগিল। চাৰিওফালে জুই বিয়পি পৰিল—ভিতৰলৈ যাবলৈ সন্ধি—নোহোৱা হল। লোকে লোকাৰণ্য হল—কিন্তু কোনেও একো কৰিব নোৱাৰিলে। ওচৰ চুবুৰীয়াবোৰে ঘৰৰ বস্তুবোৰ বাহিৰ কৰিলে—গৰুবোৰৰ পঘা ছিঙি দিলে—আইভানৰ ঘৰৰ জুই গৈ গেব্ৰিয়েলৰ ঘৰতো লাগিল। বতাহৰ কোবত জুই চাৰিওফালে বিয়পি পৰিল—গাৱঁৰ প্ৰায় আধা মানুহৰ ঘৰ পুৰিলে।

আইভানৰ বুঢ়া বাপেকক কোনোমতে বচালে- লৰা তিৰোতাবোৰে যি পিন্ধি আছিল তাৰেই ওলাল। পথাৰলৈ নিয়া কাৰণে ঘোঁৰাকেইটা বাচিল। তাৰ বাহিৰে গোহালিৰ গৰু, গৰালৰ কুকুৰা, ভৰালৰ ধান চাউল, বাকচৰ কাপোৰ কানি, গহনা পাতি, গৰু গাড়ী, নাঙল হৈ সকলো পুৰি ছাই হল। গেব্ৰিয়েলৰ গৰু কেইজনী বাচিল আৰু সাধাৰণ বস্তু কেইটামান বাহিৰ কৰা হৈছিল। গোটেই ৰাতি জুই জ্বলিল। আইভানে তেওঁৰ ঘৰৰ সন্মুখত থিয় হৈ কেৱল কবলৈ ধৰিলে "কি হল ভাইহঁত?...এজনে যদি সেইখিনি টানি আনি ভৰিৰে মোহাৰি নুমালেহেঁতেন·?" কিন্তু যেতিয়া ঘৰৰ মুধা খহি পৰিল—আইভানে তেতিয়া তালৈ লৰমাৰি গৈ জ্বলি থকা কাঠ এডাল টানিবলৈ ধৰিলে। তিৰোতাবোৰে তেওঁক ঘূৰি আহিবলৈ কলে—তেওঁ কিন্তু সেইডাল কাঠ টানি বাহিৰ কৰি আন এডাললৈ হাত মেলিলে। জুইৰ তাপত তিষ্ঠিব নোৱাৰি আইভান জুইৰ মাজত পৰি গল। পুতেক ওচৰতে আছিল আৰু একে টানেই বাহিৰলৈ আনিলে। আইভানৰ ডাঢ়ি চুলি পুৰিছিল—হাতখনো পুৰিছিল—কিন্তু কি হৈছে তেওঁ নিজেই গম পোৱা নাছিল। মানুহবোৰে কবলৈ ধৰিলে "মানুহজন দুখতে হতাশ হৈছে"—। জুই লাহে লাহে কমি আহিবলৈ ধৰিলে—আইভানে তেতিয়াও সেই একেটা কথাকে কৈ আছিল·· "কোনোবাই যদি টানি--পেলালাহেঁতেন"···।"

পিছদিনা বাৰিপুৰা গাৱঁৰ মুখীয়াল মানুহজনৰ লৰাটোৱে আইভানক খবৰ দিলে "দাদা! তোমাৰ দেউতা মৃতপ্ৰায়। তোমাৰ পৰা বিদায় লবলৈ তোমাক মাতি পঠাইছে।" আইভানে বাপেকৰ কথাও পাহৰি গৈছিল· গতিকে কথাষাৰৰ অৰ্থ নুবুজিলে মাত্ৰ কলে "কাৰ পিতা? কাক মাতিছে?" "তোমাৰ পৰা বিদায় লবলৈ তোমাকে মাতি পঠাইছে। বলা আমাৰ ঘৰত বুঢ়া যাওঁ যাওঁ অৱস্থাত পৰি আছে"—বুলি আইভানক প্ৰায় টানি নিয়াৰ দৰেই নিলে।

জুই লাগোঁতে বুঢ়াক যেতিয়া ঘৰৰপৰা বাহিৰলৈ অনা হৈছিল তেতিয়া জুইৰ আঙঠা পৰি বুঢ়াৰ গা অলপ পোৰে। গতিকে জুইৰ ভাপেও পাব নোৱাৰাকৈ—গাৱঁৰ একূৰে মুখীয়ালজনৰ ঘৰলৈ তেওঁক লৈ যোৱা হৈছিল। আইভান পিতাকৰ ওচৰলৈ আহিল। ঘৰৰ ভিতৰত মুখীয়ালজনৰ তিৰোতাজনী আৰু কেইটামান লৰা ছোৱালীৰ বাহিৰে কোনো নাই—বাকীবোৰ মানুহ তেতিয়াও জুইলগা ঠাইতে আছিল। বেঞ্চ এখনত শুই মমবাতি এডাল হাতত লৈ বুঢ়াই দুৱাৰমুখৰ ফালে চাই আছিল। পুতেক সোমোৱাৰ লগে লগে বুঢ়াই লাহেকৈ গাটো লৰালে। তিৰোতাজনীয়ে পুতেক অহা বুলি কলত বুঢ়াই—তেওঁক ওচৰলৈ মাতিলে।

আইভান ওচৰ চাপিল। বুঢ়াই কবলৈ ধৰিলে "মই তোমাক কি কৈছিলো, আইভান ? গাওঁখন কোনে পুৰিলে ?" আইভানে উত্তৰ দিলে "সেই হতভাগাই পুৰিলে পিতা। মই তাক খেৰত জুই দিয়া দেখিছিলো—আৰু সেই খেৰ কোছা যদি টানি মোহাৰি জুমালোহেঁতেন—তেনেহলে ইমানখিনি হবলৈয়ে নাপালেহেঁতেন।" বুঢ়াই কলে "আই ভান মই মৰিম, তুমিও এদিন মৰিবা। কাৰ পাপৰ বাবে বাৰু এনে হল ?" আইভানে বুঢ়াৰ মুখলৈ চাই ৰল—মুখৰ মাত হৰিল। "ঈশ্বৰৰ নাম লৈ কোৱা এই পাপ কাৰ ? মই তোমাক কি কৈছিলো ?"—তেতিয়া আইভানৰ চকু মুকলি হল আৰু সকলো বুজি পালে—নিঃশ্বাস পেলাই তেওঁ "মোৰেই পাপ" বুলি কৈ পিতাকৰ ওচৰত আঠুকাঢি বহি কবলৈ ধৰিলে—"পিতা মোক ক্ষমা কৰা। ভগবান আৰু তোমাৰ ওচৰত মই অপৰাধী।" বুঢ়াই হাতখন দাঙি সোঁহাতৰ পৰা মমডাল বাওঁহাতে ললে। কপালত সোঁহাতেৰে "ক্ৰুছচিহ্ন" যেন কৰিব খুজিলে কিন্তু নোৱাৰিলে। মাথোন "ভগবানক ধন্যবাদ ! ভগবানক ধন্যবাদ" বুলি কৈ পুতেকলৈ চাই কলে "আইভান বাচা মোৰ—।" "কিয় পিতা ?" এতিয়া কি কৰিবা বোপা ?" আইভানে কান্দি কান্দি কব'লৈ ধৰিলে—"পিতা আমি যে কি কৰি জীয়াই থাকিম—মই ভাবিয়ে পোৱা নাই।" বুঢ়াৰ চকু দুটা মুদ খালে, ওঠ দুটা অলপ লৰিলে আৰু পুনৰ চকু মেলি কলে তুমি পাৰিবা—ভগবানৰ আদেশ মানি চলিলে সকলো ব্যৱস্থা কৰিবা পাৰিবা। কোনে জুই দিছিল। কাকো নকবা। আনৰ পাপ লুকাই ৰাখা—তেতিয়া হলে ভগবানে তোমালোক দুয়ো জনৰে পাপ ক্ষমা কৰিব। ইয়াকে কৈ বুঢ়াই দুয়ো হাতেৰে মমডাল লৈ বুকুৰ ওপৰত দুয়োখন হাত লগ লগাই দীৰ্ঘ নিশ্বাস পেলালে। সকলো শেষ !

আইভানে গেব্ৰিয়েলৰ বিৰুদ্ধে একো নকলে: গতিকে কেনেকৈ জুই লাগিছিল—তাৰ কাৰণ কোনেও নাজানিলে। গেব্ৰিয়েলৰ ওপৰত আইভানৰ খং কমি আহিল। আই-ভানে জানিও এই বিষয়ে কাকো একো নোকোৱাত গেব্ৰিয়েল আচৰিত হ'ল। প্ৰথমতে পেটে পেটে গেব্ৰি-য়েলে ভয় কৰিছিল কিন্তু লাহে লাহে তেওঁৰ ভয় নোহোৱা হল। পুৰুষবোৰে কাজিয়া এৰাত তিৰোতা বোৰেও এৰিলে। একেটা ঘৰত থাকিয়েই তেওঁলোকে নতুন ঘৰ বাৰী বান্ধিলে। গাওঁখন তেওঁলোকে নতুনকৈ সংস্কাৰ কৰিব খুজিলে। আতৰত ঘৰ বান্ধিব পাৰিলে হেতেন। কিন্তু আইভান আৰু গেব্ৰিয়েলে আগৰ দৰে ওচৰা-ওচৰিকৈয়ে ঘৰ সাজিলে। এতিয়া তেওঁলোকে নেছ মিলাপ্ৰীতিৰে থাকিবলৈ ললে। ভগবানৰ আদেশ পালন কৰা বিষয়ে আইভানে পিতাকৰ কথা মনত ৰাখিছিল আৰু জানিছিল যে উমি উমি জ্বলি উঠোঁতেই জুই নুমাব লাগে। ইয়াৰ পিছত কোনোবাই তেওঁৰ কিবা অনিষ্ট কৰিলে তেওঁ প্ৰতিহিংসা নকৰি মিটমাত কৰি লৈছিল। কোনোবাই তেওঁক বেয়া কথা কলে তেওঁ তাৰ উত্তৰত বেয়া কথা নকৈছিল বৰং আনকো নকবলৈ শিক্ষা দিছিল। তেনেকুৱা শিক্ষা তেওঁ লৰাছোৱালী আৰু তিৰোতা বোৰকো দিছিল। এইদৰে আইভানৰ অৱস্থা আকৌ ভাল হৈ আহিল আৰু তেওঁ আগতকৈ ভাল দৰে জীৱন যাপন কৰিবলৈ ধৰিলে। *

* [ঋষি টলষ্টয়ৰ "তেইশটা সাধু" (Twenty Three Tales) পুথিৰ 'A spark neglected bu-rns the House" নামৰ গল্পৰ মুকলি অনুবাদ]

ঋণ মুক্ত

শ্ৰীহৰকান্ত দাস এম, এ, বি, এল।

(এইটো মই মনে গঢ়া গল্প নহয়। ইয়াৰ মূল ঘটনাটো নলবাৰী এলেকাৰ এজন বুঢ়া মানুহৰ মুখত শুনিছিলোঁ। ঘটনাটো তেওঁৰ গাঁৱৰ অলপ দূৰতে হৈছিল বুলি কৈছিল। গল্পটোত কাল্পনিক নাম দিয়া হৈছে।)

কিছু দিনৰ আগতে এখন গাঁৱত বেণু নামেৰে এজন বৰ দুখীয়া মানুহ আছিল। তেওঁৰ নিচেই সৰু কালতে মাক-বাপেক উভয়ে জহনীত পৰি ঢুকায়। দাত মাউৰা বেণুৱে ইয়াৰ ঘৰত তাৰ ঘৰত কাম বন কৰি পেট প্ৰবৰ্ত্তাই আছিল।

বেণুৰ বয়স যেতিয়া কুৰি বছৰ হ'ল, তেওঁৰ বাপতীয়া ভেটিত এটা সাধাৰণ ঘৰ সাজি থাকিবলৈ ল'লে। যেতিয়া তেওঁৰ সম্পত্তিৰ ভিতৰত আছিল মাত্ৰ এহালিচা বস্তি মাটি আৰু নকৈ সজোৱা পঁজা ঘৰটো। আনৰ হাল, গৰু আৰু মাটি লৈ খেতি চলাবলৈ ধৰিলে, আৰু তাৰ দ্বাৰাই পেট প্ৰবৰ্ত্তনৰ দিহা কৰিলে।

বয়সৰ লগে লগে বেণুৰো ঘৰ সংসাৰ কৰিবলৈ মানস হ'ল, কিন্তু বিয়া কৰাবলৈ খৰচৰ অভাৱ। ইপিনে এজনী বিয়া কৰাই নানিলেও ঘৰখন নচলে আৰু পথাৰৰ পৰা আহি দুবেলা দুমুঠি ভাত খোৱাত বৰ অসুবিধা হয়। গতিকে ধাৰ ঋণ কৰি হলেও এজনী ছোৱালী বিয়া কৰাবলৈ সিদ্ধান্ত কৰিলে।

বেণুৰ গাঁৱৰ পৰা চাৰি মাইল দূৰৈত গদাধৰ মহাজনৰ ঘৰ। গদাধৰে যথেষ্ট পৰিমাণে খেতি বাতি কৰি এজন লেখত লব লগীয়া ধনী খেতিয়ক হৈছে। তেওঁ ইয়াক তাক আৱশ্যক মতে কিছু টকা ধাৰলৈ দিয়ে। বেণুৱে সেই খবৰ পাই এদিনাখন গদাধৰৰ ওচৰলৈ গৈ বিয়াৰ খৰচৰ বাবে চাৰিকুৰি টকা ধাৰ কৰি ল'লে, আৰু প্ৰতি কুৰিত মাহিলী আঠ অনাকৈ সুদ দিব বুলি এখন দলীল লেখি দিলে।

বেণুৱে মহাজনৰ পৰা টকা লৈ ছোৱালী এজনী বিয়া কৰাই আনিলে। বেণুৰ ঘৰ সংসাৰ হ'ল। তেওঁ বৰ পৰিশ্ৰম কৰি আনৰ মাটি চুকানী বন্দবস্তত লৈ খেতি কৰে আৰু উভয়ে খাইবই থাকে।

কালক্ৰমত বেণুৰ এটা এটাকৈ চাৰিটা ল'ৰা সন্তান জন্মিল। ইহঁত সৰু হৈ থাকোঁতেই এদিনাখন হঠাতে বেণু জহনীত পৰি মৰিল। বিধৱা ঘৈণীয়েকে ওচৰ চুবুৰীয়াৰ ঘৰত ইখন সিখন কৰি দি অতি কষ্টে ল'ৰা চাৰিটাক পুহি পালি ডাঙৰ দীঘল কৰিলে।

লাহে লাহে বেণুৰ ল'ৰাহঁতে হালচহ কৰিবলৈ সক্ষম হ'ল। সিহঁত চাৰিও বৰ কষ্ট সহিষ্ণু আছিল আৰু খেতি বাতিৰ কামত বৰ পাকৈত হৈ উঠিল। সিহঁতে প্ৰথম অৱস্থাত বাপেকৰ দৰে আনৰ হাল গৰু মাটি বাৰী লৈ খেতি

কৰিছিল। কিছু দিনৰ ভিতৰতে সিহঁতে নিজৰ হাল গৰু কৰাৰ উপৰিও খেতিৰ বাবে কেই হালিচা মান মাটিও কিনিলে আৰু ঘৰদুৱাৰ বেটা কিছু ভালকৈ সজাই ল'লে। ইফালে সিহঁতৰ মাকৰ হাততো ছকুৰিমান টকা জমা হ'ল।

বেণু মৰিবৰ সময়ত তাৰ ডাঙৰ ল'ৰাটোৰ বয়স মাত্ৰ সাত বছৰ আছিল। এতিয়া সি বাইশ বছৰীয়া হৃষ্ট-পুষ্ট কাৰ্য্যক্ষম ডেকা। তাৰ পিতাকৰ স্মৃতি তাৰ মনত টিমিক টামাককৈ আছে।

এনেতে এদিনাখন ৰাতি শুই থকাত বেণুৰ ডাঙৰ ল'ৰাটোৱে সপোনত তাৰ পিতাকক দেখে। পিতাকে তাৰ আগত ঠিয় হৈ কয়,—"বাচা, আজি বাইশ তেইশ বছৰৰ আগতে মই গদাধৰ মহাজনৰ পৰা চাৰিকুৰি টকা আনিছিলোঁ। মোৰ জীৱনত মই সেই ধাৰ পৰিশোধ কৰিব নোৱাৰিলোঁ। এতিয়া মই সেই ধাৰৰ বাবে মহাজনৰ ঘৰত ধেকুৱা কুকুৰ হৈ তেওঁৰ ঘৰ বাৰীত দিনে ৰাতি পহৰা দি আছোঁ। এই কামত মই বৰ কষ্ট পাইছোঁ। এতিয়া তহঁতে উপাৰ্জ্জন কৰিব পৰা হৈছ। সোনকালে গৈ মহাজনক টকা খিনি ঘুৰাই দি দলীল খন আনিবি আৰু মোক ধাৰৰ পৰা আৰু কষ্টৰ পৰা উদ্ধাৰ কৰিবি।' ইয়াকে কৈ বেণু নাইকিয়া হ'ল।

বেণুৰ ল'ৰাহঁতে বাপেকৰ ধাৰৰ কথা আগেয়ে কাৰোঁ মুখত শুনা নাছিল। ৰাতিৰ সপোনৰ পৰা সেই কথা জানি পিছদিনা পুৱা উঠিয়েই সপোনৰ কথা মাকক কলে। মাকেও জনালে যে বিয়াৰ সময়ত গিৰীয়েকে কোনোবা মহাজনৰ পৰা কিছু টকা ধাৰ কৰিছিল; কিন্তু সেইজন কোন মহাজন আৰু ক'ত থাকে তাক তেওঁ জনা নাছিল।

মাকৰ মুখতো বাপেকৰ ধাৰৰ কথা শুনি বেৰণু পুতেকহঁতে বাপেকক ঋণ মুক্ত কৰিবলৈ সিদ্ধান্ত কৰিলে, আৰু মহাজনক বিচাৰি ডাঙৰ পুতেক ঘৰৰ পৰা ওলাল।'

বেণুৰ পুতেকে সপোনতে মহাজনৰ নাম পাইছিল; সেই দেখি সি ইয়াক তাক সুধি গৈ গৈ গদাধৰ মহাজনৰ ঘৰত ওলাল।

সদৰ ৰাস্তাৰ পৰা গদাধৰৰ ঘৰলৈ এশহাত দীঘল এটা সুৰুীয়া বাট আছে। বেণুৰ পুতেক গৈ পদূলি মুখ পোৱাৰ লগে লগেই গদাধৰৰ চ'ৰাঘৰৰ পৰা এটা মোকোহা কুকুৰ লৰ মাৰি আহি বেণুৰ পুতেকৰ ভৰি সুঙি লেউ-সেউ কৰিবলৈ ধৰিলে। কুকুৰটো দেখি তাৰ সপোনটোৰ প্ৰতি বিশ্বাস জন্মিল। এখোজ দুখোজকৈ খোজ লৈ লাহে-ধীৰে সি গৈ চ'ৰাঘৰৰ কাষ চাপিল। তাৰ লগে লগে কুকুৰটোও লেউ-সেউকৈ গ'ল।

গদাধৰ মহাজনে বেণুৰ পুতেকক নেজানে, চিনিও নেপায়। কিন্তু এদিনীয়া অচিনাকি মানুহ জনক কুকুৰটোৱে যেনে ব্যৱহাৰ কৰিছে তাকে দেখি মহাজন অবাক। মহাজনৰ ওচৰ চুবুৰীয়া আৰু আন যি কোনো মানুহৰ ওচৰত কুকুৰটো বৰ চোকা আৰু দুৰ্দ্দান্ত। মহাজনৰ ঘৰলৈ কি ৰাতি কি দিনত কোনো মানুহ বা গৰু ছাগলী আহিলেই কুকুৰটোৱে ভুক ভুকাই খেদি যায়। ৰাতিৰ ৰাতিটো ঘৰে বাহিৰে দৌৰা দৌৰি কৰি খলক লগাই থাকে। তেনে অৱস্থাত সিদিনা সেই অচিনাকি মানুহ জনৰ লগত কুকুটোৱে যি স্নেহযুক্ত আচৰণ কৰিলে তাত মহাজন আচৰিত হ'ল।

কুকুৰটো সেই মহাজনৰ ঘৰত থকাৰ তেতিয়া-লৈকে মাত্ৰ তিনি মাহ হৈছিল। কাৰ কুকুৰ ক'ৰ পৰা হঠাতে আহি তেওঁৰ ঘৰত পহৰাৱালা হৈছিল সেইটো তেওঁ নেজানে। ডেকাজনৰ প্ৰতি কৰা আচৰণত মহাজনে ভাবিলে যে সিয়েই কুকুৰটোৰ গৰাকী আছিল।

মহাজনে তেতিয়া কুকুৰটোৰ সকলো বিবৰণ ডেকাজনক কৈ সুধিলে,—এই কুকুৰটো তোমাৰ নে?—বেণুৰ পুতেকে নহয় বুলি উত্তৰ দিলে।

ডেকাজন কি উদ্দেশ্যে আহিছে সেই বিষয়ে সোধাত বেণুৰ পুতেকে ক'লে,—মোৰ বোপাইৰ নাম বেণু আছিল। মোৰ সৰু বয়সতে পিতাৰ মৃত্যু হৈছিল। এতিয়া মই ডাঙৰ হোৱাত আইয়ে ক'লে বোলে বোপাইয়ে বহু বছৰৰ আগতে আপোনাৰ পৰা কিছু টকা ধাৰলৈ নিছিল; কিন্তু তেওঁ ধাৰ পৰিশোধ কৰিবলৈ নৌপাওঁতেই আমাক নিচলা অৱস্থাতে এৰি গুচি গ'ল। এতিয়া মই ধাৰ খিনি মাৰিব খোজোঁ।

মহাজনে পুৰণা কাগজ পত্ৰ উলিয়াই বেণুৰ দলীল খন বাহিৰ কৰিলে। ইমান বছৰৰ পিছত মৰাযোৱা টকা আদায়ৰ বাট মুকলি হোৱাত মহাজনৰ মনত বৰ আনন্দ হ'ল। তেতিয়ালৈকে মহাজনৰ যদিও সুতে মূলে বহু টকা পাবলগীয়া হৈছিল তথাপি ডেকাজনৰ পিতৃ ভক্তি আৰু ধৰ্ম্ম ভাবত বৰ সন্তোষ পাই তেওঁ ক'লে,—"বোপা মোৰ পাবলগীয়া টকা কেতিয়াবাই তামাদি হৈ গৈছে; তুমি নিজ খুছিত মোক টকা নিদিলে মই আদালতৰ সাহায্যত এপইচাও পাব নোৱাৰো। তোমাৰ নৈতিক বল, সৎসাহস আৰু ধৰ্ম্ম ভাৱত মই স'চাকৈয়ে মুগ্ধ হৈছোঁ। এইয়া তোমাৰ পিতাৰাৰ দলীল। তুমি যি দিবৰ ইচ্ছা কৰা দিয়া।"

বেণুৰ পুতেকে মহাজনৰ সদয় ব্যৱহাৰত সন্তুষ্ট হৈ ক'লে—আমি হোজা মুকখ মানুহ; আইন আদালতৰ কথা নেজানোঁ। বোপাইয়ে ধাৰ খাইছিল আৰু মই পুত্ৰ হিচাবে সেই ধাৰ মাৰি পিতাক উদ্ধাৰ কৰিব লাগে। মই নিতান্ত গৰিব; আপুনি সুদখিনি ৰেহাই দিয়ক; মই মূলধন খিনি পৰহি দি যামহি।

মহাজনেও সেয়েই হব বুলি মত প্ৰকাশ কৰাত ডেকাজন ঘৰমুৱা হ'ল আৰু কুকুৰটোৱে কিছু দূৰ তাৰ লগত গৈ তাক আগবঢ়াই দিলে।

বেণুৰ পুতেক ঘৰলৈ উভতি আহি মাক ভায়েকৰ আগত মহাজনৰ আৰু কুকুৰটোৰ বিষয়ে সকলো কথা বিবৰি ক'লে। তাৰে তৃতীয় দিনাখন সি ৰাতিপুৱাই গা মুৰ ধুই পিতাকৰ উদ্দেশ্যে সেৱা জনাই ঈশ্বৰৰ নামগুণ গালে আৰু চাৰিকুৰি টকা গামোছাত বান্ধি লৈ মহাজনৰ ঘৰলৈ ৰাওনা হ'ল।

সেইদিনাও কুকুৰটোৱে লেউসেউ আৰু ৰং ধেমালি কৰা দেখি বেণুৰ পুতেকে বৰ ৰং পালে। সি হাতজোৰ কৰি টকা চাৰিকুৰি মহাজনৰ আগত থৈ ক'লে,—মহাজন, মোৰ বোপাইক উদ্ধাৰ কৰক।

মহাজনে টকা খিনি লৈ দলীল খন ফালি—"আজিৰ পৰা তোৰ বোপায়েৰ ঋণমুক্ত হ'ল" বুলি দলীল খন তাক দিলে। সিও মহাজনক সেৱা জনাই আনন্দ মনে ঘৰৰ পিনে খোজ ললে।

সেইদিনা কুকুৰটো ডেকাজনৰ পিছে পিছে ৰংমনে আহিল; মহাজনৰ ঘৰলৈ আৰু উলটি নগল। তাৰ লগতে আহি নিজৰ ঘৰ পালেহি। কুকুৰটোৱে ঘৰৰ কেউফালে দৌৰা দৌৰি কৰি ঘৰ-

বাৰী সকলোকে চালে আৰু আটাই কেউটা ল'ৰাক আৰু বিধৱা জনীক শুঙ মুকলি মনে জিৰালে।

সেই কুকুৰটো যে বেণুৱেই আছিল সেই বিষয়ে সিহঁতৰ পুৰা বিশ্বাস জন্মিল। দুপৰীয়া সিহঁত আটাইয়ে খাইবই উঠি ঘৰৰ চোতালতে এখন কলপাতত ভাত মাছ দি কুকুৰটোক আদৰ সাদৰকৈ আত্মতুষ্টি কৰি খুৱালে।

খাইবই উঠাৰ পিছত কুকুৰটো সিহঁতৰ থকা ঘৰৰ পিৰালিৰ কাষতে চোতালত শুই পৰিল। কিছু সময় পিছত দেখা গ'ল যে সেই টোপনিতেই কুকুৰটোৱে শেষ নিশ্বাস কাঢ়ি দেহমুক্ত হ'ল। এই কুকুৰটো যে স্বয়ং বেণু আছিল আৰু ঋণ-খাই মৰাৰ কাৰণে যে সি কুকুৰ হৈ মহাজনৰ ঘৰত খাটি দিছিল সেই বিষয়ে সকলো লোক নিঃসন্দেহ হ'ল। ঋণমুক্ত হোৱাৰ লগে লগেই তাৰ আত্মাই মুক্তি লাভ কৰিলে।

যশস্যা ভাৰেৰ দৰে উৰি যায়। জনপ্ৰিয়তা বোলা বস্তুটো হৈছে এটা আকস্মিক ঘটনা, ধন সম্পত্তিৰ পাখি আছে, আজি আপোনাক যিবিলাকে প্ৰশংসা কৰিছে কালি সেইবিলাকেই শাও দিব, কেৱল এটা বস্তুৱেই মাথোন স্থায়ী হয়। সেইটো হৈছে—চৰিত্ৰ।

—হৰেচ মেন

এজন বন্ধুৱে ডিজৰেলিক সুধিলে যে তেখেতে তেখেতৰ কুৰূপা আৰু আদহীয়া তিৰোতাজনীত কি বিচাৰি পাইছে যে তেওঁক তেখেতে ইমান চেনেহ কৰে।

ডিজৰেলিয়ে উত্তৰ দিলে "জৰ্জ, ইংৰাজী ভাষাত এটা শব্দ আছে যিটোৰ অৰ্থ তুমি নাজানা"। সেই শব্দটো হৈছে "কৃতজ্ঞতা"।

সন্দিকৈ নৱজ্যোতি পুথিভঁৰাল

সংবাদ দাতা—শ্ৰীভিখেশ্বৰ গগৈ

সভ্যতাৰ পোহৰৰ পৰা চিৰ বঞ্চিত হোৱা "আন্ধাৰবো আন্ধাৰ চকুত থকা" তিতাবৰ মৌজাৰ অন্তৰ্গত সন্দিকৈ গাওঁখনি সকলো গাওঁতকৈ পিচ পৰা বুলি আজি বহুতো গণ্যমান্য লোকে এক মুখে স্বীকাৰ কৰিছে। গাওঁত ৰাস্তা নাই, পদুলি নাই, শিক্ষা নাই, একো নাই, গাওঁত যিবা ৰাস্তা এটি আছে তাৰো মৃতপ্ৰায় অৱস্থা। বহুত কোৱাৰ দ্বাৰা কোনো মতে আলিৰ কাৰণে কিঞ্চিত মাটি দান কৰিছে। গাওঁৰ দুৰৱস্থাৰ বিষয়ে জানিব পাৰি বুনিয়াদী শিক্ষা কেন্দ্ৰৰ অধ্যক্ষ—শ্ৰীযুত প্ৰভাত চন্দ্ৰ শ্ৰুতিকৰ বি-এ, দেৱে স্কুলখনি লৈ দুখীয়া ৰাইজক উৎসাহিত কৰাৰ হেতুকে আমি নথৈ আনন্দিত। উক্ত স্কুলখনিৰ কাৰণে শ্ৰীযুত লাহুৰাম লাহনে দুবিঘা মাটি শুদ্ধচিত্তে দান কৰিছে।

গাওঁত এশ এটা উপদ্ৰৱেই কদ্ৰমূৰ্ত্তি ধৰি মানুহক ধ্বংসৰ পথলৈ দিনক দিনে নিবই লাগিছে। পৰগণীয়া সকলৰ খেতি কৰিবলৈ মাটিৰ অভাৱ। যি এজনৰ আছে, সেই সকলৰো অতি কম। মুঠতে কবলৈ গলে সকলো মানুহেই দীনৰ দীন। শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ কৃষক সকলে খেতিতো সফলতা লাভ কৰিব পৰা নাই।

আন্ধাৰৰ বিৰুদ্ধে থিয় হবলৈ গাওঁৰ উচ্চ ইংৰাজী স্কুলত অধ্যয়ন কৰা ছাত্ৰৰ সংখ্যাও অতি নগণ্য। যি কেইটি অলপ লিখা পঢ়া জনা গাওঁলীয়া ল'ৰা সেই সকলে যৎপৰোনাস্তি চেষ্টা কৰিছে আন্ধাৰৰ বিৰুদ্ধে থিয় হ'বলৈ। ১৯৫৩ চনত জানুৱাৰী মাহৰ দুই তাৰিখে গাওঁলীয়া ছাত্ৰ সকলে "নৱজ্যোতি" নামৰ এটি পুথিভঁৰাল স্থাপিত কৰিছে। পুথিভঁৰালটিত ৩৫০ খন মান নানা ধৰণৰ পুথি আছে। পুথিভঁৰালটি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নতুন সভ্যৰে এখনি কাৰ্য্যকৰী সমিতি গঠন কৰা হয়। বৰ্ত্তমানলৈকে সভ্যৰ সংখ্যা ৫৫ জন আছে। এটকা মাচুল দি সভ্য ভৰ্ত্তি হোৱা সকলক নিজ অভিৰুচি মতে পঢ়িবলৈ দিয়া হয়।

পুথিভঁৰালটিৰ উদ্দেশ্য হৈছে দুখীয়া ছাত্ৰসকলক কিতাপ বহুবেকৰ কাৰণে দি, পঢ়াত সহায় কৰা। এই বছৰত পাঁচ জন ছাত্ৰক তেনে ধৰণে সহায় কৰা হৈছে। তাৰ বাহিৰেও গাওঁত "নৱজ্যোতি" নামৰ এখন ত্ৰৈমাসিক আলোচনী ছাত্ৰসকলৰ দ্বাৰা উলিওৱা হৈছে। প্ৰত্যেক শনিবাৰ আৰু দেওবাৰে পুথিভঁৰালটি খোলা হয়। তাত নানা ধৰণৰ কথা আলোচনা কৰা হয়। কণ কণ লৰা ছোৱালী বিলাকৰ কাৰণে প্ৰত্যেক দেওবাৰে বক্তৃতা দিবলৈ আৰু গান গাবলৈ শিকোৱা হয়। যি লৰা-ছোৱালীয়ে ভালকৈ গান গাব পাৰে আৰু বছেৰেকীয়া পৰীক্ষাত ১ম, ২য়, ৩য়, স্থান অধিকাৰ কৰে তেনে ছাত্ৰক একোটি পুৰস্কাৰ বিতৰণ কৰি উৎসাহিত কৰোৱা হৈছে আৰু ল'ৰা-ছোৱালী বিলাকক বাগীয়াল বস্তু বিলাকৰ পৰা বিৰত কৰোৱা হৈছে।

বিশিষ্ট লোকসকলক নিমন্ত্ৰণ কৰি গাঁৱত মহা-সমাৰোহেৰে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি, জন্মাষ্টমী, আৰু স্বাধীনতা দিবস পালন কৰা হয়। উক্ত পুথিভঁৰালটিয়ে বৰ্ত্তমানলৈকে কোনো বিভাগৰ পৰা সহায় সহানুভূতি পোৱা নাই। তথাপি খেতিয়কৰ লৰাবিলাকে নিজেই কিছু পৰিমাণে আগুৱাই যাবলৈ সমৰ্থ হৈছে, আশা কৰো জনশিক্ষা বিভাগে সমীচিন বিচাৰ কৰি এই পুথিভঁৰালটিক সকলো প্ৰকাৰে সহায় কৰিব।

লোভৰ পৰিণাম

শ্ৰীমাণিকচন্দ্ৰ গগৈ

দুজন মানুহ একেলগে গৰু কিনিবলৈ বুলি দূৰ ঠাইলৈ ওলাল। তেওঁলোকে কেইবাদিনৰো বাট গল। গৈ গৈ এদিন বাটতে ৰাতি হোৱাত এঘৰ মানুহৰ ঘৰ পালেগৈ। সেই মানুহ ঘৰৰ ওচৰত আৰু আন মানুহ নাই। মানুহ ঘৰত মাথো বাপেক আৰু পুতেক। ৰাতি হোৱা দেখি তেওঁলোকে তাতে থাকিবলৈ অনুমতি বিচাৰিলে আৰু গিৰিহঁতেও থাকিবলৈ দিলে। গৰু কিনিবলৈ মানুহ দুজনে দুয়োৰো ভিতৰত নগদ ১০০০৲ এহাজাৰ টকা নিছিল। খাই বৈ উঠি টকাখিনি ঘৰৰ বুঢ়াজনক থবলৈ দি তেওঁলোকে বিছনাত পৰিল। পিছে ঠাইডোখৰ আচহুৱা হোৱাত বহুত ৰাতিলৈকে তেওঁলোকৰ টোপনি অহা নাই। সেইসময়তে ঘৰৰ বুঢ়াজনে বাহিৰত মনে মনে দা ধৰোৱাৰ মাত তেওঁলোকৰ কাণত পৰিল। কথা কিবা যেন দেখি তেওঁলোকৰ পেটে পেটে ভয় লাগিল, আৰু মনে মনে বাহিৰ ওলাই বাৰীৰ কলনিৰ মাজত লুকাই থাকিলগৈ।

গধূলিৰ আগতে বুঢ়াৰ পুতেক ওচৰৰ গাওঁ এখনত সকাম খাবলৈ গৈছিল। ৰাতি মানুহ দুজন ওলাই যোৱাৰ পাচত পুতেক সকাম খাই আহি বিছনাত কাকো শুই থকা নেদেখি তাতে শুই পৰিল, ঘৰৰ বুঢ়াজনে দা ধৰাই লৈ মনে মনে আহি আলহী মানুহ দুজন বুলি পুতেকক দুডোখৰ কৰি কাটিলে। পাচত চাকি লগাই চাই দেখে যে, তেওঁ নিজৰ পুতেকক কাটিলে। একো উপাই নেদেখি বাৰীৰ চুকত গাঁত এটা খান্দি মৰা শ টো পুতি থলেগৈ। মানুহ দুজনে কলনিৰ আঁৰৰ পৰা সকলো চাই আছিল। ৰাতি জোনাক হোৱাৰ কাৰণে তেওঁলোকে সকলো ঘটনা দেখি আছিল।

ৰাতি পুৱাল। মানুহ দুজনে থানাত গৈ সকলো ঘটনা বিবৰি কলেগৈ। ঘটনা শুনি দাৰোগাৰে সৈতে কেইজনমান পুলিচ আহি মানুহ দুজনে দেখুৱাই দিয়া মতে সকলো কথাৰ বুজ লৈ বুঢ়াক থানালৈ ধৰি নিলে। চৰকাৰী আদালতত সোধ পোচ কৰি ইয়াকে থিৰ হ'ল যে বুঢ়াৰ ফাঁচী হব লাগে। সোধ হোৱাৰ পাচদিনা বুঢ়াক ফাঁচী দিলে। অতি লোভ কৰাৰ ফল বুঢ়াই হাতে হাতে পালে।

কাম কৰাৰ আগতে ভাবি শুণি চাবা,
তেতিয়াহে তুমি তাৰ সুফল লভিবা।

গতিকে যি কোনো কাম কৰাৰ আগতে তাৰ শেষ ফল ভাবিহে কামত ধৰিব লাগে।

আকস্মিক দুৰ্ঘটনা

শ্ৰীবসন্ত সেন ডেকা।

১। সাপে কামোৰা—

সাপে কামোৰা মাত্ৰেই কামোৰা ঠাইৰ অলপ ওপৰত জৰীৰে টানকৈ বান্ধ দিব লাগে। সাপৰ দাঁত বহা ঠাইডোখৰ চোকা কটাৰীৰে ফালি তেজ ববলৈ দি এডোখৰ লো তপতাই ঘা ডোখৰ পুৰি দিব লাগে।

২। জুয়ে পোৰা—

জুয়ে পুৰিলে পোৰা ঠাইত চূণৰ পানী আৰু নাৰিকলৰ তেল মিহলাই দিব লাগে। পিন্ধা কাপোৰত জুই লাগিলে মাটিত লেপেতা খাই বাগৰিব লাগে। নাইবা গাত থৈলা মেৰাব লাগে।

৩। আঘাত পোৱা—

আঘাত লাগি তেজ ওলালে পোনতে তেজ বন্ধ কৰিবলৈ যতন লোৱা উচিত। ধূল সোমাই থাকিলে তাক উলিয়াই পেলাব লাগে। তেজ ওলোৱা ঠাইত চেচা পানী ঢালিব লাগে। বৰফ লগালেও তেজ ওলোৱা বন্ধ হয়। সিৰ ফাটি তেজ ওলালে বান্ধিব লাগে নাইবা ডাক্তৰ আনি সিৱাব লাগে। কোনো ঠাইত খুন্দা খাই তেজ বাহিৰ নহলে সুন্দৰ নিকা কাপোৰ এডোখৰ আঘাত লগা ঠাইত বান্ধি তাৰ ওপৰত চেচা পানী ঢালিব লাগে। আঙুলি আদি মোচোকা খালে বা ভাঙিলে এজনক গছকি ধৰিবলৈ দি আঙুলিটো ওপৰলৈ টানি ধৰিব লাগে। তেতিয়া বহু উপশম হোৱা দেখা যায়।

৪। চকু কাণ নাকত পোক পৰা—

চকুত পোক পৰিলে কাপোৰৰ আঁচলেৰে কাপোৰৰ আগটো জোঙা কৰি পোকটো উলিয়াব পাৰি। যদি চকুত কুটা আদি পৰে তেন্তে চেচা পানীত চকু মেলি ধৰিলে কুটা আদি ওলাই পৰে। কিবা প্ৰকাৰে চকুত চাত লাগিলে চকু ৰঙা পৰি উঠে আৰু বৰ বিষ ধৰে। তেতিয়া চকুত মৌ টোপ দিলেও ভাল। কাণত পোক সোমালে গৰম তেল ভৰাই দিলে পোক মৰিব। নাকত কোনো বস্তু সোমালে হাঁচি অহাব লাগে।

৫। মূৰ্চ্ছা যোৱা—

মূৰ্চ্ছা গলে গাৰ কাপোৰ সোলোকাব লাগে যাতে গাত বতাহ লাগে। মুখত চেচা পানী ঘনাই ছটিয়াব লাগে।

৬। বিহ খোৱা—

কানি খালে নাইবা আন বিষ খালে সোনকালে বমি কৰি উলিয়াবলৈ চেষ্টা কৰিব লাগে। কানি খালে ৰোগীৰ টোপনি আহে। সেই টোপনি নাহিবলৈ ৰোগীক খোজ কঢ়াব লাগে। চাহ গৰমে গৰমে খুৱাব লাগে। ধুতুৰাৰ গুটি খালে বমি কৰাব লাগে। টেঙা বেচিকৈ খুৱাব লাগে। আৱশ্যক হলে ডাক্তৰৰ আশ্ৰয় লব লাগে।

৭। স্বৰগ পৰা—

বতাহ বোৱা খোলা ঠাইত সুৰুষৰ ফালে মুখ কৰি হেলন দি বহুৱাব লাগে। মুখত আৰু বুকুত চেচা পানী ছটিয়াব লাগে আৰু নতুন মাটি খান্দি গোটেই গা ঢাকি ৰাখিব লাগে।

৮। বলিয়া শিয়াল কুকুৰে কামোৰা

বলিয়া শিয়াল কুকুৰে কামুৰিলে কামোৰা ঠাই ডোখৰ ভাল পৰম পানীৰে ধুই পেলাই কাৰ্বলিক এচিদ লগাব লাগে। পাচত পলম নকৰি চিকিৎসাৰ দিহা কৰিব লাগে।

সংস্কৃত সাহিত্যত হাস্যৰস

(ইংৰাজী আলোচনী এখনৰপৰা)

মানুহৰ শৰীৰত যেনেকৈ বিশ্ৰাম লাগে ; মনবো তেনেকৈ বিশ্ৰাম লাগে। সামাজিক শিক্ষা যিকেইটা ভেটিৰ ওপৰত ঠিয় হৈ আছে, আমোদ প্ৰমোদো তাৰ ভিতৰত এটা। আমোদ প্ৰমোদ, গান-বাজনা আৰু খুহুটীয়া কথাই মনৰ দুখ ভাগৰ আঁতৰায় মানুহক নতুন কৰ্ম্ম শক্তিৰ কাৰণে প্ৰেৰণা যোগায়।]

মানুহে ভাবে সংস্কৃতৰ নিচিনা গধুৰ ভাষা এটাত হাস্যৰসৰ স্থানেই থাকিব নোৱাৰে। কিন্তু এইটো একেবাৰেই ভুল। সংস্কৃত সাহিত্য, দৰ্শন আৰু ধৰ্ম্মশাস্ত্ৰ বিলাক খুহুটীয়া কথাৰে ভৰা। ইয়াত আমি সেইবিলাকৰে কিছুমানৰ উদাহৰণ দিম।

এজন গুৰুৱে তেওঁৰ শিষ্যবিলাকক ঈশ্বৰ আৰু সকলোৰে সেৱাত জীৱন উৎসৰ্গ কৰিবলৈ উপদেশ দিলে। এজন শিষ্যই ক'লে যে ঈশ্বৰ কোন সেই-বিষয়ে নজনাকৈ তেওঁ এইটো কামত আগবাঢ়িব নোৱাৰে। তেতিয়া গুৰুৱে ক'লে "এটা সাপে কামোৰা মানুহে তাক যিটো সাপে কামুৰিছিল সেই সাপটোক ধৰি আনি নেদেখুৱাবলৈকে দৰব খাবলৈ অমান্তি হৈছিল। তুমিও সেই সাপে কামোৰা মানুহটোৰ দৰে।"

বুদ্ধক পশু বলি দিবলৈ মানা কৰাত এজন পুৰো-হিতে আপত্তি কৰি ক'লে যে বলি দিয়াটো প্ৰকৃততে পশুৰ পক্ষে হিতকৰ কাৰণ বলি দিয়া পশু স্বৰ্গলৈ যায়। তেতিয়া বুদ্ধই মাত লগালে "তেন্তে তুমি তোমাৰ পিতৃক বলি নিদিয়া কেলেই ? তুমি নিশ্চ-য়েই তেখেত স্বৰ্গলৈ যোৱাটো বাঞ্চা কৰা।"

এজন দাৰ্শনিকে এজন ৰজাৰ আগত কৈ আছিল যে জগতখনৰ সকলোবিলাকেই মায়া। ৰজাই তাৰ একো উত্তৰ নিদি মাউতক মনে মনে শিকাই তেওঁৰ পাচত এটা হাতী লগাই দিলে। হাতীৰ খেদাত দাৰ্শনিকে ধৰকাচুটি এৰি এজোপা গছত উঠিলগৈ। তেতিয়া ৰজাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে "দাৰ্শনিক, আপোনাক যে এই হাতীয়ে খেদিলে সেইটোকো আপুনি মায়া বুলি ক'ব খোজেনে ?" দাৰ্শনিকে গছৰ ওপৰৰ পৰা উত্তৰ দিলে "মহাৰাজ, আপুনি যে মোক হাতীয়ে খেদা দেখিছে সেইটোও মায়া। মুঠতে জগতখনৰ সকলোবিলাকেই মায়া।

পুৰাণত এটা গল্প আছে। স্বৰ্গত ইন্দ্ৰ, বৰুণ, বায়ু আৰু অগ্নি এই চাৰিজন দেৱতাৰ প্ৰত্যেকেই ফেৰিয়াফেৰি কৰি নিজক ঘোষণা কৰি দিলে যে তেওঁহে প্ৰকৃততে স্বৰ্গৰ ভিতৰত সৰ্ব্বপ্ৰধান আৰু সৰ্ব্বশক্তিশালী দেৱতা। এনেতে খবৰ আহিল যে দশমুখীয়া প্ৰবলপৰাক্ৰমী ৰাৱণে দেৱতাসকলক চিৰকালৰ নিমিত্তে দাস কৰি ল'বৰ কাৰণে স্বৰ্গ ৰাজ্য আক্ৰমন কৰিব। কথাটো শুনি দেৱতা

সকলে ভয়ত কঁপিবলৈ ধৰিলে আৰু তেওঁলোকক ৰক্ষা কৰিবলৈ ইন্দ্ৰ, বৰুণ, বায়ু আৰু অগ্নিৰ ওচৰ চাপিল। কিন্তু তেওঁলোকে ৰাৱণৰ পৰাক্ৰমৰ কথা আগৰে পৰা বঢ়িয়াকৈ জানে আৰু খবৰটো শুনি বাকী দেৱতাসকলৰ দৰে তেওঁলোকৰো বুকু কঁপি গৈছিল। ইন্দ্ৰই কলে "মই সৰ্ব্বপ্ৰধান দেৱতা নহওঁ। তোমালোকে আনৰ ওচৰ চাপাগৈ।" বৰুণে ক'লে "ময়ো নহওঁ" অগ্নিয়ে কলে 'ময়ো নহওঁ'। তেতিয়া ৰাৱণক বধাৰ ভাৰ পৰিল বিষ্ণুৰ ওপৰত আৰু বিষ্ণুৱে পৃথিৱীত ৰামৰ অৱতাৰ লৈ ৰাৱণক বধ কৰিলেগৈ।

হিৰণ্যাক্ষ্য অসুৰৰ বিষয়ে এটা হাঁহি উঠা উপাখ্যান আছে। এসময়ত হিৰণ্যাক্ষ্যৰ কি মন গ'ল কব নোৱাৰি, পৃথিৱীখন চুৰ কৰি লৈ যাওঁ বুলি কাষলতিৰ তলত ভৰাই লৰ মাৰিলে। কথাটো বিষ্ণুৱে লক্ষ্য কৰি আছিল। সেইসময়ত তেওঁৰ বৰাহ-অৱতাৰ। তেওঁ কনিষ্টবলৰ দৰে একে চোচাই গৈ চোৰটোক ধৰিলে।

মহাভাৰতত এজন জড়বাদীক এন্দুৰৰ লগত তুলনা কৰা হৈছে। এন্দুৰে আহাৰ বিচাৰি সাপৰ গাত সোমায় আৰু সাপে এন্দুৰটোক খাই পেলায়।

যমে সাবিত্ৰীক ক'লে যে তেওঁ স্বামীৰ প্ৰাণদানৰ বাহিৰে আন সকলো বৰ বিচাৰিব পাৰিব। তেতিয়া সাবিত্ৰীয়ে যমৰ ওচৰত এশপুত্ৰ কামনা কৰিলে। যমেও তথাস্তু বুলি ক'লে। তথাপিও সাবিত্ৰী নোযোৱা দেখি যমে আচৰিত হৈ কাৰণ সোধাত সাবিত্ৰীয়ে লাজুকীয়া হাঁহি এটা মাৰি কলে যে স্বামীক ঘুৰাই নেপালে তেওঁৰ এশপুত্ৰ হোৱাটো কেনেকৈ সম্ভৱপৰ হ'ব। যমে বুজিলে তেওঁ নিজৰ কথাত নিজেই বান্ধ খালে। অগত্যা সত্যবানক জীয়াই দিয়াৰ বাহিৰে তেওঁৰ একো উপায় নেথাকিল।

বুদ্ধৰ যথেষ্ট হাস্যৰসৰ বোধ আছিল। এবাৰ এজন ব্ৰাহ্মণে তেওঁৰ আগত ঈশ্বৰক প্ৰিয়তম বুলি বৰ্ণালে। তেতিয়া বুদ্ধই ব্ৰাহ্মণজনক ঈশ্বৰ ক'ত আছে বুলি সুধিলে। ব্ৰাহ্মণে ক'লে, ঈশ্বৰক জানিব নোৱাৰি। বুদ্ধই ক'লে, এজন মানুহে কৈছিল তেওঁৰ এগৰাকী প্ৰিয়তমা আছে। কিন্তু মানুহজনক প্ৰিয়তমা গৰাকী ক'ত আছে বুলি সোধাত তেওঁ ক'ব নোৱাৰোঁ বুলি ক'লে। তুমিও সেই মানুহজনৰ দৰে।

জাতকত এটা গল্প আছে। এজন মানুহে সুধিলে "স্বৰ্গত কিমান তৰা আছে?" বোধিসত্বই উত্তৰ দিলে "সাগৰৰ পাৰত যিমান বালি আছে তাতকৈ দুটা বেছি আছে।"

হিতোপদেশ আৰু পঞ্চতন্ত্ৰত বহুত ধেমেলীয়া গল্প আছে। পঞ্চতন্ত্ৰৰ গল্প এটাকে কওঁ। এটা ঘৰিয়ালৰ নলেগলে লগা এটা বান্দৰ বন্ধু আছিল। এদিন তাৰ ঘৈণীয়েকে তাক বান্দৰ বন্ধুটোক লৈ আনিবলৈ ক'লে; তাইৰ বোলে বান্দৰটোৰ হৃদয়-খন খাবলৈ বৰ মন গৈছে। ঘৰিয়ালে প্ৰিয়তমা ভাৰ্য্যাৰ কথা পেলাব নোৱাৰি অলপ ফুৰাই আনো বুলি ছল কৰি বান্দৰটোক পিঠিৰ ওপৰত তুলি নৈয়েদি আহিবলৈ ধৰিলে। নৈৰ মাজ পাওঁতেহে সি বান্দৰটোক তাৰ আচল উদ্দেশ্যটো ক'লে। তেতিয়া বান্দৰে বাহিৰত ভয় খোৱাৰ ভাব নেদেখুৱাই ক'লে "তোমাৰ ঘৈণীয়েৰাই যে মোৰ হৃদয়-খন খাব খুজিছে সেইটো মোৰ বৰ সৌভাগ্যৰ কথা। কিয়নো পৰৰ সুখৰ কাৰণে এই নশ্বৰ

দেহ দান দিয়াতকৈ আৰু পুণ্যৰ কাম কি হব পাৰে ? কিন্তু তুখৰ বিষয় মোৰ হৃদয়খন পাৰৰ গছ এজোপাত থাকি আহিছে। বেগতে পাৰলৈ ব'লা। সেইখন লৈ আহো গৈ।" ভোটা বুদ্ধিৰ ঘৰিয়ালেও তাৰ কথাত বিশ্বাস কৰি তাক পাৰলৈ লৈ গ'ল আৰু বান্দৰে একে জাপে পাৰলৈ নামি সেই ঠাইৰ পৰা নাইকিয়া হ'ল।

সংস্কৃতৰ নাটক বিলাকতো হাস্য ৰসৰ দৃষ্টান্ত বহুত পোৱা যায়। কালিদাসৰ "বিক্রমোর্ব্বশী" নাটকত পুৰুৰব ৰজাই উৰ্ব্বশীৰ লগত প্ৰেমত পৰি মহিষীৰ আগত ধৰা পৰিল। তেতিয়া ৰজাই ৰাণীৰ ভৰিত দীঘল দি পৰি ক্ষমা খুজিলে। ৰাণীয়ে ৰজাৰ কথাত কোনো প্ৰকাৰ প্ৰত্যয় নগৈ মুখেৰে কথা এষাৰো নোকোৱাকৈ তাৰ পৰা গুচি গ'ল। ৰাণী গুচি যোৱাত ৰাজ সভাত থকা বিদূষকে (ধেমেলীয়া কথা কোৱা মানুহ বা বহুৱা) সুধিলে "মহাৰাজ, আপুনি ইমান কোৱা স্বত্বেও ৰাণীয়ে আপোনাৰ কথা বিশ্বাস নকৰিলে কিয় ?" তেতিয়া ৰজাই ক'লে "মূৰ্খ, ভাল সোণাৰীক নকল বস্তু দেখুৱালে আচল বুলি বিশ্বাস কৰিবনে ?"

শতবাহন নাটকত ৰজা আৰু ৰাণী তুয়ো নৈত গা ধুই আছে। ৰজাই ৰাণীৰ লগত উমলিবৰ মনেৰে ৰাণীৰ গাত পানী ছটিয়াবলৈ ধৰিলে। ৰাণীয়ে সংস্কৃতেৰে "মোদক, মোদক" (মা-উদক। পানী নিদিবা) বুলি চিঞৰিবলৈ ধৰিলে। তেতিয়া ৰজাই ৰাণীয়ে মোদক (মিঠাই) বিচাৰিছে বুলি ভাবি মিঠাই আনিবলৈ পঠিয়ালে। ৰাণীয়ে ৰজাৰ মূৰ্খতাত লাজ পালে আৰু ফলত ৰজাই কিছুদিনলৈ বৰ মনোযোগেৰে আকৌ ব্যাকৰণৰ সন্ধিৰ নিয়মবিলাক পঢ়িবলগীয়া হ'ল।

সোমদেৱৰ কথাসৰিৎসাগৰত কিছুমান বদমাছে এজন সৰল ব্ৰাহ্মণক অপদস্থ কৰিবলৈ স্থিৰ কৰিলে। এজনী বেশ্যাৰ ঘৰত কিছুমান গুণ্ডাই নানা প্ৰকাৰ আমোদ প্ৰমোদ কৰি আছিল। বদমাছ কেইটাই ব্ৰাহ্মণজনক তালৈ সোমদেৱৰ বন্দনা গাবলৈ পঠিয়ালে। বেচেৰা ব্ৰাহ্মণে তালৈ গৈ পবিত্ৰ মনেৰে শ্লোক গাবলৈ আৰম্ভ কৰিলে। বেশ্যাজনী আৰু গুণ্ডা কেইটাৰ খং উঠি ব্ৰাহ্মণক চৰ, কিল আৰু ঘোচা মাৰি তাৰ পৰা বাহিৰ কৰি দিলে।

এতিয়া হিতোপদেশৰ গল্প এটা কৈ এই প্ৰবন্ধৰ সামৰণি মাৰিম। এজনী বেয়া স্বভাৱৰ তিৰোতাৰ ওচৰলৈ এজন হাকিম আৰু হাকিমৰ পুতেক তুয়ো আহে। কিন্তু বাপেক, পুতেক কোনেও কাৰো কথা ভু নেপায়। এদিনাখন তিৰোতা গৰাকীৰ স্বামী ঘৰত নথকাত হাকিমৰ লৰা জন আহিল আৰু তাইৰ লগত অলপ পৰ কথা হওঁতেই বাহিৰৰ তুৱাৰত টুকুৰিওৱাৰ শব্দ শুনিলে। তেতিয়া তিৰোতা গৰাকীয়ে লৰালৰিকৈ লৰাজনক পাচফালৰ কোঠা এটাত লুকুৱাই থৈ তুৱাৰ খন খুলি দিলে। লৰাজনৰ বাপেক অৰ্থাৎ হাকিম সোমাই আহিল। বাহিৰৰ তুৱাৰ খন বন্ধ কৰাৰ অলপ সময় পিচতেই তুৱাৰত আকৌ টুকুৰিওৱাৰ শব্দ শুনিলে। তিৰোতা গৰাকীয়ে স্বামী আহিছে বুলি জানি তুৱাৰখন খুলি হাকিমক থেলি হেচি ঘৰৰ পৰা উলিয়াই দিলে। হাকিমে খঙত তুপতুপাই কোবাকুবিকৈ ঘৰৰ পৰা ওলাই গ'ল। তিৰোতা গৰাকীৰ স্বামীয়ে তাইক সুধিলে "হাকিম, তোমাৰ ইয়ালৈ কিয় আহিছিল ?" তিৰোতাজনীয়ে ক'লে "এটা কথা হৈছে। হাকিম আৰু

হাকিমৰ লৰা দুয়ো বাপেক পুতেকৰ ভিতৰত কিবা কাৰণে এখন বৰ ডাঙৰ দন লাগিছে। বাপেকে পুতেকক মাৰিবলৈ খেদি অহাত সি আহি মোৰ ইয়াত লুকাই আছে। হাকিমে পুতেক পলাই নাসাৰিবৰ কাৰণে বাহিৰৰ দুৱাৰ খন বন্ধ কৰি পুতেকক বিচাৰি ঘৰখন চলোপাত কৰিছিল। পুতেকক বিচাৰি নাপাই খঙত উধাউল হৈ এইমাত্র ওলাই গৈছে। এইয়া হাকিমৰ পুতেক। মই তেওঁক লুকুৱাই নোথোৱা হলে বাপেকে মাৰি ধুনাধুন কৰিলেহেঁতেন।" এই বুদ্ধি কৈ তিৰোতা গৰাকীয়ে পাচফালৰ কোঠাটোৰ পৰা হাকিমৰ লৰা-জনক উলিয়াই দিলে। স্বামীয়ে তেতিয়া বৰ সন্তোষ পাই তাইক ক'লে "তুমি এগৰাকী আদর্শ তিৰোতা।"

—সম্পাদক—

ঠিকাদাৰ নোহোৱাকৈ কৰা কাম

পঞ্জাব চৰকাৰে ভাক্ৰা খালৰ কামবিলাক ঠিকাদাৰক নিদি বনুৱাসকলক নিজৰ ভিতৰত সমবায়-সংস্থা কিছুমান পাতি কামবিলাক কৰিবলৈ দিছে। ইয়াৰ দ্বাৰা উপকৰা লাভ খিনি বনুৱাসকলৰ হাততে থাকিব।

সমাজৰ প্রকৃত সম্পদ হৈছে সাধু আৰু সংস্কৃতিবান নৰ-নাৰীসকল। প্রাসাদোপম ঘৰবাৰী, প্রকাণ্ড ফেক্টৰী আৰু অসংখ্য বিলাসোপকৰণ নহয়।

The Nab... Library GAUHATI

দুদিনৰ ডায়েৰী

এদিন অফিচত বহি আছোঁ। এনেতে শ্ৰীহৰমোহন দাস নামেৰে লৰা এজন আহি কলে "শোৱালকুছিত ২৬ জানুৱাৰীৰ দিনা কস্তুৰবা স্মৃতি পুথি ভৰালৰ ৫ ম বাৰ্ষিক অধিবেশন উপলক্ষে এখন সভা হ'ব। তাতৈকে আপোনাক সভাপতি নিৰ্ব্বাচন কৰা হৈছে।"

কথাটো শুনি উচপথাই উঠিলোঁ। কোনোদিনে সভাপতি হোৱা [নাই]! সভাসমিতিত বক্তৃতা দিয়া অভ্যাসো একেবাৰে নাই।

লৰাজনক কেইজনমান নগৰৰ বিশিষ্ট লোকৰ নামৰ পিনে আঙুলি টোৰাই মোক ৰেহাই দিবলৈ অনুৰোধ জনালোঁ। তেওঁ কলে যে তেওঁলোকৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আগতেই মোৰ নাম প্ৰস্তাৱ কৰি থৈছে। তেওঁলোকৰ সৰল অনুৰোধ প্ৰত্যাখ্যান কৰিবলৈ আৰু সত্ নগল।

লগতে আৰু দুটা ভাব মনলৈ আহিল। গাঁৱলীয়া জীৱনৰ বাস্তৱ অভিজ্ঞতাই মোৰ সামাজিক শিক্ষাৰ জ্ঞান পুষ্ঠ কৰাত সহায় কৰিব। দ্বিতীয়তে শোৱালকুছি নগৰখন চাবলৈ মনত সদায়েই এটা ইচ্ছা আছিল। ভাবিলো এই সুযোগতে ঠাইখনো চোৱা যাওক।

ইতিমধ্যাতে স্থিৰ হ'ল ২৫ জানুৱাৰীৰ দিনা বামুন্দী গাঁৱত সামাজিক শিক্ষা বিভাগৰ দ্বাৰা ছাঁয়াচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। সেই অনুসাৰে ২৫ তাৰিখে দিনৰ দহোটা-মান বজাত সামাজিক শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ দত্তৰ লগত এই বিভাগৰ মটৰত উঠি আমাৰ গন্তব্যস্থললৈ যাত্ৰা কৰিলোঁ। বামুন্দীলৈ শোৱাল-কুছি পাৰ হৈ যাব লাগে। বাটত "আহিছিলোঁ শোৱাল-কুছিৰ তাঁত শিল্প চাবলৈ, মিছামিছিকৈ বামুন্দীলৈ গৈ সময় নষ্ট কৰিবলগীয়া হ'ল" এই বুলি মনত বৰ আক্ষেপ আহিছিল। কিন্তু পিচত বামুন্দীলৈ গৈ বুজিলোঁ যে সেই ঠাইখন নেদেখা হলে খেতি-বাতিৰ বিষয়ে কিছু কথা শিকাৰ পৰা আৰু অলপ মনোৰম প্ৰাকৃতিক দৃশ্য দেখাৰ বঞ্চিত হলোঁহেতেন।

বামুন্দী গাওঁখন একো ধুনীয়া গাওঁ নহয়। আন গাওঁবিলাক যেনে এইখনো তেনে। কিন্তু ব্ৰহ্মপুত্ৰৰ বালিৰ পাৰে পাৰে আৰু গাওঁখনৰ এমূৰে যোৱা নিৰ্জ্জন বাটটোৰেদি গৈ ঠাইখিনিৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মোহিত হৈ পৰিলোঁ আৰু মনতে ভাবিলোঁ "আজি মোৰ বামুন্দীলৈ অহা সাৰ্থক হ'ল"। দূৰত দিগন্ত প্ৰসাৰিত উন্মুক্ত প্ৰান্তৰ। মন প্ৰাণ এক অপাৰ্থিব আনন্দত নাচি উঠে! লগত যোৱা এম, ই স্কুলৰ হেডমাষ্টৰ শ্ৰীযুত আদ্যনাথ শৰ্ম্মাই ক'লে "বাৰিষাহে এই ঠাইৰ শোভা অপূৰ্ব্ব হৈ পৰে"। বাৰিষাৰ সৌন্দৰ্য্যলৈ চাই এই কথাৰ সত্যতা বুজাত একো টান নহয়। কিন্তু জুমোটা সৌন্দৰ্য্য নিশ্চয়েই বেলেগ ধৰণৰ।

এই আলিবাটটো পাৰ হৈ হাতীমূৰা পৰ্ব্বতৰ নামনিয়েদি যাবলৈ ধৰিলোঁ। এই ঠাইৰ প্ৰাকৃতিক দৃশ্যও অতি বিতোপন। শ্ৰীযুত দত্ত আৰু মই কোৱা মেলা কৰিবলৈ ধৰিলোঁ "এনে ঠাইত ৰঘু চৌধাৰীৰ দৰে কবিয়ে জন্মগ্ৰহণ নকৰিব কিয়"। পিচত শ্ৰীযুত চৌধাৰীয়ে কৈছিল যে তেখেতৰ ঘৰ সেই ঠাইত নহয় তাৰপৰা পাচ মাইল দূৰৰ সমুখতে দেখি থকা লাউপাৰা গাৱঁত। সি যি হক গোটেইটো তেখেতৰেই অঞ্চল। আজি বহুত বছৰ আগেয়ে বিহগী কবিয়ে সেইবিলাক ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা বখানি কোৱা মনত পৰিল।

বাস্তৱিকতে গোটেই অসমখনেই প্ৰকৃতিৰ কাম্যভূমি। বিদেশৰপৰা অহা সকলো মানুহেই ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যত মোহিত হয়। গোটেই অসমৰ ইমূৰৰপৰা সিমূৰলৈকে এনে বহুত সৌন্দৰ্য্যৰ আকৰ (বিউটি স্পট) আছে যিবিলাক সযতনে ৰক্ষা কৰিলে বিদেশী পৰ্য্যটকসকলে আহি দেখিলে ভোল যাব আৰু সেইসকল অহাৰ ফলত দেশৰ সমৃদ্ধিও বৃদ্ধি

হ'ব। বহুত ভিতৰুৱা অঞ্চলত এনে ঠাইবিলাক লুকাই আছে। বামুন্দীৰ পৰা শোৱালকুছি পাওঁতে পিচদিনা এবাৰমান বাজিল। কাৰণ পুথিভঁৰালবিলাক চাই যোৱা হৈছিল। তাৰ পিচত গা ধুই খোৱা বোৱা কৰোঁতে সভাৰ সময় হ'ল। সভা শেষ হ'ল ৰাতি। গতিকে শোৱালকুছিৰ বয়ন শিল্প আৰু চোৱা ন'হল।

কিন্তু এই দুদিনতে যি অলপ অভিজ্ঞতা পালোঁ তাক মনত পুহি নাৰাখি ৰাইজৰ আগত দাঙি ধৰিলোঁ।

গাওঁ বুলিলেই মোৰ চকুৰ আগত সদায় ভাহি পৰিছিল— পাণ-তামোল আৰু শাক পাচলিৰ আহল বহল বাৰী একোখনৰ মৈতে একো একোটা পৰিয়াল! বামুন্দী আদি গাওঁবিলাকত দেখিলোঁ হেনেকুৱা দুই চাৰিখন বাৰী অৱশ্যে আছে কিন্তু সেই অনুসাৰে পৰিয়ালত মানুহৰ সংখ্যা অতি বেছি। বেছিভাগ মানুহৰ ঘৰ ইঘৰে সিঘৰে লগ লগা। শোৱালকুছিৰ পৰা বামুন্দীলৈকে এই গোটেই অঞ্চলটোত যেনে জনসংখ্যা দেখিলোঁ তাৰপৰা বুজিব পাৰি যে নগৰবিলাকৰ দৰেই এইবিলাক ঠাইতো মানুহে ঘৰ বাৰী সাজি থাকিব পৰা ঠাইৰ নাটনি হৈ পৰিছে। যিসকলে অসম এখন জনবিৰল দেশ বুলি বহিৰাগতসকলক বহুউৱাব খোজে সেইসকলক এই ঠাইবিলাক দেখুউৱাব লাগে। যদিওবা ক'ৰবাত খালি ঠাই আছে সেইবিলাক ঠাইত বহিৰাগতসকলক বহুৱাতকৈ এনেধৰণৰ মাটিহীন খিলঞ্জীয়া স্থানীয়লোককহে মাটিবাৰী দি বহুউৱাৰ প্ৰয়োজনটো বেছি আগতীয়া হৈ পৰিছে। মই গোটেই অসমৰ গাওঁভূঁইবিলাক দেখা নাই। কিন্তু মানুহৰ মুখে শুনোঁ সকলো ঠাইতেই কম বেছি পৰিমাণে জনসংখ্যাৰ এই একে সমস্যাই উপস্থিত হৈছে। কল্পনা কৰিব পাৰি অদুৰ ভৱিষ্যতে নগৰৰ দৰে গাওঁবিলাকতো মানুহে ঘৰ-বাৰী কৰি থাকিবৰ কাৰণে যথেষ্ট মাটি পোৱা টান হৈ পৰিব। যোৱা জনগণনাৰ হিচাবৰপৰা বুজিব পাৰি অসমৰ জনসংখ্যা দোপত দোপে বৃদ্ধি হৈ গৈছে। মানুহৰ জীৱন ধাৰণৰ মান ওপৰলৈ তুলিব খুজিলে জনসংখ্যাৰ বৃদ্ধিৰ হাৰ কমাই ৰাখিব লাগিব নাইবা দেশৰ সকলো প্ৰকাৰৰ উৎপন্ন ইয়াতকৈ বহুতগুণে বেছিকৈ বঢ়াব লাগিব।

শোৱালকুছিকতো গাওঁ বুলিব নোৱাৰিয়েই। নগৰতকৈও ইয়াত মানুহৰ বসতি বেছি ঘন। ইটো ঘৰৰ লগত সিটো ঘৰ লগালগি। একেখন চোতালতে বহুত মানুহ থাকে। অসমৰ দুই এখন সৰুসুৱা নগৰতকৈ নিশ্চয় ইয়াৰ জনসংখ্যা বেছি হ'ব। ক'ৰবাত পাইছিলোঁ গাওঁ হিচাবে ভাৰতবৰ্ষৰ ভিতৰতে শোৱালকুছি আটাইতকৈ ডাঙৰ গাওঁ। বয়নশিল্পৰ ওপৰতে এই গাঁৱৰ বেছি ভাগ মানুহৰে জীৱিকা নিৰ্ভৰ কৰিছে। গতিকে এই শিল্প কেনেকৈ জীয়াই ৰাখিব পাৰি সেইটো এটা প্ৰত্যেকজন স্বদেশ প্ৰেমিক মানুহৰে ভাবিবৰ বিষয়।

এতিয়া অলপ খেতিবাতিৰ বিষয়ে কওঁ। বামুন্দীৰ আশে পাশে মাহ, সৰিয়হ, কুঁহিয়াৰ আদিৰ খেতি আছে আৰু শোৱালকুছিৰ পৰা আহোঁতে কেবা ঠাইতো আলুৰ খেতি দেখিলোঁ। এই সকলোবিলাক দেখি ধাৰণা হ'ল যে এই অঞ্চলৰ ৰাইজ খেতিত নিপুণ।

নিয়াৰিকৈ কৰা খেতি-বাতিবিলাক দেখি প্ৰশংসা কৰোঁতে স্থানীয় এজনে কৈ উঠিলে "আমাৰ মানুহে আগেয়ে এনেদৰে খেতি কৰিব নাজানিছিল। এতিয়া মৈমনচিঙীয়া পমুৱাসকলৰপৰাহে উন্নত ধৰণে খেতি কৰিবলৈ শিকিছে।" এইটো কথাত আন এজনে আপত্তি কৰি ক'লে "এইটো কিয় হ'ব? অসমীয়া মানুহে আগৰে পৰাই খেতি কৰিব জানে। তেওঁলোককনো পমুৱাই খেতি কৰিবলৈ শিকাব লাগিছেনে?" সি যিয়েই হওক অসমীয়া মানুহৰ মাজত উন্নত ধৰণে অধিক শস্য কৰিবলৈ এটা জাগৰণৰ ভাৱ দেখা গৈছে।

আৰু এটা কথা দেখি বৰ ভাল লাগিল। শোৱাল-কুছিৰ পৰা বামুন্দীলৈকে কেবাখনো পুথিভঁৰাল দেখিলোঁ। এনেকি একোখন গাঁৱত দুটাকৈও পুথিভঁৰাল আছে। জ্ঞানেই মানুহক দেৱতা কৰে আৰু জ্ঞানৰ অভাৱত মানুহ পশু হয়। পুথিভঁৰালবিলাকে দেশত জ্ঞানৰ পোহৰ বিলোৱাত সহায় কৰে।

শোৱালকুছি নগৰ খনৰ কথা শুনিলোঁ ধৰ্ম্মৰ নামত বোলে দুটা ভাগ হৈ আছে। এইটো বৰ পৰিতাপৰ বিষয়

সামাজিক শিক্ষাৰ কালৰ পৰা আমি এই বিষয়ে একাবাৰো নামাতিলে আমাৰ দেখাদেখিকৈয়ে কৰ্ত্তব্যৰ ত্ৰুটী থাকি যাব। গতিকে তলত দিয়া কথাখিনি ক'বলৈ আগবাঢ়িলোঁ।।

হিন্দু ধৰ্ম্মই কয় "ঈশ্বৰক যে কেবলমাত্ৰ এটা পথেদি পাব পাৰি সেইটো নহয়। যেয়ে যেওঁক যিভাৱে ভজনা কৰক তাত ঐকান্তিকতা থাকিলে সিদ্ধিলাভ হ'বই।" গতিকে পৰৰ মতত অসহিষ্ণু হোৱাটো মূৰ্খামিৰ চিন। দুখৰ বিষয় বহুত সময়ত শিক্ষিত লোকেহে এটা পন্থাৰ মানুহক আন এটা পন্থাৰ মানুহৰ বিৰুদ্ধে উচটাই দিয়ে। উৎসৱ অনুষ্ঠান আদিত মানুহে দহজনৰ লগত মিলিজুলি ঈশ্বৰক ভজনা কৰে। কিন্তু ভগবানৰ লগত প্ৰত্যেকজন মানুহৰ যোগাযোগ নিতান্তই ব্যক্তিগত। কাৰণ সকলো মানুহ সাধনাৰ একে স্তৰত নথাকে। গতিকে প্ৰকৃতি ধাৰ্ম্মিক মানুহে ধৰ্ম্মৰ বাকবিতণ্ডাত সময় নষ্ট কৰাতকৈ নিৰৱ ভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনাত আৰু জগতৰ সকলোৰে মঙ্গল কামনাতহে ৰত থাকে।

বামুন্দী আৰু শোৱালকুছি দুয়ো ঠাইতে সামাজিক শিক্ষা বিভাগৰ দ্বাৰা বোলছবি দেখুউৱা হয়। বোলছবি চাবলৈ গাঁৱলীয়া মানুহৰ অসীম আগ্ৰহ! অকল গাঁৱলীয়া মানুহেই নহয় বোলছবি চাই সকলোৱেই ভাল পায়। পুথি আলোচনী আদি কেৱল শিক্ষিত মানুহে পঢ়িব পাৰে। কিন্তু বোলছবি চাই শিক্ষিত অশিক্ষিত সকলোৱে নানা কথা শিকিব পাৰে। এটা জাতিৰ সৰ্ব্বাঙ্গীন উন্নতি কৰিবলৈ ই এটা ডাঙৰ অস্ত্ৰ।

সামাজিক শিক্ষাবিভাগৰ অসমীয়া বোলছবি নাই। সকলো চিত্ৰই হিন্দী বা ইংৰাজীত। সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা দপ্তৰে সামাজিক শিক্ষা বিভাগৰ কাৰণে অসমীয়া সাধুৰ (ফক লোৰ) ওপৰত ভিত্তি কৰি কিছুমান বোলছবি প্ৰণয়ন কৰিবলৈ মনস্থ কৰিছে। ইতিমধ্যতে অসমীয়া লেখক লেখিকা সকলে বোলছবিৰ উপযুক্ত এনে ধৰণৰ কিছুমান নাটিকা লেখি তেখেতসকলক দিব পাৰিলে কামটো ভালেখিনি আগবাঢ়ে।

শোৱালকুছিত বোলছবি দেখুউৱা শেষ হলত আমি তাৰ শঙ্কৰ মন্দিৰলৈ গলোঁ। আমি গৈ পাওঁতে তাত এজন ভকতে এটা বৰগীত গাই আছিল। এনে সুললিত সুৰেৰে গোৱা বৰগীত আমি আগেয়ে কেতিয়াও শুনা নাছিলোঁ।। ইয়াৰ পিচত ভকত সকলে জাত লগাই গোৱা নাম শুনি বৰ ভাল লাগিল। এই বিলাকে অসমীয়াৰ বৈশিষ্ট্য ৰক্ষা কৰি আহিছে।

কণ্ঠৰবা স্মৃতি পুথিভঁৰালৰ সম্পাদক শ্ৰীহৰমোহন দাস এজন আন্তৰিকতা থকা কৰ্ম্মী যেন বোধ হ'ল আৰু আমাক যি মানুহ ঘৰত থাকিবলৈ দিছিল সেই ঘৰৰে মেট্ৰিক পৰীক্ষাৰ্থী ছাত্ৰ এজনৰ আতিথেয়তাৰ কথা সদায় মনত থাকিব। এই দুজনৰ বিষয়ে উল্লেখ নকৰিলে এই কাহিনী অসম্পূৰ্ণ হৈ থাকিব।

—সম্পাদক—

অসমৰ জনসংখ্যা ৫০ বছৰত বাবন্ন লাখৰো অধিক বৃদ্ধি

(অসমৰ মুঠ জনসংখ্যা ৯,০৪৩,৭০২ তাৰে ৪,৯৭২,৪৯৩ জনৰ মাতৃভাষা অসমীয়া। যোৱা ৫০ বছৰৰ ভিতৰত অসমত মুঠতে ৫,২২৯,৫১৯ জনসংখ্যা বাঢ়িছে।

১৯৫১ চনৰ পিয়লৰ প্ৰকাশিত প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে।)

অসমৰ মুঠ জনসংখ্যা—৯,০৪৩,৭০২ আৰু কালি—৮৫,০১২ বৰ্গ মাইল।

নগৰীয়া জনসংখ্যা—৪১৪,৪১৮ জন। কম পক্ষেও ৫ হেজাৰ বাসিন্দা থকা আৰু নগৰীয়া বৈশিষ্ট্য থকা ঠাইবোৰকে নগৰৰ ভিতৰত ধৰা হৈছে। অসমৰ নগৰীয়া আৰু গাঁৱলীয়া অঞ্চলৰ বাসিন্দাৰ অনুপাত—১ : ২১।

অসমৰ মুঠ গাওঁ—২৫,৩২৭ খন আৰু নগৰ ২৮ খন।

৫০ বছৰৰ হিচাপ

১৯০১ চনৰ পৰা ১৯৫১ চনলৈকে—এই ছোৱা সময়ৰ ভিতৰত অসমত মুঠতে ৫,২২৯,৫১৯ জনসংখ্যা বৃদ্ধি হৈছে। ১৯০১ চনত অসমৰ জনসংখ্যা আছিল—৩,৮১৪,১৮৮। তাৰে ৩,২৩১,৫৪৯ জন আছিল অসমৰ ভৈয়াম অঞ্চলৰ অধিবাসী। কিন্তু ১৯৫১ চনত অসমৰ ভৈয়াম অঞ্চলৰ জনসংখ্যা হয়গৈ—৭,৮০৫,৫৫৮ জন—অৰ্থাৎ ১৯০১ চনতকৈ ৪,৫৭৪,০০৯ জন বাঢ়িল।

যোৱা ৫০ বছৰৰ ভিতৰত বিভিন্ন জিলাত তলত দিয়া মতে জনসংখ্যা বাঢ়িছে:—

কাছাৰ—৪৮৫,৫৬৩, গোৱালপাৰা—৬৪৫,৫৬৯, কামৰূপ—৯০০,৩৮২ দৰং—৫৭৮,১৫৭, নগাওঁ—৬২৬,৫৪৪, শিৱসাগৰ—৬১৩,৯৭৩, লক্ষীমপুৰ—৭২৩,৮২১।

নগৰৰ লেখ

অসমৰ নগৰসমূহৰ ভিতৰত এক লাখ বা ততোধিক জনসংখ্যা থকা ঠাই এখনো নাই। শ্বিলং নগৰেই জনসংখ্যাৰ ক্ষেত্ৰত নগৰবোৰৰ ভিতৰত শীৰ্ষস্থান লাভ কৰিছে—শ্বিলঙৰ জনসংখ্যা ৫৩,৭৫৬; দ্বিতীয় স্থান গুৱাহাটীৰ (৪৩,৬১৫); তৃতীয় ডিব্ৰুগড় (৩৭,৯৯১), চতুৰ্থ শিলচৰ (৩৪,০৫৯); তাৰ পিচতে যথাক্ৰমে নগাওঁ, ধুবুৰী আৰু বৰপেটাই স্থান পাইছে। এই কেইখন নগৰৰো জনসংখ্যা ২০ হেজাৰৰ অধিক।

কৰিমগঞ্জ, তেজপুৰ, যোৰহাট, লামডিং, তিনিচুকীয়া, শিৱসাগৰ আৰু গোৱালপাৰাৰ জনসংখ্যা দহ হেজাৰৰ পৰা ২০ হেজাৰৰ ভিতৰতে আছে।

অসমৰ নগৰসমূহত ১৯০১ চনত জনসংখ্যা আছিল ৮৯,৭৮৮; ১৯৫১ চনত ৪১৪,৪১৮ (অৰ্থাৎ ৩২৪,৬৩০ জনসংখ্যা বাঢ়িল)। তাৰে ২৪৬,২৩৬ জন পুৰুষ আৰু ১৬৮ ১৮২ গৰাকী মহিলা।

খেতিয়ক আৰু অখেতিয়ক

অসমৰ কৃষিজীবি শ্ৰেণীৰ ভিতৰত যাইকৈ বা সম্পূৰ্ণভাৱে নিজৰ মাটিৰ খেতিয়ক আৰু তেওঁলোকৰ দ্বাৰা পালিত লোকৰ সংখ্যা—৫,২৩১,৭৯১ জন। সম্পূৰ্ণভাৱে বা যাইকৈ নিজৰ মাটি নথকা খেতিয়ক আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল

লোক—১,১৫৮,২৫৪। খেতিয়ক-বনুৱা আৰু তেওঁলোকৰ অনুবৰ্ত্তী লোকৰ সংখ্যা—১৫৭,৩৪৩। অখেতিয়ক মাটিৰ গৰাকী, খাজনা আদায় কৰোঁতা আৰু তেওঁলোকৰ দ্বাৰা পালিত লোকৰ সংখ্যা—৮১,৬০৪ জন।

অসমৰ অ-কৃষিজীবি শ্ৰেণীৰ ভিতৰত খেতিৰ বাহিৰে অন্যান্য উৎপাদনমূলক কামত জড়িত থাকে (সকলো ক্ষেত্ৰতে তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল থকা লোকৰো হিচাপ দিয়া হৈছে)—১,৩২৭,৫৫১ জন। ব্যৱসায়ত আছে—৩৫৩,০৬৬ জন; পৰিবহনত আছে ১১৫,৪৮৯ জন অন্যান্য চাকৰি বা বিবিধ কামত আছে—৬১৪,৫২৯ জন।

মাতৃভাষা

পিয়লত ভাষা সম্পৰ্কে দিয়া তালিকাত মাতৃভাষাৰ শিতানত বিস্তাৰিত বিৱৰণী দিছে। তলত বিভিন্ন ভাষাভাষী লোকৰ হিচাপ এটা দিয়া হৈছে (সকলো হিচাপ ইয়াত উল্লেখ কৰা নাই):—

অসমীয়া—৪,৯৭২,৪৯৩
বঙালী—১,৭১৯,১৫৫
হিন্দী—৩৩৫,৬৮৮
উৰীয়া—১১৪,২৫৩
নেপালী—১২৫,৩১৪
খেৰৱাৰী—৯৫,৯১০
সাঁওতালী—৯২,৬৫৭
খাছী—২৩০,৩২৬
গাৰো—২৩৬,০৩২
বড়ো—১৬৬,৪২০
মিকিৰ—১২৮,৫৮১
মণিপুৰী—৮৯,৪০৩
লুছাই—১৬১,৮৪৫

———

(নতুন অসমীয়াৰ সৌজন্যত)

পোৱা পুথিৰ পৰিচয়।

১। পূৰ্ণিমাৰ বিয়া—

শ্ৰীহৰকান্ত দাস, এম্-এ, বি এল,
প্ৰকাশক—মেচাৰ্চ শ্ৰীকৃষ্ণ বাদাৰ্চ, তেজপুৰ মূল্য ১॥০ দেড় টকা

ছোৱালীৰ ঘৰৰ পৰা দৰা ঘৰে যৌতুক হিচাবে ধন-সম্পত্তি বিচাৰি কিমান তললৈ যাব পাৰে সেই বিষয়ে ঘটনা এটা থকা এখন সামাজিক উপন্যাস। আমাৰ বহুতে নিজৰ দৰাটৈ ছোৱালী বিয়া কৰাই বা বিয়া কৰাব খুজি কন্যাপক্ষক বৰ বেছিকৈ জলা-কলা কৰে আৰু সেই পক্ষৰো যে কিবা আত্মসম্মান থাকিব পাৰে সেই কথাটো সমূলি ভাবি নেচায়। পুথিখনে এই প্ৰকৃতিৰ লোকসকলৰ চকুমুকলি কৰাত সহায় কৰিব পাৰে। ছোৱালীৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া দিয়াটোও যে অন্যায় সেইটোও লিখকে উন্মুকিয়াইছে।

পুথিখনত হাস্যৰসৰ খোৰাক যথেষ্ট আছে। দৰাৰ জুলুমত ছোৱালী দিবলৈ প্ৰত্যাখ্যান কৰাত দৰাই মাটিত বাগৰি শহুৰেকৰ ওচৰত কৰযোৰে কৰুণ সুৰেৰে ভটিয়া গোৱা আৰু দৰাৰ বাপেকে আঠুকাঢ়ি নিৰ্নিমেষ নয়নে হ'ব খোজা বিয়ৈৰ ফালে চাই থকা দৃশ্যৰ বৰ্ণনাই হাঁহিৰ কোবত পঢ়োঁতাৰ টেটু-নাড়ী ছিঙিব। পুথিখনৰ মূল ঘটনাটো একেবাৰে সত্য কাৰণে মানুহে কাল্পনিক ঘটনাতকৈ ইয়াৰ মূল্য বেছি দিব।

২। সমাজ উন্নয়ন পৰিকল্পনা—

অধ্যাপক আশ্ৰফ আলী, বেচ আঠ অনা।
প্ৰকাশিকা:—চৈয়দা চকিনা আশ্ৰফ, "আলী মঞ্জিল," মাছখোৱা গুৱাহাটী।

কমিউনিটি ডেভেলপমেণ্ট প্ৰজেক্ট'ৰ বিষয়ে এখন ১৮ পৃষ্ঠাৰ পুস্তিকা। এইখন পঢ়ি পাঠকে সমাজ উন্নয়ন পৰিকল্পনানো কি? ইয়াৰ উদ্দেশ্য, এই পৰিকল্পনাক কোনে সহায় কৰে ইত্যাদি বিষয়ে এটা মোটামুটি ধাৰণা কৰিব পাৰিব। বৰ্ত্তমান সমাজ উন্নয়ন পৰিকল্পনাটো স্বাধীন ভাৰতৰ পক্ষে এনে এটা গুৰুত্বপূৰ্ণ বিষয় যে শিক্ষিত অশিক্ষিত প্ৰত্যেক জন মানুহেই এইবিষয়ে অলপ নহয় অলপ জনাটো আৱশ্যকীয় হৈ পৰিছে। গতিকে এখনি সময়োপযোগী পুথি।

বিঃ দ্ৰঃ—স্থানাভাৱত বাকীবিলাক সমালোচনা এই সংখ্যাত প্ৰকাশ কৰিব পৰা নহল। —সম্পাদক—

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষকসকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলম লৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

আজি আমি ইয়াত বিয়াবিলাকৰ পৰা উদ্ভৱ হোৱা নানা সমস্যাৰ বিষয়ে আলোচনা কৰিম। বৰ্ত্তমান পৰিস্থিতিত বিয়াবিলাকৰ যে কিছু বিষয়ত সংস্কাৰ আৱশ্যক হৈছে সেইটো চিন্তাশীল মানুহ মাত্ৰেই বুজিব পাৰিব।

আজিকালিৰ যুগত মানুহ ধনীয়েই হওক বা দুখীয়াই হওক বিয়া বিলাক সাধাৰণ ভাৱে পতা উচিত। লাখপতি হলেও যিমানদূৰ সম্ভৱ কম মানুহ মাতি অনাৱশ্যক ৰং তামাচা আৰু খোৱাবোৱাত খৰচ নকৰি সকলো প্ৰকাৰে ব্যয় সঙ্কোচ কৰা দৰকাৰ।

ইয়াত স্বাভাৱিকতে প্ৰশ্ন উঠিব, ধনী মানুহে টকা খৰচ কৰি বিয়া পাতিব আমাৰ তাত লোকচান কি? দকৈ ভাবি চালে বুজা যাব যে এনেকুৱা ধৰণৰ বিয়া বিলাকৰ পৰা পৰোক্ষভাৱে সমাজৰ নানা বিষয়ে ক্ষতি হয়। বিয়াত হোৱা খৰচ অকল ব্যক্তিগত বিষয়তে আবদ্ধ নেথাকে। এই কাৰ্য্যই গোটেই সমাজৰ অৰ্থনীতিতে এটা প্ৰতিক্ৰিয়া আনে।

অৰ্থনীতিজ্ঞসকলৰ এইটো সুবিদিত যে ভাৰতবৰ্ষৰ গাঁৱলীয়া মানুহবিলাকৰ সনাতন ঋণগ্ৰস্ততাৰ প্ৰধান কাৰণ হৈছে বিয়াবিলাক। এই বিয়া বিলাকত একো একোটা পৰিয়াল সৰ্ব্বস্বান্ত হয়। এই একেটা সত্যই নগৰৰ মানুহবিলাকৰ বিয়াবিলাকতো খাটে। একো একোখন বিয়াত সাধাৰণ মধ্যবিত্ত পৰিয়াল এটা বহুদিনলৈকে জুৰুলা হৈ পৰে। মানুহে ভাৱে যে তেওঁৰ একেলগৰ আন এজন মানুহে বৰ ধুমধামকৈ নিজৰ ল'ৰা বা ছোৱালীৰ বিয়া দিছে যদি তেওঁ তেনে ধুমধামকৈ নিজৰ ল'ৰা বা ছোৱালীৰ বিয়া নিদিয়ে তেন্তে তেওঁৰ ইজ্জত নেথাকে।

বৰ্ত্তমান অৰ্থ সঙ্কটৰ যুগত আড়ম্বৰপূৰ্ণ বিয়া এটা সামাজিক পাপ। কিন্তু আড়ম্বৰহীন সাধাৰণ ভাবে পতা বিয়াৰ বাট সমাজ ধনী আৰু সম্ভ্ৰান্ত মানুহ সকলেই দেখুৱাই দিব লাগিব। তেওঁলোকৰ আদৰ্শ লৈ চকু ৰাখিয়েই বাকীবিলাকৰ মাজত প্ৰতিযোগিতা হয়। যদি এজন ধনী বা সম্ভ্ৰান্ত মানুহে নিজৰ ল'ৰা ছোৱালীৰ বিয়া নিচেই সাধাৰণ ভাবে পাতে তেন্তে তেওঁৰ সমান সমৰ্থ নোহোৱা মানুহবিলাকেও সাধাৰণ ভাবে বিয়া পাতিবলৈ মনত সঙ্কোচ বোধ নকৰিব। জনসাধাৰণে ভাবিব যে অমুকজন ধনী বা সম্ভ্ৰান্ত মানুহেই যেতিয়া নিচেই সাধাৰণ ভাবে বিয়াখন পতিছে তেন্তে তেওঁলোকেও সাধাৰণ ভাবে বিয়া পাতিলে তেওঁলোকৰ মান নেযায়।

বহুত সমৰ্থবান মানুহে ইচ্ছা কৰে যে তেওঁলোকে তেওঁলোকৰ অতি মৰমৰ ল'ৰা বা ছোৱালীৰ বিয়াত হিয়া

উবুৰিয়াই টকা খৰচ কৰে আৰু বন্ধুবান্ধৱ, আত্মীয় স্বজন আদিক প্ৰচুৰ পৰিমাণে খুৱাই সন্তোষ দিয়ে। তেনে নকৰিলে তেওঁলোকৰ অপত্যস্নেহ সম্পূৰ্ণ ভাবে চৰিতাৰ্থ নহয়।

ধুমধামকৈ বিয়া পাতি সমাজৰ ক্ষতি কৰাতকৈ তেওঁলোকৰ ল'ৰা বা ছোৱালীৰ আটাইতকৈ মঙ্গল হ'ব যদি বিয়াত কৰিব খোজা অতিৰিক্ত খৰচখিনিৰে এনে কোনো দুখীয়া মানুহৰ চিকিৎসা কৰায় যাৰ আৰোগ্যৰ ওপৰত বহুত হতভাগ্য ল'ৰা ছোৱালীৰ জীৱন নিৰ্ভৰ কৰিছে বা সেই টকাখিনিৰে গাঁৱত নাদ পুখুৰী আদি খান্দি দিয়ে নাইবা কোনো দুখীয়া মানুহৰ অন্নসংস্থানৰ এটা উপায় কৰি দিয়ে। মোটৰ ওপৰত নিজৰ ল'ৰা ছোৱালীৰ বিয়া উপলক্ষে সৎ কামত টকা খৰচ কৰি সোঁৱৰণী ৰাখো বুলিলে বাটৰ অভাৱ ন'হব।

বিয়াৰ বিষয়ে যিখিনি কথা আলোচনা কৰা হ'ল সেই একে খিনি কথায়েই শ্ৰাদ্ধ অন্নপ্ৰাসন, পূজা আদি সকলো প্ৰকাৰৰ লৌকিক আৰু সামাজিক অনুষ্ঠানত খাটে। কিছুমান মানুহে নিমন্ত্ৰণ আৰু ভোজ ভাত আদিত বহুত টকা খৰচ কৰে। সেইখিনি কৰাতকৈ নিৰন্ন আৰু নিবস্ত্ৰ মানুহক সহায় কৰা হ'লেহে তেওঁলোকৰ অৰ্থব্যয়ৰ সাৰ্থকতা হ'লহেঁতেন।

(২)

যৌতুক প্ৰথাই আমাৰ ওচৰ চুবুৰীয়া বঙ্গদেশত সৰ্ব্বনাশ কৰিছে। সুখৰ বিষয় এই প্ৰথা আমাৰ অসমত ব্যাপক ভাবে নাই। কিন্তু একেবাৰে নোহোৱা বুলিলে ভুল হব। কিছুমানে ধনসম্পত্তিৰ আশাত ছোৱালী বিয়া কৰায়। এইদৰে বিয়া কৰিলে ধন সম্পত্তিকহে বিয়া কৰোৱা হয়। ছোৱালীক বিয়া কৰোৱা নহয়। ধন সম্পত্তি দিম বুলি প্ৰলোভন দেখুৱাই ছোৱালী বিয়া দিয়া আৰু ছোৱালী বেচা একে কথা। কিছুমানে ছোৱালী বিয়া কৰাম বুলি টু টুৱাই ভাবী শহুৰৰ পৰা পঢ়াৰ খৰচ আদায় কৰি এনেকি কোনো কোনো ক্ষেত্ৰত বিলাতলৈকো যাত্ৰা কৰি আন ছোৱালী বিয়া কৰি পেলায়। এনে ধৰণৰ মানুহ যে কিমান নীচ তাক নকলেও হ'ব। বুঢ়া মানুহলৈ ছোৱালী দিয়া প্ৰথাও অতি বেয়া। কেতিয়াবা কেতিয়াবা এনে দৰাক বিয়া নকৰাওঁ বুলি ছোৱালীয়ে বোহ ধৰাৰ কথা বাতৰি কাকতত পোৱা যায়। এজনী তিৰোতা থকা মানুহলৈ ছোৱালী দিয়া কেতিয়াও উচিত নহয়। ছোৱালীক সতিনীৰ লগত সাঙুৰি দিয়া আৰু জীয়া জুইত পেলাই দিয়া একে কথা। বিয়া বাৰ পৰা হোৱা অসুখ অশান্তিৰ বেছি অংশই ভোগ কৰে তিৰোতাবিলাকে। গতিকে কম খৰচত বিয়া পতা আৰু বিয়াৰ আন আন সমস্যাবিলাক সমাধান কৰাত তেওঁলোকেই আগবাঢ়ি অহা উচিত।*

* আমাৰ আলোচনাৰ বেছি ভাগ কথাকে 'উদয়াচল' ৩য় বছৰ, ১ম সংখ্যাত ওলোৱা লিখকৰ 'দৈনন্দিন জীৱনৰ অৰ্থনীতি' নামে প্ৰবন্ধটোৰ পৰা উদ্ধৃত কৰা হৈছে।

শুদ্ধবাণী—যোৱাৰ সংখ্যাৰ 'ফকৰা-যোজনা' প্ৰবন্ধৰ লিখকৰ নাম শ্ৰীৰৰম চন্দ্ৰ মেধীৰ ঠাইত শ্ৰীধৰম চন্দ্ৰ মেধি হ'ব লাগে আৰু 'আমাৰ দিনত গুৱাহাটী' প্ৰবন্ধত থকা আনন্দৰাম ঢেকীয়াল ফুকনৰ নামৰ ঠাইত অন্নদাৰাম ঢেকীয়াল ফুকন হ'ব লাগে।

The
Nabin Bordaloi ... Library,
GAUHATI.

অসম সামাজিক শিক্ষা-বিভাগৰ মুখপত্ৰ।

জনশিক্ষা

১২শ বছৰ । ১৮৭৫ শক ফাগুন-চ'ত ইং ১৯৫৪ । ৬ষ্ঠ সংখ্যা

(কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী আবুল কালাম আজাদ)

পাদক— শ্ৰীনিৰ্ম্মলেশ্বৰ শৰ্ম্মা

4

—পোৱাৰ ঠাই—
সামাজিক শিক্ষা অ'ফিচ, গুৱাহাটী

"অন্ধকাৰৰ পৰা পোহৰলৈ নিয়া
অজ্ঞানৰ পৰা জ্ঞানৰ পথ দেখুৱা
মৃত্যুৰ পৰা নি অমৰত্ব দান কৰা" ।

—উপনিষৎ ।

সূচী—পত্ৰ

১।	বছৰৰ বিদায়	অধ্যাপক— শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা
২।	তাৰাপুৰত এদিন	শ্ৰীবেণুধৰ শৰ্ম্মা
৩।	হেন্দোলনি জাৰ নিবাৰকৰণ আৰু ৰাইজৰ কৰ্ত্তব্য	ডাঃ মাধৱ চন্দ্ৰ সেন
৪।	গাঁৱলীয়া পুথি-ভঁৰাল	শ্ৰীমাখন চন্দ্ৰ গগৈ
৫।	গোলাঘাট ইউনিয়ন পুথি-ভঁৰালৰ অৰ্দ্ধ সপ্তাহ পালন	সংবাদদাতা — শ্ৰী অপূৰ্ব্ব বৰুৱা
৬।	শিল্প-বাণিজ্য	সম্পাদক
৭।	বিহুৰ হেপাহ	শ্ৰীমহেন্দ্ৰ মোহন শৰ্ম্মা
৮।	বনগীত	শ্ৰীদুৰ্গা প্ৰসাদ নেওগ
৯।	কাগজৰ কথা	শ্ৰীমানিক চন্দ্ৰ শৰ্ম্মা
১০।	শৰ্ম্মিষ্ঠাৰ দাসাবৃত্তি	প্ৰণীতা দেৱী
১১।	বুঢ়া শালিকায়ো মাত কাঢে	শ্ৰীলীলা গগৈ
১২।	অঙ্কৰ কৌতুক	শ্ৰীদণ্ডাৰাম দত্ত
১৩।	ফকৰা যোজনা	শ্ৰীনীলকান্ত ৰাভা
১৪।	কম্পোষ্ট বা পচন সাৰ	শ্ৰীপ্ৰমোদ চন্দ্ৰ শৰ্ম্মা
১৫।	জখিমী কমলা	শ্ৰীআনন্দ ৰাম বড়া
১৬।	কল খেতি	শ্ৰীশশীধৰ নাথ
১৭।	বিহু গীত	কোবাদ আলি আহমেদ
১৮।	ৰঙালী বিহু	পজিৰুদ্দিন আহমেদ
১৯।	আনক ঠগিলে নিজেও ঠগ খায়	শ্ৰীমনমোহন দাস
২০।	মল-মূত্ৰৰ পৰা সোণ	শ্ৰীমদন চন্দ্ৰ কলিতা
২১।	আমাৰ ৰাজহুৱা নামঘৰ	শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত বি, এল
২২।	বিহু-গীত	শ্ৰীঘনকান্ত দেৱ গোস্বামী
২৩।	স্ত্ৰী পুৰুষৰ চাৰিটি সম্বন্ধ	শ্ৰীসুৰেন্দ্ৰ প্ৰসাদ বৰুৱা
২৪।	পোৱা পুথিৰ পৰিচয়	
২৫।	আমাৰ আলোচনা	

ছবি পৰিচয় ২২৭ পৃষ্ঠাৰ ছবিখন এটা কছাৰী নাচৰ দৃশ্য। ছবিখনৰ সোঁফালে নামনি অসমৰ স্কুল সমূহৰ এচিষ্টেণ্ট ইন্সপেক্টৰ শ্ৰীযুত বঙ্কুৰাম কছাৰী দেৱকো দেখা গৈছে।



১৪শ বছৰ { ১৮৭৫ শক, ফাগুন-চ'ত, ইং ১৯৫৪ } ৬ষ্ঠ সংখ্যা

বছৰ বিদায়

অধ্যাপক — শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা

(১)

ঘূৰিব লাগিছে কালৰ চকৰী
অবিৰাম ৰাতি-দিন,
পুৰণিক ঠেলি নতুন আহিছে
বজাই যুগৰ বীণ।

(২)

পুৰণি গছৰ পকা পাতবোৰ
জৰ জৰ কৰি সৰে,
হালিজালি তাতে নাচে কুঁহিপাতে
মোহন মূৰতি ধৰে।

(৩)

সিদৰে আমিও পুৰণি ভেটিতে
সাজিম নতুন ঘৰ,
পুৰণি দেশকে সজাই পৰাই
কৰি লম মনোহৰ।

(৪)

ৰাইজেই আজি ৰজা হই কৰে
নতুনৰ অভিযান,
পাছ পৰি কোনো নেলাগে থাকিব
হব লাগে আগুৱান।

(৫)

এ:বিবৰ হল এলাহ-শেতেলি
বছৰে দিলে ধল ফাট।—
নতুন পূজাৰী আহে আগবাঢ়ি
দেখুৱাই দিবলৈ বাট।

(৬)

পুৰণিকলীয়া মনৰ মামৰ
দিও দূৰলৈ ঠেলি,
নতুন যুগৰ বিমল পোহৰ
সুমাও দুৱাৰ মেলি।

(৭)

হাতে হাতে লই জ্ঞানৰ অঁৰিয়া
পোহৰ কৰিম দেশ,
পুৰণি বছৰে বিদায় মাগিছে
ৰাতিও হইছে শেষ।

তাৰাপুৰত এদিন

শ্ৰীবেণুধৰ শৰ্ম্মা

ইং ১৯৫৩ চনৰ ডিচেম্বৰ মাহত শিলচৰত সংস্কৃত-কনভোকেছন (সমাবৰ্ত্তন) বহিছিল। সেই উপলক্ষে আমি শিলচৰলৈ গৈছিলোঁ। তাৰ ওচৰতে কেইখনমান অসমীয়া গাওঁ আছে বুলি বহুত দিনৰ পৰাই শুনি আহিছিলোঁ। পোন প্ৰথমেই এই অঞ্চলত থকা মানভগনীয়া অসমীয়া মানুহৰ কথা ৺জগত চন্দ্ৰ গোস্বামীদেৱে 'জোনাকীত' লেখিছিল। তাৰ পিছত ক্ৰমান্বয়ে শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰুৱা, শ্ৰীৰামচন্দ্ৰ দাস, অধ্যাপক উমাকান্ত গোস্বামী প্ৰমুখ্যে জনাদিয়েক অসমীয়া-প্ৰেমিকে ছেদেলি ভেদেলি হৈ থকা অসমীয়া মানুহবিলাকৰ সুব্যৱস্থা কৰিব লাগে বুলি ৰাইজ আৰু চৰ্কাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল। এইবোৰ পঢ়ি-শুনি, সেই গাওঁ কেইখন চাবলৈ কাহানিবাৰেপৰা বৰ হাবিলাষ কৰি আছিলোঁ।

তাৰাপুৰ গাওঁখনেই সদৰ ঠাই শিলচৰৰ পৰা নিচেই ওচৰতে থকা অসমীয়া গাওঁ। মুঠেই দুমাইল। ২৭।১২।৫৩ তাৰিখে তিনিজন বন্ধুৰে সৈতে ৰাতিপুৱাই তাৰাপুৰলৈ গলোঁ। বন্ধু কেইজনৰ নাম :— অসম আয়ুৰ্ব্বেদ কলেজৰ অধ্যক্ষ শ্ৰীযুত জগদীশ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীযুত গঙ্গাধৰ দেৱ গোস্বামী, আৰু শ্ৰীযুত বৈকুণ্ঠনাথ তৰ্কতীৰ্থ।

পোনেই গৈ শ্ৰীযুত ৰামসিং চুতীয়াৰ ঘৰতে সোমালোঁগৈ। তেওঁবিলাকৰ ঘৰ হেনো পূৰ্ব্বতে নগাওঁ জিলাৰ জাজৰীত আছিল। মানৰ দিনত তেওঁৰ আজো ককাক ভাগি আহি এইখিনি পায়হি। তেতিয়াৰপৰা তেওঁবিলাক তাতেই আছে। এতিয়া গাওঁখনত ৫০ ঘৰমান মানুহ হৈ আছে। বাকীবিলাক মদনপুৰ, শ্ৰীহট্টলৈ উঠি গল। চুতীয়াৰ নিজা মাটি নাই; আতাইমিঞা লস্কৰ জমীদাৰ আৰু জয়কুমাৰ দত্ত মহাজনৰ মাটিকে খজুৰা'ক খাই আছে। তাৰাপুৰীয়া অসমীয়া গাঁৱৰ সৰহ ভাগেই এই দুজন জমীদাৰৰ মাটিতে থাকে। ৰামচিং চুতীয়াৰ ঘৰত মহ ৩টা, গৰু ৩টা আছে; ঘৰৰ খাওঁতা ৭ জন, মাটি ৰোৱে ৮ বিঘা। ভঁড়ালত গছীধান থোৱাৰ নিয়ম নাই, পথাৰৰপৰা আনি মাৰি-কাটি জাৰি চালি গুটিকৈ থোৱাৰহে নিয়ম।

ৰামচিঙৰ পুতেকৰ নাম কুমুদ ৰঞ্জন চুতীয়া। পুতেকে নগাওঁ জিলাৰ ঢিঙ চাৰিআলিৰ শ্ৰীযুত হলধৰ বৰাৰ জীয়েক শ্ৰীমতী কিৰণ বালাক বিয়া কৰাইছে। কিৰণ বালাই গাওঁখনৰ সকলো ৰাজহুৱা অনুষ্ঠান উৎসৱত সদায় আগ-ভাগ লয়। তেওঁ যাবৰ পৰা তাত মহিলা সভা এখন, লাইব্ৰেৰী এটা প্ৰতিষ্ঠা হৈছে।

তাৰাপুৰৰ সকলো ৰাজহুৱা অনুষ্ঠানৰ গুৰি ধৰোঁতা আৰু পিতৃভূমি অসমৰ লগত যোগাযোগ ৰক্ষা কৰি আহোঁতা শ্ৰীযুত প্ৰমোদ চন্দ্ৰ নেওগৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য। এওঁৰ উদ্যোগতে তাৰাপুৰত এটি পঢ়াশালি স্থাপিত হয়।

শ্ৰীযুত ৰুক্মিণী বৰদলৈ, শ্ৰীযুত ৰমণ মেধিয়েই পঢ়াশালিখনৰ শিক্ষক। নেওগে নিজে শিলচৰ নৰ্ম্মাল স্কুলত শিক্ষকৰ কাম কৰে। বৰ্ত্তমান অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাত তাৰাপুৰ পাঠশালা

খনৰ অৱস্থা বেয়াকৈ আছিছে। শিক্ষাবিভাগে যথোচিতৰূপে সহায় আৰু সুবিধা দিয়া স্বত্বেও পঢ়াশালিখন নানান্ কাৰণত উধাব পৰা নাই। ই অৱশ্যে দুখৰ কথা।

গাঁৱৰ ভিতৰতেই বিয়া পাক হয়। পূৰ্ব্বে, কোঁচ, কলিতা, চুতীয়া আদি বৰেন্দ্ৰীয়া মানুহেই তাত বসতি কৰিছিল। কিন্তু, বিয়া বাৰ আৰু সামাজিক নীতি নিয়ম একে আছিলে চলাব লগীয়া হোৱাত সকলোৰে চুতীয়া কুল গ্ৰহণ কৰিলে। তেতিয়াৰে পৰা সকলোৰে একে লগে খোৱা-বোৱা আৰু অনা নিয়া হবলৈ ধৰিলে। নগাৰ্ঁৰ দ-ঘৰীয়া সত্ৰৰ শ্ৰীযুত কৃষ্ণানন্দ গোস্বামী আৰু যোৰহাটৰ ঢাপকটা সত্ৰৰ শ্ৰীযুত অচ্যুতানন্দ গোস্বামীয়ে সকলোটিকে শৰণ লগায়গৈ। আগেয়ে সকাম নিঃকাম, বিয়া-সবাহ, পূজা সেৱা সকলো বঙালী ব্ৰাহ্মণৰ দ্বাৰাই সম্পন্ন কৰা হৈছিল। এতিয়াও ধৰ্ম্মানুষ্ঠানৰ প্ৰায়বিলাক কামতে বঙালী বামুণ হে লগোৱা হয়। ৰাইজে অসমীয়া বামুণ বিচাৰি ছ, পোৱা নাই। গুৱাহাটীকুচিৰ পৰাও ছোৱালী নিয়া হৈছে। অহা যোৱা বাট পথৰ অসুবিধা থকা বাবেই চাবেক অসমীয়া মানুহৰ লগত সম্বন্ধ কৰিব পৰা নাই।

বদৰপুৰৰ দক্ষিণে বৰখলা, বৰগোল এলেকাৰ খিলাচৰাত ৭ খন অসমীয়া গাওঁ আছে। লবুৰবন, জাপিৰ বন্দ, দিদকাই—এই বোৰ ঠাইত চিলাৰায় বংশৰ ৭ হেজাৰ মানুহ চেৰেলি বেৰেলি হৈ আছে। এই বিলাক গাৱঁৰ সবিশেষ বিৱৰণ পাবলৈ হলে উদাৰ বন্দ ডাকঘৰৰ বাটত থকা শ্ৰীযুত বিশ্বনাথ ৰাজ-বংশীলৈ লিখা উচিত। সেই অঞ্চলত ৰাজবংশীয়েই সকলো কথাতে তৎপৰ আৰু অসমীয়া বুলি সদায় গৌৰৱ কৰি থাকে। সিদিনা চিপঙত হোৱা সাহিত্য সভালৈও শ্ৰীযুত ৰাজবংশী গৈছিল। এওঁতে স্থানীয় পঢ়াশালি কেইখনত অসমীয়া চলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আছে। আমাৰ এই ফালৰ গ্ৰন্থকাৰ প্ৰকাশক সকলে দুই চাৰিখন কিতাপ বিতৰণ কৰিলে আমাৰ সহানুভূতিটোৱে নিশ্চয় জীপ্ লৈ থাকিব।

মাজতে তাৰাপুৰীয়া ৰাইজে শিলচৰ এৰি অসমলৈ আহিবলৈ মাটি বিচাৰিছিল। কিন্তু বহুত কথাৰ আগ পাছ গুণি শ্ৰীযুত মতিৰাম বৰা মন্ত্ৰী ডাঙৰীইয়াই তাতে থাকিবলৈ ঢ়াই-ঢ়াই পৰামৰ্শ দিলে। এতিয়া আৰু তাৰাপুৰীয়া অসমীয়া ৰাইজ আমাৰ লগতে আছে বুলিব লাগে। মাত্ৰ লাগে, দেশহিতৈষী সকলৰ ঘন ঘন সমাগম আৰু কাৰ্য্যকৰী সহানুভূতি।

Purdalai Hall &

হেন্দোলনি তাৰ নিবাৰণ আৰু ৰাইজৰ কৰ্ত্তব্য।

(যোৱা সংখ্যাৰ পিছৰপৰা)

ডাঃ মাধৱচন্দ্ৰ সেন

ডাঃ পাণ্ডেই অসমত প্ৰথমেই সুদুৰ উত্তৰ লখিমপুৰ জিলাৰ সোৱণশিৰী নদীৰ দাঁতি কাৰবীয়া গাঁও সমূহত আৰু কামৰূপ জিলাৰ লাউলী আদি অঞ্চলত এই বেমাৰৰ অনুসন্ধান পায়। কিন্তু এই তথ্য সুদৃঢ় কৰি তোলে ইয়াৰ পাচত মিঃ জি, আৰ, গোপাল কৃষ্ণনে। তেখেতৰ অসমত থকা কাল ছোৱাত ১৯৪০ চনৰ পৰা আৰম্ভ কৰি ১৯৪৬ চন লৈকে গোৱালপাৰা জিলাৰ দেওচিৰি ব্ৰহ্মপুত্ৰৰ মাজৰ পাতাকাটা, বালিচাপৰি, লাউলী গাঁৱত শিৱসাগৰ জিলাৰ মাজুলীত আৰু দিখৌ মুখত, লখিমপুৰ জিলাৰ কদমনী গাঁৱত আৰু দৰং জিলাৰ তাৰাবাৰী গাঁৱত এই বেমাৰেই শ শ গৰু ম'হৰ মৃত্যুৰ কাৰণ বুলি নিৰূপণ কৰে। বৰ্ত্তমানেও গৱৰ্ণমেণ্টৰ সুদক্ষ পৰিচালনাত প্ৰতিস্থাপিত হোৱা "পৰীক্ষাগাৰ" আৰু তাৰ কৰ্ম্মীসকলে লখিমপুৰ জিলাৰ অন্তৰ্গত জামুগুৰি, হবিদাং, চেচামুখ, ধলপুৰ, কেন্দুগুৰি, আৰিমৰা মিৰিগাওঁ ইত্যাদিত মাজুলী অঞ্চলত কমলাবাৰী নসত্ৰ, আহতগুৰি, জেংৰাইমুখ ইত্যাদিত, দিখৌ মুখত পানীদিহিং অঞ্চলত গোৱালপাৰা জিলাৰ দেওচিৰি, পাটাকাটা, ফৰেষ্ট বিজ্ঞাৰ্ড আদিত আজিও বহুদিনৰ পৰাই অজানিত ভাবেই লয়ে লয়ে চিকিৎসা বিহীন অৱস্থাত গৰু ম'হ মৰা তথ্য সংগ্ৰহ কৰিছে। ইয়াৰ বাহিৰেও দুৰ্গম পথ ঘাট নোহোৱা একমাত্ৰ প্ৰকৃতিৰ কোলাত লালিত পালিত জনজাতি ৰাইজৰ কত গৰু ম'হ মৃত্যুৰ মুখত পৰিছে তাৰ লেখ জোখ নাই। এইবিলাকৰ পৰা এই মাৰাত্মক আৰু ভয়াবহ বেমাৰ লাহে লাহে গোটেই অসমৰ চুকে কোণে বিয়পি পৰিছে বুলি অনুমান হয়।

এই বেমাৰৰ বীজাণুবিলাক ইমান সূক্ষ্ম যে তাক শুদা চকুৰে দেখা দূৰৰ কথা সচৰাচৰ সাধাৰণ অনুবীক্ষণ যন্ত্ৰতো দেখা নাযায়। ইয়াৰ কাৰণে ইলেকট্ৰন অনুবীক্ষণ যন্ত্ৰৰ প্ৰয়োজন। ই নিচেই অলপ উত্তাপতে মৰি যায় বা সাধাৰণ ঘৰৰ ভিতৰৰ যি উত্তাপ সেই উত্তাপত কিছু ঠাণ্ডা ঠাইত ৰাখিলে মাত্ৰ ৮ দিন মানলৈ বীজাণু বিনাকৰ শক্তি অটুট থাকে। বীজাণু বিলাক উশাহৰ লগত শৰীৰৰ পৰা ওলোৱাৰ উপৰিও ৰুগীৰ মূত, গাখীৰ আৰু প্ৰসৱৰ পাচত নিৰ্গত হোৱা নানা মলিয়ন বস্তুৰ লগতো বাহিৰ হয়। এই খিনিতে বিশেষ মন কৰিব লগীয়া কথা যে সচৰাচৰ মানুহ এই বেমাৰৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত নহয়।

আজি প্ৰায় ডেৰকুৰি বছৰে এই মহামাৰী বেমাৰে কত দুখীয়া ৰাইজৰ একমাত্ৰ সম্বল গৰু গাইৰ হানি কৰিলে তাৰ লেখ জোখ নাই। মাত্ৰ যোৱা বছৰৰপৰা জনপ্ৰিয় চৰকাৰে এই বেমাৰ দূৰীকৰণাৰ্থে যৎপৰোনাস্তি চেষ্টা কৰিবলৈ কাম হাতত লৈছে। আজি গোটেই পৃথিৱীতে বৈজ্ঞানিকসকলে এই বেমাৰৰ বীজ সম্পূৰ্ণ নাশ কৰিবলৈ বা আক্ৰান্তবিলাকক চিকিৎসা কৰিবলৈ নানা পৰীক্ষামূলক ঔষধ উলিয়াইছে,—কিন্তু কোনো ঔষধেই সিমান কাৰ্য্যকৰী হোৱা দেখা নাযায়। এন্, এ, বি, (Nara-Arseno-Boulion) য়েই কোনো কোনো ক্ষেত্ৰত কাম দিয়া দেখা যায়। ইয়াৰ বাহিৰেও প্ৰতিষেধক চিৰামৰ দ্বাৰা বেজী দি বিন্দু পৰিমাণে কৃতকাৰ্য্যতা লাভ কৰিব পৰা দেখা গৈছে। কিন্তু আজি বৈজ্ঞানিকসকলে চেষ্টা কৰিছে—কেনেকৈ আৰু কি প্ৰকাৰে এটা নিৰ্দ্দিষ্ট পন্থা উলিয়াব পৰা যায়, যাৰ দ্বাৰা এই বেমাৰৰ বীজ সমূলঞ্চে ধ্বংস কৰিব পাৰি। আজি এই আদৰ্শ আগত ৰাখিয়েই জনপ্ৰিয় অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সাহায্যত এই বেমাৰ নিবাৰণৰ পথ উলিয়াবলৈ এখন নতুন

হাতত লৈ গুৱাহাটীত পশু-চিকিৎসালয় বিভাগৰ লগতে যাবতীয় সকলো কাম আৰম্ভ কৰিছে। যদিও ১৯৪৪ চনতেই এই আঁচনি দাঙি ধৰা হৈছিল তথাপিও উপযুক্ত কৰ্মীৰ অভাৱত ইয়াক আৰম্ভ কৰিব পৰা নাছিল। বৰ্ত্তমানে ১৪জন উপযুক্ত কৰ্ম্মীৰ দ্বাৰা পৰিচালিত এটি সুপৰিকল্পিত আঁচনিৰে অসমৰ চুকে কোণে অজানিতভাৱেই হৈ থকা এই বেমাৰৰ অৱস্থান নিৰ্ণয় কৰি তাৰ দূৰীকৰণৰ বাবে প্ৰাণপণে চেষ্টা কৰিছে। ইয়াৰ প্ৰতিষেধক বেজী তৈয়াৰ কৰিবৰ কাৰণে গুৱাহাটীত থকা অসমৰ একমাত্ৰ পৰীক্ষাগাৰত কাম হাতত লোৱা হৈছে। অনতি পলমে ইয়াক বহলোৱা হ'ব।

যেনেকৈ চৰকাৰ আৰু ৰাইজৰ সহযোগিতা নহলে কোনো কামেই নহয়, ঠিক তেনেকৈয়ে ঔষধ দি অসমৰ চুকে কোণে থকা হাজাৰ বিজাৰ গৰু ম'হক নিশ্চিত মৃত্যু মুখৰপৰা হাত সৰবাব নোৱাৰি। ইয়াৰ উপৰিও অসমৰ দুৰ্গম পৰ্ব্বত পাহাৰ নদী নলা ইত্যাদিৰে ভৰি থকা প্ৰাকৃতিক অৱস্থা আৰু জনজাতি সমূহৰ জন-শিক্ষাৰ (Mass education) অভাৱো এই মহামাৰী বেমাৰ অসমৰ বুকুৰপৰা দূৰীকৰণৰ অন্তৰায় স্বৰূপ।

এই বেমাৰৰ বীজ একমাত্ৰ দূৰ কৰিব পাৰি যদি সকলোবিলাক আক্ৰান্ত হোৱা বা আক্ৰান্ত হোৱা বুলি সন্দেহ হোৱা গৰু, ম'হ, গাই আদি বিলাক মাৰি পেলোৱা যায়। আজি পাশ্চাত্য দেশ সমূহ এই বেমাৰৰপৰা প্ৰায় মুক্ত; কাৰণ তেওঁলোকে এই একমাত্ৰ পন্থাকেই অনুসৰণ কৰিছে। কিন্তু ভাৰতবৰ্ষত গোবধ প্ৰথা নিষেধ। গতিকে এই পন্থা অৱলম্বণ কৰা অসম্ভৱ। এই পন্থা অৱলম্বন কৰিয়েই ১৮৮৮ খৃষ্টাব্দৰ আইন অনুসৰি গ্ৰেটবৃটেনত ৩০,০০০ হাজাৰ, জাৰ্ম্মানীত ১৮৯০ খৃঃ—১৮৯০ খৃঃলৈকে ২১,০১৩ টা আৰু হাঙ্গেৰীত ১৮৯৩ খৃঃৰ আইনমতে ১৯০১ খৃঃলৈকে মুঠ ৫৬,২৩৮ টা গৰু গাই গৃহস্থক উচিত মূল্য দি বধ কৰা হয়। এই দৰেই যদিও আটাই কেইখন দেশৰ পৰাই বেমাৰৰ বীজ দূৰ কৰা হল তথাপিও গ্ৰেটবৃটেনত বিশেষ ফল পোৱা নগল। ইয়াৰ একমাত্ৰ কাৰণ হল যে যদিও এইদৰে হত্যা কৰাৰ পৰা বেচি ভাগ বেমাৰৰ বীজেই নষ্ট হ'ল তথাপিও গৰু গোহালি আৰু দূষিত চৰণীয়া পথাৰ ইত্যাদিৰ সাৱধান নোলোৱাত লাহে লাহে আকৌ বেমাৰে দেখা দিবলৈ ধৰিলে।

—

এতেকে এই ওপৰৰ কথা কেইটালৈ লক্ষ্য ৰাখি আমাৰ ৰাইজৰ বৰ্ত্তমান কৰ্ত্তব্য হব :—(Prophylactic measures).

(১) যি বিলাক বেমাৰী গৰু গাই আছে সিহঁতক আন সুস্থ গৰু গাই থকা গোহালিৰ পৰা দূৰৈত বেলেগ গোহালিত ৰখা।

(২) সুস্থ গৰু গাইক ৰুগীয়া গৰু গাইৰ লগত লগ লাগিবলৈ নিদিয়া।

(৩) খোৱা বোৱা বাচন যেনে—পানী খাবলৈ দিয়া পাত্ৰ, মাৰ দিয়া, দানা দিয়া ইত্যাদি বিলাক ৰুগী আৰু নিৰোগীৰ কাৰণে বেলেগ বেলেগকৈ ব্যৱহাৰ কৰা।

(৪) ৰুগীৰ মল মূত্ৰ আদি দূৰ কৰি বীজাণু নাশক বস্তু যেনে—চূণৰ গুৰা, ফেনাইল আদি মিহলাই পুতি পেলোৱা।

(৫) পৰা পক্ষত ৰোগী আৰু নিৰোগীৰ কাৰণে পৃথককৈ তত্ত্বাৱধানকাৰীৰ নিয়োগ; নোৱাৰিলে ৰোগীৰ ওচৰৰ পৰা আহিলে হাত ভৰি ইত্যাদি বিলাক সাৱধানে ধুই নিৰোগী গৰু গাইক চোৱা চিতা কৰা।

(৬) ৰুগীয়া গৰু গাইক চৰোৱা পথাৰত সুস্থ গৰু গাইক যাব নিদিয়া। সেইদৰে পানী খোৱা পুখুৰী একেটা হলে ৰুগীয়াক তাত নামিব নিদি বেলেগে পানী দিয়াৰ ব্যৱস্থা কৰা।

(৭) ৰুগীয়া গৰু গাই মৰিলে তেতিয়াই তাক আহুতীয়া (আন গৰু গাই যাব নোৱাৰা) ঠাইত দকৈ গাত খান্দি আৰু পৰা পক্ষত চূণৰ গুৰা নতুবা ফিনাইল ইত্যাদি বীজাণু নাশক ঔষধ দি পুতি থোৱা।

(৮) যিখন গাওঁত বেমাৰে দেখা দিয়ে সেই গাওঁৰ গৰু ম'হক ওচৰৰ বেমাৰে দেখা নিদিয়া গাওঁলৈ চৰাবলৈ নিব নিদিয়া।

(৯) যেহেতু এই বেমাৰ অতি সংক্ৰামক গতিকে ওচৰৰ গাওঁত বেমাৰে দেখা দিয়া মাত্ৰকে পশু-চিকিৎসক ডাক্তৰৰ উপদেশ মতে এই বেমাৰৰ প্ৰতিষেধক বেজীৰে (Vaccine) গাওঁৰ গৰু গাইক বেজী দি আগন্তুক বেমাৰৰ পৰা ৰক্ষা কৰা।

এইদৰেই ব্যৱস্থা ললে অদূৰ ভৱিষ্যতে দুখীয়া ৰাইজে এই মাৰাত্মক ৰোগৰ কৰাল গ্ৰাসৰ পৰা আমাৰ কৃষিৰ একমাত্ৰ সম্বল গৰু গাই, বলদ কেইটা ৰক্ষা কৰিব পাৰিব বুলি বিশ্বাস।

—গাৱঁলীয়া পুথিভঁৰাল—

শ্ৰীমাখন চন্দ্ৰ গৈ

গাৱঁলীয়া পুথিভঁৰাল সম্পৰ্কে মাজে সময়ে দুই এটি আলোচনা পঢ়িবলৈ পোৱা যায়। বৰ্ত্তমান "গাৱঁলীয়া পুথিভঁৰাল" নামেৰে মোৰ এই প্ৰবন্ধ-টিতে ইয়াৰ বহল আলোচনা নকৰি উঠি অহা এই অনুষ্ঠানটিক কেনেকৈ জনপ্ৰিয় আৰু ৰক্ষা কৰিব পৰা হয় তাৰ বিষয়েহে অলপ আলোচনা কৰিম।

পুথিভঁৰালৰ উপকাৰিতাৰ বিষয়ে আজি প্ৰত্যে-কেই ভালদৰে বুজি উঠিছে। আমাৰ দেশত এই অনুষ্ঠানটি বৰ্ত্তমান গজালি অৱস্থাতে আছে কিন্তু ভালকৈ আপডাল কৰিলে এই গজালিয়েই যে এজোপা ডাঙৰ গছ হৈ উঠিব তাৰ চিন এতিয়াই দেখা গৈছে। ৰাইজ! এই সুযোগ অৱহেলা নকৰিব।

আমাৰ দেশত মহামানৱ মহাত্মাগান্ধীয়ে কৈ গৈছে যে গাঁৱৰ উন্নতিৰ ওপৰতেই দেশৰ সৰ্ব্বতো প্ৰকাৰ উন্নতি নিৰ্ভৰ কৰে। কিয়নো আমাৰ দেশ-খন হাজাৰ বিজাৰখন গাঁৱৰ সমষ্টি। নগৰত বহুত বিধৰ পুথিভঁৰাল থাকিলেও গাঁৱলীয়া পুথিভঁৰাল বিলাকৰ এটি বেলেগ বৈশিষ্ট আছে যেন লাগে। ইয়াৰ কাৰণ কি?

গাওঁ বুলি কলে আমি নিশ্চয় নগৰক নুবুজো। নগৰৰ পালক আৰু পোষক একপ্ৰকাৰে আমি গাঁৱলীয়া বিলাক হলেও নগৰত বেছি ভাগ শিক্ষিত শ্ৰেণীৰ মানুহেই বাস কৰে। তেওঁলোকে পুথি-ভঁৰালৰ মৰ্য্যদা বুজে। ইচ্ছা কৰিলে তেওঁলোকৰ বহুতে ঘৰতে একোটাকৈ পুথিভঁৰাল পাতি ল'ব পাৰে। নগৰীয়া লোকে চৰকাৰৰ ফালৰ পৰাও পুথিভঁৰালৰ সম্পূৰ্ণ সুবিধা পায় আৰু ইচ্ছা কৰিলে সেই সুবিধা আদায় কৰি লব পাৰে। কবলৈ গলে "পুথিভঁৰাল" নামটোৱেই গাঁৱলীয়া। এই নামটোৱে গাৱঁতহে শোভাও পায়। নগৰত "লাইব্ৰেৰী" বুলিলেহে যেন ভাল লাগে! তাৰ-উপৰি "পুথিভঁৰাল" নামটোত যেন এটা মৰম চেনেহৰ ভাৱ হে সোমাই আছে; ইয়াত যেন প্ৰতিজন গাঁৱলীয়াৰ সহযোগ আছে। ইয়াৰ আন এটা নাম পাঠাগাৰ। "লাইব্ৰেৰী" নামটো বিদেশী। পুস্তকালয় বুলি কলেও পুথিভঁৰালৰ সমান আপোন নহয় যেন লাগে। বাকু যেয়েকি নহওঁক আমি এটা বিশেষ আলোচনাৰ ঘৰলৈ আহোঁ।

গাঁৱলীয়া মানুহবিলাক প্ৰায়েই নিৰক্ষৰ। সিবিলাকৰ কণাৰ লাখুটি আৰু পথ প্ৰদৰ্শক নিজ নিজ সন্তান সন্ততি বিলাক। সেইবিলাকেই নগৰে চহৰে পঢ়ি শুনি, দুটি উপৰঞ্জি কথা শিকি বুজি পুথিভঁৰালৰ চিন্তাৰ প্ৰথম ধাৰাটো গাৱঁৰ মাজত সুমাই দিয়েহি। সেই বীজটিয়েই বৰ্ত্তমান মহা মহীৰুহত পৰিণত হবৰ উপক্ৰম হৈছে। সুখৰ বিষয় চৰকাৰেও তাৰ গুৰিত অলপ সাৰ জাবৰ চপাই দিছে।

আগেয়ে কোৱা হৈছে যে আমাৰ কাৰণে এটা নতুন অনুষ্ঠান। ইয়াৰ সম্পূৰ্ণ মূল্য বুজি উঠিবলৈ এতিয়াও বহুত বাকী আছে। গতিকে

গাওঁত ইয়াৰ স্থান হলেও সকলোৰে সহযোগ ইয়াত দেখা নাযায়। কেইজনমান উদ্যোগী ছাত্ৰ আৰু জনাবুজা কেইজনমান গাঁৱলীয়াৰ বাহিৰে অন্যবিলাকে ইয়াত হাতে কামে ভাগ লবলৈ নিবিচাৰে। ফলত এনে অৱস্থা হৈছে যে যি কেইজন উদ্যোগীৰ যত্নত অনুষ্ঠানটি স্থাপন হৈছিল সেই কেইজনেও আনৰ সহায় আৰু সহানুভূতি নেপাই হতাশ হৈ যব লগা হয় আৰু যি দুই চাৰিখন কিতাপ পত্ৰ সংগ্ৰহ কৰা হয় সিয়ো কাৰোবাৰ ব্যক্তিগত টেবুল বা জপাৰ শোভা বঢ়াই গৈ। চৰকাৰেও যি দুই চাৰিপইচা দি সহায় কৰে সিও বহুত ক্ষেত্ৰত বিশেষ কামত নহা যেন লাগে। অৱশ্যে ই ঠিক যে চৰকাৰৰ বিনা অনুগ্ৰহতেই ইয়াৰ জনম যেতিয়া চৰকাৰৰ দুটা উঁকিত ই ৰক্ষা পাব নোৱাৰে। যি ইয়াৰ জন্মদাতা তেওঁলৈই ইয়াৰ গুৰি ধৰিব লাগিব; তেতিয়াহে ইয়াৰ সৰ্ব্বাঙ্গীণ উন্নতি আশা কৰিব পাৰি।

গাঁৱলীয়া পুথিভঁৰালৰ সাৰ্থকতা গাওঁতেই। ইয়াৰ দ্বাৰা গাওঁৰ ছাত্ৰ-ছাত্ৰী আৰু নিৰক্ষৰ জনসাধাৰণৰেই উন্নতি হব লাগিব। এটি ঘৰ বান্ধি তাৰ ভিতৰত কেইখনমান ফটাছিতা কিতাপ পত্ৰ ৰাখিব পৰাত ইয়াৰ কোনো সাৰ্থকতা নাই। এই কথা অৱশ্যে সকলোৱে বুজে। তথাপিতো ইয়াৰ ৰক্ষাৰ কাৰণে পুনৰ চিন্তা কৰিব লগাত পৰিছে। অৱশ্যে এটা কথা যে আমি ইয়াৰ সদব্যৱহাৰ কৰা নাই অৰ্থাৎ জনপ্ৰিয় কৰি তুলিব পৰা নাই। এই জনপ্ৰিয় কথাষাৰেই আজিৰ ৰচনাৰ ঘাই উদ্দেশ্য আৰু তাৰ উদ্দেশ্যেই তলত কেইটামান ব্যাক্তগত মত দাঙি ধৰিলো। কিন্তু তাকে বেদৰ বাণী বুলি ধৰি লোৱাৰ কোনো সকাম নাই।

১। গাঁৱলীয়া মানুহবিলাক সাধাৰণতে নিৰক্ষৰ। তথাপি সিবিলাকৰ মাজত একতা সহযোগিতা আদি ভাবৰ অভাব নাই। কিন্তু সিবিলাকৰ মাজত এটা ভাব অতি প্ৰবল। সেইটো হৈছে আধ্যাত্মিক ভাব। পূৰ্ব্বৰ ঋষি মুনি সকলে ৰচি যোৱা বিবিধ ছন্দৰ ধৰ্ম্ম গ্ৰন্থবিলাক পঢ়ি বৰ ভাল পায়। তাৰ পৰা এফাঁকি পদ গায়েই সিবিলাকে দিনৰ ভাগৰ মাৰে। গতিকে যেনেকুৱা অৱস্থাৰেই গাঁৱলীয়া পুথিভঁৰাল নহওঁক তাত অন্ততঃ এনে কিছুমান পুথি ৰখা উচিত। এইবিলাকৰ দ্বাৰা সিবিলাকে নিজেও আনন্দ পাব আৰু সমাজৰো বহুত উপকাৰ আহিব।

২। গাঁৱলীয়া মানুহবিলাক নিৰক্ষৰ হোৱাৰ লগে লগে দুখীয়াও। আৰ্থিক চিন্তাই তেওঁলোকক জুৰুলা কৰিছে। লোণ তেলৰ চিন্তায়েই বহুতৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য হৈ পৰিছে। তেনেস্থলত সিবিলাকে নিজৰ লৰা ছোৱালীক কিতাপে পত্ৰে টকাই শিকাই সকলো যোগাৰ দি স্কুলত পঢ়োৱাটো অসম্ভৱ হৈ পৰিছে। সেই হেতুকে প্ৰতি পুথিভঁৰালতে এনে কিছুমান পাঠ্য পুস্তক ৰখা উচিত যিবিলাকৰ দ্বাৰা কণমান পোনাইঁতৰ উপকাৰ হোৱাৰ বাহিৰেও গাঁৱলীয়া জনসাধাৰণৰ সহযোগিতা পুৰ্ণভাৱে আদায় কৰিব পৰা হব।

৩। প্ৰতি পুথিভঁৰালতে অন্ততঃ এখন দৈনিক বাতৰি কাকতৰ অতি আৱশ্যক। ই অকলেই সময়ত হেজাৰখন কিতাপৰ কাম কৰে। ইয়াৰ দ্বাৰা পুথিভঁৰালত কেতিয়াও কোনোসময়তে দুই এজন ভদ্ৰলোকৰ অভাৱ নঘটিব। পুথিভঁৰালৰ দৈনিক দুৱাৰ খুলিবলৈ দুই এজন মানুহ নহলে নহয়। বাতৰি কাকতে সেইটো অভাৱ দূৰ কৰে।

৪ মনোবৈজ্ঞানিক সকলে কয় যে খেল ধেমালিৰ জৰীয়তে শিক্ষা সহজতে দিব পৰা হয়। সেই কাৰণে গাঁৱৰ খেলধেমালিৰ ব্যৱস্থা পুথিভঁৰালৰ জৰীয়তেই কৰা ভাল। সম্ভৱ হলে দুই এটা বিশেষ খেল যেনে কেৰমবোৰ্ড, বেড্মিণ্টণ আদি পুথিভঁৰালৰ নিজস্ব হোৱা ভাল।

টকা পয়চাৰ ব্যৱস্থা কৰা বৰ সহজ কথা নহয়। তথাপিও গাঁৱলীয়া সমাজৰ যদি পুথিভঁৰালৰ প্ৰতি সুদৃষ্টি আকৰ্ষণ কৰিব পৰা হয় তেন্তে সেই সমস্যা বহুত দূৰ সমাধান হব। টকা শিকা সংগ্ৰহৰ সম্পৰ্কে বহুত উপায় অৱলম্বন কৰিব পৰা হলেও বিশেষ এটা কথালৈ আঙুলিয়াব খোজো। পইচা দিবলৈ গাঁৱলীয়া মানুহে খুব টান পায়। কিন্তু গাঁৱলীয়া লোকে বস্তুৰ ওপৰত বৰ মোহ নকৰে। সেই কাৰণে অন্য নহলেও বছৰে বছৰে ছেগ বুজি নতুন ধান মাহ চপোৱাৰ লগে লগে প্ৰতি ঘৰৰ পৰা ধান চাউল যি হয় সংগ্ৰহ কৰিব পাৰি। ইয়াৰ দ্বাৰা যেনে গাওঁ খনেই নহওক এটা পুথিভঁৰালৰ বেছি নহলেও অন্ততঃ এবছৰৰ কোনোমতে খৰচ উলিয়াব পাৰি। বহুত ঠাইত এই উপায় হয়তো লৈছে। নোলোৱা ঠাইবিলাকতো ললে বেয়া নহয়। পুথিভঁৰালৰ সম্পৰ্কে এই খিনিকে কৈ সামৰণি মাৰিলোঁ।

নতুনকৈ লেখা পঢ়া শিকা সকলৰ উপযোগী পুথি কেনেকৈ লেখিব লাগে সেইবিষয়ে শিক্ষা দিবলৈ ভাৰত চৰকাৰে আলিপুৰ (দিল্লীৰ ওচৰত) আৰু মহীশূৰত ফৰ্ড ফাউণ্ডেচনৰ সহায়ত দুটা প্ৰশিক্ষণ খুলিছে।

গোলাঘাট ইউনিয়ন পুথিভঁৰালৰ অৰ্দ্ধ সপ্তাহ পালন

সংবাদদাতা—শ্ৰীঅপূৰ্ব্ব বৰুৱা

গোলাঘাট ইউনিয়ন পুথিভৰাল কাৰ্য্যকৰী সমিতিৰ সিদ্ধান্ত মতে যোৱা ১,২,৩,৪ নবেম্বৰত কৃতকাৰ্য্যতাৰ সৈতে পুথিভঁৰালটোৰ অৰ্দ্ধসপ্তাহ পালন কৰা হয়। ১ নবেম্বৰৰ দিনা পুৱা ৬ বজাত ইউনিয়ন পুথিভঁৰাল প্ৰাঙ্গনত আড়ম্বৰপূৰ্ণভাৱে ৺আনন্দ ৰাম ঢেকীয়াল ফুকনৰ জাতীয় উন্নতিৰ বাণী গোলাঘাট স্কুলবোৰ্ডৰ সভাপতি ডাঃ প্ৰমোদাভিৰাম দাসে উন্মোচন কৰে। বাণী উন্মোচন উৎসৱত গীতাৰ্থী সমাজৰ ছাত্ৰসকলৰ গীতাস্তৱ, পুথিভঁৰালৰ সভ্যসকলৰ সমস্বৰ গীত আৰু গায়নে সৌষ্ঠৱ বৃদ্ধি কৰিছিল। পুথিভৰালৰ সভাপতি অধ্যাপক বেদব্ৰত বৰুৱাই পুথিভৰালটিৰ ২৩ বছৰীয়া ঐতিহ্য সোঁৱৰণ কৰি, প্ৰথম প্ৰতিষ্ঠাতা আৰু আজিলৈকে চলাই নিওঁতা সকলক স্মৰণ কৰি কৃতজ্ঞতা জনোৱাৰ পিচত উন্মোচকে ছাত্ৰসকলে উৎসাহ উদ্দীপনাৰ মাজেদি আজিলৈকে ২৩ বছৰ কাল পুথিভঁৰালটো চলাই অহাত ধন্যবাদ জনায় আৰু ঢেকীয়াল ফুকনৰ যি বাণী উন্মোচন কৰিলে তাৰ আদৰ্শ পালন কৰিবলৈ আহ্বান জনায়।

উক্ত চাৰি দিনৰ ভিতৰত পুথিভঁৰালৰ কৰ্ম্মী সকলে ৭০৲ টকা তুলি পুথিভঁৰাল পুজিলৈ দান, ৩০০ বো ওপৰ কিতাপ আৰু ৫০ বো ওপৰ আলোচনী সংগ্ৰহ কৰে। এই কেইদিনৰ ভিতৰত আগৰ ৫০ জনৰ ঠাইত নতুনকৈ ৩৫০ জনবো অধিক পুথিভঁৰালৰ সভ্য ভৰ্ত্তি কৰা হয়। ইউনিয়ন পুথিভঁৰালৰ বুৰঞ্জীত ছাত্ৰ আৰু বাহিৰৰ পৰা এনে ধৰণে ব্যাপক ভাৱে পঢ়ুৱৈ বৃদ্ধি হোৱা আৰু সভ্য ভৰ্ত্তি হোৱা এয়ে প্ৰথম বুলি জানিব পৰা গৈছে।

আটাই কেইদিন পুথি ভঁৰালৰ কৰ্ম্মীসকলৰ দ্বাৰা পুথিভঁৰালৰ দ্বাৰা উপকাৰিতা, আৱশ্যকতা জাতীয় শিক্ষাৰ প্ৰচাৰ, পঢ়ুৱৈ সমাজ বঢ়োৱাৰ আৱশ্যকতা আৰু বিভিন্ন মনীষী সকলৰ বাণীৰে লিখিত প'ষ্টাৰেৰে গোটেই পুথিভঁৰালটি সুসজ্জিত কৰি ৰখা হৈছিল। এই কেউদিনৰ কামত স্কুল বোৰ্ড, জিলা লাইব্ৰেৰী সঙ্ঘ, স্থানীয় হাইস্কুল সমূহ, কলেজ, স্থানীয় শিক্ষাবিভাগৰ ডেপুটি ইনচপেক্টৰ আৰু সকলো ৰাইজৰ অনুষ্ঠানে সম্পূৰ্ণ সহযোগিতা কৰা দেখা গৈছিল।

৪ নবেম্বৰৰ দিনা আবেলি এমেচাৰ হলত ইউনিয়ন পুথি ভঁৰালৰ এই আন্দোলনৰ সমাপ্তি উপলক্ষে এখনি ৰাইজৰ সভা অধ্যাপক কমলেশ্বৰ বৰাদেৱৰ সভাপতিত্বত বহে। সভাত পুথিভৰালৰ সম্পাদক শ্ৰীঅপূৰ্ব্ব বৰুৱাই পুথিভঁৰালটিৰ অগ্ৰগতি আৰু বৰ্ত্তমান অৱস্থাৰ বিষয়ে এটি বিৱৰণী পাঠ কৰি নতুনকৈ ভৰ্ত্তি হোৱা সভ্য সকলক নতুন উৎসাহেৰে পুথিভঁৰালটিক উন্নতিৰ বাটলৈ আগবঢ়াই নিবলৈ আহ্বান জনায়। সভাত জিলা পুথি ভঁৰাল সঙ্ঘৰ সহকাৰী সভাপতি শ্ৰীযুত যদুনাথ শইকীয়া, বেদব্ৰত বৰুৱা, মৃদুপৱন গোস্বামী ইন্দ্ৰ দাস সৰ্ব্বানন্দ মজুমদাৰ, সদা দত্ত, জ্যোতিৰ শৰ্ম্মা, প্ৰমোদৰঞ্জন বৰুৱা আদিয়ে একোষাৰ কয়। সভাপতিয়ে তেখেতৰ বক্তৃতাত বিশ্বৰ পুথি ভঁৰালৰ ইতিহাসৰ লগত তুলনা কৰি আজিৰ পুথি ভৰাল আন্দোলনৰ অগ্ৰগতি সম্পৰ্কে বিশদ ব্যাখ্যা কৰি পুথিভৰাল আন্দোলনৰ কৃতকাৰ্য্যতা কামনা কৰে। জাতীয় সঙ্গীতেৰে সভাৰ কাম শেষ কৰা হয়।

শিল্প-বাণিজ্য।

দেশবাসীৰ অৰ্থ নৈতিক জীৱনৰ উন্নয়নৰ অৰ্থে শিল্প-বাণিজ্যৰ দিহা দিয়াটোও সামাজিক শিক্ষাৰ কৰ্ত্তব্যৰ ভিতৰত পৰে। এইবিলাক বিষয়ৰ প্ৰবন্ধ আমি বিচাৰোঁ। সম্প্ৰতি আমি ইয়াত এটা শিল্পৰ সংবাদ আৰু সেই সম্পৰ্কে অলপ তথ্য দিলোঁ। কোনো লোকে ইচ্ছা কৰিলে ইয়াত উল্লেখ কৰা শিল্পীজনৰ সৈতে পৰামৰ্শ কৰি এই ব্যৱসায়টো কৰিবলৈ আগবাঢ়িব পাৰে।

শিল্পীজনে মাটিৰ কাম জানে। এইটো তেওঁৰ পৈতৃক ব্যৱসায়। কিন্তু তেওঁ আমাৰ আন আন গাঁৱলীয়া কুমাৰৰ দৰে অকল মাটিৰ কলহ, চাকি, মলা আদি কৰিয়েই ক্ষান্ত নেথাকি এনে ধৰণৰ কিছুমান সজুলি কৰিবলৈ শিকিছে যিবিলাকক আধুনিক সভ্যতাৰ উপযোগী আহিলা স্বৰূপেও ব্যৱহাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে—তেওঁ মাটিৰে পানী যোৱা নলা সাজিব পাৰে আৰু গাঁৱলীয়া ৰাস্তাৰ 'কালভাৰ্ট'ৰ (পানীৰ ওপৰৰ ধেনুভিৰীয়া সাকোঁ) তলত ব্যৱহাৰ কৰিব পৰা মাটিৰ খোল সাজিব পাৰে।

কিন্তু বৰ্ত্তমান পৰিস্থিতিত তেওঁ প্ৰস্তুত কৰিব পৰা মাটিৰ বস্তুবিলাকৰ ভিতৰত আটাইতকৈ আৱশ্যকীয় বস্তু হৈছে—ঘৰৰ ওপৰত দিয়া মাটিৰ খাপৰি। এই খাপৰি ঘৰৰ ওপৰত টিন, খেৰ বা এছবেষ্টাচৰ পৰিবৰ্ত্তে ব্যৱহাৰ কৰিব পাৰি। বৰ্ত্তমান টিনৰ দুষ্প্ৰাপ্যতা আৰু দুৰ্মূল্যতাৰ দিনত এই বস্তুটোৱে ঘৰসজা মানুহৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিব। শিল্পীজনৰ মতে এই বস্তুটো টিনতকৈ সস্তা পৰে। আগেয়ে বহুত ঠাইত খাপৰিৰে চোৱা ঘৰ বহুত আছিল।

খাপৰি যন্ত্ৰৰ সহায়েৰেও কৰিব পাৰি আৰু হাতেৰেও সাজিব পাৰি। শিল্পীজনৰ মতে হাতেৰে সজা খাপৰি কলৰ খাপৰিতকৈ বেছি ভাল হয় আৰু দিনটোত বেছি পৰিমাণে তৈয়াৰ কৰিব পাৰি।

কুৱা ব্যৱহাৰ কৰা মানুহৰ পক্ষে মাটিৰ পাট বিশেষ আৱশ্যক। কেঁচা কুৱাত মাটিৰ পাট দিলে মাটি নখহে আৰু পানীও ভাল হৈ থাকে। শিল্পীজনে মাটিৰ পাটো সাজিব পাৰে। তেওঁলোকে বংশানুক্ৰমে বৰপেটা অঞ্চলত এই ব্যৱসায়টো কৰি আহিছে।

শিল্পীজনৰ মূলধন নাই। মূলধন আৰু খাপৰি কৰাৰ উপযোগী মাটি থকা মানুহে এই ব্যৱসায় কৰিবলৈ আগবাঢ়িলে শিল্পীজনে তাত যোগ দিবলৈ প্ৰস্তুত আছে।

সামৰণিত আমি আৰু এটা সংবাদ দিব খোজোঁ। যোৱা সংখ্যা 'জনশিক্ষা'ত আমি শ্ৰীবিশ্বেশ্বৰ চেতিয়া নামে শিৱসাগৰৰ এজন লৰাৰ চিঠি এখন প্ৰকাশ কৰিছিলোঁ। তেওঁ নিজ হাতেৰে কৰা এটা কাঠৰ সুন্দৰ সৰু বাকচ আমালৈ পঠিয়াইছে। বাকচটোত শিল্পীৰ পাৰদৰ্শিতা ফুটি উঠিছে। তেওঁ কৈছে গাঁৱত এই ধৰণৰ শিল্পেৰে মানুহে পোহপাল যাব নোৱাৰে। অসমীয়া ডেকা এজনৰ শিল্প-প্ৰতিভা যাতে চৰ্চ্চাৰ অভাৱত নষ্ট হৈ নেযায় সেই অৰ্থে এইবিষয়ত বাপ থকা লোকসকলে শিল্পীজনক আৱশ্যকীয় দিহা পৰামৰ্শ দি সহায় কৰিব বুলি আমি আশা কৰিলোঁ। শিল্পীজনে ভৱিৰ বেমাৰৰ কাৰণে আন একো টান কাম কৰিব নোৱাৰে। —সম্পাদক—

বিহুৰ হেপাহ

শ্ৰীমহেন্দ্ৰ মোহন শৰ্ম্মা

"তামোল এখন খাওঁদে ককাই, সময় বহুত আছে।
বিহুটোনো বাক কিদৰে পাতিলা, কোৱাছো কথাটো পাছে।"
"কি কবি মনাই, বিহুৰ কথাটো কবলই লাগে দুখ।
উছৱ পাতিয়ে সময় কটালে নভবে নহয় সুখ।
দিনে ৰাতিয়ে বৰষুণ মাৰিছে, আহু খেতিখন গল,
তেনেই গুচিল বাও ধানৰ খেতি, উপায় নোহোৱা হল।
তথপি বোপাই জাতিৰ উছৱ নাপাতি লাগেনে ভাল ?
গৰু ছাগলীক লাও বেঙেনাৰে দিলো মালা একোডাল।
যি পাৰে বুঢ়ীয়ে চিৰা পিঠা কৰিলে, ঘৰতে আছিল দৈ।
নিজৰ ঘৰতে কল কুঁহিয়াৰ, খোৱা হল এনেকই।
পকি ফাটিছিল বাঙি দুটামান, তিয়হো বাৰীৰে পন,
দুখীয়াৰ বিহু এনেকৈয়ে যায়, বেয়া কৰিলৈ নকৰোঁ মন।
চকুৰে নমনে তথাপি বুঢ়ীয়ে বিহুৱান দুখনি বলে;
সাত শাক বিচাৰি যাবলৈ নাপাই মনৰ দুখতে গুলে।
বুঢ়া হলোঁ আহি এনেটো বতৰ মনতে নপৰে কাই,
দেৱতাৰ লগত কোনো কি কৰিব ? একোতে উপাই নাই।
চাকি ধূপ জলাই গোঁসাই ঘৰত কীৰ্ত্তন খনকে ললোঁ।
বুঢ়ীয়ো আহিল, কাষতে বহিল, যিজানো বুজাই কলোঁ।
ৰাতি ৰাতি যে স্কুললৈ গৈছিলোঁ কামত লাগিছে আজি,
বুঢ়ীৰো এতিয়া পঢ়িবৰ মন, বাট চাই আছে সাজি।
তইয়ে যা বোপাই বৌৱেৰাক লই মইয়ে ৰান্ধিম ভাত,
মাৰে যেতিয়া হেপাহ কৰিছে নজন্মাও বাধা তাত।"

———

[বনগীত]

শ্ৰীদুৰ্গা প্ৰসাদ নেওগ

দিচাঙৰ পাৰতে বহি মোৰ চেনায়ে
ৰূপালী ঢোকে লিখে।
সিপাৰৰ ফুলনিত পখিলী ৰঙিলী
মনগৈ কৰবাত উৰে ॥
ধাননি পথাৰত দায়নী চেনায়ে
মৰমৰ মাণিক ৰোটলে ;
হাততে কাচিখনি ৰাংঢালি চেনাইজনী
হিয়াত সোণৰ সপোন ভাঁহে

দুপৰৰ ৰদতে, ৰাঙলী ৰূপহী
চেনাইৰে দুখনি গাল ;
ঘামৰে তিতিলে লৰমু দেহাটি
চকুৰে চাৰলৈ ভাল।
সিপাৰে কৰবাত
বাঁহীৰ মাত শুনিলে
চেনাইৰ মন কেনেবা কৰে ;
চেনাই দুমলীয়া, অতি কুমলীয়া
খিতাতে মন প্ৰাণ হৰে।

GAUHATI

কাগজৰ কথা

শ্ৰীমাণিক চন্দ্ৰ শৰ্ম্মা

বৰ্ত্তমান যুগত লিখাৰ প্ৰধান উপকৰণ স্বৰূপে য কাগজ আমি ব্যৱহাৰ কৰিছোঁহক, পুৰণি কালত সই কাগজৰ প্ৰচলন নাছিল। তেতিয়াৰ দিনত ানুহে কাগজৰ অভাৱত গছৰ পাত, আৰু গছৰ াকলি আদি লিখাৰ কামত ব্যৱহাৰ কৰিছিল। াজিও তাল পাতত লিখা চণ্ডী আৰু গীতা মতি পৱিত্ৰ গ্ৰন্থ বুলি ব্ৰাহ্মণ পণ্ডিত সকলে ব্যৱহাৰ কৰে। তাহানিখন শকুন্তলায়ো তেওঁৰ স্বামী দুষ্মন্তলৈ মনৰ ভাৱ জনাই পদুম পাতত পত্ৰ লিখি পঠোৱাৰ কথাও আমি জানো।

ঋষি সকলে বৰ, আঁহত, কল প্ৰভৃতি নানা বিধ গছৰ পাত আৰু ধাকলি লিখাৰ সমল হিচাবে ব্যৱহাৰ কৰিছিল।

বুৰঞ্জী পঢ়িলে আমি জানিব পাৰোঁ, আগৰ কালত জ্ঞানীলোকসকলে শিলত কাটি কাটি উপদেশৰ বাণীবিলাক লিপিবদ্ধ কৰি ৰাখিছিল। তেনে শিলালিপি আজিও পোৱা যায়।

গছৰ পাত বা শিলৰ গাত লিখি মনৰ ভাৱ প্ৰচাৰ কৰা বৰ কষ্ট-সাধ্য আছিল। এখন দেশৰ নীতি বা উপদেশ অথবা প্ৰয়োজনীয় বাতৰি অন্য দেশত প্ৰচাৰ কৰাটো তেতিয়াৰ কালত বৰ অসুবিধাজনক আছিল।

মানুহৰ জ্ঞান বৃদ্ধিৰ লগে লগে কাগজ নিৰ্ম্মাণৰ প্ৰণালী আৱিষ্কাৰ হল। কাগজৰ সহায়ত বহুবিধ পুথি, সংবাদ পত্ৰ, চিঠি, দলিল পত্ৰ ইত্যাদি লিখা হৈছে, আৰু এইবিলাক সমাজত প্ৰচাৰ হৈ জনসাধাৰণৰ মঙ্গল-সাধন হৈছে।

কাগজৰ উপাদান:—সভ্য জগতত নিতৌ আৱশ্যকীয় কাগজৰ উপকৰণবিলাক অতি ক্ষুদ্ৰ ক্ষুদ্ৰ বস্তু। খেৰ, ফটাকানি, লতা-পাত, তৃণ জাতীয় উদ্ভিদ আৰু বাঁহ আদিয়েই কাগজৰ ঘাই উপাদান। সামান্য বস্তুৰপৰাই প্ৰয়োজনীয় দ্ৰব্য তৈয়াৰ কৰাত মানুহৰ বিচক্ষণতা আৰু চিন্তাশীলতাৰ পৰিচয় পোৱা যায়।

পণ্ডিতসকলে অনুমান কৰে যে, চীন দেশতেই প্ৰথমে কাগজ ওলায়। চীনৰ সভ্যতা জগত বিখ্যাত। চীন দেশৰপৰাই কাগজ প্ৰস্তুত প্ৰণালী শিকি সভ্য জগতে নিজ নিজ বুদ্ধি কৌশলৰ দ্বাৰা তাৰ উৎকৰ্ষ সাধন কৰে।

ইউৰোপীয়সকলে এই দেশলৈ অহাৰ লগে লগেই ইউৰোপৰ পৰা বিস্তৰ কাগজ আমদানী হবলৈ ধৰিলে। শ্ৰীৰামপুৰৰ কাগজৰ কল—তেওঁলোকৰ দ্বাৰাই প্ৰতিষ্ঠিত। শ্ৰীৰামপুৰী কাগজৰ এতিয়াও বিশেষত্ব আছে। বঙ্গদেশত শ্ৰীৰামপুৰ, টিটা-গড়, আৰু ৰাণীগঞ্জত কাগজৰ কল আছে আৰু এইবিলাক ঠাইৰপৰা প্ৰচুৰ পৰিমাণে কাগজ আন ঠাইলৈ যায়।

কাছাৰ আৰু অসম অঞ্চলৰপৰা প্ৰচুৰ পৰিমাণে ৰেল-গাড়ীৰ যোগেদি টিটাগড়লৈ বাঁহ ৰপ্তানি হয়। সেই বাঁহ কাগজৰ উপাদান স্বৰূপে ব্যৱহাৰ হয়। এইবিলাক কলত ভালদৰে ভাঙি-মুচৰি তাৰ দ্বাৰা 'মণ্ড' তৈয়াৰ কৰা হয়। অলপ গৰম পানীত এই

মণ্ড মিহলাই তাৰ মাজত এখন লোচাৰ বা বাঁহৰ চেকনি অলপ সময় ডুবাই ৰখা হয়। কিছুসময়ৰ পাচত তাক তুলি আনিলে দেখা যায় এবিধ পাতল বস্তুয়ে তাৰ ফাঁকবিলাক ঢাকি পেলাইছে। বতাহত তাৰ জলীয় ভাগ গোটমাৰি গলেই পাতল সৰব নিচিনা একপ্ৰকাৰ বস্তু গোটখাই থকা দেখা যায়। সতর্কতাৰে সেই পাতল বস্তুখিনি শুকান পালিচ কাঠৰ ওপৰত ওভোতাই ৰাখিব লাগে। তাৰ পাচত ৰদত শুকুৱাই একেলগে বহুতখিনি কোনো গধুৰ বস্তুৰ দ্বাৰা চেপা দিলেই উপৰি ভাগ সমতল হৈ পৰে। তাৰ পাচত আলু বা ভাতৰ মাৰ দি অলপ ডাঠ কৰা হয়। শেষত মোহাৰি ঘঁহি মিহি কৰিলেই কাগজ প্ৰস্তুত হৈ পৰে। ই অৱশ্যে হাতেৰে প্ৰস্তুত প্ৰণালীহে। যন্ত্ৰতো এই প্ৰণালীৰেই প্ৰস্তুত হয়, কিন্তু ইয়াতকৈ কম পৰিশ্ৰমেৰে হয় আৰু কাগজো বেছি ভাল হয়।

কাগজৰ কাৰণে তৈয়াৰ কৰা 'মণ্ড'ৰ লগত কোনো ৰং মিহলালেই—সেই ৰঙৰ কাগজ প্ৰস্তুত হৈ পৰিব। চোদা, ব্লিচিং পাউদাৰ প্ৰভৃতি মিহলালে কাগজ বগা ৰঙৰ হয়। পূৰ্ব্বতে, ঢাকা, বৰ্দ্ধমান, আৰু মালদহ আদি ঠাইত হাতেৰে নিৰ্ম্মিত কাগজ পোৱা গৈছিল। আজি কালি যন্ত্ৰৰ সৃষ্টি হোৱাত হাতেৰে তৈয়াৰ কৰা কাগজ প্ৰায় পোৱা নাযায় বুলিলেও হয়। কিন্তু বিক্ৰমপুৰৰ অন্তৰ্গত আইড়ল আৰু তাৰ আশে পাশে থকা গাওঁ কিছুমানত হাতেৰে নিৰ্ম্মিত কাগজ আজি কালিও প্ৰস্তুত হয়। আমাৰ অসমৰ গাঁৱলীয়া সমাজতো সেই ধৰণৰ সাঁচি পাতৰ পুথি আদি এতিয়াও বৰ আদৰৰ হৈ আছে।

আমেৰিকা, ইংলণ্ড, জাৰ্ম্মানী, ফ্ৰান্স, জাপান আদি দেশত প্ৰচুৰ পৰিমাণে কাগজ প্ৰস্তুত হৈ দেশে দেশে ৰপ্তানি হব ধৰিছে।

সূক্ষ্ম ভাৱে চিন্তা কৰিলে দেখা যায়—সামান্য উপাদানেৰে তৈয়াৰ হলেও প্ৰয়োজনীয়তা আৰু গুৰুত্ব হিচাবে কাগজ অতুলনীয়। সভ্য জগতত কোনো কামেই কাগজ নোহোৱাকৈ সমাধা নহয়। বিভিন্ন দেশৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ গলে, নিজৰ সাহিত্য, দৰ্শন, বিজ্ঞান জগতত প্ৰচাৰ কৰিবলৈ গলে আমাৰ কাগজৰ সহায়তাৰ বাহিৰে আন উপায় নাই! ৰজা-মহাৰজাকে আদি কৰি কুটিৰ-বাসী দীনদৰিদ্ৰৰো কাগজৰ প্ৰয়োজন।

আমাৰ অসম দেশে এতিয়াও এই প্ৰয়োজনীয় বস্তুটোৰ অভাৱ মোচন কৰিব পৰা নাই। অন্যান্য দেশতকৈ আমাৰ অসমত এতিয়াও কাগজৰ মূল্য কমা নাই—বা কাগজ বেচি পৰিমাণে পোৱা নাযায়;—ইয়াৰ মূলতে আমি কাগজৰ কাৰণে আনৰ মুখলৈ চাই থাকিব।

বহুত লিখকে এতিয়াও হাতেৰে নানা বহুমূলীয়া গ্ৰন্থ লিখি ঘৰতে ভেকুৱাইছে—কাগজৰ অভাৱত সি পোহৰলৈ আহিব পৰা নাই। যি কাগজ পোৱা যায় তাৰ চৰা দাম শুনি ওচৰ চাপিবলৈ সাহ নকৰে। আমাৰ স্বাধীন অসম মাতৃৰ এই কাগজৰ অভাৱটি পূৰণ হলেই—দেশৰ চুক-কোণৰ পৰা নানা সাহিত্য, বিজ্ঞান আদিৰ প্ৰচাৰ হব। পুথিৰে সাহিত্যৰ ভাণ্ডাৰ উপচি পৰিব।

—•:×:•—

শৰ্ম্মিষ্ঠাৰ দাসীবৃত্তি

প্ৰণীতা দেৱী

গুৰু শুক্ৰ আছিল দৈত্যকুলৰ গুৰুদেৱ। তেওঁক দৈত্যবিলাকে বৰ ভক্তি কৰিছিল। এই গুৰুদেৱৰেই একমাত্ৰ কন্যা আছিল ৰূপহী দেৱযানী।

দেৱযানীয়ে লগৰ সখীসকলক লৈ নিতৌ এখন সৰোবৰত স্নান কৰিবলৈ আহিছিল। সেই দিনাও সেই সৰোবৰলৈ দেৱযানী দলে বলে আহি নিজ নিজ কাপোৰ কানি সৰোবৰৰ পাৰতে থৈ গা ধুবলৈ নামিল। সেই একেসময়তে সেইদিনা দৈত্যৰাজৰ কন্যা শৰ্ম্মিষ্ঠাও সৰোবৰত নামিল। এনেতে বৰ বেগেৰে পছোৱা আহিল আৰু বতাহৰ কোবত সিচৰতি হৈ পৰি থকা বস্ত্ৰবিলাক সান-মিহলি হৈ গ'ল। গা ধুই উঠি গাভৰু সকলে যেয়ে যি বস্ত্ৰ পালে তাকে পিন্ধিলে। শৰ্ম্মিষ্ঠাইও নিজৰ অজ্ঞাতসাৰে পিন্ধিলে দেৱযানীৰ বস্ত্ৰ।

কিন্তু দেৱযানী আছিল অহঙ্কাৰী। তেওঁৰ কাপোৰ পিন্ধা কাৰণে শৰ্ম্মিষ্ঠাক কৈফিয়ৎ খুজি ক'লে শৰ্ম্মিষ্ঠা, তুমি মোৰ শিষ্যা হৈ কোন সাহসত মোৰ বস্ত্ৰ পৰিধান কৰিলা? তোমাৰ অমঙ্গল হব।"

শৰ্ম্মিষ্ঠাইও অলপ অভিমানৰ সুৰেৰেই ক'লে "কোৱা দেৱযানি, তোমাৰ পিতাৰে নিতৌ মোৰ পিতাৰ স্তৱ কৰে। তুমি তেওঁৰে কন্যা আৰু সকলোৱে যাক আৰাধনা কৰে তেওঁৰ মই কন্যা। তুমি মোক যিমান হিংসা নকৰা কিয় মই তোমাক মোৰ সমান বুলি নাভাবোঁ।" এনেকুৱা উত্তৰ শুনি দেৱযানীৰ বৰ খং উঠিল। তেওঁ বলেৰে শৰ্ম্মিষ্ঠাই পিন্ধি থকা কাপোৰখন টানি খহাবলৈ যত্ন কৰিলে।

দৈত্যকন্যা শৰ্ম্মিষ্ঠাই দেৱযানীৰ অভদ্ৰামি সহ্য কৰিব নোৱাৰি টানি নি ওচৰৰে এটা কুৱাত পেলাই দি গুচি গ'ল। বেচেৰীয়ে ভাবি নাচালে ইয়াৰ পৰিণামৰ কথা।

দেৱযানীৰ ভাগ্যত মৃত্যু নাছিল। সেই সময়ৰ এজন বিখ্যাত ৰজা যযাতিয়ে চিকাৰলৈ বুলি সেই সৰোবৰৰ ফালে আহিছিল। বৰ পিয়াহ লগাত পানী খাবলৈ ৰজা কুৱাটোৰ ওচৰলৈ আহিল। কুৱাৰ তলত ককবকাই থকা অপৰূপ ৰূপৱতী দেৱযানীক দেখি ৰজাই বিচূৰ্ত্তি হৈ তেওঁৰ পৰিচয় সুধিলে।

দেৱযানীয়ে নিজৰ পৰিচয় দি তেওঁক এই বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ খাটিলে।

ৰজাই দেৱযানীক কুৱাৰ পৰা তুলিলে। আৰু কিছু পৰ কথাপাতি সবিনয়ে বিদায় ল'লে।

দেৱযানীয়ে যথাসময়ত পিতাকক সকলো কথা বিবৰি ক'লে। পিতাকৰ দুখ লাগিল। দৈত্যসঙ্গ ত্যাগ কৰি তেওঁ উদ্দেশ্যহীন স্থানলৈ যাবলৈ মন মেলিলে। এই ব্যৱস্থাত দৈত্য ৰাজ্যত হাহাকাৰ লাগিল। দেৱতাৰ নিগ্ৰহৰ পৰা তেওঁলোকে একমাত্ৰ

শুক্ৰগুৰুৰ মন্ত্ৰ প্ৰভাৱত বৰ্ত্তি আছে। শুকদেৱ গ'লে যে দৈত্যকুল নাশ পাব।

অসুৰ ৰাজ বৃষপৰ্ব্বই শুকদেৱক এই ঠাই.এৰি নেযাবলৈ কাকুতি মিনতি কৰিবলৈ ধৰিলে। শুক-দেৱে অৱশেষত তং নেপাই দৈত্যৰাজক ক'লে "দৈত্যৰাজ, তোমালোকে মোৰ জীৱন স্বৰূপ দেৱ-যানীক সান্ত্বনা কৰা।"

দৈত্যৰাজে দেৱযানীক অশেষ অনুনয় বিনয় কৰিলে—আৰু দেৱতাৰো দুৰ্ল্লভ বস্তু এটা দিবলৈ আগবাঢ়িলে। দেৱযানীয়ে ক'লে শৰ্ম্মিষ্ঠাই দুই সহস্ৰ অসুৰ কন্যা লৈ মোৰ দাসীত্ব আজীৱনলৈ গ্ৰহণ কৰিব লাগিব।"

দৈত্যকুলৰ বিপদ দেখি শৰ্ম্মিষ্ঠা এই চুক্তিত মান্তি হ'ল। কিন্তু দেৱযানীয়ে তেওঁক আকৌ এবাৰ এই বিষয়ে সোঁৱৰাই দি ক'লে "ভাবিচোৱা—তুমি ৰাজ নন্দিনী। কেনেকৈ দাসীবৃত্তি গ্ৰহণ কৰিবা কেনেকৈ এই পৰাধীনতা বৰণ কৰিবা।"

শৰ্ম্মিষ্ঠাই দৃঢ়ভাৱে ক'লে "জাতিকুলৰ বিপদ ঘটিলে যিকোনো উপায়ৰ দ্বাৰা হওক তাৰ প্ৰতিকাৰৰ চেষ্টা কৰা কৰ্ত্তব্য। সেই কাৰণেই মই আজিৰ পৰা তোমাৰ দাসীবৃত্তি গ্ৰহণ কৰিলোঁ।"

দেৱযানী শান্ত হল আৰু শৰ্ম্মিষ্ঠাৰ জাতি-কুলৰ প্ৰতি চেনেহ দেখি বৰ আচৰিত হ'ল।

—•:)(:•—

GAUHATI

বুঢ়া শালিকায়ো মাত কাঢ়ে

শ্ৰীলীলা গগৈ।

"ক খ গ ঘ ঙ টি নোবোলা কিয় ?
চ ছ জ ঝ ঞ টি নোবোলা কিয় ?
উত্তৰে কলীয়া জৰা,
দক্ষিণে কলীয়া জৰা,
আমি ভেকা লৰা।"

এই লোকগীতি ফাঁকিৰ আচল কথাটো আটাইয়েই বুজিছে। কখ, মানে আখৰ কেইটা শিকি দুটা কথা পঢ়িব পাৰিলে কাৰনো মন ভাল নেলাগিব ?

ঘোষা-দশম-পুৰাণৰ পদ এফাকি নিজে পঢ়িব পাৰিলে, খাজানা দিয়া ৰচিদখন মাতিব পাৰিলে, ভোটৰ বাকচৰ নামটো চিনিব পাৰিলে কাৰনো লাভ ?—আমাৰ হে।

আপোনাৰ চেঙেলীয়া কালত হয়তো ওচৰত পঢ়াশালি নাছিল নতুবা গৰু-ম'হ চৰাই ফুৰোঁতে পঢ়িবলৈকে আহৰি নেপালে। পিচে, মন কৰিলে এতিয়াও পঢ়িব পাৰে নহয়। আপুনি আকৌ কব পাৰে—'কিনো বুঢ়া শালিকাই মাত কাঢ়িম ?" ৰব। শালিকী চৰাই ওপজোঁতে যেনে মৰিলেও তেনে আচৰণেই। মানুহ জীৱৰ ভিতৰতে গিয়ানী। তেনেহলে মানুহে কি কৰিব নোৱাৰে ? বুঢ়া বয়সতো লিখা-পঢ়া শিকি ৰামায়ণ-মহাভাৰতৰ পদ আখি ওকৰাদি ওকৰাই গাব পাৰে।

বুঢ়ালোকে কয়—"কেচা চালে খাটি পুৰা পায়, পকালি চালে মুলো হেৰায়।" সেই কাৰণেই লৰাকালতে পঢ়া-শুনা শিকিব লাগে।

"কৃষ্ণ কথা এৰি সাতো-পাঁচো বেৰি
আন কথা কই থাকে;
অমৃতক তেজি যেন বিষ্ঠা ভুঞ্জে
গাঞ্চি-শুকৰৰ পোকে।"

শুবৰুৱাই যেনেকৈ ভাল বস্তু এৰি মল-মূত্ৰ ভক্ষণ কৰে তেনেকৈ অগিয়ানী লোকে গিয়ান নঘটি অবাবতে সময় কটায় আৰু অলাগতিয়াল কথাত মজি থাকে। যি গিয়ানী তেওঁ সমাজত মুখ কালি দুষাৰ কথা কব পাৰে। নহলে "ভাতত হীন মাতত হীন; তাক দেখি কৰে ঘিণ।" বুঢ়ালোকে তাতে আকৌ কৈছে নহয়—

"হয় পো মুখে নহয় পো গোঁফে,
হয় পো লনি নহয় নহয় পো ধনা—।"

মুখেৰে মানুহ বোলাবোলৈ মানুহৰ হৃদয়ত গিয়ান থাকিব লাগিব আৰু ছেগ বুজি চুঙাৰ মুখ চাই সোপা দিব লাগিব। এই সকলোবোৰ কৰিবলৈ পোনতে লাগিব কলীয়া আখৰ কেইটি। একোজন গিয়ানী মহাপুৰুষে জীৱনত যিমান কথা দেখি-ঠেকি শিকে সেই সকলোবোৰ পুথি আকাৰে লিখি থৈ যায়। গৌতম

বুদ্ধ, মহম্মদ, যীশু, গান্ধী, শঙ্কৰগুৰু আদি মহাপুৰুষৰ বহুমূলীয়া বাণীবোৰ আমি পুথিত পঢ়িবলৈ পাওঁ। যি আখৰ নিচিনে সি চকু থাকিও কণা; সি পঢ়িব নোৱাৰে।

ধৰমৰ বাণীবোৰ, পুথিবোৰ নিজে যদি এবাৰ পঢ়িব পাৰে তেনেহলে আপুনি আনন্দ পাব; আপোনাৰ আত্মাই ৰং পাব।

"পঢ়া-শুনা নকৰে যি; চোৰে লৈ যায় ভাৰ দি।" তেনেহলে কিমান দুখৰ কথা চাওকচোন!

"সৎসঙ্গত স্বৰ্গবাস, অসৎসঙ্গত সৰ্ব্বনাশ।" সজ্জনলোকৰ লগত ফুৰি-চাকি নিজৰ জিভাৰে দুটি ধৰমৰ নাম লৈ বৈকুণ্ঠৰ বাট মুকলি কৰক। নহলে—

দাদুৰীৰ জিভা যেন ভৈল কোন কাম?

"গুৰুতৌক শিচ, সিয়ান;
খুচৰি খুচৰি লয় গিয়ান।"

যাৰে পৰাই পাৰে, যিমানে পাৰে কথা শিকিবলৈ যতন কৰক। কলীয়া আখৰ কেইটা শিকিবলৈ যতন কৰক। শিক্ষিত সমাজত আপোনাৰ ঠাই আপোনা-আপুনি মুকলি হব। মনত ৰাখিব—"হাউচৰ বিদ্যা; কৃপণৰ ধন।" "যতন কৰিলে ৰতন পায়।"

অঙ্কৰ কৌতুক

শ্ৰীদণ্ডী ৰাম দত্ত

(অসম গৱৰ্ণমেণ্টৰ প্ৰাচীন অঙ্ক শাস্ত্ৰৰ গৱেষক)

১০৮৯০ৰ খেলা (যোগ বিয়োগৰ কৌতুক)

ধাৰাবাহিক চাৰিটা সংখ্যাৰ উত্তৰ সদায় ১০৮৯০ হব। বোৰ্ডত আগতে এই উত্তৰ লিখি থব পাৰি। বাক ধাৰাবাহিক সংখ্যা চাৰিটা লিখা। বহুত মানুহে লিখিলেও উত্তৰ একে ওলাব।

প্ৰথম লিখা শাৰী লুটিয়াই বিয়োগ কৰক। বিয়োগ ফলক লুটিয়াই যোগ কৰক। উত্তৰ মই আগতে কোৱাটোৱে। যেনে:—

১ম জন মানুহে লিখিলে ইচ্ছাকৃত ভাবে—

৯৮৭৬ (ধাৰাবাহিক ৪ টা সংখ্যা) (১)
৬৭৮৯ · ১ম শাৰী লুটিয়াই— (২)
৩০৮৭ ··(১)ৰ পৰা (২) বিয়োগ কৰি (৩)
৭৮০৩ (৩) শাৰী লুটিয়াই (৪)
১০৮৯০···৩+৪ শাৰী+কৰি পোৱা উত্তৰ।

২য় জন মানুহে লিখিলে:—

৬৫৪৩
৩৪৫৬
৩০৮৭
৭৮০৩
১০৮৯০

এইদৰে বহুত মানুহে অঙ্ক লিখি প্ৰমাণ চাব পাৰে। সকলো উত্তৰ একেই ওলাব

———

ফকৰা যোজনা

(গোৱালপাৰা জিলাত প্ৰচলিত)

শ্ৰীনীলকান্ত ৰাভা

(১) যতে বাঘৰ ভয়, তাতে ৰাতিও হয়।

(২) যি হব বাপৰ বেটা, চৈতত পেলাব মৰাপটা।

(৩) হাপাই আনে তিৰি, শিয়াল হয় ওপৰতে গিৰি।

(৪) পৰৰ মুৰত খোৱা, ভাটা নাৰত যোৱা।

(৫) কাৰ ঘৰত কি শাক খায়, খালেহে সোৱাদ পায়।

(৬) আগ মুগুণি গুণে পাচ, লোভত মৰে বৰশীৰ মাছ।

(৭) চেং বেং যায়, কানি পুথি সিও যায়।

(৮) মানুহটো হৈছে কোন ঠগ, খাব খোজে হৰিঠগ।*

(৯) ভাল ভাল ধোঁৱাই নাপায় ঘাঁহ, বতুৱা ধোঁৱাই খোজে মাহ।

(১০) কেকেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়।

(১১) পাতে পতুৱাই ভক্ষণ, সেয়ে পুৰুষৰ লক্ষণ।

(১২) পৰৰ কথা নধৰিবি, বাটত নাঙল নাচাচিবি।

(১৩) কোনো কোনো পাকত, ঢেকী খোৱাও সোমায় নাকত।

(১৪) ছয় পো, ছয় নাতি তেহে কৰিবা কুঁহিয়াৰ খেতি।

(১৫) লাজ নাই যাৰ, জ্ঞান নাই তাৰ।

(১৬) ৰাতি জুহালত সাত হাল বায়, পুৱা হলে এহালো নাই।

(১৭) হেন কৰো তেন কৰো পাটা বাৰী ধুল-ধুলা কৰো।

(১৮) কওঁতেই কলা, যতৰতে শলা।

(১৯) যেতিয়া আছে মৰদ জন, তেতিয়া ধৰে যতৰ খন।

(২০) হওঁক নহওঁক কৰানী, পথাৰ খিনি শুৱনী।

(২১) আছে গৰু নাবায় হাল, হোৱাতকৈ নোহোৱাই ভাল।

(২২) ভাত দি ভাত দি বেত কাটিব যাওঁ, ভাত খিনি দিলি, যাও কি নাযাও।

(২৩) হাতীয়ে হাতীয়ে যুঁজে নল খাগৰি মৰে।

(২৪) যাক নালাগে কাজত, তাক থওঁ বাৰীৰ মাজত।

(২৫) ওচৰৰ পুথি খলিহৈ দুৰৰ বৌ বৰালী।

(২৬) অমাতৰ মাত, আকালৰ ভাত।

(২৭) ধকৰাই ধাৰ পায়, কিলাই মাৰাই তিৰি পায়।

(২৮) চোৰ গলে বুদ্ধি, ধৰমুণ গলে জাপি।

(২৯) সাগৰো শুকাল, মাণিকো লুকাল।

---

* হৰিঠগ—(হাইঠক) এবিধ চৰাই

কম্পʼষ্ট বা পচন সাৰ

গল্প

শ্ৰীপ্ৰমোদ চন্দ্ৰ শৰ্ম্মা।
কৃষি প্ৰদৰ্শক, জাগাৰা

গাঁৱৰপৰা ঘূৰি আহি মেম্বৰে দিনৰ ১২ মান বজাত ৰঙা পঞ্জাবী চোলাটো আৰু ফটা চটি জোতা জোৰ সোলোকাই থৈ, আঠুমূৰীয়া চুৰিয়া খন পিন্ধি, মূৰত এটা পাগুৰি মাৰি, ঘৈণীয়েকক মাত লগালে—"অ' সুৰেনৰ মাক। সুৰেনৰ মাক! বোলো কোৰখন কʼত আছে কব পাৰানে? বোলো নামাতা দেখোন?"

"ময়ে কোৰখন উলিয়াই দিব লাগে নেকি? ময়ে কোৰখন লৈ পথাৰলৈ যাওঁ হবলা? মোৰ বিহা চাদৰ নেকি যে বাকচত বাখি উলিয়াই দিয়া নাই?" এই বুলি মেম্বৰণীয়ে বাহ্ধনি ঘৰৰপৰা মাত লগালে

"বোলোঁ এই ভৰ দুপৰীয়া হাহাকাৰখন নলগাবি পিচত লাজ পাবি।" মেম্বৰে চিঞৰি উঠিল।

"লাজ পামনো মই! এই মানুহজন বুঢ়া হʼল তথাপি একেটা স্বভাৱেই নুগুচিল। দিন নাই ৰাতি নাই, কেৱল মিটিং, কেৱল মিটিং অʼত ৰাস্তা বান্ধিব তʼত বান্ধে আলোচনা কৰিব। অকলশৰীয়া মানুহ, এখন্তেক এই লৰা ছোৱালী কেইটাক অলপ চকু দিলে নহয়নে? ইয়াৰ গালি খাব, তাৰ গালি খাব, ৰাস্তা কেৱল আমাকে লাগে হব পায়? ঘৰত খৰি এডাল নাই, ঘৰখন কেনেকৈ চলে তাক মই আৰু ভগৱানেহে জানে। এতিয়া বন কৰাটো দেখুৱাইছে, ঘৰলৈ মনত পৰিছে হবলা, আনে মুখুৱালে কিয়?" সুৰেনৰ মাকে বিৰক্তি সুৰত কলে।

"দেশ খনত কি হৈছে খবৰ নাই, কেৱল আনি দে খাওঁ; খাবি নহয়, এইবাৰ মাটিত যিহে ধান হৈছে, সাৰ গোবৰ দিব লাগে বুলি মনত নাই।" এই বুলি মেম্বৰে কলৰ তলৰপৰা একেলৰে কোৰখন আনি এটা কবৰৰ দৰে গাঁত খান্দিবলৈ ধৰিলে।

বহু পৰ খান্দি থকা দেখি ৰান্ধনি ঘৰৰপৰা মেম্বৰণী আহি কাণ্ড দেখি অবাক হʼল। তাতে আকৌ আগতে কাজিয়া লাগিছে।

"আজিৰ দৰে বন কৰা দেখুউৱা হলে আমাৰ সাতোটা মান পকী দালান হʼলহেঁতেন। এনেকৈ ঘৰৰ ভিতৰৰ পৰা সৰগৰ তৰা নগণিলোহেঁতেম।"

"সৰগৰ তৰা নহয় গৃহিণী মোৰ কথা শুনিলে তুমি চাণ্ডৰঙলাত উঠিব পাৰিবা।" চাণ্ডৰঙলাৰ কথা শুনি মেম্বৰণীৰ খং অলপ পাতলিল আৰু গাঁত খান্দিনো কি কৰে তাকো ভালকৈ সুধিলে।

মেম্বৰ মেম্বৰণীৰ কাজিয়া শুনিবলৈ অহা মানুহ আগতে চোতাল ভৰি আছিল, অ ক মেম্বৰেনো কি কৰে তাকো ভালকৈ চাই আছিল।

"পচন সাৰ তৈয়াৰ কৰিম, পচন সাৰ, এইবাৰ খাবলৈ পাবি" মেম্বৰে কলে।

"কি পচন সাৰহে, পচন তচন আমি একো নুবুজো" মেম্বৰণীয়ে উত্তৰ দিলে।

মেম্বৰে কৰলৈ ধৰিলে, এই সাৰ তৈয়াৰ কৰি পথাৰত দি আমাৰ গাৱঁৰে গজি বৰডেকা কেউচা আতা, হেমো সৰকাৰ প্ৰভৃতিয়ে বিঘাত ৫/ মোণ ধান হোৱা মাটিত ১০/১২/ মোণ ধান উৎপন্ন কৰিছে। (সকলোৱে মেম্বৰৰ কথাটোত বৰ মনোযোগ দিলে।) মেম্বৰে কৰলৈ ধৰিলে, "১০ফুট দীঘল, ৫ফুট বহল আৰু ২ফুট দ এটা গাঁত খান্দা গাঁতৰ পৰিমাণ লৈ বিশেষ কথা নাই। গৰু বন্ধা ঠাইৰ ওচৰত গাঁতটো হলে ভাল হয়। আমাৰ চোতাল ঘৰৰ জাবৰ, জোঠৰ, খেৰ বন আদিৰে প্ৰথমতে এটা তৰপ পূৰাব লাগে। তাৰ পাচত এটা তৰপত গোবৰ দিবা। আকৌ জাবৰ তাৰ পাচত গোবৰ দি স্তৰ বিলাক পূৰা কৰা। মাজৰ স্তৰত গৰুৰ মূত আৰু ফুট ছাই দিলে বেছি ভাল। মাটিৰ পৰা ৩।৪ ইঞ্চিমান ওখ হলে মাটিৰে ঢাকি দিবা। খৰালি মাহত পানী দিব লাগে তেহে এই বিলাক সোনকালে পচিব। প্ৰায় ১৫ ১৬ দিনৰ মূৰে মূৰে গাতঁটো ওলট পালট কৰি দিবা। প্ৰায় ৩।৪ মাহৰ মূৰত এই বস্তু বিলাক পচি এটা কলা বস্তুত পৰিণত হব। এইয়ে পচন সাৰ বা কম্পষ্ট সাৰ। এই আবৰ্জনাবোৰ বতাহৰ লগত থকা এবিধ বাম্পৰ লগ লাগি মাটিৰ উৰ্ব্বৰা শক্তি বঢ়ায়। আমাৰ দেশত জনসংখ্যা বাঢ়ি গৈছে কিন্তু মাটি একে ভাবেই আছে। একে ডোখৰ মাটিতে বাৰে বাৰে খেতি কৰি থাকিলে মাটিৰ উৰ্ব্বৰা শক্তি লোপ পায়; সেই কাৰণে সাৰৰ প্ৰয়োজন। সাৰ নহলে ভাল আৰু সৰহ শস্য উৎপাদন নহয়। সেই কাৰণে আজি আমাৰ দেশত ইমান খাদ্যাভাৱ। ভাল খাদ্য খাব নোপোৱাৰ বাবে আমাৰ দেশত ইমান বেমাৰ হ'বলৈ ধৰিছে।"

"এই সাৰ সকলো খেতিতেই উপযোগী নে ?" তাৰে এজনে সুধিলে।

"হয় সকলোতে দিব পাৰি, আন কি আপোনাৰ কল, কুঁহিয়াৰ, পাণ তামোল, আম কঠাল আদিতো দিব পাৰে।"

"বৰ ভাল কথা দেখোন ঐ চিৰিকণ। বল, বল, আমিও পচন সাৰ তৈয়াৰ কৰি সৰহ শস্য উৎপাদন কৰোহঁক।"

লখিমী কমলা

শ্ৰীআনন্দৰাম বড়া।

গেলাবিল নদীৰ দক্ষিণ পাৰৰ গাঁও এখন। গাওঁখনত প্ৰায় ষাঠি সত্তৰ ঘৰ মানুহ আছে। সকলো মানুহেই খেতিয়ক। নগৰৰ পৰা প্ৰায় ৩০ মাইল দূৰ। আলি-পদূলিৰ কোনো সুবিধা নাই বুলি কলেও বঢ়াই কোৱা নহয়। "দেখাক দেখি উঠিল গা এদাই বোলে মোকো খা !!" বোলাৰ দৰেই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা গাঁওখনৰ সকলো মানুহে একে খেলতে বৰ সবাহ পাতি খালে। গাঁওখনত কেইবা কুলৰো মানুহ আছে। পিচে, তাৰ ছমাহ মানৰ পিচতেই পুনৰ দহ বাৰ ঘৰ মানুহ গোটখাই আকৌ আগৰ দৰেই বেলেগ হ'ল। দুখৰ বিষয় যে, সেই গাওঁখনত এজনো শিক্ষিত মানুহ নাছিল। মাত্ৰ হলিৰাম বায়নৰ পুতেক মোলাৰামে দুৰণিৰ মোমায়েকৰ ঘৰত থাকি এম্ ভি স্কুলৰ ষষ্ঠ শ্ৰেণীলৈকে পঢ়িছিল যদিও এম্ ভি পাছ কৰিব নোৱাৰিলে। তাৰ পিচত স্কুল এৰি ঘৰৰ ঘৰুৱা কামত লাগিলেহি। বহুত দিন চাকৰিৰ যত্ন কৰিও বিফল হ'ল। শেহত নিজৰ গাঁৱতেই পাচনি, নামলগোৱা. মেধিইতৰ সহায় লৈ এখন ৰাতিৰ স্কুল পাতি প্ৰায় এবছৰ কাল চলাই আছে। সমাজিক শিক্ষা বিভাগৰ পৰাও কিছু সহায় পাইছে। তাৰ যত্নতেই দুই চাৰি জনে ক, খ, ম, ম আৰু দুই চাৰিয়ে নিজৰ নাম লেখিব পৰা হৈছে।

প্ৰায় ছমাইল আঁতৰৰ হাঁহচৰা গাঁৱৰ ফেদাই নামলগোৱাৰ জীয়েক কমলাৰ লগত মোলাৰামৰ বিয়া হ'ল। ছোৱালীজনী এম্ ই পাছ। ঘৰৰ কাম কাজ. ৰন্ধা বঢ়া, বোৱা কটা, বোৱা তোলাত পাকৈত। আলহী অতিথি আহিলে কেনেকৈ সোধ পোচ কৰিব লাগে আৰু ঘৰৰ লৰা ছোৱালীক কেনেকৈ চাফচিকুণকৈ ৰাখিব লাগে, তাই শিকিছিল। পিচে, হলিৰাম বায়ন তাৰ একেবাৰেই বিপৰীত। তেওঁৰ ঘৰলৈ অচাতি মানুহ গ'লে বাহিৰত টুকুৰা কাঠ বা মাটিতেই বহিবলৈ দিয়ে। মানুহ উঠি যোৱাৰ পিচত সেই ঠাইত পানী ছটিয়াই দিয়ে। আন ফালে ঘৰ চোতালৰ অৱস্থাই নাই। আনকি ঘৰৰ ভিতৰত, চুকত. কাঠ ফুলা গজিছে। তেওঁৰ টকা পয়চা, আৰু মাটি বাৰী বহুতো। দুটা ভঁড়াল গুটি ধানেৰে খুন্দ খাই আছে। অথচ কোমল চাউলৰ বাহিৰে আন একো কৰি খাব নাজানে।

ঘৰত বহিবলৈ ভঙা পীৰা এখনৰ বাহিৰে একো নাই। মোলাৰামে মোমায়েকৰ ঘৰৰ পৰাই দুখন টিনৰ চকী আনিছিল। পিতাক হলিৰামে তাকো ওপৰত আঁৰি থৈছে। কাৰণ তাত মানুহ বহিলে বোলে, বুঢ়া সকলৰ সম্মান হানি হয়। গোহালিত গৰু আৰু বাৰীত তামোল পাণ যথেষ্ট আছে। কিন্তু সেইবিলাকৰ আপডাল নাই।

ন বোৱাৰী কমলাৰ এইবিলাক দেখি পেটতেই হাত ভৰি লুকাল। তাই গিৰীয়েকক ক'লে—এই চকী কেইখন নমাব আৰু দুখনমান কৰো-

ৰাব। মোলাবামে প্ৰথমতে সেইবোৰ কথালৈ কাণ দিয়া নাছিল। কিন্তু ঘৈণীয়েকে সদায় কৰা কাকুতি মিনতি সহিব নোৱাৰি তুখন চকী আৰু এখন টেবুল কৰোৱাই আনিলে। কমলাই টেবুলৰ ওপৰত এখন টেবুল কাপোৰ পাৰিছিল। প্ৰথমে শহুৰেকে দিনত আঁতৰাই থয়। বোলে, মানুহে পিন্ধিবলৈকে কাপোৰ পোৱা নাই, ইয়াত আকৌ এইখন কেলেই। টপিনে যেয়ে সেয়ে ছুৰ।

প্ৰায় ছমাহৰ ভিতৰতেই কমলাই ঘৰৰ সকলো বাহিৰা কাম নিজৰ হাতলৈ আনিলে। ঘৰৰ সৰু সৰু লৰা-ছোৱালী কেইটাক সদায় সন্ধ্যা গা-পা ধুৱাই পৰিষ্কাৰ কৈ ৰাখে। তুই এটা আখৰ সময় পালেই দেখুৱায়। তাৰ পিচত গিৰীয়েক মোলাবামক ক'লে যে, গাঁৱৰ তুই চাৰি জনৰ সৈতে লগ লাগি এখন স্কুল পাতি দিয়ক মই পঢ়ুৱাম। ঘৰুৱা কামৰ পৰা আজৰি পালেই তাই ওচৰৰ তিৰুতা মানুহ বিলাকক ডেওলোকৰ লৰা ছোৱালীক পঢ়ুৱাবলৈ কয়। এনে বিলাক কথাৰ কাৰণেই শহুৰেক হলিৰামে পুতেক বোৱাৰীয়েকক বেলেগ কৰি দিলে।

কমলাই বহুত কাকুতি মিনতি কৰাত মোলাৰামে দহ জনমান মানুহ গোটাই এখন স্কুল পতাৰ কথা উলিয়ালে। বহুতেই নানা প্ৰকাৰৰ ওজৰ আপত্তি উলিয়ালে। কোনোৱে কয়, সি টকা পাব আমাৰ কি লাভ? কোনোৱে কয়, তাৰ ঘৈণীয়েকক বৰ মানুহ পাতি আমাৰ ল'ৰা ছোৱালীক তলত থৈ তাইক চকীত বহুৱাবলৈ আমাৰ কি গৰজ হৈছে? ইত্যাদি বহুত কথা।

কিন্তু এইবাৰ কমলা নিৰাশ নহৈ কেইজনী মান গাভৰু ছোৱালী আৰু কেইজন মান মানুহৰ সহায় লৈ তুটামান লৰা-ছোৱালী লৈয়েই স্কুল পাতি পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। সময় যোৱাৰ লগে লগে স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। কিছুদিনৰ পিচতেই সেই স্কুল কৰ্তৃপক্ষই হাতত ল'লে। সেই খনেই সেই অঞ্চলৰ প্ৰথম নিম্ন প্ৰাথমিক স্কুল। প্ৰায় ছয় সাত বছৰৰ ভিতৰতেই সেই স্কুল এখন উন্নত ধৰণৰ স্কুল বুলি জনাজাত হ'ল। তাত শিক্ষা সাং কৰা ল'ৰা-ছোৱালী বিলাকে নানাপ্ৰকাৰে সামাজিক কামতো লাগিবলৈ ধৰিলে।

এতিয়া কমলা তিনিটা সন্তানৰ মাক। এখন বালিকা স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু সেই গাঁৱৰ মহিলা সমিতিৰ সভানেত্ৰী। এতিয়া সেই গাঁও খন এখন আদৰ্শ গাওঁ। এতিয়া সেই গাঁৱৰ প্ৰত্যেকৰ ঘৰে ঘৰে সূতা কটা, কাপোৰ বোৱা আৰু এড়ি পোহা আছে। ডেকা সকলৰ পৰিশ্ৰমৰ ফলত গাঁৱৰ মাজেদি এটা সুন্দৰ আলিবাট হ'ল। আৰু এখন ৰাতিৰ স্কুল পতাৰো যো-জা চলিছে।

কমলাই অলপ লেখা পঢ়া নজনা হ'লে এই বিলাক কাম নহলহেঁতেন। এজনী সামান্য ছোৱালীৰ যত্নত গাওঁখনৰ ইমান উন্নতি হল। এই কাৰণেই আমাৰ তিৰুতা বিলাকে লেখা পঢ়া শিকিব লাগে।

কল-খেতি

শ্ৰীশশীধৰ নাথ

কল মানুহৰ বৰ পুষ্টিকৰ খাদ্য আৰু ই বৰ দৰকাৰী বস্তু। ইয়াৰ খেতি কৰি অতি দুখীয়া মানুহো অতি ধনী হব পাৰে। সেয়েহে কথাতে কয়—

"তিনিশ ষাঠি জোপা কৰা কল,
মাহকে পষেকে চিকুণাবা তল।
পাত পচলা লাভত খাবা,
লঙ্কাৰ বণিজ ঘৰতে পাবা।"

ইয়াৰ খেতি কৰিবলৈ হলে মাটি ডোখৰ কিছু বাই মৈয়াই লোৱা উচিত। কাতি আৰু বহাগ মাহত সাধাৰণতে মাটিত জীপ থাকে। সেইদেখি এই দুই মাহতেই কল ৰোৱাৰ উচিত সময়। অৱশ্যে ফাগুনত কলেও বহাগত বৰষুণ পাব। অন্য মাহত কল কলে শস্য সিমান বলী নহয় আৰু তাক কেচুৱে খাই নষ্ট কৰে, বতাহত ভাঙি-ছিঙি যায়।

কল-পুলি ৰোৱাৰ এদিনমানৰ আগতেই তুলি আনি তাৰ পাতবোৰ আৰু গুৰিৰ দীঘলীয়া শিপা-বোৰ কাটি পেলাই এঠাইত আওজাই থৈ দিব লাগে। মাটি ডোখৰত শাৰী পাতি ৮ হাত আঁতৰে আঁতৰে একোটি বহল দ গাঁত খান্দিব লাগে। আঠীয়ালৈ গাঁত দুহাত আৰু জাতি কললৈ ডেৰ হাতমান দ লাগিব। তাৰ পাচত সেই কল-পুলিবোৰ তাত কই দি মাটি জাপি দিব লাগে। পোত কম হোৱা কলে গজালি কমকৈ দিয়ে, লাগন কম আৰু বতাহত পৰি যাবৰ ভয় থাকে।

"আঠীয়াত গোবৰ, মনোহৰত জাবৰ।
পুৰাত খাই, মালভোগত ছাই॥
ভাদত কলা কৰি ৰোপণ।
সবংশে মৰিল লঙ্কাৰ ৰাৱণ॥"

কলৰ গুৰিত ওপৰত কোৱা দৰে সাৰ দি থাকিব লাগে। অৰ্থাৎ আঠীয়াত গোবৰৰ সাৰ, পুৰাত চুৰা-পাত, মালভোগত ছাই আৰু আন আন জাতি কলত জাবৰৰ সাৰ দিব লাগে। পুৰা কল চুৰনিত ৰোৱাহে ভাল।

কলতলীৰ বন-পাত কুৰি কাটি দি মাটি চপাই দিব লাগে। তেতিয়া হলে সোনকালে পুলি মেলে আৰু লগে লগে তলখন চেচুক হৈ আহে। তেতিয়া তাত আৰু সৰহ বন গজিব নোৱাৰে।

এজোপা কলৰ পৰা তিনিথোক কল কাটি নিয়াৰ পাচত তাৰ পুলিবোৰ আন ঠাইত লৰাই কৰ লাগে। নহলে তাৰ কল বিলাক মুনীয়া আৰু থোক বিলাক সৰু সৰু হয়।

কল গছ যিখন বাৰীতেই থাকে সেই বাৰীখন সদায় মধুৰ আৰু চেঁচা। ই বৰ উপকাৰী আৰু উপাদেয় বস্তু। ইয়াক লৰা-ছোৱালী, ডেকা, বুঢ়া সুখী, দুখী সকলোৱে বৰ আগ্ৰহেৰে খোৱাৰ উপ-ৰিও ইয়াৰ পাত, পচলা আৰু দোৰোলা সকাম নিকামত লগোৱা হয়। ইয়াৰ ডিল ভাঁজি-বান্ধি খাবলৈ বৰ সোৱাদ। দুখীয়া মানুহৰ ই অতি লাগতিয়াল বস্তু। ভীমকল কেঁচুৱা লৰা ছোৱালীৰ প্ৰধান খাদ্য। এদিন নহলেই দুখী-

য়াৰ লৰা-ছোৱালীৰ পেট শুদা। ইয়াক খালে শৰীৰ ঠাণ্ডা পৰে আৰু বলৱান হয়। ইয়াৰ এটি অংশও পেলনি নেযায়। ৰ'দত শুকুৱাই থাৰ পুৰি খোৱা হয়। কল মধা আৰু কল বাকলিৰ খাৰ কল যৌখাৰ খাৰতকৈ চোকা আৰু উপযোগী। কল পাতৰ খাৰেৰে এৰিয়া মুগাৰ কাপোৰ ধুবলৈ বৰ ভাল। বিলাতত ইয়াৰ আঁহ উলিয়াই বৰ সুন্দৰ সুন্দৰ কাপোৰ তৈয়াৰ কৰে। তাৰ দামো বহুতো।

ভীম কলে দ মাটিকো বাম কৰি দিব পাৰে। ইয়াৰ ওচৰত কোনো শস্য হব নোৱাৰে। সেই দেখি ইয়াক একলীয়াকৈ কৰ লাগে। পানী থকা দ ঠাইত কলেও ই নমৰে।

নতুনকৈ ভঙা মাটিত কল খেতি খুব ভাল হয়। গোট বিলাক ডাঙৰ ডাঙৰ হয়। বালি-চহীয়া মাটিত কল খেতি ভাল নহয়। কঠুৱা মাটিৰ গোট সৰু হলেও খাবলৈ বৰ মিঠা।

কল মানুহৰ যেনে লাগতিয়াল তেনে দামো আছে। ইয়াক বেচি দেশৰ মানুহ বহুতেই ধনী হৈ যোৱা দেখা গৈছে। কল দুখহীন মূলক আৰু লাভৱান খেতি।



[উজনি অসমৰ কোনো এঠাইত হাতীৰে টনা গাড়ীৰে বস্তু কঢ়িওৱা হৈছে। ডাঙৰ নাঙল ব্যৱহাৰ কৰি হাতীৰে সাফল্যৰে হালবাবও পৰা যাব বুলি সম্প্ৰতি এজন বিদেশী বিশেষজ্ঞই অভিমত প্ৰকাশ কৰিছে।]

বিহুগীত

কোবাদ আলি আহমদ

কুলিৰে মাতিছে "কুহু কুহু" কৰি
বলিছে মলয়াৰ বা
আনন্দত নাচিছে গা।
ৰঙালি বিহুটি ৰঙতে আহিছে
বলিছে বসন্তৰ বা
আনন্দত নাচিছে গা।

পাতে ছালে ডালে ফুলে শোভা কৰে
বাসন্তী দেৱী লই চা—
আনন্দত নাচিছে গা।
নৱমী বিহুটি আহিবি বছৰি
বসন্তৰ বলিলে বা
হৰ্ষত নাচিব গা।

ৰঙালী-বিহু

পজিৰদ্দিন আহমেদ

(১)

বহাগ মাহৰে অতি মৰমৰে
ৰঙালি বিহুটি অই ;
বিহুৱা চৰায়ে দিলেহি বাতৰি
ৰঙত মতলীয়া হই ।

(২)

কুলি কেতেকীয়ে সাদৰি আনিলে
ৰঙতে ৰঙালী বিহু ;
মাধবী লতায়ে সাৱটি ধৰিলে
বসন্তৰে হই বাহু ।

(৩)

অসমী আইৰে বিহুটি আছিলে
অতি আদৰৰ ধন ;
বিহুৰে বাতৰি পায়ে নাচিছিল
উলাহতে মন-প্ৰাণ

(৪)

কুলু কুলু সুৰে অসমী আইৰে
অকণি নিজৰাটি ঐ ;
অসমী আইকে বিহুৰে বাতৰি
দিলেহি ৰঙতে কই ।

(৫)

বিহুৰে বাতৰি বোকোচাতে তুলি
বিহুৱা চৰায়ে অই ;
দেশ-বিদেশক ৰং-চাবলৈ
নিমন্ত্ৰণ দিছিল গৈ ।

(৬)

গোলাপ তগৰে গুৱনি কৰিলে
ফুলৰ বাগিচা অই ;
পদুলি মুখেৰে জুৰিটি বইছে
বিহুৰে বাতৰি কই ।

(৭)

ৰং ৰহইচৰে বিহুৰে দিনতে
পৰাণ মুকলি কৰি ;
কৰমী সন্তানে গাত বলে বান্ধি
যায় কৰ্ম্মলৈ লৰি ।

(৮)

কপাহী সূতাৰে বিহুৱান খনি
কেনেনো ধুনীয়া অই ;
সিদিনা অসমৰ শিপিনী সকলে
হৰিষে দিছিলে বই ।

(৯)

জাতীয় উৎসব বিহুটি নেৰিবা
অতীত সুঁৱৰি চোৱা ;
মনে বান্ধি বল মুকলি ভাবেৰে
বিহুগীত একাকি গোৱা ।

(১০)

শিঙা পেপা ঢোল ডেকা গাভৰুৱে
বজাই হৰিষ প্ৰাণে ;
সবাৰো প্ৰাণত জগাই উচাস
বিহুৱা গীতৰ তানে ।

(১১)

আছিলে জননী মুকলি মুৰীয়া
সাদৰী অসমী আই ;
ধনে ধানে ভৰা আছিল সিদিনা
নাটনি একোৰে নাই ।

(১২)

হাঁহিভৰা মুখ জিলিকি আছিলে
সিদিনা যত অসমীৰ ;
মাতৃৰ বুকুতে জনম লভিলে
লাচিত সেনা মহাবীৰ ।

(১৩)

আছিলে পৰাধীন জননী আমাৰে
শাসক বিদেশী ৰজা
স্বাধীন এতিয়া আমাৰে জননী
দিলে সিহঁতক খেদা ।

(১৪)

হিয়াৰ অৱসাদ নানিবা কদাপি
বজাই দুখৰ বীণ ;
উদ্ধাৰিব তুমি লাগিব নিশ্চয়
আগৰ লুকুৱা চিন ।

—•:•:•—

আনক ঠগিলে নিজেও ঠগ খায়

(এটা সঁচা ঘটনা)

শ্ৰীমনমোহন দাস

বুধবাৰে হাউলীৰ হাট। অসমৰ বিখ্যাত হাট। কিনা-বেচা কৰা মানুহৰ বৰ ভিৰ। বৰপেটা, বৰপেটা ৰোড, বজালী, সৰুপেটা, আৰু বৰনগৰৰ পৰা হাটলৈ কেইবাখনো বজাৰ বাচ আহে। হাউলীৰ পৰা ৭ মাইলমান দূৰৈত থকা এখন গাঁৱৰ এজন মানুহে দুই পাল্লামান মৰাপাট লৈ বজাৰ কৰিবলৈ গৈছে। মৰাপাটৰ বজাৰ আজিকালি কমি গৈছে। গতিকে দুইপাল্লা বেচি ৬টা টকা পালে। তাৰ ভিতৰত সি এখন ধুতী কিনি ললে ৫ টকাৰে আৰু তাৰ হাতত ৰল ১ টকা। তাৰ বজাৰ কৰা হল। বেলি ভাটী দিলে। ঘৰলৈ আহিবলৈ সি এখন বজাৰ বাচত উঠিল। তাৰ গাঁৱৰ এজন মানুহে কিবা অসুবিধাত সেই বাচখনত আহিব নোৱাৰি সি কিনা কাছ এটা সেই মানুহজনৰ হাততে দিলে। বজাৰ বাচ আহি সি নমা ঠাই পালে। মটৰ ৰাখিলে। মটৰ ৰখাৰ লগে লগে সি খৰখৰকৈ মটৰৰপৰা নামি মটৰৰ পিচেৰে এডাল গছৰ কাষেদি ভাৰা নিদিয়াকৈ গুচি গ'ল। হেণ্ডিমেনে তাক দেখা নাপালে, কাৰণ বহুতো মানুহ মটৰৰ পৰা নামিছিল। মানুহজনে মনত আনন্দ কৰি গৈ আছে যে তাৰ ছয় অনা পইচা ভাৰা নিদিয়াৰ বাবে বাচিল। ১ ফাৰ্লং মান আঁতৰ হোৱাত ঘপহকৈ মনত পৰিল যে তাৰ হাটত কিনা ধুতীখন নাই, কেৱল গাঁৱৰ মানুহজনে দিয়া কাছটোহে আছে। ইপিনে মটৰো চলি গ'ল! সি বৰ বিমোৰত পৰিল। তাৰ ছয় অনাৰ ঠাইত ৫ টকা লোকচান হল। নিজৰ কপালত নিজে ভুকুৱাবলৈ ধৰিলে।

তেতিয়া সি বুজিলে তাৰ ভুলৰ কথা। আনক ঠগিব খুজিলে নিজে ঠগ খায়। যদি সি ভাৰা দি লাহে ধীৰে আহিলহেঁতেন নিশ্চয় সি ধুতীখন এৰি নাহিলহেঁতেন। গতিকে ইয়াকে কয় যি কৰে পৰত তাৰ মিলে ঘৰত। গতিকে আনক কেতিয়াও ঠগিব নালাগে, আনৰ অপকাৰ কৰিব নালাগে।

মল-মূত্ৰৰপৰা সোণ ।

শ্ৰীবদন চন্দ্ৰ কলিতা

বৰ্ত্তমান গাঁওবিলাকত সংক্ৰামক ৰোগ হোৱাৰ আন আন কিছুমান কাৰণৰ ভিতৰত য'তে ততে মলমূত্ৰ ত্যাগো এটা বিশেষ কাৰণ । গাঁৱলীয়া কৃষকসকলৰ মাজত প্ৰায় পায়খানাৰ ব্যৱস্থা নাই । যেয়ে যেনেকৈ পাৰে শৌচ কৰে । তাৰ পৰা নিজৰ, দহৰ আৰু গাঁৱৰ কিমান যে অপকাৰ হয় কৈ অন্ত নোৱাৰি ; তাৰ ভিতৰত চকুত পৰা কেইটামান উদাহৰণ দিয়া হল ।

১। ৰ'দ নপৰা ঠাইত শৌচ কৰাৰ ফলত হাকোটা পেলু বেমাৰৰ উৎপত্তি হয় । এনেকুৱা ৰ'দ নপৰা ঠাইত শৌচ কৰিলে শৌচৰ লগত থকা কৃমিবোৰ শৌচৰ অস্তিত্ব নাইকিয়া হলেও এইবিলাক ধ্বংস নেপায় আৰু সেই ঠাই নিৰোগী মানুহে গচকিলে প্ৰথমে মানুহ জনৰ ভৰিৰ আঙুলিৰ মাজবোৰ খজুৱাবলৈ ধৰে । তাৰ পিচত ওপৰৰ পাতল ছাল এৰাই গলে কৃমিবিলাকে শৰীৰত প্ৰৱেশ কৰে । কোনো ফল ধৰা গছৰ তলত শৌচ কৰিলে, শেষত তাৰ তলসৰা ফল খালে তো আৰু ভয় লগা কথা ।

২। মুকলি ঠাইত শৌচ কৰিলে তাত মাখি পৰি সেই মাখিয়ে খোৱা বস্তুত পৰি ৰোগ বিয়পায় । কোনো ওখ বাকৰিত শৌচ কৰিলেও বৰষুণ পৰি আন ঠাইলৈ ৰোগৰ বীজাণু বিয়পাই নিয়ে ।

৩। নদী বিল আদিৰ ওপৰত শৌচ কৰিলেও পানী দূষিত হৈ শেষত সেই পানী ব্যৱহাৰত ৰোগ জন্মে । কলেৰা, গ্ৰহণী আদি ৰোগ নদী খাল, জান, জুৰি আদিয়ে বহুদূৰলৈ বিয়পাই নিয়ে ।

ইয়াৰ বাহিৰেও ডাক্তৰ সকলে আৰু বহুত উদাহৰণ দেখুৱাব । এতিয়া কি উপায়েৰে মল-মূত্ৰ ত্যাগ কৰা ব্যৱস্থা কৰা হয় তাক কোৱা যাওক । নগৰত মিউনিচিপালিটিৰ ব্যৱস্থিত পায়খানা আছে । তেনে কৰাতো সম্পূৰ্ণ ভাৱে শৃঙ্খলা অহা নাই । অৱশ্যে চহৰত সেই ব্যৱস্থাৰ ওপৰতে কিছু চকু ৰাখিলে চহৰৰ কাৰণে ই উপযোগী হৈ থাকিব । গাঁৱৰ কাৰণে তেনে ব্যৱস্থা গ্ৰহণযোগ্য নহয় । প্ৰথম কথাত ; চহৰৰ দৰে একশ্ৰেণীৰ মানুহ গাঁৱতো ৰাখিব লগাত পৰিব—যাৰ দ্বাৰাইনেকি পায়খানা চাফ হব পাৰে । গান্ধীজীৰ মতে ধৰিবলৈ গলে তেনে শ্ৰেণী এটা ৰখাটো ভুলেই হব । তেখেতে আৰু এষাৰ কথাত কৈছিল—মলৰ পৰা সোণ তৈয়াৰ হয় । এতিয়া কেনেকৈ সেই মলৰ পৰা সোণ তৈয়াৰ হয় আৰু আমি কেনেকৈ বেমাৰ আজাৰৰ হাত সাৰিব পাৰো তাৰে আলোচনা কৰোঁ হক ।

আপুনি পায়খানাৰ কাৰণে কোনো একঠা মাটি এবছৰ কাৰণে লওক বা আপোনাৰ বস্তিৰ বাৰীখনতে কৰক । যি ঠাই পায়খানাৰ কাৰণে লব সেই ঠাই খিনিত দীঘলে দীঘলে এফুট্ বহল ডেৰফুট্ দকৈ এঠা খাৱৈ খান্দক । খাৱৈৰ মাটি-খিনি ওচৰতে দম কৈ ৰাখি যাব । খাৱৈৰ ওপৰত

পথালিকৈ দুচটা বাঁহ বা কাঠ পাৰি খাবৈত মল ত্যাগ কৰক। মল ত্যাগ কৰি উঠি সন্মুখত থকা মাটিৰ দমৰ পৰা কেইখামোচমান মাটি আনি শৌচৰ ওপৰত পেলাই দি ঢাকি থওঁক। এনেদৰে মল মাটিৰে পুতি থোৱাৰ ফলত মল-মূত্ৰৰ গোন্ধ নষ্ট পায় আৰু মাখিও পৰিব নোৱাৰে। খাবৈৰ শৌচকৰা ঠাইখিনি পূৰ নোহোৱালৈকে তেনে ভাবে শৌচ কৰি পূৰ হোৱাৰ পিচত খোজ দিয়া কাঠ দুচটা খালি ঠাইলৈ পিচুৱাই দিয়ক। এনে দৰে পিচুৱাই নি নি গোটেই খাবৈটো পূৰ হোৱাৰ পিচত পুনৰ আন এটা খাবৈ খান্দক আৰু তেনে দৰে শৌচ কৰক। এনেদৰে সজা পায়খানাৰ মাটিত যি শৌচ পুতি থোৱা হয় তাৰ পৰা কোনো ৰোগ বিয়পিব নোৱাৰে। কিন্তু মনত ৰাখিব মাটিৰে শৌচ ঢাকি থওঁতে যেন শৌচ ওলাই নেথাকি সম্পূৰ্ণ পোত গৈছে থাকে। খাবৈটো সম্পূৰ্ণ পূৰ হলে গোটেই খাবৈটোতে আকৌ এক ইঞ্চি-মান কৈ মাটি দি ঢাকি থব পাৰে। তেতিয়া হলে আৰু সন্দেহ দূৰ হয়। পায়খানাৰ আবৰণ সম্পৰ্কে একোটা চকৰি লগোৱা চাৰিখুটাৰ ঘৰ বা সহজে দাঙিব পৰা মেজৰ দৰে ফ্ৰেম সাজি তিনিফালে বাঁহৰ ধাৰি গজলাই লব পাৰে। সন্মুখৰ পিনে এখন পৰ্দ্দা দিলেই হব। এই ঘৰটো মল ত্যাগ কৰি (খাবৈ পূৰ হোৱাৰ পিচত) খাবৈৰ ওপৰে ওপৰে ক্ৰমে আগ বঢ়াই নি থাকি শৌচ কৰি থাকিব।

শৌচ পোতাৰ পাচ ছমাহ পাৰ হলে খাবৈ বোৰ চহাই লৈ যি কোনো খেতি কৰিলে সৰ্ব্ব-সাধাৰণ মাটিত হোৱা খেতিতকৈ দুগুণ খেতি হব। যদি আপুনি শৌচৰ সাৰত হোৱা খেতি বুলি ঘৃণা কৰে তেনে হলে কপাহ, মৰাপাট আদি অখাদ্য শস্যও লগাব পাৰে। এই মলৰ সাৰৰ পৰা হোৱা শস্যৰ ধনকে গান্ধীজীয়ে সোণ বুলি কৈছিল। এনে ব্যৱস্থাত পায়খানা সজালে কোনো ৰোগ বিয়পাৰ ভয় নেথাকে আৰু শস্যও বৃদ্ধি হয়।*

* সামাজিক শিক্ষা বিভাগৰ "Teachers in the making" বা "কাল বা শিক্ষক" নামে ফিল্মখনত এনে ধৰণৰ পায়খানাৰ ব্যৱস্থা দেখুৱা হৈছে। —সম্পাদক।

The ... Hall & L...
GAUHATI

আমাৰ ৰাজহুৱা নাম ঘৰ

শ্রীপ্রফুল্ল চন্দ্র দত্ত বি-এল

শিক্ষক—বছেৰেকৰ মূৰত ৰঙালী বিহু আহিল। পিচে ৰাইজসকল আপোনালোকেনো আমাৰ এই জাতীয় উৎসৱটো এইবাৰ কেনেকৈ পালিব খুজিছে ?

মধু—ভাল কৈছে মহাশয় (এই বুলি নাচি নাচি গাবলৈ ধৰিলে)—"অতিকৈ চেনেহৰ মুগাৰে মহুৰা; তাতোকৈ চেনেহৰ মাকো; তাতোকৈ চেনেহৰ বহাগৰ বিহুটি নেপাতি কেনেকৈ থাকো।" (সকলোৱে হাত চাপৰি বজাই হাঁহে) মোৰ বোধেৰে আগবেলা নাম ঘৰত নাম প্রসঙ্গ হওক, ভাটীবেলা আমাৰ পঢ়াশালিৰ সন্মুখত থকা পথাৰত খেল ধেমালিৰ প্রতিযোগিতা, গধূলি প্রীতি-ভোজ আৰু ৰাতি নাচ গান হওক।

যদু—বিহুলৈ মাথোন সাতদিন আছে। আমি আজিয়েই ৰাজহুৱা ৰঙালী বিহু উৎসৱ কমিটী-খন গঠন কৰোঁহক (ৰাতিৰ পঢ়াশালিতে এঘাৰ জন সভ্যৰে এই কমিটী গঠন কৰা হল।)

মধু—(সভ্যসকলৰ মাজৰ পৰা থিয় হৈ) মই প্রস্তাৱ কৰো আমাৰ শিক্ষা-গুৰু বিহু কমিটীৰ সভাপতি হওক।

গোপাল—মই এই প্রস্তাৱ সাদৰে সমর্থন কৰিলোঁ।

হলিৰাম—মই প্রস্তাৱ কৰো মধুকাই এই কমিটীৰ সম্পাদক হওক।

মাধৱ—মই এই প্রস্তাৱ সমর্থন কৰোঁ; কাৰণ মধু এজন কর্ম্মী পুৰুষ, এই কথা সকলোৱে জানে।

অৰুণ—মই প্রস্তাৱ কৰো যদুকাই বিহুকমিটীৰ ধনভৰালী হওক।

গণেশ—মই অৰুণৰ প্রস্তাৱটো সাদৰে সমর্থন কৰোঁ; কাৰণ যদুকা সকলোৱে বিশ্বাসভাজন লোক। (ৰাতি পুৱাতে মধুৰ ঘৈণীয়েক আঘোণীয়ে গা-পা ধুই ৰাজহুৱা নাম-ঘৰটো লেপি পুচি থৈ আহিল। গৰখীয়া লৰাবিলাকে দীঘলতি গছৰ ডাল, লাও বেঙেনাৰ মালা আৰু মাহ হালধি হাতত লৈ আলি বাটেৰে গৰু খেদি নি—চিঞৰি চিঞৰি গাইছে—দীঘলতিৰ দীঘল পাত, গৰু মাৰে জাত জাত, মাৰ সৰু বাপেৰ সৰু, তই হবি বৰ গৰু।")

মধু—(গা-পা ধুই গাত গামোচাখন আৰু হাতত নাম-ঘোষাখন লৈ) হেৰ মাইকণৰ মাক, মই নাম-ঘৰলৈ ওলালোঁ। আমাৰ গোঁসাই আৰু শিক্ষা গুৰু দুপৰীয়া আমাৰ ইয়ালৈ আহিব, বহিবলৈ দিবা আৰু জা-জলপানৰ যোগাৰ কৰিবা।

মধুৱে নাম ঘৰত চাকি ধূপ ধুনা লগাই নাম ঘোষা পাঠ কৰে। গাঁৱলীয়া ভাই সকলে (ঢাৰি পাটী পাৰি বহি শুনে।)

"মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেব যদুপতি;"

যিজনে মুক্তি লাভৰ আশাত ধর্ম্ম আচৰণ কৰে তেওঁ প্রকৃত ভকত নহয়; নিজৰ সদগতি হোৱাৰ

আশাত ভক্তি কৰাটো স্বাৰ্থপৰতাহে চিন, যি জনে স্বাৰ্থশূন্য হৈ ভকতি কৰে তেওঁহে আচল ভকত, যি পৰমেশ্বৰ নিজ ভকতৰ বশ আৰু সকলোৰে শিৰৰ মুকুট, তেওঁক মই প্ৰণাম কৰো। ইয়াৰ পিচত মধুৱে ভোৰ-তাল লৈ নাম লগাই দিলে; আনবিলাকে চাপৰি বজাই নাম ধৰিলে। গাঁৱৰ সকলো মানুহে এই নাম_কীৰ্ত্তনত যোগদান কৰি প্ৰেম প্ৰীতিৰ ভাবেৰে ভগৱানৰ নামত বিভোৰ হ'ল।

ভাটীবেলা—খেল পথাৰত লৰা-ডেকা বুঢ়া সকলোৱে আনন্দত আপোনপাহৰা। ডেকা গাভৰু, লৰা-ছোৱালী বুঢ়া-বুঢ়ী সকলোৱে ভিন ভিন খেল প্ৰতিযোগিতাত যোগদান কৰিলে। ঘোৰা দৌৰ, নাও খেল, লৰমৰা, জাপমৰা, যাঠী দলিওৱা, ধেনু কাঁড়েৰে লক্ষ্যভেদ কৰা, ঢোপ খেলা, হাউ খেলা ইত্যাদি।

গধূলি হ'ল। গৰু গাই চাৰু-চিকুণ হৈ ঘৰ চাপিল। গৃহিণী সকলে নতুন পঘা গৰুৰ ডিঙিত দি গো লক্ষ্মীক সেৱা জনালে, গৰু আহি ঘৰ পোৱাৰ আগে আগে তেওঁবিলাকে নঙলাৰ আগত তুঁহ জুই জগাই, আগৰা, কেছু আদি বনৌষধি পুৰি ছাই কৰি ধোঁৱা দিয়া কাম শেষ কৰিছে। ইফালে পথাৰত প্ৰীতি ভোজৰ আয়োজন। কোনোৱে ৰন্ধা বঢ়াত লাগিছে, কোনো কোনোৱে ঢাৰি পাৰি দিছে। কোনোৱে বিলাইছে। কোনোৱে পানী দিছে। এইদৰে সকলোৱে ভাই ভাই হৈ একেলগে খাবলৈ বহিছে। ধনী দুখীয়া-উচ্চ নীচ সৰু জাত বৰ জাত ভাবৰ দুষিত বতাহ ভাত সোমোৱা নাই।

ৰাতি ভাওনা চাবলৈ অহা লোকে লোকাৰণ্য। নল দময়ন্তীৰ পালা। আঘোণী বাইৰ মনটো উগুল-থুগুল। মধু নল ৰজাৰ ভাৱত বাইজৰ পৰা আগেয়ে বহুবাৰ প্ৰশংসাৰ ভাজন হৈছে; আজিনো প্ৰশংসাৰ জাউৰি কিমান উঠে? কেৱল আঘোণীয়ে নহয় যিবিলাক জীয়ৰী বোৱাৰীৰ আপোন জনে ভাওনাত অংশ গ্ৰহণ কৰিছে, সিসকলৰ প্ৰাণটো আনন্দৰ ঢৌৰ খলকনি উঠিছে।

পিচ দিনা ৰাতি পুৱা ৰমেশে (শিক্ষক) পুৱাই গা ধুই উঠিছে। কমলাই গামোচা এখনেৰে শৰাই বটা লৈ স্বামীক সেৱা জনালে। ৰমেশে চাহ পানীটোপা খাই চ'ৰা ঘৰলৈ আহিছে। কেইবাজনো মানুহে তেওঁৰ কাৰণে বৈ আছে।

ৰমেশ—"সৰুমণি, অ' সৰুমণি, চ'ৰাত তামোল দে।" সৰুমণিয়ে বটাত তামোল লৈ সকলোৰে আগত দাঙি ধৰিলে। বাইজে তামোল একোখন হাতত লৈ বিহুৱান গামোচা একোখন মেজৰ ওপৰত থকা বটাটোত থৈ শিক্ষা গুৰুলৈ আগ বঢ়াই সেৱা জনালে। ৰমেশে আশীৰ্ব্বাদ দি কলে—"এই অসমীয়া গামোচাৰ প্ৰতিডাল সুতাই আমাৰ প্ৰেম প্ৰীতি আৰু পবিত্ৰতাৰ নিদৰ্শন। ৰঙালী বিহুৱে আমাক একতাৰ ডোলেৰে বান্ধ খুৱাই জাতীয় জীৱন সোণালী কৰি দিয়ক। সমূহীয়া উন্নয়ন আঁচনি ফলৱতী কৰাত আমাৰ জ্ঞান চকু মেল খাওক।"

এনেতে হুচৰি গোৱা কেইটিমান সৰু সৰু লৰাই ঢোল, টকা, পেপা বজাই ধিনিকি ধিন্দো মাৰি গাবলৈ ধৰিলে—

"বিহুৰ বিৰিণা পাতে ঐ মইনা
বিহুৱে বিৰিণা পাত;
বিহু থাকে মানে বিহুকে বিনাবি
বিহু গলে বিনাবি কাক।"

ৰমেশ—(টকা এটা মোনাৰ পৰা উলিয়াই) ৰমেশে গামোচা এখনেৰে সৈতে শৰাই বটা আগত লৈ লবাইঁতক কলে—"তোমা লৰাইঁত, এয়া নিচেই সামানাহে আগ বঢ়াইছো। লগ ভাত খাবাইঁক দেই, বিৰি চিগাৰেট নাখাবা।" লৰাইঁতৰ মাজৰ মুখিয়াল জনে হাত জোৰকৈ টকাটো ললে আৰু সকলোৰে "জয় হওঁক, কুশল হওঁক" বুলি আশীর্বাদ দি গুচি গ'ল।

বিহুগীত

শ্ৰীঘনকান্ত দেব গোস্বামী।

(১)

অতিকৈ মৰমৰ তয়ে ঐ বহাগী
মাতে ঐ শুৱলা তোৰ
এনে মাত শুনিনো থাকিব পাৰোঁনে
কচোন বহাগী মোৰ।

(২)

নেচাই ঐ পাৰোঁনে তোকে ঐ বহাগী
অতিকৈ ধুনীয়া তই।
তোকনো এৰি থৈ বহাগী লাহৰী
কেনেকৈ থাকিমে মই॥

(৩)

গালৰ ঐ ধুনীয়া গোলাপী বৰণে
ওঁঠৰে মুগুচে হাঁহি।
চকুৰে ঐ দীপালী ধুনীয়া চাৱনি
মননো নিয়ে ঐ কাঢ়ি॥

(৪)

অতিকৈ নো ধুনীয়া তয়ে ঐ বহাগী
ধুনীয়া বুকুখনি তোৰ।
ককাল খামুচীয়া গা টি ঐ পিলিঙা
মননো মুহিলি মোৰ॥

(৫)

হৰিণীৰ দৰে ঐ চকুনো ধুনীয়া
মুকুতাৰে দৰে দাঁত।
খোপাতনো পিন্ধ ঐ ধুনীয়া মালতী
মৃণালৰে দৰে হাত॥

(৬)

সঁচাকৈয়ে কৰনে তয়ে ঐ লাহৰী
মোকে ভালে পাৱ বুলি
তেনে ঐ চুমা খাম তোৰে ঐ গালতে
সাদৰী কোলাতে তুলি।

—০:০:০—

স্ত্ৰী-পুৰুষৰ চাৰিটি সম্বন্ধ

শ্ৰীসুৰেন্দ্ৰ প্ৰসাদ বৰুৱা

স্ত্ৰী পুৰুষৰ মাজে
সম্বন্ধ চাৰিটি,
বিশেষ জৰুৰী এই
সকলোটি ৰীতি
প্ৰথম সম্বন্ধ অংশী
নাৰীৰ লগত,
যাৰ দ্বাৰা সুখী জানা
গৃহী-জীৱনত ।
যি নাৰীয়ে ধনৰ ব্যয়
সুনীতিত কৰে,
তাৰ স্বামী কেতিয়াও
দুখত নপৰে ।
শুদ্ধ সদাচাৰ সদা
যি নাৰীৰ হয়,
শুদ্ধ সতী সেই নাৰী
জানিবা নিশ্চয় ।
স্বামীক সুখত ৰখা
কৰ্ত্তব্য নাৰীৰ,
লাগে জ্ঞান স্ত্ৰীক সদা
চিকিৎসা আদিৰ ।
কিদৰে কৰিব লাগে
শিশুক পালন,
এই এটি অঙ্গ অতি
নাৰীৰ আপোন ।
সুশিক্ষাত শিক্ষিত কৰি
সন্তান সন্ততি,
বংশৰ নাম উজ্বলোৱা
তিৰোতাৰ নীতি ।
দ্বিতীয় সম্বন্ধ হ'ল
স্ত্ৰী-পুৰুষৰ,
বিষয় বাসনা আদি
সুখ ইন্দ্ৰিয়ৰ ।
নাৰীৰ ধৰম দিয়ে
কৰিছে পালন,
নাৰীৰ গৌৰৱ তেওঁ
কৰিছে ৰক্ষণ ।
ধাত্ৰী-বিদ্যা স্ত্ৰীৰ পক্ষে
অতি মূল্যৱান্,
ই, কলাৰ গুণতে নাৰী
পায় উচ্চ স্থান ।
তৃতীয়তে সখাৰূপে
দাম্পত্য-মিলন,
সখা কিম্বা বন্ধুৰূপে
নিয়াই জীৱন ।
সকলো কাৰ্য্যতে নাৰী
স্বামীৰ সাৰথি,
বিপদ বেলিকা নাৰী
হয় মহাৰথী ।
চতুৰ্থ সম্বন্ধ ঘোৰ
আধ্যাত্মিক নাম,
সংসাৰত তবে কৰি
পূৰ্ণ মনস্কাম
স্বামীয়ে দেৱতা যাৰ
স্বামীগত প্ৰাণ ;
যি নাৰীৰ মনত নাই
স্বামী সম ধন ।
ক্ষমা-প্ৰেম-দয়া গুণ
নাৰীৰ ভূষণ,
এই চাৰি সম্বন্ধে জানা
দাম্পত্য মিলন

পোৰা পুথিৰ পৰিচয়

১। পৌৰবিজ্ঞান (ৰাজনীতি খণ্ড)

অধ্যাপক ইক্ৰামুদ্দিন শইকীয়া এম্ এ, মূল্য ॥० মাত্ৰ।

কিতাপ পোৱাৰ ঠিকনা:—মিচেচ মিছিৰা বেগম শইকীয়া। অধ্যাপক ইক্ৰামুদ্দিন শইকীয়া এম্ এ

হুনমাটি ৰোড্, গুৱাহাটী।

প্ৰত্যেক মানুহৰে ৰাষ্ট্ৰৰ নাগৰিক হিচাবে যি খিনি কৰ্ত্তব্য আৰু যি যি কথা জানিবলগীয়া সেইবিলাকৰে আলোচনা এই পুথিখনত আছে। এই বিষয়টোক পৌৰবিজ্ঞান বোলে। স্বাধীনতাৰ পিচত প্ৰত্যেকজন মানুহৰে অলপ নহয় অলপ পৌৰবিজ্ঞানৰ জ্ঞান থকাটো নিতান্ত আৱশ্যকীয় হৈ পৰিছে। গতিকে অকল ছাত্ৰ আৰু ৰাজনৈতিক নেতাসকলেই নহয় সমাজৰ সকলো শ্ৰেণীৰ মানুহেই এই পুথিখন পঢ়া আৱশ্যক। সামাজিক শিক্ষাই আজি দেশবাসীক স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰি আহিছে। পৌৰবিজ্ঞান নেজানিলে মানুহ এখন উপযুক্ত নাগৰিক হ'ব নোৱাৰে। সেই কাৰণে প্ৰত্যেকখন সামাজিক শিক্ষা বিভাগৰ পুথিভঁৰালে এই পুথিখন ৰখা আৱশ্যক।

২। ৰুণুক জুনুক

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, মূল্য ১০

প্ৰকাশ কৰোঁতা—কুমাৰী শ্ৰীবিজয়লক্ষ্মী হাজৰিকা

C/o এ, চি, হাজৰিকা,

উজান বজাৰ, গুৱাহাটী,

সৰু সৰু লৰা ছোৱালীৰ উদ্দেশ্যে ৰচনা কৰা এখন কবিতা পুথিৰ সংগ্ৰহ। ইয়াৰ ভালেখিনি কবিতা 'বটা বিতৰণী সভা' আৰু বিদ্যালয়বিলাকৰ আন আন অনুষ্ঠান উপলক্ষে আবৃত্তি কৰিবলৈ ভাল হ'ব।

৩। বৃহৎ পাষণ্ড দমন আৰু সম্প্ৰদা চৰিত্ৰ

শ্ৰীৰুদ্ৰদেৱ গোস্বামী

গজলা সত্ৰ

পোঃ চেঙেলীবাড়ী, শিৱসাগৰ অসম

মূল্য যথাক্ৰমে দেড় টকা আৰু এটকা।

মহাপুৰুষীয়া ধৰ্ম্মৰ নানা বিষয়ৰ তত্ত্বকথা থকা পয়াৰ ছন্দত লিখা আৰু মাজে মাজে গদ্য থকা পুথি। জনসাধাৰণে পঢ়ি ভাল পাব আৰু বহুত কথা শিকিব পাৰিব। মাজে মাজে উপদেশমূলক কথা কিছুমান দিয়া আছে।

৪। হৰ-গৌৰী বসতি হওক—

লিখক লিখিকা—শ্ৰীৰবীন্দ্ৰনাথ শৰ্ম্মা, মূল্য ॥৴০

শ্ৰীসুৰপ্ৰভা দেৱী

প্ৰকাশক—সম্পাদক—সমাজ ধৰ্ম্ম সদন,

দিপলিং বাগিচা

পোঃ সোণাৰী

মহাত্মাগান্ধীৰ জীৱন চৰিত্ৰ আৰু আদৰ্শৰ বৰ্ণনা থকা এখন বিয়া নামৰ পুথি। ইয়াৰ লগতে বিয়া নাম বিলাকত স্বাধীনতাৰ হকে যুঁজোতা আন বহুতো বিখ্যাত দেশ নেতাৰ নাম উল্লেখ কৰা আছে। আগৰ পৰা গুৰিলৈকে পঢ়িলে ভাৰতৰ স্বাধীনতাৰ বুৰঞ্জীৰ বিষয়ে এটা মোটামুটি ধাৰণা কৰিব পৰা যায়।

৫। ডাঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ—

শ্ৰীএকেশ্বৰ বৰুৱা, পোঃ কমাৰকুছি। দাম।৴০।

এই পুথিখনে অসমীয়া ভাষাত জীৱনী সাহিত্যৰ অভাৱ কিছু পৰিমাণে পূৰোৱাত সহায় কৰিব। ৰাধাকৃষ্ণণৰ দৰে জগত বিখ্যাত মনীষী এজনক অসমীয়া জনসাধাৰণৰ লগত পৰিচিত কৰি দিয়াত লিখক ধন্যবাদৰ পাত্ৰ। ৰাধাকৃষ্ণণৰ প্ৰতিভা ফুটাই তোলাত লিখক কৃতকাৰ্য্য হৈছে। শব্দ, বানান আদি ভুল সম্পৰ্কে লিখকে নিজেই আগকথাত উল্লেখ কৰিছে। গতিকে সেই বিষয়ে ইয়াত কোৱা নিষ্প্ৰয়োজন।

৬। অনাগতা প্ৰিয়ালৈ—পৰাশৰ

প্ৰকাশক:—সাহিত্য প্ৰকাশ সংঘ, গুৱাহাটী।

বেচ খৰচ।० আনা

এজন স্বদেশ প্ৰেমিক, চিন্তাশীল আৰু আদৰ্শবাদী ডেকাই জীৱনৰ বহুমুখী সমস্যাবিলাক সমাধান অৰ্থে অন্ত

সহযোগিতা কৰিবলৈ ভাবী প্ৰিয়াক আহ্বান কৰি লিখা এখন সৰু কবিতা-পুথি। কবিতাৰ যোগেদি মনৰ ভাৱবিলাক ব্যক্ত কৰাত লিখক কৃতকাৰ্য্য হৈছে।

৭। **কামাখ্যা তীৰ্থ** (কামৰূপ মাহাত্ম্য)
শ্ৰীধৰণী কান্ত দেৱ শৰ্ম্মা, পোঃ কামাখ্যা (অসম) বেচ—১৲

এই পুথিখন পাই আমি বৰ সুখী হলোঁ। এইখন কেৱলমাত্ৰ এখন "গাইড বুক" অৰ্থাৎ বাট ঘাটৰ চিনাকি থকা পুথি বুলি ভাবিলে ভুল কৰা হ'ব। পুথিখনত লিখকৰ স্বাভাৱিক গৱেষণা প্ৰিয়তা ফুটি উঠিছে আৰু হেথেতে যথেষ্ট যত্ন কৰি কামাখ্যা আৰু তাৰ ওচৰ কামৰূপৰ তীৰ্থস্থান সমূহৰ বৰ্ণনা আৰু ইতিবৃত্ত সংগ্ৰহ কৰি পুথিখনত দিছে। ইয়াৰ বাহিৰেও পুথিখনত ভালেখিনি বুৰঞ্জীমূলক তথ্য আছে। এইবিলাকে পুথিখনক মূল্যবান কৰিছে। আমি শুনি আনন্দিত হৈছোঁ যে লিখকে পুথিখনত আৰু কিছুমান তথ্য সন্নিবিষ্ট কৰি পৰিবৰ্দ্ধিত কৰিব খুজিছে।

৮। **ডিগবৈৰ বাতৰি**—পাব্লিচিটি ডিপাৰ্টমেণ্ট
আসাম অইল কোম্পানী লিমিটেড,
পোঃ—ডিগবৈ।

ইংৰাজী ভাষাৰ সচিত্ৰ মাহেকীয়া আঠ পৃষ্ঠাৰ আলোচনী কাকত। ই অসম তেল কোম্পানীৰ মুখ পত্ৰ। ছবিয়ে খবৰ বাতৰিয়ে সন্তোষজনক হৈছে। আলোচনীখনি পঢ়িলে মানুহৰ এই ব্যৱসায়ৰ সম্বন্ধে ভালেখিনি বিষয়ৰ জ্ঞান হয় আৰু কিছুমান ভুল ধাৰণাও আঁতৰে। লগতে আলোচনীখনৰ এটা অসমীয়া সংস্কৰণ উলিয়ালে এই কোম্পানী সদৌ অসমীয়া ৰাইজৰে শলাগৰ পাত্ৰ হ'ব।

৯। **মাতৃ ভুমি**—সম্পাদক { শ্ৰীকন্দৰ্প শৰ্ম্মা, শ্ৰীযতীন গোস্বামী }
বছেৰেকীয়া বৰঙনি ২॥০ প্ৰকাশক:—শৰ্ম্মা বুক হাউচ, পাণবজাৰ, গুৱাহাটী।

আলোচনী খনৰ বৰঙনি নিয়মীয়া হোৱাটো যুক্তিসঙ্গত হৈছে কাৰণ বহুত মানুহৰে বেছি বৰঙনিৰ কাকত বা একেজন মানুহৰ পক্ষে একেলগে কেবাখনো কাকতৰ গ্ৰাহক হোৱাটো সম্ভৱপৰ হয়। গতিকে এনে ধৰণৰ কম দামৰ আলোচানীৰ ঠাই অসমত আছে। অলপ আকৰ্ষণীয় কৰি তুলিব পাৰিলে মানুহে ৰেল জাহাজেৰে ক'ৰবালৈ গলে চাবি অনাৰে একোখন কিনি লৈ যাবলৈ টান নেপায়। আলোচনী খনৰ কেইটামান সংখ্যা পঢ়ি আমাৰ ধাৰণা হৈছে যে ইয়াৰ উদ্দেশ্য ওখ আৰু প্ৰবন্ধবিলাক সংযত। আমি ডেক' খনৰ প্ৰচেষ্টাৰ উত্তৰোত্তৰ মঙ্গল কামনা কৰোঁ।

১০। **প্ৰাগ জ্যোতি**—(তিনিমহীয়া আলোচনী
শ্ৰীপৰ নাথ শৰ্ম্মা, শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত } যুটীয়া সম্পাদক
বেচ ১৲ প্ৰাগ জ্যোতি কাৰ্য্যালয়, পোঃ নাজিৰা (অসম

এইখন শিৱসাগৰ জিলা সাহায্য প্ৰাপ্ত হাইস্কুল শিক্ষক সঙ্ঘৰ মুখপত্ৰ। আলোচনী খনত অসমীয়া আৰু ইংৰাজী সুবোধ প্ৰবন্ধই আছে। আমি এইবিলাক পঢ়ি চালোঁ। বেছি ভাগ প্ৰবন্ধই শিক্ষামূলক আৰু শিক্ষাৰ সমলোচনা থকা। এনে হোৱাটো বাঞ্চনীয় হৈছে। শিক্ষাৰ বিষয়ে আলোচনা কৰিবলগীয়া ইমান বিলাক কথা আছে যে সাধাৰণ গল্প, কবিতা, উপন্যাস আদি থকা আলোচনী এখনতকৈ যাইকৈ শিক্ষা বিষয়ক আলোচনা থকা আলোচনী এখনহে দেশৰ শিক্ষাব্ৰতী সকলৰ কাৰণে বিশেষকৈ আৱশ্যক। ছাত্ৰসকলৰ কাৰণেও দুই চাৰিটা সহজ সৰল ভাষাত লিখা প্ৰবন্ধ থাকিলে ভাল হ'ব যেন লাগে। জাতি গঠনত আৰু দেশৰ শিক্ষা পদ্ধতিৰ উন্নতি সাধনত এনে এখন আলোচনীৰ মূল্য কিমান তাক বঢ়াই ক'ব নোৱাৰি।

১১। **পেন ফ্ৰেণ্ড**—ডি লেছনচ লিগ অব পেন ফ্ৰেণ্ডচ'ৰ মুখপত্ৰ, বোম্বে

দামী আৰ্ট পেপাৰত ছপা কৰা এখন সচিত্ৰ আৰু উচ্চাঙ্গৰ আলোচনী। জগতৰ বেলেগ বেলেগ জাতিৰ মানুহবিলাকৰ মাজত চিঠি পত্ৰৰ বিনিময়ৰ যোগেদি সম্প্ৰীতি স্থাপন কৰাৰ উদ্দেশ্যে লোক সভাৰ সদস্য শ্ৰীৰাধাৰমনে "ডি লেছনচ লিগ অৱ পেন ফ্ৰেণ্ডচ" নামে এটা অনুষ্ঠান কৰিছে। এই অনুষ্ঠানৰ পৃষ্ঠপোষকতা কৰিছে ডাঃ ৰাধাকৃষ্ণণ, ইলেনৰ ৰুজভেল্ট, পাৰ্ল বাক, বিজয়লক্ষ্মী পণ্ডিত কইৰালা, মাভালংকাৰ, জগজীৱন ৰাম, পানীকৰ, দেশমুখ কে এম মুন্সি আদিৰ দৰে সমাজৰ বহুতো শীৰ্ষস্থানীয় লোকে। আলোচনী খনো সকলো প্ৰকাৰে এনে এটা সম্ভ্ৰান্ত অনুষ্ঠানৰ উপযুক্ত মুখপত্ৰ হৈছে।

প্ৰাপ্ত স্বীকাৰ

(১) National Cadet Corps, Progress in Assam, Edited by Shri D. C. Bhuyan, Special Officer, N. C. C. (Assam.)

২। **সেৱক**—(মাহেকীয়া আলোচনী)
সম্পাদক শ্ৰীভাৰত চন্দ্ৰ দাস, বৰপেটা।
বছেৰেকীয়া বৰঙনি ৪॥০

৩। **বিহলঙনী**—(মাহেকীয়া আলোচনী)
সম্পাদক শ্ৰীমহেশ চন্দ্ৰ দেৱ গোস্বামী
বছেৰেকীয়া বৰঙনি ৪॥০ নগাওঁ (অসম)

৪। **খঁৰা শিয়ালৰ বিয়া**—শ্ৰীলীলা গগৈ
বেচ ॥৵০ চেৰেকা পাৰ (শিৱসাগৰ)

আমাৰ আলোচনা

বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলে চেষ্টা কৰিব লাগিব যাতে বয়স্কসকলে ক, খ শিকাৰ উপৰিও স্বাধীন দেশ এখনৰ উপযুক্ত নাগৰিক হৈ গঢ় লবলৈ সুবিধা পায়। ইয়াৰ কাৰণে শিক্ষকসকলে বয়স্কসকলক কথোপকথনৰ সহায়েৰে নিজৰ দেশৰ আৰু জগতৰ নানা সমস্যাবিলাকৰ আও-ভাও বুজাই দিয়া উচিত। এই শিতানত আমি যিবিলাক বিষয়ৰ আলোচনা কৰিছোঁ সেইবিলাক বয়স্কসকলক শিক্ষা দিওঁতা শিক্ষকসকলৰ উদ্দেশ্যে লিখা হৈছে—যাতে তেওঁলোকে এইবিলাকৰ আলম লৈ বয়স্কসকলৰ লগত নানা কথাৰ আলোচনা কৰি তেওঁলোকৰ জ্ঞানৰ পৰিধি বৃদ্ধি কৰাত সহায় কৰিব পাৰে।

উৎসৱ অনুষ্ঠান বিলাকৰ সামাজিক জীৱনত এটা ডাঙৰ মূল্য আছে। দেখা গৈছে স্বাধীনতাৰ পিচৰ পৰা মানুহে এই বিলাক বৰ আড়ম্বৰেৰে পালন কৰিবলৈ ধৰিছে। কিন্তু এই বিলাকত যিবিলাক কেৰোণ সোমাইছে আৰু এই বিলাকৰ নামত যিবিলাক অত্যাচাৰ আৰম্ভ হৈছে তাৰে চালে আমাৰ সমাজখন এটা অন্তঃসাৰশূন্য অতিকায় শৰীৰৰ দৰে হয় বুলিহে ভয় হয়।

প্ৰথমতে ধৰ্ম্মৰ উৎসৱ অনুষ্ঠান বিলাককে ধৰা যাওক। আজি কালি মানুহে এই বিলাক বৰ আড়ম্বৰেৰে পালন কৰে। এইটোৱে ইয়াকে বুজাইনে যে মানুহৰ আগতকৈ ধৰ্ম্মত বেছি মতি হৈছে? যদি সেয়ে হয় তেন্তে মাঙ্গলিক অনুষ্ঠান বিলাকতো লাউডস্পীকাৰৰ দ্বাৰা ইমানকৈ লঘু ফিল্ম সঙ্গীত বিলাক বজোৱা হয় কিয়? আমি ফিল্ম সঙ্গীত বজাব নালাগে বুলি কোৱা নাই। কিন্তু ধৰ্ম্মৰ অনুষ্ঠান বিলাকত অন্তৰত ভক্তি ভাৱ উদ্ৰেক কৰিব পৰা উচ্চাঙ্গৰ সঙ্গীতহে মাথোন বজোৱা উচিত। তাকো যেতিয়াই তেতিয়াই ছেদ ভেদ নোহোৱাকৈ বজাই মানুহৰ অশান্তি কৰা কেতিয়াও উচিত নহয়।

বহাগ বিহুৰ সময়ত কোনো কোনো ঠাইত দেখিছোঁ সৰু সৰু লৰা কেইটামান গোট খাই বিহুগীতৰ প্ৰহসন কৰি মানুহৰ ঘৰে ঘৰে পইচা খুজি ফুৰেহি। অভিভাৱক সকলে নিজৰ লৰাক এই বিলাকৰ পৰা বিৰত কৰোৱা উচিত আৰু বাইজেও লৰাবিলাকক বৰাই বুজাই সৰু সৰু দলত বিভক্ত হৈ ঘূৰি ফুৰিবলৈ মানা কৰা উচিত। সৰস্বতী পূজাৰ সময়তো লৰাবিলাকে চুবুৰিয়ে-চুবুৰিয়ে পূজা পাতি মানুহৰ ঘৰে ঘৰে চান্দা খুজি ফুৰেহি। সকলো অনুষ্ঠানেই যিমানদূৰ পৰা যায় ৰাজহুৱা ভাৱে বা একোটা ডাঙৰ দল পাতি পালন কৰা উচিত। ডাঙৰ ডাঙৰ দল পাতি পালন কৰিলে মানুহৰ মাজত ঐক্যভাৱৰ সৃষ্টি হয় আৰু ৰাইজকো পইচাৰ কাৰণে অযথা জুলুম কৰা নহয়।

ফাকুৱাত শুদ্ধ ফাকুৱাহে ব্যৱহাৰ কৰা উচিত। কিন্তু আজিকালি ফাকু খেলোঁতে মানুহে কতযে কি ব্যৱহাৰ কৰে তাৰ সীমা সংখ্যা নাই। ফাকুৱা ৰীতিমতে এটা অত্যাচাৰত পৰিণত হৈছে।

বছৰেকৰ লক্ষ্মী পূৰ্ণিমাৰ দিনা কিছুমানে ঘৰত শিলগুটি দলিয়াই আৰু নাৰিকল চুৰ কৰে। মাঘ-বিহুত শাকপাচলি চুৰ কৰি আৰু আনৰ ঘৰৰ বস্তু বাহানি জুইত জলাই দি এই পবিত্ৰ অনুষ্ঠানটো পালন কৰা হয়। সৰস্বতী পূজাতো কিছুমানে আনৰ বাৰীৰ শাক-পাচলি চুৰ কৰি দেৱীক ভোগ দিয়ে।

বিয়াবিলাকত হেঙ্গাৰ ধৰা, চাউল দলিওৱা আদিতো আছেই। উৎসৱ অনুষ্ঠান বিলাকত মানুহ গোট খালে কিছুমান দুৰ্ব্বৃত্তই ছোৱালী জোকোৱাৰ সুবিধা বিচাৰি ফুৰে। যাত্ৰী আকৰ্ষণ কৰিবৰ কাৰণে কেতিয়াবা কেতিয়াবা কোনো ধৰ্ম্মৰ উৎসৱত লাউডস্পীকাৰৰ সহায় লোৱা দেখা যায়।

মানুহক আমোদ প্ৰমোদ লাগে। কিন্তু উশৃঙ্খলতা পৰিহাৰ কৰা উচিত। বিশেষকৈ ধৰ্ম্মৰ উৎসৱবিলাক উপলক্ষ কৰি সংযমৰ সীমা পাৰ হৈ যোৱা কেতিয়াও উচিত নহয়। যিমানদূৰ পৰা যায় বাহিৰা আড়ম্বৰবিলাক বাদ দি এইবিলাক সংযত ভাৱে পালন কৰা উচিত।

বছৰে বছৰে বাতৰি কাকত আৰু আলোচনী বিলাকত এইবিলাক বিষয়ে আলোচনা হয়। কিন্তু কাৰ্য্যক্ষেত্ৰত একো ফল ধৰা দেখা নেযায়। সমাজৰ চিন্তাশীল লোকসকলৰ এইবিলাক বিষয়ে দৃষ্টি আকৰ্ষিত হোৱাৰ বিশেষ ভাৱে প্ৰয়োজন হৈ পৰিছে। সভা সমিতিত বক্তৃতা দি, ব্যক্তিগত ভাৱে নিজে আদৰ্শ দেখুৱাই নিজৰ লৰা-ছোৱালীক আয়ত্তাধীন কৰি ৰাখি, বেচি জুম হোৱা ঠাইলৈ ঘৰৰ তিৰতা মানুহক যাবলৈ নিদি আৰু আৰক্ষক মতে চৰকাৰৰ লগত সহযোগিতা কৰি এখন সুস্থ আৰু সংস্কৃতিৱান সমাজ গঢ়িব পাৰিলেহে জন-সাধাৰণৰ মঙ্গল হ'ব।